# মহীয়সী

(সপ্তম সংখ্যা, ৫৬০ শঙ্কৰাব্দ)

অক্টোবৰ ২০০৮ চন

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

সম্পাদিকা

ড° ইন্দিৰা শইকীয়া বৰা

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

**MAHIYASHI :** *Women Magazine of Srimanta Sankaradeva Sangha, Edited by Dr. Indira Saikia Bora and published by Sri Hariprasad Hazarika, General Secretary of Srimanta Sankaradeva Sangha, 7th Issue, October:2008, Price Rs. 25.00 only.*

© **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

কাতি ঃ ৫৬০ শঙ্কৰাব্দ ঃ অক্টোবৰ'২০০৮

**সম্পাদনা সমিতি ঃ**

সভানেত্ৰী ঃ ড° লক্ষহীৰা গগৈ চুতীয়া
সম্পাদিকা ঃ ড° ইন্দিৰা শইকীয়া বৰা
সদস্যাসকলঃ শ্ৰীঅপৰাজিতা বৰকাকতী
শ্ৰীনিৰ্মলা দাস
শ্ৰীবন্দনা দেৱী
শ্ৰীৰুক্মিণী বৰা
শ্ৰীৰশ্মিৰেখা দেৱী বৰা
ড° মণিকা শইকীয়া

**প্ৰকাশক ঃ**

শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**মূল্য** ঃ ২৫.০০ টকা

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্ছেট প্ৰেছ, হেদায়েৎপুৰ,
গুৱাহাটী-৩২, দূৰভাষ ঃ ০৩৬১-২৬৬৪৮৯৯

**জয় গুৰু শঙ্কৰ**

# প্ৰধান সম্পাদকৰ একাষাৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মহিলা আলোচনী 'মহীয়সী'ৰ ষষ্ঠ সংখ্যা পাঠকসকলৰ হাতত তুলি দিয়া হ'ল। আশাকৰোঁ পূৰ্বৰ দৰেই সকলোৱে সমাদৰ কৰি গ্ৰহণ কৰিব। একবিংশ শতিকাৰ আৰম্ভণীতেই 'মহীয়সী'য়ে আত্মপ্ৰকাশ কৰিছে আৰু প্ৰস্তাৱনা সংখ্যকে ধৰি এতিয়ালৈ সাতটা সংখ্যা প্ৰকাশ কৰা হৈছে। গতানুগতিকতাৰ বিপৰীতে এই আলোচনীখনিয়ে পাঠক সমাজত এটি নতুন প্ৰেৰণা আৰু পৰম্পৰাৰ সৃষ্টি কৰিছে। বিশেষকৈ মহিলাসকলক কেন্দ্ৰ কৰি সমাজত সচেতনাৰ সৃষ্টি কৰা, শঙ্কৰী সাহিত্য সংস্কৃতিৰ পটভূমিৰ লগত আইমাতৃসকলক পৰিচয় কৰা, আধ্যাত্মিক আৰু নৈতিক জ্ঞানৰ বাতাবৰণত ঘৰুৱা পৰিৱেশ উন্নত কৰা, শিশুসকলৰ নৈতিক চৰিত্ৰ গঠনত ইন্ধন যোগোৱা, সামাজিক কাম-কাজত আই-মাতৃসকল জড়িত হ'বলৈ সৎসাহস সঞ্চয় কৰা, সুশিক্ষাৰে স্বাস্থ্যসন্মতভাৱে সদাচাৰী জীৱন-যাপন কৰিবলৈ আইসকলক 'মহীয়সী' আলোচনীয়ে প্ৰোৎসাহন যোগাইছে। আইসকলৰ মাজৰ পৰাই সম্পাদনা সমিতি গঠিত হৈছে আৰু সম্পাদনাৰ যাৱতীয় কামো সম্পাদিত হৈছে। আইসকলৰ মাজৰ পৰাই নতুন-পুৰণি লেখক-লেখিকাই মহীয়সীৰ পৃষ্ঠা সংখ্যা বৃদ্ধি কৰি পাঠকসকলৰ মাজত বিতৰণ কৰাৰ দায়িত্বও আইসকলেই গ্ৰহণ কৰিছে।

পূৰ্ববৰ্তী বছৰৰ দৰেই এইবাৰ শিশু-আই-মাতৃ সমাৰোহৰ ত্ৰয়োদশ সমাৰোহ গোৱালপাৰা জিলা শাখাৰ ব্যৱস্থাপনাত আই কনকলতা ক্ষেত্ৰ, গোৱালপাৰা মহাবিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হৈছে। ২৬, ২৭, ২৮ অক্টোবৰ ২০০৭ ৰ তিনিদিনীয়া সমাৰোহত অসমৰ বিভিন্ন স্থানৰ পৰা অহা আই-মাতৃ-শিশুসকল সমবেত হৈছে। ২৬ অক্টোবৰ ২০০৭ তাৰিখৰ কাৰ্যসূচীতে এই সংখ্যা 'মহীয়সী' উন্মোচনৰ ব্যৱস্থা কৰা হৈছে। শিশুসকলৰ উদ্দেশ্যে 'শিশু-মঞ্জৰী'ৰ ষষ্ঠ সংখ্যাটিও প্ৰকাশ কৰা হৈছে। শিশু আৰু আইসকলৰ বাবে সুকীয়াকৈ সমাৰোহৰ কাৰ্যসূচীত বিভিন্ন প্ৰতিযোগিতা আৰু আলোচনা চক্ৰৰ মাধ্যমত উভয়ৰে সুপ্ত প্ৰতিভা জাগ্ৰত কৰাৰ সুযোগ সুবিধা ওলাইছে। এনেদৰে জাতীয় জীৱন গঢ়াৰ উদ্দেশ্য আৰু সংকল্পক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বাস্তৱমুখী পদক্ষেপেৰে আগুৱাই নি সমাজৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আৰু অপ-সংস্কৃতিৰ বিৰুদ্ধে এক মৃদু-বৈপ্লৱীক আন্দোলন গঢ়ি তুলিছে। মধ্যযুগৰ ভক্তি আন্দোলনে আৰম্ভ কৰা সংস্কাৰমূলক কামখিনি সম্পূৰ্ণ কৰাৰ দায়িত্ব বৰ্তমানৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই পুনৰ গ্ৰহণ কৰিছে। এই আন্দোলন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ নেতৃত্বতে আগবঢ়াই নিয়া হৈছে। সমাজৰ পৰা অধৰ্ম, অনাচাৰ, ব্যভিচাৰ, কুসংস্কাৰ দূৰ কৰিব নোৱাৰালৈকে এই আন্দোলনৰ জৰিয়তে অবিৰত সংগ্ৰাম নিৰবধি চলাই যাবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিশু-আবাল-বৃদ্ধ-বনিতা সকলোৱে মাৰ বান্ধি উঠিছে। এই সংগ্ৰামী-সত্তাৰ পাথেয় হওক 'মহীয়সী'ৰ দৰে আলোচনী, 'শিশুমঞ্জৰী' আৰু 'ডেকাগিৰি'ৰ দৰে যুৱ আলোচনী কেইখনি। লেখক, লেখিকা আৰু সম্পাদনা সমিতিৰ সদস্য-সদস্যা সকলো এই আহ্বানেৰে প্ৰত্যাহ্বান গ্ৰহণ কৰি আগবাঢ়ি আহঁক! এই শুভ কামনাৰে আমাৰ একেষাৰ সামৰণি মাৰিলো।

জয় গুৰু শঙ্কৰ

সেৱাৰে--

শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

নগাঁও
১৭/১০/২০০৭

**জয় গুৰু শঙ্কৰ**

# সম্পাদকীয়

ভাৰতৰ লগত অসমৰ যোগসূত্ৰডালৰ উল্লেখ মহাভাৰতৰ দিনৰ পৰাই আমি পাঁও। তথাপি শঙ্কৰদেৱৰ আগলৈকে সেইসূত্ৰডাল সবল আছিল বুলি কোৱা টান। শঙ্কৰদেৱৰ বহুকালৰ পূৰ্বৰে পৰাই যি গাঙ্গেয় সভ্যতা আৰু সংস্কৃতি পশ্চিমফালৰ পৰা অসমত সোমাইছিলহি তাৰ গতি আছিল শীতকালৰ নিজৰাৰ সোঁতৰ দৰেই ক্ষীণ। শঙ্কৰদেৱেই অসমৰ প্ৰধান ব্যক্তি যিগৰাকীয়ে সৰ্বভাৰতীয় ঐতিহ্যৰ ঢল পোন প্ৰথমবাৰৰ বাবে লুইতপৰীয়া অসমলৈ বোৱাঁই আনিলে।

ভাগৱত পুৰাণকে ধৰি ভাৰতৰ বিভিন্ন বৈষ্ণৱ শাস্ত্ৰসমূহত থকা তত্ত্ব আৰু কাহিনীসমূহ মধুমিশ্ৰ দুগ্ধৰ দৰে সোৱাদ লগাকৈ অসমীয়া আৰু ব্ৰজাৱলী ভাষাত ৰচনা কৰি সৰ্বভাৰতীয় বৈষ্ণৱ সাহিত্যৰ লগত আমাক পৰিচয় কৰি দিয়াই নহয় আমাক ভাৰতীয় বুলি ভাবিবলৈ শিকালে। বেদ-বেদান্ত-গীতা-ভাগৱতৰ সাৰ উদ্ধাৰ কৰি আনি নিৰ্গুণ নিৰাকাৰ ঈশ্বৰ কৃষ্ণক ভজনা কৰিবলৈ সহজ সৰল উপায় দিলে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰে পৃথিৱীৰ কোনো এজন ধৰ্মপ্ৰচাৰকেই ইমান বিস্তৃত পৰিমাণৰ সাহিত্য সৃষ্টি কৰি থৈ যোৱা নাই।

সংস্কৃত ‘সহিত’ শব্দৰ পৰা ‘সাহিত্য’ শব্দৰ উৎপত্তি হৈছে। সেই কাৰণে ধাতুগত অৰ্থ ধৰিলে ‘সাহিত্য’ শব্দৰ মাজত এটা মিলনৰ ভাৱ দেখা যায়। সি যে কেৱল ভাৱে ভাৱে, ভাষাই ভাষাই, গ্ৰন্থই গ্ৰন্থই মিলন তেনে নহয়। মানুহৰ সৈতে মানুহৰ অতীতৰ সৈতে বৰ্তমানৰ, দূৰৰ সৈতে ওচৰৰ অত্যন্ত অন্তৰঙ্গ যোগসাধন সাহিত্যৰ অবিহনে আন একোৰে দ্বাৰা সম্ভৱ নহয়। সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ হৈছে--

(ক) সাহিত্যই নিত্য আনন্দ দান কৰে।

(খ) সাহিত্যই জ্ঞান দিয়ে।

(গ) মনক আনন্দময় সত্তালৈ উন্নীত কৰে।

(ঘ) সাহিত্যই ব্যক্তিগত অনুভূতিক বিশ্বমানৱৰ মনত সঞ্চাৰিত কৰে।

‘ধৰ্মসাহিত্য’ আৰু ‘সাহিত্য’ৰ ৰূপ বেলেগ। কিন্তু লক্ষ্য একে। উভয়ৰ লক্ষ্য চিত্তসংস্কাৰ। সাহিত্য সমাজৰ কাৰণে। সাহিত্য সৃষ্টি কৰোতা জনৰ প্ৰতিভা সুপ্ত অৱস্থাত থাকে। যাক অভিনৱগুপ্তই ‘ধ্বন্যালোক’ গ্ৰন্থৰ লোচন টীকাত কৈছে- ‘প্ৰতিভা অপূৰ্ববস্তু নিৰ্মাণ প্ৰজ্ঞা।’ যি প্ৰজ্ঞাৰ দ্বাৰা কবিয়ে তেওঁৰ ৰচনাত নৱ নৱ বিষয়ৰ উন্মেষ ঘটায়। ‘অলঙ্কাৰ সূত্ৰ বৃত্তি’ গ্ৰন্থত আচাৰ্য বামনে কৈছে সেয়া- ‘জন্মান্তৰ গত সংস্কাৰ বিশেষঃ।’ এনে জন্মান্তৰীয় সংস্কাৰসম্পন্ন কবিকে আলঙ্কাৰিক ৰাজশেখৰে ‘জাতঃ কবি’ বুলি কৈছে।

মহাপুৰুষ শঙ্কৰদেৱে ধৰ্মপ্ৰচাৰৰ উদ্দেশ্য আগত ৰাখিহে সাহিত্যকৰ্মত হাত দিছিল। কাব্য ৰচয়িতাসকলে বিশেষ বিশেষ উদ্দেশ্য আগত লৈহে কাব্য ৰচনা কৰে। কাৰণ দেখা যায় নাট্যশাস্ত্ৰকাৰ ভৰতমুনিয়ে শাস্ত্ৰৰ ব্যুৎপত্তি আৰু সদাচাৰ ৰূপ জ্ঞান লাভৰ বাবেই ‘নাট্যশাস্ত্ৰ’ প্ৰণয়ন কৰিছিল। মহাকবি বাল্মীকিয়ে ব্ৰহ্মাৰ আদেশত ৰামচৰিত জনসমাজত প্ৰচাৰ কৰিবৰ বাবেই ৰামায়ণ ৰচনা কৰিছিল।

ধৰ্ম প্ৰচাৰক হ’লেও মহাপুৰুষ শঙ্কৰদেৱৰ কবিসত্ত্বা যে গুণমুগ্ধসকলৰ বাবে আকৰ্ষণৰ প্ৰধান কাৰণ আছিল সেইটো গুৰুজনাৰ শ্ৰেষ্ঠ শিষ্য মাধৱদেৱে সেই বিখ্যাত গুৰুভটিমাতে স্পষ্টভাৱে উল্লেখ কৰিছে।

‘গীত কবিত্ব গুণ শঙ্কৰদেৱৰ
কীৰিতি গয়ো বহুদূৰ।’

পাছে নিজৰ কবিসত্ত্বাৰ বিষয়ে শঙ্কৰদেৱ নিজেও যথেষ্ট সচেতন, তাৰ প্ৰমাণ তাৰাই একাধিক ঠাইত স্পষ্টভাৱে নিজৰ পৰিচয় দিওঁতে ‘কবি’ এই অভিধাটো ব্যৱহাৰ কৰিছিল।

‘ভাগৱত পদ ছবি ৰচিলা শঙ্কৰ কবি।’ (কীৰ্ত্তন, হৰমোহন-৬০৬)। এটা কথা স্পষ্ট যে সৰ্বগুণাকৰ শঙ্কৰদেৱৰ কবিত্বগুণটোৰ উন্মেষ ঘটিছিল শৈশৱতেই। অকল বৰ্ণমালা শিকিয়েই ‘আ’কাৰ, ‘ই’কাৰ নোহোৱাকৈ ১৫ মাত্ৰাৰ কোমল গীত-

‘কৰতল কমল কমল দল নয়ন।
ভৱ দৱ দহন গহন বন শয়ন।।

..................................................’ ৰচনা কৰিছিল। শঙ্কৰদেৱৰ ‘কবি প্ৰতিভা’ ‘জাতঃ কবিঃ’ গুণ সম্পন্ন অৰ্থাৎ জন্মান্তৰীণ সংস্কাৰ। শঙ্কৰদেৱ একাধাৰে কবি, সমাজ সংস্কাৰক, ধৰ্মপ্ৰৱৰ্তক, নাট্যকাৰ, অভিনেতা, সঙ্গীতজ্ঞ আদি গুণৰ আধাৰ। গুৰুজনাৰ ৰচনাৰাজিত মানৱজীৱনৰ চিৰসত্য পালনীয় ভক্তিধৰ্মৰ মাহাত্ম্য প্ৰতিফলিত হৈছে। তাৰাৰ ৰচনাৰ মূল বিষয়বস্তু হৈছে লোক শিক্ষা আৰু আধ্যাত্ম জীৱন দৰ্শন কৰোৱা। মায়া মোহ যে সকলো অনৰ্থৰ মূল সেইকথা বাৰে বাৰে সোঁৱৰাই দিছে। কীৰ্ত্তনৰ ‘হৰমোহন’ খণ্ড তাৰেই উদাহৰণ মাত্ৰ।

শ্ৰীমদ্ভাগৱত পুৰাণৰ অষ্টম স্কন্ধৰ দ্বাদশ অধ্যায়ত পোৱা যায় যে এবাৰ মহাদেৱে পাৰ্বতী আৰু সঙ্গীসকলক লগত লৈ বিষ্ণুৰ ওচৰলৈ আহি অমৃতমন্থনৰ সময়ত তেওঁ ধৰা মোহিনী নাৰীবেশ চাবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু মোহিনীৰূপৰ উদ্দেশ্য সুধিলে। বিষ্ণুৱে ক’লে যে- ‘যেতিয়া দানৱসকলে অমৃতৰ ভাণ্ড লৈ গ’ল তেতিয়াই এক ৰূপহী নাৰীৰ ৰূপ লৈ দৈত্যসকলক চলনা কৰি দেৱতাসকলৰ বাবে কাম কৰিবলগীয়া হৈছিল। কামুকসকলে প্ৰশংসা কৰা সেই ৰূপ (সুৰ কৰ্মনি) মই তোমাক দেখুৱাম। যদিহে তুমি ইচ্ছা কৰিছা।’

হয়তো লোক শিক্ষাৰ বাবেই এই নিষেধ বাক্য বিষ্ণুৰ মুখত দিয়া নাই। এয়া গুণৱতী মায়া। ইয়াৰ পৰা জীৱ উদ্ধাৰ হোৱা সম্ভৱ নহয়।

ৰামায়ণ মহাকাব্যৰ অৰণ্যকাণ্ডত শাতকৰ্ণিমুনিৰ উল্লেখ আছে। এই জনা মুনিয়ে ব্ৰহ্মলোক জয় কৰিবৰ বাবে পানীৰ তলত দহ হাজাৰ বছৰ ধৰি তপস্যা কৰিছিল। দেৱৰাজ ইন্দ্ৰই ভয় খাই মুনিৰ তপস্যা ভঙ্গ কৰিবৰ বাবে পাঁচগৰাকী অপ্সৰা প্ৰেৰণ কৰে। তেতিয়া সেই শাতকৰ্ণিমুনি অপ্সৰাৰ ৰূপত মুগ্ধ হৈ তপ ভঙ্গ কৰি জলতেই তেওঁলোকৰ সৈতে বাস কৰে। আজিও তাক ‘পঞ্চঅপ্সৰতীৰ্থ’ নামেৰে জনা যায়। পিছত ঋষিৰ মোহ ভঙ্গ হৈ পানীৰ পৰা উঠি আহি পুনৰ ধ্যানত বহে। গতিকে মায়া যে অনৰ্থৰ মূল সেইকথা শাস্ত্ৰসমূহে উল্লেখ কৰিছে।

তেনেদৰে, কীৰ্ত্তনতে থকা ‘বিপ্ৰদামোদৰ’ আখ্যানটো সৰু। কিন্তু তাৰ শিক্ষনীয় বিষয়টোৰ গুৰুত্ব কম নহয়। অৰ্থোপাৰ্জন আদি সংসাৰ কৰ্তব্যৰ প্ৰতি আওকাণ কৰিবলৈ বা উদাসীন হৈ থাকিবলৈ গুৰুজনাই উপদেশ দিয়া নাই। আনহাতে, ধৰ্মসাধন আৰু সুস্থ-সবল শৰীৰ পৰস্পৰে উপকাৰক। সংসাৰধৰ্ম পালনৰ উপদেশহে স্পষ্টভাৱে দিছে। ভোগ কৰাকো নিন্দা কৰা নাই। কিন্তু ঈশ্বৰ ভক্তি অনুকূল সেই সংসাৰভোগ কেনেকৈ নিয়মিতভাৱে কৰিব লাগে তাকেহে দেখুৱাইছে। গৃহতে থাকি ভক্তি ধৰ্ম পালনৰ কৰাৰ কৌশলটো বিপ্ৰদামোদৰৰ চৰিত্ৰৰ মাজেদি শঙ্কৰদেৱে কাহিনীৰ চলেৰে ব্যাখ্যা কৰিছে। ইয়াৰ যোগেদি গুৰুজনাই দেখুৱালে যে ঈশ্বৰৰ অনুগ্ৰহ হ’লে সুখ-সম্পদো পায়, পৰম গতিও পায়। ‘কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি।’ ‘ভুকুতি’ হ’ল ‘ভূক্তি’ অৰ্থাৎ ভোগ। দামাদৰ বিপ্ৰই গৃহস্থ ধৰ্ম এৰি সন্যাস লোৱাৰ কথা উপাখ্যানত নাই। গৃহ সংসাৰতে থাকি কৃষ্ণৰ চিন্তাত মন (চিত্ত) অৰ্পণ কৰিছে। দৰিদ্ৰ দামোদৰ ভক্ত হৈও গৃহী, গৃহী হৈও বৰাগী আৰু বৰাগী হৈও সংসাৰকৰ্মী। সেইকাৰণে চাৰি আশ্ৰমৰ ভিতৰত গৃহস্থাশ্ৰমেই মূল।

‘চত্বাৰঃ আশ্ৰমাঃ প্ৰোক্তাঃ সৰ্বে গাৰ্হস্থ্যমূলকাঃ।’ -- মহাভাৰত, অশ্বমেধিক পৰ্ব-৪৫/১৩

গৃহস্থাশ্ৰমৰ দুটা আধাৰ স্তম্ভ হৈছে পতি-পত্নী আৰু দুয়োকো নিজ নিজ ধৰ্ম পালন কৰিবৰ বাবে মাৰ্গ দেখুৱাইছে।

শাস্ত্ৰত পতিব্ৰতা নাৰীৰ অলেখ দৃষ্টান্ত পোৱা যায়। আনহাতে, স্বামীৰ একান্ত অনুৰক্তা পতিব্ৰতা পত্নীয়ে কামুক পুৰুষক পতন ঘটোৱা দৃষ্টান্তও বিৰল নহয়। তেনে এক উদাহৰণ দেখা যায় মহাভাৰতৰ উদ্যোগপৰ্বত। চন্দ্ৰবংশীয় পঞ্চম ৰজা নহুষ এজন শক্তিশালী তপস্বী আৰু বিজ্ঞ নৰপতি আছিল। এবাৰ দেৱৰাজ ইন্দ্ৰই বৃত্ৰ নামৰ ব্ৰাহ্মণ অসুৰক বধ কৰি পাপত লিপ্ত হয়। ব্ৰহ্মহত্যাজনিত পাপৰ প্ৰায়শ্চিত্তৰ বাবে ইন্দ্ৰই পানীৰ মাজত আত্মগোপন কৰি থাকে। তেতিয়া মৰ্ত্তৰ ৰজা নহুষক স্বৰ্গাধিপত্য প্ৰদান কৰা হয়। স্বৰ্গৰ ৰজা হৈ নহুযে ইন্দ্ৰপত্নী শচীক পত্নীৰূপে পাবলৈ কামনা

কৰে। তেতিয়া শচীয়ে নহুষক কয় যে যদি তেওঁ সপ্তৰ্ষিয়ে কঢ়িয়াই অনা ৰথত আৰোহণ কৰি শচীৰ ওচৰলৈ আহে তেতিয়াহে শচীয়ে তেওঁক স্বামীৰূপে বৰণ কৰিব। সেই কথা শুনি কামাত্মা নহুষে শচীক পাবলৈ অধীৰ হৈ সপ্তৰ্ষিয়ে বহন কৰা যানত উঠি শচীৰ ওচৰলৈ যায়। সপ্তৰ্ষিয়ে ধীৰে ধীৰে ৰথ বহন কৰা দেখি নহুষ অধীৰ হৈ পৰে আৰু মহামুনি অগস্ত্যৰ মূৰতে পদাঘাত কৰি 'সৰ্প সৰ্প' অৰ্থাৎ 'শীঘ্ৰে চলোৰা' এনেদৰে ক'লে। তেতিয়া অগস্ত্য ঋষিয়ে ক্ৰোধত সৰ্পোভৱ' অৰ্থাৎ সাপ হ'বলৈ অভিশাপ দিয়ে। লগে লগে নহুষ সাপ হৈ ভূতলত পতিত হয়। (মহাভাৰত উদ্যোগ পৰ্ব-১৭/১৭) পিছত যুধিষ্ঠিৰৰ সহায়ত তেওঁ অভিশাপ মুক্ত হয়।

গতিকে দেখা যায় যে শচীৰ পতিব্ৰতা গুণ আৰু স্বামীৰ প্ৰতি একান্ত অনুৰক্তা হোৱা কাৰণেই নহুষৰ দৰে ৰজাকো পতন ঘটাব পাৰিছে।

দৈহিক গঠন প্ৰণালীত নাৰীপুৰুষৰ শাৰীৰিক ভিন্নতাৰ বাবে কৰ্মক্ষেত্ৰত সমতা ৰক্ষা কৰিব নোৱাৰিব পাৰে কিন্তু বুদ্ধি জ্ঞান আৰু ভক্তিৰ ক্ষেত্ৰত নাৰীসকল কোনো গুণে পিছপৰা নহয়। গুৰুজনাৰ সৃষ্ট নাৰীসকলৰ প্ৰথম পৰিচয় হ'ল তেওঁলোক কৃষ্ণপ্ৰেমী বা কৃষ্ণভক্তা তেওঁলোকক মাতৃ, পত্নী, ভগ্নী, সখি আদি বিভিন্ন ৰূপত পোৱা যায়।

**'মহীয়সী'ৰ ষষ্ঠ সংখ্যাৰ বিষয়ে একাষাৰ ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই কেন্দ্ৰীয়ভাৱে প্ৰতিবছৰে শিশু, আই-মাতৃ সমাৰোহ উদ্‌যাপন কৰি আহিছে। সম্প্ৰতি এই সমাৰোহে ত্ৰয়োদশবৰ্ষত ভৰি দিছে। বৰ্তমান ত্ৰয়োদশ বাৰ্ষিক অধিৱেশনখনি গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাঙ্গনত আই 'কনকলতা ক্ষেত্ৰ'ত ২৬, ২৭, ২৮ অক্টোবৰ'২০০৭ তাৰিখে অনুষ্ঠিত হ'ব। এইখিনিতে সমাৰোহত সমবেত ধৰ্মপ্ৰাণ ৰাইজলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰিলো।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীযুত কৰুণাকান্ত কলিতা বাপ, প্ৰধান সম্পাদক শ্ৰদ্ধেয় শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি মাননীয় ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী বাপ, সম্পাদক শ্ৰদ্ধেয় শ্ৰীযুত জীৱকান্ত নাথ বাপ, 'মহীয়সী'ৰ সভানেত্ৰী শ্ৰদ্ধেয়া ড°লক্ষহীৰা গগৈ চুতীয়া আই প্ৰমুখ্যে মহীয়সীৰ মাননীয়া সদস্যাসকলৈ সশ্ৰদ্ধ কৃতজ্ঞতা নিবেদিলো। তেখেতসকলৰ দিহাপৰামৰ্শ আৰু সহযোগিতাই 'মহীয়সী'খনি প্ৰকাশত আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিছে, যিসকল লেখক-লেখিকাই বিভিন্ন দিশত আলোকপাত কৰি মহীয়সীৰ ষষ্ঠ সংখ্যাটিৰ সৌষ্ঠৱ বঢ়াইছে তেখেতসকলৰ প্ৰতি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ (ৰূপনগৰ) সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধিৰ লগতে মাতৃ অফছেট প্ৰেছৰ স্বত্বাধিকাৰ মাননীয় শ্ৰীযুত কমলাকান্ত বৰা বাপ আৰু কৰ্মীবৃন্দই ছপা-বন্ধা কামখিনি কৰি দিয়া বাবে আন্তৰিক শলাগ যাচিলোঁ। যথেষ্ট সাৱধানতা অৱলম্বন কৰা স্বত্বেও অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি সেৱা ধৰিলোঁ।

'গোপিনীৰ ধন ব্ৰজৰ জীৱন
মোহনৰাম গোবিন্দ।
পৰম সাদৰে শিৰে তুলি ধৰো
তযু পদ অৰবিন্দ।।'

নাম-ঘোষা-৩২৬

গুৱাহাটী
২০/১০/২০০৭

সেৱাৰে--
ইন্দিৰা শইকীয়া বৰা

# ।। সূচীপত্ৰ ।।

কবিতা ঃ


- নহয় দুৰ্বলা ঃ শ্ৰীকৰুণাকান্ত কলিতা ১
- শঙ্কৰদেৱ ঃ শ্ৰীবৈকুণ্ঠ ৰাজবংশী ২
- ঈশ্বৰ ঃ শ্ৰীকামিনীমোহন গগৈ ২
- খেৰসূতী আই ঃ শ্ৰীজয়ন্তী দাস ৩
- শঙ্কৰ আমাৰ নিজ গুৰু ঃ শ্ৰীস্বৰ্ণলতা বণিক্য ৩
- নিচান ঃ শ্ৰীমইনা চহৰীয়া ৪
- নামঘৰ ঃ শ্ৰীভুৱনেশ্বৰী শইকীয়া ৪


প্ৰবন্ধ ঃ


- জয়যাত্ৰা ঃ শ্ৰীনিৰ্মলা দাস ৫
- পৰমপুৰুষ বিষ্ণু যুগে যুগে ঃ ড° অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়া ১০
- ভক্তি আন্দোলন তথা বিষ্ণু ভক্তৰ ঐক্যতান ঃ শ্ৰীজোনালী বৰুৱা ১৬
- মাধৱ কন্দলিৰ ৰামায়ণৰ অনুবাদ ৰীতি ঃ ড° লীলাৱতী শইকীয়া বৰা ২২
- দুগৰাকী মহান সৰ্বস্বত্যাগী গৰীয়সী নাৰী ঃ শ্ৰীঅপৰাজিতা বৰকাকতী ২৭
- ভক্তি আন্দোলন আৰু শ্ৰীশঙ্কৰদেৱৰ আধ্যাত্ম সংস্কৃতি ঃ শ্ৰীকবিতা গগৈ ৩২
- শ্ৰীমন্ত শঙ্কৰদেৱৰ নাট ঃ পত্নীপ্ৰসাদ ঃ ড° দয়ানন্দ পাঠক ৩৮
- চতুৰ্বৰ্গ ঃ অৰ্থ কাম ধৰ্ম মোক্ষ ঃ শ্ৰীকৈলাস দাস ৪২
- মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ সাম্য, মৈত্ৰী আৰু আধ্যাত্মিকতত্ত্ব দৰ্শনৰ পথ প্ৰদৰ্শক ঃ শ্ৰীউৎপলা দেৱী ৪৪
- মহাপুৰুষ মাধৱদেৱৰ দৃষ্টিত নাৰী ঃ শ্ৰীউষাৰাণী দত্ত মজুমদাৰ ৪৯
- গোপীৰ বস্ত্ৰ হৰণ ঃ ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী ৫২
- গুৰু-চৰিত-কথাৰ 'বৰাবাহি আই' ঃ ড° মুকুল চক্ৰৱৰ্তী ৫৬
- শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট 'পাৰিজাত হৰণ' ঃ এটি বিশ্লেষণ ঃ শ্ৰীচিত্ৰজিৎ শইকীয়া ৫৯

ভক্তি আন্দোলন আৰু ভক্তিবাদী গ্ৰন্থৰূপে
● শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্ত্তন ঃ শ্ৰীপূৰবী দুৱৰা ৬৭
● সুভদ্ৰা হৰণ ঃ শঙ্কৰোত্তৰ নাট্য সাহিত্যৰ এটি বিশেষ সংযোজন ঃ ড° মঞ্জু গোস্বামী ৭৪
● জ্যোতিপ্ৰসাদৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ ঃ ড° ফণীভূষণ দাস ৭৮
● বিপ্ৰ দামোদৰ এজন আদৰ্শৱান গৃহী ভকত ঃ শ্ৰীজীৱকান্ত নাথ ৮২
● মাধৱদেৱৰ নাম-মালিকা ঃ এক অধ্যয়ন ঃ ড° নাৰায়ণ দাস ৮৫
● ভক্তি-প্ৰদীপ ঃ এক অধ্যয়ন ঃ শ্ৰীঅঞ্জলি দাস ৮৮
● বৃহত্তৰ অসমীয়া জাতি গঠনত শঙ্কৰী সাহিত্য-সংস্কৃতিৰ প্ৰাসঙ্গিকতা ঃ ড° লক্ষহীৰা গগৈ চুতীয়া ৯২
● পৰিৱৰ্তিত পৰিস্থিতিত মহিলা সৱলীকৰণ ঃ এটি পৰ্যালোচনা ঃ শ্ৰীদীপিকা ৰায়মেধি ৯৬
● দ্বাৰকাত নাৰদৰ কৃষ্ণ দৰ্শন ঃ শ্ৰীবোধেশ্বৰ কাকতি ৯৯
● বৈষ্ণৱ ধৰ্ম প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণত আই-মাতৃসকলৰ ভূমিকা ঃ শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া ১০১

স্বাস্থ্য ঃ
● স্বাস্থ্য ৰক্ষাত আধ্যাত্মিকতাৰ ভূমিকা ঃ ডাঃ বিদ্যাৱতী দাস ১০৮

# নহয় দুৰ্বলা

**শ্ৰীকৰুণাকান্ত কলিতা**
**পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আইমাতৃ
সহিবা কিমান
পুৰুষৰ নিৰ্যাতন
থাকিবানো কিমান
হাত সাৱটি
নুঠানে জাগি
নোহোৱানে তৎপৰ
পুৰুষ শক্তিৰ
কূট কৌশলত
হৃত মৰ্যাদা
নকৰানে উদ্ধাৰ
সাব্যস্ত নকৰানে
সম স্বত্ব
সম অধিকাৰ
নহয় তুমি অৱলা
হেয় হীন বলা
তুমি সবলা
মহাবলা
নহয় দুৰ্বলা
কৰা অনুভৱ
স্বৰূপ তোমাৰ
অশুভ শক্তিৰ
ভাঙি বিষদাঁত
দেখুৱাই দিয়া
তোমাৰ শক্তি
প্ৰচণ্ড অপাৰ
তুমি অবিহনে
যাব ভাঙি-ছিঙি
পুৰষৰ সোণৰ সংসাৰ
কৰোৱা অনুভৱ
তোমাৰ জাগৃতিৰে
শক্তি পৰাক্ৰম
মহাশক্তিধৰ বুলি
ভবা পুৰুষৰ
দূৰ কৰা
মান-অভিমান
মনৰ বিভ্ৰম
তাৰ বাবে যোগ্যতাৰ
বৰ প্ৰয়োজন
আৰ্জি বিদ্যাৰত্ন
হৈ গুণাৱতী
সুশীলা স্বভাৱী
গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ
আদৰ্শৰে
হৈ ভক্তিমতী
কৰা যোগ্যতা অৰ্জন
তোলা সমাজত
আলোড়ন
মহা জাগৰণ
তোমাৰ মুক্তি
তোমাৰ হাততে
হোৱা তুমি সচেতন
তোমাৰ শিশু
অতি মৰমৰ
দিয়া বিদ্যাৰত্ন
দিয়া ভক্তি ৰত্ন
গঢ়ি তোলা সিহঁতৰ
নৈতিক আৰু
আধ্যাত্মিক জীৱন
কৰা স্বকৰ্তব্য পালন
ধন্য কৰা আইমাতৃ
তোমাৰ জীৱন
জনালোঁ প্ৰণাম-।।■

# শঙ্কৰদেৱ

শ্ৰীবৈকুণ্ঠ ৰাজবংশী

শৃঙ্খলিত মানুহৰ ঘামৰ নদীয়েদি উজাই অহা
তুমি অৰণ্যৰ আদিম সূৰ্য

তুমি অহাৰ বাটে বাটে দোঁ খাই পৰিছিল
কঠিন সময়ৰ সুখ, সুখৰ সুগন্ধি ফল

তোমাৰ ডিঙিৰ জোখৰে গঢ়া হেংদানৰ শানত
বলিয়া হাতীৰ গড়ালত বান্ধি থৈছিলো তোমাৰ উশাহ

মৰুভূমিৰ বালিৰ ঢিপেৰে জীৱন গঢ়া ‘প্ৰমিথিউছ’
খুপি খুপি বাট বুলা এন্ধাৰ নিশা
ভৰিৰ বুঢ়া আঙুলিৰ নখত জিলিকে সপোনৰ ফুল

আমি ক্লীৱ
চকুত জ্বলা নাছিল তথাপিও পোহৰৰ বিন্দু
এতিয়া তুমি যোৱাৰ বাটেৰে বৈ যায়
ঘামৰ নদীৰ ভৰুণ মুখ
একোকোটি নক্ষত্ৰৰ কাংখিত সুখ।■

লেখক- প্ৰবক্তা, অসমীয়া বিভাগ
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়

# ঈশ্বৰ

শ্ৰীকামিনীমোহন গগৈ

তোমাৰ নামেই হেনো ঈশ্বৰ।
তুমিয়েই সৃষ্টি কৰিছা বিশ্বৰ।।
য'ত য'ত সৃষ্টিৰ সমষ্টি নিৰ্মাণ যোগৰ।
অনাদি কালৰ বাবে দিছা যোগাৰ।।

অনু পৰমাণুৰ পৰা যিমানেই শক্তি।
তোমাৰ ইচ্ছাতে হয় বৃদ্ধি শক্তি।।
তোমাৰ মহান শক্তিয়েই মহা শক্তি।
বিশ্বৰ মহান শক্তিও তোমাৰেই শক্তি।।

এই বিশ্ব ব্ৰহ্মাণ্ডৰ খনিকৰ তুমিয়েই।
অগ নগ জগ তেৰি কায়া তোমাৰেই।।
সেই সবাকে পালন কৰিছা তুমিয়েই।
সেয়ে হে, তোমাৰ নাম হেনো ঈশ্বৰ।।

য'ত য'ত সংসাৰৰ মায়া মোহৰ ৰূপ।
তুমিয়েই ধৰিছা প্ৰভু সেই সুন্দৰ ৰূপ।।
তুমিয়েই খেলাইছা সংসাৰত য'ত খেলা।
তুমিয়েই পাতিছা সেই মায়া মোহৰ মেলা।।

সেয়েহে মহান প্ৰভু তুমি সৃষ্টিকৰ্তা।
বিশ্ব খনিকৰ নিৰ্গুণ নিয়ন্তা।।
তোমাৰ ইচ্ছাতেই হয় প্ৰলয় ধুমুহা।
তথাপিও তোমাক প্ৰভু ভজিবলৈ নাই স্পৃহা।

তোমাৰ অনুপম সৌন্দৰ্যৰ তুলনা নাই।
(দিবলৈয়ো নাই) সেয়েহে তোমাৰ নাম হেনো ঈশ্বৰ।।■

লেখক- শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ একান্ত সেৱক

# খেৰসূতী আই

**শ্ৰীজয়ন্তী দাস**

কি মহিমাৰে মহিমামণ্ডিত
কি গুণেৰে বিভূষিত খেৰসূতী আই
জগতত তুলনা নাই।
পিতৃ-মাতৃ হীনা শিশু শঙ্কৰৰ
জীৱনৰ মাহাত্ম্য বিকশিত কৰিবলে
তুমি আহিছিলা বুঢ়ী আই ৰূপে,
তুলি-তালি বাৰ বছৰীয়া নাতি ল'ৰাটিক
পঢ়াবলৈ দিলা পণ্ডিত মহেন্দ্ৰ কন্দলিক
পাণ্ডিত্যৰ ধ্বজা উৰুৱাই
জগতক দিলে ঈশ্বৰৰ পথ সন্ধান
গুৰু শ্ৰীশঙ্কৰে আইৰ ৰাখিলে মান।
ঐকৈশ বছৰত পাতিলা 'সূৰ্য্যৱতী'ৰে বিবাহ
কন্যা জন্ম দি তেওঁ এৰিলে ধৰাধাম
বিধিৰ বিধান নাযায় খণ্ডন
তাইকো কৰিলা লালন পালন,
মনুক সম্প্ৰদানিলা হৰি জোৱাইক।
গুৰুজন চলি গ'ল তীৰ্থ ভ্ৰমণত
সংসাৰ গুৰুভাৰে বিকল হৃদয়
হিয়াত শিল বান্ধি ধৈৰ্যৰ উদয়
বাৰটি বছৰ আই কিদৰে ৰহিলা
তথাপিতো জয়মাল্য তুমিয়ে পিন্ধিলা।
শঙ্কৰৰ বৈৰাগ্য দেখি হ'লা বিমৰিষ,
বুজাই বঢ়াই পুনৰ কৰিলা হৰিষ;
আইতাৰ আদেশ শিৰোধাৰ্য কৰি
'কালিন্দী' আইক পুনৰ ল'লে আদৰি।
মহামতি মহাজ্ঞানী কৰ্মত নিৰুপমা
তুমি এক আদৰ্শ মাতৃ--
জীৱনৰ সুখ দুখ পৰাভূত কৰি
পতি পুত্ৰহাৰা মাতৃ হৈ ধৈৰ্যৰ আঁৰত,
নাতিক যোগালা ইন্ধন
অজ্ঞান এন্ধাৰে আবৰা অসম মাতৃক
আশাৰ প্ৰদীপে তোমাৰ জ্বলালে দীপক
সেই পোহৰত চগা হৈ মিলিলা অনন্তত।
ৰৈ গ'ল চানেকী থৈ গ'লা মান,
তোমাৰ আদৰ্শ আই আজিও অম্লান।■

লেখিকা- প্ৰাক্তন মহীয়সী সদস্যা
কেন্দ্ৰীয় শিশু আই-মাতৃ কল্যাণ সমিতিৰ সদস্যা

# শঙ্কৰ আমাৰ নিজ গুৰু

**শ্ৰীস্বৰ্ণলতা বণিক্য**

'অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।'
গুৰু শঙ্কৰ
চিৰ সত্য চিৰ শাশ্বত
তোমাৰ এই অমৰ বাণী
যুগ সন্ধিক্ষণত আজি তাৰেই প্ৰতিচ্ছবি
চৌদিশে উঠিছে ভাঁহি।
কীৰ্ত্তনৰ পাতে পাতে
দশমৰ ফাঁকে ফাঁকে
প্ৰতিফলিত তোমাৰ
অফুৰন্ত জ্ঞান জ্যোতি ৰেখা
তোমাৰ প্ৰেমৰ গভীৰতাত
জুবুৰিয়াই থৈ সত্ত্বা
হৃদয় মন্দিৰত পাতিছোঁ
ভকতি থাপনা চিৰ যুগমীয়া।
গুৰু শঙ্কৰ
মৃত্যুমুখী ভকতৰ জীৱনত
কৰিলা নতুন প্ৰাণৰ সঞ্চাৰ
অনুৰণিত হ'ল নৱ জীৱনৰ স্পন্দন
পতিত, তাপিতজনে পালে
নতুন পথৰ সন্ধান
গুৰু তুমি ভকতৰ নৱনিধি
তোমাৰ কৃপাতে দেখিলো
কৃষ্ণ সূৰ্যৰ ৰেঙণি
পিন্ধিলো নামৰ সাতসৰী
ফুৰোঁ আমি হৰি গুণ গাই
অন্ধলাই ফুৰে খেপিয়াই
নিজ গুৰু বিচাৰি নাপাই।■

লেখিকা- সদস্যা শঙ্কৰদেৱ সঙ্ঘ
বঙ্গাইগাঁও জিলা

# নিচান

**শ্ৰীমইনা চহৰীয়া**

সুন্দৰৰ সাধক, সংস্কৃতিৰ পূজাৰী, সুৰৰ ঝংকাৰ
কিনো তোমাৰ লীলা,
সাঁচি পতীয়া সোণালী লিপিৰে লিখা
যুগ অৱতাৰে দিয়ে সঁকিয়াই
হে মহান গুৰুজনা।
এন্ধাৰ ফালি পোহৰলৈ নিয়া
হে চিৰ জ্যোতিময়
তোমাৰ পোহৰৰ জোঁৱাৰত
জাগিব নৱ চেতনা আই সমস্তৰ
সমাগত হ'ব সাধনাৰ ফল,
ন-সুৰুযৰ জ্যোতিয়ে বিলাব ৰজনী
শিশু আই মাতৃৰ
কল্যাণ সমিতিৰ সমাৰোহৰ স্থলি।
শঙ্খ, ডবা, বৰ কাঁহৰ শব্দৰে মুখৰিত আজি
গোৱালপাৰাৰ আকাশ বতাহ
পূৰ্ণ হ'ব, আইমাতৃ সমস্তৰ কামনা বাসনা।
হে মহান গুৰুজনা--
নামৰ কৰিছোঁ আয়োজন
কৃপা কৰি দিয়া দৰিশন
বিশ্বৰ দৰবাৰত তোমাৰ কৃপাতে উৰুৱাম
উত্তৰ-পূব ভাৰতৰ নৱ-বৈষ্ণৱ ধৰ্মৰ
শিশু আই মাতৃ কল্যাণ সমিতিৰ জয়ৰ নিচান।■

লেখিকা- সভানেত্ৰী,
ধুবুৰী জিলা শিশু আৰু আই-মাতৃ কল্যাণ সমিতি।

# নামঘৰ

**শ্ৰীভূৱনেশ্বৰী শইকীয়া**

গুৰুৰ মহান সৃষ্টি পবিত্ৰ নামঘৰ
ভক্তসৱে প্ৰাণভৰি হৰিনাম গায়
সঙ্কীৰ্ণতা মলিনতা ভয়তে পলায়।

অসমীয়া সংস্কৃতিৰ অপূৰ্ব চানেকি
খোল, তাল, মৃদঙ্গৰ মধুৰ ধ্বনিত,
নামঘৰ হৈ পৰে সৰৱমুখৰ।

পৰ্বত ভৈয়াম অসমৰ বিভিন্ন প্ৰান্তত
সিঁচৰতি হৈ থকা নানা জাতি-উপজাতি,
নামঘৰৰ ধ্বনিয়ে কৰে সবাকে আপ্লুত।

নামঘৰ মাহাত্ম্যই সকলোকে টানে
একত্ৰিত হৈ সৱে বহে একে ঠাই,
হৰিনাম লৈ মাহ-প্ৰসাদ খায়।

বিশৃঙ্খল অসমীয়াই জাতিভেদ পাহৰি
পঙ্কিলময় এলান্ধুকলীয়া ৰীতি-নীতি এৰি,
নামঘৰত সত্য শুদ্ধক ল'লে আঁকোৱালি।

বান্ধ খালে অসমীয়া হৰি নামৰ ডোলেৰে
একতাৰ এনাজৰী ছিঙিব নোৱাৰি
গায় সৱে মিলিজুলি নামঘৰৰ জয় গুণ গান।■

লেখিকা- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সেৱিকা,
তেজপুৰ

# জয়যাত্ৰা

**শ্ৰীনিৰ্মলা দাস**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান। অসমৰ লোকসকলৰ জনজীৱনৰ আধ্যাত্মিক, বৌদ্ধিক, নৈতিক উৎকৰ্ষ সাধনৰ লক্ষ্য আগত ৰাখি সাহিত্য-সংস্কৃতিকে আদিকৰি অন্যান্য বহু দিশত প্ৰগতিশীল চিন্তাধাৰাৰে এই অনুষ্ঠানটি পৰিপুষ্ট হৈ আহিছে। জাতি বৰ্ণ নিৰ্বিশেষে এক কৃষ্ণত শৰণ লৈ একান্ত ভক্তিৰে জগতৰ মঙ্গল সাধন কৰি প্ৰত্যেকে শান্তিপ্ৰিয় জীৱন নিৰ্বাহ কৰাই মহাপুৰুষ গুৰুজনাৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্মৰ উদ্দেশ্য। ধৰ্মৰ উদ্দেশ্য সফল ৰূপায়ণৰ বাবে অৰ্থাৎ মানুহৰ শাৰীৰিক, নৈতিক, মানসিক আৰু আধ্যাত্মিক উন্নতি বিকাশৰ বাবে গুৰুজনাৰ সৃষ্ট সাহিত্য-সংস্কৃতিয়ে আমাক শুদ্ধপথৰ নিৰ্দেশ দি গৈছে।

নাৰী আৰু পুৰুষৰ সমষ্টিৰে একোখন সমাজ, সেইবাবে সমাজৰ মানৱীয় মূল্যবোধৰ চেতনা বিকাশৰ ক্ষেত্ৰত নাৰী পুৰুষ উভয়ে সমভাগী হৈ পৰে। প্ৰত্যেক নাৰীয়েই এগৰাকী মাতৃ, যি মাতৃ সৃষ্টিৰও মূল, সমাজ সৃষ্টিৰও মূল। সেই হেতুকে নাৰীসকলৰ ওপৰতেই সুস্থ সমাজ আৰু সুস্থ মানৱ জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰে। মাতৃসকলে সন্তানক সৰুৰে পৰা ভগৱত চিন্তনত মনক প্ৰবৃত্ত কৰাব পাৰিলে আৰু তাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰিলে জীৱনধাৰা বিশৃঙ্খল হৈ পৰাৰ সম্ভাৱনা নাথাকে। এই প্ৰস্তুতিয়ে নতুন প্ৰজন্মক শুদ্ধবাটত খোজ দিবলৈ সহায়ক হ'ব। প্ৰত্যেক গৰাকী মাতৃ সুস্থ সমাজ গঠন প্ৰক্ৰিয়াত সবল হৈ উঠিব পাৰিব লাগিব।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আই-মাতৃসকলক সাংসাৰিক দুখ-দৈন্যতাৰ পৰা হাত সাৰি সুগম পথ লোৱাৰ মানসিকতা গঢ় দিবৰ বাবে আৰু আধ্যাত্মিক বিকাশ সাধনৰ বাবে এটি পৱিত্ৰ অনুষ্ঠান পাতি দিলে যাৰ নাম 'আই-মাতৃ কল্যাণ উপসমিতি।'

১৯৯৪ চনৰ কথা। ৬/১২/৯৩ তাৰিখত পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপ আৰু প্ৰধান সম্পাদক শ্ৰীমুখ্যেশ্বৰ শইকীয়া বাপৰ স্বাক্ষৰিত এখনি নিৰ্দেশিকা জিলাসমূহলৈ প্ৰেৰিত হয়। সেই নিৰ্দেশিকা পত্ৰ কাৰ্যকৰণৰ বাবে ২৬/১/৯৪ তাৰিখত বহা গুৱাহাটী মহানগৰী জিলা শাখাৰ কাৰ্যনিৰ্বাহক সভাত আলোচনাৰ মৰ্মে জিলাৰ সম্পাদক শ্ৰীঘনশ্যাম দত্ত বাপে গুৰুধৰ্ম প্ৰচাৰ, সংগঠন আৰু সমাজসেৱা কামত আগবাঢ়ি যাবৰ বাবে 'আইমাতৃ কল্যাণ উপসমিতি' গঠন কৰি দিয়ে। শ্ৰীঅনু দ'লবৰুৱা আৰু শ্ৰীবিন্দুপ্ৰভা হাজৰিকা আই উপসমিতিখনৰ ক্ৰমে সভানেত্ৰী আৰু সম্পাদিকা আছিল। উপসমিতিখন গঠন হোৱাৰ পিছৰে পৰা আইসকলে গুৰুধৰ্মৰ বিষয়ে জানিবলৈ, শঙ্কৰী সাহিত্য সংস্কৃতিৰ চৰ্চা কৰিবলৈ বিপুল উৎসাহেৰে আগবাঢ়ি আহিবলৈ ধৰিলে। উপসমিতিখনে জিলাখনৰ ভিতৰুৱা অঞ্চলবোৰত প্ৰচাৰ কাৰ্য আৰম্ভ কৰিলে আৰু সংগঠনৰ কাম নিয়াৰিকৈ চলাই লৈ যাবৰ বাবে ৭ দফীয়া আঁচনি প্ৰস্তুত কৰিলে। যেনে-

১. আঞ্চলিক শাখাবোৰত আইমাতৃসকলৰ ভূমিকা সম্পৰ্কে বুজাই দিয়া।
২. প্ৰত্যেক পৰিয়ালক ৰাগিয়াল দ্ৰব্য সেৱনৰ পৰা মুক্ত কৰা।
৩. উচ্চ-নীচ ভেদাভেদ দূৰ কৰি মাতৃ চৰিত্ৰ অক্ষুণ্ণ ৰখা।
৪. গৰ্ভৱতী মাতৃক প্ৰয়োজন সাপেক্ষে চিকিৎসা আৰু সাহায্য প্ৰদান কৰা।
৫. অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক পাৰ্যমানে সাহায্য কৰা।
৬. গুৰুজনাৰ আদৰ্শেৰে সুস্থ সমাজ গঠন কৰাৰ মানসিকতা অৰ্জন কৰা।
৭. জিলাভিত্তিক একোখনকৈ সমাৰোহ পতা।

এই আঁচনিৰ প্ৰতিটো দফা কাৰ্যকৰী কৰি তুলিবৰ বাবে সভা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰা হয়। এইবোৰত পদাধিকাৰ বাপ, প্ৰধান সম্পাদক বাপ আৰু

অনেক গুৰুধৰ্মানুৰাগী ব্যক্তিসকলে তেওঁলোকৰ অমূল্য উপদেশ প্ৰদান কৰে। এখেতসকলৰ উপৰি বিশিষ্ট শিক্ষাবিদ প্ৰয়াত ইন্দিৰা মিৰি আই, মুক্তি যুঁজাৰু আৰু সমাজ সেৱিকা শ্ৰীহেম ভড়ালী আই, শ্ৰীকমলকুমাৰী আই, ডাঃ বিদ্যাৰতী দাস আই প্ৰমুখ্যে বিষয়-বিদগ্ধ আই-মাতৃসকলৰ পৰা পোৱা কৰ্তব্য আৰু বাস্তৱ ক্ষেত্ৰত পালিবলগীয়া দিহা-পৰমাৰ্শবোৰে আইসকলক পৰম উপকৃত কৰে।

১৯৯৫ চনৰ অক্টোবৰ মাহৰ ১৪, ১৫ তাৰিখে গুৱাহাটী মহানগৰী জিলাৰ আমন্ত্ৰণ মৰ্মে ৰূপনগৰস্থিত শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ প্ৰাঙ্গনত প্ৰথম বাৰৰ বাবে কেন্দ্ৰীয়ভাৱে আইমাতৃ কল্যাণ উপসমিতিৰ সমাৰোহ অনুষ্ঠিত হয়। ৰূপনগৰৰ মূলৰ নামঘৰৰ মজিয়া তেতিয়া শিল, বালি, ইটাৰ, ধূলিৰে ধূসৰিত; কিন্তু বিভিন্ন জিলাৰ পৰা অহা আইসকলৰ সেইবোৰলৈ ভ্ৰূক্ষেপ নাই। তেখেতসকলৰ আকুল আগ্ৰহ মাথোঁ গুৰুজনাৰ প্ৰচাৰিত ধৰ্মৰ স্ৰোতস্বিনী কল্লোল ধাৰাত নিজকে বোৱাই দিয়া আৰু কৃষ্ণামৃত অন্বেষণ কৰা। দিহানাম, থিয়নাম, আকস্মিক বক্তৃতা, প্ৰজ্ঞা-প্ৰপাত (কুইজ), স্বৰচিত কবিতা পাঠ, বৰগীত আদিৰ মাজেৰে স্বকীয় প্ৰতিভা বিকাশ কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা নাছিল আইমাতৃসকলে। পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপৰ সভাপতিত্বত সভাখন অনন্য ভাৱে সঞ্চালিত হয়। প্ৰধান সম্পাদক শ্ৰীমুখ্যেশ্বৰ শইকীয়া বাপে সমাৰোহৰ প্ৰতিটো দিশলৈ তীক্ষ্ণ দৃষ্টি ৰখাত সমাৰোহভাগি সাফল্যমণ্ডিত হয়। এইখন সভাৰ সৌষ্ঠৱ বৃদ্ধি পাইছিল আমাৰ সকলোৰে পৰম শ্ৰদ্ধাৰ বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতীয়া দেৱৰ উপস্থিতিৰ বাবে। তেখেত যেন কাণ্ডাৰী আছিল। আইসকলৰ পৰা অহা প্ৰশ্নবোৰৰ উত্তৰ অকাট্ট যুক্তিৰে দেখুৱাই দি আইসকলৰ মনৰ সংশয় দূৰ কৰিছিল। 'একশৰণ হৰিাম ধৰ্মত নাৰীৰ স্থান' আৰু 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক বলিষ্ঠ পদক্ষেপেৰে আগুৱাই নিয়া সাংগঠনিক দিশৰ ক্ষেত্ৰত আইমাতৃসবৰ কৰ্তব্য'-- এই দুটা বিষয় আলোচনাত আইমাতৃ সবে অংশ ল'বৰ বাবে পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপে দিশ মোকলাই দিয়ে। কেইবাগৰাকী আয়ে নিজ নিজ মন্তব্য আগবঢ়োৱাৰ অন্তত কেন্দ্ৰীয় আইমাতৃ সমাৰোহত নিম্নোক্ত সিদ্ধান্ত কেইটি গ্ৰহণ কৰা হয়। যেনে--

১. মদ্যপান, নিৰক্ষৰতা দূৰীকৰণ, পৰিৱেশ প্ৰদূষণ মুক্তকৰণ, বৃক্ষৰোপণ, যুৱ-উচ্ছৃঙ্খলতা আদি সমস্যা নিৰাময়ত আইমাতৃসকলৰ ভূমিকা গ্ৰহণ।
২. অসামাজিক দুষ্কাৰ্যসমূহ দূৰ কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ নীতি আদৰ্শেৰে এখন কৃষ্ণ ভক্তিপূৰ্ণ নিকা সমাজ প্ৰতিষ্ঠা কৰাত আইসকলৰ আত্ম-নিয়োগ কৰাৰ ব্যৱস্থাকৰণ।
৩. যৌতুক প্ৰথা, নাৰী নিৰ্যাতন, ধৰ্ষণ আদিৰ বিৰুদ্ধে আইমাতৃসবে প্ৰতিবাদী আৰু প্ৰতিৰোধ ব্যৱস্থা ল'বলৈ দৃঢ়সংকল্প গ্ৰহণ।
৪. আইমাতৃসবে প্ৰাথমিক, আঞ্চলিক আৰু জিলা পৰ্যায়ত প্ৰচাৰমূলক অভিযান চলাই সঙঘই লোৱা কৰ্ম আঁচনিসমূহৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণত অগ্ৰনী ভূমিকা ল'বলৈ সংকল্প গ্ৰহণ।
৫. মুষ্টিদান আঁচনি সফল কৰি তুলিবলৈ আইমাতৃসবে আগভাগ ল'ব লাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰে।
৬. প্ৰতি দেওবাৰে নিজ নিজ প্ৰাথমিক শাখাৰ নামঘৰত আইসকলে শিশু-কিশোৰসকলক সমবেত কৰি গুৰু পৰিচয় কৰোৱা ধৰ্ম-শিক্ষা, গীত-মাত আদিৰ শিক্ষা দিয়াৰ লগতে খেলা-ধূলাৰ প্ৰশিক্ষণ দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ।
৭. আইমাতৃসকলে প্ৰাথমিক পৰ্যায়ত সাপ্তাহিক পাঠ-প্ৰসঙ্গ বাধ্যতামূলকভাৱে পৰিচালনা কৰিবলৈ সঙ্কল্প গ্ৰহণ কৰে।
৮. আইমাতৃসকলে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ দ্বাৰা প্ৰকাশিত 'মণিকাঞ্চন' বাৰ্তালোচনী প্ৰমুখ্যে প্ৰকাশিত গ্ৰন্থসমূহ নিয়াৰিকৈ অধ্যয়ন কৰিবলৈ সঙ্কল্প লয় আৰু দামী গ্ৰন্থবোৰ প্ৰতি প্ৰাথমিকে একোখনকৈ কিনাৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত দিয়ে।

তেতিয়াৰে পৰা বিভিন্ন জিলাৰ আমন্ত্ৰণক্ৰমে 'শিশু আৰু আই-মাতৃ সমাৰোহ' কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হৈ আছে।

১৯৯৬ চনৰ ২১, ২২ চেপ্তেম্বৰত নগাঁৱত থকা মূলৰ কাৰ্যালয়ৰ প্ৰাঙ্গনত দ্বিতীয় কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হয়। চালুকীয়া অৱস্থা হ'লেও আইসকলৰ উপস্থিতি আশাজনক আছিল। সাহিত্য, সংস্কৃতিৰ প্ৰতিযোগিতাৰ উপৰি দিহানাম প্ৰতিযোগিতা অধিক আকৰ্ষণীয় আছিল।

১৯৯৭ চনৰ ১০, ১১, ১২ চেপ্তেম্বৰত বঙ্গাইগাঁও

জিলাৰ আমন্ত্ৰণক্ৰমে চহৰৰ ছোৱালী মহাবিদ্যালয়ত তৃতীয়খন কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হয়। এই সমাৰোহৰ ফলশ্ৰুতি হিচাপে ধুবুৰী জিলাৰ অনগ্ৰসৰ অঞ্চলৰ আইমাতৃসকলে গুৰুধৰ্ম পালনত আগবাঢ়ি যোৱাৰ উদ্‌গনি পায়।

১৯৯৮ চনৰ ১০, ১১ অক্টোবৰত কাৰ্বি আংলং জিলাৰ সৌজন্যত ডিফু চহৰত চতুৰ্থখন কেন্দ্ৰীয় সমাৰোহ অনুষ্ঠিত হয়। এই বছৰটো আছিল ৫৫০ শঙ্কৰাব্দ। গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ দিল্লীবাসী অসমীয়াসকলৰ সহৃদয় চেষ্টাত ৰাজধানী মহানগৰত মহাপয়োভৰেৰে অক্টোবৰৰ ১, ২, ৩ তাৰিখলৈকে অনুষ্ঠিত হয়। সেই অনুষ্ঠানত বহুতো আই-বাপসকল যোগদান কৰে। তাৰ পৰা ঘূৰি অহাৰ পিছত ডিফুত অনুষ্ঠিত আইমাতৃ সমাৰোহত যোগদান কৰাত আইসকলে উদাস মনোভাৱ লোৱা নাছিল। প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাবোৰত আইসকলে যোগদান কৰি স্ব স্ব কৃতিত্ব প্ৰদৰ্শন কৰিছিল। এই সমাৰোহত এখনি স্মৃতিগ্ৰন্থত প্ৰকাশিত হয়।

১৯৯৯ চনৰ ১৫, ১৬, ১৭ অক্টোবৰত শোণিতপুৰ জিলাৰ আমন্ত্ৰণক্ৰমে ধলাইবিলত পঞ্চম শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হয়। এইবেলি শিশুসকলৰো প্ৰতিযোগিতাবোৰ একেলগে অনুষ্ঠিত কৰা হয়। আইমাতৃসকলৰ বাবে আলোচনাৰ বিষয়বস্তু আছিল 'ভক্তিধৰ্ম আচৰণত আইমাতৃসকলৰ ভূমিকা'।

২০০০ চনত এই সমাৰোহভাগি ষষ্ঠবাৰৰ বাবে অনুষ্ঠিত হয় ডিব্ৰুগড় জিলাৰ মৰাণ মহাবিদ্যালয় প্ৰাঙ্গনত। ডিচেম্বৰ মাহৰ ১, ২, ৩ তাৰিখে অনুষ্ঠিত হোৱা এই সমাৰোহ ভাগিত শিশু আৰু আইমাতৃসকলৰ সমাগম অতি উল্লেখনীয়। পূৰ্বৰ এখন মঞ্চৰ ঠাইত এইবেলি দুখন মঞ্চৰ প্ৰয়োজন হয়। সমাৰোহৰ ক্ষেত্ৰও বহল হ'ল। প্ৰতিযোগিতাবোৰও আগতকৈ বেছি আকৰ্ষণীয় হ'ল। কি সাহিত্য কি সংস্কৃতি প্ৰতিটো ভাগৰ প্ৰতিটো বিষয়তে নিজ নিজ প্ৰতিভা বিকাশৰ উৎসাহ সচাকৈয়েই প্ৰশংসনীয় আছিল। ভাৱ হৈছিল গুৰুজনাৰ ধৰ্মত ব্ৰতী হোৱাৰ আনন্দ সচাকৈয়ে পৰমানন্দ।

২০০১ চনত ২৫, ২৬, ২৭ অক্টোবৰত নাজিৰা জিলাৰ আমন্ত্ৰণক্ৰমে গড়গাঁও মহাবিদ্যালয় প্ৰাঙ্গনত সপ্তম কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হয়। ইয়াতে সমাৰোহৰ লগত সঙ্গতি ৰাখি 'বহে ব্ৰহ্মাণ্ডক ভেদি' নামৰ স্মৃতিগ্ৰন্থখনি প্ৰকাশিত হয়।

২০০২ চনত মৰিগাঁও জিলাত অষ্টম কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হয়। এই সমাৰোহভাগি অক্টোবৰ মাহৰ ১১, ১২, ১৩, ১৪ তাৰিখে মৰিগাঁৱৰ 'খেৰসূতী ক্ষেত্ৰ'ত উদ্‌যাপিত হয়। এইবেলি মৰিগাঁও জিলাৰ ৰূপালী জয়ন্তী। সেইবাবে ইয়াতে দুখন স্মৃতিগ্ৰন্থ প্ৰকাশিত হয়। 'মহীয়সী'ৰ প্ৰথম সংখ্যা এই সমাৰোহতে উন্মোচন কৰা হয়।

গোলাঘাট জিলাৰ আমন্ত্ৰণক্ৰমে ঢেকিয়ালত নৱম কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হয় ২০০৩ চনৰ ২, ৩, ৪ অক্টোবৰত। আগৰ দৰে এইবেলিও শিশু আৰু আইসকলে স্বকীয় প্ৰতিভা বিকশিত কৰি তোলে। আইসকলৰ আলোচনাৰ বিষয়বস্তু আছিল— 'স্বাস্থ্য ৰক্ষাত আধ্যাত্মিকতাৰ ভূমিকা'। সমাৰোহ উপলক্ষে স্মৃতিগ্ৰন্থ আৰু মহীয়সীৰ দ্বিতীয় সংখ্যা প্ৰকাশিত হয়।

চাওঁতে চাওঁতে এটা দশকত ভৰি দিলে আইসকলৰ বাবে গুৰুধৰ্ম চিন্তা-চৰ্চা আৰু সমন্বয়ৰ একমাত্ৰ অনুষ্ঠান 'শিশু আৰু আইমাতৃ কল্যাণ শাখা সমিতি'খনে। এইবেলি আমন্ত্ৰণ জনাইছিল বৰপেটা জিলা শাখাই অশেষ উদ্দীপনাৰে সৈতে, কিন্তু প্ৰকৃতি যেন ৰুষ্ট হ'ল। প্ৰলয়ঙ্কৰী বানপানীয়ে জিলাখনৰ অপূৰণীয় ক্ষতি কৰিলে, তথাপিও হাৰ নামানিলে পৱিত্ৰ অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আই-বাপসকলে। তাৰিখৰ সলনি হ'লেও সেৱাৰ মনোভাৱৰ সলনি নহ'ল তেওঁলোকৰ। ২০০৪ চনত হ'ব লগা সমাৰোহভাগি ২০০৫ চনৰ জানুৱাৰী মাহৰ ৭, ৮, ৯ তাৰিখে অনুষ্ঠিত হয়। এইবেলি যেন ভকত সেৱাৰ মনোবল দ্বিগুণে বাঢ়িল বাপ আইসকলৰ। চকুত অশ্ৰু কিন্তু অন্তৰৰ ভকতিয়ে প্ৰতিটো কামেই অতি নিয়াৰিকৈ সাফল্যমণ্ডিত কৰি তুলিলে সৰুপেটাৰ 'ভবানীপুৰীয়া গোপাল আতা ক্ষেত্ৰ'ত। এইক্ষেত্ৰতে প্ৰকাশিত হোৱা 'পদ্মাপ্ৰিয়া' স্মৃতিগ্ৰন্থখনি এক ঐতিহাসিক সংযোজন বুলি প্ৰধান সম্পাদক হাজৰিকাদেৱে মন্তব্য আগবঢ়াইছে। এইখিনিতে উল্লেখনীয় যে ১১/৭/২০০৪ তাৰিখত বহা মূল কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত মৰ্মে 'কেন্দ্ৰীয় শিশু আৰু আইমাতৃ কল্যাণ সমিতি' গঠন হয়। এই সম্পৰ্কত প্ৰধান

সম্পাদক হাজৰিকা বাপে কয় যে ‘শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ মতাদৰ্শ সঠিক ৰূপত জন সমাজত ৰূপায়িত কৰিবলৈ লোৱা প্ৰচেষ্টাৰ এক সুকীয়া অধ্যায় হিচাপে আইসকলৰ মাজতো শাখা গঠন কৰি প্ৰণালীবদ্ধ ভাৱে শিশু আৰু মাতৃ কল্যাণৰ দিশক পদক্ষেপ ল’ব খোজা হৈছে’। (উপবিধি) এই বছৰতে আইসকলৰ কাৰ্য পৰিচালনাৰ সুবিধাৰ বাবে মূল কাৰ্যনিৰ্বাহকে এখনি উপবিধি প্ৰস্তুত কৰি উলিয়ায়। সমিতিখনৰ সভানেত্ৰী আৰু সম্পাদিকাৰ দায়িত্বত থাকে ক্ৰমে শ্ৰীঅনু দ’লবৰুৱা আৰু শ্ৰীচম্পা বৰা আই। ইয়াৰ উপৰি উপ-সভানেত্ৰী শ্ৰীবীণা শইকীয়া, সহ-সম্পাদিকা শ্ৰীফুল সাধনীদাৰ। সদস্যাসকল ক্ৰমে সৰ্বশ্ৰী কনকলতা বৰা, গীতা পাঠক, জ্যোৎস্না দাস, হেমকান্তি চলিহা, পূৰ্ণিমা বৰা, কুন্তী বৰা আৰু বীণা বৰা আইসকলে সমিতিখনৰ উদ্দেশ্য সফল কৰাৰ দায়িত্ব গ্ৰহণ কৰে। ২০০৫ চনৰ ফেব্ৰুৱাৰী মাহত ধুবুৰী জিলাৰ দোমৰদহত বহা ৭৪তম অধিৱেশনৰ মূল কাৰ্যানিৰ্বাহক সভাত অহা দুই বছৰীয়া কাৰ্যকালৰ বাবে আইমাতৃসকলৰ কেন্দ্ৰীয় সমিতিখন গঠন হয়।

২০০৫ চনতেই কেন্দ্ৰীয় শিশু আইমাতৃ সমাৰোহভাগি একাদশ বৰ্ষত ভৰি দিলে। নৱেম্বৰ মাহৰ ১২, ১৩, ১৪ তাৰিখে গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয় প্ৰাঙ্গনত ‘ৰমানন্দ ক্ষেত্ৰ’ত সমাৰোহ ভাগি অনুষ্ঠিত হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ‘মহাৰজত’ বৰ্ষৰ লগত সঙ্গতি ৰাখি ‘ৰমানন্দ ক্ষেত্ৰ’ত ৭৫ বছৰ বয়স অতিক্ৰম কৰা বাপ আইসকলক সম্বৰ্দ্ধনা জনোৱা অনুষ্ঠানটি অতি আকৰ্ষণীয় আছিল। ৪১খন জিলাৰ শিশু আৰু আইমাতৃসকলে বিভিন্ন বিষয়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তেওঁলোকৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ পৰিচয় দিয়ে, ধন্য এই শিশুসকল। এওঁলোকেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভৱিষ্যত। এওঁলোকেই যেন দেশ-বিদেশত গুৰুজনাক প্ৰতিষ্ঠিত কৰিব পাৰে এয়াই ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা। আইসকলো আদৰ্শ মাতৃ হৈ শিশুসকলক সঙ্গ দি ভক্তি পন্থেৰে আগুৱাই গৈ যেন এখন সুন্দৰ সুস্থ সমাজ গঢ় দিব পাৰে এয়াই কামনা।

(২০০৬-২০০৭) বৰ্ষৰ কৰ্ম আঁচনি মতে মূলে কেন্দ্ৰীয় আইমাতৃ কল্যাণ সমিতিখনক জিলাই জিলাই মুষ্টিদান আৰু গুৰুগৃহৰ প্ৰয়োজনীতা সম্পৰ্কত জাগৰণ অভিযান আৰম্ভ কৰাৰ দায়িত্ব দিয়ে। দায়িত্ব কাৰ্যত পৰিণত কৰিবৰ বাবে কেন্দ্ৰীয় কমিটিয়ে ‘মুষ্ঠিদান’ৰ আধ্যাত্মিক তত্ত্ব সম্পৰ্কে আলোচনা, মুষ্টিদান পাত্ৰৰ লক্ষ্য, উদ্দেশ্য বিতং কৈ বুজাই দি আইসকলৰ মাজত এই বিষয়ে জাগৰণ আনিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। সঙ্ঘৰ প্ৰতি গৃহস্থী ঘৰত গুৰুগৃহ থকাটো বাধ্যতামূলক কৰিবৰ বাবে আৰু শিশুসকলক গুৰু পৰিচয় কৰাই ‘একশৰণ হৰি নামধৰ্ম’ যে আধ্যাত্মিক ভাৱে মনোনিবেশ কৰি নৈতিক চৰিত্ৰ গঠনত সহায়ক হয়-- এই কথাৰ মূল্যায়ন কৰিবৰ বাবে সমিতিখনে সকলো পৰ্যায়তে সভা পাতি আলোচনা কৰি আহিছে।

২০০৬ চনৰ ডিচেম্বৰ মাহৰ ২৩, ২৪, ২৫ তাৰিখে যোৰহাট জিলাৰ কাকজানৰ কাকজান মহাবিদ্যালয়ৰ ‘বিনন্দ বৈৰাগী ক্ষেত্ৰ’ত দ্বাদশ বাৰ্ষিক সমাৰোহভাগি অনুষ্ঠিত হয়। তিনিওটা দিনতে বিভিন্ন প্ৰতিযোগিতা, আলোচনা চক্ৰ, সাংস্কৃতিক প্ৰদৰ্শন হয়। এইবেলি আলোচনাৰ বিষয়বস্তু আছিল ‘বৃহত্তৰ অসমীয়া জাতি গঠনত শঙ্কৰী সাহিত্য আৰু সংস্কৃ-তিৰ প্ৰাসঙ্গিকতা। এই সমাৰোহ থলীত শিশু মঞ্জৰী, মহীয়সী আৰু স্মৃতিগ্ৰন্থ প্ৰকাশিত হয়।

২০০৭ চনৰ অক্টোবৰ মাহৰ ২৬, ২৭, ২৮ তাৰিখে গোৱালপাৰা জিলাৰ দ্বাৰা আমন্ত্ৰিত হৈছে কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ। তাৰ বাবে প্ৰস্তুতি চলিছে গোৱালপাৰা কলেজৰ ‘কনকলতা ক্ষেত্ৰ’ত। মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰ আকৌ জিলিকি উঠিব এইবেলি মহাপুৰুষ শঙ্কৰদেৱ মহাপুৰুষ আৰু মহাপুৰুষ মাধৱদেৱৰ ভটিয়নী যাত্ৰাৰ সোঁৱৰণীৰে।

উল্লেখযোগ্য যে প্ৰায় কেইখন সমাৰোহত একোখনকৈ স্মৃতিগ্ৰন্থ প্ৰকাশিত হৈছে। যেনে-- চতুৰ্থ বাৰ্ষিক সমাৰোহ (ডিফু), স্মৃতিগ্ৰন্থ ‘বসুন্ধৰা’, সম্পাদনা- মহেন্দ্ৰ শইকীয়া-পৱিত্ৰ বাৰুৱতী; সপ্তম বাৰ্ষিক সমাৰোহ (গড়্গাঁও), স্মৃতিগ্ৰন্থ-‘বহে ব্ৰহ্মাণ্ডক ভেদি’, সম্পাদনা-শ্ৰীদেউকণ চাংমাই; অষ্টম বাৰ্ষিক সমাৰোহ (মৰিগাঁও), স্মৃতিগ্ৰন্থ-‘চন্দৰী আই’, সম্পাদনা- বন্দনা দেৱী; নৱম বাৰ্ষিক সমাৰোহ- ঢেকীয়াল, স্মৃতিগ্ৰন্থ- ‘মধুৰ মুৰুতি’, দশম বাৰ্ষিক সমাৰোহ (ভৱানীপুৰ, সৰুপেটা), স্মৃতিগ্ৰন্থ-‘পদ্মপ্ৰিয়া’, মুখ্য সম্পাদক- শ্ৰীকৈলাস দাস, সহ-সম্পাদকদ্বয়- শ্ৰীকুশল পাটগিৰি, শ্ৰীমহাদেৱ পাঠক; একাদশ বাৰ্ষিক সমাৰোহ (গহপুৰ), স্মৃতিগ্ৰন্থ- ‘চিন্তা সৰোবৰ’, সম্পাদনা- শ্ৰীমাধৱ

বৰা; দ্বাদশ বাৰ্ষিক সমাৰোহ (কাকজান), স্মৃতিগ্ৰন্থ-'বৃন্দাবন', সম্পাদনা- ৰাজু বৰুৱা, বন্তিশিখা পাঠক।

শিশুসকলৰ বাবেও 'শিশু মঞ্জৰী' নামেৰে একোখনি শিশু আলোচনী প্ৰকাশিত হৈ আছে। শিশুসকলক আধ্যাত্মিক আৰু নৈতিক শিক্ষা দান কৰাই আলোচনীৰ উদ্দেশ্য।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আইমাতৃসকলৰ ধৰ্ম, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক বিকাশৰ বাবে 'মহীয়সী' নামৰ এখন আলোচনী প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলে। ২০০২ চনৰ ফেব্ৰুৱাৰী মাহত ৭১তম অধিৱেশনৰ 'শ্ৰীমন্ত শঙ্কৰদেৱ-আজানপীৰ ক্ষেত্ৰ'ত মহীয়সী মহিলা আলোচনীখনৰ 'প্ৰস্তাৱনা' সংখ্যা'টি প্ৰকাশ হয়। আলোচনীখনৰ সম্পাদনাৰ দায়িত্বত আছিল ড° ইন্দিৰা শইকীয়া বৰা আই। এই সংখ্যাটিত পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপে আইসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে এইদৰে--

'মহীয়সীয়ে মাতৃসকলক জ্ঞানৰ পথেৰে
আগুৱাই নিয়ক
জগাই তোলক
জ্ঞান সমুদ্ৰত ডুব মাৰি
মানিক মুকুতা বুটলিব
পৰম স্পৃহা
সম্পাদিকা আই, কৰিলোঁ প্ৰত্যাশা
জনালোঁ শুভেচ্ছা।'

মহীয়সীৰ প্ৰথম সংখ্যাটি আইসকললৈ আগবঢ়াই দি প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকাদেৱে মহীয়সীৰ লেখক-লেখিকাসকললৈ আহ্বান জনাই কয় যে-- 'যুগ সাপেক্ষ কৰি বিজ্ঞান সন্মত দৃষ্টিভঙ্গীৰে মহীয়সীক এখন প্ৰগতিশীল সমাজৰ দাপোণ কৰি গঢ়ি তুলিবলৈ হাতত কলম তুলি লয় যেন।

দ্বিতীয় সংখ্যা 'মহীয়সী' সম্পাদনা কৰে শ্ৰীবিন্দুপ্ৰভা হাজৰিকা আয়ে। এই সমাৰোহ অনুষ্ঠিত হয় গোলাঘাট জিলাৰ ঢেকীয়ালত ২০০3 চনৰ অক্টোবৰত। তৃতীয় সংখ্যা 'মহীয়সী' সম্পাদনাৰ দায়িত্বত পুনৰ শ্ৰীবিন্দুপ্ৰভা হাজৰিকা আয়েই থাকে। দশম সমাৰোহ বৰপেটা জিলাৰ সৰুপেটাত ২০০৫চনৰ জানুৱাৰী মাহত প্ৰকাশ পায়। চতুৰ্থ সংখ্যা ২০০৫ চনৰ নবেম্বৰ মাহত, একাদশ বাৰ্ষিক সমাৰোহ 'ৰামানন্দ ক্ষেত্ৰ' ছয়দুৱাৰ মহাবিদ্যালয়ত। এই সংখ্যাৰ সম্পাদনা কৰে ড° ইন্দিৰা শইকীয়া বৰা আয়ে। পঞ্চম সংখ্যা ২০০৬ চনৰ ডিচেম্বৰ মাহত কাকজানৰ বিনন্দ বৈৰাগী ক্ষেত্ৰত প্ৰকাশিত হয়। এই সংখ্যাৰ সম্পাদনাৰ দায়িত্বত আছিল ড° ইন্দিৰা শইকীয়া বৰা আই। ষষ্ঠ সংখ্যা ২০০৭ প্ৰকাশিত হ'ব গোৱালপাৰা জিলাৰ আহ্বানত গোৱালপাৰা মহাবিদ্যালয়ৰ 'আই কনকলতা ক্ষেত্ৰ'ত। এইবাৰৰ মহীয়সী সম্পাদনাৰ দায়িত্বত আছে ড° ইন্দিৰা শইকীয়া বৰা আই।

উল্লেখযোগ্য যে মূল কাৰ্যনিৰ্বাহকে মহীয়সী সম্পাদনা সমিতিখন দুবছৰৰ বাবে একেখন সমিতি ৰাখে।

আইমাতৃসকলে উৎসাহ আৰু ধৰ্মৰক্ষাত ব্ৰতী হৈ যি সেৱা আগবঢ়াইছে তাৰ কাৰণে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই 'আই কনকলতা বঁটা' নামেৰে এটি সন্মানীয় বঁটা আইসকললৈ আগবঢ়াইছে। স্বৰ্গীয় তাৰিণীবালা পাঠক আইক এই বঁটা ১৯৯৪চনত প্ৰদান কৰা হয়। মাজত কেইবছৰমান বঁটা প্ৰদান হোৱা নাছিল। ২০০৪ চনত শ্ৰীঅনু দ'লবৰুৱা আই আৰু ২০০৫ চনত শ্ৰীবীণা শইকীয়া আইলৈ এই বঁটা আগবঢ়ায়।

'গুৰু শ্ৰীমন্ত শঙ্কৰৰ
ধৰ্ম্মদৰ্শন / নীতি আদৰ্শ / মহতো মহীয়ান /
হোৱা গুণৱতী / হোৱা ভক্তিমতী/
তোমাৰ সন্তানে পাব / আদৰ্শ মহান
*　　*　　*
হোৱা মহাযাত্ৰী / তাতেই ধন্য হ'ব / তোমাৰ জীৱন
জনালোঁ আহ্বান / জনালোঁ সহস্ৰক প্ৰণাম।'

পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতাদেৱৰ আহ্বানে আইসকলৰ জয়যাত্ৰা প্ৰেৰণা যোগাইছে।■


**<u>সমলগ্ৰন্থ</u> ঃ**

১. 'মণিকাঞ্চন' বাৰ্তালোচনী, ১৯৯৪ চনৰ পৰা ২০০৭ চনলৈ।
২. মহীয়সী-১ম সংখ্যা, (সম্পাঃ ড° ইন্দিৰা শইকীয়া বৰা)



*লেখিকা- প্ৰাক্তন শিক্ষয়িত্ৰী*
*শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একান্ত সেৱিকা,*
*প্ৰাক্তন মূলৰ সদস্যা, গুৱাহাটী মহানগৰী জিলা শাখা*

# পৰমপুৰুষ বিষ্ণু যুগে যুগে

ড° অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়া

ভাৰতীয় ধৰ্মীয় সাহিত্যৰ পৰমপুৰুষ বিষ্ণুৰ আবিৰ্ভাৱ ঘটিছে বিভিন্ন ৰূপত, বিভিন্ন কাৰণত যুগে যুগে। ভগৱান শ্ৰীকৃষ্ণই শ্ৰীমদ্‌ভগৱদ্‌গীতাত অৰ্জুনক ঠিকেই কৈছে-

'যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্।।'৪-৭

'হে অৰ্জুন, যেতিয়াই সমাজত ধৰ্মৰ গ্লানি হয় আৰু অধৰ্মৰ অভ্যুত্থান ঘটে, তেতিয়াই মই সমাজত ধৰ্ম সংস্থাপনৰ কাৰণে (নতুন নতুন ৰূপত) আবিৰ্ভূত হওঁ।

মহাভাৰত আৰু ভাৰতীয় পুৰাণ সাহিত্য অধ্যয়ন কৰিলে কৃষ্ণৰ এই কথাষাৰ অতি সঁচা বুলি প্ৰমাণিত হয়।

বিষ্ণু স্বয়ং পৰমব্ৰহ্ম। বৈদিক ঋষিয়ে তেওঁৰ অলৌকিক গুণাৱলী বিভিন্ন ধৰণে বৰ্ণনা কৰিছে। তেৱেঁই জগতৰ স্ৰষ্টা। তেৱেঁই স্বয়ং অব্যক্ত পুৰুষ। তেওঁৰ মহিমা কেৱল সংসাৰৰ মায়া মমতা ৰহিত মহান ঋষিসকলেহে উপলব্ধি কৰে। বিষ্ণু সমস্ত বিশ্বব্ৰহ্মাণ্ড বিয়পি আছে। এই পুৰুষ বিষ্ণু উপনিষদত বৰ্ণিত পৰম ব্ৰহ্মাত বাহিৰে আন কোনো নহয়। বৈদিক সংহিতাত বৰ্ণিত পৰম ঐশ্বৰ্য্যশালী, দিব্য গুণসম্পন্ন দেৱতা বিষ্ণু ঋগ্বেদৰ পুৰুষসূক্তৰ পৰম পুৰুষ আৰু উপনিষদত বৰ্ণিত ব্ৰহ্ম তিনিও মিলি মহাভাৰত আৰু পুৰাণৰ ৰূপ গ্ৰহণ কৰিছে। ব্ৰহ্ম আৰু বিষ্ণুৰ কোনো ভেদ নাই।

কিন্তু ব্ৰহ্ম যদি অবাঙ্‌মনসগোচৰ হয়, যাৰ কোনো ৰূপ নাই, যাক স্বয়ং মহাযোগীসকলেও ধ্যানত বিচাৰি পাবলৈ অহোপুৰুষাৰ্থ কৰিব লাগে, তেনেহ'লে তেওঁ দেৱতাৰ ৰূপধাৰী শঙ্খ চক্ৰ গদা পদ্ম গ্ৰহণকাৰী, ভক্তই দেখা পোৱা, ভক্তক উপদেশ দিয়া এজন পুৰুষত পৰিণত হ'ল কেনেকৈ? যি নীৰূপ, তেওঁ ৰূপধাৰী দেৱতাৰ ৰূপত আবিৰ্ভূত হ'ল কেনেকৈ? তাৰ উত্তৰ অতি সহজ, ব্ৰহ্ম মূৰ্ত্তিশূন্য, অবাঙ্‌মনসগোচৰ আৰু তেওঁক মহা মহা যোগীসকলে ধ্যানত বিচাৰিবলগীয়া হ'লেও পৰমপুৰুষে ইচ্ছা কৰিলে দেৱতা আৰু মানৱৰ মঙ্গলৰ কাৰণে ৰূপ ধাৰণ কৰিব পাৰে। অৱশ্যে সেয়া সগুণ ব্ৰহ্মৰ এক নাম। বৈকুণ্ঠ ভট্টদেৱে তেখেতৰ ভক্তি বিবেক এইকথা সুন্দৰকৈ ব্যাখ্যা কৰিছে।

বিষ্ণুৰূপী ব্ৰহ্মই যুগে যুগে বিভিন্ন অৱতাৰ গ্ৰহণ কৰিছে। পৰমপুৰুষ বিষ্ণুৰ বৰাহ আদি অৱতাৰসমূহৰ বিশদ বৰ্ণনা পিতামহ ভীষ্মই মহাভাৰতৰ সভাপৰ্বৰ ৩৮ অধ্যায়ত সুন্দৰকৈ দাঙি ধৰিছে। ভীষ্মদেৱৰ বৰ্ণনাত বৰাহ, নৃসিংহ, বামন, দত্তাত্ৰেয়, পৰশুৰাম, শ্ৰীৰাম, কৃষ্ণ আৰু কল্কি অৱতাৰ আৰু এইসকলৰ হিতকৰ কৰ্মৰাজিৰ বিশেষ উল্লেখ পোৱা যায়। ভীষ্মৰ বৰ্ণনাত মৎস্য, কূৰ্ম আৰু বুদ্ধ অৱতাৰৰ উল্লেখ নাই। অৱশ্যে মহাভাৰতৰ আদি পৰ্বত দেৱাসুৰৰ অমৃত মথনৰ সময়ত কূৰ্মৰূপধাৰী বিষ্ণুৰ কীৰ্ত্তন কৰা হৈছে। বুদ্ধ অৱতাৰ পৰৱৰ্তী কালৰ সংযোজনা। বুদ্ধক বহুতে নাস্তিক আৰু বেদ বিৰোধী আখ্যা দিলেও অৱতাৰবাদী হিন্দুসকলে বুদ্ধৰ অলৌকিক গুণৰাজি আৰু মানৱৰ দুখমোচন আৰু মুক্তিৰ (নিৰ্বাণ) কাৰণে কৰা প্ৰচেষ্টা অস্বীকাৰ কৰিব পৰা নাই। সেয়েহে তেওঁক দশ অৱতাৰৰ অন্যতম বুলি গ্ৰহণ কৰিছে।

বিষ্ণুৰ অৱতাৰসমূহৰ বৰ্ণনা পোন প্ৰথমতে স্পষ্ট ভাষাত মহাভাৰতত ভীষ্মদেৱে কৰিলেও, বিষ্ণুৰ অৱতাৰ গ্ৰহণৰ উল্লেখ পৰোক্ষভাৱে বেদতেই পোৱা যায়। ঋগ্‌বেদৰ 'অতো দেবা অবন্তুনো যতো বিষ্ণুৰ্বিচক্ৰমে (১/২২/১৬) আৰু 'ইদং বিষ্ণুৰ্বিচক্ৰমে ত্ৰেধা নিদধে পদম্। সমূলহ্মস্য পাংসুৰে (১/২২/১৭)

এই মন্ত্ৰদ্বয়তে পোন প্ৰথমবাৰৰ বাবে বিষ্ণুৰ

ত্ৰিবিক্ৰম অৱতাৰৰ উল্লেখ আওপকীয়াকৈ বৈদিক ঋষিয়ে কৰি গৈছে।

প্ৰথম মন্ত্ৰটোৰ পৃথিব্যাঃ সপ্তধামভিঃ' অংশটো ব্যাখ্যা কৰোঁতে প্ৰসিদ্ধ বেদৰ ভাষ্যকাৰ সায়নে কৈছে--

'বিষ্ণোস্ত্ৰিবিক্ৰমাৱতাৰে পাদত্ৰয়ক্ৰমণস্য পৃথিব্যাপাদানম্'

মহাভাৰতৰ কেই শতাব্দীমান পিছৰ সংস্কৃত সাহিত্য আৰু আঞ্চলিক সাহিত্যত বিষ্ণুৰ মৎস্য, কূৰ্ম, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম বা বলৰাম, শ্ৰীৰাম, বুদ্ধ আৰু কল্কিৰ এই দহ অৱতাৰৰ কথাই বিশেষভাৱে উল্লেখিত হৈছে। বঙ্গদেশৰ প্ৰখ্যাত সংস্কৃত কবি জয়দেৱৰ 'গীত গোবিন্দ'ৰ দশাৱতাৰ স্তোত্ৰ, বোপদেৱৰ 'মুগ্ধবোধ ব্যাকৰণ' আৰু মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তনত এই দশাৱতাৰৰ মহিমাকে বৰ্ণনা কৰা হৈছে। অৱশ্যে এই দশ অৱতাৰ সম্পৰ্কে বৰাহ পুৰাণত কিছু পাৰ্থক্য দেখা যায়। বৰাহ পুৰাণৰ চতুৰ্থ অধ্যায়ৰ ঃ

'মৎস্য কূৰ্মো বৰাহশ্চ নৰসিংহ্যেথ বামনঃ।
ৰামো ৰামশ্চ কৃষ্ণশ্চ বুদ্ধ কল্কী চ তে দশ।।'৪/২

শ্লোকটোত কৃষ্ণক উপযুক্ত মৰ্যাদাসহকাৰে দশাৱতাৰৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। আন এটা অনুৰূপ শ্লোকত শেষৰ বাক্যটোত 'ৰমো ৰামশ্চ ৰামশ্চ বুদ্ধঃ কল্কী চ তে দশ' এই কথাখিনিহে পোৱা যায়। এই বাক্যটোৰ তিনি ৰাম হ'ল পৰশুৰাম, শ্ৰীৰাম আৰু বলৰাম। বৰাহ পুৰাণৰ শ্লোকটোত শ্ৰীকৃষ্ণক যথাযোগ্য স্থান দিয়াটো অতি উচিত কাম হৈছে। যদিও সাধাৰণতে বলৰাম বা হলিৰামকেই অৱতাৰ বুলি কোৱা হয়। আচলতে ভাৰতীয় ধৰ্মীয় সাহিত্যত কৃষ্ণৰ ভূমিকা অতি উচ্চত।

**বিষ্ণুৰ দশাৱতাৰৰ সংক্ষেপ বৰ্ণনা ঃ**

পৰমপুৰুষ বিষ্ণুৰ মৎস্য অৱতাৰেই হ'ল প্ৰথম অৱতাৰ। মৎস্য অৱতাৰৰ প্ৰথম বৰ্ণনা শতপথ ব্ৰাহ্মণৰ মনু মৎস্য কথাত শুনিবলৈ পোৱা যায়। এবাৰ মনুৱে এটা মাছ (মৎস্য) ধৰিলে। কিন্তু কম পানীত জীয়াই থোৱা মাছটো অতি সোনকালে বাঢ়িবলৈ ধৰিলে। শেষত মাছটো ইমান ডাঙৰ হৈ আহিল যে তাক উপায় নাপাই মনুৱে সমুদ্ৰত এৰি দিলে। বৃহৎ আকাৰৰ মাছটোৱে মনুক ক'লে যে শীঘ্ৰেই এক মহাপ্ৰলয় উপস্থিত হৈ গোটেই পৃথিৱী পানীত তল যাব। মনুৱে যেন এখন ডাঙৰ নাও সাজি উলিয়াই তাতে বিভিন্ন জীৱ-জন্তু আৰু শস্যৰ বীঁজ সাৱধানে সংৰক্ষণ কৰে। মৎস্যৰ উপদেশ অনুসৰি কাম কৰি মনুৱে জীৱজন্তু আৰু শস্যসমূহৰ ভৱিষ্যৎ ৰক্ষা কৰে। এনেদৰে মৎস্যৰূপী বিষ্ণুৱে জগতৰ এক মহৎ উপকাৰ সাধন কৰে।

কূৰ্ম অৱতাৰত বিষ্ণুৱে এটা প্ৰকাণ্ড কূৰ্মৰ (কাছৰ) ৰূপ ধাৰণ কৰি দেৱাসুৰৰ সমুদ্ৰমন্থন কালত মন্থন দণ্ড মন্দৰ পৰ্বতক দৃঢ়ভাৱে ধৰি ৰাখিছিল আৰু তেওঁলোকৰ সমুদ্ৰ মন্থনত বিশেষ সহায় কৰিছিল। বৰাহ অৱতাৰত বিষ্ণুৱে বৰাহৰূপ ধাৰণ কৰি হিৰণ্যাক্ষ অসুৰক বধ কৰিছিল আৰু পৃথিৱীক সমুদ্ৰ গৰ্ভৰ পৰা উদ্ধাৰ কৰিছিল। বিষ্ণুৱে নৰসিংহ অৱতাৰত আধা মানুহ আৰু আধা সিংহৰ এক অদ্ভুত ৰূপ ধাৰণ কৰি অত্যাচাৰী দৈত্য আৰু বিষ্ণুভক্ত প্ৰহ্লাদৰ শত্ৰু তেওঁৰ পিতৃ হিৰণ্যকশিপুক বধ কৰিছিল। নৰসিংহৰূপী বিষ্ণুৰ আবিৰ্ভাৱ ঘটিছিল এটা লোহাৰ খুটাৰ পৰা। ইয়াৰ অৰ্থ হ'ল যে বিষ্ণু সকলোতে বিৰাজমান। বামন অৱতাৰৰ কথা বিশেষ মন কৰিবলগীয়া। প্ৰৱল প্ৰতাপী দৈত্য, কিন্তু বিষ্ণু ভক্ত বলিক বিষ্ণুৱে বামনৰূপ ধৰি ছলনা কৰিছিল। দেৱমাতা অদিতিৰ গৰ্ভত তেওঁৰ জন্ম। ইন্দ্ৰতকৈ সৰু কাৰণে তেওঁক উপেন্দ্ৰ বোলা হয়।দেৱতাসকলৰ পৰিত্ৰাণৰ কাৰণে বিষ্ণুৱে বামন বা এজন অতিক্ষুদ্ৰ ব্ৰাহ্মণৰ ৰূপলৈ বলি ৰজাৰ যজ্ঞত উপস্থিত হৈ মাত্ৰ তিনিপদ ভূমি ভিক্ষা কৰে। বলিয়ে আনন্দচিত্তে তিনিপদ ভূমি দান কৰাৰ পিছত বিষ্ণুৱে নিজৰ দুইপাদেৰে আৰু শৰীৰটোৰ সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড অধিকাৰ কৰি লয়, আৰু বলিৰ ইচ্ছা অনুযায়ী তেওঁৰ মূৰত তৃতীয় পদ নিক্ষেপ কৰে। বলিৰ মায়া মোহসকলো ভঙ্গ হয়। তেওঁ বুজি পাই যে পাৰ্থিৱ সম্পদে আমাক সদায় বিচলিত কৰে। তেওঁক গৰুড়ে নাগ পাশেৰে বান্ধি পেলায়। কিন্তু পিছত বলিৰ পত্নীৰ কাকুতিত পৰম ভক্ত বলিক বিষ্ণুয়ে দেৱৰো দুৰ্লভ সুতললৈ প্ৰেৰণ কৰে। (ভাগৱত, অষ্টম স্কন্ধ, ১৮-২৩ অধ্যায়)

পৰমপুৰুষ বিষ্ণুৱে, হঠাতে বামন ৰূপ ত্যাগ কৰি নিজ শৰীৰেৰে তিনিওলোক অধিকাৰ কৰা ঘটনাবোৰ তাৎপৰ্য এয়ে যে বিষ্ণু অনুৰো অনীয়ান মহতো মহীয়ান। তেওঁ ইচ্ছা কৰিলে অতি ক্ষুদ্ৰৰূপতো থাকিব পাৰে। কিন্তু

প্ৰকৃততে তেওঁ নিজ দিব্য শৰীৰেৰে বিশ্বব্ৰহ্মাণ্ড বিয়াপি আছে। সংস্কৃতত বিষ্ণু শব্দৰ অৰ্থই হ'ল 'ৱেবেষ্টি ব্যাপ্নোতীতি বিষ্ণুঃ। যি সৰ্বব্যাপী তেৱেঁই বিষ্ণু।

পৰশুৰাম অৱতাৰত বিষ্ণুৱে অত্যাচাৰী ক্ষত্ৰিয়বিলাকক একৈশবাৰ নিজৰ কুঠাৰেৰে কাটি পৃথিৱীক ক্ষত্ৰিয়ৰ অধিপত্যৰ পৰা মুক্ত কৰিছিল। দত্তাত্ৰেয়ৰ বৰত অসীম শক্তি লাভ কৰা কাৰ্তবীৰ্য্যাৰ্জুনকো তেওঁ বধ কৰিছিল।

ৰাম, কৃষ্ণ আদি অৱতাৰসকলৰ কীৰ্ত্তি কাহিনী সকলোৰে সুবিদিত। ওপৰত উল্লিখিত দহ অৱতাৰৰ উপৰিও বিষ্ণুৱে যুগে যুগে আৰু বহু অৱতাৰ গ্ৰহণ কৰিছে। সেই অৱতাৰ সমূহৰ বৰ্ণনা মহাভাৰত, ভাগৱত আৰু অন্যান্য পুৰাণত পোৱা যায়। মোহিনী, কপিল আদি অৱতাৰসমূহ এই অৱতাৰসমূহৰ অন্তৰ্ভুক্ত। বিষ্ণুৰ অৱতাৰসমূহক লীলা অৱতাৰ, কলা অৱতাৰ আদি বিভিন্ন ভাগত ভাগ কৰা হৈছে।

মহাভাৰতত ভীষ্মই মোহিনী অৱতাৰৰ কথা আলোচনা কৰা নাই। কিন্তু মহাভাৰতৰ আদিপৰ্বৰ দেৱাসুৰৰ সমুদ্ৰ মন্থনৰ বৰ্ণনাত মোহিনীৰ উপস্থিতিয়ে গোটেই ঘটনাৱলীকে এক নতুন দিশলৈ ঘূৰাই দিয়ে। বিষ্ণুৱে মোহিনীৰূপ ধাৰণ নকৰা হ'লে দেৱতাসকলৰ চিৰদিনৰ কাৰণে অনৰ্থ ঘটিলহেঁতেন। মহাভাৰতৰ আদিপৰ্বৰ অষ্টাদশ অধ্যায়ত দেৱতা আৰু অসুৰে সমুদ্ৰ মন্থন কৰি অমৃত লাভ কৰাৰ পিছত উভয়পক্ষৰে অমৃতলাভৰ কাৰণে অৰিয়া-অৰি আৰম্ভ হ'ল। তেতিয়া বিষ্ণুৱে অতি সুন্দৰী দেৱীৰ ৰূপ ধাৰণ কৰি দানৱ বিলাকক ছলনা কৰি সিহঁতৰ হাতৰ পৰা অমৃতৰ পাত্ৰ গ্ৰহণ কৰে আৰু দেৱতাসকলক অমৃত পান কৰায়। এই অতি সুন্দৰী দেৱীয়েই হ'ল মোহিনী। মহাভাৰতত মোহিনীৰ বিষয়ে নিম্নলিখিত শ্লোককেইটাও সবিশেষ বৰ্ণনা পোৱা যায়। (মহাভাৰত-১৮/৪৬, ১৯/২-৩)

মোহিনী অৱতাৰৰ বৰ্ণনা শ্ৰীমদ্‌ভাগৱতপুৰাণৰ অষ্টম স্কন্ধৰ নৱম অধ্যায়তো পোৱা যায়। ভাগৱতৰ অষ্টম স্কন্ধত বিষ্ণুৰ মোহিনীৰূপৰ কথা অৱগত হৈ স্বয়ং শিৱেও সেই ৰূপ দৰ্শন কৰিবলৈ ইচ্ছুক হৈ পৰে। বিষ্ণুৱে পুনৰ মোহিনীৰূপ ধাৰণ কৰি শিৱৰ দৰে পৰমযোগীকো বিভ্ৰান্ত কৰিছিল। (৮/১২)

ভগৱান বিষ্ণুৰ আন এক অৱতাৰ কপিলৰ বিষয়ে বহু বিষ্ণুভক্তই অৱগত নহয়। গীতাত ভগৱান কৃষ্ণই নিজকে কপিলৰ পৰা ভিন্ন নহয় বুলি উল্লেখ কৰিছে। (সিদ্ধানাং কপিলো মুনিঃ।১০/২৬) এই কপিলেই সাংখ্য দৰ্শনৰ প্ৰবক্তা। ভাগৱতৰ মতে কৰ্দম আৰু দেৱহূতিৰ সন্তান কপিল বিষ্ণুৰেই আন এক অৱতাৰ। ভাগৱতৰ তৃতীয় স্কন্ধৰ চতুৰ্বিংশ অধ্যায়ত ভগৱান বিষ্ণুৰ কপিল অৱতাৰ ধাৰণৰ বৰ্ণনা এনেদৰে দিয়া হৈছে।

'তস্যাং বহুতিথে কালে
ভগৱান্ মধুসূদনঃ
কাৰ্দমং বীৰ্য্যমাপন্নো
জজ্ঞেগ্নিৰিৱ দাৰুণি।' (৩/২৪/৬)

কপিলৰ বিষয়ে ভাগৱতত আৰু কোৱা হৈছে ঃ

'বেদাহমাদ্যং পুৰুষম্
অৱতীৰ্ণং স্বমাৰয়া
ভূতানাং শেবাধং দেহং
বিভ্ৰানং কপিলং মুনে।' (৩/২৪/১৬)

ভাগৱত পুৰাণত কপিলে সাংখ্যৰ তত্ত্বসমূহ বৰ্ণনা কৰাৰ উপৰিও ভক্তিৰ মহিমা আৰু মুক্তিলাভৰ উপায়ো বিশদভাৱে বৰ্ণনা কৰিছে। (ভাগৱত, ৩/২৫, ২৭, ২৮)। যদিও এই জগতখন সত্ত্ব, ৰজ, তম এই তিনিগুণৰ অধীন, তথাপি কপিলক সেইবোৰে চুব পৰা নাই। তেওঁ ধ্বস্তগুণ প্ৰবাহ (স্বতেজসা ধ্বস্তগুণ প্ৰৱাহঃ, ৱন্দে বিষ্ণুং কপিলং বেদগৰ্ভম্। ভাগৱত, ৩/৩৩/৮) গুণ আদি সকলো পৰমপুৰুষৰ মায়া মাত্ৰ। সেই মায়াক তেওঁ নাশ কৰিছে।

**পৃথু** ঃ পৃথুও ভগৱান বিষ্ণুৰ অৱতাৰ। অত্যাচাৰী ৰজা বেনৰ মৃত্যুৰ পিচত তেওঁৰ বাহু ঋষিসকলে মৰ্দন কৰোঁতে কৰোঁতে বেনৰ বাহুৰ পৰা পৃথুৰ আবিৰ্ভাৱ ঘটে। পৃথু পৃথিৱীৰ সম্ৰাট আছিল। পৃথুৰ দৰে শাসকৰ আৱিৰ্ভাব পৃথিৱীত ঘটা নাই। ভাগৱতৰ মতে (৪/১৫) পৃথু ভগৱান বিষ্ণুৰ কলা অৱতাৰ। মৈত্ৰেয়ই বৰ্ণনা কৰা মতে--

'অয়ং তু সাক্ষাৎ ভগৱান্
স্ত্ৰাধীশঃ
কুটস্থ আত্মা কলয়াৱতীৰ্ণঃ।' (৪/১৬/১৯)

তেওঁ সম্ৰাট অভিষিক্ত হোৱাৰ সময়ত ধৰিত্ৰীৰ বুকুত শস্য, ঔষধি সকলো নোহোৱা হৈ গৈছিল। তেতিয়া

এয়া ধৰিত্ৰীৰে কাম বুলি ঠাৱৰ কৰি পৃথুৱে ধনুৰ্বান ধাৰণ কৰে। ধৰিত্ৰীয়েও পলাই গৈ গোৰূপ ধাৰণ কৰে আৰু শেষত তেওঁ পৃথুৰ বশ মানে। পৃথুৱে সেই গোদোহন কৰি আকৌ ধৰিত্ৰীক নদন-বদন কৰি তোলে। এনে অলৌকিক কাম অকল পৰমপুৰুষ বিষ্ণুৰ বাবেহে সম্ভৱ। ভাগৱতৰ দ্বিতীয় স্কন্ধৰ সপ্তম অধ্যায়ত ভগৱান বিষ্ণুৰ লীলা অৱতাৰসমূহৰ বৰ্ণনা কৰা হৈছে। সেই সকলৰ ভিতৰত বৰাহ, দত্ত বা দত্তাত্ৰেয়, ৰুচি প্ৰজাপতি আৰু আকৃতিৰ পুত্ৰ সুযজ্ঞৰো উল্লেখ আছে। বৰাহ অৱতাৰত বিষ্ণুৱে সমুদ্ৰৰ গৰ্ভত আদি দৈত্য হিৰণাক্ষক বধ কৰি পৃথিৱীক সমুদ্ৰ গৰ্ভৰ পৰা উদ্ধাৰ কৰিছিল। সুযজ্ঞ অৱতাৰও তেওঁ তিনিও লোকৰে অশেষ আৰ্ত্তি নাশ কৰিছিল বাবেই তেওঁক 'হৰি' বোলা হয়। (২/৭/২) দত্তাত্ৰেয়ৰ কথা পূৰ্বতে উল্লেখ কৰা হৈছে। বিষ্ণুৱে অত্ৰি মুনিৰ পুত্ৰৰূপে অৱতাৰ গ্ৰহণ কৰিছিল। সেই কাৰণে তেওঁক দত্ত আৰু দত্তাত্ৰেয় বোলা হয়। (ভাগৱত পুৰাণ, ২/৭/৪ শ্লোক দ্ৰষ্টব্য।)

ভগৱান বিষ্ণুৰ আৰু কিছুমান অৱতাৰৰ উল্লেখ ভাগৱতত পোৱা যায়। তাৰে অন্যতম হ'ল 'চতুঃ সন' অৱতাৰ। চতুঃসনৰ অৰ্থ হ'ল সনক, সনন্দ, সনৎ কুমাৰ আৰু সনাতন। ভাগৱতৰ মতে এখেতসকল চাৰি গৰাকী সিদ্ধই ঋষিসকলক ব্ৰহ্মতত্ত্বৰ উপদেশ দিছিল। এই চাৰিসিদ্ধক দুৱাৰ এৰি নিদিয়া কাৰণেই বিষ্ণুৰ পাৰিষদ বিজয় বিজয়ক এওঁলোকে অভিশাপ দিয়ে। যাৰ ফলত দুই দুৱৰীয়ে হিৰণ্যকশিপু আদি দৈত্যৰূপে জন্ম গ্ৰহণ কৰিবলগীয়া হয়।

ভগৱান বিষ্ণুৰ ঋষভ অৱতাৰৰ কথাও আমাৰ দৰে অনেকৰে বিদিত নহয়। ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধৰ মতে (২/৭/৯) ৰজা নাভি আৰু সুদেৱীৰ পুত্ৰৰূপে ঋষভদেৱে অৱতাৰ গ্ৰহণ কৰে। জড়যোগ অৰ্থাৎ সুখ-দুখৰ প্ৰতি নিৰ্লিপ্ত জড় পদাৰ্থৰ দৰে সকলো সংসাৰৰ মায়া মমতাৰ পৰা মুক্ত হৈ ঋষভদেৱে যোগীৰ জীৱন-যাপন কৰিছিল। তেওঁ প্ৰশান্ত চিত্ত আৰু সমদৰ্শী আছিল। মহৰ্ষিসকলে তেওঁৰ এই অপূৰ্ব যোগীজীৱনকে পৰমহংস পদ বুলি বৰ্ণনা কৰে।

পৰম পুৰুষ বিষ্ণুৰ নৰ-নাৰায়ণ অৱতাৰৰ উল্লেখ ভাগৱত প্ৰভৃতি শাস্ত্ৰত পোৱা যায়। ধৰ্মপত্নী দক্ষকন্যা মূৰ্তিৰ গৰ্ভৰ পৰা নৰ-নাৰায়ণ বিষ্ণুৰ আৱিৰ্ভাৱ ঘটিছিল। এই নৰনাৰায়ণৰ শৰীৰত ক্ৰোধ আদি ৰিপুসমূহৰ কোনো স্থান নাছিল। মহাভাৰতৰ শান্তি-পৰ্বত ১৩৪ অধ্যায়ত বদৰিকাশ্ৰমত নৰানাৰায়ণ ঋষি যুগলে কঠোৰ তপস্যা কৰাৰ কথা উল্লেখ আছে। মহাভাৰত, ১৩৪/৯-১১)

নৰ-নাৰায়ণে বদৰিকাশ্ৰমত তপস্যা কৰাৰ কথা ভাগৱতত অতি সংক্ষিপ্ত ৰূপত পোৱা যায়। ভাগৱতৰ তৃতীয় স্কন্ধৰ চতুৰ্থ অধ্যায়ৰ ২১ আৰু ২২ সংখ্যক শ্লোকত উদ্ধৱে কৈছে--

'গমিষ্যে দয়িতং তস্য
ৱদৰ্য্যাশ্ৰমমণ্ডলম্
যত্ৰ নাৰায়ণো দেৱো
নৰশ্চ ভগৱানৃষিঃ
মৃদু তীব্ৰং তপো দীৰ্ঘং
তেপাতে লোকভাৱনৌ।'

এই নৰনাৰায়ণ বিষ্ণুৰ বাহিৰে আন কোনো নহয়, মহাভাৰতত মহৰ্ষি নাৰদে নৰ-নাৰায়ণ ঋষিদ্বয়ৰ পৰা ব্ৰহ্মজ্ঞান লাভ কৰিছে (শান্তিপৰ্ব ৩৩৪ অধ্যায়)

**ধন্বন্তৰি** ঃ ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰৰ মূল প্ৰৱৰ্তক ধন্বন্তৰিও বিষ্ণুৰ অৱতাৰ। ভাগৱতৰ দ্বিতীয় স্কন্ধত (২/৭/২১) ধন্বন্তৰিৰ বিষয়ে কোৱা হৈছে যে তেওঁ বহুলোকৰ বহু দুৰাৰোগ্য ৰোগ নিৰ্মূল কৰিছিল। তেৱেঁই দেৱতাসকলক অমৰত্ব লাভত সহায় কৰিছিল।

ধন্বন্তৰিৰ আৱিৰ্ভাৱ হৈছিল দেৱাসুৰৰ সমুদ্ৰ মন্থন কালত ক্ষীৰ সমুদ্ৰৰ পৰা। গৰুড় পুৰাণৰ মতে (১/১৪৬) সমুদ্ৰ মন্থন কালত ধন্বন্তৰিৰ ক্ষীৰসমুদ্ৰৰ পৰা আৰ্বিভাৱ ঘটিছিল হাতত এটা অমৃতেৰে ভৰা কমণ্ডলুলৈ। তেওঁ সুশ্ৰুতক অষ্টাঙ্গ আয়ুৰ্বেদ শিকাইছিল (১/১৪৬/৪)।

**বেদব্যাস** ঃ মহাভাৰতৰ শান্তি পৰ্বত (৩৪৯ অধ্যায়) বেদব্যাসক ভগৱান নাৰায়ণ বা বিষ্ণু সন্তান বুলি বৰ্ণনা কৰা হৈছে। শান্তি পৰ্বৰ ৩৪৯ অধ্যায়ত বেদব্যাসক--

'নাৰায়ণস্যাংশজম্ একপুত্ৰং
দ্বৈপায়নং বেদ মহানিধানম্'
আৰু (পৰাশৰস্য দায়াদ
কৃষ্ণদ্বৈপায়নো মুনিঃ)

ভূয়ো নাৰায়ণসুতং ত্বমেবৈনং প্ৰভাষসে
(৩৪৯/৫,৭)

আদি শ্লোকত নাৰায়ণৰ পুত্ৰ বুলি বৰ্ণনা কৰা হৈছে। ভাৰতীয় ধৰ্মীয় গ্ৰন্থত বিভিন্ন মন্বন্তৰৰ কল্পনা কৰা হৈছে। এই মন্বন্তৰবিলাকৰ অধিপতি স্বায়ম্ভুৱ আদি কেইবাজনো মনু। এই মনুসকলো বিষ্ণুৰে অৱতাৰ।

**হংস** ঃ ভাগৱতৰ

'তুভ্যং চ নাৰদ ভৃশং ভগৱান্
বিবৃদ্ধভাৱেন সাধুপৰিতুষ্ট উৱাচ যোগম্।
(২/৭/১৯)

শ্লোকটোৰ মতে ভগৱান বিষ্ণুৱে হংসৰূপ ধাৰণ কৰি নাৰদক ব্ৰহ্মজ্ঞান দান কৰিছিল। এইজ্ঞান কেৱল বাসুদেৱৰ একান্ত ভক্তসকলেহে লাভ কৰে।*

**হয়গ্ৰীৱ** ঃ মহাভাৰত, ভাগৱত আদি একাধিক গ্ৰন্থত ভগৱান হয়গ্ৰীৱ বিষ্ণুৰ বৰ্ণনা পোৱা যায়। যেতিয়া মহাপ্ৰলয়ত সমস্ত বিশ্বব্ৰহ্মাণ্ড পানীত লীন গৈ আছিল, তেতিয়া বিষ্ণুৰ ইচ্ছাত ব্ৰহ্মাৰ আবিৰ্ভাৱ হয়। ব্ৰহ্মাই চতুৰ্বেদ অধ্যয়ন কৰি থাকোতে মধু কৈটভ নামে দুই পৰাক্ৰমী দৈত্যই বেদসমূহ ব্ৰহ্মাৰ পৰা কাঢ়ি নি পাতাললৈ লৈ যায়। তেতিয়া বিষ্ণুৱে হয়গ্ৰীৱৰূপ ধাৰণ কৰি বেদসমূহ উদ্ধাৰ কৰি ব্ৰহ্মাক সমৰ্পন কৰে (মহাভাৰত, শান্তিপৰ্ব ৩৭৪ অধ্যায়)। ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধত (২/৭/১১) হয়গ্ৰীৱ অৱতাৰৰ বিষয়ে সংক্ষেপে উল্লেখ কৰা হৈছে এনেদৰে--

'সত্ৰে মমাস ভগৱান
হয় শীৰক্ষাথো
সাক্ষাৎ স যজ্ঞপুৰুষস্তপনীয় বৰ্ণঃ।
ছন্দোময়ো মখময়োৎখিলদেৱতাত্মা
ৱাচো ৰভুবুৰুশতীঃ শ্বসতোৎস্য নস্তঃ।।

হয়গ্ৰীৱ বিষ্ণুৰ কথা অসমৰ ধৰ্মীয় সাহিত্যতো পোৱা যায়। অসমৰ হাজোৰ মণিকূট পৰ্বতৰ হয়গ্ৰীৱ-মাধৱৰ মন্দিৰ বিখ্যাত (গৰুড় পুৰাণৰ মতে মৎস্যৰূপী বিষ্ণুৱে হয়গ্ৰীৱ অসুৰক বধ কৰি সমুদ্ৰৰ গৰ্ভৰ পৰা বেদসমূহ উদ্ধাৰ কৰিছিল (১/১৪৬/১)।)

গৰুড়পুৰাণ, কালিকাপুৰাণ, দেৱীভাগৱত আদি গ্ৰন্থ অধ্যয়ন কৰিলে আমি জানিব পাৰোঁ যে হয়গ্ৰীৱ নামে এক অসুৰো আছিল। গৰুড় পুৰাণৰ মতে (১/৫) বিষ্ণুৱে মৎস্য অৱতাৰত হয়গ্ৰীৱক বধ কৰিছিল। দেৱীভাগৱতৰ মতে (১/৫) বিষ্ণুৱে হয়গ্ৰীৱ (যাৰ মূৰটো ঘোঁৰাৰ মূৰৰ দৰে) ৰূপ ধাৰণ কৰি হয়গ্ৰীৱ অসুৰক (অসুৰৰ নিজ ইচ্ছা মতে) বধ কৰিছিল।

**জগন্নাথ ঃ** বিষ্ণুৰ জগন্নাথ অৱতাৰৰ বিস্তীৰ্ণ কাহিনী স্কন্দ পুৰাণত (বিষ্ণুখণ্ড) পোৱা যায়। উৰিষ্যাৰ সাগৰ তীৰত বিষ্ণু ভক্ত বিদ্যাপতিয়ে বিষ্ণুক নানা ৰূপত দেখা পাইছিল। পিছত বিষ্ণুৰ সেইৰূপ অদৃশ্য হয়, পিছত ইন্দ্ৰদ্যুম্ন ৰজাই পৰমপুৰুষৰ আদেশত সাগৰত উটি উটি আহি পাৰত লগা এজোপা প্ৰকাণ্ড বৃক্ষৰ পৰা জগন্নাথদেৱৰ দাৰুময়ী মূৰ্ত্তি নিৰ্মাণ কৰাই উলিয়ায়। বিষ্ণুৱে স্ব-ইচ্ছাৰে এই দাৰুময়ী ৰূপ ধাৰণ কৰে উৰিষ্যৰ পুৰী নগৰীৰ এই জগদ্ বিখ্যাত বিষ্ণুমূৰ্তি বা দাৰুময়ী বিষ্ণু জগতৰ নাথ। সেয়ে প্ৰভুক জগন্নাথ বোলা হয়। জগন্নাথৰ ৰথযাত্ৰাৰ সময়ত ৰথৰ জৰীডাল তাৰ ৰজাই টানি দিলেহে বোলে ৰথ চলিছিল (আজিকালিও পৰম্পৰা ক্ৰমে চলি আছে)।

জগন্নাথ মহাপ্ৰভুৰ দাৰুময়ী মূৰ্তি, ইন্দ্ৰদ্যুম্ননিৰ্মিত প্ৰভুৰ প্ৰাসাদ, ইন্দ্ৰদ্যুম্নৰ অপৰিসীম বিষ্ণুভক্তি আৰু অলৌকিক ক্ষমতা আৰু বিষ্ণুৰ মহিমা সম্পৰ্কে বিস্তৃত আলোচনা স্কন্দপুৰাণৰ বিষ্ণুখণ্ডত 'পুৰুযোত্তমমাহাত্ম্য'ত পোৱা যায়।

এইখিনিতে আমাৰ অলপ ক'বলগীয়া আছে। পৃথিৱীত পোনপ্ৰথমতে মাছ জাতীয় মেৰুদণ্ডী প্ৰাণীৰ জন্ম হৈছিল। এয়া বিজ্ঞানৰ কথা। ক্ৰমে ক্ৰমে আন প্ৰাণীৰো জন্ম হৈছিল পানীত আৰু মাটিত। এই দশাৱতাৰৰ বৰ্ণনা বহু পৰিমাণে প্ৰাণী জগতৰ বিৱৰ্তনৰ সৈতে মিলি যায়। এই পিনৰ পৰা বিচাৰ কৰিলেও ভাৰতীয়সকলৰ দূৰদৰ্শিতা প্ৰমাণ হয়। প্ৰাণীজগতনো কি? এই জগৎখন বিষ্ণুৰেই অন্য অন্য ৰূপ মাত্ৰ।

আমি যিবিলাক অৱতাৰৰ বৰ্ণনা কৰিলোঁ তাৰ ভিতৰত কৃষ্ণই হ'ল বিষ্ণুৰ পূৰ্ণ অৱতাৰ। তেওঁ অৱতাৰ নহয়, অৱতীৰ্ণহে। তেৱেঁই পূৰ্ণ ব্ৰহ্ম। পৰমেশ্বৰৰ ইমানবোৰ অলৌকিক ক্ৰিয়া-কলাপ কৃষ্ণ আৰু ৰামত বাহিৰে আন আন কোনে সম্পাদন কৰিব পাৰিছে? কৃষ্ণই শিশুলীলা

কৰি শিশু হৈছে, যশোদাৰ পুত্ৰ হৈছে। মানুহে দেখাত গোপীসকলৰ সৈতে লীলাও কৰিছে। কিন্তু গোবৰ্দ্ধন পৰ্বতো আঙুলি এটাৰে দাঙি ধৰিব পাৰিছে। সান্দীপনি মুনিৰ পুত্ৰক সমুদ্ৰ গৰ্ভৰ পৰা তুলি আনি পিতৃক অৰ্পণ কৰিব পাৰিছে। স্বয়ং ব্ৰহ্মা, শিব আৰু ইন্দ্ৰ আদি দেৱতা তেওঁৰ তুলনাত একোৱেই নহয়। তেওঁ যে নিজে সৃষ্টি কৰিব পাৰে, সেই কথা বুজাই দি ব্ৰহ্মাৰ মোহভঙ্গ কৰিছে। যি কালিয় নাগৰ বিষত সকলো প্ৰাণী মৰি যায়। সেই কালিয় নাগৰ মূৰৰ ওপৰত উঠি কৃষ্ণই নৃত্য কৰিছে। আচলতে, কালিয় নাগ বুলি কোনো নাগ নাছিল। কালেই হ'ল এই নাগ, যি সংসাৰৰূপী হ্ৰদত সকলোকে মৃত্যুৰ পথ দেখুৱাব পাৰে। কিন্তু কালকো জয় কৰিব পাৰে পৰমপুৰুষ কৃষ্ণই। কৃষ্ণৰ অন্যতম শ্ৰেষ্ঠ অৱদান হ'ল পৰমতত্ত্ব সম্পন্ন 'গীতা'- যি গীতাই মানৱক সাৰ্থক জীৱন-যাপন কৰিবলৈ যুগে যুগে প্ৰেৰণা যোগাই আহিছে।■

* উক্ত শ্লোকটোত যদিও হংসপদটো নাই। ভাগৱতৰ হিন্দী অনুবাদত (গীতাপ্ৰেছ) হংস অৱতাৰৰ কথা সম্পৰ্কে আলোচনা কৰা হৈছে।

লেখক- প্ৰাক্তন মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

# ভক্তি আন্দোলন তথা বিষ্ণু ভক্তৰ ঐক্যতান

**শ্ৰীজোনালী বৰুৱা**

ভক্তিৰ উদ্ভৱ আৰু বিকাশ কেনেকৈ, কেতিয়া ক'ৰপৰা হ'ল-- এই সম্পৰ্কে মতভেদ আছে। তথাপিও প্ৰামাণিক সূত্ৰৰ পৰা ক'ব পাৰি যে আস্তিক ভাৱেৰে ঈশ্বৰৰ উপাসনা কৰা আৰ্যসকলৰ মাজতেই ভক্তিৰ বীজ ৰোপণ হৈছিল আৰু ভক্তিৰ বিভিন্ন প্ৰকাৰৰ কিবা নহয় কিবা স্বৰূপত গ্ৰহণ কৰি আহিছে। মধ্যযুগীয় সগুণ ভক্তিৰ উপলব্ধ অনুৰাগসূচক ভক্তিৰ অভিব্যক্তিক পাশ্চাত্য বিদ্বানসকলে অভাৰতীয় হিচাপে মানি লৈ বিদেশী প্ৰভাৱ আছে বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। ৱেবৰ, কীথ, গ্ৰিয়ৰ্সন, উইলচন আদি পাশ্চাত্যবিদসকলে কৃষ্ণক যীশু আৰু কৃষ্ণভক্তিক খ্ৰীষ্টানৰ ত্ৰাণকৰ্তা প্ৰেমোপাসনাৰ ৰূপ সিদ্ধ কৰিবলৈ প্ৰয়াস কৰিছে। ৱেবৰ মহোদয়ে আকৌ কৃষ্ণ জন্মাষ্টমী পৰ্ব আৰু মহাভাৰতত বৰ্ণিত 'শ্বেতদীপকো' খ্ৰীষ্টান ধৰ্মৰ অৱদান বুলি কৈছে। কিন্তু যি কল্পিত তথ্যৰ আধাৰতে সগুণ ভক্তিক অভাৰতীয় সিদ্ধ কৰিবলৈ প্ৰয়াস কৰিছে, এই সকলো তথ্য অনুসন্ধানৰ দ্বাৰা অনেক বিদ্বানে নিৰ্মূল তথা ভ্ৰমমূলক সিদ্ধ কৰিলে। সগুণ ভক্তিৰ ৰাগতত্বৰ প্ৰধানত লক্ষ্য কৰি যিসকল বিদ্বানৰ ইয়াৰ উদ্ভৱ আৰু বিকাশক লৈ ভ্ৰান্তধাৰণা হৈছিল, নিশ্চয় তেওঁলোকে বৈদিক বাঙ্ময়ৰ অধ্যয়ন কৰা নাছিল আৰু ভাৰতীয় উপাসনা পৰম্পৰাক বুজি পোৱা নাছিল। ভাৰতীয় ভক্তি ভাৱনাৰ যিমান বিস্তৃত বিস্তাৰ বৈদিক কালৰ পৰা মধ্যযুগলৈকে হৈছিল, যদি তাৰ একাংশও এই বিদ্বানসকলৰ বিদিত হোৱা হ'লে ভক্তিক অভাৰতীয় বা বিদেশী তত্ব বুলি ভুল ব্যাখ্যা নকৰিলেহেঁতেন।

বাস্তৱতে বিষ্ণু ভক্তিৰ ক্ৰমিক বিকাশৰ যদি অনুসন্ধান কৰা হয়, তেতিয়াহ'লে তাৰ বীজ বৈদিক ধৰ্মত পৰিলক্ষিত হয়। বৈদিক বিষ্ণু দেৱতাক যদি ভক্তিৰ অৱতাৰী দেৱতা বুলি ধৰা হয়, তেতিয়াহ'লে ইয়াৰ ক্ৰমিক বিকাশ সহজতে উদঘাটন কৰিব পৰা যায়; কিন্তু বৈদিক বিষ্ণু আৰু ভাগৱত ধৰ্মৰ স্বীকৃত বিষ্ণুৰ মাজত প্ৰভেদ আছে বুলি জনা যায়। ভাগৱত ধৰ্মৰ উদয় খ্ৰীষ্টীয় চাৰি পাঁচ শতাব্দী পূৰ্বতে হৈছিল, গতিকে মধ্যযুগীয় ভক্তিৰ মূলাধাৰ বিষ্ণু (ৰাম-কৃষ্ণ) দেৱতা পাশ্চাত্য প্ৰভাৱৰ উপজ নহয়। অথবা ৰামানুগা প্ৰেমাভক্তি কোনো অভাৰতীয় তত্বৰ দ্বাৰা প্ৰভাৱিত নহয়। ভাগৱত, পাঞ্চৰাত্ৰ আৰু সাত্বতমতৰ উল্লেখ মহাভাৰতত বিস্তৃতভাৱে উপলব্ধ হৈছে আৰু এই মতৰ বিকাশ মধ্যযুগত হৈছিল। পাশ্চাত্য বিদ্বানৰ বিদিতহোৱা উচিত যে বৈদিক বিষ্ণু দেৱতাক যদি মধ্যযুগীয়া বিষ্ণুৰ ৰূপ বুলি মানি নলয় তথাপিও ভাগৱত ধৰ্মত স্বীকৃত বিষ্ণু যীশু খ্ৰীষ্টৰ পাঁচ হেজাৰ বছৰৰ প্ৰাচীন। ভাগৱত ধৰ্মৰ পুনৰ গঠন খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত হৈছিল। যাৰ ফলস্বৰূপে য়ুনান দেশৰ নিবাসী হেলিয়োডোৰসে নিজকে 'ভাগৱত' বুলি গৌৰৱ অনুভৱ কৰিছিল আৰু নিজৰ গৰুড় স্তম্ভত বাসুদেৱৰ ৰূপত বিষ্ণুৰ উল্লেখ কৰিছে। গুপ্ত সম্ৰাটেও নিজকে 'পৰম ভাগৱত' বুলি কৈ গৌৰৱবোধ কৰে। গুপ্তযুগত বিষ্ণু অৱতাৰৰ চৰ্চায়েই নহয়, পূজা অৰ্চনাও কৰিছিল। এই সময়ৰ শিলালিপিত বিষ্ণু, বাসুদেৱ, নাৰায়ণ আদি নামৰ উল্লেখে এই তথ্যৰ প্ৰমাণ কৰে যে তেওঁৰ পূজা উপাসনাৰ বাবে অনেক নাম প্ৰচলিত হৈ পৰিছিল।

সগুণ ভক্তি সাহিত্যত অনুৰাগ পৰক মাধুৰ্যভাৱ মণ্ডিত অভিব্যক্তিক লক্ষ্য কৰি আন এটা ভ্ৰম বিয়পিছে। প্ৰেম, ৰাগ আৰু শৃঙ্গাৰৰ সৈতে দৈন্য আৰু কাৰ্পণ্যৰ ভক্তিয়ে এই ভ্ৰমৰ উদ্ভৱ হ'বলৈ উদ্‌গনি যোগাইছে। নিৰ্গুণ নিৰাকাৰ ব্ৰহ্ম উপাসনাৰ পৰা দূৰত থাকি সগুণ উপাসক ভক্তসকলে তৎকালীন ৰাজনৈতিক পৰিস্থিতিৰ দ্বাৰা ক্ষুব্ধ আৰু উদ্বিগ্ন হৈ ভগৱানৰ শৰণ ল'বলৈ লালায়িত হৈছিল। ৰাজনৈতিক

দাসত্ব অৰ্থাৎ মোগল শাসকৰ সাম্ৰাজ্য স্থাপনৰ পাছত হিন্দু জনগণ একপ্ৰকাৰ বিবশ, পৰবশতা আৰু হতাশাত লীন হৈ ঈশ্বৰৰ চৰণলৈ যোৱাৰ বাহিৰে পৰিত্ৰাণৰ আন সুগম পথ বিচাৰি নাপালে। ফলস্বৰূপে ৰাম আৰু কৃষ্ণৰ সগুণ ভক্তিৰ দ্বাৰা তেওঁলোকে এনে এজন অৱতাৰী ভগৱানক কাষত বিচাৰিলে। যিয়ে নিঃসম্বল, ত্ৰস্ত, পীড়িত আৰু বিষণ্ণ হিন্দু জনতাক উদ্ধাৰ কৰিব পাৰে। এই সগুণ উপাসক ভক্তসকলে নাথ পন্থী বা অন্য নিৰ্গুণ পন্থী কবিসকলৰ অনুসৰণ নকৰি অৱতাৰী বিষ্ণু ভগৱানক তেওঁলোকৰ আৰাধ্যৰূপে মানি ল'লে আৰু অৱতাৰী বিষ্ণু শীল, ৰূপ, গুণ, সৌন্দৰ্য আদিৰ মনোহাৰী চিত্ৰ নিজ নিজ কাব্যত অঙ্কিত কৰিলে। এনে প্ৰকাৰৰ বৰ্ণনাতে পৰোক্ষভাৱে তেওঁলোকে এইটো ধাৰণা কৰে যে, ৰাজনৈতিক দাসত্বৰ দ্বাৰা আক্ৰান্ত হোৱা স্বত্বেও ভক্তক শান্ত আৰু আত্মনিৰ্ভৰ হোৱা পথ সগুণ ভক্তিৰ মাধ্যমেৰেহে সুলভ হ'ব পাৰে। সগুণ ভক্তি পৰম্পৰা অনুশীলন কৰিলে এইটো বিদিত হয় যে ভক্ত কবিসকলৰ ভক্তি সাধনা সামগ্ৰিক বা আংশিক ৰাজনৈতিক পৰিস্থিতি বা পৰিৱেশৰ পৰিণাম নহৈ বৈদিক কালৰ পৰা প্ৰৱাহমান ভক্তিৰ এটা ৰূপহে আছিল। অৱতাৰবাদৰ কল্পনাৰ লগতে সগুণ ভক্তিৰ ব্যাপক স্থান লাভ কৰিছিল আৰু ইয়াৰ বিভিন্ন ৰূপ আৰু প্ৰকাৰো বিকশিত হ'বলৈ ধৰে। ৰাজনৈতিক দাসত্বৰ দুখজনক প্ৰসঙ্গ নহা হ'লে সগুণ ভক্তিৰ নিজস্বভাৱে স্বাভাৱিক ৰূপেৰে বিকশিত হ'লহেঁতেন।

সগুণ ভক্তিৰ প্ৰৱল প্ৰবাহৰ অন্য এক কাৰণ আছে। কিছু বিদ্বানে মই মত পোষণ কৰে যে বৌদ্ধ আৰু জৈন ধৰ্মক নাস্তিক প্ৰতিপন্ন কৰাৰ পিছত অদ্বৈতবাদৰ প্ৰচাৰ হ'ল আৰু শঙ্কৰাচাৰ্য এই সিদ্ধান্তৰ প্ৰৱল পৃষ্ঠপোষক হৈ পৰিল। 'অহং ব্ৰহ্মাস্মি' আৰু 'সৰ্বং খল্বিদং ব্ৰহ্মা'ৰ আধাৰত এই সংসাৰক মিথ্যা আৰু ক্ষণভংগুৰ বুলি মানি লোৱা ব্ৰহ্মজ্ঞানী আচাৰ্যৰ লগত কিছুমান অজ্ঞানী আৰু নিৰক্ষৰ ব্ৰহ্মবিদ্যাৰ জন্ম হয়। নিৰ্গুণ ব্ৰহ্মৰ গুণাগুণ কৰা এই তথাকথিত সাধুসন্ন্যাসীসকলৰ ব্ৰহ্মবিদ্যাৰ লগত পৰিচয় ঘটা নাছিল আৰু কোনো যথাৰ্থ তাত্বিক জ্ঞানবোধো নাছিল। বৈৰাগ্য আৰু মায়াবাদৰ বহুৱা সাজি এই সাধুসকলে সমাজৰ লোকসকলক সংসাৰৰ প্ৰতি বিৰক্তি অনুভৱ কৰিবলৈ উদ্‌গণি যোগাইছিল। এই অহংকাৰী দাম্ভিক সাধুসকলৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু সংসাৰৰ সাৰমৰ্ম উপলব্ধি কৰি ভগৱদ ভক্তি পথৰ অনুগামী হ'বলৈ সগুণ সাকাৰ বিষ্ণুভক্তি ৰামানুজ, নিৰ্ম্বাক, বল্লভাচাৰ্যৰ আদি দাক্ষিণাত্যৰ আচাৰ্যসকলে পুনৰ প্ৰৱৰ্তন কৰিলে। এই আচাৰ্যসকলে শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদক বিৰোধ কৰি ভক্তিৰ পথেৰে উপাসনাৰ আশ্ৰয়লৈ আৰু নিজস্ব সাম্প্ৰদায়িক দৃষ্টিৰে সৈতে নবীন অদ্বৈত দৰ্শনৰ প্ৰতিষ্ঠা কৰিলে। তুলসীদাস, সুৰদাস আদি কবিয়েও এই আচাৰ্যসকলৰ দ্বাৰা প্ৰতিপাদিত সগুণ ভক্তি ধাৰাক ভাৱনাৰে সহযোগিতা আগবঢ়ালে।

বৈষ্ণৱ ধৰ্মৰ ব্যৱস্থিত স্বৰূপ বিষ্ণু পূজাৰ ৰূপত ভাগৱত ধৰ্মৰত প্ৰতিপাদক পাঞ্চৰাত্ৰ সাত্বত আৰু নাৰায়ণী ধৰ্মৰ শাখাত দৃষ্টিগোচৰ হয়। এই সম্প্ৰদায়ত ভক্তি ধাৰাৰ স্পষ্ট উল্লেখ পোৱা যায় বাবে বৈষ্ণৱ ভক্তিৰ প্ৰৱৰ্তন ইয়াৰ পৰা হোৱা বুলি মানি লোৱা উচিত। কাল নিৰ্ধাৰণৰ কাৰণে আমি প্ৰসিদ্ধ পুৰাতত্ববিদ ডা. বুলেৰৰ অভিমত স্বীকাৰ কৰিব পাৰো, য'ত তেওঁ ভাগৱত, সাত্বত আৰু পাঞ্চৰাত্ৰ সম্প্ৰদায়ক নাৰায়ণ উপাসনা আৰু দৈৱকীনন্দন কৃষ্ণক উপাসনাৰ সম্প্ৰদায় বুলি কৈছে আৰু যাৰ সময় জৈন ধৰ্মৰ প্ৰাদুৰ্ভাৱৰ বহু আগতে খৃষ্টীয় পূৰ্ব আঠ শতাব্দী বুলি প্ৰতিপন্ন কৰিছে। সাহিত্যৰ প্ৰসিদ্ধ বিদ্বান সেৰ্নাটেও এই মত পোষণ কৰে যে, বিষ্ণু ভক্তিৰ তত্ব আৰু বিষয়বস্তু বৌদ্ধ সাহিত্যই গ্ৰহণ কৰিছে। ভাগৱত ধৰ্মৰ প্ৰতিষ্ঠা বুদ্ধ জন্মৰ বহু আগতে হৈছিল। বিষ্ণু পূজা সম্পৰ্কে ইংৰাজবিদ বাৰ্থে মত পোষণ কৰে যে ই অতি প্ৰাচীন। বৃক্ষ, সৰ্প আদি পূজাৰ বহু আগতে বিষ্ণু ভক্তি প্ৰচাৰিত হৈছিল। সেইবাবে বিষ্ণু পূজা কোনো বিদেশী মূলৰ পৰা উদ্ভৱ হোৱা বুলি স্বীকাৰ কৰাটো ভ্ৰান্তিমূলক।

সাত্বত ধৰ্মৰ পিছতেই পাঞ্চৰাত্ৰ ধৰ্মৰ স্থান দেখা যায় যি অপেক্ষাকৃত অধিক ব্যাপক শাস্ত্ৰীয় আধাৰ লৈ আগবাঢ়িছিল। বিভিন্ন সংহিতা আৰু তন্ত্ৰৰ আধাৰ লৈ ই প্ৰতিষ্ঠা লাভ কৰিছিল। পৰমতত্ব, মুক্তি, ভক্তি, যোগ তথা বিষয় (সংসাৰ) এই পাঁচটা বিষয় সমবেত হৈ পাঞ্চৰাত্ৰ ধৰ্ম হৈছে। শঙ্কৰাচাৰ্য আদি বিদ্বানে এই পাঞ্চৰাত্ৰ ধৰ্ম প্ৰতিষ্ঠা কৰিছিল আৰু সেই বিষয়ে স্বকীয় মত দাঙি ধৰিছিল।

এই সাম্প্ৰদায়িকতা মতৰ লগতে বিষ্ণু ভক্তিৰ বৰ্ণনা

মহাভাৰত, গীতা আৰু পুৰাণ গ্ৰন্থত পোৱা যায়। 'মহাভাৰত' অনেক প্ৰকৰণত বৈষ্ণৱ ধৰ্মত স্বীকৃত ভক্তিৰ স্বৰূপ প্ৰস্তুত কৰা হৈছে। 'গীতা', 'মহাভাৰত' এটা অংশ মাথোন। কিন্তু ভক্তিৰ ক্ষেত্ৰত ই স্বতন্ত্ৰ স্থান লাভ কৰিছে। গীতাত ভক্তি নিৰূপন প্ৰত্যক্ষ ৰূপত হৈছে। ঐকান্তিক কৃষ্ণভক্তিৰ স্বচ্ছ আৰু স্পষ্ট ৰূপ গীতাত আছে। সেয়া অন্য এক দুৰ্লভ। গীতাক কৰ্মযোগ নাম দিয়া বাল গংগাধৰ তিলককেও গীতাক ভক্তিতত্ত্বৰে পৰিপূৰ্ণ গ্ৰন্থ বুলি মানি লৈছে।

মুনিবৰ শাণ্ডিল্য আৰু দেৱৰ্ষি নাৰদে ভক্তি সূত্ৰক প্ৰমুখ স্থান দিছে। শাণ্ডিল্যৰ ভক্তিপথ সকলো ভক্তৰ বাবে উন্মুক্ত বুলি কোৱা হৈছে। তেওঁৰ মতে ভক্তি শুদ্ধ ৰাগত্মিকা বৃত্তি। নাৰদৰ ভক্তিসূত্ৰৰ লগত দক্ষিণৰ আলবাৰ ভক্তি পদ্ধতিৰ সাম্য পৰিলক্ষিত হয়। নাৰদে ঈশ্বৰীয় প্ৰেমকেই ভক্তিৰ সংজ্ঞা দিছে। সংক্ষেপতেই ভক্তিসূত্ৰই বৈষ্ণৱ ভক্তি ভাৱনাক এনে এক ধৰাতলত ৰাখিছে যাক শাস্ত্ৰীয় বুলিবও পাৰি আৰু ব্যৱহাৰিক সাধনাৰ বাবে সুগম মাৰ্গ বুলিবও পাৰি।

বিষ্ণু ভক্তিৰ বৈশিষ্ট্য অনেক ৰূপত সমাজত প্ৰতিবিম্বিত হ'বলৈ ধৰিলে। প্ৰাণী মাত্ৰৰ প্ৰতি প্ৰেম আৰু উদাৰ দৃষ্টি এই ভক্তিৰ আধাৰ বুলি গ্ৰহণ কৰা হয়। ভক্তিৰ সম্বন্ধ হৃদয়ৰ সৈতে আৰু সমস্ত মানৱজাতিৰ হৃদয়ত ভক্তিভাৱ জাগ্ৰত কৰাই ইয়াৰ মূল লক্ষ্য। অহিংসা বৈষ্ণৱ ধৰ্মৰ দ্বিতীয় তত্ত্ব। বৈষ্ণৱ ধৰ্মই কলা আৰু সংস্কৃতিত নৱ উন্মেষৰ সৃষ্টি কৰিছিল। দেৱ বিগ্ৰহক সুন্দৰ ৰূপ দিয়া আৰু তাৰ দ্বাৰা জনমানসক কলাপ্ৰেমেৰে পৰিপূৰ্ণ কৰাৰ দায়িত্ব বৈষ্ণৱ ভক্তিয়ে পালন কৰিছিল। বৈষ্ণৱ মূৰ্তিকলা আজিও ভাৰত প্ৰসিদ্ধ। চিত্ৰকলাতো বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ দেখা যায়।

মধ্যযুগৰ ভাৰতবৰ্ষৰ এই বিষ্ণু ভক্তি আন্দোলন কোনো আকস্মিক ঘটনা নাছিল, সেয়া সুস্পষ্ট হৈ আছে। এই আন্দোলনৰ মুখ্য প্ৰবক্তাসকলৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱ আছিল অন্যতম। ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত ঐক্য স্থাপনৰ ভাৱনা তথা অত্যাচাৰ, অনাচাৰ ধৰ্মীয় আচৰণৰ ক্ষেত্ৰত সকলোৰে সমঅধিকাৰৰ বিষয়ক সাৰোগত কৰি ভক্তিৰ লগত ভগৱানৰ সম্পৰ্ক স্থাপনৰ জৰিয়তে ভাৰতীয় জন জীৱনত যি নৱ উন্মেষৰ সৃষ্টি কৰিলে তাৰ প্ৰাণ পুৰুষ আছিল শ্ৰীমন্ত শংকৰদেৱ। ভাৰতবৰ্ষৰ পূৰ্ব প্ৰান্তত শংকৰদেৱে সকলোৰে বাবে সহজ হ'ব পৰাকৈ দেশীয় ভাষা প্ৰয়োগ কৰি কাব্য ৰচনা কৰিলে। প্ৰান্তীয় ভাষাৰে ভাগৱত আদি শাস্ত্ৰীয় সাহিত্য অনুবাদ কৰিলে। সংগীত, নাটক, নৃত্য, চিত্ৰ আদি শিল্প কলা সংস্কৃতিৰ ক্ষেত্ৰত তেখেতে অভূতপূৰ্ব প্ৰতিভাৰ পৰিচয় দিলে। জাতি জনজাতিৰ মাজত থকা বৈষম্য আঁতৰাই একতাৰ ডোলেৰে বান্ধ খুৱাবলৈ নৱ পথৰ সন্ধান কৰিলে। জনগণৰ মাজত ঐক্য সম্প্ৰীতি অটুত ৰাখিবলৈ মহাপুৰুষ জনাই যি অৱদান দি থৈ গ'ল সি আজিও সমানেই প্ৰাসঙ্গিক।

শংকৰদেৱৰ ধৰ্ম দৰ্শন ভাগৱত পুৰাণৰ দৰেই অদ্বৈতবাদী। অদ্বৈতবাদ আৰু দ্বৈতবাদৰ মূল পাৰ্থক্যটো হ'ল তাত্বিক (Metaphysical) অদ্বৈতবাদৰ মতে ঈশ্বৰ আৰু জীৱাত্মাৰ পাৰ্থক্য নাই। কিন্তু দ্বৈতবাদৰ মতে পৰমাত্মা আৰু জীৱাত্মাৰ মাজত পাৰ্থক্য আছে। অদ্বৈতবাদী শংকৰদেৱে পঞ্চম পুৰুষাৰ্থ হিচাপে ভকতিক শীৰ্ষস্থান দিছে আৰু ইয়াৰ আধাৰ আছিল শ্ৰীমদ্ভাগৱত, যি ভাগৱত আছিল একেধাৰে ব্ৰহ্মসূত্ৰৰ অৰ্থস্বৰূপ, গায়ত্ৰীৰ ভাষ্য স্বৰূপ, মহাভাৰতৰ অৰ্থ নিৰ্ণায়ক, বেদৰ অৰ্থেৰে বৰ্দ্ধিত কলেবৰ আৰু সৰ্ব পুৰুষাৰ্থপ্ৰদ বেদৰূপ কল্প বৃক্ষৰ ফলস্বৰূপ।

শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্মক 'একশৰণ নাম ধৰ্ম' বুলি জনা যায়। শ্ৰীশংকৰদেৱৰ একশৰণীয়া ধৰ্মমতত বাহ্যিক প্ৰদৰ্শন অথবা আড়ম্বৰ বৰ্জিত হ'ল, পূজা, বলি-বিধান পৰম্পৰাৰ প্ৰতি তীব্ৰ বিৰোধ ঘোষণা কৰা হ'ল। এক হৰি নামেই এই ধৰ্মৰ মূল। হৰিনামতেই আছে মুক্তি। অসমৰ চুকে-কোণে থকা জাতি-উপজাতি তথা জনজাতিৰ হৃদয়ত শ্ৰীশংকৰদেৱে ঢালি থৈ গ'ল ৰসময়ী ভকতি। বিভিন্ন কলুষতাৰ মেৰপাক তথা অন্ধবিশ্বাস, কু-সংস্কাৰৰ কৰালগ্ৰাসত জৰ্জৰিত সমাজখনক নিকা কৰিবলৈ শংকৰদেৱে আশ্ৰয় ল'লে একশৰণ নাম ধৰ্মৰ। ভাৰতীয় সংস্কৃতিৰ লগত অসমীয়া সংস্কৃতিৰ আত্মিক সম্বন্ধ স্থাপন কৰিলে। সন্ত কবীৰ আৰু গুৰু নানকৰ পন্থাৰ বাহিৰে সেই সময়ৰ বৈষ্ণৱ জাগৰণৰ অন্য পন্থাসমূহত যুগল উপাসনাৰ ধাৰা প্ৰচলিত আছিল। ৰামানুজাচাৰ্যৰ পন্থাৰ লক্ষ্মীনাৰায়ণ, তুলসী দাস, ঈশ্বৰ দাস, নাবা দাস, ৰামানন্দ পন্থাত সীতাৰাম, বল্লভাচাৰ্যৰ পন্থাত গোপী কৃষ্ণ 'অষ্টছাপ'ৰ চাৰিজন, চৈতন্যদেৱৰ

পন্থাত ৰাধামাধৱ আদিৰ নাম উল্লেখ কৰিব পাৰি।

শঙ্কৰাচাৰ্যৰ পৰা আৰম্ভ কৰি ৰামানুজ, বল্লভাচাৰ্য, তুলসীদাস, সুৰদাস, কবীৰদাস, নন্দদাস আদি বৈষ্ণৱ পৰম্পৰাৰ মনীষীসকলৰ পন্থা যিয়েই নহওক কোনোৱে অদ্বৈত, কোনোৱে দ্বৈত পন্থা অৱলম্বন কৰিছে। মূলতঃ বৈষ্ণৱ মনিষীসকলৰ উদ্দেশ্য আছিল সৰ্বমঙ্গল সাধন। মহাপুৰুষসকলৰ কাব্যৰাজি অনুশীলন কৰিলে জ্ঞান হয় যে পন্থা যিয়েই নহওক তেওঁসবৰ মূল প্ৰেৰণা একেসূত্ৰতে বন্ধা আছিল সেয়াই হ'ল আত্মাৰ মুক্তি সাধন। জীৱন আৰু জগত সম্বন্ধে সৃষ্টি হোৱা ৰহস্য আৰু ইয়াৰ গূঢ়াৰ্থ বিচাৰি ভিন্নপথ সন্ধান কৰিলেও তেওঁসবৰ কাব্যক ভাৱৰ ঐক্য দৃষ্টিগোচৰ হয়। ভাৱৰ সাম্য, আকস্মিক ধাৰণা, কল্পনা চিন্তা প্ৰকাশ সকলোতে বিৰাজ কৰিছে যেন ঐক্যতান। হৃদয়ৰ দিব্য অনুভূতি, যাৰ ভাবাবেশত তেওঁসবে পাৰ্থিৱ অস্তিত্বৰ সৈতে স্বৰ্গীয় অস্তিত্বৰ একাত্মীয়তা অনুভৱ কৰে।

শঙ্কৰদেৱে ঈশ্বৰক 'প্ৰভু' হিচাপে গ্ৰহণ কৰিছে আৰু নিজকে 'দাস' বা 'কিঙ্কৰ' বুলি কৈছে। সমন্বয়বাদী কবি তুলসীদাসেও নিজকে পাপী আৰু ঈশ্বৰক পাপ পুঞ্জহাৰী বুলি মত প্ৰকাশ কৰিছে। নিজৰ হীনতাৰ প্ৰকাশ 'বিনয় পত্ৰিকা'ত এইদৰে কৰিছে--

'তু দয়ালু, হৌ, তু দানি হৌ ভিখাৰী।
হৌ প্ৰসিদ্ধ পাতকী, তু পাপ পুঞ্জহাৰী।
নাথ তু অনাথ কো, অনাথ কৌন মোসো?'

শঙ্কৰদেৱে কীৰ্ত্তনত কৈছে--

'কৰা প্ৰভু দয়া জন্মে হৈবো
তোমাৰ দাসৰে দাস।

'নাৰদ ভক্তি সূত্ৰ' অনুসৰি আসক্তিৰ একাদশৰূপ গুণমাহাত্ম্যশক্তি, ৰূপশক্তি, পূজা শক্তি, স্মৰণ শক্তি, দাস্য শক্তি, কান্তা শক্তি, বাৎসল্যশক্তি, আত্মনিবেদনা শক্তি, তন্ময়াশক্তি আৰু পৰমবিৰহ শক্তি বৰ্ণনা কৰিছিল তথাপিও তেওঁৰ মন, সখ্য বাৎসল্য ৰূপ কান্তা আৰু তন্ময়াশক্তি প্ৰতি আকৰ্ষিত হৈছিল। আসক্তিৰ এই ৰূপ বৈষ্ণৱ কবিসকলৰ কাব্যত বিৰাজমান। নিৰ্গুণ পন্থৰ কবি কবীৰ দাসেও 'সাখী'ত নিজৰ লঘুতা প্ৰকাশ কৰি প্ৰভুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে--

'লঘুতা তে প্ৰভুতা মিলৈ
প্ৰভুতা তে প্ৰভু দূৰি।'

আত্মা আৰু পৰমাত্মাৰ অভেদ স্বৰূপৰ কথা বৈষ্ণৱ কবিসকলে প্ৰকাশ কৰিছে। আত্মাতেই লুকাই আছে পৰমাত্মা। জীৱাত্মা পৰমাত্মাৰ অংশ বিশেষ। বৰগীতত শঙ্কৰদেৱে কৈছে--

'যত জীৱ জঙ্গম কীট পটঙ্গম
অগ নগজগ কৰি তেৰি কায়া।'

শতিকাৰ সীমা লঙ্ঘন কৰি বহুকাললৈ কবীৰ দাসে জনগণৰ পথ আলোকিত কৰি ৰাখিছিল। স্বামী ৰামানন্দৰ শিষ্য কবীৰ দাস ভাৰতীয় ধৰ্ম সাধনা ইতিহাসৰ এজন প্ৰতিভাশালী মহাকবি। মনুষ্যৰ অন্তৰ্নিহিত জ্ঞানে মনুষ্যক ব্ৰহ্মৰ সৈতে তাদাত্ম্য অনুভূত কৰায়। ব্ৰহ্মবিদ ব্ৰহ্মৈবভবতি। কবীৰ দাসে কয়--

'কৌই কহৈ কবীৰ কৌঈ ৰাম ৰহি হো।
কস্তুৰী কুণ্ডল বসৈ মৃগ চুন্ধৈ বন মাহি।।

শঙ্কৰদেৱেও কৈছে--

'মোতে আছে ইটো জগত মই পুনু
জগতত ব্যতিৰেক
তোমাৰ জগত তুমি তাত ব্যতিৰেক।

আনন্দস্বৰূপ ভগৱানৰ প্ৰাপ্তিয়েই ভক্তৰ মূল উদ্দেশ্য। ভক্তি ভগৱানৰ প্ৰতি অনন্যগামী একান্ত প্ৰেমৰেই নাম। শ্ৰীশঙ্কৰদেৱ একশৰণ ধৰ্মৰ মূলতে হ'ল কৃষ্ণৰ প্ৰতি অনন্য ভক্তি। তেওঁৰ 'ভক্তি প্ৰদীপ'ত অৰ্জুনৰ প্ৰতি কৃষ্ণৰ উক্তি হিচাপে উদ্ধৃত কৰিছিল--

'জগতৰে আত্মা ব্ৰহ্মাদিৰো মই দেৱ।
জানি মোকে মাত্ৰ একচিত্তে কৰা সেৱ।।
মোক এৰি আন একো নভজে দেৱক।
সেহি একশৰণ জন অনুপল।
নুশুনই আন একো দেৱতাৰ নাম।।'

ঠিক একেদৰেই তুলসী দাসেও একমাত্ৰ ৰামকেই ভজিবলৈ কয়। ৰামেই একমাত্ৰ ত্ৰাণকৰ্তা। 'বিনয় পত্ৰিকা'ত কয়--

'ভবলা জাহি দুৰো সে কৰৌ
মোকে তো ৰাম কো নাম কল্পতৰু কলি কল্যাণ কৰৌ।'

কবীৰ দাসেও নিজৰ ভক্তি ভাৱনা প্ৰকাশ কৰিছে-

'সন্ত কৌ মতি কৌঈ নিদহু সন্ত ৰাম হে একৌ
কহে কবীৰ মে সে গুৰু পায়। জাকা নাও বিবকৌ।

বিদ্যাপতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ সুৰদাসে ‘সুৰ সাগৰ’ ৰচনা কৰিছিল, য’ত দেখা যায় শ্ৰীমদ্‌ভাগৱতৰ অপূৰ্ব প্ৰতিফলন তথাপিও তাত সুৰ দাসৰ মৌলিকতা অম্লান হৈয়েই আছে। সুৰ দাসেও শ্ৰীকৃষ্ণক আৰাধ্য হিচাপে লৈ ভক্তিপদ ৰচনা কৰিছিল।

জীৱনক অথিৰ, এই সংসাৰ মিথ্যা বুলি ভক্তসকলে বাৰম্বাৰ দোহাৰিছে। মায়াময় এই জগতৰ পৰা মুক্তি পোৱাসবৰ একমাত্ৰ পথ হ’ল ভগৱানৰ প্ৰতি অটুট ভক্তি। শ্ৰীমন্ত শঙ্কৰদেৱে তেখেতৰ বৰগীতত কৈছে--

‘অথিৰ ধনজন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহু অসাৰ
কৰব কাহেৰি সাৰ।।’

তেওঁ পুনৰ ভাগৱতত কৈছে--

‘ধন জন বন্ধু যত প্ৰাণজায়া
সমস্তে অবস্তু যেন ইন্দ্ৰ জাল মায়া।’

নিৰ্গুণবাদী কবি কবীৰ দাসেও কৈছে ‘কবীৰ গ্ৰন্থাৱলী’ত--

‘পুত্ৰ কলত্ৰ লক্ষ্মী মায়া। ইতেন কছু কৌণে সুখ পায়া।

কহত কবীৰ অবৰ নহি কামা। হমৰেক মন ধন ৰামকো নামা।।’

তুলসী দাসেও জগতক অসত্য তথা মায়াৰে আবৰা বুলি কৈছে। জগত অসত্য সত্য কেৱল হৰিজনহে--

‘দেহ গেহ নেহ জানি জেই সে ঘন দামিনী
সেবিত মপনেধ সহে সন্সৃতি সন্তাসৰে।
বুডয়ৌ মৃগৱাবি খায়ৌ জেৱৰী কো সাঁপৰে।।’

ঈশ্বৰৰ আৰাধনাকে মূল ধৰ্ম হিচাপে স্বীকাৰ কৰি ভকত আৰু ভগৱন্তৰ পাৰমাৰ্থিক অস্তিত্ব স্বীকাৰ কৰাই বিষ্ণু ভক্তিৰ তত্ত্ব। জীৱ ব্ৰহ্মাৰ অংশ। কীৰ্ত্তনত শঙ্কৰদেৱে স্বীকাৰ কৰিছে-- ‘জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে।’ পুনৰ বৰগীতত- ‘হামু যত জীৱ শিৱ তেৰি অংশ।’

তুলসী দাসেও প্ৰকাশ কৰিছে-- কবীৰ খোজী ৰাম কা, গয়া জু সিংহল দীপ ৰামতো ঘট ভীতৰ ৰমি ৰহ্যা, জো আৱৈ পৰতীত।

পুষ্টী মাৰ্গীয় কবি নন্দ দাসৰ ভাষাত--

‘ব্যক্ত অব্যক্ত জু বিশ্ব অনুপ
বেদ বদত প্ৰভু তুলহৰো ৰূপ।’

শ্ৰীমন্ত শঙ্কৰদেৱৰ যি নিশ্চল ভক্তি সেয়ে মুক্তি। শঙ্কৰদেৱে মুক্তিক চৰম লক্ষ্য বুলি সিদ্ধান্ত নকৰিলেও হৰিসেৱাৰ যোগেদি মুক্তি লাভ কৰিব পাৰি সেই কথা তেৰাই বাৰম্বাৰ দোহাৰিছে। কীৰ্ত্তনত কৈছে--

‘ৰাম নাম যিটো সততে গাৱে।
সেহিসে হাততে মুকুতি পাৱে।

ভক্তিৰ দ্বাৰাই মুক্তিৰ কাষ চাপিব পাৰি। ভক্তিয়ে আত্মাক মুক্তিৰ সমীপলৈ লৈ যাব পাৰে। তুলসী দাসে প্ৰকাশ কৰিছে ঃ

‘ৰাম ভজন সেহি মুক্তিৰ সো গুমাই। অন ইচ্ছিত আৱৈ ধৰি আঈ।’ কবীৰ দাসেও ভক্তিতেই ভৰষা ৰাখি মুক্তি পথৰ সন্ধান কৰিছিল।

কহৈ কবীৰ সন্তা নাহী ভগতি মুগতি গতি পাঈৰে।

পঞ্চদশ শতিকাৰ বহুগুণী ব্যক্তি, সৰ্বগুণাকৰ জগতগুৰু শঙ্কৰদেৱে কালৈকো কেৰেপ নকৰি জাত্যাভিমান যুগত অন্যান্য জাতিগোষ্ঠীৰ লগতে মুছলমান চান্দ খাঁকো শৰণ দি মহানুভৱতাৰ যি পৰিচয় দাঙি ধৰিলে সেয়া দৰাচলতে আছিল তৎকালীন সমাজৰ প্ৰতি তেৰাৰ প্ৰত্যাহ্বান-

চণ্ডালে হৰি নাম লয় মাত্ৰ
কৰিবে উচিত যজ্ঞেৰ পাত্ৰ।
সিটো চণ্ডালক গৰিষ্ঠ মানি।
যাৰ জিহ্বাগ্ৰে থাকে হৰিৰ বাণী। (কীৰ্ত্তন)

তাৰাৰ ৰচনাৰাজিত কাহানিও আঞ্চলিকতাবাদী মনোভাৱ পৰিলক্ষিত হোৱা দেখা নাযায় আৰু ইয়েই হ’ল ভক্ত কবিসকলৰ অন্যতম বৈশিষ্ট্য। ভাৰতবৰ্ষকে জোকাৰি যোৱা এই আধ্যাত্মিক জাগৰণে প্ৰথমবাৰৰ বাবে সামগ্ৰিক ৰূপত সবাৰে হৃদয়ত জাতীয় চেতনাৰ উন্মেষ ঘটালে। শঙ্কৰদেৱে ‘কীৰ্ত্তন’ আৰু ‘ভক্তিপ্ৰদীপ’ গ্ৰন্থত ‘ভাৰতভূমিত জন্ম নকৰিও বৃথা’ এইদৰে প্ৰকাশি আঞ্চলিকতাৰ বিপৰীতে মহান ভাৰতীয়তাৰ পৰিচয় দিছিল। দৰাচলতে ভক্ত কবিসকল আছিল একো একোজন কলাকাৰ। এই কলাকাৰসকলে সমন্বয়াত্মক দৃষ্টিৰে সমাজখন একীকৰণৰ ওপৰত গুৰুত্ব দিছিল। যিহেতু তৎকালীন সমাজখন ৰাজনৈতিক ভাৱেই নহয়, মানসিক আৰু নৈতিক ভাৱেও নিৰ্বল আৰু শক্তিহীন হৈ পৰিছিল। মুছলমান শাসকৰ

কঠোৰ আঘাতে, হিন্দু জাতি, ধৰ্ম আৰু হিন্দু সংস্কৃতিক চিৰদিনৰ বাবে ইছলামৰ সতে একাকাৰ কৰাৰ উপক্ৰম পৰিলক্ষিত হৈছিল কিন্তু প্ৰায় এক ডেৰ শতাব্দীৰ পশ্চাত্ হিন্দুজাতি ইমান শক্তিশালী হৈ পৰিছিল যে ভাৰতৰ প্ৰতিখন দেশেই ইয়াৰ শক্তি অনুভৱ কৰিলে। নিজ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা, নিজ সংস্কৃতিৰ প্ৰতি আস্থা আৰু নিজ আদৰ্শৰ প্ৰতি বিশ্বাসেই ভক্তসকলক এই শক্তি প্ৰদান কৰিলে; যি শক্তিৰে ভাৰতৰ অস্তিত্বই নহয় অপিতু প্ৰৱল বিৰোধী শক্তিৰো সন্মুখীন হ'বলৈ সমৰ্থ হ'ল তুলসীদাসৰ দৰে গুৰুনানক, চৈতন্য মহাপ্ৰভু, কবীৰ দাস, সুৰদাস তথা শঙ্কৰদেৱেও 'ৰামৰাজ্য'ৰ পৰিকল্পনা কৰিছিল--

'দৈহিক দৈবিক ভৌতিক তাপা।
ৰাম ৰাজ নহি কাহুহি ব্যাপা।।
সব নৰ কৰহি পৰস্পৰ প্ৰীতি।
চলহি স্বধৰ্ম নিৰত শ্ৰুতি নীতি।।'

ভগৱানৰ অস্তিত্ব অনুভৱ কৰিব পৰা যায় ঐকান্তিক ভক্তিৰ দ্বাৰা, সাকাৰ-নিৰাকাৰ বুলি কোনো যুক্তি থাকিব নোৱাৰে ভক্তি আৰু জ্ঞানৰ অভেদ স্বীকাৰ কৰি তুলসী দাসে কয়--

ভগতিহি গিয়ানহি নহি কছু ভেদা। উভয় হৰহি ভৱ সম্ভৱ খেদা।

সাকাৰ ভগৱানৰ ৰূপো স্পষ্ট পৰিলক্ষিত হয় শঙ্কৰদেৱৰ শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনাত--

'মদন দমনৰূপ পেখিয়ে পুনু পুনু
মুৰুচি পৰয় পুৰনাৰী।'

'বৈষ্ণৱ কবিসকল যি ধাৰাৰেই নহওক তেৰাসৱৰ হৃদয়ত আছে ভক্তিৰ একো একোখন সাগৰ, যি সাগৰ বৈ যায় মহাসাগৰ ৰূপী পৰমাত্মালৈ। নিৰ্গুণ হওক, সগুণ হওক দ্বৈত হওক, অদ্বৈত হওক সবাৰে হৃদয়ত আছে সাৰ্বজনীন নিবেদন। তেৰাসবৰ হৃদয়ৰ বিৰাজ কৰিছে এক মহান উদ্দেশ্য সেয়া হ'ল জনগণৰ সৰ্বতো প্ৰকাৰৰ মঙ্গল সাধন। পথ ভিন্ন হলেও গন্তব্য স্থান আছিল একেই। তেৰাসবৰ আলৌকিক প্ৰতিভাই বিশ্বৰ প্ৰতিজন মানুহৰ হৃদয়ত ভক্তিৰসৰ সঞ্চাৰ কৰিছে। তেওঁলোকৰ কাব্যত প্ৰকাশ পাইছে জগতৰ মংগল সাধনৰ তীব্ৰ অভিলাষ।

অসমীয়া জাতিৰ জন্ম হোৱাৰে পৰা আজি পৰ্যন্ত শ্ৰীশঙ্কৰদেৱৰ সমকক্ষ মহাপুৰুষৰ জন্ম হোৱা নাই। তেওঁ লিখিছিল, সুৰ দিছিল, নাট্য ৰচনা কৰিছিল, অভিনয় কৰিছিল, নৃত্য, গীত, নাট আদিত তেখেতৰ পাৰদৰ্শিতাৰ অভাৱ নাছিল। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুৰাভা সকলোৰে হৃদয় ভৰাই প্ৰশংসা কৰিছে।

প্ৰস্তুত লিখনিত শ্ৰীমন্ত শঙ্কৰদেৱৰ বিস্তৃত তথা বিশাল ধ্যান-ধাৰণাৰ, আধ্যাত্মিক চেতনাবোধৰ সমগ্ৰ দিশ চুব পৰা নাই। চমু অধ্যয়নেৰে মাথো বৈষ্ণৱ ভক্তি তথা বৈষ্ণৱ কবিৰ হৃদয়ৰ একীকৰণ থাওকতে কৰা হ'ল।■


**সহায়কাৰী গ্ৰন্থ ঃ**

১. ডা. ৰাজেসুৰ চতুৰ্বেদী ঃ বিনয় পত্ৰিকা
২. শঙ্কৰদেৱ ঃ বৰগীত
৩. শঙ্কৰদেৱ ঃ কীৰ্ত্তন
৪. ডা. শ্যামসুন্দৰ দাস ঃ কবীৰ গ্ৰন্থাৱলী
৫. পণ্ডিত জ্বালাপ্ৰসাদ শৰ্মা ঃ সুৰ দাস ঃ এক অধ্যয়ন
৬. শ্ৰীৰাকেশ ঃ হিন্দী সাহিত্য কা ইতিহাস
৭. আচাৰ্য দুৰ্গা শঙ্কৰ মিশ্ৰ ঃ হিন্দী সাহিত্য কা ইতিহাস
৮. সাহিত্যিক নিবন্ধ ঃ গণপতি চন্দ্ৰ মিশ্ৰ, লোক ভাৰতী প্ৰকাশ
৯. হিন্দী সাহিত্য কা ইতিহাস ঃ ডাঃ নগেন্দ্ৰ
১০. হিন্দী সাহিত্য কা ইতিহাস ঃ আচাৰ্য হাজাৰী প্ৰসাদ দ্বিবেদী।



লেখিকা- প্ৰবক্তা, হিন্দী বিভাগ
মৰিচল মহাবিদ্যালয়, ধেমাজি

# মাধৱ কন্দলিৰ ৰামায়ণৰ অনুবাদ ৰীতি

ড° লীলাৱতী শইকীয়া বৰা

মাধৱ কন্দলিৰ ৰামায়ণেই প্ৰথম অসমীয়া জাতীয় মহাকাব্য। ইয়াৰ আধাৰ হ'ল আদিকবি বাল্মীকিৰ ৰচিত সংস্কৃত মহাকাব্য ৰামায়ণ। মাধৱ কন্দলিৰ বহুকাল পূৰ্বে বাল্মীকি ৰামায়ণৰ কাহিনীৰ ওপৰত ভিত্তি কৰি যোগবশিষ্ট, অধ্যাত্ম ৰামায়ণকে ধৰি কেবাখনো সংস্কৃত ৰামায়ণ আৰু ভালেসংখ্যক সংস্কৃত কাব্য নাটক তথা প্ৰাকৃত কাব্য ৰচিত হৈছিল যদিও মাধৱ কন্দলিৰ ৰামায়ণৰ মাজত সেইবোৰৰ কোনো উল্লেখ পোৱা নাযায়। কেৱল বাল্মীকি ৰামায়ণৰ নামহে কবি গৰাকীয়ে তেওঁৰ কাব্যখনৰ তিনি ঠাইত ক্ৰমে এনেদৰে উল্লেখ কৰিছে--

বাল্মীকিৰ ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে

-- কিষ্কিন্ধ্যা কাণ্ড- ৩৯৯১

বাল্মীকি যে মহাঋষি/ ৰামায়ণ প্ৰকাশিল

-- সুন্দৰা কাণ্ড-৪৮৪৬

মহাঋষি বাল্মীকিয়ে /ৰামায়ণ কৰিলন্ত

-- লঙ্কা-৬৭০৯

কন্দলিৰ ৰামায়ণৰ মাজত বাল্মীকি ৰামায়ণৰ বাহিৰে আন কোনো ৰামায়ণ বা ৰামায়ণ সম্পৰ্কীয় গ্ৰন্থৰ নাম উল্লেখ নথকাৰ কাৰণে পণ্ডিতসকলে সিদ্ধান্ত কৰিছে যে বাল্মীকি ৰামায়ণেই কন্দলিৰ কাব্যৰ একমাত্ৰ আদৰ্শ আৰু মূলগ্ৰন্থ। ভাৰতৰ বিভিন্ন ঠাইৰ স্থানীয় প্ৰভাৱ আৰু ভাট কবিৰ সংযোগৰ ফলত মূল বাল্মীকি ৰামায়ণৰ তিনিটা পাঠ (Text) ভাৰতৰ বিভিন্ন অঞ্চলত গঢ় লৈ উঠিছিল। গৌড়ীয় বা প্ৰাচ্য, পশ্চিমোত্তৰীয় আৰু দাক্ষিণাত্য পাঠ। কন্দলিৰ ৰামায়ণ মূল সংস্কৃত ৰামায়ণৰ গৌড়ীয় পাঠৰ আধাৰত ৰচিত। বাল্মীকি ৰামায়ণৰ আধাৰত আধুনিক ভাৰতীয় আৰ্যভাষাত যিমানবোৰ প্ৰাদেশিক ৰামায়ণ ৰচিত হৈছে, সেই সকলোৰে ভিতৰত কন্দলি ৰামায়ণেই সৰ্বপ্ৰাচীন আৰু মূল ৰামায়ণৰ একান্ত অনুগত। কন্দলিৰ ৰামায়ণৰ প্ৰায় এশ দুশ বছৰ পিছতহে ক্ৰমে বঙলা, হিন্দী আৰু আঞ্চলিক ভাষালৈ ৰামায়ণ অনুদিত হয়। গতিকে, অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰিবৰ সময়ত কন্দলিৰ সমুখত আঞ্চলিক আৰ্যভাষাৰো কোনো ৰামায়ণ নাছিল। কিন্তু মাধৱ কন্দলিৰ দুশ-তিনিশ বছৰৰ পূৰ্বেই দক্ষিণ ভাৰতৰ আধুনিক দ্ৰাবিড়ীয় ভাষা তামিল, তেলেগু, কানাড়ী আৰু মালয়ালম্ ভাষাত ঘাইকৈ বাল্মীকি ৰামায়ণৰ ভিত্তিত ভালে সংখ্যা আঞ্চলিক ৰামায়ণ ৰচিত হৈছিল। সেই ৰামায়ণবোৰৰ ভিতৰত দ্বাদশ শতিকাৰ তামিল কবি কম্বনৰ। 'ইৰামাৱদাৰম্' নামৰ ৰামায়ণখনেই আছিল সৰ্বপ্ৰাচীন আৰু সৰ্বশ্ৰেষ্ঠ। কম্বনে তেওঁৰ ৰামায়ণৰ এটি মঙ্গলাচৰণত 'দেৱভাষা সংস্কৃতত যি তিনিজন মহাপুৰুষে ৰামায়ণ ৰচনা কৰি গৈছে, তেওঁলোকৰ ভিতৰত মহৰ্ষি বাল্মীকিৰ ৰচনানুসাৰে মই মোৰ তামিল ৰামায়ণ ৰচনা কৰিছোঁ।' বুলি উল্লেখ কৰি যোৱাৰপৰা অনুমান কৰিব পাৰি যে তামিল কবি জনাৰ বাল্মীকি ৰামায়ণৰ লগতে আন সংস্কৃত ৰামায়ণৰ লগতো ঘনিষ্ঠ পৰিচয় ঘটিছিল। কিন্তু লিপি আৰু ভাষাৰ ফালৰ পৰা ভাৰতীয় আৰ্য ভাষাতকৈ সম্পূৰ্ণ পৃথক দক্ষিণ ভাৰতীয় এইবোৰ ৰামায়ণে অসমীয়া কবি মাধৱ কন্দলিৰ আগত আঞ্চলিক ভাষাৰ ৰামায়ণৰ আদৰ্শ দাঙি ধৰিছিল বুলি মুঠেও কল্পনা কৰিব নোৱাৰি।

মাধৱ কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো' বুলি লঙ্কাকাণ্ডৰ শেষত (পৃ-৬৭১০) স্পষ্টকৈ উল্লেখ কৰি গৈছে যদিও এতিয়ালৈকে তেওঁৰ নামত অযোধ্যাকাণ্ডৰ পৰা লঙ্কাকাণ্ডলৈকে, এই পাঁচোটা কাণ্ডহে আৱিস্কৃত হৈছে। সেয়েহে স্বাভাৱিকতে প্ৰশ্ন হয়, কন্দলিয়ে মাত্ৰ পাঁচোটা কাণ্ডহে ৰচি তাকে সপ্তকাণ্ড বুলি বুজাব খুজিছিলনেকি? কিয়নো, 'সাধাৰণতে ৰামায়ণৰ কোনো অংশ বা কাণ্ডকে মানুহে সপ্তকাণ্ড ৰামায়ণ বুলিয়ে উল্লেখ কৰি আহিছে।'

কোনো কোনো পণ্ডিতৰ মতে উত্তৰাকাণ্ড ৰচনাৰ আগেয়ে যে কবিয়ে সাতকাণ্ড ৰচনাৰ বিষয়ে এইদৰে কৈছে, ইয়ে বুজায় যে লঙ্কাকাণ্ডত শেষ হোৱা তেওঁৰ ৰামায়ণে সপ্তকাণ্ডৰ সাৰমৰ্ম বহন কৰিছে। এইখিনিতে বাল্মীকি ৰামায়ণৰ কথা উল্লেখ কৰিব পাৰি। বাল্মীকিয়েও যুদ্ধ কাণ্ডৰ শেষত উত্তৰাকাণ্ডত থাকিবলগীয়া ৰামায়ণ পাঠৰ ফলশ্ৰুতি বৰ্ণনা কৰি তাতেই ৰামায়ণখন শেষ হোৱাৰ ইঙ্গিত দিছিল। সম্ভৱতঃ কন্দলিয়ে উত্তৰাকাণ্ড ৰচনা কৰাৰ আগতেই লঙ্কাকাণ্ডৰ শেষত 'সপ্তকাণ্ড ৰামায়ণ' ৰচনা কৰা বুলি কৈ প্ৰকাৰন্তৰে তেওঁৰ ৰামায়ণখন শেষ হোৱা বুলি ঘোষণা কৰিছিল। মাধৱ কন্দলিৰ পিছত ৰচনা কৰা অনন্ত কন্দলি, দুৰ্গাবৰ কায়স্থ, হৃদয়ানন্দ কায়স্থ আৰু ৰঘুনাথ মহন্তৰ ৰামায়ণতো সাতোটা কাণ্ড সম্পূৰ্ণৰূপত ৰক্ষিত হোৱা নাই। মন কৰিবলগীয়া যে মূল বাল্মীকি ৰামায়ণ সপ্তকাণ্ডৰূপত খৃষ্টীয় প্ৰথম-দ্বিতীয় শতিকাৰে পৰা প্ৰচলিত হৈ আহিছে যদিও প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন পণ্ডিতে উত্তৰাকাণ্ডৰ সমস্ত আৰু আদিকাণ্ডৰো সৰহভাগ সৰ্গ প্ৰক্ষিপ্ত বুলিকৈ মন্তব্য দিছে যে বাল্মীকি ৰামায়ণৰ মাজৰ পাঁচোটা কাণ্ডহে প্ৰকৃততে প্ৰামাণিক, বাকী আদি আৰু উত্তৰাকাণ্ড পিছত সংযোজিত। এই দুটা কাণ্ডত ৰামক পূৰ্ণব্ৰহ্ম ৰূপত চিত্ৰিত কৰা হৈছে। কিন্তু মাজৰ কাণ্ড পাঁচোটাত বাল্মীকিয়ে ৰামক আদৰ্শ মানৱ হিচাপেহে বৰ্ণনা কৰিছে। সম্ভৱতঃ এই কাৰণেই ভাৰতৰ কোনো কোনো প্ৰাদেশিক ভাষাৰ ৰামায়ণ পাঁচ কাণ্ডৰহে। দ্ৰাবিড়ীয় ভাষাৰ সৰ্বশ্ৰেষ্ঠ ৰামায়ণ কম্বনৰ 'ইৰামাৱদাৰম্'ত প্ৰথমৰ ছটা কাণ্ডহে আছে। পিছত সংযোজিত উত্তৰাকাণ্ডটো 'ওট্টকুটৰ' নামে কম্বনৰ সময়ৰ আন এজন তামিল কবিৰ ৰচনা বুলিহে জনশ্ৰুতি প্ৰচলিত হৈ আহিছে। সি যি নহওক, বৰ্তমানলৈকে আৱিস্কৃত কন্দলিৰ ৰামায়ণত সপ্তকাণ্ডৰ সলনি মাজৰ পঞ্চকাণ্ডহে আছে। আদি আৰু উত্তৰাকাণ্ড প্ৰণয়ন কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ শঙ্কৰদেৱৰ পূৰ্বৰেই সেই দুটা কাণ্ড কিবা প্ৰকাৰে হেৰাল। পিছত মাধৱদেৱ আৰু শঙ্কৰদেৱে ক্ৰমে আদি আৰু উত্তৰাকাণ্ড ৰচনা কৰি কন্দলি ৰামায়ণৰ আগে পিছে সংযোজন কৰি ৰামায়ণখনিক সপ্তকাণ্ড ৰূপ দিলে।

মাধৱ কন্দলিৰ মতে বাল্মীকিৰ ৰামায়ণ অমৃত আৰু সাক্ষাৎ বেদস্বৰূপ। ৰামায়ণ ৰচনা কৰাৰ জৰিয়তে বাল্মীকিয়ে যেন 'সংসাৰত স্ৰজিল অমৃত' (সুন্দৰা কাণ্ড, পদ-৪৮৪৬) আৰু সেই অমৃত স্বৰূপ ৰামায়ণ 'সাক্ষাতে জানিবা যেন বেদ', যাৰ অমৃতময় শ্ৰৱণত 'সকল পাপৰ ক্ষয়।' 'সংসাৰ বন্ধ হোৱে ছেদ'- (লঙ্কাকাণ্ড, পদ-৬৭০৯) বেদৰ দৰে সত্য, পৱিত্ৰ, জ্ঞানগৰ্ভ আৰু অমৃততুল্য সেই বাল্মীকি ৰামায়ণ অসমীয়া পদলৈ ৰূপান্তৰ কৰি মাধৱ কন্দলিয়ে দেৱভাষা সংস্কৃতৰ মাজত আৱদ্ধ হৈ থকা ৰামায়ণৰ অমৃত নদী অসমীয়া কাব্যজগতলৈ বোৱাই আনিলে।

বাল্মীকি ৰামায়ণ অসমীয়া পদলৈ ৰূপান্তৰ কৰোঁতে কন্দলিয়ে কি ৰীতি বা পদ্ধতি গ্ৰহণ কৰিছিল, সেই বিষয়ে কন্দলিয়ে নিজেই তেওঁৰ ৰামায়ণৰ মাজত সংক্ষেপে এইদৰে লিখি থৈ গৈছে--

'বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে।
তাহাক বিচাৰ আমি কৰিয়া প্ৰৱন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যি মত বুজিলোঁ।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ।।
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষীসৱ উৰয় যেন পখা অনুসাৰে।।
কবি সৱ নিৰন্ধয় লোকে ব্যৱহাৰে।
কতো নিজ কতো লম্বা কথা অনুসাৰে।।
দেৱবাণী নুহি ইটো লৌকিকহে কথা।
এতেকে ইহাৰ দোষ নলৈবা সৰ্বথা।।'

-- পদ-৩৯৯১-৩৯৯৩

ওপৰৰ পদকেইটাৰ পৰা জানিব পাৰি যে কন্দলিয়ে বাল্মীকি ৰামায়ণৰ অধ্যায়ানুবাদ বা শ্লোকানুবাদ আক্ষৰিক ভাৱে কৰা নাই। খৰচি মাৰি বাল্মীকি ৰামায়ণ অধ্যয়ন কৰি নিজৰ বিচাৰ বিশ্লেষণৰ দ্বাৰা সংস্কৃতজ্ঞ কন্দলি কবি জনাই যিমতে সেই ৰামায়ণখনি বুজি পাইছিল, সেই মতে অতি সংক্ষেপে পদত অসমীয়া ৰামায়ণখনি ৰচনা কৰিছিল। নিজৰ পাখিৰ জোৰ অনুসৰিহে চৰাইবোৰ আকাশত উৰাৰ দৰে, কবিসকলেও নিজৰ কাব্যিক প্ৰতিভা অনুসৰিহে ৰসযুক্ত কাব্য ৰচনা কৰিব পাৰে। সমস্ত ৰসজ্ঞান নোহোৱাকৈয়ে নিজৰ কাব্য প্ৰতিভাৰ ওপৰত ভৰসা কৰি কন্দলিও আগবাঢ়িছিল কাব্য ৰচনা কৰিবলৈ। কবিসকলে জনসাধাৰণৰ কাৰণেহে কাব্য সৃষ্টি কৰে। মাধৱ কন্দলিয়েও সাধাৰণ জন মানসক আনন্দ দিবৰ কাৰণেই বিষয়বস্তু অনুযায়ী কেতিয়াবা কোনো কথা দীঘলকৈ আৰু কেতিয়াবা

চুটিকৈ নিজৰ ইচ্ছামতে কাব্যখনিত ৰূপ দিছিল। মন কৰিবলগীয়া যে কন্দলিৰ ৰামায়ণৰ ৰাম-কথাও দশৰথৰ পুত্ৰ মনুষ্য ৰামক লৈহে ৰচিত হৈছে। বিষ্ণুৰূপী ৰামক লৈ নহয়। সেয়েহে কন্দলিয়ে ক'ৰবাত ভুল-ভ্ৰান্তি হ'লেও দোষ নধৰিবলৈ অনুৰোধ কৰিছে।

গতিকে দেখা গ'ল যে কন্দলিৰ ৰামায়ণ বাল্মীকি ৰামায়ণৰ হুবহু অনুবাদ নহয়। 'লম্ভা' পৰিহাৰ কৰি মূল ৰাময়ণৰ মাত্ৰ সাৰভাগ লৈ সমগ্ৰ ৰামায়ণখন সম্পূৰ্ণ নিজাকৈ ৰচনা কৰিছে। এইফালৰ পৰা কন্দলিৰ ৰামায়ণক অনুবাদ নুবুলি বাল্মীকি ৰামায়ণৰ ৰূপান্তৰ বোলাহে যুগুত। এই কথা অকল কন্দলিৰ ৰামায়ণৰ নহয়, আঞ্চলিক ভাষাত ৰচিত আটাইবোৰ ৰামায়ণৰ ক্ষেত্ৰতহে প্ৰযোজ্য। কম্বনৰ পৰা আৰম্ভ কৰি কৃতিবাস, তুলসী দাসলৈকে বা তাৰোপৰৱৰ্তী কালৰ সকলো ৰামায়ণী কবিয়ে বাল্মীকি ৰামায়ণৰ প্ৰধান ঘটনাৱলী আৰু বৰ্ণনাসমূহ গ্ৰহণ কৰিছে। যদিও বহু অধ্যায় আৰু বহু শ্লোকৰ বৰ্ণনা বাদ দিছে। কেতিয়াবা আকৌ অনেক নতুন কথা বা আখ্যান-উপাখ্যান ইচ্ছামতে সংযোগ কৰি গোটেই কাব্যখন স্থানীয় পৰিৱেশত ঢালি নতুনকৈ সজাইছে। ফলত প্ৰতিখন ৰামায়ণেই সেই অঞ্চলৰ জন সমাজৰ অতি আপোন হৈ পৰিছে।

উল্লেখযোগ্য যে মাধৱ কন্দলিয়ে কৃত্তিবাস বা তুলসী দাস আদি ভক্ত কবিৰ দৰে ৰামায়ণৰ কাহিনী স্থানীয় পৰিৱেশৰ লগত খাপ খুৱাই নতুনকৈ সজাবলৈ গৈ বাল্মীকিৰ বাহিৰে অন্য ৰামায়ণ বা পুৰাণৰ ৰামকথাৰ কাষ চপা নাই। আন থলুৱা উৎসৰ পৰাও তেওঁলোকৰ দৰে পৰ্যাপ্ত সমল সংগ্ৰহ কৰি মূল ৰামায়ণৰ কাহিনীত ভেজাল দি নিজৰ ৰামকথাক বেছি জনপ্ৰিয় কৰি তুলিব খোজা নাই। সম্ভৱতঃ দ্বাদশ শতিকাৰ পৰা বৰ্তমানলৈকে ৰচিত আটাইবোৰ প্ৰান্তীয় ৰামায়ণৰ ভিতৰত কন্দলি ৰামায়ণেই বাল্মীকি ৰামায়ণৰ বেছি অনুগত। মাধৱ কন্দলিৰ এনে মূলানুগত বৰ্ণনালৈ লক্ষ্য কৰিয়েই পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈয়ে কৈ গৈছে যে সংস্কৃত ৰামায়ণৰ শুদ্ধ পাঠ নিৰ্ণয়ত মাধৱ কন্দলিৰ ৰামায়ণে বিশেষভাৱে সহায় কৰিব পাৰে। কন্দলি কবিজনাই নিজেও তেওঁ যে বাল্মীকিৰ পৰা বিশেষ আতৰি অহা নাই, সেই কথা এনেদৰে স্বীকাৰ কৰিছে--

'পুস্তক বিচাৰি যেবে তৈত কথা নপাৱাহা
তেৱে সবে নিন্দিবা আমাক।'

-- লঙ্কা কাণ্ড-৬৭১১

কিন্তু পৃষ্ঠপোষক মহামাণিক্য ৰজাৰ ইচ্ছানুসৰি যে তেওঁ ৰামায়ণখনিত কিছু কাব্যৰস নকৈ সংযোজন কৰিছে, সেইকথাও মুকলিকৈ প্ৰকাশ কৰিছে--

'মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো
দুগ্ধক মথিলে যেন ঘৃত।'

-- লঙ্কাকাণ্ড-৭৬১০

কাব্যৰস সংযোজনে বাল্মীকিৰ কাহিনীক বিকৃত কৰা নাই, বৰং গাখীৰ মথি ঘিউ উলিওৱাৰ দৰে বাল্মীকিৰ ৰামায়ণৰ সাৰভাগলৈ তাতে নতুনকৈ কিছু কাব্যৰস সংমিশ্ৰণ কৰি কাব্যখনি বেছি ৰসভোগ্যহে কৰি তুলিছে। অৱশ্যে এটা কথা ঠিক যে অযোধ্যাকাণ্ডৰ কাক আখ্যান, সুন্দৰা কাণ্ডৰ হনুমানৰ ব্ৰাহ্মণ বেশ ধাৰণ, এনে দুই-এটা প্ৰক্ষিপ্ত লৌকিক সমলৰ বাহিৰে কন্দলি ৰামায়ণত বাল্মীকি ৰামায়ণ বহিৰ্ভূত কোনো গুৰুত্বপূৰ্ণ কথা সংযোজিত হোৱা নাই। এইদৰে কন্দলিয়ে গ্ৰহণ-বৰ্জন আৰু সংবৰ্দ্ধন-সংকোচন ৰীতি অনুসৰণ কৰি সমগ্ৰ বাল্মীকি ৰামায়ণখনিক অসমৰ মাত-কথা আৰু স্থানীয় পৰিৱেশৰ লগত মিলাই এনে অপূৰ্ব আৰু মৌলিক ৰূপত সজাই তুলিছে যে ই অসমীয়া জাতিৰ জাতীয় মহাকাব্যৰূপে উজ্বলি উঠিছে।

মাধৱ কন্দলিয়ে বাল্মীকি ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি সংক্ষেপে কাব্যখনি ৰচনা কৰিবলৈ গৈ বাল্মীকিৰ সৰ্গ বিভাজন বাদ দি প্ৰতিটো কাণ্ডক বিভিন্ন অধ্যায়ত বিভক্ত কৰিছে আৰু বাল্মীকিৰ দুই তিনিটা সৰ্গ, কেতিয়াবা তাতকৈও অধিক সৰ্গৰ কথা ভাবানুবাদ কৰি একেটা অধ্যায়ৰ মাজতে সামৰি লৈছে। ফলত বাল্মীকি ৰামায়ণৰ বিভিন্ন কাণ্ড কন্দলি ৰামায়ণত তেনেই সংক্ষিপ্ত হৈ পৰিছে। মূল সংস্কৃত ৰামায়ণৰ গৌড়ীয় পাঠৰ মাজৰ পাঁচোটা কাণ্ডত থকা সৰ্গ আৰু শ্লোকৰ সংখ্যা এনে ধৰণৰ--

অযোধ্যাকাণ্ডত সৰ্গ ১১৯টা, শ্লোকৰ সংখ্যা ৪২৮৭টা
অৰণ্যকাণ্ডত সৰ্গ ৭৫টা, শ্লোকৰ সংখ্যা ২৪৩৮টা
কিষ্কিন্ধ্যাকাণ্ডত সৰ্গ ৬৭টা, শ্লোকৰ সংখ্যা ২৪৬২টা
সুন্দৰাকাণ্ডত সৰ্গ ৬৭টা, শ্লোকৰ সংখ্যা ২৫৭৬টা
যুদ্ধকাণ্ডত সৰ্গ ১২৮টা, শ্লোকৰ সংখ্যা ৫০০০ৰ অধিক।

ইয়াৰ বিপৰীতে মাধৱ কন্দলি ৰামায়ণৰ অযোধ্যাকাণ্ডৰ ৩৯টা অধ্যায়ত ১১২৫টা পদ, অৰণ্য কাণ্ডৰ ২০টা অধ্যায়ত ৭৭২টা পদ, কিষ্কিন্ধ্যাকাণ্ডৰ ১৮ টা অধ্যায়ত ৬০২টা পদ, সুন্দৰাকাণ্ডত ২২টা অধ্যায়ত ৮৫৩টা পদ আৰু লঙ্কাকাণ্ডৰ ৩৭ টা অধ্যায়ত মুঠ ১৮৬৯টা পদ আছে।* মুঠতে বাল্মীকি ৰামায়ণৰ পাঁচোটা কাণ্ডৰ মুঠ চাৰিশ ছাপন্নটা সৰ্গৰ ঠাইত কন্দলি ৰামায়ণত মাত্ৰ এশ ছয়ত্ৰিশটা অধ্যায়হে আছে। সেইদৰে পদসংখ্যাও বাল্মীকিৰ পাঁচোটা কাণ্ডত থকা মুঠ শ্লোকৰ পাঁচ ভাগৰ প্ৰায় দুভাগমানহে হ'ব। ইয়াৰ পৰাই বুজিব পাৰি কন্দলিয়ে কিমান সংক্ষিপ্তৰূপত অথচ মূলৰ কোনো প্ৰয়োজনীয় ঘটনা বা বৰ্ণনা বাদ নিদি কেৱল সামান্য বঢ়া-টুটা কৰি ৰামায়ণখনি অসমৰ জন মানসৰ উপযোগী কৰি তুলিছে।

আন প্ৰান্তীয় ৰামায়ণী কবিৰ দৰে কন্দলিয়ে বাল্মীকিৰ প্ৰতিটো কাণ্ড একে ৰাখি বিভিন্ন সৰ্গ আৰু শ্লোকৰ গ্ৰহণ-বৰ্জন আৰু সংকোচনৰ দ্বাৰা ৰামায়ণখনি সংক্ষেপে প্ৰযোজনা কৰিবলৈ গৈ বাল্মীকিৰ প্ৰতিটো কাণ্ডৰ আৰম্ভণি আৰু সমাপ্তিও নিজৰ মতে সজাই কাব্যখনিক অনুবাদ কৰাৰ সলনি মৌলিক কাব্যৰ মৰ্যাদা দিয়াৰ চেষ্টা কৰিছে। এনেকৈ কেতিয়াবা বাল্মীকিৰ পূৱৰৰ্তী কাণ্ডৰ সমাপ্তিৰ কথা পৰৱৰ্তী কাণ্ডৰ আৰম্ভণিলৈ যদি চাওঁ, তেন্তে দেখিম বাল্মীকিয়ে 'ৰামৰ ৰাজ্যাভিষেক সম্বন্ধে ৰজা দশৰথৰ কল্পনা' সৰ্গৰে এই কাণ্ড আৰম্ভ কৰিছে, কিন্তু কন্দলিয়ে বালকাণ্ডৰ সমাপ্তিৰ কথাৰে 'শ্ৰীৰাম আদিৰ অযোধ্যালৈ প্ৰত্যাগমন আৰু ভৰত-শত্ৰুঘ্নৰ মাতুলালয় যাত্ৰা' অধ্যায়েৰে অযোধ্যা কাণ্ডটি আৰম্ভ কৰিছে। মূলত বাল্মীকিয়ে সীতাই অত্ৰিপত্নী ধৰ্মজ্ঞা অনসূয়াই দিয়া দিব্য অলঙ্কাৰ পৰিধান কথাৰে অযোধ্যা কাণ্ডৰ সামৰণি মাৰিছে। কিন্তু কন্দলিয়ে বাল্মীকিৰ অযোধ্যা কাণ্ডৰ শেষৰ ফালে থকা 'নন্দীগ্ৰামৰ সিংহাসনত শ্ৰীৰামৰ পাদুকা স্থাপন কথাৰে' কাণ্ডটি সমাপ্তি ঘটাই অনসূয়া সীতাৰ প্ৰসঙ্গ অৰণ্য কাণ্ডৰ প্ৰথম অধ্যায়লৈ লৈ গৈছে। সেইদৰে বাল্মীকিয়ে পম্পাৰ সৌন্দৰ্য বৰ্ণনাৰে কিষ্কিন্ধ্যাকাণ্ড আৰম্ভ কৰিছে। কিন্তু কন্দলিৰ কিষ্কিন্ধ্যাকাণ্ড আৰম্ভ হৈছে- 'শ্ৰীৰামৰ সৈতে সুগ্ৰীৱৰ মিলন কথাৰে। কিষ্কিন্ধ্যা কাণ্ডৰ সমাপ্তিও দুয়োজন কবিয়ে ভিন্নভাৱে দেখুৱাইছে। কন্দলিয়ে 'সুপাৰ্শ্বৰ বাৰণ আৰু সীতাৰ দৰ্শন' বৰ্ণনাৰে আৰু বাল্মীকিয়ে 'হনুমানৰ কলেৱৰ বৃদ্ধি আৰু গৰ্জন' বৰ্ণনাৰে এই কাণ্ডটি সমাপ্ত কৰিছে। বাল্মীকিৰ কিষ্কিন্ধ্যাকাণ্ডৰ শেষত থকা এই কথাখিনি আৰু লগতে ইয়াৰ পূৰ্বসৰ্গত থকা 'হনুমানৰ জন্ম বৃত্তান্ত আৰু জাম্বুবানৰ উৎসাহ' শীৰ্ষক কথাকিনি কন্দলিৰ সুন্দৰাকাণ্ডৰ আৰম্ভণিতহে পোৱা যায়। সুন্দৰাকাণ্ড আৰু লঙ্কাকাণ্ডৰ আদি অন্ততো এনেধৰণৰ অগা-পিছা দেখা যায়।

প্ৰতিটো কাণ্ডৰ সৰ্গবোৰৰ এনে ধৰণৰ অগা-পিছাৰ উপৰি কন্দলিয়ে কেতিয়াবা একে সৰ্গৰ মাজত থকা মূল কথাবোৰৰো অগা-পিচা কৰি বৰ্ণনীয় বিষয়ক বেছি সুসংবদ্ধ ৰূপ দিছে। উদাহৰণস্বৰূপে সুন্দৰা কাণ্ডৰ বাল্মীকিৰ হনুমানে সীতাৰ বাৰ্তা আনিবৰ কাৰণে সমুদ্ৰ পথেৰে গৈ থাকোতে মৈনাক পৰ্বতক লগ পোৱাৰ পিছতহে নাগমাতা সুৰসাক দেখা পায়; কিন্তু কন্দলিৰ হনুমানে সুৰসাৰ শক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতহে মৈনাক পৰ্বত লগ পায়। কন্দলিৰ গ্ৰহণ-বৰ্জন আৰু সংক্ষেপকৰণ ক্ষমতাও অদ্ভুত। কেতিয়াবা বাল্মীকিৰ কেবাটাও সৰ্গৰ কথা এটা বা দুটা অধ্যায়ৰ মাজতে সামৰিছে আৰু কেতিয়াবা অপ্ৰয়োজনীয় বুলি ভাবি মূলৰ কোনোবাটো সৰ্গ সম্পূৰ্ণ বাদ দিছে। অকল সৰ্গবোৰৰ সংকোচন-বৰ্জনেই নহয়, কন্দলিয়ে কেতিয়াবা বাল্মীকিৰ কবিত্বপূৰ্ণ দীঘলীয়া বৰ্ণনাও তেনেই চমু কৰিছে আৰু কাব্যৰ কাহিনী বিকাশত সহায়ক নহয় বুলি ভাবি কেতিয়াবা তেনে বৰ্ণনা সম্পূৰ্ণবাদো দিছে। বৰ্ণনীয় বিষয়ৰ এনে ধৰণৰ সঙ্কোচন-বৰ্জনে মূল কাহিনীৰ ক্ৰমবিকাশত কোনো ব্যাঘাত নজন্মাই বৰং সেই কাহিনীক সুসংহত ৰূপহে প্ৰদান কৰিছে। কেতিয়াবা আকৌ মূলত সংক্ষেপে থকা বৰ্ণনাৰ ওপৰত ৰং-ৰহন চৰাই সেই বৰ্ণনাক অসমৰ পৰিৱেশৰ লগত খাপ খুৱাই বিস্তৃত ৰূপ দিছে আৰু তাৰ দ্বাৰা পাঠক-শ্ৰোতাক সেই বৰ্ণনাৰ লগত একাত্ম হোৱাৰ সুযোগ দি কাব্যৰস উপলব্ধি কৰাত সহায় কৰিছে। চৰিত্ৰসমূহৰ মানসিক অৱস্থা বা কাৰ্যকলাপ চিত্ৰণৰ বেলিকাও কবিয়ে মূলৰ তেনেই চমু বৰ্ণনা বহলাই লৌকিক ৰহণ সানি স্পষ্টৰূপত ফুটাই তুলিছে।

মাধৱ কন্দলি এগৰাকী সফল অনুবাদকো। সৰহভাগ ক্ষেত্ৰতে তেওঁ বাল্মীকি ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি সংক্ষেপে ভাৱানুবাদহে কৰিছে যদিও মাজে মাজে তেওঁ মূলৰ প্ৰায়বোৰ গুৰুত্বপূৰ্ণ কাব্যিক আৰু চৰিত্ৰৰ স্বৰূপ প্ৰকাশক শ্লোক সফলতাৰে অনুবাদ কৰিছে। ভাৱানুবাদত

শ্লোকৰ মূল কথাখিনিৰ ভাৰৰ অনুবাদ কৰা হয় মাত্ৰ, শ্লোকৰ লগত জড়িত শব্দ, চিত্ৰ, উপমাদি সাধাৰণতে যথাযথভাৱে নাৰাখি অনুবাদকে নিজৰ ৰুচি অনুযায়ী সেইবোৰ ব্যৱহাৰ কৰে। আনহাতে আক্ষৰিক অনুবাদত মূল শ্লোকৰ সৌন্দৰ্য অক্ষুণ্ণ ৰখা হয়। অনুবাদক হিচাপে কন্দলিয়ে এই দুয়ো দিশতে অতুলনীয় প্ৰতিভাৰ পৰিচয় দিছে। বিশেষকৈ অসমীয়া অভিধান-ব্যাকৰণ নোহোৱাকৈ কথা ভাষ্যৰ জ্ঞান আৰু প্ৰখৰ উদ্ভাৱনী শক্তিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিটো সংস্কৃত শব্দৰ উপযুক্ত অসমীয়া প্ৰতিশব্দ ব্যৱহাৰৰ দ্বাৰা সংস্কৃতজ্ঞ কবি গৰাকীয়ে যি অদ্ভুত শব্দ জ্ঞান প্ৰদৰ্শন কৰিছে, যি সঁচাকৈয়ে চমকপ্ৰদ।

মুঠতে মাধৱ কন্দলিয়ে বাল্মীকিৰ মূল ৰামায়ণী কথাক আধাৰৰূপে লৈ স্থানীয় লোক কথাৰ আৰু তৎকালীন ধৰ্মীয় চিন্তাৰ ৰং ৰহণ সানি গ্ৰহণ-বৰ্জন, সংযোজন ৰীতি অনুসৰণ কৰি তেওঁৰ ৰামায়ণখনিক সংক্ষিপ্ত ৰূপত সম্পূৰ্ণ নতুনকৈ সজাই তুলিছে। এনে কৰাৰ ফলত বাল্মীকিয়ে কোনো বিশেষ ঘটনা বা কাৰ্যৰ বৰ্ণনাৰ ক্ষেত্ৰত কৰা পুনৰুক্তি দোষ কন্দলি ৰামায়ণত ৰহিত হৈছে। চমুকৈ ক'বলৈ গ'লে, অনুবাদ হৈও ভাৱ-ভাষা সকলো দিশৰ পৰাই অসমীয়া সাজ পৰিধান কৰি কন্দলি ৰামায়ণ অসমীয়া জাতিৰ অতি আপোন হৈ পৰিছে আৰু ই অসমীয়া জাতিৰ জাতীয় মহাকাব্যৰূপে পৰিগণিত হৈছে।■

* উল্লেখিত সংখ্যাবোৰ ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা বাল্মীকি ৰামায়ণৰ মাজৰ পাঁচ কাণ্ডৰ গদ্যানুবাদ আৰু হৰি নাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা সম্পাদিত মাধৱ কন্দলিৰ 'সপ্তাকাণ্ড ৰামায়ণ'ৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে।

লেখিকা- প্ৰাক্তন মুৰব্বী অধ্যাপিকা,
অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

# দুগৰাকী মহান সৰ্বস্বত্যাগী গৰীয়সী নাৰী

শ্ৰীঅপৰাজিতা বৰকাকতী

ষোড়শ শতিকাৰ ৰাজস্থানৰ ৰাজকুমাৰী মীৰাবাঈ আছিল কৃষ্ণ ভক্তিত সম্পূৰ্ণ আত্মবিলোপন কৰা এগৰাকী উত্তম ভক্তা, অভিজাত ঘৰৰ বোৱাৰী হৈয়ো জীৱনৰ সুখ সম্ভোগ, বিলাসিতা বিসৰ্জন দি ভক্তি পন্থাৰ সাধনাত নিজকে বিলাই দিছিল। গৌতম বুদ্ধৰ দৰে পৰম সত্যৰ সন্ধানত ৰাজপ্ৰসাদৰ অতুল বৈভৱ ত্যাগ কৰি ধ্যানৰত হোৱাৰ দৰে মীৰাৰো সপোনৰ নিধি, কৃষ্ণ প্ৰেমৰ লীলাভূমি বৃন্দানবলৈ গুচি আহিল। গোকুল, বৃন্দাবনৰ অঙ্গনেই, অঙ্গনেই মীৰাই সাৱলীল স্তত্বঃস্ফুট ভাৱবোৰ প্ৰকাশ কৰিছিল। অনান্য হৰি ভকতসকলৰ দৰে মীৰাৰ জীৱনৰ উদ্দেশ্য আছিল ইহকাল আৰু পূৰ্বজন্মৰ কৰ্মবন্ধনৰ পৰা মুক্তি লাভ কৰা। আনন্দময়, প্ৰেমময় কৃষ্ণৰ ব্ৰহ্মৰূপতে লীন যোৱা বিচাৰে। সেয়েহে তেওঁ ভক্তিপন্থাৰ সকলো ৰীতি-নীতি মানি চলিছিল। শ্ৰীমদ্ভাগৱতৰ নৱবিধ ভক্তিকেই অনুশীলন কৰিছিল। ভক্ত-তপস্বীসকলৰ সঙ্গত বহি কৃষ্ণৰ গুণাণুকীৰ্তন শ্ৰৱণ আৰু কীৰ্তন কৰিছিল। তেওঁ নিজে স্তুতিগীত ৰচিছিল, কেৱল গোবিন্দ কৃষ্ণ, হৰিৰ উদ্দেশ্যে, সেয়া স্মৰণ কৰিছিল অতি প্ৰেমপূৰ্ণ মুহূৰ্তত নিজকে দাসীৰূপে সখিৰূপত কল্পনা কৰি মীৰাই অবিচ্ছিন্ন অন্তৰঙ্গ বন্ধুৰ দৰে প্ৰভুজনাক জ্ঞান কৰিছিল। সেৱাৰ বিনম্ৰ প্ৰকাশ কৰিছিল দাসীভাৱেৰে--

‘হে গিৰিধৰ, মোক তোমাৰ
সেৱিকা কৰি ৰাখা
তোমাৰ সেৱা কৰি মই ফুলনি সজাম।
বৃন্দাবনৰ ছাঁয়া আবৃত্ত পথে পথে
মই গোৱিন্দৰ গীত গাম।’

এনে ভাগৱত সমৰ্থ ভক্তিয়ে কৰ্ম আৰু অনুভূতিক এক ঈশ্বৰতে নিবন্ধ কৰায়, নিযেতু ভক্তিৰ আৱেগিক উচ্ছ্বাসে অহৈতকু আনন্দৰ সঞ্চাৰ কৰে, কণ্ঠ নিৰোধন কৰে, সৰ্ব শৰীৰ শিহৰে প্ৰেমাশ্ৰু বয়।

‘শিহৰে শৰীৰ প্ৰেমভাৱে।
প্ৰেমভাৱ উপজি দ্ৰৱিল আতি চিত্ত।
হৰিযে লোতক ঝৰে তনু ৰোমাঞ্চিত।।’

-কীৰ্ত্তন, প্ৰহ্লাদ চৰিত

মীৰাবাঊৰ ‘স্তুতিগীত’ সমূহ ‘ভজন’ ৰূপত প্ৰকাশ পালে। প্ৰশস্তি মূলক গীত আৰু ভক্তি প্ৰেমমূলক গীত--এই দুইবিধ গীত ভক্তাকবি গৰাকীয়ে কৃষ্ণৰ উদ্দেশ্যে উৎসৰ্গা কৰা ভাৱ অনুভূতিৰ প্ৰকাশ এই প্ৰশস্তি গীতত পৰিস্ফুট হৈছে। ভক্ত কবিসকলৰ দৰে তেৰোঁ অনাথ, পতিত আৰু পাপীৰ দৰে কল্পনা কৰি ভগৱান কৃষ্ণৰ ওচৰত দোষ, অপৰাধৰ ক্ষমা প্ৰাৰ্থনা কৰিছে। প্ৰভুৰ অপাৰ কৰুণাৰাশিৰ তেওঁ প্ৰাৰ্থক। সেয়েহে তেওঁ নিজকে ক্ষুদ্ৰাতি ক্ষুদ্ৰ বুলি ভাবি স্তুতি কৰিছে। মহাপুৰুষ মাধৱদেৱৰ আত্ম লঘিমাৰ পৰিচায়ক ঘোষাৰ দৰে মীৰায়ো ৰচিছিল ভজনসমূহ, য'ত প্ৰকাশ পাইছে ভগৱন্তৰ একান্ত অনুগত্য আৰু তেওঁৰেই শ্ৰীপাদপদ্মত সমস্ত মন, প্ৰাণ অৰ্পণ কৰি ৰিক্ত হোৱাৰ প্ৰচেষ্টা।

‘মীৰাৰ প্ৰভু গিৰিধৰ নাগৰ।
মীৰা তেওঁৰেই পাদপদ্মৰ সেৱিকা।।’

কোনো সময়ত মীৰাই তুলসীদাস আৰু সুৰদাসৰ ভজনৰ সামীপ্যত উপস্থিত ‘হৰিৰ / মহিমা / শ্ৰৱণ কৰা। মনৰ পৰা / দূৰ কৰা / কাম, ক্ৰোধ / লোভ স্বাৰ্থ।’

পাৰিবাৰিক অশান্তি আৰু স্বামীৰ পৰিয়ালৰ পৰা যি অশান্তি, উৎপীড়ন পাইছিল, সেয়াই তেওঁক বৈৰাগ্যশীলা কৰিছিল। সেই সময়ত কৃষ্ণ-ভক্তিত সম্পূৰ্ণ নিমজন্ হৈ শান্তি পাইছিল। ভক্তিৰ গভীৰতা আৰু একনিষ্ঠতাই তেওঁক জন্ম আৰু মৃত্যুৰ ব্যৱধান আঁতৰালে, আধ্যাত্মিক অভিজ্ঞতাই তেওঁক আত্মা লগত পৰমাত্মা বা পৰম ব্ৰহ্মৰ লগত

বিলীন হৈ যোৱাৰ আকুল কাকুতিবোৰ প্ৰকাশ পালে গীতি কবিতা সমূহত। কিন্তু এনে প্ৰশস্তিমূলক বা আত্মা-পৰমাত্মা বিষয়ক গীত বা ভজনৰ সংখ্যা মীৰাবাঈৰ কম।

মীৰাবাঈ আছিল দ্বাপৰ যুগৰ কৃষ্ণ প্ৰেমিকা গোপীসকলৰ দৰে নিঃস্বাৰ্থ, সৰলচিত্তৰ। তেওঁ নিজকে 'গোপী বুলি কল্পনা কৰি বৃন্দাবনৰ পথে পথে, দধি, দুগ্ধ বিক্ৰী কৰিবলৈহে যেন ওলাই আহিছে। গোপীসকলৰ দৰে ভক্তিৰে সিক্ত মান-অভিমানো কৰিছে কৃষ্ণৰ ওচৰত, সেয়া যেন গীত পদসমূহত পৰিস্ফুট হৈছে। 'ময়ুৰ পাখিৰে কিৰীটি পৰিধানে 'তেওঁ' সুশোভিত, কৰ্ণত কুণ্ডলে জলমলাইছে, গালত ওলমি পৰিছে কেশগুচ্ছ।' কিন্তু প্ৰভু কানু আহিছিল, মীৰাবাঈয়ে যেন তেওঁ নেদেখিলে, অভিমান কৰি মীৰাই গাইছে-- 'তেওঁ আঁতৰি গ'ল / মোৰ / অঙ্গনৰ পৰা। এই সাজ / মই দলিয়াই পেলাম /গেৰুৱা বসন পিন্ধি / সন্ন্যাসিনী / হৈ মই /গুচি যামগৈ।'

মহাপুৰুষ দুজনাৰ বৰগীততো কানু-কৃষ্ণৰ এনে মনোমোহা ৰূপৰ বৰ্ণনা আছে, য'ত নাই মান অভিমান।

'ওৰে সখি পেখোৰে কুঞ্জ লোচন, চললি নন্দ কুমাৰা।
ইন্দু বদন, কোটি মদন, ৰূপে তুল নাহি যাৰা।।
মকৰ কুণ্ডল মণ্ডিত গণ্ড
গলে গজমতি লুলে।
তড়িতাম্বৰ শ্যাম সুন্দৰ
শিৰে শিখণ্ডক দুলে।।'

(শ্ৰীশঙ্কৰদেৱ বিৰচিত)

প্ৰায় ত্ৰয়োদশ শতিকাৰ পৰা উত্তৰ ভাৰতত ভক্তিবাদৰ এক প্ৰৱলক আলোড়ন চলিছিল। এই আলোড়ন বা আন্দোলনৰ এটি বিশেষ উল্লেখযোগ্য অৱদান হৈছে আঞ্চলিক ভাষাত কাব্য সাহিত্যৰ নৱযুগৰ সূচনা কৰে, এনে সাহিত্যই ধৰ্ম প্ৰচাৰৰ মাধ্যমো হৈ পৰিছিল। ত্ৰয়োদশ শতিকাৰ পূৰ্বে দাক্ষিণাত্যৰ 'আলোৱাৰ'সকলে পোন প্ৰথমে বিষ্ণু অৱতাৰৰ কাহিনীবোৰ বিশেষকৈ কৃষ্ণৰ, ত্ৰিবিক্ৰমৰ বামন অৱতাৰৰ গীত পদ তামিল ভাষাত লেখি নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। বাৰজন আলৱাৰৰ নৱমজন বিষ্ণুচিত্তৰ জীয়েক অণ্ডালে, ভালেমান ভক্তিমূলক গীত পদ লেখিছিল সেইবাবে এওঁক ভক্তি কন্যা বুলি প্ৰসিদ্ধ আৰু প্ৰায় সাত আঠ শতিকাৰ পাছৰ মীৰাবাঈৰ প্ৰতিমা বুলিব পাৰি। কৃষ্ণৰ লগত আধ্যাত্মিক পৰিণীতা বুলি কোনো মানুহৰ লগত বিয়া নহ'ল। মীৰাবাঈৰ অৱশ্যে বিবাহ হৈছিল যদিও বিবাহিতা জীৱন স্থায়ী নহ'ল।

১৪৯৮ খৃষ্টাব্দত জন্মগ্ৰহণ কৰা মীৰাই অকালতে পিতৃ-মাতৃক হেৰুৱাই ককাদেউতাক ৰাও দুদাজীৰ লগত থাকি উপযুক্ত শিক্ষা লাভ কৰিছিল আৰু শাস্ত্ৰীয় সঙ্গীতৰ কঠোৰ অনুশীলন কৰিছিল। তেওঁৰ সেই মাৰ্জিত শিক্ষা আৰু সঙ্গীত সাধনাই ৰূপ লৈছিল গীতি কৱিতাৰ সৃষ্টিশীলতা। ৰাও দুদাজী কেৱল মাৰ্টা ৰাজ্যৰ সুদক্ষ শাসনকৰ্তাই নাছিল, তেখেত এজন বিষ্ণুৰ পৰম ভক্তও, যাৰ পৰা কৃষ্ণ-ভক্তিৰ সুষমা বিচ্ছুৰিত হৈছিল নাতিনী মীৰাৰ প্ৰাণত মনত আজীৱন ধৰি মাৰ্টাৰ ৰাজপ্ৰসাদলৈ আহিছিল সন্ত, মহন্তসকল, যিসকলৰ মুখহন্তে নিগৰিত হৈছিল কৃষ্ণভক্তি ৰস। তেনে এজন সন্ত ভিক্ষুকে শিশু মীৰাক দিছিল এটি মনোৰম কৃষ্ণ মূৰ্তি, যাৰ প্ৰেৰণাত মূৰ্ত হৈ পৰিছিল মীৰাৰ অন্তৰত গোকুলৰ কৃষ্ণৰ লীলাসমূহ, ভুৱন-মোহন ৰূপ। আনকি বিবাহৰ পাছতো স্বামী গৃহলৈ লৈ গৈছিল সেই প্ৰাণৱন্ত যেন মূৰ্তিটোক। স্বামী ভোজৰাজ আৰু শহুৰ ৰাণা সঙ্গৰ মৃত্যুৰ পাছত পৰিয়ালৰ লোকসকলে মীৰাক উৎপীড়ন আৰু বিদ্বেষ কৰিবলৈ আৰম্ভ কৰিলে, কিয়নো স্বামীগৃহৰ কুলদেৱী কালীৰ পূজা কৰিবলৈ 'একশৰণীয়া' মীৰাৰ মনে বিদ্ৰোহ কৰিলে। বিপ্লৱী সত্তাৰ মীৰাৰ প্ৰতিদিন কৃষ্ণ বন্দনাৰ গীতেৰে আৰু পৰিব্ৰাজক সাধু মহন্তৰ অতিথি সেৱা শুশ্ৰূষাৰে জীৱন সুন্দৰ আৰু প্ৰেমময় হৈ পৰিছিল। ৰাজ পৰিয়ালৰ নাৰীৰ কঠোৰ বিধি বিধান নমনা বাবে সেই যশস্বী গায়িকা সতী গৰাকীয়ে স্বামীৰ অৱৰ্তমানত পৰিয়ালৰ পৰা পাইছিল গ্লানি, নিন্দা শুনিবলৈ পাইছিল মৃত্যুৰ পদ-ধ্বনি, তেওঁৰ জীৱন কাহিনীত আছে, এপিয়লা বিষ, এটা বিষাক্ত সাপ পঠিয়াই তেওঁৰ জীৱন নাশ কৰিবলৈ বিচাৰিছিল ৰতনসিঙে। কিন্তু অলৌকিক ভাৱে সেইবিলাক অমৃতসুধালৈ পৰিৱৰ্তিত হৈছিল। বিষপান কৰি মীৰা হৈ পৰিল অমৰ, জ্যোতিৰ্ময়ী। তেওঁৰ গীতত এনে ৰহস্যময় কাহিনীবোৰে কৰুণসুৰত বিনাইছে--

'শুনা ৰাণা, তুমি মোক বিষেই দিছিলা
কিন্তু মই জুয়ে পোৰা সোণৰ নিচিনাকৈ
বাৰটা সূৰ্যৰ জ্যোতিৰ দৰে জ্যোতিৰ্ময়ী হৈ পৰিলো।'

বিভিন্ন ৰাগত প্ৰায় চাৰিশ কবিতাই 'মীৰা ভজন'ৰ

ৰূপ লৈছে। 'মীৰাবাঈ মল্লাৰ' তেওঁৰ নিজস্ব ৰাগ। এই অভিজাত ৰাজগৃহৰ ৰাজকুমাৰীয়ে নিজ জন্মভূমি, স্বামীগৃহ এৰি প্ৰথমে কৃষ্ণৰ লীলাভূমি গোকুল, পিছলৈ কৃষ্ণৰ শেষ লীলাভূমিৰ দ্বাৰকাত জীৱনৰ শেষ কাল বাস কৰি তাতেই অন্তিম নিশ্বাস পেলালে। ভজনসমূহত যথাক্ৰমে মাৰোৱাৰী, ব্ৰজাভাষা বা ব্ৰজবুলি আৰু গুজৰাটী ভাষাৰ সমাহাৰ ঘটিছে। এটি মধুময় ভক্তি প্ৰেমপূৰ্ণ জীৱনে পিছলৈ ঘাত-প্ৰতিঘাত, বিপদ শঙ্কুল পথেৰে অতিক্ৰম কৰি মহান ত্যাগ আৰু বিৰল সেৱাৰ আদৰ্শ চিৰযুগমীয়া কৰি থৈ গ'ল মীৰাবাঈয়ে।

মীৰাবাঈৰ নামৰ লগত মিল থকা মীৰা বেন বা বহিন উনৈশ শতিকাৰ ১৮৯২ খৃষ্টাব্দত জন্মগ্ৰহণ কৰে। যিদৰে মীৰা বাঈৰ প্ৰত্যেকটি ভজন যাক 'কোমল কান্ত ভজন' বোলা হয়, সেইখিনিক এই ইংৰাজ মহিলাগৰাকীয়ে এক নিঃস্বাৰ্থ আদৰ্শৰ অন্বেষণত নিজকে উৎসৰ্গা কৰা কাহিনীবোৰৰ লগত তুলনা কৰিব পাৰি। য'ত ইন্দ্ৰিয়াতীত উপলব্ধিসমূহ বাঙ্ময় হৈ পৰিছে। মীৰা বেনৰ প্ৰকৃত নাম Madelaine Slade. তেখেতৰ আত্মজীৱনী 'The Spririts Pilgrimage'ত নিজকে ভাৰতৰ আধ্যাত্মিক তথা মহান আদৰ্শৰ গুৰু জাতিৰ পিতা মহাত্মা গান্ধীৰ চৰণ তলত কেনেকৈ আত্মবিলুপ্তি ঘটাইছে সেইখিনি বৰ্ণনা নাটক-উপন্যাসতকৈ অধিক ৰসাল আৰু হৃদয়গ্ৰাহী ৰূপত ফুটি উঠিছে। কৃষ্ণদাসী মীৰাই জীৱনৰ সৰ্বস্ব কৃষ্ণৰ সেৱা ভজনতে উৎসৰ্গা কৰিলে। মীৰা বেনেও গান্ধীজীৰ ঐশ্বৰিক শক্তি, ভাৰতবৰ্ষৰ আটাইতকৈ নিষ্পেষিত জনসাধাৰণ, দাৰিদ্ৰ হতাশা, সুখ-দুখ আৰু স্বাধীনতা সংগ্ৰামত নিজকে সম্পূৰ্ণৰূপে জড়িত কৰিছিল। 'মেডেলিন শ্লেড'ক প্ৰথম দৰ্শনত গান্ধীজীৰ মনলৈ ভাৰতীয় ভক্তি আকাশৰ ধ্ৰুৱতৰা স্বৰূপ মীৰাবাঈৰ ভক্তি সাধনাত অসাধাৰণ ত্যাগৰ কথা মনত পৰি 'মীৰা' নামটোৰে তেওঁক পৰিচয় কৰালে।

জীৱনৰ আদিছোৱাত ভাৰতবৰ্ষৰ কথা আৰু সেইখন দেশৰ জনসাধাৰণ আৰু তেওঁলোকৰ আশা-আকাঙ্খা, দুখ-সুখ আৰু জীৱন-নিৰ্বাহৰ বিষয়ে মেডেলিনৰ সামান্যতম পৰিচয়ো নাছিল। তেওঁৰ পিতৃ আছিল বিটিছ নৌ-বাহিনীৰ সেনাধ্যক্ষ, সেইবাবে অভিজাত্য পৰিয়ালৰ বেশ-ভুষা, বিলাসিতা আৰু জাকজমকতাপূৰ্ণ পৰিৱেশে মেডেলিনৰ আকৰ্ষণ আছিল জাৰ্মানৰ বিখ্যাত সঙ্গীতজ্ঞ বীথভেনৰ সঙ্গীতৰ প্ৰতি, আৰু তাৰ বাবে তেওঁ জাৰ্মানলৈ আহি সেই সঙ্গীত শুনা আৰু নিজে বাদ্যযন্ত্ৰ বজাবলৈ প্ৰশিক্ষণ লৈছিল। বীথভেনৰ সঙ্গীতৰ একান্ত ভক্তই বিচাৰি পালে বিখ্যাত ফৰাচী লিখক ৰোঁমা ৰোলাঁক, যিজন বিদ্বান পুৰুষে তেওঁক ভাৰতবৰ্ষ আৰু অহিংসাৰ সততাৰ মূৰ্তিস্বৰূপ মহাত্মাগান্ধীৰ বিষয়ে ক'লে। ৰোঁমা ৰোলাঁই মেডেলিনে গান্ধীৰ নাম শুনা নাই বুলিক কোৱাত বিশিষ্ট ফৰাচী লেখকজন অবাক হৈ সুধিলে, 'তুমি গান্ধীৰ বিষয়ে শুনা নাই?' মেডেলিনে উত্তৰ দিলে, 'নাই, মই শুনা নাই।' ৰোঁমা ৰোলাই পুনৰ ক'লে 'He is another Christ' তেওঁ আন এজন যীশুখৃষ্ট।' এই কথাযাৰ মীৰাবেনক গভীৰভাৱে স্পৰ্শ কৰিলে। ৰোঁমা ৰোলাঁৰ সদ্যপ্ৰকাশিত 'মহাত্মা গান্ধী' কিতাপখনি পঢ়িবলৈ তেওঁ অধৈৰ্য হৈ পৰিছিল আৰু ইজিপ্ত ভ্ৰমণৰ পৰা উভটি আহি পেৰিচ পায়েই পুথিখনি কিনি আনি আৰু দিনটো পঢ়ি সন্ধ্যা তাক সমাপ্ত কৰে। প্ৰকৃততে এই অভিনৱ সৰু পুথিখনিয়ে ইংৰাজ এড্‌মিৰেলৰ কন্যা মেডেলিন শ্লেডৰ পৰা মহাত্মা গান্ধীৰ এগৰাকী একান্ত অনুগত শিষ্য, বৈৰাগী মীৰা বেনলৈ ৰূপান্তৰিত কৰিলে। তেওঁ যেন তৎমুহূৰ্ততে ভাৰতলৈ আহি গান্ধীজীয়ে লোৱা বিৰাট ভুমিকা য'ত অহিংসা আৰু নিৰ্ভয়, নিসংকোচ পথেৰে পৰাধীন, নিপীড়িত ভাৰতবাসীক মুক্ত কৰাৰ প্ৰচেষ্টাত ভাগ ল'বহি। মেডেলিনে আত্মজীৱনীখনিত লেখিছে তেওঁ মহান কাৰ্যত জীৱন উৎসৰ্গা কৰিবলৈ ভাৰৰ আতিশয্যত সিদ্ধান্ত লোৱা নাছিল, তেওঁ ভাবিছিল বা উপলব্ধি কৰিছিল যে সেই মহান ভাৰতীয়জনৰ লগত থাকি ভাৰতৰ নিৰ্যাতিত জনসাধাৰণক সেৱা কৰিবলৈহে যেন ঈশ্বৰে তেওঁক পৃথিৱীলৈ পঠিয়াইছে।

ঈশ্বৰ বিশ্বাসী মেডেলিনে গীৰ্জালৈ লৈ অকলশৰীয়াভাৱে একান্তভাৱে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, তেওঁ গতানুগতিক এটা দিনত গৈ প্ৰাৰ্থনা কৰা আৰু প্ৰাৰ্থনাৰ অন্তত সদায় এইদৰে গোৱা 'ই পূৰ্বতে আছিল, এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব। পৃথিৱীৰ অন্ত নাই- আমেন।' কথাবোৰ তেওঁৰ অবোধ্য আছিল, দেখা যায় মানুহে নুবুজাকৈয়ে অতি সহজে, বাৰে বাৰে উচ্চাৰণ কৰে-- এইবিলাকে মেডেলিনৰ মনত কিছু ত্ৰাসৰহে উদ্ৰেগ

কৰিছিল। শৈশৱৰ এই সাঁথৰ যেন লগা কথাবোৰৰ তেওঁ অৰ্থ তেওঁ বিচাৰি পাইছিল বিভিন্ন কিতাপ অধ্যয়নত আৰু ৰোঁমা ৰোঁলাৰ 'জাঁ খৃষ্টাফা' গ্ৰন্থৰ মাজত। তেওঁৰ যেন আধ্যাত্মিক অন্বেষণ আৰম্ভ হয়। গান্ধীজীৰ লগ পোৱাৰ আগতে গান্ধীজী আৰু এই দেশখনক জানিবলৈ তেওঁ ক্লান্তিহীন সাধনাত ব্ৰতী হ'ল। গান্ধীজীৰ 'ইয়ং ইণ্ডিয়া'ৰ পৰা আৰম্ভ কৰি ফৰাচী ভাষাত অনুদিত আৰু প্ৰকাশিত শ্ৰীমদ্ভগৱদ্‌গীতা আৰু ঋগ্বেদ পঢ়িবলৈ ধৰিলে, লগে লগে বৈদিক যুগৰ ব্ৰহ্মচাৰিণী নাৰীৰ দৰে কঠোৰ ব্ৰহ্মচাৰ্য ব্ৰত ল'লে। আৰামদায়ক বিছনা এৰি মাটিত শোৱা আৰু মাটিতে পদ্মাসন কৰি বহিবলৈ ল'লে। আহাৰো নিৰামিষ আৰু খদ্দৰৰ বস্ত্ৰও পৰিধান কৰাৰ অভ্যাস কৰিলে। মেডেলিনৰ মনত ঢৌ খেলালে অনেক দাৰ্শনিক বিষয়ে। যিজনে সত্য আৰু অহিংসাৰ জয়িৰতে নিৰ্ভীকভাৱে উৎপীড়িত ভাৰতবৰ্ষৰ হকে কাম কৰিছে, যিজনে এনে এটা উদ্দেশ্য লৈ কাম কৰিছে যিটো ভাৰতত বিশেষভাৱে প্ৰয়োগ হ'লেও, উদ্দেশ্য সমগ্ৰ বিশ্বমানৱৰ কাৰণেই প্ৰযোজ্য তেওঁৰ ওচৰলৈ যাবই লাগিব। মেডেলিনৰ প্ৰাৰ্থনাৰ উত্তৰ যেন পালে। প্ৰত্যাখ্যান কৰিব নোৱাৰা নিশ্চিত এই আহ্বান।

সূতা কটা, তাঁত বোৱা শিকাৰ উপৰিও তেওঁ ভাৰতীয় ভাষাও শিকিলে, প্ৰথমে উৰ্দু শিকিছিল যদিও হিন্দীহে তেওঁৰ বেছি সহজবোধ্য হ'ল। অৱশেষত এবছৰীয়া সাধনাৰ অন্তত গান্ধীজীৰ পৰা ভাৰতলৈ আহিবলৈ নিমন্ত্ৰণ পালে, জোনাকে সৃষ্টি কৰা সাগৰৰ উপৰিভাগত এটি বাটৰ মাজেৰে আহি আহি প্ৰায় বাৰ দিনৰ মূৰত জাহাজ ভাৰতবৰ্ষ পোৱাৰ পাছত মেলেডিনৰ হিয়া দুৰু দুৰু কৰি কঁপিবলৈ ধৰিলে 'কেনেকৈ ৰোঁমা ৰোঁলাই বৰ্ণনা কৰা চকুত চশমা পিন্ধা, দাঁতবিহীন, বগা চাদৰেৰে শৰীৰ ঢাকি লোৱা, বগলীৰ নিচিনা ক্ষীণ ভৰিহাল, জোতা খৰমহীন- মানুহজনক নিজ চকুৰে দেখিবলৈ পাম।' মেডেলিন কল্পনাৰ বিভোৰ হৈ পৰিল।

আহমদাবাদৰ সবৰমতী আশ্ৰমে মেডেলিনক ৰিঙিয়াই মাতিলে- 'আহা আমাৰ লগত আশ্ৰমবাসী হোৱাহি।' আশ্ৰমৰ কোঠাত সোমোৱাৰ লগে লগে পাতল, তেজগোৰা ৰঙৰ মূৰ্তি এটি থিয় হ'ল। মীৰা বেনৰ নিজৰ ভাষাৰে গান্ধীজীৰ লগত প্ৰথম সাক্ষাতটি অতি মনোৰম ৰূপত এইদৰে বৰ্ণনা কৰিছে-- 'As I entered, a slight brown figure rose up and came toward me. I was conscious of nothing. but a sence of light. I fell on my knees. Hands gently raised me up and a voice said.' You shall be my daughter.' I saw a face smiling at me with eyes full of love, blended with a twinkle of amusement. Yes, this was Mahatma Gandhi, and I have arrived.....'

ঊনৈশ শ পঁচিশ চনৰ পৰা গান্ধীজীৰ মহাপ্ৰয়াণৰ কাললৈকে (১৯৮৪চনৰ ৩০ জানুৱাৰী) মীৰাবেন আছিল মহাত্মাৰ একান্ত শিষ্যা, বিশ্বস্ত সহযোগী। স্বাধীনতা আন্দোলনৰ সকলো কাৰ্যসূচীতে সক্ৰিয় অংশগ্ৰহণৰ লগে লগে বৈদিক শাস্ত্ৰসমূহ বেদ উপনিষদ, মহাকাব্য ৰামায়ণ, আৰু মহাভাৰত অধ্যয়ন কৰিবলৈ গান্ধীজীয়ে উপদেশ দিছিল যাতে সনাতন হিন্দু চিন্তাধাৰা সম্পৰ্কে তেওঁৰ জ্ঞান লাভ হয়। গভীৰ মনোযোগেৰে অধ্যয়নৰ ফলশ্ৰুতি স্বৰূপে মীৰাবেনে শাস্ত্ৰসমূহৰ সাৰমৰ্ম আয়ত্ব কৰিছিল আৰু উপলব্ধি কৰিছিল যে তেওঁৰ অন্তৰে বিচাৰি ফুৰা প্ৰশ্নবোৰৰ উত্তৰ যেন গ্ৰন্থসমূহে দিব পাৰিছে, ইয়াৰ (গ্ৰন্থসমূহত) উত্তৰ বিচাৰি নোপোৱাৰ দুঃস্বপ্নবিলাক নাই তাৰ সলনি আছিল অজ্ঞেয়জনৰ বিৰাট জ্যোতিষ্মান প্ৰকাশ। ইয়াত ধ্যান-ধাৰণাৰ কোনো বিভীষিকা নাই, আছে অসীম অনন্ত অনুপ্ৰেৰণাৰ উৎস। ৰামায়ণৰ সীতা আৰু মহাভাৰতৰ নল-দময়ন্তীৰ কাহিনী পঢ়ি অভিভূত হৈছিল। ভাৰতীয় নাৰীৰ স্বামী ভক্তি যে অপূৰ্ব মীৰাই আত্মজীৱনীত লেখিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি মীৰা বেনে কেইবাবাৰো জেলত থাকিবলগীয়া হৈছিল। লগত গান্ধী পত্নী কস্তুৰবা গান্ধীৰ মাজে মাজে কাৰাগাৰৰ আলহী হৈছিল। দুয়োকো 'এ' শ্ৰেণীৰ বন্দীৰূপতহে সাঙুৰি থৈছিল। অৱশ্যে ৰাজনৈতিক বন্দীশাল নহৈ সেয়া হৈ পৰিছিল মহান তীৰ্থক্ষেত্ৰ স্বৰূপ, য'ত পুৱাৰ প্ৰাৰ্থনা উচ্চস্বৰত নহয়, নিম্নস্বৰতহে কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে তথাপিও সৰোজিনী নাইডু বা আৰু কমলাদেৱী (চট্টোপাধ্যায়) আদিৰ সঙ্গত সেই প্ৰাৰ্থনাই ঈশ্বৰৰ চৰণ স্পৰ্শ কৰিছিল নিশ্চয়, অধ্যয়নৰ আৰু নিয়মীয়া ব্যায়ামে তেওঁলোকৰ মানসিক আৰু শাৰীৰিক অৱস্থা ভালেৰে ৰাখিছিল।

এগৰাকী ইংৰাজী মহিলা সম্পূৰ্ণ ভাৰতীয় হৈ যোৱাই

নহয়, ভাৰতৰ পূৰ্ণ স্বাধীনতা লাভ কৰিবৰ বাবে অশেষ ত্যাগ, কষ্ট স্বীকাৰ আদিও কাহিনীয়ে আজিৰ ভাৰতৰ নাগৰিকক অবাক, বিস্ময়ত হতবাক কৰিব। গান্ধীজীৰ লগে লগে খোজকাঢ়ি হৰিজনসকলৰলেতেৰা গলিয়ে গলিয়ে গৈ তেওঁলোকক পৰিস্কাৰ, পৰিচ্ছন্নতাৰ শিক্ষা দিয়া ৰোগ, ব্যাধিৰ প্ৰতি সতৰ্কতা অৱলম্বনৰ সদুপদেশ দি মীৰা বেনে নিৰাহাৰে,সুদা ভৰিৰেও তেওঁলোকৰ সেৱা শুশ্ৰূষা কৰিবলৈ আগবাঢ়িছিল। গান্ধীজীৰ সপোনৰ ৰাম-ৰাজ্য গঢ়িবলৈ মীৰাৰ প্ৰেৰণা, অত্যুৎসাহ অতি প্ৰশংসনীয়।

অত্যন্ত ঈশ্বৰ বিশ্বাসী মহিলা গৰাকী ‘বাপু’ৰ লগত সমগ্ৰ ভাৰত ভ্ৰমণ কৰোঁতে অসমলৈও আহিছিল। সাপেক্ষে ১৯৩৪ চনত উজনিৰ এখন নগৰৰ এটি নামঘৰত গান্ধীজীৰ সৈতে প্ৰৱেশ কৰি হৰিজনসকলৰ লগত নাম-প্ৰসঙ্গ কৰি মহাপ্ৰসাদ গ্ৰহণ কৰিছিল। এয়া অশীতিপৰ ভকতসকসকলৰ মুখৰ কথা। নামঘৰটি ‘হৰিজন নামঘৰ’ নামেৰে পৰিচয় দি মহাৰজত জয়ন্তী পালন কৰি তোড়নত ‘মহাত্মা গান্ধীৰ দ্বাৰা প্ৰতিষ্ঠিত’ বুলি গান্ধীজীৰ নামঘৰত পদাৰ্পন যুগমীয়া কৰিলে।

আত্মাৰ অমৰত্ব, অবিনাশীত্বৰ ওপৰত মীৰা বেন অতিশয় বিশ্বাসী, ভগৱন্তক একাগ্ৰ প্ৰাৰ্থনা কৰা, ঘণ্টাৰ পাছত ঘণ্টা ধ্যানৰ অন্তত তেওঁ ভাৰতৰ স্বাধীনতা লাভৰ পাছত চাৰিওফালে বিপদজনক পৰিস্থিতিৰ পৰা ‘বাপুজী’ ৰক্ষা পাব বুলি মনত সুদৃঢ় বিশ্বাসে খোপনি ল’লে। কিন্তু ‘আনজন যীশু’ৰ ‘ক্ৰুচিফিকেশ্যন’ (Crusification) যে ঈশ্বৰে নিবন্ধ কৰি থৈছে, ‘বাপুক হত্যা কৰিলে। প্ৰাৰ্থনা সভাত গুলী কৰি মাৰিল।’ নীৰৱে মীৰাই এই শোকাবহ বাৰ্তা শুনি থোকাথুকি মাতেৰে সুধিলে মাত্ৰ ‘মৃত্যু তৎক্ষণাৎ হৈছিলনে?’ ‘হয়, সম্পূৰ্ণৰূপে।’ তেওঁৰ অন্তৰে ঈশ্বৰক ধন্যবাদ জনাইছিল। নিবিড় ধ্যানত বহিল ‘মীৰা’ কেইবাঘণ্টা জুৰি। অবিৰত ধ্যানৰ অন্তত তেওঁৰ মন শোক বিষাদ ৰহিত হ’ল। আচৰিত ধৰণেৰে তেওঁ শান্ত আৰু শুদ্ধ মন এটাৰে ‘বাপু’ৰ জীৱন দৰ্শনৰ মহান উপাদান সমূহ জুকিয়াই চালে। মহামানৱজনাৰ অন্তঃস্থিত অভিলাষ দ্বিখণ্ডিত ভাৰতে মযিমুৰ কৰিলেও সেইজনাৰ বিশ্বমানৱৰ প্ৰেমত অনুপ্ৰাণিত হৈ স্বইচ্ছাৰে অন্তিমকালৰ বাবে কৰা এই চৰম ত্যাগে নিশ্চয় জয়লাভ কৰিব। ৰোমৰ ভেটিকান ‘ক্ৰুচিফিক্স’ৰ প্ৰতিমূৰ্তিটো মীৰাৰ মনলৈ বাৰে বাৰে আহিবলৈ ধৰিলে। মনলৈ আহিলে কাৰাগাৰৰ ভিতৰত মৌনব্ৰত ধৰোঁতে মীৰাই সন্মুখত ‘ওঁম্’ লেখোতে বাপুৱে ‘হে ৰাম’ লেখিবলৈ কিয় কৈছিল।

হিন্দুধৰ্মৰ সকলো উৎসৱেই মীৰাবেনৰ প্ৰিয় আছিল। কাৰাগাৰত জন্মাষ্টমী পালন কৰিলে, বাহিৰত জন্মোৎসৱতকৈ কাৰাগাৰৰ জন্মোৎসৱ বেছি তাৎপৰ্যপূণ যেন লাগিল মীৰাৰ, কিয়নো কৃষ্ণৰ জন্মই বন্দীশালত। মীৰা বাঈৰ দৰে মেলেডিনে কোনোবাই দিয়া এটি হাঁতীদাঁতৰ ধুনীয়া কৃষ্ণমূৰ্তি সযতেনেৰে ৰখা জপাৰ পৰা আনি ফুলেৰে আসন পাতি ধূপ-ধূনা জ্বলাই কস্তুৰবাৰ সৈতে প্ৰাৰ্থনা কৰি আনন্দ কৰিছিল।

হিমগিৰিৰ ৰমনীয় শোভাই ঋষি মুনিৰ তপস্যাৰ বন বননিয়ে মীৰাবেনক যেন আহ্বান কৰিলে। তাত থাকি ‘গোপাল আশ্ৰম’ পাতি গৰু-গাইৰ যতন, কৃষকৰ বাবে ‘বাপুৰাজ পত্ৰিকা’ নামৰ মাহেকীয়া কাগজ, ইংৰাজী, হিন্দী, গুজৰাটী, তামিল, তেলেগু এই পাঁচটা ভাষাত ওলাইছিল।

সুউচ্চ পৰ্বতমালাত বেলিডুবাৰ লগে লগে চিৰন্তনীয়া বৰফমালাৰ ৰং সুমথিৰা বৰণীয়া হয়। শেষ ৰাতিৰ আন্ধাৰে পৰ্বতৰ শিখৰ ঢাকি নধৰাৰলৈকে উজ্বল গোলাপী ৰঙ ধৰে। এনে শান্তিময় দৃশ্যই শক্তি অন্তৰ আত্মাকো জগাই তোলে, কোনো এক উচ্চ আধ্যাত্মিকভাৰত মীৰাবেন বিভোৰ হৈ থাকি জীৱনৰ তৃতীয় স্তৰো অতিক্ৰম কৰে।■

**সহায়ক গ্ৰন্থ ঃ**
১. মীৰাবাঈ ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ
২. অসীমৰ যাত্ৰী ঃ বিমল ভাগৱতী
৩. প্ৰবন্ধ ঃ M. Slade : The spirits pilgrimage

লেখিকা- মহীয়সীৰ সদস্যা

# ভক্তি আন্দোলন আৰু শ্ৰীশঙ্কৰদেৱৰ আধ্যাত্ম সংস্কৃতি

শ্ৰীকৱিতা গগৈ

কেৱল ভক্তি আন্দোলনেই নহয়; বিশ্বৰ ইতিহাসত কোনো আন্দোলনেই একেদিনাই বা হঠাতে গঢ় লৈ উঠিছে বুলিব নোৱাৰি। কোনো এক আন্দোলনে স্বকীয়ৰূপ লাভ কৰাৰ বহু আগৰে পৰাই তাৰ পটভূমি নিৰ্মিত হ'বলৈ আৰম্ভ কৰে আৰু সংশ্লিষ্ট সমাজত তাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ থাকি যায়। ভাৰতবৰ্ষৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰতো একেখিনি কথাই প্ৰযোজ্য। অৱশ্যে ভক্তি আন্দোলনৰ বিষয়ে আলোচনা কৰাৰ আগতে 'ভক্তি' সম্পৰ্কেও এযাৰ কোৱাৰ প্ৰয়োজন আছে। 'ভক্তি' শব্দটো সংস্কৃতৰ 'ভজ্' ধাতুৰ পৰা উৎপন্ন হৈছে। 'ভজ' ধাতুৰ অৰ্থ হৈছে 'সেৱা কৰা'। অৰ্থাৎ আৰাধ্যজনৰ প্ৰতি অনুৰাগীজনৰ ঐকান্তিক আসক্তিয়েই ভক্তি। ঋক্‌বেদতেই এই ভক্তিৰ বীজ অঙ্কুৰিত হৈছিল আৰু পৰৱৰ্তী উপনিষদৰ বুকুত ইয়াৰ স্বকীয় ৰূপ নিৰ্ণীত হৈছিল। 'শ্ৰীমদ্ভাগৱত'ত ভক্তিৰ নৱধা ৰূপৰ উল্লেখ পোৱা যায়। সেয়া হৈছে-- শ্ৰৱণ, কীৰ্ত্তন, অৰ্চন, বন্দন, স্মৰণ, পদসেৱন, দাস্য, সখ্য আৰু আত্ম নিবেদন। বাহ্যিক দৃষ্টিত এই নৱধা ভক্তি পৃথক যেন লাগিলেও, প্ৰকৃততে এই কেউবিধ ভক্তি পৰস্পৰ পৰিপূৰকহে। 'ভাগৱত'তো ইয়াৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনকেই শ্ৰেষ্ঠত্বৰ স্থান দিয়া হৈছে।

'যদ্যপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতো মহা শ্ৰেষ্ঠত্বৰ।।-১/৩৮

ভক্তিৰ সহজ সাধন শ্ৰৱণ আৰু কীৰ্ত্তনৰ জৰিয়তে ভক্তৰ পাৰমাৰ্থিক শান্তি বা ভক্তিৰ পৰমতত্ত্ব লাভ হয়। ভক্তিয়েই হৈছে শ্ৰেষ্ঠতম ধৰ্ম আৰু বেদৰো নিৰ্ণয় এয়েই। কীৰ্তনতো এনেদৰে কৈছে--

'ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এহি সাৰতত্ব।
কীৰ্ত্তন, ৰাসক্ৰীড়া-১০০৭

ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ এক দীঘলীয়া ইতিহাস আছে। ভাৰতবৰ্ষত, বিশেষকৈ দক্ষিণ ভাৰতত তামিল, 'আলৱাৰ'সকলৰ হাততেই বৈষ্ণৱ ভক্তি আন্দোলনৰ সূচনা হৈছিল খৃষ্টীয় পঞ্চম-ষষ্ঠ শতিকাতে। 'আলোৱাৰ' শব্দৰ অৰ্থ হৈছে- 'জ্ঞান সাগৰত ডুব দিওঁতা' আলৱাৰসকলৰ ভিতৰতো বাৰজন প্ৰধান ভক্তৰ নাম পোৱা যায়, এওঁলোক হৈছে- পোয়গৈ আলৱাৰ, পেয়ালৱাৰ, ভূতত্তালৱাৰ, তিৰুমলিশৈ আলৱাৰ, মধুৰ কবি আলৱাৰ, কুলযোখৰ আলৱাৰ, লম্মালৱাৰ (শঠকোপ), পেৰিআলৱাৰ (বিষ্ণুচিত্ত), আণ্ডাল, তোণ্ডৰীপোডী আলৱাৰ, তিৰুপ্পান আলৱাৰ আৰু তিৰুমঙ্গৈ আলৱাৰ। এই আলৱাৰসকলে বেদ, বেদান্ত আৰু গীতাৰ সাৰমৰ্মকেই ভক্তিৰ আধাৰ ৰূপে গ্ৰহণ কৰিছিল। অৰ্থাৎ ভগৱান বিষ্ণু অনন্ত শক্তিৰ আধাৰ আৰু বিষ্ণুৱেই তেওঁলোকৰ আৰাধ্যদেৱ। অৱশ্যে এওঁলোক আছিল সগুণোপাসক। উল্লেখযোগ্য যে, তামিল সাহিত্যত খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকাৰ সময়ছোৱাত ভক্তিকাল আখ্যা দিয়া হৈছে। এই কালছোৱাত আলৱাৰসকলে তামিল ভাষাৰ জৰিয়তে শাস্ত্ৰাদিত নিহিত থকা ভক্তিৰ গভীৰ তত্ত্ব সহজ-সৰল ভাষাত প্ৰাকৃত জনৰো বোধগম্য হোৱাকৈ জনসমাজত দাঙি ধৰিছিল; লগতে বিভিন্ন যাগ-যজ্ঞৰ পৰিৱৰ্তে কেৱল স্মৰণৰ দ্বাৰা কেনেকৈ ভগৱান বিষ্ণুৰ অনুগ্ৰহ লাভ কৰিব পাৰি, তাৰ প্ৰতিও জনগণক সজাগ কৰি তোলে। ষষ্ঠ শতিকাত দক্ষিণ ভাৰতত অঙ্কুৰিত হোৱা এই ভক্তি আন্দোলন নৱম শতিকালৈ উত্তৰ ভাৰততো বিয়পি পৰে আৰু ক্ৰমে ক্ৰমে ই পূব ভাৰতলৈকো বিস্তাৰিত হয়। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিভিন্নজনে এই আন্দোলনৰ গুৰি ধৰে আৰু তেওঁলোকৰ দৃষ্টিভঙ্গীৰ আধাৰত ভক্তি আন্দোলনত অনেক ধাৰাৰ সৃষ্টি হয়। ইয়াৰ ভিতৰত অষ্টম শতিকাত আৱিৰ্ভাৱ হোৱা

শ্ৰীশঙ্কৰাচাৰ্যই অদ্বৈতবাদী সিদ্ধান্তৰ দ্বাৰা নিৰ্গুণ, নিৰাকাৰ পৰম ব্ৰহ্মৰ উপাসনাৰ পথ সুচল কৰি বেদ-বেদান্তৰ বুকুত নিহিত থকা 'ধৰ্ম'ৰ পুনৰীক্ষণৰ প্ৰচেষ্টা চলায়। শঙ্কৰাচাৰ্যৰ প্ৰায় লগে লগেই শ্ৰীৰামানুজাচাৰ্যয়ো আলৱাৰসকলৰ ভক্তি ধৰ্মৰ প্ৰসাৰ সাধনত অৰিহণা যোগালে। এওঁৰ উপৰি শ্ৰীবিষ্ণু স্বামী, শ্ৰীনিম্বাচকাচাৰ্য, শ্ৰীমাধৱাচাৰ্য, বল্লভাচাৰ্য আদিয়েও স্বকীয় দৃষ্টিভঙ্গীৰে ভক্তিধৰ্মৰ ধাৰাটো ক্ষিপ্ৰতাৰ কৰি তুলিলে।

ইয়াৰ পিছতেই খৃষ্টীয় চতুৰ্দশ-পঞ্চদশ শতিকাৰ ভিতৰত 'ৰামাৱত' সম্প্ৰদায়ৰ প্ৰৱৰ্তক শ্ৰীৰামানন্দৰ দক্ষিণ ভাৰতৰ পৰা উত্তৰ ভাৰতলৈ আগমন ঘটে। উল্লেখযোগ্য যে শ্ৰীৰামানন্দ কেৱল ভক্ত বা ধৰ্ম প্ৰচাৰকেই নহয়; এজন সমাজ সংস্কাৰকো। সেয়ে তেওঁ তদানীন্তন হিন্দুধৰ্মৰ জাতিভেদ, বৰ্ণ-বৈষম্য আদি কু-সংস্কাৰৰ বিপৰীতে ৰামভক্তিৰ জৰিয়তে জাতি-বৰ্ণ, উচ্চ-নীচ নিৰ্বিশেষে মাজত ঐক্য স্থাপনৰ প্ৰচেষ্টা চলাইছিল। শ্ৰীৰামনন্দৰ 'ৰামাৱত' সম্প্ৰদায় পিছলৈ দুটা ভাগত বিভক্ত হোৱা দেখা যায়- নিৰ্গুণ ভক্তিধাৰা আৰু সগুণ ভক্তিধাৰা। নিৰ্গুণ ভক্তিধাৰাৰ প্ৰৱৰ্তক কবীৰ দাস আৰু সগুণ ভক্তিধাৰাৰ গোস্বামী তুলসী দাস। এওঁলোকৰ হাতত ভাৰতবৰ্ষৰ ভক্তিধৰ্মই এক সুকীয়া মাত্ৰা লাভ কৰিলে। এনেকৈয়ে বৈষ্ণৱ ধৰ্মক কেন্দ্ৰ কৰি মধ্যযুগৰ সন্তসকলে সমাজত নানান কু-সংস্কাৰৰ বিপৰীতে ন্যায় আৰু সমতা স্থাপনৰ বাবে যি এক জাগৰণৰ সৃষ্টি কৰিলে, পৰৱৰ্তী কালত ইয়েই বৈষ্ণৱ ধৰ্মক গণমুখী কৰাত প্ৰভূত অৰিহণা যোগালে।

উত্তৰ-পূব ভাৰতত বিশেষকৈ অসমত এই বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। উল্লেখযোগ্য যে, ভাৰতবৰ্ষৰ ভক্তি আন্দোলনৰ ধৰ্মগুৰু বা প্ৰচাৰকসকলৰ ভিতৰত একমাত্ৰ শঙ্কৰদেৱকহে 'মহাপুৰুষ' অভিধাৰে অভিহিত কৰা হৈছে। মহাপুৰুষজনাই অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰাই নহয়, দুবাৰকৈ তীৰ্থ ভ্ৰমণ কালত ভাৰতবৰ্ষৰ ভক্তি আন্দোলনৰ সৈতে তাৰাৰ গভীৰ পৰিচয় ঘটিছিল আৰু তাৰাৰ স্বকীয় আধ্যাত্ম দৰ্শন তথা বিৰল সাংস্কৃতিক প্ৰতিভা আৰু ভাৰতীয় ভক্তি আন্দোলনৰ পৰা লাভ কৰা অভিজ্ঞতাৰ সু-সমন্বয়ত অসমতো তেনে এক সাংস্কৃতিক আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছিল। সৰ্বভাৰতীয় বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলৰ দৰে শঙ্কৰদেৱেও মূলতঃ ভাগৱত পুৰাণৰ পৰাই তাৰাৰ প্ৰৱৰ্তিত ধৰ্মৰ সাৰভাগ গ্ৰহণ কৰিছিল ভাগৱত-পুৰাণত নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনতেই সৰ্বাধিক গুৰুত্ব আৰোপ কৰাৰ দৰে শঙ্কৰদেৱেও নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বেলিকা শ্ৰৱণ-কীৰ্ত্তনকেই ভক্তিৰ শ্ৰেষ্ঠতম উপায় হিচাপে নিৰ্দেশ কৰিছে।

গুৰুজনাই ধৰ্মীয় দৃষ্টিভঙ্গীত সকলো ধৰ্ম তথা ধৰ্মাৱলম্বীৰ প্ৰতি সহিষ্ণুতা আৰু সমভাৱ পোষণ কৰাৰ লগতে সকলো জীৱৰ প্ৰতি দয়া আৰু সাম্যভাৱ প্ৰদৰ্শনেৰে সমাজত সংহতি আৰু সাংস্কৃতিক সমন্বয় ঘটাবলৈ সক্ষম হৈছিল। কেৱল ইমানেই নহয়, শঙ্কৰদেৱে তামিল আলৱাৰসকলৰ দৰেই অনুবাদৰ জৰিয়তে সংস্কৃত শাস্ত্ৰৰ গভীৰ তত্ত্ব সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ সহজ-সৰল ভাষাত দাঙি ধৰাৰ উপৰিও নানা গীত-মাত, কাব্য, নাট আদি সৃষ্টি কৰি অসমীয়া সাহিত্যকো সমৃদ্ধ কৰিলে। যদিও প্ৰাক্-শঙ্কৰী যুগতেই অসমীয়া সাহিত্যৰ লিখিত নিদৰ্শন আমি পাইছোঁ; অথবা অপ্ৰমাদী কবি মাধৱ কন্দলীৰ হাতত আদিকাব্যৰ অনুদিত ৰূপ পোৱা গৈছিল। তথাপি সাহিত্যক সৰ্বসাধাৰণৰ কাষ চপাই নিয়াত শঙ্কৰদেৱেহে সফল ভূমিকা গ্ৰহণ কৰিলে। তাৰাই নাট, গীত, কাব্যৰ জৰিয়তে ধৰ্মীয় উদ্দেশ্যকেই প্ৰধানভাৱে সাধন কৰিছিল যদিও অসমীয়া সাহিত্যই তাৰাৰ হাততেই স্বকীয় ৰূপ লাভ কৰিলে।

শঙ্কৰদেৱ মূলতঃ ধৰ্মগুৰু আৰু তাৰাৰ সমগ্ৰ চিন্তা আৰু কৰ্মৰ উৎস যদিও ধৰ্মই; তথাপি স্বীকাৰ কৰিবই লাগিব যে, ধৰ্মগুৰু অভিধাৰ লগে লগে তাৰা মহত্তম মানৱতাবাদী সমাজ সংস্কাৰক আৰু অসমীয়া শিল্প-সংস্কৃতিৰো গুৰু। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই 'ধৰ্মৰ সমাজ-সাংস্কৃতিক মূল্য' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে- 'শঙ্কৰদেৱৰ ধৰ্ম তথাকথিত আনবোৰ ধৰ্মৰ সৈতে একে নহয়। শঙ্কৰদেৱৰ ধৰ্ম নীতি-আচাৰে আচ্ছন্ন কৰা বৌদ্ধিকতা বিমুখ ধৰ্মও নহয়। শঙ্কৰদেৱৰ ধৰ্ম জাতীয় সংস্কৃতিক সুদৃঢ় ভেঁটিত স্থাপন কৰি গতিশীল কৰি তোলা ধৰ্ম।' গতিকে গুৰুজনাৰ ধৰ্মক কেৱল ধৰ্ম বুলি নকৈ ধৰ্ম-সংস্কৃতি বা আধ্যাত্ম সংস্কৃতিহে বুলিব লাগিব।

ধৰ্ম আৰু সংস্কৃতি পৰস্পৰ সম্পৰ্ক জড়িত। বিচ্ছিন্নতা আৰু কু-সংস্কাৰৰ বিপৰীতে ব্যক্তি জীৱন তথা সমাজ জীৱনক পৰিশীলিত আৰু ঐক্যবদ্ধ কৰাটোৱেই সংস্কৃতিৰ

উদ্দেশ্য। সকলো ধৰণৰ ঔদ্ধত্য, নীচতা, হীনতা আৰু গোড়ামীৰ বিপৰীতে ধৰ্মই মানুহক দিব পাৰে সংযম, উদাৰতা আৰু আত্মিক প্ৰশান্তি। গতিকেই গুৰুজনাই তদানীন্তন অসমত ভিন্ন জাতি, ধৰ্ম-সম্প্ৰদায়ৰ সঙ্কীৰ্ণতাক পৰাহত কৰিবলৈ ধৰ্মকেই মূল চালিকা শক্তি হিচাপে গ্ৰহণ কৰিছিল। 'সত্য-শৌচ-ক্ষমা-দয়া'ৰে তাৰাৰ ধৰ্ম মানুহৰ দৈহিক, মানসিক আৰু আধ্যাত্মিক উত্তৰণৰ প্ৰধান আহিলা। তাৰাৰ ধৰ্মত ব্যয়বহুল যাগ-যজ্ঞৰ বিপৰীতে নৱধা ভক্তিৰ ভিতৰত অনায়াসলব্ধ শ্ৰৱণ-কীৰ্ত্তনক গুৰুত্ব দি ঈশ্বৰ উপাসনাৰ সহজ উপায় নিৰ্দেশ কৰিছে। গুৰুজনাই কীৰ্ত্তনত কৈছে--

'কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্ব্বদায় কৰিবেক কৃষ্ণ কীৰ্ত্তন।।'

প্ৰহ্লাদ চৰিত-৩৭৭

অথবা- 'ৰাম নাম যিটো সততে গাৱে।
সেহিসে সততে মুকুতি পাৱে।।'

পাষণ্ড মৰ্দ্দন-৭৯

কিন্তু ভগৱন্তৰ প্ৰকৃত ভক্ত নিস্পৃহ। কেৱল পাৰ্থিৱ বস্তুৰ প্ৰতিয়েই নহয় পৰম যোগীজনৰো সাধনাৰ ধন 'মুক্তি'ৰ প্ৰতিও তেওঁ স্পৃহ নহয়। গুৰুজনাৰ প্ৰিয়তম শিষ্য মহাপুৰুষ মাধৱদেৱে সেয়ে নামঘোষাত কৈছে--

'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।'

নামঘোষা-১

ভক্তৰ পৰম সাধন, ভক্তিহে, মুক্তি নহয়। ভক্তিৰ জৰিয়তে ভগৱানক একান্তভাৱে ওচৰতে পাই থকাটোহে ভক্তৰ কাম্য।

সংস্কৃতিয়ে জাতি-বৰ্ণ, উচ্চ-নীচৰ বৈষম্য নামানে, সংস্কৃতিৰ ধৰ্মই হৈছে সমতা স্থাপন। গুৰুজনাৰ ধৰ্মতো জাত-পাত, উচ্চ-নীচ ভেদাভেদৰ কোনো প্ৰাচীৰ নাই। ঈশ্বৰ উপাসনাত কোনো বাধা থাকিব নোৱাৰে। পৰিস্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰি নামঘৰত একেলগে বহি ভগৱানৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰাত বা ভগৱানৰ প্ৰতি উৎসৰ্গিত স্বাস্থ্য সন্মত 'প্ৰসাদ' গ্ৰহণ কৰাত কাৰো বাধা নাই। তাৰাৰ ধৰ্ম এই অৰ্থতেই সাৰ্বজনীন। কেৱল কথাৰে নহয়, কামেৰেও উদাৰতা আৰু বিশালতা প্ৰদৰ্শন কৰি জাতি-বৰ্ণ নিৰ্বিশেষে যোগ্য জনক বিচাৰি উলিয়াই নগাৰ নৰোত্তম, মিচিঙৰ পৰমানন্দ, ব্ৰাহ্মণৰ দামোদৰদেৱ, যৱন (মুছলমান)ৰ চান্দসাই, কৈৱৰ্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, কছাৰীৰ ৰাম, গাৰোৰ গোবিন্দ, আহোমৰ নৰহৰি আদি বাৰজন বৈষ্ণৱক উচিত সন্মান প্ৰদৰ্শন কৰিছিল। তদুপৰি উচ্চাত্মিকাবোধ যে আধ্যাত্মিক উন্নতিৰ অন্তৰায়-- এই কথা গুৰুজনাই উপলব্ধি কৰিছিল আৰু সৰ্বসাধাৰণক এই কথা তাৰাৰ জীৱনাদৰ্শৰে শিকাইছিল। সাগৰ সদৃশ গভীৰ তত্ত্বজ্ঞান তথা বিশালতাৰ সৰ্বাধিক প্ৰতিভাৰে তদানীন্তন সমাজৰ শীৰ্ষস্থানত অধিষ্ঠিত হৈয়ো গুৰুজনাই তাৰাৰ সমগ্ৰ ৰচনাৰ ভণিতাত 'শঙ্কৰ মূৰুখমতি', 'কিঙ্কৰ শঙ্কৰ' ৰূপেহে আত্মপ্ৰকাশ কৰিছে।

ভক্তিৰ সম্পৰ্ক হৃদয়ৰ লগত; গতিকে বাহ্যিক আচাৰ-নীতিতকৈ আন্তৰিক শুদ্ধি বা হৃদয়ৰ শুচিতাকহে শঙ্কৰদেৱে অধিক গুৰুত্ব দিছিল। সেয়েহে এক শৰণ বা ঈশ্বৰৰ আৰাধনাৰ জৰিয়তে অন্তৰ শুদ্ধ কৰি ভগৱৎ প্ৰাপ্তিৰ পথ সুগম কৰিবলৈ তাৰাই সকলোকে আহ্বান জনাইছিল। শঙ্কৰদেৱে অন্তৰ শুদ্ধিকৰণৰো উপায় দিছে বৰগীতৰ দৰে ৰাগ সঙ্গীতৰ সৃষ্টি কৰি। কাৰণ সঙ্গীতে মানুহৰ মন পৰিশুদ্ধি ঘটোৱাত বিশেষ ভূমিকা পালন কৰে। নিৰ্দিষ্ট ৰাগ-তালেৰে সমৃদ্ধ আৰু উচ্চ আধ্যাত্মিক ভাৱ সম্পন্ন এই বৰগীতসমূহে এহাতে সমাজৰ সাংস্কৃতিক প্ৰয়োজন পূৰণ কৰিলে; অৰ্থাৎ প্ৰথমবাৰৰ বাবে অসমৰ সঙ্গীতক শাস্ত্ৰীয় মৰ্যাদা দান কৰিলে আৰু আনহাতে অন্তৰ পৰিশুদ্ধি ঘটাই ব্যক্তিচিত্ত ভগৱৎমুখী কৰাত সহায় কৰিলে। কেৱল বৰগীতেই নহয়; কেইবাখনো কাব্য, তত্ত্বমূলক ৰচনা আৰু ছখনকৈ নাট ৰচনা কৰি অসমত নৃত্য আৰু অভিনয় কলাৰ শুভাৰম্ভ কৰিলে। ইয়াৰ বাবে প্ৰয়োজন হোৱা বাদ্যযন্ত্ৰ, সাজ-সজ্জা, পোহৰ ব্যৱস্থা, চোঁ-মুখা আদিৰ স্বকীয় উদ্ভাৱন ঘটাই অসমীয়া সংস্কৃতিক প্ৰকৃত ৰূপত প্ৰতিষ্ঠা কৰিলে। ইয়াৰ উপৰি 'চিহ্নযাত্ৰা'ৰ জৰিয়তে অসমত শিল্পকলা আৰু চিত্ৰকলাৰো উৎকৰ্ষ সাধন কৰিলে। ইয়াৰ ভিতৰতো স্থাপত্য কলাৰ দিশত শঙ্কৰদেৱে এক অভিনৱ বিপ্লৱৰে সূচনা কৰিলে। মুঠতে সংস্কৃতিৰ অন্তঃসৌন্দৰ্য সুকুমাৰ কলাৰ জৰিয়তে গুৰুজনাই ধৰ্মীয় উদ্দেশ্যকে পূৰণ কৰিলেও ইয়ে অসমৰ সাংস্কৃতিক ভেঁটি নিৰ্মাণত মুখ্য ভূমিকা গ্ৰহণ কৰিলে আৰু ধৰ্ম যে সমাজ সংস্কৃতিৰ প্ৰতি দায়বদ্ধ হ'ব লাগে-- এই আদৰ্শও প্ৰতিষ্ঠা কৰিলে।

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানৱ সমাজলৈও পৰিৱৰ্তন আহে। অসমৰ সমাজ জীৱনলৈও পৰিৱৰ্তন আহিছে। আজি অসমৰ নগৰে চহৰে বৃহৎ বৃহৎ অত্যাধুনিক স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মিত হৈছে, ক্লাৱ আদি স্থাপন হৈছে, কিন্তু গুৰুজনাৰ সৃষ্ট নামঘৰৰ গুৰুত্ব এইবোৰে ম্লান কৰিব পৰা নাই আৰু নোৱাৰেও। কাৰণ অসমৰ গ্ৰাম্য সমাজৰ 'ৰঙ্গমঞ্চ', 'সভাগৃহ' আৰু 'ৰাইজৰ আদালত' এই নামঘৰত প্ৰৱেশ কৰোঁতে যি এক পৱিত্ৰ, অনিৰ্বচনীয় অনভূতিয়ে হৃদয় মন দোলায়িত কৰে, সেয়া অসমীয়া মাত্ৰৰে স্বকীয় অনুভৱ আৰু তাতেই প্ৰোথিত হৈ আছে গুৰুজনাৰ অভিনৱ সাংস্কৃতিক চিন্তনৰ পৰিকাঠামো।

প্ৰকৃতপক্ষে, এটি সুস্থ, সু-সংস্কৃতি, পৰিশীলিত জীৱন-যাপনৰ কাৰণে যেনে ধৰণৰ জীৱন বীক্ষাৰ প্ৰয়োজন সেয়া গুৰুজনাৰ জীৱনৰ জৰিয়তে পাব পাৰি। অৱশ্যে মানুহৰ জীৱন বীক্ষাক পৰিৱেশ পৰিস্থিতিৰ পৰা নিলগাই চাব নোৱাৰি। শঙ্কৰদেৱ কালীন অসমৰ সমাজ জীৱন আছিল খণ্ডিত, বিচ্ছিন্ন, কু-সংস্কাৰেৰে আচ্ছন্ন আৰু সামাজিকভাৱে দিশহাৰা। এনে এক প্ৰেক্ষাপটত অসমক প্ৰয়োজন হৈছিল গুৰুজনাৰ দৰেই 'সৰ্বগুণাকৰ' এক স্বয়ংসম্পূৰ্ণ বলিষ্ঠ মানৱৰ নেতৃত্ব। তাৰাৰ সু-সংস্কৃত জীৱন-দৃষ্টি প্ৰকাশৰ বাবে গুৰুজনাই সমাজ সংস্কাৰকৰ ভূমিকা গ্ৰহণ কৰিবলগীয়া হৈছিল, একশৰণ নাম-ধৰ্মৰ সহায় ল'বলগীয়া হৈছিল আৰু ইয়াৰ জৰিয়তেই তাৰাই তদান্তীন অসমৰ মানুহক আধ্যাত্মিক তথা বৌদ্ধিক উত্তৰণৰ পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে, ধৰ্মৰ আশ্ৰয় ল'লৈও গুৰুজনাই কিন্তু 'ব্ৰহ্ম সত্য, জগত মিথ্যা' বুলি শঙ্কৰাচাৰ্যৰ দৰে বাস্তৱ জীৱনত অস্বীকাৰ কৰা নাছিল। ধৰ্মগুৰু হৈয়ো তাৰাই আদৰ্শ সংসাৰীৰ নিদৰ্শন দেখুৱাইছিল। অৱশ্যে তাৰাৰ সাংসাৰিক ধৰ্ম আছিল পানীৰ মাজত অৱস্থান কৰা পদুম পাতৰ দৰে। তেওঁ সংসাৰ ধৰ্ম পালন কৰিছিল; কিন্তু সংসাৰতে মজি থাকি সৰ্বসাধাৰণ গৃহস্থীৰ ভূমিকা পালন কৰা নাছিল।

সুস্থ দেহতহে সুস্থ চিন্তা সম্ভৱ। এই কথাটো গুৰুজনাই গভীৰভাৱে হৃদয়ঙ্গম কৰিছিল আৰু দেহটোক ৰোগমুক্ত কৰি ৰাখিবলৈ দৈনিক ব্যায়াম-প্ৰাণায়াম কৰিছিল; সুষম পৰিস্কাৰ-পৰিচ্ছন্ন আহাৰ গ্ৰহণ কৰিছিল। বয়সেও আড়ষ্ট কৰিব নোৱাৰা এটা সুৰ্বাঙ্গ সুন্দৰ সুঠাম শৰীৰৰ গৰাকী আছিল বাবেই সম্ভৱ হৈছিল ভৰ বাৰিষা সাঁতুৰি ব্ৰহ্মপুত্ৰ পাৰাপাৰ হোৱা, শিঙত ধৰি ভতৰা গৰু স্তব্ধ কৰাৰ দৰে অসাধ্য সাধন কৰাটো। তদুপৰি সাজ-সজ্জাৰ লগতো মনৰ নিবিড় সম্পৰ্ক আছে আৰু সেয়ে আধ্যাত্মিক চিন্তনৰ বেলিকা মন বা চিত্তক শুদ্ধ আৰু শান্ত ৰাখিবলৈ শুভ্ৰ বস্ত্ৰ পৰিধানৰ ওপৰতো গুৰুজনাই গুৰুত্ব আৰোপ কৰিছিল। তাৰাৰ শৰীৰৰ কান্তি প্ৰত্যক্ষ কৰি মাধৱদেৱে লিখিছিল-

'দৰশিত সুন্দৰ গৌৰ কলেবৰ
যৈচন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।।'

জন সমাজত শঙ্কৰদেৱৰ সৰ্ব প্ৰধান পৰিচয় ধমগুৰু ৰূপেই। কিন্তু বিশ্ব ইতিহাসত আমি যি সকল ধৰ্মগুৰুৰ বিৱৰণ পাইছোঁ, সেইসকলৰ জীৱনাদৰ্শ মহাপুৰুষজনাৰ লগত নিমিলে। কাৰণ 'তাৰাৰ দৰে এনে কোনো ধৰ্ম প্ৰচাৰক জন্ম হোৱা নাই, যি একাধাৰে ধৰ্ম প্ৰচাৰক, দাৰ্শনিক, সমাজ সংগঠক, গীতিকাৰ, কবি, নাট্যকাৰ, নৃত্য বিশাৰদ, বাদ্য যন্ত্ৰ বিশাৰদ আৰু চিত্ৰকৰ।' মহাপুৰুষজনাৰ এই সাৰ্বিক প্ৰতিভাৰ প্ৰতি আকৃষ্ট হৈয়ে বোধকৰোঁ কলাগুৰু বিষ্ণু ৰাভাই তাৰাক 'আদৰ্শ পুৰুষ'ৰূপে গ্ৰহণ কৰি কৈছিল-- 'অসমীয়া গীত, বাদ্য, নৃত্য, সুৰ-সঞ্চাৰ, সাহিত্য, ভাওনা, নাম-কীৰ্তন, ঘোষা, বৰগীত, অঙ্কীয়া নাট, নামঘৰ, খোল, মৃদং, তাল, ভোজঘৰ, দৌলযাত্ৰা, হাটী, ধনপুঁজি (বেংক), সমাজ, ধৰ্ম বিচাৰ, নীতি, আইন, নৈতিকতা, আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য সমাধি-- সকলো শঙ্কৰদেৱেহে আমাক দি গ'ল।' এই সকলোবোৰৰ মাজেদি জিলিকি উঠা গুৰুজনাৰ শিল্পসত্তা তথা মহাপ্ৰতিভাৰ স্বৰূপ উপলব্ধি কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদেও অকপটভাৱে স্বীকাৰ কৰিছে-- 'পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অন্ধলা হৈ ঘৰৰে মহাপ্ৰতিভাক চিনি নাপাই ফুৰা মোৰ মনটোৰ সকলো অহংকাৰ সেইদিনা একেবাৰে ধূলিসাৎ হৈ গ'ল। সেইদিনাৰ পৰাহে মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলোঁ। মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে। তাৰ পিছত নামঘৰৰ ভিতৰলৈ সোমাই গৈ দেখিলোঁ-- থাপনাখন দেখোন Cubist design ৰ। তাত অকা-বকাবোৰ কোনোটো Impressionist, কোনো Symbolist শিল্পৰ আলেখ্যৰ দৰে। বাৰে বাৰে এটা প্ৰশ্ন জাগিবলৈ ধৰিলে-

বিলাতলৈ কেলেই পঢ়িবলৈ গৈছিলোঁ? যি বিচাৰি গৈছিলো ঘূৰি আহি দেখোন ঘৰতে পালো।' জ্যোতিপ্ৰসাদৰ এই স্বীকাৰোক্তিয়েই প্ৰমাণ কৰে-- প্ৰাচীন অবাৰ্চীন নিৰ্বিশেষে মহাপুৰুষজনা সৰ্বকালৰ বাবেই প্ৰাসংগিক পুৰুষ। তাৰাৰ 'কল্পতৰু' ৰূপী জীৱনাদৰ্শত সকলোৱে বাবেই আছে প্ৰেৰণাৰ উৎস। তাৰাৰ মাজত গৃহীয়ে পাব গাৰ্হস্থ্যধৰ্মাদৰ্শ, যোগীয়েপাব যোগবল, ধাৰ্মিকজনে পাব ধৰ্মতত্ব, শিল্পীয়ে পাব শিল্পাদৰ্শ, সমাজ সংগঠকে পাব সমাজ নিৰ্মাণৰ আদৰ্শ আৰু সাহিত্যৰসিকজনে পাব নৱৰসৰ পাৰ ওপচা সম্ভাৰ। মাথোন অন্বেষণ কৰিব জানিব লাগিব।

আজি আমি বিশ্বায়নৰ চিন্তা-চৰ্চা কৰিছোঁ, তুলনামূলক সাহিত্যৰ দ্বাৰা বিশ্ব-মানৱৰ অনুভৱ অনুভূতিৰ উমান ল'ব খুজিছোঁ, আন্তঃৰাষ্ট্ৰীয় সাহিত্য শাস্ত্ৰ নিৰ্মাণৰ দৰে এটা সুখকৰ বিষয়ৰ পোষকতা কৰিছোঁ, কিন্তু ঘৰতে থকা মহত্তম মানৱবাদী পুৰুষজনাকো চিনি নাপাওঁ। অকৃতজ্ঞ আমি- যাৰ অৱদানেৰে নিজকে অসমীয়া বুলি জগতৰ আগত চিনাকি দিছোঁ, তাৰাৰ মহতোমহীয়ান কৃতি তথা প্ৰতিভাৰ মূল্যায়ন কৰিব নোখোজোঁ, স্বীকাৰ কৰিব নোখোজোঁ। কবি-গীতিকাৰ ড° ভূপেন হাজৰিকাই উচিত অৰ্থতেই অনুশোচনা কৰি গাইছে- 'গুৰু লাগে মই শিক্ষিত শিষ্য / জগতক জাননী দিলোঁ / জগতৰ গুৰু শঙ্কৰ ঘৰতেই / অন্ধলাই নিচিনিলোঁ।' কিন্তু আমি বুজি পোৱা উচিত যে, ঘৰৰ ভিতৰত সোমাই বাহিৰৰ প্ৰখৰ ৰ'দৰ পৰা নিজকে আঁতৰাই ৰাখিলেই সূৰ্যৰ উত্তাপক অস্বীকাৰ কৰা নাযায়। বিশ্বৰ প্ৰসঙ্গ বাদ দিও আমি যদি আজি ভাৰতবৰ্ষৰ অন্যান্য ঠাইলৈকে চাওঁ, তেন্তে দেখিম যে, তেওঁলোকে কেৱল ধৰ্মগুৰু এজনকে বিশ্বৰ আগত সম্পূৰ্ণৰূপে চিনাকি কৰি দিবলৈ সক্ষম হৈছে। কিন্তু আমাৰ মহাপুৰুষজনা কেৱল তথাকথিত ধৰ্মগুৰু নহয়, তাৰা আছিল প্ৰকৃততে এজন চিন্তানায়ক, সমাজ সংস্কাৰক তথা মহত্তম শিল্পী আৰু তাৰাৰ সমকালীন খণ্ডিত নহয়, তাৰা আছিল সমাজখনক এক সুস্থিৰ ৰূপ দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এই উদ্দেশ্যে তাৰাই নাট, গীত, কাব্য, সুৰ সঞ্চাৰ, বাদ্য, স্থাপত্য, ভাস্কৰ্যৰ সৃষ্টি কৰি, শৰীৰ চৰ্চা তথা সৌন্দৰ্যবোধ দান কৰি অসমীয়া ভাষা, সাহিত্য সমাজ-সংস্কৃতি-- সকলোৱে এক সুস্থিৰ ৰূপ প্ৰদান কৰি গ'ল। কিন্তু এনে এক সৰ্বময় কীৰ্তিক আমি উচিত মূল্য দিব পৰা নাই। আমাৰ এই দুৰ্বলতাৰ বাবেই গুৰুজনাই আবিৰ্ভাৱৰ পাঁচশ শতিকা অতিক্ৰমণৰ পিচতো আমাৰেই চুবুৰীয়া তথা ভাৰতবৰ্ষৰ এজন চিন্তানায়ক স্বামী বিবেকানন্দই গুৰুজনাৰ প্ৰসঙ্গত কৈছিল-- '... ঐ শঙ্কৰদেৱ শঙ্কৰাচাৰ্যৰেই নামান্তৰ কি না বুঝতে পাৰলামনা।' শঙ্কৰদেৱৰ বিষয়ে নজনাটো স্বামী বিবেকানন্দৰ দোষ নহয়; দোষ আমাৰেহে। কাৰণ আমাৰেই এটুকুৰা উজ্বল ৰত্নক আমি শতচ্ছিন্ন টোপোলাৰ মাজত লুকুৱাই ৰাখিছোঁ।

আজি আধুনিক জীৱন বিপৰ্যস্ত হৈছে; হত্যা, হিংসা, ধৰ্ষণ, সন্ত্ৰাস, অপহৰণ, লুণ্ঠনৰ ৰাজত্ব চলিছে। সমাজৰ সৰ্বসাধাৰণ জনৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰৰ মুৰব্বী জনলৈকে সকলোৱে আজি বিশ্বাস আৰু নিৰাপত্তাৰ সঙ্কটত ভুগিছে। এফালে বিজ্ঞান-প্ৰযুক্তিবিদ্যাই উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰিছে আনফালে গোষ্ঠীদ্বন্দ্ব ধৰ্মীয় বিৰোধ, হিংসা-সন্ত্ৰাসে মানৱতা ভু-লুণ্ঠিত কৰিছে। অৰ্থনৈতিক বৈষম্যই এক শ্ৰেণী মানুহক পথৰ ভিক্ষাৰী কৰাৰ বিপৰীতে আন এক শ্ৰেণীক ভোগ সৰ্বস্বতাই, অনায়াসলব্ধ প্ৰাচুৰ্যই মতলীয়া কৰাৰ লগতে যুৱ-প্ৰজন্মৰ একাংশক কৰি তুলিছে অস্থিৰ আৰু উচ্ছৃঙ্খল। গতিকে এনে এক পৰিপ্ৰেক্ষাত গুৰুজনাৰ নিৰ্মোহ, নিৰহঙ্কাৰ আৰু বিনম্ৰতাৰে জীৱনক সুন্দৰ কৰি তোলা আধ্যাত্ম সংস্কৃতি অথবা 'কৃষ্ণ সংস্কৃতি'ৰ ওচৰত চপাত আপত্তি নিশ্চয় থাকিব নোৱাৰে। তাৎক্ষণিক দৃষ্টিত হয়তো গুৰুজনাৰ আদৰ্শই পোনপটীয়াকৈ কোনো সমস্যাৰ সমাধান নকৰে; কিন্তু 'ভূমিৰ পৰা ভূমামুখী' উত্তৰণৰ বাবে, সংশয় আৰু অনিশ্চয়তাৰ বিপৰীতে আশা, একাগ্ৰতা, আত্মবিশ্বাস আৰু পৰম নিশ্চয়তা লাভৰ বাবে আজি ইয়াৰ বিকল্প নিশ্চয় নাই। যাৰ দ্বাৰা প্ৰেম, দয়া, কৰুণাৰে অন্তৰ বিশাল কৰি সমাজ জীৱন আৰু ব্যক্তি জীৱন মহীয়ান কৰিব পাৰি, ভাষা-সাহিত্য-সংস্কৃতিৰ স্বকীয় সৌৰভেৰে এখন ঐক্যবদ্ধ সমাজৰ ভেটি নিৰ্মাণ কৰিব পাৰি-- তেনে এক জীৱন বীক্ষা নিশ্চয় কোনোকালেই অপ্ৰাসঙ্গিক নহয়। অথচ গুৰুজনাৰ সামগ্ৰিক অৱদানেৰে নিজকে অসমীয়া বুলি চিনাকি দিয়া আমি আজি সূৰ্যৰ দীপ্তি হাতৰ চাকিৰে চাব খোজাৰ দৰে তাৰাৰ প্ৰাসঙ্গিকতা বিচাৰৰ ধৃষ্টতা প্ৰকাশ কৰোঁ। এনে এক সাৰ্বিক প্ৰতিভা সম্পন্ন জীৱন বীক্ষাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিব পাৰিলেহে গুৰুজনাৰ আদৰ্শৰ প্ৰকৃত মূল্যায়ন হ'ব।

এইখিনিতে উল্লেখযোগ্য যে, শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শন অথবা সৃজনী প্ৰতিভাৰ সঠিক মূল্যায়ন কৰিবলৈ হ'লে তাৰাৰ ৰচনাৱলী মূল ভাষাত আয়ত্ব কৰিব পাৰিব লাগিব। কাৰণ তাৰাৰ জীৱন দৰ্শন তথা ধৰ্মদৰ্শ নিহিত হৈ আছে। অৱশ্যে তেনেলোক অসমত নোহোৱা নহয়, যিসকলৰ দ্বাৰা অন্ততঃ গুৰুজনাৰ সঠিক মূল্যায়ন কৰি তাৰাক 'জগত সভা'লৈ উলিয়াই নিব পাৰি। এইক্ষেত্ৰত অসমৰ সত্ৰসমূহ, 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অসম'ৰ লগতে অসমৰ সাহিত্য সংস্কৃতিৰ সৰ্ববৃহৎ অনুষ্ঠান 'অসম সাহিত্য সভা'ৰো যথেষ্ট দায়িত্ব আছে। কিন্তু গুৰুজনাৰ আদৰ্শক, সাহিত্য-সংস্কৃতিক বিশ্বৰ আগত দাঙি ধৰিবলৈ 'অসম সাহিত্য সভা'ই যিখিনি কৰিছে সেয়া পৰ্যাপ্ত নহয়।

শঙ্কৰদেৱ প্ৰসঙ্গত অসমৰ বিশ্ববিদ্যালয় কেইখনৰো যথেষ্ট কৰণীয় আছে। কেৱল বিদ্যায়তনিক দিশতেই শঙ্কৰদেৱক সীমিত নাৰাখি তাৰাৰ সামগ্ৰিক দিশত অধ্যয়ন-গৱেষণা কৰাব পাৰিলেহে গুৰুজনাৰ মূল্যায়ন কৰা হ'ব। এইক্ষেত্ৰত বিশ্ববিদ্যালয়কেইখনৰ সংশ্লিষ্ট কৰ্তৃপক্ষই ইচ্ছা কৰিলে বিশ্ববিদ্যালয় পৰিসৰ বাহিৰৰ অথচ শঙ্কৰদেৱ অধ্যয়নৰ লগত জড়িত ব্যক্তিকো কামত লগাব পাৰে। শেহতীয়াকৈ গুৱাহাটী বিশ্ববিদ্যালয়ত শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ স্থাপনৰ যো-জা চলাটো এটা সুখকৰ বিষয় আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শঙ্কৰদেৱ বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ চৰকাৰৰ ওচৰত আহ্বান জনাইছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শঙ্কৰদেৱ বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ চৰকাৰৰ ওচৰত আহ্বান জনাইছে। অনুদ্‌ঘাটিত দিশবোৰ সম্পূৰ্ণৰূপে পোহৰলৈ অহাৰ লগতে তাৰাক বিশ্ব দৰবাৰত চিনাকি কৰাৰ অধিক সুযোগ ওলাব। অৱশ্যে এনে পদক্ষেপ গ্ৰহণ কৰাৰ লগে লগে সংশ্লিষ্ট পক্ষই ভাষাৰ ক্ষেত্ৰতো এক উদাৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লগা হ'ব পাৰে। মাতৃ ভাষাটোক সন্মান জনায়ো ইয়াৰ অস্তিত্ব ৰক্ষা কৰিও বহুক্ষেত্ৰতে ইয়াৰ সীমাৰদ্ধতাকো মানি ল'ব লগা হয়। কাৰণ সৰ্বভাৰতীয় পৰ্যায় বুলিলেই প্ৰধানকৈ হিন্দী আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায় বুলিলে ইংৰাজী ভাষাৰ প্ৰসঙ্গ এটা অৱধাৰিত হৈ পৰে। এই সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি শঙ্কৰদেৱক ভাৰতবৰ্ষ তথা আন্তৰ্জাতিক পৰ্যায়ত প্ৰতিষ্ঠা কৰিব লাগিব আৰু আজি অসমবাসীৰ সমুখত আহি পৰা এইটো এটা মহৎ আৰু পৱিত্ৰ কৰ্তব্য।■


<u>প্ৰাসঙ্গিক উৎস</u> ঃ

১. শ্ৰীশ্ৰীশঙ্কৰদেৱ ঃ কীৰ্ত্তন
১. শ্ৰীশ্ৰীমাধৱদেৱ ঃ নামঘোষা
১. লক্ষ্মীনাথ বেজবৰুৱা ঃ তত্ত্বকথা, তৃতীয় প্ৰয়াশ, লৰ্য়াছ বুক ষ্টʼল-২০০২
৪. তীৰ্থনাথ শৰ্মা ঃ ভক্তিবাদ, তৃতীয় প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, ১৯৯৫
৫. সত্যেন্দ্ৰনাথ শৰ্মা (সম্পাঃ) ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী, চতুৰ্থ সংস্কৰণ, ডিচেম্বৰ, ১৯৯৯
৬. ডম্বৰু কাকতি (সম্পাঃ) ঃ সাহিত্য-সংস্কৃতি-সৌৰভ, অসম সাহিত্য সভা, ১৯৯৩
৭. ভৱপ্ৰসাদ চলিহা (সম্পাঃ) শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, দ্বিতীয় প্ৰকাশ, ১৯৯৫
৮. গৰীয়সী, পঞ্চম বছৰ, দ্বাদশ সংখ্যা, ১৯৯৮



লেখিকা- প্ৰবক্তা, অসমীয়া বিভাগ
মৰিচল মহাবিদ্যালয়, ধেমাজি

# শ্ৰীমন্ত শঙ্কৰদেৱৰ নাট ঃ পত্নীপ্ৰসাদ

ড° দয়ানন্দ পাঠক

শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটকৰ বিষয়ে ইতিমধ্যে প্ৰচুৰ আলোচনা হৈছে। তথাপিও প্ৰাপ্ত আলোচনাক পৰ্যাপ্ত বুলিব নোৱাৰি। নাটক যে এক বিশেষ গণ মাধ্যম সেই কথা গুৰুজনাই মনেপ্ৰাণে বিশ্বাস কৰিছিল। তেনে বিশ্বাসৰ আধাৰতেই তেওঁ নাটকৰ ৰচনা আৰু অভিনয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ উদ্দেশ্য দিনৰ পোহৰৰ দৰে স্পষ্ট— নৱবৈষ্ণৱ আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰ। নাটকৰ যে এক প্ৰচাৰমুখী মাত্ৰা আছে সেই বিষয়ে তেওঁৰ মনত কোনো দ্বিধা দ্বন্দ্ব নাছিল। ইয়াৰ উপৰি নাটকৰ লগত অনেক কৃষ্টি সংস্কৃতিৰ কথাও জড়িত। নাটক অইন সাহিত্যিক মাধ্যমৰ দৰে একক কলা নহয়। এখন নাটকৰ অভিনয়ৰ লগত অনেক শিল্পী জড়িত হ'বলগীয়া হয়। তেনে শিল্পীৰ শিল্প প্ৰদৰ্শন মঞ্চৰ মজিয়াতো হ'ব পাৰে, মঞ্চৰ নেপথ্যতো হ'ব পাৰে। দুয়োটি স্তৰৰ শিল্পীৰ উমৈহতীয়া প্ৰচেষ্টাতহে এখন নাটকৰ সাৰ্থক অভিনয় সম্ভৱ হয়। নাটকৰ এনে বৈশিষ্ট্যৰ কথা গুৰুজনাই ভালদৰে উপলব্ধি কৰিছিল।

চিহ্নযাত্ৰাক গুৰুজনাৰ প্ৰথম নাট বুলি পণ্ডিতসকলে মত পোষণ কৰে। পিছে, এই নাটখন পাবলৈ নাই। নাটখনৰ পাণ্ডুলিপিও অনাবিস্কৃত গুৰুজনাৰ চৰিত পুথিত চিহ্নযাত্ৰাৰ উল্লেখ পোৱা যায়। তাৰাই তেওঁৰ ভক্ত অনুৰাগীসকলক সাত বৈকুণ্ঠৰ দৃশ্য দেখুওৱাবলৈহে এই নাটখনি ৰচনা কৰা বুলি কোৱা হৈছে। এই নাটত শঙ্কৰদেৱে স্বয়ং নিজেও অভিনয় কৰি দেখুৱাইছিল।

এনে এক পটভূমিতো পত্নী-প্ৰসাদ (১৫২১-২৬) নাটকেই গুৰুজনাৰ প্ৰথম নাট্যপ্ৰয়াস বুলি ঠাৱৰোৱা হৈছে। নাটখনৰ পঠন-পাঠনৰ পিছত এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে নাটখন গুৰুজনাৰ প্ৰাথমিক স্তৰৰ ৰচনা বাবে ইয়াৰ দোষ দুৰ্বলতা খিনিও প্ৰকট। নাটখনক পূৰ্ণাঙ্গ ৰচনা বুলিব নোৱাৰি। গুৰুজনাৰ আন পাঁচখন নাটৰ দৰে পত্নী-প্ৰসাদ এখন আটিল নাটক নহয়। পণ্ডিত কালিৰাম মেধি ডাঙৰীয়াই পত্নী-প্ৰসাদক গুৰুজনাৰ দ্বিতীয় নাটক বুলিহে প্ৰতিষ্ঠা কৰিব খোজে। তেখেতৰ মতে কালিয়দমনহে গুৰুজনাৰ প্ৰথম নাটক। কালিয়দমন নাটৰ ৰচনা কাল ১৫১৮ বুলিহে পোৱা হৈছে। কিন্তু দুয়োখন নাটৰ ৰচনাৰীতি আৰু মঞ্চ বিন্যাসৰ অঙ্গবোৰ পৰ্যালোচনা কৰিলে পত্নী-প্ৰসাদকহে গুৰুজনাৰ প্ৰথম নাটত বুলি অনুমান কৰিব পাৰি। নাটখনৰ গঠন ৰীতি যে সম্পূৰ্ণৰূপে পৰোক্ষমূলক এই কথা বুজিবলৈ টান নালাগে। তুলনামূলকভাৱে কালিদমন নাটখন আটিল আৰু গঠনৰ ফালৰ পৰা উন্নত। গুৰুজনাৰ আন পাঁচখন নাটক সন্নিবিষ্ট হোৱা অনেক উপাদান এই নাটকত পোৱা নাযায়। নাটখনৰ প্ৰাপ্ত সংস্কাৰণত প্ৰাৰম্ভিক বা সূচনা ভটিমা নাই। নাটৰ শেষৰ মুক্তি মঙ্গল ভটিমাও ইয়াত দেখা নাযায়। চৰিত্ৰসমূহৰ স্থিতি আৰু ভূমিকাও দুৰ্বল। এনেবোৰ দিশলৈ চালে এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে পত্নী-প্ৰসাদৰ মাজেৰে নাট্যকাৰে নিজৰ নাট্য জীৱন এক সূচনা ঘটাবহে খুজিছে। নাটখন যে সম্পূৰ্ণৰূপে পৰীক্ষামূলক তাত সন্দেহ নাই।

নাটকৰ পাণ্ডুলিপি আৰু মুদ্ৰিত ৰূপৰ মাজত আংশিক পাৰ্থক্য থকা বুলিও পাঠ সমীক্ষকসকলে অনুমান কৰে। পত্নী-প্ৰসাদৰ ভটিমাও কালিয়দমন নাটত আগতেই ব্যৱহৃত হৈছে। এই নাটৰ পদসমূহ থলুৱা অসমীয়াত ৰচিত। অথচ গুৰুজনাৰ আন আন নাটসমূহৰ ভাষা ব্ৰজাৱলী।

ক'বলৈ গ'লে নাটখনৰ কাহিনীভাগ অতি ক্ষীণ। ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ত্ৰয়োবিংশ অধ্যায়ৰ পৰা আহৃত কাহিনীৰ আধাৰত নাটখনৰ কথাবস্তু নিৰ্মিত। নাট্যকাৰৰ মূল বক্তব্য হ'ল ভক্তি। ভক্তিৰ সন্মুখত সকলো ভাৱনাই অৰ্থহীন। নাটখন গুৰুজনাৰ প্ৰথম নাট্য প্ৰয়াস

হোৱা বাবে ইয়াত দোষ-গুণ সমানেই প্ৰকট। নাটখন ৰচনা কৰাৰ সময়ত গুৰুজনাৰ সন্মুখত একাধিক সমস্যা। প্ৰথম কথা, অসমীয়া নাটকৰ কোনো পৰম্পৰা নাই। গুৰুজনাৰ সন্মুখত অসমীয়া ভাষাত ৰচিত হোৱা কোনো আৰ্হি নাটক নাই। সেই সময়ত তেওঁ সংস্কৃত নাটকৰ পৰাহে প্ৰেৰণা লাভ কৰা বুলিব লাগিব। অথচ সংস্কৃত নাটকৰ আৰ্হিতে অসমীয়া ভাষাত নাটক ৰচনা কৰাটোৱো টান অথবা পাত্ৰ প্ৰাসঙ্গিক হ'ব নে নহয় সেইটোৱো এক বিবেচ্য কথা। এনেবোৰ কথাই গুৰুজনাক অসুবিধাত পেলোৱটোৱো সঁচা কথা। গুৰুজনাই এই কথা স্পষ্টভাৱে বুজিবলৈ যত্ন কৰিছিল যে, তেখেতে সাধাৰণ দৰ্শকৰ বাবে এখন নাট ৰচনাত প্ৰবৃত্ত। সংস্কৃত নাটকৰ আৰ্হিত নাটক ৰচিলে নহ'ব। সাধাৰণ অনাক্ষৰী দৰ্শকৰ বাবে তেনে নাটৰ গুৰুত্ব নাথাকিব। অন্যহাতে তেওঁৰ থলুৱা ভাষাটিও নিজৰ ভাৰত কিয় সৰল হ'ব পৰা হোৱা নাই। এনে প্ৰতিটো সমস্যাই পত্নী-প্ৰসাদ নাটকত প্ৰকট।

এইখিনিতে আৰু এটা কথা মনত ৰাখিব লাগিব। উক্ত সময়ছোৱাত সংস্কৃত নাটকৰ বাবে এক পতনমুখী পৰ্ব। বিশেষকৈ ধ্ৰুপদী সংস্কৃত নাটকৰ জনপ্ৰিয়তা অনুক্ৰমে হ্ৰাস পাইছিল উক্ত সময়ছোৱাত। এয়া ভাৰতবৰ্ষৰ এক বিস্তৃত অংশত মুছলমান শাসকসকলৰ জয় জয় ময় ময় স্থিতি। মুছলমানৰ ৰাজত্বকালত সংস্কৃত চৰ্চাৰ বাবে ৰাজ পৃষ্ঠপোষকতাও নাথাকিল। সংস্কৃত নাটকৰ ঠাই দখল কৰিলে প্ৰাকৃত নাটকে। এনে পৰিৱেশত সংস্কৃত ভাষাৰ পঠন-পাঠনো নোহোৱা হ'ল। সংস্কৃত ভাষা জনা বা বুজা লোকৰ সংখ্যাও কমিল। এতেকে নাট্যকাৰ এগৰাকীয়েও নিতান্ত সাধাৰণ দৰ্শকৰ ৰুচি আৰু মানসিকতাৰ প্ৰতি দৃষ্টি ৰাখিহে নাট ৰচনা কৰিবলগীয়া হ'ল। অৱশ্যে এই কথাও সঁচা যে গুৰুজনাৰ বাবে সাধাৰণ অনাক্ষৰী মানুহখিনিহে অধিক গুৰুত্বপূৰ্ণ। তাৰাৰ এনে পটভূমিতেই পত্নী-প্ৰসাদ নাটকৰ ৰচনা।

নাটখনত কাহিনী বা 'প্লট' বুলিবলৈ এটি সুনিৰ্দিষ্ট ঘটনাক্ৰম বা কথাবস্তু নাই। তেওঁৰ সন্মুখত থকা অসমৰ বাৰেবৰণীয়া জনজীৱনৰ বাবে গ্ৰহণযোগ্য বা উপভোগ্য হোৱাকৈ নাট ৰচনা কৰিবলৈ হ'লে এটি মিশ্ৰিত ভাষাৰ প্ৰয়োজন। পত্নী-প্ৰসাদ নাটকৰ ভাষা স্থানীয় কামৰূপী আৰু ব্ৰজাৱলীৰ এটি মিশ্ৰিত ৰূপ। তেনে উদ্ভাৱনা কৰিবলৈ যাওঁতে গুৰুজনাই সংস্কৃত পটভূমিৰ পৰা সম্পূৰ্ণৰূপে নিস্কৃতি পোৱা বুলিবও নোৱাৰি। ইমানৰ পিছতো গুৰুজনাৰ লক্ষ্য স্পষ্ট। তেওঁৰ লক্ষ্য অসমৰ সাধাৰণ মানুহ। অসমৰ নিজস্ব জনগণ। তেওঁৰ লক্ষ্য নৱ-বৈষ্ণৱ আদৰ্শ জনগণৰ সত্তাত নৱবৈষ্ণৱ আদৰ্শৰ মূল কথা ভক্তি।

নাটকৰ কাহিনীৰ উৎস হ'ল ভাগৱত পুৰাণৰ দশম স্কন্ধ। চৰিত্ৰৰ সংখ্যা সীমিত। মূল চৰিত্ৰ শ্ৰীকৃষ্ণ। অন্যান্য চৰিত্ৰৰ ভিতৰত বলোৰাম, দ্বিজবৃন্দ, চন্দ্ৰভাৰতী, দেৱতাসকল, গোপবালকবৃন্দ। নাটকৰ সূচনা ঘটে সংস্কৃত শ্লোকেৰে এটি কৃষ্ণ বন্দনৰ মাধ্যমেৰে--

'লক্ষ্যা ওক নতো সতঃ তৱ পদে ভৱভৱাভঙ্গকে
ৱন্দে সন্দানিৱাসৱাস দনুজশ্ৰীকচ্ছিদা গৰ্বিত।
পদ্মামোদন সুন্দৰেন্দু দলিত প্ৰায়প্ৰকাশ, প্ৰভো,
ভোগব্যালৱলাৱলেপ পৰমাকেনামৃতং দেহি ভোঃ।।

সংস্কৃত শ্লোকটিৰ পিছতেই এটি ভটিমা--

জয় জয় যদুকুল কমল প্ৰকাশক
নাসক কংসক প্ৰাণ।
জয় জয় জগতক ভকতক ভিত্তি
নিতিকৰু নিৰুজান।।

সূচনা ভটিমাটিৰে নাট্যকাৰে শ্ৰীকৃষ্ণৰ ৰূপ লীলাৰ বৰ্ণনা কৰিছে এক সুন্দৰ কাব্যিক ভাষাৰ মাজেৰে। লক্ষ্যণীয় কথা, ওপৰোক্ত ভটিমাটি কালিদমন নাটতো বিদ্যমান।

প্ৰথম ভটিমাটিৰ পিচতেই নাটকত সূত্ৰধাৰৰ উপস্থিতি। সূত্ৰধাৰে নাটকৰ কথাবস্তুৰ লগতে কাহিনীৰ অংশবিশেষৰ আগজাননী দি যায়। পত্নীপ্ৰসাদ নাটকৰ মূল কথাবস্তুৰ বিষয়ে সূত্ৰধাৰে ঘোষণা কৰে--

আহে সামাজিক লোক ঃ জোহি জগতক পৰমগুৰুঃ পুৰুষোত্তম ঃ সোহি নন্দনন্দন ৰূপে কহোঁ ঃ অন্ন প্ৰাৰ্থনা চলে ঃ বিপ্ৰসৰ্বক কমী গৰ্ব দুৰ কয়ল ঃ পত্নীসৱক পৰম প্ৰসাদে দেলহ ঃ বালক সবক ষড়ৰস অন্নভোজন কৰাৱল ঃ সোহি পত্নীপ্ৰসাদ নাম নাট ঃ ওহি সভামধ্যে কৌতুকে কৰব ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰিবোল হৰি।

সূত্ৰধাৰে উক্ত ঘোষনাৰ নাটকৰ কথাবস্তুৰ পৰিচিতি দাঙি ধৰে। তাৰ পিছতেই নাটকৰ পদ গীতৰ পৰিৱেশন কৰা হৈছে। তাৰ পিছতেই সূত্ৰধাৰে বিপ্ৰসকলে কৰা যাগযজ্ঞ

আৰু গোপনন্দনসকলৰ সহিত শ্ৰীকৃষ্ণৰ প্ৰৱেশৰ কথা ঘোষণা কৰে ঃ

ঐচন প্ৰৱেস কয়ে বিপ্ৰসব যজ্ঞ কৰিতে লাগলঃ।।
তদন্তৰে ৰামকৃষ্ণ গোপগণ সহিতে যৈচে প্ৰৱেশ কয়লঃ
তা দেখহঃ সুনহ ঃ নিৰন্তৰে হৰিবোল হৰি।।

তাৰ পিছতেই দেখুওৱা হৈছে যে গোপবালক সকলে কৃষ্ণক কৈছে-- তুমি আমাৰ পৰম জীৱন। আজি ৰাতিপুৱা আমাৰ একো খোৱা নহ'ল। দধি, দুগ্ধ আৰু অন্ন লগতো অনা নহ'ল। আমি ক্ষুধাতুৰ। গতিকে কৃষ্ণ, খোৱাৰ কথা কিবা চিন্তা নকৰানে? তেতিয়া শ্ৰীকৃষ্ণই হাঁহিমুখেৰে সখীসকলক উপদেশ দিলে 'মই যি কৈছো ভালদৰে শুনা। দেখিছানে সৌ আশ্ৰমৰ ভিতৰত বিপ্ৰসকলে স্বৰ্গপ্ৰাপ্তিৰ বাবে যজ্ঞ আৰম্ভ কৰিছে। বিপ্ৰসকল বেদ শাস্ত্ৰত পাৰ্গত। তেওঁলোকৰ জ্ঞান অসীম। তোমালোকে দাদা বলোৰাম আৰু মোৰ কথা কৈ অন্ন প্ৰাৰ্থনা কৰিবা।'

ওহি আশ্ৰমক মধ্যে বিপ্ৰসৱ স্বৰ্গকামে যজ্ঞ কৰিতেচেঃ
বেদ শাস্ত্ৰত পাৰ্গত ঃ পৰম সম্পন্ন ঃ তাৰাসবক আগে
ঃ দদাৰ হামাৰ নাম ধৰি ঃ অন্ন প্ৰাৰ্থনা কৰ গিয়া।।

শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি গোপবালকলকলে আশ্ৰমত পদাপৰ্ণ কৰিলে। বিপ্ৰসকলক প্ৰণাম জনালে আৰু অন্ন প্ৰাৰ্থনা কৰিলে।

বিপ্ৰসকলে গোপবালকসকলৰ অন্ন প্ৰাৰ্থনা কাণেৰে শুনিও নুশুনাৰ ভাও জুৰিলে। গোপবালক সকলৰ কোনো কথাতেই তেওঁলোকে গুৰুত্ব নিদিলে। এনেতে চন্দ্ৰ ভাৰতী নামৰ ব্ৰাহ্মণ এগৰাকীয়ে খঙত অগ্নিশৰ্মা হৈ গোপ বালকসকলক ক'লে, 'মই বেদ শাস্ত্ৰত পাৰ্গত। যাগযজ্ঞ দান কাৰ্যৰ দ্বাৰা অতি পৱিত্ৰ ব্যক্তি। সকলোৱে আমাৰ শ্ৰদ্ধাভক্তি কৰে। নন্দ নন্দন শ্ৰীকৃষ্ণ আমাক সন্মুখত কোন কুটা।'

এই কথা শুনি গোপবালকসকল দুখী হ'ল। তেওঁলোকে ভাবিলে- 'শ্ৰীকৃষ্ণৰ এনে নিন্দা অসহনীয়। তেওঁলোকে বিপ্ৰৰ স্থান এৰি পুনৰ কৃষ্ণৰ কাষ পালে। তেওঁলোকে কৃষ্ণক অৱগত কৰিলে- 'হে কৃষ্ণ, তুমি আমাক অপমানিত কৰালা। আমাক অবৈষ্ণৱ স্থানলৈ পঠালা। বিপ্ৰসকল কৰ্মগৰ্বত আত্মবিভোৰ। তেওঁলোক দাম্ভিক। তেওঁলোকে তোমাৰ কথাক গুৰুত্বই দিয়া নাই।'

গোপবালসকলৰ কথা শুনি কৃষ্ণ অলপ সময় নীৰৱে ৰ'ল। গোপ বালকসকলক হতাশ নহ'বলৈ পৰামৰ্শ দিলে। আৰু ক'লে- ' হে সখীগণ, তোমালোক হতাশ নহ'বা। বিপ্ৰ পত্নীসকলৰ ওচৰলৈ যোৱা। তেওঁলোক মোৰ প্ৰতি অনুৰাগী। তেওঁলোকৰ দেহটোহে ঘৰত থাকে। তেওঁলোক মন হৃদয় মোৰ প্ৰতি অনুৰাগী। তেওঁলোকৰ ওচৰলৈ গ'লে তোমালোকে প্ৰচুৰ অন্ন পাবা, অনেক সুখাদ্য ব্যঞ্জন পাবা।'

কৃষ্ণৰ উপদেশ মতে গোপবালকসকলে বিপ্ৰ পত্নীসকলৰ ওচৰলৈ লৰি গ'ল। ক'লে- 'হে মাতৃসকল। আমি ক্ষুধাতুৰ। কৃষ্ণই অন্ন খুজি আপোনালোকৰ ওচৰলৈ পঠিয়াছে।

এই কথা শুনি বিপ্ৰ পত্নীসকল বিশেষভাৱে আনন্দিত হ'ল। তেওঁলোক বালকসকলৰ ওচৰত আনন্দেৰে থিয় হ'ল। ক'লে- 'আমাৰ যে কি অপাৰ ভাগ্য। কৃষ্ণক নিজ চকুৰে দেখাৰ কি সুন্দৰ সুযোগ।'

বিপ্ৰ পত্নীসকলে কৃষ্ণ আৰু তেওঁৰ সখীসকলৰ ভোজনৰ বাবে বিধে বিধে সুগন্ধি অন্ন, ব্যঞ্জন, পিঠা-পনা, পৰমান্ন আদি অনেক খাদ্যবস্তু লৈ শ্ৰীকৃষ্ণৰ মুখ দৰ্শন কৰিবলৈ উদ্‌বাউল হৈ উঠিল। তেওঁলোকৰ মুখত বিমল আনন্দ, তেওঁলোকে শ্ৰীকৃষ্ণক সাক্ষাত কৰিবলৈ সুবিধা পালে।

হাসি হাসি চলে মাই ঃ হৰি দৰসন লায়ী
প্ৰেমে পুলক কাই ঃ নয়ন ঝুৰাইতে জাই।।

বিপ্ৰপত্নীসকলে আনন্দত বিভোৰ হৈ কৃষ্ণ দৰশনৰ বাবে ওলাল। বাধা প্ৰদান কৰিলে ব্ৰাহ্মণসকলে। বিপ্ৰপত্নীসৰক তেওঁলোকে ভৰ্ৎসনা কৰিলে- 'হে ব্ৰাহ্মণীসৱ, তোমালোকে কি দেখিলা, কি শুনিলা? যজ্ঞ কাৰ্যৰ প্ৰতি পিঠি দি এজন গোৱালৰ ল'ৰাৰ পিচে পিচে যাবলৈ যত্ন কৰিছা। তোমালোক ভ্ৰষ্টাচাৰী।'

বিপ্ৰপত্নীসকলক তেওঁলোকৰ স্বামীসকলে, পুত্ৰসকলে আৰু ভাতৃসকলে কৃষ্ণ দৰশনত তীব্ৰ বাধা প্ৰদান কৰিলে। এগৰাকী ব্ৰাহ্মণে আকৌ তেওঁৰ পত্নীক কৃষ্ণ দৰশনৰ বাবে বাহিৰলৈ যাব নোৱাৰাকৈ ঘৰৰ ভিতৰতে দুৱাৰ খিৰিকি বন্ধ কৰি থ'লে। দুঃখ বেদনাত সেই বিপ্ৰনাৰীয়ে প্ৰাণত্যাগ কৰিলে। শেষত তেওঁৰ স্বামী বিপ্ৰই নিজৰ পত্নীৰ মৃত্যুত কান্দিবলৈ ধৰিলে। কিন্তু সৰহ সংখ্যক বিপ্ৰপত্নীয়েই সকলো বাধা নেওচি কৃষ্ণ দৰশনৰ

হেতু ওলাই আহিল। হৰি ভকতক কোনে বাধা দি ৰাখিব পাৰে? বহু বিপ্ৰনাৰীয়ে কৃষ্ণৰ বাবে আচুতীয়াকৈ অনা সুখাদ্য অন্ন, ব্যঞ্জনেৰে কৃষ্ণক খুৱাই আনন্দত মতলীয়া হৈ পৰিল। কৃষ্ণ ভক্তিত তেওঁলোক গদগদ হৈ পৰিল। কৃষ্ণও বিপ্ৰপত্নীসকলৰ শ্ৰদ্ধা ভক্তিত বশ হৈ পৰিল।

কৃষ্ণই বিপ্ৰ নাৰীসকলক উদ্দেশ্যি ক'লে- 'তোমালোকে সকলো বাধা-বিঘিনি নেওচি আমাৰ কাষ পালা। তোমালোক ভাগ্যৱতী। মইনো তোমালোকৰ কি উপকাৰ সাধন কৰিব পাৰিম? তোমালোকে তোমালোকৰ পতি, পুত্ৰ আৰু সুহৃদসকলৰকোনো বাধা নামানি মোৰ ওচৰলৈ আহিলা। তোমালোক মোৰ পৰম ভকত। তোমালোকৰ গাত প্ৰকৃত ভকতৰ লক্ষণ নিহিত। এতিয়া তোমালোকে ব্ৰাহ্মণসকলৰ যজ্ঞ অনুষ্ঠানলৈ যাব পাৰা। মইও সন্মতি প্ৰদান কৰিছোঁ।'

ব্ৰাহ্মণীসকলে উত্তৰত ক'লে- 'হে কৃষ্ণ, তুমি ইমান কঠোৰ হৈছা কিয়? বেদ শাস্ত্ৰৰ কথা আমি একো নাজানো। আমাক এইদৰে এৰি নিদিবা। আমাৰ স্বামী পুত্ৰই এতিয়া আমাক কোনো স্থান নিদিব। আমি নিজৰ ঘৰলৈ কেনেকৈ উভতি যাম? আমাক তোমাৰ চৰণত তুলসী দৰে ৰাখি থোৱা। আমি তোমাৰ দাসী হৈ থাকিম।'

তেতিয়া কৃষ্ণই অভয়দান কৰি ক'লে- 'হে ব্ৰাহ্মণ পত্নীসকল, তোমালোকএতিয়া নিজ নিজ ঘৰলৈ উভতি যোৱা। চাবা এতিয়া তোমালোকৰ স্বামী আৰু পুত্ৰসকলে তোমালোকক কোনো কঠোৰ ব্যৱহাৰ নকৰিব। তোমালোক এতিয়া ঘৰলৈ যোৱা। ঘৰলৈ গ'লেই দেখিবা, তোমালোক স্বামী-পুত্ৰসকলৰ মনৰ পৰিৱৰ্তন ঘটিছে। তোমালোকে নিজৰ নিজৰ ঘৰলৈ গ'লেই প্ৰমাণ পাবা।'

ইতিমধ্যে সৰগৰ পৰা দেৱতাসকলো উপস্থিত হ'ল। তেওঁলোকেও বিপ্ৰপত্নীসকলক অভয়দান কৰি ক'লে- 'হে মাতৃসকল। তোমালোকক এতিয়া কোনেও বেয়া ব্যৱহাৰ নকৰিব। আমি জানো।'

এইবুলি দেৱসকল অন্তৰ্ধ্যান হ'ল। অৱশেষত ব্ৰাহ্মণ পত্নীসকল নিজ নিজ ঘৰলৈ উভটিল। তেওঁলোকৰ মনত দুঃখ। চকুত চকুপানী।

ঘৰত পত্নীসকলক দেখি, তেওঁলোকৰ কৃষ্ণ ভক্তি দেখি, ব্ৰাহ্মণ সকলো শিথিল হৈ পৰিল। তেওঁলোকে নিজৰ ভুলৰ ধৰিব পাৰিলে। তেওঁলোক যে কৰ্মগৰ্বত অন্ধ সেই কথাও তেওঁলোকে উপলব্ধি কৰিলে।

বিপ্ৰসৰে খেদ কৰি ক'লে যে, বেদশাস্ত্ৰৰ কোনো কথা নজনাকৈয়ো আমাৰ পত্নী নাৰীগণৰ হৃদয় মনত শ্ৰীকৃষ্ণৰ প্ৰতি পৰমভক্তি উদয় হৈছে। অথচ আমিহে পৰম অধম। আমি আমাৰ স্ত্ৰীগণতকৈয়ো অধম। আমি কৰ্মগৰ্বত অন্ধ। কৃষ্ণক আমি জানিবলৈ অপৰাগ হ'লো। যি কৃষ্ণ সৰ্ব যাগ-যজ্ঞৰ উৰ্ধত। বেদৰো উৰ্ধত। দেৱী লক্ষ্মীয়ে যাৰ চৰণৰ কিঙ্কৰী। সেই কৃষ্ণই আমাক অন্ন খুজি পঠিয়ালে। আমি তেওঁৰ অন্ন প্ৰাৰ্থনাক অৱজ্ঞা কৰিলো। আমাৰ বেদ জ্ঞানক ধিক্কাৰ। আমি বুদ্ধিহত। আনৰ কথা শুনি আমি সকলো হতবুদ্ধি। ব'লা আমি সকলো একেলগে ব্ৰজধামলৈ যাওঁ আৰু কৃষ্ণক সাক্ষাৎ কৰোঁহক। তেওঁৰ চৰণ অৰ্চো। কাতৰ মিনতি কৰো। কৃষ্ণ ভকত বৎসল। তেওঁ আমাৰ অপৰাধ ক্ষেমিব।'

এইবুলি ব্ৰাহ্মণসবে ব্ৰজধামলৈ যাবলৈ ওলাল। এনেতে এজন বৃদ্ধ ব্ৰাহ্মণে তেওঁলোক বাধা দিলে। ক'লে- 'হে ব্ৰাহ্মণসকল তোমালোকৰ বুদ্ধি ভ্ৰষ্ট হোৱা নাইতো। তোমালোকৰ এনে কথা শুনিলে ৰজা কংস এনেয়ে থাকিব নে? তোমালোকৰ এনে কথা তেওঁ সহ্য কৰিবনে? এই কথা শুনিলে ৰজা কংসই তোমালোকৰ সৰ্বস্ব হৰণ কৰিব। তোমালোকৰ জ্ঞাতিকুল ভ্ৰষ্ট হ'ব।'

এনে কথা শুনি ব্ৰাহ্মণসকল ভীতিগ্ৰস্ত হ'ল। তেওঁলোকে নিজ নিজ বাসগৃহতে শ্ৰৱণ-কীৰ্ত্তনত ৰত হৈ ৰ'ল। এই সময়খিনিতে কৃষ্ণই তেওঁৰ সখীসকলৰ সতে ভোজন কৰিলে। অৱশেষত সখীসকলৰ সৈতে গকুল যাত্ৰা কৰিলে। এইদৰে কৃষ্ণই অন্ন প্ৰাৰ্থনাৰ চলেৰে বিপ্ৰসবক পৰাভূত কৰিলে। তেওঁলোকৰ দৰ্প অহংকাৰ খৰ্ব কৰিলে। নাটকৰ যৱনিকাও ইয়াতেই।

এইখন নাটৰ মাজেৰেই গুৰুজনাৰ নাট্য প্ৰতিভাই এক বৃহৎ সম্ভাৱনাৰ বুনিয়াদ ৰচনা কৰিছে।■

লেখক- অধ্যক্ষ,
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী

# চতুৰ্বৰ্গ ঃ অৰ্থ কাম ধৰ্ম মোক্ষ

শ্ৰীকৈলাস দাস

ভাৰতীয় ধৰ্ম-দৰ্শনত চতুৰ্বৰ্গ বা চাৰি পুৰুষাৰ্থৰ কথা সঘনে পোৱা যায়। এই চাৰিটি বৰ্গ বা পুৰুষাৰ্থ হ'ল ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ। এই কেইটাক আমি প্ৰমূল্য বুলিও ক'ব পাৰো। আমি একে উশাহতে ধৰ্ম-অৰ্থ-কাম-মোক্ষ বুলি উচ্চাৰণ কৰো, হয়তো তাৎপৰ্য নুবুজাকৈয়ে। অথচ চতুৰ্বৰ্গৰ তাৎপৰ্য বুজাটো অতি দৰ্কাৰী। সামাজিক পাৰমাৰ্থিক দুয়ো দিশতে।

প্ৰথমে 'অৰ্থ'ৰ কথা। অৰ্থ মানে ধন-সম্পদ-- যাৰ যোগেদি ব্যক্তিয়ে কামনা আকাঙ্খা হেঁপাহ পূৰণ কৰে পাৰ্থিৱ জীৱনত। গতিকে অৰ্থ হ'ল সাধন (means), কামনা-বাসনা হ'ল সাধ্য (end)।

দ্বিতীয়তে 'কাম'ৰ কথা। 'অৰ্থ'ৰ সহায়ত মানুহে কামনা-বাসনা পূৰণ কৰে। খোৱাৰ বাবে খাদ্য, থকাৰ বাবে ঘৰ আৰু পিন্ধাৰ কাৰণে কাপোৰ 'কাম'ৰে অন্তৰ্গত। বংশ ৰক্ষাৰ বাবে সন্তান-কামনাও 'কাম'ৰ ভিতৰুৱা। গতিকে 'কাম' অবিহনে পাৰ্থিৱ জগত অচল। আৰু 'কাম'ৰ বাবে 'অৰ্থ' লাগে। তৃতীয়তে আহো 'ধৰ্ম'ৰ কথালৈ। এই প্ৰসঙ্গত কেইটামান প্ৰশ্ন তোলা যাওক। 'অৰ্থ' লাগে। আনক শোষণ কৰি অৰ্থ অৰ্জা উচিত নে? আনৰ ধন-সম্পদ চুৰি-ডকাইতিৰে নিজৰ কৰা উচিতনে? যিকোনো কামনা আদৰণীয় নে? পৰৰ দ্ৰব্যলৈ হেঁপাহ কৰা, চিকিৎসকে নিষেধ কৰা খাদ্য খোৱা উচিতনে? এনে প্ৰশ্নবোৰৰ উত্তৰ কোনে দিব? 'ধৰ্ম'ই দিব। 'ধৰ্ম'ই ক'ব- অসৎ উপায়ে ধন সম্পদ অৰ্জাটো বেয়া। লক্ষ্য মহৎ হ'লে, পথো পৱিত্ৰ হ'ব লাগে। সকলো কামনা-বাসনা ভাল নহয়। লোভ-লালসা বেয়া। পৰদ্ৰব্য খেৰ-কুটা বুলি মানিব লাগে।

গতিকে 'ধৰ্ম' এবিধ নৈতিক প্ৰমূল্য। ধৰ্ম বুলিলে সাধাৰণতে আমি যি বুজো, সেয়া চতুৰ্বৰ্গৰ অন্যতম বৰ্গ 'ধৰ্ম'ই নুবুজায়। গতিকে 'ধৰ্ম' মানে আচাৰ-অনুষ্ঠান নহয়, উচিত-অনুচিতৰ বিধান দিয়া এবিধ প্ৰমূল্যহে। এনে কেতবোৰ প্ৰমূল্য হ'ল-- সত্য, দয়া, ক্ষমা, ত্যাগ, সন্তুষ্টি, সৰলতা, শম, দম, সমতা, সহনশীলতা, শ্ৰদ্ধা, উদাৰতা ইত্যাদি। 'ধৰ্ম'ৰ এনে অৰ্থতে কৃষ্ণই গীতাত কৈছে-- 'ধৰ্ম্মাবিৰুদ্ধো ভূতেযু কামোহস্মি ভৰতৰ্ষভ।।' (৭/১১) অৰ্থাৎ-- হে অৰ্জুন, মই প্ৰাণীবিলাকৰ ধৰ্ম অবিৰুদ্ধ কাম বা বাসনা। ভগৱান কৃষ্ণই ধৰ্ম-সন্মত 'কাম'ক স্বীকৃতি দিছে।

গতিকে 'ধৰ্ম'ই সমৰ্থন কৰা 'অৰ্থ' বা ধন-সম্পত্তি আৰু 'কাম' বা বাসনা অভিলাসকহে ভাৰতীয় পৰম্পৰাই স্বীকৃতি দিছে। এই স্বীকৃতি সমাজৰ কল্যাণৰ বাবেই মানুহৰ আধ্যাত্মিক উত্তৰণৰ বাবেই দিয়া হৈছে।

এতিয়া আহো অন্তিম বৰ্গ 'মোক্ষ'লৈ। 'ধৰ্ম'ৰ হাত ধৰিয়ে আমি মোক্ষলৈ আগবাঢ়িব পাৰোঁ। 'ধৰ্ম' সাধন, 'মোক্ষ' সাধ্য। মোক্ষৰ আন নাম মুক্তি বা অপবৰ্গ। মুক্তি পাঁচবিধ-- সালোক্য, সাৰূপ্য, সামীপ্য, সাৰ্ষ্টি আৰু লীন বা সাযুজ্য।

| | | |
|---|---|---|
| সালোক্য | ঃ | ঈশ্বৰৰ সৈতে একে লোকত বাস |
| সাৰূপ্য | ঃ | ঈশ্বৰৰ সৈতে একে ৰূপ লাভ |
| সামীপ্য | ঃ | ঈশ্বৰৰ কাষত স্থান লাভ |
| সাৰ্ষ্টি | ঃ | ঈশ্বৰৰ সৈতে একে ঐশ্বৰ্য অৰ্থাৎ স্বাতন্ত্ৰ্য, সৰ্বজ্ঞতা আদি লাভ। |
| লীন | ঃ | ঈশ্বৰত মিলি যোৱা |

মহাপুৰুষ শঙ্কৰদেৱৰ 'একশৰণ হৰিনাম ধৰ্ম'ত লীন মুক্তি আদৰণীয় নহয়। কাৰণ লীন মুক্তি পালে, জীৱ-ঈশ্বৰ এক হৈ যায়, ভক্তিৰস পান কৰাৰ সুবিধা নাথাকে।

'নলাগে লীন মুকুতিক তথা।
নাহি হৰিপদ পঙ্কজ যথা।'-- কীৰ্ত্তন-১১৩

কিন্তু আনকেইবিধ মুক্তিত ভক্তিৰস পানৰ সুবিধা আছে-

'মুকুত সকলো গাৱে হৰিনাম
ৰসত অধিক জানি। ঘোষা-২৫১

পিচে গুৰুজনাৰ ধৰ্ম নিষ্কাম ধৰ্ম। ভকতে অৰ্থ কামতো নিবিচাৰেই, আনকি মুক্তিকো নিবিচাৰে। 'মুক্তিতো নিস্পৃহ যিটো সেই ভকতক নমো' বুলি মাধৱ পুৰুষে ঘোষাৰ আৰম্ভণিতে সেৱা জনাইছে। পিচে ভকতৰ মুক্তি মিলে নিবিচৰাকৈয়ে। সেয়ে মুক্তি 'অৱান্তৰ ফল।' মাধৱ পুৰুষে ঘোষাত আকৌ কৈছে--

'গোৱিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰপৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিজৰা
হৰিনামে মূল ধাৰা।'

গতিকে চতুৰ্বৰ্গ বা চাৰি পুৰুষাৰ্থ সাধনা কৰি, ভকতে হৰিনামৰ প্ৰেম-অমৃতৰ নদীত অৱগাহন কৰিব পাৰে।

প্ৰৱন্ধৰ শিৰোণামাত অৰ্থ-কাম-ধৰ্ম-মোক্ষ বুলি লেখা হৈছে। এই কাৰণেই যে অৰ্থৰপৰা কাম, কামৰ পৰা ধৰ্ম আৰু ধৰ্মৰপৰা মোক্ষলৈ-- প্ৰমূল্যকেইটিৰ ক্ৰম উত্তৰণ ঘটিছে। যদি ধৰ্ম-অৰ্থ-কাম-মোক্ষ বুলি কোৱা হয়,তেন্তে চমুকৈ আমি অৰ্থ কৰিব পাৰো এইবুলি-- ধৰ্মসন্মত অৰ্থ আৰু কামে মোক্ষৰ দুৱাৰ মুকলি কৰে।■

লেখক- জ্যেষ্ঠ অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও
প্ৰাক্তন সম্পাদক,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সাহিত্য শাখা।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সাম্য, মৈত্ৰী আৰু আধ্যাত্মিকতত্ত্ব দৰ্শনৰ পথ প্ৰদৰ্শক

শ্ৰীউৎপলা দেৱী

**প্ৰস্তাৱনা ঃ**

শ্ৰীমন্তশঙ্কৰদেৱ ভাৰতবৰ্ষৰ যেনেদৰে এজন বিশিষ্ট ধৰ্মীয় নেতা তেনেদৰে সৰ্বকালৰ এজন মহান অসমীয়া। তেখেত একেধাৰে কবি, নাট্যকাৰ, শাস্ত্ৰজ্ঞ, গীতিকাৰ, চিত্ৰকৰ, সঙ্গীতজ্ঞ, স্থপতিবিদ হোৱাৰ উপৰিও তেখেত আছিল সমাজ সংস্কাৰক, আধ্যাত্মিক আৰু মানসিক শান্তি প্ৰদান কৰোঁতা, সমাজত ঐক্য সংহতি স্থাপন কৰোঁতা, জাতীয় জীৱনৰ ভেটি নিৰ্মাণ কৰোঁতা আৰু কলা-সংস্কৃতিৰ মাধ্যমৰে নান্দনিক সৌন্দৰ্যৰ ৰস যোগাওঁতা। ধৰ্ম প্ৰচাৰেই শঙ্কৰদেৱৰ প্ৰধান উদ্দেশ্য আছিল যদিও এই উদ্দেশ্য সফল কৰিবলৈ তেখেতে সাহিত্য আৰু কলা সংস্কৃতিক আধাৰ হিচাপে লৈছিল।

শঙ্কৰদেৱ আছিল বিশাল ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ এই ব্যক্তিত্বৰ অন্তৰালত ভালেমান উপাদানে ক্ৰিয়া কৰিছিল। কোনো এজন ব্যক্তিৰ ব্যক্তিত্ব মূলতঃ তেওঁৰ সমাজৰ ওপৰত থকা প্ৰভাৱৰ দ্বাৰাই নিৰূপণ কৰা হয়। শঙ্কৰদেৱৰ ব্যক্তিত্বৰ আঁৰত ক্ৰিয়া কৰা উপাদান বিলাক হ'ল-- বংশগত আৰ্থিক আৰু সামাজিক প্ৰতিপত্তি, জন্মগত মেধা, ব্যক্তিগত আধ্যাত্মিক আৰু যোগসাধনা, অধ্যয়নজনিত পাণ্ডিত্য, তৎকালীন ৰাজনৈতিক আৰু প্ৰশাসনীয় জ্ঞান, ভ্ৰমণৰ পৰা আহৰণ কৰা অভিজ্ঞতা, সমাজ সচেতন এটি মন আদি অনেক উপাদানে ক্ৰিয়া কৰি তেখেতৰ বিশাল ব্যক্তিত্বক গঢ় দিছিল।

খৃষ্টীয় পঞ্চদশ শতিকাৰ সময়ছোৱাত সমগ্ৰ ভাৰতবৰ্ষতে বৈষ্ণৱ আন্দোলনে গা কৰি উঠিছিল। তাৰো আগতে খৃষ্টীয় সপ্তমৰ পৰা দশম শতিকামানৰ ভিতৰত তামিলৰ আলৱাৰ ভক্তসকলে বৈষ্ণৱ ধৰ্মক জনপ্ৰিয় কৰি তুলিছিল। তেওঁলোকে প্ৰেম আৰু ভক্তিক বিশেষ স্থান দিছিল। মূলতঃ তেওঁলোক বাল-কৃষ্ণৰ উপাসক আছিল। দাক্ষিণাত্যত অঙ্কুৰিত হোৱা এই ভক্তিৰ বীজেই কালক্ৰমক পত্ৰে-পুষ্পে বিকশিত হৈ সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰ লাভ কৰি ভাৰতীয় জাতীয় জীৱনত এক নতুন যুগৰ সূচনা কৰিছিল। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে এই সময়ছোৱাত পূব-ভাৰততো ভক্তি আন্দোলনে গা কৰি উঠে আৰু অসমলৈ এই ভক্তি আন্দোলনৰ সোঁত বোৱাই আনে শঙ্কৰদেৱে। শঙ্কৰদেৱে সৰ্বভাৰতীয় বৈষ্ণৱ ধাৰাক অসমীয়া জনসাধাৰণৰ মাজলৈ আনি অসমীয়া মানুহক সীমাবদ্ধতাৰ পৰা মুক্ত কৰি পেলালে।

ভাৰতবৰ্ষৰ প্ৰাচীন গ্ৰন্থসমূহে প্ৰাচীন কালৰ পৰাই আধ্যাত্মবাদৰ যি শিক্ষা দি আহিছে সি পৃথিৱীৰ গুণী-জ্ঞানী মনীষীসকলক সদায়ে আকৰ্ষণ কৰি আহিছে। বেদ, উপনিষদ, মহাকাব্য, পুৰাণ আদিৰ মাজেৰেই ভক্তি ধৰ্মই বিকাশ লাভ কৰে। শঙ্কৰদেৱৰ আগৰ শঙ্কৰাচাৰ্য, মাধৱাচাৰ্য, নিম্বকাচাৰ্য আদিয়ে বেদান্তৰ টীকা ভাষ্য কৰিছিল। এইসকলৰ প্ৰভাৱ শঙ্কৰদেৱৰ ওপৰতো নিশ্চয় পৰিছিল। খৃঃ পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষত যি ভক্তি আন্দোলনে গঢ় লৈ উঠিছিল অসমৰ ভক্তি আন্দোলনো সেই বহুধা পল্লৱিত ভক্তি আন্দোলনৰে এটা শাখা মাথোন।

শঙ্কৰদেৱৰ ভক্তি ধৰ্ম প্ৰচাৰৰ সময়ছোৱাত সৰু বৰ অনেক ৰাজনৈতিক সংঘাতৰ ফলত সামাজিক অস্থিৰতাৰ সৃষ্টি হোৱাৰ উপৰিও ব্ৰাহ্মণ্য ধৰ্মৰ নানা দেৱ-দেৱী আৰু থলুৱা জনগোষ্ঠীসমূহৰ তান্ত্ৰিকতাৰ বিশ্বাসত অসমৰ জনগাঠনি শতধা বিভক্ত হৈ পৰিছিল। তেনে পৰিস্থিতিত শঙ্কৰদেৱে একশৰণ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰেৰে জাতি ধৰ্ম নিৰ্বিশেষে সকলোকে একেডাল ডোলেৰে বান্ধিবলৈ সক্ষম হৈছিল।

শঙ্কৰদেৱৰ ধৰ্ম আৰু সাহিত্য একেটা মুদ্ৰাৰে ইপিঠি-

সিপিঠিৰ দৰে। এটাক বাদ দি আনটোক আলোচনা কৰা টান। আনহাতে শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ অৰ্থে বিবিধ সাহিত্য ৰচনা কৰাৰ লগে লগে নৃত্য, গীত, ভাওনা, স্থাপত্য-ভাস্কৰ্য আদি বিভিন্ন দিশৰ ওপৰতো গুৰুত্ব দিছিল। শঙ্কৰদেৱৰ এই বিবিধ কৰ্মৰাজিয়ে জনসাধাৰণক আধ্যাত্মিক, মানসিক আৰু নান্দনিক সুখ-আনন্দ প্ৰদান কৰিছিল লগতে তৎকালীন সমাজৰ সংস্কাৰ সাধন কৰি জনসাধাৰণৰ মাজত ঐক্য সংহতি স্থাপন কৰি কল্যাণ সাধিছিল। জনসমাজত সুখ-শান্তি আৰু ঐক্য-সংহতি স্থাপন কৰি কেনেদৰে মানুহৰ কল্যাণ সাধন কৰিছিল এই বিষয়ে তলৰ দুটা দিশত আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

**১. সাহিত্য কৰ্মৰ মাজেৰে আধ্যাত্মিক, মানসিক আৰু নান্দনিক সুখ আৰু আনন্দ প্ৰদান।**

**২. কলা-সংস্কৃতিৰ মাধ্যমেৰে সমাজ সংস্কাৰ আৰু ঐক্য-সংহতি স্থাপন।**

**১. সাহিত্য কৰ্মৰ মাজেৰে আধ্যাত্মিক, মানসিক আৰু নান্দনিক সুখ আৰু আনন্দ প্ৰদান ঃ**

শঙ্কৰদেৱৰ সাহিত্য কৰ্মৰাজিক মূলতঃ কাব্য; ভক্তি তত্ত্বমূলক ৰচনা, অনুবাদমূলক, অঙ্কীয়া নাট, গীত, নাম-প্ৰসঙ্গৰ পুথি আদি ভাগত ভাগ কৰি দেখুৱাব পাৰি। শঙ্কৰদেৱে তেখেতৰ সাহিত্যৰ আটাইবোৰ ভাগৰ মাজেৰে ভক্তি ধৰ্মৰ একমাত্ৰ ভজনীয় ঈশ্বৰ বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছিল। শঙ্কৰদেৱৰ ধৰ্মত ভগৱান বিষ্ণু হৈছে অনাদি অনন্ত, সকলো বিপদৰ পৰা ত্ৰাণ কৰোঁতা। একমাত্ৰ তেওঁক পূজিলেই সকলো মনোবাঞ্ছা পূৰ্ণ হয়। শঙ্কৰদেৱে কীৰ্ত্তনত কৈছে--

‘তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাৰ ব্যতিৰেক।।’ পদ/৫১৯

শঙ্কৰদেৱে তেখেতৰ সাহিত্যত বেদান্ত দৰ্শনৰ ব্ৰহ্মাক নাৰায়ণ, বিষ্ণু, কৃষ্ণ, হৰি আদি ৰূপত অঙ্কন কৰিছে। বেদান্ত দৰ্শনৰ অদ্বৈতবাদৰ ভিত্তিতে তেখেতৰ ভক্তি ধৰ্ময়ো প্ৰতিষ্ঠা লাভ কৰিছে। কীৰ্ত্তন বেদস্তুতি অংশত কবিজনাই কৈছে--

‘তোমাৰ অদ্বৈতৰূপ পৰম আনন্দ পদ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰ দাস জানি আৰে নৰহৰি
আমাক নেৰিবা কদাচিত।।
পদ /১৬৬৯

ভাগৱতত ভক্তিৰ শ্ৰেষ্ঠত্ব ঘোষিত হৈছে আৰু ন বিধ ভক্তিৰ কথা উল্লেখ কৰিছে--

‘শ্ৰৱণং কীৰ্ত্তনং ৱিষ্ণো স্মৰণং পাদসেৱনম।
অৰ্চনং বন্দনং দাস্যং সখ্যমাত্মনিৱেদনম্।।’
শ্ৰীমদ্ভাগৱত /৭।৫।২৩

শঙ্কৰদেদেও কীৰ্ত্তনৰ ‘ৰাসক্ৰীড়া’ত ভক্তিকে শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে--

‘ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এৰি সাৰ তত্ত্ব।।’
পদ /১০০৭

ভক্তিৰ ফলত হৃদয় একান্তভাৱে ভগৱানৰ প্ৰতি সমৰ্পিত হোৱাৰ ফলত জাগতিক সুখ সম্পদৰ প্ৰতি স্বাভাৱিকতে উদাসীনতা আহে আৰু হৃদয় পৰম শান্তিৰে ভৰি পৰে। শঙ্কৰদেৱৰ সাহিত্যতো শান্তৰসেই প্ৰাধান্যতা পাইছে যাক ভক্তসকলে ‘ভক্তিৰস’ বুলি কৈছে।

প্ৰাচীন ভাৰতৰ সাহিত্যিকসকলে সাহিত্য ৰচনা কৰোঁতে সমাজৰ প্ৰতিনিধি ‘সামাজিক’সকলক আগত ৰাখিহে সাহিত্য সৃষ্টি কৰিছিল। তেওঁলোকে সাহিত্যৰ যোগেদি পাঠক, শ্ৰোতা আৰু নাটকৰ ক্ষেত্ৰত দৰ্শকক আনন্দ প্ৰদান কৰাৰ উদ্দেশ্য আগত ৰখাৰ উপৰি সমাজৰ কল্যাণ সাধনেই তেওঁলোকৰ সাহিত্য সৃষ্টিৰ প্ৰধান উদ্দেশ্য আছিল। শঙ্কৰদেৱে শাস্ত্ৰৰ গভীৰ তত্ত্বসমূহ যাতে সকলোৱে শাস্ত্ৰ অধ্যয়ন নকৰাকৈয়ে অনুধাৱন কৰি পৰম কল্যাণকৰ পথৰ সন্ধান পাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য কৰ্মসমূহ কৰিছিল। কাব্যসমূহ ৰচনা কৰোঁতেও শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অনুকূলে একোটা জনপ্ৰিয় কাহিনীহে হৰিবংশ, মাৰ্কণ্ডেয় পুৰাণ, ভাগৱত পুৰাণ আদিৰ পৰা বাচি লৈছিল। এই কাব্যসমূহ শ্ৰৱণ কীৰ্ত্তন কৰি শ্ৰোতাসকলে পৰম আনন্দ লাভ কৰাৰ লগে লগে কঠিন তত্ত্ব কথাবোৰো হৃদয়ঙ্গম কৰিব পাৰিছিল আৰু আধ্যাত্মিক ভাৱনাৰে উদ্বুদ্ধ হৈ পৰম শান্তি লাভ কৰিছিল।

‘ভক্তি প্ৰদীপ’, ‘অনাদি পতন’, ‘নিমিনবসিদ্ধ সংবাদ’ আদিৰ মাধ্যমেৰে শঙ্কৰদেৱে ভাগৱত পুৰাণ আৰু গীতাৰ দুৰুহ তত্ত্ব কথাসমূহ সহজ সৰলভাৱে কৰা প্ৰকাশে তেখেতৰ অগাধ পাণ্ডিত্যৰ পৰিচয় দিয়ে। ভাগৱতত ব্ৰহ্মই হৈছে বিশ্বজগতৰ পৰমতত্ব। এই পৰমতত্ত্বই ভগৱান, ব্ৰহ্মা,

পৰমাত্মা আদি ৰূপত স্বীকৃত হৈছে। নিমিনৰসিদ্ধ সংবাদত শঙ্কৰদেৱে কৈছে--

'ব্ৰহ্ম পৰমাত্মা ভগৱন্ত একতত্ত্ব।
একেৰেসে তিনি নাম লক্ষণভেদত।।'

পদ/১৬৯

শ্ৰীমদ্ভাগৱত গীতাৰ শেষৰ ফালে 'মোক্ষ যোগ'ত কৃষ্ণই ঘোষণা কৰিছে--

সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।

গীতা- ১৮/৬৬

সকলো ধৰ্ম পৰিত্যাগ কৰি কেৱল কৃষ্ণত শৰণ ল'লে সকলো দুখৰ পৰা পৰিত্ৰাণ পাব পাৰি। এই একেই ভাৱ শঙ্কৰদেৱৰ সকলো সাহিত্য কৰ্মতে প্ৰকাশ পাইছে।

শঙ্কৰদেৱৰ বৰগীতসমূহ অসমীয়া সাহিত্যলৈ অপূৰ্ব দান। হৃদয়ৰ আৱেগময়ী প্ৰকাশ বৰগীত বিলাকৰ মাজত দেখা যায়। এফালে ক্ষণভঙ্গুৰ জীৱনৰ উপলব্ধি আনহাতে নিৰাকাৰ ব্ৰহ্মৰ প্ৰতি অন্তৰ বিগলিত হোৱা ভক্তি বৰগীতবিলাকৰ বৈশিষ্ট্য। সংসাৰৰ সকলো দুখ-কষ্টৰ পৰা পৰিত্ৰাণ পৰমব্ৰহ্মৰ চৰণ তলতহে পাব পাৰি। বৰগীতবিলাকত এনে ভাৱৰ সুন্দৰ পৰিস্ফুৰণ ঘটা দেখিবলৈ পোৱা যায়।

'পাৱে পৰি হৰি কৰোহো কাতৰি প্ৰাণ ৰাখবি মোৰ।
বিষয় বিষধৰ বিযে জৰাজৰ জীৱন নৰহে থিৰ।।'

বৰগীত নং-১৭

বৰগীতৰ ভাৱ আৰু ভাষাই সকলো শ্ৰেণীৰ মানুহৰ অন্তৰ আধ্যাত্মিক ভাৱেৰে ভৰাই তুলিছিল। বাণীকান্ত কাকতিয়ে কৈছিল- 'পাখি লগা কাড়ৰ দৰে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তে নৰ আধ্যাত্মিক ভাৱৰ গুটি সিঁচিছিল।' (বাণীকান্ত ৰচনাৱলী, পৃঃ ৪৫)

অসমীয়া গদ্য সাহিত্যৰ প্ৰথম নিদৰ্শন শঙ্কৰদেৱৰ নাটসমূহৰ মাজেৰেও গুৰুজনাই সকলো শ্ৰেণীৰ মানুহলৈ ভক্তিৰ মহিমা প্ৰচাৰ কৰাৰ লগতে আনন্দ বিনোদনৰ খোৰাকো যোগাইছিল। নাটৰ চৰিত্ৰসমূহৰ মাজত নিজকে বিচাৰি পায় সকলো শ্ৰেণীৰ মানুহৰ মন আনন্দ আৰু ভক্তিৰে সিক্ত হৈ পৰিছিল। 'শঙ্কৰদেৱৰ এইটো এটা মহৎ বৈশিষ্ট্যপূৰ্ণ অৱদান যে তেখেতে শাস্ত্ৰীয় নাট বিধানৰ লগত লোক নাট্যৰ শৈলী, সংস্কৃতৰ লগত জনবোধ্য ভাষা, সঙ্গীতময় গীত পদৰ লগত পৰিমাৰ্জিত গদ্যৰ অপূৰ্ব সমন্বয় ঘটাই বিদ্বৎমণ্ডলীৰ পৰা অশিক্ষিত চহালৈকে সকলোৰে আনন্দ বিধান কৰাৰ উপায় অঙ্কীয়া নাটৰ যোগেদি আৱিষ্কাৰ কৰিলে।' (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ১৪৬)

বিষ্ণুৰ মহিমা প্ৰচাৰ উদ্দেশ্য হ'লেও শঙ্কৰদেৱৰ সাহিত্য নান্দনিক গুণ বিবৰ্জিত সাহিত্য নহয়। বিষয়বস্তুৰ মনোৰম প্ৰকাশ, ছন্দ-অলঙ্কাৰৰ বিচিত্ৰতা, ভাৱৰ স্ফুৰণ ঘটাব পৰা শব্দ সম্ভাৰৰ প্ৰয়োগেৰে শঙ্কৰদেৱৰ আটাইবোৰ সাহিত্যই সকলোৰে মনত নান্দনিক সুখানুভূতিৰ উদ্ৰেক কৰিব পাৰে।

**২. কলা-সংস্কৃতিৰ মাধ্যমেৰে সমাজ সংস্কাৰ আৰু ঐক্য-সংহতি স্থাপন ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ ধৰ্মপ্ৰচাৰক, সাহিত্যিক আৰু কলা-সংস্কৃতিৰ সাধক হোৱাৰ বাদেও তেখেত আছিল সমাজ সংস্কাৰক আৰু সমাজত সুখ-শান্তি, ঐক্য-সংহতি স্থাপন কৰোঁতা। ধৰ্মৰ লক্ষ্য হৈছে সমাজ আৰু ব্যক্তি উভয়ৰে শান্তি, সমৃদ্ধি বৃদ্ধি কৰা। শঙ্কৰদেৱৰ অসাধাৰণ প্ৰতিভাৰ গুণতে তদানীন্তন সমাজৰ ধৰ্মীয় গোড়ামী, জাতি-জনগোষ্ঠীৰ মাজৰ বৈষম্য, ধৰ্মীয় অন্ধতা আদি এশ এবুৰি সমস্যাক আঁতৰাই সাম্যবাদী আদৰ্শেৰে যি এখন বৃহৎ অসমীয়া সমাজ গঠন কৰিছিল তেনে উদাহৰণ পৃথিৱীত বিৰল। শাস্ত্ৰৰ অসীম জ্ঞান, নৃত্য, সঙ্গীত বাদ্যযন্ত্ৰৰ ধ্বনিয়ে জাতিভেদ, অস্পৃশ্যতা, অন্ধবিশ্বাসৰ পাৰ ভাঙি ভক্তি ধৰ্ম আৰু সাম্যমৈত্ৰীৰ সোঁত বোঁৱাই দিব পৰাতেই শঙ্কৰদেৱৰ বিশ্বজনীন ৰূপ প্ৰকাশ পাইছে।

শঙ্কৰদেৱে বাৰ বছৰ ধৰি সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি নানান অভিজ্ঞতা সঞ্চয় কৰি আনে। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ ৰঙ্গানুষ্ঠানসমূহ দেখি শঙ্কৰদেৱে সংস্কৃত নাট্য সাহিত্যৰ উপাদান আৰু থলুৱা উপাদানৰ সংমিশ্ৰণত অভিনৱ ভাওনাৰ প্ৰৱৰ্তন কৰে। ভাওনাৰ মাধ্যমেৰে গুৰুজনাই সকলো শ্ৰেণীৰ লোকক একত্ৰিত কৰি তেওঁলোকৰ হৃদয়ত আধ্যাত্মিক আনন্দৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছিল।

শঙ্কৰদেৱৰ একশৰণ নামধৰ্মত জাতিভেদৰ গোন্ধ নাই। ভাগৱতৰ দ্বিতীয় স্কন্ধত জাত-পাত, উচ্চ-নীচ, পাপী-

তাপীৰ ভাৱনা যে একশৰণ নামধৰ্মৰ অন্তৰায় নহয়, সেই কথা উল্লেখ কৰিছে।

'কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ধোবাযে তুৰুক
কুবাচ ম্লেচ চণ্ডাল।।
আনো পাপীনৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।'
ভাগৱত, ২য় স্কন্ধ/৫৩,৫৪

সমসাময়িক সমাজৰ কোনো জাতি সম্প্ৰদায়কে আঘাত নিদিয়াকৈ শঙ্কৰদেৱে ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল আৰু সমাজত ঐক্য-সংহতিও স্থাপন কৰিছিল।

নামঘৰ অসমীয়া সমাজলৈ শঙ্কৰদেৱৰ অনুপম অৱদান। জ্যোতিপ্ৰসাদ আগৰৱালাই এই নামঘৰৰ আৰ্হি অসমীয়া স্থাপত্যৰ অমূল্য সম্পদ বুলি কৈছে। এই নামঘৰ কেৱল উপাসনাৰ থলীয়েই নহয়, নৈতিক আৰু সামাজিক সংগঠনতো নামঘৰৰ ভূমিকা আছে। নামঘৰক শিক্ষাৰো কেন্দ্ৰ বুলিব পাৰি। নামঘৰতে ভাওনাৰ আখৰা হয়। বাদ্যযন্ত্ৰৰ শিক্ষা দিয়া হয় আৰু নৃত্য-গীতৰো চৰ্চা হয়। কোনো ধৰণৰ বিভেদ নৰখাকৈ যোগ্যতাৰ ভিত্তিতহে কোনোবা গায়ন, কোনোবা বায়ন হয় অথবা কোনোবাই ভাওনাত ভাও ল'বলৈ পায়। এনে কৰাৰ ফলত সকলোৰে মাজত ঐক্য-সংহতি ৰক্ষিত হয়।

নৈতিক আৰু সামাজিক সংগঠনৰ দিশত সত্ৰসমূহৰো ভূমিকা গুৰুত্বপূৰ্ণ। সত্ৰসমূহ কেৱল ধৰ্ম প্ৰচাৰৰে ক্ষেত্ৰ নহয়, কলা সংস্কৃতিৰ শিক্ষা আৰু প্ৰশিক্ষণৰো পীঠ হিচাপে সত্ৰসমূহক গঢ়ি তোলা হৈছিল। সত্ৰসমূহ সাহিত্য চৰ্চাৰো কেন্দ্ৰ। এতিয়াও এনে বহু সত্ৰ আছে যিবিলাকত অলেখ হাতে লিখা, সাঁচিপতীয়া পুথি সংগ্ৰহিত হৈ আছে। তেনে দুখনমান সত্ৰ হ'ল ধেমাজি জিলাৰ 'তামোলবাৰী সত্ৰ', উত্তৰ লক্ষিমপুৰৰ 'আদি এলেঙি সত্ৰ', মাজুলিৰ নিকামুল এলেঙি সত্ৰ' ইত্যাদি।

কলাৰসিক শঙ্কৰদেৱ চিত্ৰকলা, নৃত্য, গীত সকলোতে পাৰ্গত আছিল। কথাগুৰু চৰিতত গুৰুজনাই 'চিহ্নযাত্ৰা' অভিনয় কৰাৰ কথা উল্লেখ আছে। এই অভিনয়ে স্ত্ৰী-পুৰুষ সকলোকে আকৰ্ষিত কৰাৰ কথা গুৰুচৰিতত এনেদৰে উল্লেখ আছে- 'ৰাত্ৰি দিন পুৰুষ-স্ত্ৰী অচিন হ'ল। বায়নত, নটুৱাত, সূত্ৰ, ওজা, নাৰদ এই চৈধ্যৰূপ হৈছে। লোক ৰায়তে দেখি অদ্ভুত আশ্চৰ্য হ'ল।' (কথাগুৰু চৰিত, পৃঃ ৩৭)। ইয়াৰোপৰি বৃন্দাবনী কাপোৰ তৈয়াৰ কৰা, ভাওনাৰ বাবে মুখা তৈয়াৰ কৰা আদিৰ বৰ্ণনাৰ পৰা ললিত কলা বিষয়ত শঙ্কৰদেৱৰ অৱদানৰ কথা অনুমান কৰিব পাৰি।

প্ৰখৰ ভাষাজ্ঞান থকা শঙ্কৰদেৱে তেওঁৰ নাট আৰু বৰগীত সমূহত ব্যৱহাৰ কৰা ভাষাটো আছিল 'ব্ৰজাৱলী ভাষা'। এই ভাষা শঙ্কৰদেৱে নিজৰ উৰ্বৰ মস্তিষ্কৰে সৃষ্টি কৰা ভাষাহে। অসমীয়া, মৈথিলী, অৱধী আদি ভাষাৰ এক মিশ্ৰিত ৰূপ যদিও শঙ্কৰদেৱে ব্ৰজাৱলীক এক নিজস্ব ৰূপ দি লৈছিল। এনে কৰাৰ ফলত শঙ্কৰদেৱৰ ব্ৰজাৱলী ভাষাই সৰ্বভাৰতীয় বৈষ্ণৱ সাহিত্যৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিছিল আৰু উত্তৰ ভাৰতৰ সৈতে অসমৰ ঐক্য সংহতিও স্থাপন হৈছিল।

**সামৰণি ঃ**

ব্যক্তিগত মেধা, অসীম শাস্ত্ৰজ্ঞান, নৃত্য, গীত, চিত্ৰকলা, স্থাপত্য, ভাস্কৰ্য আদি বিভিন্ন দিশত পাৰদৰ্শী শঙ্কৰদেৱে এক শৰণ হৰিনাম ধৰ্মৰ মাধ্যমেৰে 'স্বয়ং বিৰাট পুৰুষ বুলি নিজে পৰিচয় দিয়া গীতাৰ শ্ৰীকৃষ্ণক স্বয়ং ভগৱান বুলি স্বীকাৰ কৰি বেদৰ একেশ্বৰবাদ আৰ্য সত্যক মহাপুৰুষে আকৌ প্ৰতিষ্ঠিত কৰে'( বাণীকান্ত ৰচনাৱলী পৃ: ৩)। একমাত্ৰ বিষ্ণু বা কৃষ্ণকে স্বয়ং ভগৱান বুলি স্বীকাৰ কৰা শঙ্কৰদেৱৰ একেশ্বৰবাদী ধাৰণাৰ মাজত পৃথিৱীৰ সকলো ধৰ্মৰ মাজত থকা বিশ্বজনীন স্বৰূপ ফুটি উঠিছে। ধৰ্মীয় সহিষ্ণুতা আৰু সকলো জীৱৰ প্ৰতি সমভাৱ প্ৰৰ্দশনে সমাজত ঐক্য সংহতি স্থাপন কৰিব পাৰে। শঙ্কৰদেৱেও এই দুটা দিশত বিশেষ গুৰুত্ব দি ঐক্য সংহতিৰ মাজেৰে এখন বৃহৎ অসমীয়া সমাজ গঠন কৰিছিল। নামঘৰ আৰু সত্ৰ স্থাপনে অসমীয়া মানুহক আধ্যাত্মিক আৰু সামাজিক ভাৱেও এক গোট কৰিছিল। ধ্ৰুপদী আৰু লোক কলাৰ সংমিশ্ৰণত আশ্চৰ্য উদ্ভাৱনী শক্তি থকা শঙ্কৰদেৱে যি গীত, নাট, নৃত্যৰ সৃষ্টি কৰিছিল সিয়ো সংহতিৰ অপূৰ্ব নিদেৰ্শন। ধৰ্মৰ সৈতে স্থানীয় সংস্কৃতিক সংপৃক্ত কৰি সেই সময়ৰ সমাজৰ বাবে অনিষ্টকৰ ৰীতি-নীতিৰ সংস্কাৰ সাধন কৰি এক নতুন সাংস্কৃতিক পটভূমি

সৃষ্টি কৰি জাতিভেদ প্ৰথা আৰু ধৰ্মাচাৰণ প্ৰথাৰো সংস্কাৰ সাধন কৰিছিল।

বেজবৰুৱা, জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ আদৰ্শ পুৰুষ আছিল শঙ্কৰদেৱ। পৃথিৱীত যিমানবোৰ ধৰ্মপ্ৰচাৰকৰ জন্ম হৈছে, শঙ্কৰদেৱৰ বাহিৰে কোনো ইমানবোৰ গুণৰ অধিকাৰী নাছিল। বিষ্ণুৰাভাই সেয়েহে শঙ্কৰদেৱক পৃথিৱীৰ এজনমাত্ৰ মনিষী লিঅ'নাৰ্ড দা ভিন্সিৰ লগতহে ৰিজাইছিল। বিৰল ব্যক্তিত্বৰ অধিকাৰী শঙ্কৰদেৱক সেয়েহে ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত চিনাকি কৰি দিয়াৰ প্ৰয়োজন আছে। বিশ্বৰ সন্মুখলৈ নিবলৈ হ'লে তেখেতৰ ৰচনাৰাজি পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ ব্যৱস্থা কৰাৰ লগতে তেখেতৰ চিন্তা-চৰ্চাৰো গৱেষণা আৰু বাস্তৱবাদী মূল্যায়ন হ'ব লাগিব। তেতিয়াহে শঙ্কৰদেৱৰ বিৰল প্ৰতিভা বিশ্বৰ সন্মুখত প্ৰতিভাত হ'ব। সাম্প্ৰতিক কালৰ জাতি-জনগোষ্ঠীৰ মাজৰ অসূয়া-অপ্ৰীতিক শঙ্কৰদেৱৰ আদৰ্শেৰে নোহোৱা কৰাৰ প্ৰেৰণাও আমি লাভ কৰিব পাৰোঁ।


<u>সহায়ক গ্ৰন্থপঞ্জী</u> ঃ

১. মহিম বাৰ (সম্পাঃ) ঃ শঙ্কৰদেৱৰ নাট, প্ৰথম প্ৰকাশ, ১৯৮৯।
২. জ্যোতিন্দ্ৰ নাৰায়ণ দত্তবৰুৱা (প্ৰকাশিত) ঃ কীৰ্ত্তন, ১৮ সংস্কৰণ, ১৯৮৯।
৩. ড° কেশৱানন্দ দেৱগোস্বামী (সম্পাঃ) ঃ শ্ৰীমদ্ভাগৱত, প্ৰথম প্ৰকাশ ১৯৮৪।
৪. হৰি নাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ বৰগীত, ৯ম সংস্কৰণ, ১৯৮৪।
৫. ড° মুকুন্দ মাধৱ শৰ্মা (অনুবাদ) ঃ শ্ৰীমদ্ভগৱদ গীতা, তৃতীয় সংস্কৰণ, ১৯৯৬।
৬. ড° সত্যেন্দ্ৰনাথ শৰ্মা (সম্পাঃ) ঃ জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, দ্বিতীয় সংস্কৰণ, ১৯৮৬।
৭. ড° মহেশ্বৰ নেওগ (সম্পাঃ) ঃ বাণীকান্ত ৰচনাৱলী, ২য় প্ৰকাশ, ২০০৩।
৮. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ৪ৰ্থ প্ৰকাশ, ১৯৮৯।
৯. শ্ৰীউপেন চন্দ্ৰ লেখাৰু (সম্পাঃ) ঃ কথা গুৰুচৰিত, পঞ্চদশ সংস্কৰণ, ১৯৮৭।
১০. ড° নবীন চন্দ্ৰ শৰ্মা (সম্পাঃ) আদি দশম, প্ৰথম প্ৰকাশ, ১৯৮৯।
১১. ড° মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ, পঞ্চম সংস্কৰণ, ১৯৮৫।
১২. শিৰীষ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ) অসমৰ সত্ৰ পৰিচয়, প্ৰথম প্ৰকাশ, ২০০৪।
১৩. ড° শৈলেন ভৰালী ঃ অসমীয়া লোকনাট্য পৰম্পৰা, দ্বিতীয় প্ৰকাশ, ১৯৯২।
১৪. বাপচন্দ্ৰ মহন্ত ঃ ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ, প্ৰথম প্ৰকাশ, ১৯৮৭।
১৫. ড° দ্বিজেন্দ্ৰনাথ ভকত ঃ কীৰ্ত্তন এক সমীক্ষাত্মক আলোচনা, প্ৰথম প্ৰকাশ, ১৯৯৪।
১৬. কেশদা মহন্ত ঃ কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য, প্ৰথম প্ৰকাশ, ২০০০।
১৭. ড° হীৰেণ গোহাঁই ঃ কীৰ্ত্তন পুথিৰ ৰসবিচাৰ, তৃতীয় সংস্কৰণ, ১৯৯১।
১৮. ড° বিমল মজুমদাৰ ঃ ভক্তি সাহিত্য, প্ৰথম প্ৰকাশ, ১৯৯৯।
১৯. Maheswar Neog : The contribution of the sankardeva Movement to the culture and civilisation of India, second impression, 1998.
২০. চন্দ্ৰ প্ৰসাদ শইকীয়া (সম্পাঃ) ঃ গৰীয়সী, চেপ্তেম্বৰ, ১৯৯৮।



লেখিকা- প্ৰবক্তা, অসমীয়া বিভাগ
ধেমাজি মহাবিদ্যালয়, ধেমাজি।

# মহাপুৰুষ মাধৱদেৱৰ দৃষ্টিত নাৰী

**শ্ৰীউষাৰাণী দত্ত মজুমদাৰ**

পৃথিৱীত সাহিত্য সৃষ্টিৰ দিনৰে পৰা লেখকসকলৰ দৃষ্টিত পুৰুষৰ লগতে নাৰীয়েও বিচিত্ৰ ৰূপত আত্মপ্ৰকাশ কৰি আহিছে। এজন লেখকে তেওঁৰ সৃষ্টিকৰ্মত নাৰীক কেনেদৰে স্থান প্ৰদান কৰিছে আৰু ব্যৱহাৰিক জীৱনত তেওঁৰ নাৰীৰ প্ৰতি দৃষ্টিভংগী কেনেকুৱা- এই দিশৰ ওপৰত আলোকপাত কৰি 'মহাপুৰুষ মাধৱদেৱৰ দৃষ্টিত নাৰী' শীৰ্ষক প্ৰবন্ধটিৰ পৰিকল্পনা কৰা হৈছে।

অসমীয়া সাহিত্য জগতত মহাপুৰুষ শঙ্কৰদেৱৰ দৰে মহাপুৰুষ মাধৱদেৱো এক উজ্জ্বল জ্যোতিষ্ক। এক ব্যতিক্ৰমধৰ্মী জীৱন চৰ্যাৰে অসমীয়া সাহিত্য জগতত বিশিষ্ট স্থান লাভ কৰা মাধৱদেৱ সঁচাকৈয়ে গৱেষণাৰ বিষয়। মহাপুৰুষ শঙ্কৰদেৱৰ সান্নিধ্যলৈ আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰি চিৰ কৌমাৰ্য ব্ৰত গ্ৰহণ কৰা মাধৱদেৱৰ দৃষ্টিত নাৰীয়ে কেনেকুৱা ৰূপত ধৰা দিব পাৰে সি এক কৌতুহলৰ বিষয়। আকৌ 'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো'- বুলি মানৱৰ জয়গান গাই আধুনিক মনৰ পৰিচয় দিয়া মহাপুৰুষজনাৰ দৃষ্টিত নাৰীয়ে কেনেৰূপত প্ৰকাশ লাভ কৰিছে তাক তেওঁৰ সাহিত্যকৰ্ম আৰু ব্যৱহাৰিক জীৱনত নাৰীৰ প্ৰতি তেওঁৰ কেনে দৃষ্টিভংগী আছিল তাক তেওঁৰ জীৱনচৰ্যাৰ মাধ্যমেদি আহৰণ কৰিব পাৰি।

মাধৱদেৱৰ ৰচিত নাট আৰু ঝুমুৰা ক্ৰমে 'অৰ্জ্জুন ভঞ্জন', 'চোৰধৰা', পিম্পৰা গুছোৱা', 'ভূমি লেটোৱা' আৰু 'ভোজন বেহাৰ' হ'ল প্ৰধানতঃ নাৰী চৰিত্ৰ প্ৰধান। নাট আৰু ঝুমুৰা কেইখনৰ মূল উপজীৱ্য শ্ৰীকৃষ্ণ যদিও মাধৱদেৱৰ দৃষ্টিত যশোদা, ৰোহিণী আৰু গোপীসকলো নিজ নিজ কাৰ্যক্ৰমনিকাৰে উজ্বলি উঠিছে।

মাধৱদেৱৰ নাটত শ্ৰীকৃষ্ণৰ চিৰ শিশুৰূপ বিদ্যমান। যশোদাৰ আলাসৰ লাড়ু, ৰোহিণীৰ নয়নমণি, গোপীসকলৰ দেহলাউ শ্ৰীকৃষ্ণ মাধৱদেৱৰ আটাইকেইখন নাটৰে নায়ক। এই নায়ক চৰিত্ৰৰ উজ্বলতাত বাকী সকলোবোৰ চৰিত্ৰ ম্লান পৰি যায়। শ্ৰীকৃষ্ণৰ ল'ৰালিকালৰ বিভিন্ন দুষ্টামিৰ সতে সম্পৃক্ত হৈ পৰিছে যশোদা আৰু গোপীসকল। জগতৰ গুৰু কৃষ্ণই মানৱী জনম লৈ কেনেদৰে সাধাৰণ শিশুৰ নিচিনাকৈ গোপ শিশুসকলৰ লগত গৰু চৰাইছিল; যমুনাৰ বালিত উমলিছিল, দুষ্টামি কৰি গোপীসকলৰ লাগি-গালাজ আৰু যশোদাৰ পৰা মাৰ-কিলো খাইছিল। এইবোৰ পৰিস্থিতিৰে পৰিৱেশ নিৰ্মাণ কৰি মাধৱদেৱে নাট কেইখন ৰচনা কৰিছে।

সূৰ্যৰ পোহৰ 'প্ৰিজম'ত পৰি সপ্তৰং সৃষ্টি কৰাৰ দৰে যশোদাইও মাধৱদেৱৰ দৃষ্টিত একান্ত ভক্তা, মমতাময়ী মাতৃ, কঠোৰ অভিভাৱিকা, সাধাৰণ প্ৰগলভা তিৰোতা আৰু আদৰ্শ গৃহিনীৰ ৰূপত ধৰা দিছিল।

মাধৱদেৱৰ যশোদা একান্ত ভক্তা। যশোদা গকুলৰ নন্দৰজাৰ পত্নী, দৈৱক্ৰমে দৈৱকীৰ পুত্ৰক নিজৰ অজ্ঞাতে নিজপুত্ৰ বুলি পালন কৰে। যশোদাৰ অন্তৰত মাতৃস্নেহৰ সমান্তৰাল ভাৱে বৈ আছে ভক্তিৰ এক অনুপম সুঁতি। যেন মাধৱদেৱৰ আত্মপ্ৰকাশৰ এক অৱলম্বনহে যশোদা। 'অৰ্জ্জুন ভঞ্জন' নাটত পুত্ৰ স্নেহত বিগলিত যশোদাই পুত্ৰ কৃষ্ণৰ সান্নিধ্যত উপলব্ধি কৰিছে এক পৰমাৰ্থিক সুখ। যশোদাৰ মুখেদি ওলাই আহিছে-- 'তোহো হামাৰি কোটি পুৰুষক পৰম দেৱতা.... অতি শিশুকালে ঃ পুতনা শুষিলা ঃ চৰণক আগে ঃ শকট উচটিন কয়ল ঃ চক্ৰবাতক প্ৰাণ লেলহ ঃ বহু শিশুভাৱ কৰিয়ে ঃ হামাক বহুতৰ আনন্দ কৰাব থিক।।

য'তেই সুবিধা পাইছে ত'তেই মাধৱদেৱে যশোদাৰ ভক্তাৰূপৰ প্ৰকাশ ঘটাইছে। 'চোৰধৰা' ঝুমুৰাত চোৰ ধৰা পৰি গোপীসকলৰ ওচৰত আৱদ্ধ হৈ থকা কৃষ্ণৰ অন্বেষণত যশোদা বাহিৰ হৈছে। পুত্ৰ স্নেহত কাতৰ যশোদাই পথিকসকলক কৃষ্ণ বাৰ্তা সোধেতে ক'বলৈ পাহৰা নাই-- আহে পথিক ঃ হামাৰ বালক ঐচন ৰূপ ঃ ভণ্টা খেড়ি খেলাইতে ঃ শ্ৰমজল বদন পঙ্কজ শোভা কৰাইছে ঃ .... পেখিতে পৰম আনন্দ মিলত।

সেইদৰে যশোদাই 'চোৰধৰা' নাটৰ শেষত কৃষ্ণক ঘৰলৈ আনি ধুৱাই পখলাই, খুৱাই-বুৱাই, আ-অলঙ্কাৰ

পৰিধান কৰাই কৃষ্ণৰ সুন্দৰ মুখখনলৈ চাই ‘মোক্ষতো অধিক আনন্দ’ লাভ কৰিছে। পুত্ৰ মাধ্যমেদি ভক্তা যশোদাই পৰমাৰ্থিক সুখ বাঞ্ছা কৰিছে। অন্তৰত ভগৱানৰ প্ৰতি ভক্তিৰ একনিষ্ঠতা নাথাকিলে এনে অনুভৱ সম্ভৱপৰ নহয়।

মাধৱদেৱৰ দৃষ্টিত গোপীসকলো পৰম ভক্তা ৰূপত দেখা দিছে। তেওঁলোকৰ স্বতঃস্ফূৰ্ত অপত্য কৃষ্ণপ্ৰীতি শলাগিবলগীয়া বৈশিষ্ট্য। লৰণু চোৰ ধৰি কৃষ্ণক যশোদাই বান্ধিবলৈ লৈ দুই আঙুলে নোজোৰা কাৰ্য প্ৰত্যক্ষ কৰি ভক্তপ্ৰাণ গোপীসৱৰ হৃদয় কান্দি উঠিছে ...।

‘হে মাই ঃ কৃষ্ণক মহিমা নাহি দেখত ঃ অত এ জড়ি জোড়ায়া বন্ধন কৰিতেছ ঃ অব কি বান্ধিতে পাৰহ ঃ অত এ মহিমা দেখিয়ে ঃ তথাপি জ্ঞান নাহি উপজল ঃ তবহু কৃষ্ণক বান্ধিতে আসা কৰিতেছে ঃ হে মাই তোহাৰি পায়েৰ লাগো, ওহি প্ৰাণধন কৃষ্ণক বান্ধবি নাহি।’

ৰোহিণীও গোপীসকলৰ সমগোত্ৰীয়। যশোদাই কৃষ্ণক পঘাৰে বান্ধিবলৈ ধৰোতে (অৰ্জ্জুন ভঞ্জন) ৰোহিণীয়ে কৃষ্ণৰ স্বৰূপ উপলব্ধি কৰি কৈছে ... তবহু কৃষ্ণক নাহি জানত ঃ ওহি কি মানুষ বালক ঃ নাহি নাহি ঃ প্ৰভাৱ দেখিয়ে হামু জানল ঃ ওহি জগত কাৰণ নাৰায়ণ ঃ কৌটি কৌটি ব্ৰহ্মাণ্ড ঃ যাহাৰ ৰোমৰন্ধে থিক ঃ জগত তাৰণ কাৰণে ঃ তোহাৰি উদৰে ঃ মনুষ্যৰূপে অৱতৰল ঃ ওহি জগতক আতমা ঃ ইহাক দেখিয়ে ঃ সবলোকৰ আনন্দ মিলল ঃ ঐচন কৃষ্ণক ঃ তোহো কৈচন বন্ধন কৰহ ঃ ....’

মাধৱদেৱৰ নাট কেইখনৰ সকলোবোৰ পৰিস্থিতিৰ মাজতে যশোদাৰ স্নেহময়ী মাতৃৰূপটোৱে সকলোৰে মনত ৰেখাপাত কৰে। যশোদাৰ মাতৃত্ব তুলনাবিহীন। যশোদাৰ অপত্য স্নেহৰ উদাহৰণস্বৰূপে ‘চোৰধৰা’ নাটৰ পৰিস্থিতিটোৰ কথা উল্লেখ কৰিব পাৰি। যশোদাৰ কৃষ্ণ অন্বেষণেৰে পৰিস্থিতিটো আৰম্ভ হৈছে। বহুসময় ঘৰতে কৃষ্ণক নেদেখি মাতৃ যশোদা ব্যাকুল হৈ যমুনাৰ পাৰত কৃষ্ণক বিচাৰি ফুৰে। ইপিনে গোৱালীৰ ঘৰত লৰণু চোৰ কৰোতে ধৰা পৰি ওলোটাই কৃষ্ণইহে গোপীক লৰণু চোৰ পাতি অধিক লৰণু পোৱাৰ আশাত নাচি থাকে। এনে অৱস্থাতে যশোদাই আহি কৃষ্ণক বিচাৰি পায়হি। কৃষ্ণই তেওঁক মিছাকৈ গোপীসকলে আটক কৰি ৰখা বুলি গোপীসকলক যশোদাৰ গালি খুৱাইছে। কৃষ্ণ বিৰহত যশোদাৰ অন্তৰ কেনেভাৱে কাতৰ হৈছিল তাক যশোদাই গোপী এগৰাকীক কোৱা কথাৰ পৰাই বুজিব পাৰি-- ‘হে মাই গোৱাৰী! হামু অভাগিনীত কি পুছহ? হামু অনেক পুণ্য কৰিয়ে দেৱতাক বৰে কৃষ্ণক পুত্ৰ পাৱলো। সে প্ৰাণপুত্ৰ কৃষ্ণ খেড়ি খেলাতে বিহানে বাজৱল বিয়াল ভৈ গৈল ঃ এখন নাৱল। সে প্ৰাণপুত্ৰক বিচাৰি নাপাই হামাৰি প্ৰাণ কৈছ ৰহব।’

মাধৱদেৱৰ দৃষ্টিত এইদৰে শিশু কৃষ্ণৰ চিৰন্তন শিশুৰূপৰ লগে লগে যশোদাৰ মাজতো অনুক্ষণ এগৰাকী মমতাময়ী মাতৃৰ চিৰন্তন ৰূপটো জিলিকি আছিল। যশোদা অপত্য স্নেহৰ এক সুন্দৰ নিদৰ্শন।

যশোদাৰ মাজত মাধৱদেৱে দেখিছিল দুমুখীয়া ব্যক্তিত্ব। এফালে এগৰাকী সাধাৰণ নাৰী, আনফালে জগতৰ পালক কৃষ্ণৰ মাতৃ। এগৰাকী চিৰন্তন মাতৃৰ চিত্ৰ অঙ্কন কৰাত মাধৱদেৱ অদ্বিতীয় বুলি ক’বই লাগিব। নিজে পিতৃত্বৰ সোৱাদ নোপোৱাকৈ মাতৃ আৰু শিশুৰ সম্পৰ্কে নিবিড় সম্পৰ্ক উদঙাই দেখুৱাব পৰাৰ মূলতে আছিল মাধৱদেৱৰ অসাধাৰণ সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা।

অনেক পুণ্যৰ ফলত লাভ কৰিলে যদিও কৃষ্ণগত প্ৰাণ যশোদাৰ মাজত কঠোৰ অভিভাৱিকা ৰূপটোও বিদ্যমান। কৃষ্ণই সামান্য দুখ পালে যেনেদৰে যশোদাৰ মন গলি গৈছিল তেনেদৰে কৃষ্ণই দোষ কৰা দেখিলে উপযুক্ত শাস্তি নিদিয়াকৈ নেৰিছিল। ‘অৰ্জ্জুন ভঞ্জন’ নাটত স্তনপানত সন্তুষ্ট নহৈ কৃষ্ণই যেতিয়া মঠনি মাৰি ভাঙি দৈ, লৰণু আদি নিজে খাই বান্দৰকো খুৱালে তেতিয়াই ফুটি উঠিছ যশোদাৰ কঠোৰ অভিভাৱিকাৰ ৰূপটো

অপৰাধ কৰি কৃষ্ণ পলাল। অধিক লৰনু আশাকৰা যশোদাই ইমানবোৰ দৈ, দুগ্ধ, লৰনু নষ্ট হোৱাতো সহ্য কৰে কেনেকৈ। হাতত এচাৰি লৈ আৰম্ভ কৰিলে কৃষ্ণ অন্বেষণ। জগতৰ ঈশ্বৰে মাতৃৰ কষ্ট (ভক্তৰ কষ্ট) দেখি নিজে ধৰা দিলে।

কৃষ্ণৰ অপযশে মাতৃ হিচাপে যশোদাৰ মনত আঘাত দিছে। সেয়ে গোপীসকলৰ বাধা নামানি তেওঁ কৃষ্ণক বান্ধিবলৈ লাগিল। দু আঙুলে নাটে। ৰোহিণীৰ আকুলতাইও যশোদাক গলাব নোৱাৰিলে। ৰচি জোৰা দি দি যশোদা ভাগৰি পৰিল। অৱশেষত ভকত বৎসলে ভক্তৰ মনৰ ইচ্ছা পূৰণ কৰিলে। নিজে বন্ধনত আৱদ্ধ হ’ল। কৃষ্ণক উড়ালত বান্ধি থৈ যশোদাই দাসীসকলক নিৰ্দেশ দিলে-- ‘ওহি কৃষ্ণক বন্ধন কতিহু ছোড়বি নাহি ঃ জোহি বন্ধন ছোড়ে ঃ ইহাক গতি তাহেক কৰব ঃ হামু নিষ্ঠি কয় বোলল ঃ বৃদ্ধ নন্দে দেখোকে আসিয়া।।’ ইয়াৰ দ্বাৰা অভিভাৱক হিচাপে নন্দনতকৈ যে যশোদা কঠোৰ আছিল তাৰ প্ৰমাণ

পোৱা যায়।

সমাজৰ লগত সাহিত্যৰ এৰাব নোৱাৰা সম্পৰ্ক। কোনো লেখকেই সম-সাময়িক সমাজৰ পৰা আঁতৰি থাকিব নোৱাৰে। মাধৱদেৱে তেওঁৰ সাহিত্য কৰ্মৰ মাজেদি তেওঁৰ সম-সাময়িক সমাজখনৰ কিছু আভাষ দি গৈছে। বোধকৰো মহাপুৰুষ দুজনাক নাৰীৰ প্ৰগলভা ৰূপটোৱে বেচ্ আমোদ দিছিল। শঙ্কৰদেৱে 'পাৰিজাত হৰণ'ত শচী সত্যভামাক এই ৰূপত সজাই পাঠক দৰ্শককো ইয়াৰ সমভাগী কৰাৰ দৰে মাধৱদেৱেও যশোদাৰ প্ৰগলতা ৰূপৰ মাজেৰে পাঠক দৰ্শকক আমোদ দিবলৈ যত্ন কৰিছে।

অৰ্জ্জুন গছৰ গুৰিত প্ৰাণধন কৃষ্ণক বান্ধি থোৱা দেখি নন্দৰ যশোদালৈ বৰ খং উঠিল আৰু যশোদাক গালি পাৰিবলৈ ধৰিলে। নন্দৰ গালি শুনি যশোদা বাউলী হ'ল আৰু ৰুদ্ৰমূৰ্তি ধৰি উত্তৰ দিলে--

'আহে বুঢ়িয়া কাহেক আগে ঐচন ৰাগ দেখাৱ ঃ তোহাৰি আজি ভাৱনা চুৰ কৰব ঃ তুহু হামাৰি ৰাখোৱাল ঃ নিশা ভাগে উঠিয়ে ঃ কলসা কন্তিয়াঃ বাঞ্কা সিকিয়া ঃ জুড়িয়ে কান্ধে কৰিএ ঃ মলিন বসন পৰিয়ে ঃ গোষ্টক চলবি ঃ ধেনু ৰাখবি ঃ গাই দুহিবি ঃ দুধক ভাৰ বহিবি ঃ তোহো গৃহেৰে কোন অধিকাৰ ঃ ইহাৰ ভাল মন্দ কৰি জানস ঃ হামু গৃহেৰে গৃহিনি ঃ সব অধিকাৰ হামাৰ।'

উপৰোক্ত কথাৰ পৰা এইটো সহজে অনুমেয় যে যশোদা মইবৰ স্বভাৱৰ এগৰাকী স্বাভিমানী তিৰোতা।

মাধৱদেৱৰ দৃষ্টিত যশোদা ৰাজৰাণী হ'লেও ভোগবিলাসিতাত মজি থকা ৰাণীৰ চৰিত্ৰ তেওঁৰ গাত নাই। এগৰাকী আদৰ্শ গৃহিণীৰূপে যশোদা সমাদৃত। গৃহকৰ্মত দাস-দাসীসকলক নিয়োগ কৰিলেও সিহঁতক কাম কাজ শিকাই দিয়া, প্ৰয়োজন হ'লে নিজেই কামত লাগি যোৱা-- এইবোৰ গৃহিণী হিচাপে যশোদা চৰিত্ৰৰ বিশেষত্ব। দাসীবিলাকে গাখীৰ মথি বেছিকৈ মাখন উলিয়াব নোৱাৰি নাইবা কামত গফিলতি কৰিলে নানা তিৰস্কাৰ কৰি ৰাজৰাণী যশোদাই সেইকাম নিজৰ হাতলৈ আনি লৈ সুচাৰুৰূপে চলাইছিল।

নিজে অবিবাহিত আছিল যদিও নাৰী-মনস্তত্ত্ব অধ্যয়নত তেওঁৰ সংবেদনশীল দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়। শঙ্কৰদেৱ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে বৃন্দাবলৈ যোৱাৰ পৰা বিৰত াছিল। ইয়াৰ অন্তৰালত আছিল কালিন্দী আই। এইবাৰ বৃন্দাবন পালেগৈ শঙ্কৰদেৱ ঘৰলৈ উভতি নাহিব বুলি আইৰ মনত আশংকা হৈছিল। সেয়ে যাত্ৰা পৰত তেওঁ মাধৱদেৱক এই বিষয় অৱগত কৰাইছিল। তেওঁ আইৰ কথা মনত ৰাখিছিল আৰু জগন্নাথ ক্ষেত্ৰত ৰামাৰায়ে বৃন্দাবনলৈ যাবলৈ শঙ্কৰদেৱৰ মন যোৱাৰ কথা কলত মাধৱদেৱে নানা অজুহাত দেখুৱাই বৃন্দাবনলৈ নোযোৱাটোকে স্থিৰ কৰিলে আৰু শঙ্কৰদেৱেও ক'লে-

'বৈঠা বিনা শুধা নাৰে কি কৰিয়া জলে।
নাপাৰোহো যাইবা মই মাধৱে নগলে।।'

-- এইদৰে আইৰ অনুৰোধ ৰক্ষা কৰি শঙ্কৰদেৱৰ একান্ত ইচ্ছাক বাধা দি বৃন্দাবনলৈ যাবলৈ নিদিয়াকৈ ঘৰলৈ ঘূৰাই আনিছিল। নিজে অবিবাহিত আছিল যদিও নাৰী মনঃস্তত্ব অধ্যয়নত তেওঁৰ সংবেদনশীল মনৰ পৰিচয় এইদৰে পোৱা যায়।

মাধৱদেৱে যোগ্যজনক লিঙ্গভেদে মান কৰিছিল। তেওঁ কৃষ্ণ আতৈৰ পত্নী আই দায়ালক লক্ষীনাৰায়ণ ৰজাৰ দুকুৰি মাদৈৰ ওপৰত মেধি পাতিছিল। তেওঁ মাদৈসকলক প্ৰসঙ্গ কৰিবলৈ শিকাইছিল।

গুৰু দুহিতা বিষ্ণুপ্ৰিয়াৰ প্ৰতি মাধৱদেৱৰ দৃষ্টিভঙ্গী আছিল অতি উদাৰ। কালিন্দী আয়ে জীয়েক বিষ্ণুপ্ৰিয়াক মাধৱদেৱলৈ বিয়া দিবলৈ বৰ মন কৰিছিল আৰু শঙ্কৰদেৱে আইৰ অনুৰোধ এৰাব নোৱাৰি মাধৱদেৱক কথাটো কৈছিল।

মাধৱদেৱে বিয়া নকৰাও বুলি কোৱা স্বত্বেও আয়ে আশা এৰা নাছিল। জীয়েকক মাধৱদেৱৰ বিছনা পাৰি দিবলৈ, গুৱাখন যতনাই দিবলৈ এনেদৰে নানা ধৰণৰ ধৰণৰ পৰিচৰ্যা কৰিবলৈ পঠাই থাকে। মাধৱদেৱে কথাটোৰ উমান পাই এদিন বিষ্ণুপ্ৰিয়াক কান্ধত তুলি আনি শঙ্কৰদেৱৰ ওচৰত উপস্থিত হৈ কৈঠিল-- 'গুৰুকন্যা সেৱাৰহে যোগ্য, গুৰু কন্যাই সেৱা কৰিব নেপায়।'

শঙ্কৰদেৱে সংসাৰ যুঁজত 'গড়বান্ধি যুঁজিবলৈ' দিয়া উপদেশকো আওকাণ কৰি মাধৱদেৱে 'বিনা গড়ে যুজিবলৈহে' প্ৰস্তুত হ'ল। উপায়ন্তৰ হৈ শঙ্কৰদেৱে কালিন্দী আইক কৈছিল--'নিৰ্গুণক গুণ দিব খোজা।'

এয়ে আছিল ব্যৱহাৰিক দিশত মাধৱদেৱৰ নাৰীৰ প্ৰতি দৃষ্টিভঙ্গী।■

লেখিকা- প্ৰবক্তা, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়

# গোপীৰ বস্ত্ৰ হৰণ

**ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অনুদিত শ্ৰীমদ্ভাৱগতৰ দশম স্কন্ধ (আদি দশম) ৮৯৫ নং পদৰ পৰা ৯২১ সংখ্যক পদৰ ভিতৰত 'গোপী বস্ত্ৰ হৰণ' শীৰ্ষক আখ্যান ভাগ বৰ্ণনা কৰিছে। আখ্যান বৰ্ণনাত প্ৰয়োজনানুসৰি পদ, দুলড়ী আৰু ছবি ছন্দ ব্যৱহাৰ কৰি বিষয় বস্তু অধিক মনোগ্ৰাহী কৰি তুলিছে। ৰাসক্ৰীড়াৰ পূৰ্ব আখ্যান হিচাপে গোপীসকলৰ বস্ত্ৰ হৰণ দাঙি ধৰাত এই আখ্যান ভাগক পূৰ্বাভাস বুলিব পৰা যায়। এই আখ্যানৰ লগত গোপ কুমাৰীসকলৰ কাত্যায়নী ব্ৰত 'সম্পৃক্ত হৈ আছে। সেয়ে কাত্যায়নী ব্ৰত পৰিহাৰ কৰি বস্ত্ৰ হৰণৰ ঘটনা সংযোগ কৰা কঠিন। গোপ কুমাৰীসকলে নন্দ কুমাৰ শ্ৰীকৃষ্ণক স্বামী হিচাপে পাবলৈ মহামায়া কাত্যায়নীক বালিৰ প্ৰতিমা সাজি পূজা কৰি যমুনা নদীত সদায় স্নানকাৰ্য সমাপন কৰে। এই কুমাৰিকা ব্ৰত আঘোন মাহত পালন কৰি দেৱীৰ ওচৰত এনেদৰে প্ৰাৰ্থনা কৰে--

'বালিৰ প্ৰতিমা সাজি যমুনা তীৰতে।
গন্ধে পুষ্পে ধূপে দীপে পূজে প্ৰতিনিতে।।
ফলমূল তাম্বুল বিবিধ উপহাৰ।
উছৰ্গি দেৱীক দিয়া কৰে নমস্কাৰ।।
মহামায়া কাত্যায়নী দিয়ো এহি বৰ।
আমাৰ হোন্তোক স্বামী নন্দৰ কুমাৰ।।

এমাহ পূৰ্ণ হোৱাৰ পিছত এই মহাব্ৰত সমাপন কৰি যমুনাৰ পাৰত বস্ত্ৰ থৈ 'বিৱস্ত্ৰে নামিলা সবে যমুনাৰ নীৰে।' কৃষ্ণ-চৰিত্ৰ গুণানুকীৰ্তন কৰি গোপ কুমাৰীসকলে জল ক্ৰীড়া কৰিব ধৰিলে। এইখিনিতে গুৰুজনাই গোপী কুমাৰীসকলৰ জলক্ৰীড়া সময়ত প্ৰকাশ পোৱা সৌন্দৰ্যৰ চমু বৰ্ণনা দাঙি ধৰিছে--

'কৃষ্ণৰ চৰিত্ৰ গীত গাৱে উচ্চ কৰি।
কৰে জল কেলি লীলা কৃষ্ণক সুমৰি।।
লড়ে জলমল কৰি কৰ্ণৰ কুণ্ডল।
প্ৰকাশে বদন যেন চন্দ্ৰৰ মণ্ডল।।
প্ৰফুল্ল কমল যেন ভাসে শাৰী শাৰী।
এহিমতে কৰে ক্ৰীড়া যত গোপনাৰী।।'

যোগেশ্বৰ কৃষ্ণয়ো গোপ বালক সমে তাত উপস্থিত হৈ 'গোপী সমস্তক দিবে লাগি কৰ্মফল। চিন্তিবে লাগিলা পাচে ভকত ব্যসল।।' যমুনাৰ তীৰত থুপাই থোৱা গোপীসকলৰ বস্ত্ৰসমূহ লৈ 'আথে বেথে চড়িলন্ত কদম্বত গই।' তাৰ পিছত কৃষ্ণই গোপীসকলক জনালে যে তেওঁলোক ব্ৰত উপবাসে থাকি শ্ৰান্ত হৈ পৰিছে। গতিকে তেওঁলোকে নিজৰ নিজৰ বস্ত্ৰবোৰ লৈ যাওঁকহি। গোপ কুমাৰীসকলে কৃষ্ণৰ পৰিহাস বুজি পাই লাজতে কোনেও জলৰ পৰা উঠি নাহিল। আকণ্ঠ জলত নিমৰ্জিত কুমাৰীসকল জাৰত থৰথৰ কৈ কঁপি আছে, অথচ লজ্জাবশতঃ উঠিবও পৰা নাই। কৃষ্ণক কাবৌ কৰি ক'ব ধৰিলে-- হে গোপৰাজ সুত, তুমি মহাজন, গতিকে এনে অন্যায় কৰা অযুগুত। আমি তোমাৰ দাসী। এতেকে কদম্বৰ পৰা নামি আমাৰ পৰিধেয়, কাপোৰবোৰ দিয়া। নহ'লে আমি ৰজাক গোচৰ দিম।' তেওঁলোকৰ এই কাকুতি আৰু ভীতিগ্ৰস্ত কৰা বাক্য শুনি কৃষ্ণই ক'লে যে যিহেতুকে তোমালোকে মোৰ দাসী বুলি আত্ম পৰিচয় দিছা গৰাকীৰ আদেশ অনুসৰি জলৰ পৰা উঠি বস্ত্ৰবোৰ লৈ যোৱা। শেহত উপায়ন্তৰ হৈ দুই হাতেৰে গুপ্তাঙ্গ ঢাকি অৱনত শিৰে পানীৰ পৰা উঠি আহিল। কৃষ্ণই ক'লে 'গোপীসৱ তোমালোকে দেহৰ উত্তমাঙ্গ শিৰ মোক দেখুৱাইছা, বাকী অঙ্গ দেখুওৱাত লজ্জা কি? তথাপিও 'অতি পীৰি হুয়া' বস্ত্ৰবোৰ লৈ কদমগছৰ পৰা নামি আহিল। তেওঁ গোপাসৱক বুজনি দি ক'ব ধৰিলে যে গোপীসৱে মহাব্ৰত পালন কৰি বিবস্ত্ৰে স্নান কৰাত ব্ৰতৰ ইপ্সিত ফল নষ্ট হ'ল

আৰু প্ৰকাৰন্তৰে পাপহে হ'ল। গতিকে উভয় হস্ত মূৰৰ ওপৰত তুলি নমস্কাৰ কৰিলেহে তেওঁলোক পাপৰ প্ৰায়শ্চিত্ত হ'ব। গোপ বালিকাসকলে তেতিয়াও লজ্জামুক্ত হ'ব নোৱাৰি এহাতে গুপ্তাঙ্গ ঢাকি আনখন হাতেৰে নমস্কাৰ জনালে। তেতিয়া কৃষ্ণই ক'লে এহাতেৰে প্ৰণাম জনোৱাটো অবৈদিক আৰু এক হাতেৰে প্ৰণাম জনোৱা জনৰ হস্তচ্ছেদ কৰিব লাগে-

'হেন দেখি দুনাই কৃষ্ণে বুলিলন্ত
আৰকা লঙ্ঘিঘল বেদ।
এক হাতে যিটো দেৱক প্ৰণামে
তাৰ হস্তে কৰে ছেদ।।'

তেতিয়া 'ব্ৰতভঙ্গ ভয়ে কৰি কৃতাঞ্জলি' গোপ বালিকাসকলে মনস্কামনা পূৰ্ণ হোৱাৰ বাবে 'সমস্ত ধৰ্মৰ ফল মূৰ্তি' কৃষ্ণক প্ৰণাম জনালে। ভক্তপ্ৰাণ কৃষ্ণই গোপীৰ ঐকান্তিক ভক্তিক তুষ্ট হৈ কান্ধৰ পৰা বস্ত্ৰবোৰ পেলাই দিলে। গোপীসকলে স্ব স্ব বস্ত্ৰ পৰিধান কৰি ব্ৰতৰ ফল লাভ কৰা বুলি সন্তুষ্টি লভিলে। থুলমূলকৈ কাত্যায়নী ব্ৰত আৰু গোপীৰ বস্ত্ৰ হৰণ আখ্যান এয়ে।

বস্ত্ৰহৰণ আখ্যান ভাগত কাত্যায়নী ব্ৰত আৰু গোপীসকলৰ বিবস্ত্ৰে স্নান বস্ত্ৰ হৰণ আদি বিবৃত কৰা হৈছে। দুয়োটা কাহিনী ওতঃপ্ৰোতঃভাৱে জড়িত। কাত্যায়নী দুৰ্গাৰ আন এটি নাম। কাত্যায়নী শব্দৰ বুৎপত্তি আৰু অৰ্থ- কাত্যায়ন + ঈপ্ = দুৰ্গা। অৰ্দ্ধ বৃদ্ধা কাষায় বসনা। বিধবা। ইত্যমৰঃ (শব্দ কল্পদ্ৰুম) 'স্কন্দ পুৰাণ অনুসৰি কাৰ্তিকেয় আৰু অন্যান্য দেৱতাৰ কোপত তেওঁৰ উৎপত্তি। বিশেষকৈ কাৰ্তিকেয়ৰ কোপৰ পৰা উদ্ভৱ হোৱা কাৰণে তেওঁ কাত্যায়নী। তেওঁ মহিষাসুৰক পৰাজয় কৰে।' (হৰিনাথ শৰ্মা দলৈ- ভাৰত কোষ) মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তনৰ ওৰেষা বৰ্ণনত কাত্যায়নী দেৱীৰ উল্লেখ আছে।

'কমল লোচনী নমো কাত্যায়নী
কৰা মোক পৰিত্ৰাণ।
বলোৰ ভগিনী সুভদ্ৰাক নমি
পাৱৈ বিষ্ণুলোকে স্থান।।'

শব্দ কল্পদ্ৰুমত কাত্যায়নীক দুৰ্গাৰ আন এটি নাম বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। দুৰ্গা উপাসনাৰ লগত স্বামী কামনা সম্পৃক্ত। কাৰ্তিকেয়ৰ কোপৰ পৰা উদ্ভৱ হোৱা কাত্যায়নী মহিষাসুৰক পৰাভৱ কৰাৰ বাবেহে সৃষ্ট হৈছে। আকৌ ওৰেষা বৰ্ণনত বলোৰ ভগিনী সুভদ্ৰাৰ আন এটি নাম বুলি উল্লেখ কৰিছে। গোপ বালিকাসকলে বালিৰ প্ৰতিমা সাজি পূজা কৰা কাত্যায়নী সম্ভৱতঃ দেৱী দুৰ্গা। কামাখ্যা, হাজো, শুৱালকুছি আদি ঠাইত এতিয়াও কুমাৰীসকলে আঘোন মাহত পূৰ্ণিমা তিথিত কাত্যায়নী ব্ৰত উদ্‌যাপন কৰা দেখা যায়। কোনো শাস্ত্ৰীয় বিধি অনুসৰি পূজা নকৰি লৌকিকভাৱে পূজা কৰে। সেয়ে কাত্যায়নী কোপে লৌকিক দেৱী, পৰৱৰ্তী সময়ত পুৰাণত অন্তৰ্ভুক্ত কৰা হৈছে। গোপ কুমাৰীসকলে এই লৌকিক দেৱীকে নন্দৰ কুমাৰক স্বামী হিচাপে পাবলৈ উপাসনা কৰিছে। পূজাৰ অন্তত বিবস্ত্ৰ স্নান এক লৌকিক আচাৰো হ'ব পাৰে।

শ্ৰীমদ্ভাগৱতৰ বাহিৰে হৰিবংশ, বিষ্ণু পুৰাণ আদি বৈষ্ণৱ গ্ৰন্থত বস্ত্ৰ হৰণৰ কথা পাবলৈ নাই। ভাগৱতৰ বহু কথা মহাভাৰতত উল্লেখ আছে যদিও উক্ত আখ্যান ভাগ নাই। কাত্যায়নী ব্ৰতৰ পৰৱৰ্তী আখ্যান ভাগ গোপীৰ বস্ত্ৰ হৰণ আৰু নিৰাভৰণা নাৰীসকলৰ যমুনা নদীত স্নান কাৰ্য। এই কাহিনীৰ আলমত আমাৰ চহা কবিয়েও গীত ৰচনা কৰিছে--

'সকল গোপিনী জলত নামিলো
তীৰত বসন থৈ।
ছৱাল কানাই বুলি লজ্জা নামানিলো
কানাই গৈলা বস্ত্ৰ লৈ।।
আকাণ্ঠু পানীত মজিয়া ৰহিলো
জাৰে কাম্পে আমাৰ হিয়া।
নন্দৰ নন্দন দৈৱকী নন্দন
বসন পেলাই দিয়া।।
এক হস্ত দিয়া অঙ্গক ঢাকেয়া
আউৰ হস্ত কৰি জোৰ।
কদম্বত উঠি কৃষ্ণই হাসয়
সিও হস্তখানি তোল।।'

শস্য, সন্তান, স্বামী কামনা কৰি নিৰাভৰণা হৈ স্নান কৰা প্ৰথা অসমৰ পশ্চিমাঞ্চলৰ বহুত ঠাইত আছে। সমাজ তত্ত্বৰ দিশৰ পৰা চালে ইয়াত *Hemeopathic magic* ৰ কথা মনলৈ আহে। অৱশ্যে ভাগৱতৰ কাহিনীত অন্য এক গভীৰ তত্ত্ব নিহিত হৈ আছে।

গোপীৰ বস্ত্ৰ হৰণ সম্পৰ্কে বিভিন্ন আলোচকে স্ব স্ব

দৃষ্টিভঙ্গীৰে বিভিন্ন তত্ত্ব উপস্থাপন কৰা দেখা যায়। কোনোৱে ইয়াৰ মাজত অশ্লীলতা, ৰূপকতা, আধ্যাত্মিকতাও বিচাৰি পায়। কবি, সাহিত্যিক, সমালোচক সমাজৰ উৰ্দ্ধত নহয়। সমাজৰ প্ৰতিফলন সাহিত্যিকৰ সাহিত্য কৰ্মত অথবা শিল্পীৰ শিল্প কৰ্মত প্ৰতিফলিত হয়। যুগজয়ী সাহিত্যৰ বৈশিষ্ট্য এয়ে যে সৰ্বকালত ইয়াৰ ব্যাখ্যা-বিশ্লেষণ যুগ সাপেক্ষ হয় (যাৰ যেন মতি কৰে বেদক ব্যাখ্যান') কিন্তু ইয়াৰ মূল প্ৰতিষ্ঠিত সত্য প্ৰায় অভ্ৰান্ত হৈ থাকে। সামাজিক দৃষ্টিকোণৰ পৰা নিৰীক্ষণ কৰিলে বস্ত্ৰ হৰণৰ আখ্যান ভাগত তৎকালীন সমাজৰ এক চলিত প্ৰথা (অন্ধবিশ্বাস) অৰ্থাৎ নিৰাভৰণা হৈ স্নান কৰা প্ৰথাৰ উমান পোৱা যায়। কিন্তু, বস্ত্ৰ সভ্যতা মানুহৰ সভ্যতাৰ ক্ৰম ইতিহাসত জুইৰ পিছতে অন্যতম সভ্যতা। সেয়ে উলঙ্গ হৈ স্নান কৰা কাৰ্যক গৰ্হিত পাপ কৰ্ম বুলি শ্ৰীকৃষ্ণই গোপ বালিকাসকলক সকিয়াই দিছে। এই কু-প্ৰথাৰ অৱসান ঘটাবলৈ তেওঁলোকক এনেদৰে উপদেশ দিছে--

'শুনা সখী সব ধৰি মহাব্ৰত
বিবস্ত্ৰে কৰিলা স্নান।
ব্ৰতৰ নাশন সিজিল পাতক
তোমাসাৰ নাহি জ্ঞান।।'

ৰাসক্ৰীড়াক যিদৰে ৰূপকাৰ্থত ব্যাখ্যা কৰা হয় বস্ত্ৰ হৰণৰ কাহিনীৰ মাজতো ৰূপক ধৰ্মিতা প্ৰচ্ছন্ন হৈ থকা বুলি বহুতে মত দাঙি ধৰে। 'কৃষ্ণই গোপ বালিকাসকলৰ বস্ত্ৰ হৰণ কৰা কাৰ্য বা সম্পূৰ্ণ উলঙ্গ ৰূপত কৃষ্ণৰ অনুগ্ৰহ লাভৰ কাৰণে প্ৰস্তুত কৰি তুলিব বিচৰা অৱস্থা ৰূপক ধৰ্মী। তাৰ মাজেদি যেন মানৱিকতাৰ পূৰ্ণ বিকাশৰ পথৰ অন্তৰায় কৃত্ৰিমতাৰ কথালৈহে আঙুলিয়াইছে। কৃত্ৰিমতা লোপ নহ'লে পৰিপূৰ্ণ সংস্কৃতি স্বৰূপ কৃষ্ণৰ লগত একাত্মবোধ স্থাপন কৰা অসম্ভৱ। কাত্যায়নী ব্ৰতৰ লগত জড়িত বস্ত্ৰ হৰণ তত্ত্বক আদিম যুগৰ লোক সমাজৰ আধাৰত প্ৰতিষ্ঠা কৰি বিচাৰ কৰিবলৈ অভ্যস্ত হ'লে সহজে অনুভৱ হ'ব যে বস্ত্ৰ হৰণ তত্ত্ব কৃত্ৰিমতা বৰ্জনত বাদে আন একো নহয়।' (আদি দশম- শশী শৰ্মা) লেখকৰ এই উক্তিৰ মূল ভাগৱতৰ যি ভক্তি ভাৱনা তাক পৰিহাৰ কৰা হৈছে। অন্য এক দৃষ্টিকোণৰ পৰাহে লেখকে বিশ্লেষণ দাঙি ধৰিছে। পৃথিৱীৰ বিভিন্ন ধৰ্ম শাস্ত্ৰত নগ্নতা সম্পৰ্কে নানা কথা পোৱা যায়। আত্মাই পৰমাত্মাৰ (ব্ৰহ্ম) সান্নিধ্য লাভৰ কাৰণে সম্পূৰ্ণভাৱে মায়াক পৰিহাৰ কৰিব পাৰিব লাগিব। *'Indeed, the image of the soul approaching God in a state of complete mudity constantly recurs in the litrature of religious experience .... In one of the new sayings of christ, we read his disciples said unto him : When wilt thou be manifest to us and when shall we see thee?' And he replied : When he shall be stripped and not be ashamed'. (Life and Teachings of Sri Krishna. : M.R. Sampat Kumaran.*গোপীসকলেও সমস্ত লজ্জা পৰিহাৰ কৰি সেই পৰম পুৰুষৰ ওচৰত আত্ম সমৰ্পণ কৰিছে। যদিও তেওঁলোকে কৃষ্ণক স্বামী ৰূপে পাবলৈ কামনা কৰিছে, ঈশ্বৰক যিভাৱে নিবিচৰাওক কিয় তেওঁ ভকতৰ মন বাসনা সিদ্ধ কৰে। (যে যথা মাং প্ৰপদ্যতে)।

'মোতেসে একান্ত চিত যাৰ তাক
নকৰে কামে অনৰ্থ।
নিশ্চয় জানিবা যেন ভজা ধান
গজিবে নুহি সামৰ্থ।।'

এইখিনিতে আৰু এটা কথা স্পষ্ট হয় যে ইমানবোৰ গোপ বালিকাই এজন কৃষ্ণকে স্বামীৰূপে পাবলৈ বাঞ্ছা কৰাত এই বালিকাসকল যে কৃষ্ণ ভকতহে তাত অকণো সন্দেহ নাই। আপাত দৃষ্টিত ব্ৰজ কুমাৰীসকলৰ স্বামী কামনা দেখিলেও এই স্বামী জগত স্বামী-- ব্যৱহাৰিক জীৱনৰ স্বামী নহয়। ব্যাসদেৱে শ্ৰীমদ্ভাগৱতত কুমাৰীসকলক 'আহতা' বুলি কৈছে। ইয়াৰ অৰ্থ 'ঈষৎ অক্ষত যোনি' অৰ্থাৎ কুমাৰীসকল তেনেই কম বয়সীয়া। আকৌ কৃষ্ণ পৌগণ্ড বয়স। এই বয়সত সাধাৰণতে কামভাৱৰ উদ্ৰেক নহয়। যুক্তিৰ খাতিৰত ক'ব পৰা যায় যে ঈশ্বৰৰ ক্ষেত্ৰত বয়স অপ্ৰাসঙ্গিক। বেজবৰুৱাই বস্ত্ৰ হৰণৰ আখ্যানটিক আধ্যাত্মিক দৃষ্টিকোণৰ পৰা পৰ্যালোচনা কৰিছে। 'জীৱই বৈষ্ণৱী মায়াত মুগ্ধ হৈয়েই দ্বৈত জ্ঞানৰ নিমিত্তে বস্ত্ৰাৱৰণ লয়। কিন্তু ঈশ্বৰৰ কৃপাত সমদৰ্শী হ'লে বস্ত্ৰ ত্যাগ কৰে।' (তত্ত্বকথা- বেজবৰুৱা) জীৱ মায়াধীন আৰু ঈশ্বৰ মায়াতীত। ভাগৱতৰ মূল চালিকা শক্তি ভক্তি। ভক্তিমাৰ্গত ভক্ত আৰু ভগৱান এজন আনজনৰ পৰিপূৰক। ভক্ত নহ'লে ভক্তি হ'ব নোৱাৰে আৰু ভক্তিৰ আধাৰ

নাথাকিলে ভক্তি নিৰৰ্থক। ভক্তি সকাম আৰু নিষ্কাম। জীৱ মায়াৰ অধীন। সেইবাবে ভগৱানৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি জীৱই পৰোক্ষ উপায়ে মনোবাঞ্ছা কৰিব বিচাৰে। সেয়ে গোপ কুমাৰীসকলৰ কাত্যায়নী ব্ৰত। উত্তম ভক্তৰ লাজ, ঘৃণা, ভয় একো নাথাকে। চাৰিসিদ্ধ, শুকাদি মুনিসকলে বস্ত্ৰ পৰিধান নকৰাকৈয়ো ত্ৰিলোক পৰিভ্ৰমণ কৰে। গোপী বালিকাসকলৰ যেতিয়ালৈকে লোক লজ্জা অৰ্থাৎ আত্মোপলব্ধি হোৱা নাছিল, তেতিয়ালৈ কৃষ্ণই তেওঁলোকক বস্ত্ৰ প্ৰদান কৰা নাছিল। বস্ত্ৰহৰণ সম্পৰ্কে বেজবৰুৱাদেৱৰ ভক্তি তত্ত্ব এনেধৰণ--

'ই আনন্দঘন ভগৱন্তৰ শুদ্ধ জীৱৰ সৈতে স্বৰূপ বিহাৰ। লীলাৰ ফালৰ পৰা চালে এইটো চঞ্চল ল'ৰাৰ অদ্ভুত ধেমালি যেন দেখি; কিন্তু তত্ত্ব জ্ঞানৰ ফালৰ পৰা চালে ভগৱন্তৰ ভক্তৰ ভগৱন্তৰ দ্বাৰাই চৰম পৰীক্ষা। ই বেদোক্ত ৰসময় পৰমানন্দৰ সুগূঢ় অলৌকিক ৰসৰ অভিনয়, ভাবুক ৰসিকেহে ইয়াৰ ৰস পান কৰিব পাৰে।' (তত্ত্বকথা-- বেজবৰুৱা)।■

লেখক- প্ৰাক্তন অধ্যাপক,
অসমীয়া বিভাগ, দুধনৈ মহাবিদ্যালয়,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সভাপতি

# গুৰু-চৰিত-কথাৰ 'বৰাবাহি আই'

ড° মুকুল চক্ৰৱৰ্তী

'গুৰু-চৰিত-কথা' এতিয়ালৈ উদ্ধাৰ হোৱা গদ্যত ৰচিত প্ৰথম চৰিতপুথি। ইয়াত আছে দহ-এঘাৰ গৰাকী গুৰু বা সন্ত বা বৈষ্ণৱ আতাৰ জীৱন আৰু কাৰ্যাৱলীৰ ধাৰাবাহিক বৃত্তান্ত। সেইসকল হ'ল- শঙ্কৰদেৱ, মাধৱদেৱ, নাৰায়ণদাস ঠাকুৰ আতা, শ্ৰীৰাম আতা, ভবানীপুৰীয়া গোপাল আতা, মথুৰাদাস বুঢ়া আতা, কেশচৰণ আতা, বৰবিষ্ণুআতা, লক্ষ্মীকান্ত আতা, গুৰু গোবিন্দ বা লেচাকণীয়া আতা, বদুলা পদ্মআতা আৰু হৰিহৰ আতা আদি। তাৰ উপৰিও শঙ্কৰদেৱৰ দুই নাতি পুৰুযোত্তম আৰু চতুৰ্ভুজ আতা দুগৰাকীয়েও যথেষ্ট ঠাই অধিকাৰ কৰি আছে। তথাপি ইয়াৰ মূল বিষয় হ'ল শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱন। এই দুই মহাপুৰুষৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ বহুতো সৰু-সুৰা অথচ তাৎপৰ্যপূৰ্ণ কথাই চৰিতখনত স্থান পোৱাৰ লগতে আনসকলৰো বহুতো কথা চৰিতখনিয়ে সামৰি লৈছে। ইয়াৰে নাৰায়ণ দাস ঠাকুৰ আতাৰ জন্ম গুৱাহাটীৰ উত্তৰ পাৰে মালৌ নামে ঠাইৰ এটি কৃষক পৰিয়ালত। পিতাক 'ধৰম'এ আতাৰ নাম ৰাখিছিল ভৱানন্দ। আতাই বাল্যকালছোৱা লগ-সমনীয়াৰ সৈতে মালৌতে ৰং-ধেমালি কৰি কটায়। পিতাকে ধাৰে দিয়া টকা আদায়ৰ সূত্ৰে ঠাকুৰ আতা মাজে সময়ে গুৱাহাটীত আহি থাকে। বছৰি বছৰি বানপানীয়ে অনিষ্ট কৰি থকা দেখি এবাৰ খুৰাক চতন আতৈৰ সৈতে লগ লাগি ঠাকুৰ আতাই 'গৰু জতৰ জতৰি পৰ্যন্ত' বৰনাওত বোজাই দি ভৰ বাৰিষা নিশাৰ ভাগত গুৱাহাটীত থাকিম বুলি যাত্ৰা কৰে। কিন্তু ভাগ্যৰ কি পৰিহাস-- ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত তেওঁলোকৰ নাও ডুবি সকলো উটি ভাঁহি গ'ল। গাত এগছ কাপোৰ নোহোৱাকৈয়ে খুৰাক-ভতিজাক কোনোমতে ৰক্ষা পৰিল। ইয়াৰ পৰা খুৰাকৰ লগত ডিঙ্গানগৰৰ কাষত থকা পেহীয়েকৰ ঘৰ উঠিল। ইয়াতো মনত অশান্তি উপজি ডিঙ্গানগৰৰ উত্তৰে থকা হালধাগ্ৰামৰ এঘৰ কলিতা লোকৰ বাৰীত এটা পঁজা সাজি থাকিবলৈ লয়। ইয়াৰ ওচৰতে পৰলা হাট। এগৰাকী বুঢ়ীৰ জৰিয়তে এই হাটতেই প্ৰথম পান বিক্ৰী কৰি ব্যৱসায়িক জীৱনৰ সফল পাতনি মেলে। এই সময়তেই খুৰাক চতন আতৈএ 'বোলে বাপু তোমালৈ এটি কন্যা আনো' বুলি বিয়াৰ প্ৰস্তাৱ দিয়ে। 'খুৰা তোমাৰ হ'লে খুৰি বুলি সবেখানি আমি খুজি খাব ল'বলৈ সজঃ বোৱাৰিত হ'লে তোম্ৰা খোজামেলা আচল, বুলি যুক্তি দৰ্শাই 'সজ কলিতা চাই আতৈলৈ এটি কন্যা বিবাহ কৰাই আনিলে।' হালধাগ্ৰামত থকা কালত, যি ঘৰ বৰকলিতা লোকৰ আশ্ৰয়ত খুৰাক-ভতিজাক আছিল সেই ঘৰৰ এজনী ছোৱালী আছিল। ছোৱালীজনী- 'মহা গহীন-গম্ভীৰ ধীৰ সান্ত দিব্য সুন্দীৰ সৰ্ব সুলক্ষণী ঃ তেঞে আতাৰ পৰিচৰ্যা সেৱাখানি কৰিছিল আগৰ্তে ঃ মচা সৰা মাচ খৰি পানি সাক কুটা বচা বস্ত্ৰ ধুই যুই পাত পৰ্যন্তে থিত লবৰে পৰা।।' এদিন এইজনী ছোৱালীয়ে মাকক ক'লে- 'বোলে পিতাত কবা আমাক আৰাতে বিয়া দি থব।। পাছে পিতা মাকে আলচি আতাতে কুটগচ নখৱাকৈ সম্প্ৰদানকৈ আতাতে সাদৰে বিয়া দিলে।' এই গৰাকী ছোৱালীয়ে আমাৰ আলোচনাৰ বৰবাহি (বাৰাবাহি) আই।

বৰাবাহি আই নাৰায়ণ দাস ঠাকুৰ আতাৰ সুযোগ্যা পত্নী। আই চাৰিজন পুত্ৰ পাঁচজনী কন্যাৰ মাতৃত্বৰে গৰ্বিতা। গৃহত আইৰ নন্দ-পত্নী যশোদাসদৃশ ভূমিকা। ঠাকুৰ আতাই নিজে মহাপুৰুষৰ পৰা ধৰ্মবস্তু গ্ৰহণ কৰাৰ লগতে সেই 'সুদ্ধসতধৰ্ম' 'পুত্ৰ-পত্নী' সবাকো লোৱাইছে। এইগৰাকী আইৰ গুৰু ভকতৰ প্ৰতি শ্ৰদ্ধা অনেক। ভকত-বৎসলা আই যুক্তিবাদীও। এবাৰ ঠাকুৰ আতাক বৰাবাহি আই এ সুধিছিল-- আতাই, তেওঁক ভাল পায়নে ভকতক ভাল পায়? আতাই উত্তৰ দিছিল-- 'বোলে তই কি ইহজন্মৰ সংসাৰলৈহে টান ঃ সেৱক বস্তুহে পৰলোকৰ সখা সহাই।।' আতাৰ উত্তৰটো সঠিক আছিল হয়, কিন্তু বৰাবাহি আইৰ যুক্তিবাদী মনক সন্তুষ্ট কৰিব পৰা নাছিল। সেয়ে আই যুক্তি দৰ্শালে- 'নটা কিয়' অৰ্থাৎ আতাই মিছা কথা কৈছে, নহ'লে তেওঁ কিয় নটি সন্তান জন্ম দিব। আতাই মনত

কষ্ট পাই গুৰুজনাৰ ওচৰলৈ আহি সেৱা কৰি, ঘৈণীয়েক বৰাবাহি আইএ তৰ্কত হাৰ মনোৱা কথাখিনি ক'লে। গুৰুজনাই তেতিয়া আইক মতাই আনি নাৰায়ণদাসক কিয় তেনে কথা কৈছে সুধিলে। আইও এৰি দিয়া ভকতনী নহয়। আচলতে আতাই যে তেওঁতকৈ ভকতক বেছি ভাল নাপায় সেই কথা অকাট্য যুক্তিৰে আয়ে প্ৰমাণ কৰি দেখুৱালে এইবুলি 'মোৰ এই কেয়া আঙুলিতে ৰূপ এশ বাখৰে সৈতে ছকুৰি দিছে সোণাৰ ঃ আৰে আদখানমান ভকতক দি সুধিলে দহো হই।' গুৰুজনো নিৰুপায় 'উত্তৰে ঘটালে'। পৰিণতিত পাচদিনা আতাই সকলো সম্পত্তি গুৰুক সোধালে, গুৰুৱে তিনিভাগ কৰি ভগাই দিলে। 'সেৱকৰ ৰাজাৰ ভাৰ্যাপুত্ৰৰ কৈ দি পঠালে ফলাহাৰ কৰাই।' সাধাৰণতে তিৰোতাসকলৰ আ-অলঙ্কাৰৰ প্ৰতি এটি দুৰ্বলতা থাকে, তেনেকৈ সম্পত্তি আহৰণৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰা দেখা যায়; কিন্তু বৰাবাহি আই এনেবোৰৰ উৰ্ধত। তেনেদৰে সংসাৰ ধৰ্মত প্ৰবৃত্ত হৈ আইয়ে যে সংসাৰত ডুব গৈ আছে তেনেও নহয়। এসময়ত তেওঁ নিজৰ ল'ৰা-ছোৱালীৰ সংখ্যা সম্পৰ্কেও জ্ঞান নাছিল। এই বিষয়ত 'গুৰু-চৰিত-কথা'ত সুন্দৰ নিদৰ্শন পোৱা যায়। এবাৰ গুৰুজনে নাৰায়ণদাসক তেওঁৰ ল'ৰাকেইটা সুধিলে। প্ৰশ্নটিৰ উত্তৰত নাৰায়ণ দাসে ক'লে, 'বোলে বাপ পৰ্মানন্দৰ মাকেহে জানে', অৰ্থাৎ ঘৈণীয়েকেহে জানে। একেটি প্ৰশ্ন যেতিয়া এদিন বৰাবাহি আইক সুধিলে তেতিয়া আইয়ে উত্তৰ দিলে-- 'বোলে প্ৰভু লেখা নপাঞ ঃ নলঢৰাত সুৱালই থঞ সুনা হ'লে বিচাৰ লঞ'। এনে ঘটনাই হয়তো বৰাবাহি আইৰ মনত যথেষ্ট কষ্ট দিছিল। আমাৰ অনুভৱত এনে এক হীনমন্যতা ভুগিয়েই বৰাবাহি আয়ে হয়তো ঠাকুৰ আতাক তেওঁক ভাল পায়নে, ভকতক ভাল পাই তাৰ প্ৰশ্ন তুলিছিল।

এবাৰ একাদশীত নাৰায়ণ দাস আতাৰ কীৰ্ত্তন গৃহত গুৰুৱে কৃষ্ণকথা শুনি আছিল। কীৰ্ত্তন চৰ্চা সামৰিলত আতাই সান্দহৰ কথা সুধিলে। আয়ে বোলে- 'সবাকে যুগুতকৈ থৈচো ঃ কথা সুখত জঞ্জাল হৈ কাণ লৰে বুলি কৰা নাই ঃ হ'ব এতিয়া কৰো নিমিযে মই।' আইৰ এনে উত্তৰ শুনি ঠাকুৰ আতাই খঙত 'কেতিয়া কৰ বুলি খৰি এডাল লৈ খেদা মাইলে।' আতাৰ এনে কাণ্ড দেখি গুৰুজনেও আতাক খেদি গৈ কৈছে 'নাৰায়ণদাস পৰ্মানন্দৰ মাকক মাইলে তোমাক সুদাই এৰা নাযাই।' আতাই ঘূৰি চাই গুৰুক দেখি লাজ পালে। আয়ে সুযোগ বুজি চুঙা চাই সোপা দিলে 'বোলে বাপ দাস ভৃত্যকহে আপুনাৰ নিজ স্বামীয়ে খেদি জাই এনেকৈ ঃ আমাকো তেনেকৈ ভৃত্যকৈ লোৱা গৈচে জানিলো।'

বৰাবাহি আই এগৰাকী ভাল শিপিনী। এদিন আই তাঁত বৈ থাকোতে আকস্মিকভাৱে গুৰুজন উপস্থিত হৈ মুখেৰে একো নামাতি তাঁতৰ সূতা এবেগেতমান কাটি গুচি আহিল। আয়ে কিয় তেনে কৰিলে একো নুসুধিলে। আয়ে সূতাবোৰ দিনৰ দিনটো জোৰাইছে মাত্ৰ। আতাই ক'ৰবাৰ পৰা আহি, আয়ে ৰ'দত সূতা জোৰা দি থকা দেখি ঘটনা কি হৈছে সুধিলে। আয়ে মাধৱদেৱ গুৰুজনাক এনে কাৰ্যৰ বাবে কিবা কৈছে নেকি সুধিলে। আতাৰ প্ৰশ্নৰ উত্তৰত আয়ে ক'লে- 'বোলে কি বুলিম মতাই নাই।' আয়ে হয়তো মনতে ভাবিছিল- এইয়া গুৰুই ভক্তৰ ওপৰত লোৱা ধৈৰ্যৰ পৰীক্ষা। এনে পৰীক্ষাত আয়ে অনাসায়ে উত্তীৰ্ণ হ'ব পাৰিছিল। এনে পৰীক্ষা সময়ে সময়ে বৰাবাহি আইয়ে গুৰুজনাৰ ওচৰত দি থাকিব লগা হৈছিল। এবাৰ ঠাকুৰ আতা বাৰীত কোৰ মাৰি আছিল। তেনেতে গুৰুজনে শ্ৰীৰাম আতাৰ সৈতে ঠাকুৰ আতাৰ চোতালত উপস্থিত হ'লগৈ। আয়ে আসন দিয়াত, গুৰুৱে আজ্ঞা কৰিলে- 'বোলে মোৰ ঠাকুৰক মাতচোন।' আই লাজত তলমূৰ কৰিলে। কাৰণ সেই সময়ত স্ত্ৰীয়ে স্বামীক তেনেকৈ আনে দেখা শুনাকৈ মাতা দস্তুৰ নাছিল। গুৰুৱে নামাতা দেখি ক্ৰোধভাৱে আজ্ঞা কৰিলে। তেতিয়া আয়ে গুৰুবাক্য পৰে বুলি, লাজ কাজ মৰ্যদা এৰি আতাক মাতিলে। মাতিলত, শ্ৰীৰাম আতাৰ সৈতে গুৰুজন গুচি আহিল। ঠাকুৰ আতা বাৰীৰপৰা অহাত সকলোখিনি ক'লে। আতা পৰম সন্তুষ্ট হৈ আইক চুম্বনকৈ ক'লে- ভাল আজি মোক ৰাখিলি ঃ তও ৰলি ঃ গুৰুবাক্য ৰল ঃ তিনিও তত্বৎ ৰলি ঃ ধন্য ধন্য ভাৰ্যা নহ মোৰ সঙ্গী।' গুৰুজনাৰ এনে পৰীক্ষাৰ অন্তৰালত এটি সংস্কাৰৰ মনোভাৱ থকা বুলি ভাবিব পাৰি। সমকালীন সমাজখনত নাৰীয়ে স্বামীক স্পষ্টকৈ সম্বোধন কৰাও বাধা থকা দেখি, তেনে এটি কু-সংস্কাৰৰ পৰা নাৰীসমাজক মুক্ত কৰিবলৈ গুৰু মাধৱদেৱে বৰাবাহি আইকে নিযুক্ত কৰিছিল। দুখৰ বিষয় গুৰুজনাৰ প্ৰচেষ্টা ফলৱতী নহ'ল। পৰৱৰ্তীস্তৰত বৰাবাহি আই এনে কুসংস্কাৰৰ পৰা মুক্ত হ'ব নোৱাৰিলে।

এইগৰাকী আয়ে এবাৰ ভক্তৰ পৰীক্ষা লৈছিল।

ঘটনাটো এনে ধৰণৰ এদিনাখন মধাই আতৈ ভিক্ষা কৰিবলৈ গৈছিল। ভিক্ষা খুজি খুজি এসময়ত মনথৈ পাইছিল। মনথৈত নাৰায়ণ দাস ঠাকুৰ আতাৰ ঘৰ বুলি নাজানি ঠাকুৰ আতাৰ ঘৰতে ভিক্ষা মাগিছিল। সেই সময়ত ঠাকুৰ আতাৰ আয়ে তাঁত বৈ আছিল। তাঁতৰ পৰাই দেখে 'সুন্দৰ ভৰ জৌবন দিব্য পুৰুষজন ঃ গৌৰবন্নে হাতে লাঠি মাথে ভগ্ন চাতি ঃ আণ্ঠুমূৰে ভুনি ফটা বস্ত্ৰ কপ্লে যুলি গহন সান্ত ধীৰ ভাএ গৈছে ঃ সাজটি দুখি দৰিদ্ৰ ভিখুকৰঃ।' এনে ৰূপ দেখি আয়ে মধাই আতৈক এটা ফকৰা মাতি পৰীক্ষা কৰিলে-- 'নাঞ চপচপ দেখো ঢোউ আপাৰঃ'। অৰ্থাৎ আতৈৰ চেহেৰা তজবজীয়া সুন্দৰ, সংসাৰ সাগৰত বন্ধন হোৱাৰ ভয়। আতৈয়ে ফকৰাৰ তত্ত্ব পাই যোগ দিলে- 'মাতৃ নুৰে নৌকা সুঝান কণ্ঢাৰ।। নকৈ আৰ্জো পুৰণি খাঞ। ভিক্ষা দিয়া মাও ঘলৈ জাঞ।।' অৰ্থাৎ সংসাৰ সাগৰত বন্ধন বা বুৰাৰ ভয় নাই, কাৰণ মন দৃঢ়, অৰ্থাৎ নৌকা সু-কাঠেৰে তৈয়াৰী। সেই গুণে নকৰাকৈ, উপাৰ্জন নকৰাকৈ ভিক্ষাবৃত্তিৰে পুৰণি চাউলৰ ভাতেই খাইছে, গতিকে মাতৃ তুমিও ভিক্ষা দিয়া, লৈ ঘৰলৈ যাওঁ।' আতৈৰ মুখৰ কথা শুনি আচৰিত হৈ আয়ে- আতৈ ক'ৰপৰা আহিছে, থাকে ক'ত সকলো কথাৰ ভূ ল'লে। বিশেষকৈ আতৈ বাউসীত মহাপুৰুষৰ সঙ্গত থকাৰ কথা জানি, তাঁতৰ পৰা উঠি আহি আতৈৰ পাৰত পৰি সেৱা কৰি 'তোম্ৰাক দাসীএ কৰুৱা বুলি পৰীক্ষা কৰিলো' বুলি ক্ষমা খুজিলে। আয়ে ক্ষমা খুজিয়ে ক্ষান্ত থকা নাই, ভিক্ষাও দিছিল, সেই ভিক্ষা আছিল এপুৰা চাউল, এপোৰা লোণ, এপোৰা তেল, আধাপোৰা খাৰব। এনেকৈ প্ৰতিমাহে ভিক্ষা দিব বুলি কৈছিল, দিছিলো, দিছিল মানে ভিক্ষা পঠাই দিছিল বাউসীলৈ। চৰিতৰ ভাষাত 'বোলে মই ততে দিয়াম ঃ দাসীএ ঃ আপুনি আজিৰ পৰা নাম লব বসি।' আইৰ হৰিকথাত মন। কিন্তু সংসাৰৰ বন্ধনে সেই মনক চেপি খুন্দি ৰাখিছে।

আইৰ এনে যন্ত্ৰণাকাতৰ অৱস্থাটো চৰিত পুথিত খুব সুন্দৰভাৱে বৰ্ণিত হৈছে। এবাৰ ঠাকুৰ আতা গুৰুজনাৰ ঠাইতে নিশাটো থাকিল। মাধৱদেৱ গুৰুজনাই এই সুযোগতে শ্ৰীৰাম আতাক 'বৰাবাহি কেনে সুখে আছে ঃ চুপে চাই আহাগৈ' বুলি আজ্ঞা কৰিলে। শ্ৰীৰাম আতাই গুৰুজনাৰ নিৰ্দেশ মানি হাতত সাৰে ভৰিত সাৰে ঠাকুৰ আতাৰ গৃহ পাই আইক অনুসৰণ কৰিছে। আয়ে ল'ৰা-ছোৱালীক শুৱাই থৈ চাউল বহাই স্বগতোক্তি কৰিছে- 'এ মই অভাগি গৃহ অন্ধকূপে পৰি ৰলু ঃ আজি আমাৰ ঠাকুৰ আচেগৈ ঃ গুৰুজনে অমৃতৰ ভাণ্ড মেলিচে ঃ আমাৰ তাৰা দখিনে বহিছে ঃ শ্ৰীৰাম আতা পুবে ঃ হৰিহৰ আতা পচিমে ঃ বুঢ়া আতা উতৰে ঃ ভনিপুৰিয়া আতা নৰিতে ঃ দখিনৰ আতা বাব্যে ঃ বেহাৰ আতা অগ্নৌ ঃ ভাটোকুচিয়া আতা ঐশান্যে।। এইক্ৰমে দশ দিগ্‌পাল ভক্তি সৰোবৰে ৰাজহংস বহিচে ব্ৰহ্মসভা দিগপাল দৰে ঃ আনো ভক্তচই ভ্ৰমৰে অনেক সাৰি হৈ মধুপান কৰিছে ঃ মোৰ মহাপুৰুষে গুৰু মধ্যে বসি কীৰ্ত্তনকৈ মুখপদ্মে কাটি দিচে ঃ মোৰ আতা আতৈ বন্ধুসবে ঃ ঢোকাঢোকে গণ্ডগোলে কন্নপদ্মে পান কৰিব লাগিছে ঃ হৰি হৰি মই অভাগিহে পৰি ৰৈলো মোহপাস নিহলত ঃ হা হা কি দৈব বিধি বিড়ম্বিলে।।' এনে স্বগতোক্তি শুনি শ্ৰীৰাম আতাই আচৰিত মানি পাচ ভৰিকৈ কৌটিবাৰ নমস্কাৰক কৰি উভতিল। শ্ৰীৰাম আতাই উভতি আহি গুৰুজনাক সেৱা কৰিলে। গুৰুৱে কেনে দেখিলা শুনিলে বুলি প্ৰশ্ন কৰাত শ্ৰীৰামে ক'লে, 'বোলে বাপ আইৰ প্ৰেম খেদ ভক্তি এই মুখে কৈ অন্ত নপাঞ ঃ এনে কাৰ্য কাৰ্শনা দেখা সুনা নাই সপ্ৰেম ভক্তি।' শ্ৰীৰাম আতাৰ কথাত সন্তোষ হৈ গুৰুৱে মাথো ক'লে- 'দ্ৰোপদীৰ ভক্তিৰ বলত শ্ৰীকৃষ্ণ পাণ্ডৱৰ বশ হৈ যেনেদৰে ৰথৰ সাৰথি হ'ল তেনেদৰে বৰাবাহিৰ আইৰ ভক্তিয়ে আমাকো বশ কৰিলে; আচলতে আইৰ সমান ভাগ্যৱতী নাই, আয়ে মায়াৰ হাত সাৰিছে।' নিজৰ স্বামী নাৰায়ণ দাস ঠাকুৰে আইক চিনি পালেনে নাই নাজানো। কিন্তু গুৰুজনাই বৰাবাহি আইক সঠিকভাৱে চিনি পাইছিল। গুৰুজনাই আইক যথেষ্ট মানো কৰিছিল। পৰমানন্দ ঠাকুৰে মধুপুৰৰ পৰা গুৰজনাৰ বাৰ্তা লৈ মনথৈলৈ উভতি আহোতে গুৰুজনাই ঠাকুৰআতা, পৰমানন্দক বস্ত্ৰ দিয়াৰ লগতে আইলৈও পঠাইছিল। পৰমানন্দ ঠাকুৰ মধুপুৰৰ পৰা গুৰুজনাৰ বাৰ্তা লৈ মনথৈলৈ উভতি আহোঁতে গুৰুজনাই ঠাকুৰ আতা, পৰমানন্দক বস্ত্ৰ দিয়াৰ লগতে আইলৈও পঠাইছিল 'সাৰ কাপোৰ' (মহিলাক মান কৰি দিয়া বস্ত্ৰ)। আইও এই সাৰকাপোৰ গ্ৰহণ কৰি 'বোলে মৰিবৰ সৰ্ব্বস পালো' বুলি নিজকে কৃতাৰ্থ মানিছিল।■

লেখক- অধ্যাপক, ভাৰতীয় আধুনিক ভাষা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

# শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট 'পাৰিজাত হৰণ' ঃ এটি বিশ্লেষণ

শ্ৰীচিত্ৰজিৎ শইকীয়া

অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ এটা অপ্ৰতিদ্বন্দ্বী নাম। তেওঁ ৰচনা কৰা নাটৰ সংখ্যা ছখন। সেইকেইখন হৈছে-- পত্নী প্ৰসাদ, কালিয়দমন, কেলিগোপাল বা ৰাসক্ৰীড়া, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয় বা সীতা সয়ম্বৰ। আমাৰ আলোচ্য নাট 'পাৰিজাত হৰণ' গুৰুজনাৰ শেষ বয়সৰ ৰচনা। এই কথা ৰামচৰণ ঠাকুৰৰ 'শঙ্কৰ চৰিত' পুথিৰ পৰাই জানিব পাৰি। তেওঁৰ পুথিত পোৱা যায়--

'পাৰিজাত হেন নাম অঙ্ক মহা অনুপাম
কৰিলা শঙ্কৰ তাত পাছে।।
ৰচিলন্ত অঙ্ক যেবে লোকৰ আনন্দ দেৰে
মিলি গৈল দেখন্তে বিস্ময়।
কৰিয়া একান্ত চিত্ত শুনিলা অঙ্কৰ গীত
সভাসদ যতেক আছয়।।'

উল্লেখযোগ্য যে 'পাৰিজাত হৰণ' নাট শঙ্কৰদেৱৰ উপৰিও মৈথিলী কবি উমাপতিয়েও লেখিছে। সেয়েহে বহুতে শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ'ত উমাপতিৰ 'পাৰিজাত হৰণ' নাটৰ প্ৰভাৱ পৰা বুলি সন্দেহ কৰে। এই কথা অস্বীকাৰ কৰি বীৰেন বৰকটকীয়ে কৈছে--

> 'সূক্ষ্মভাৱে বিচাৰ কৰি চালে দেখা যায় যে পৌৰাণিক নাট হিচাপে দুয়োখন নাট একে হ'লেও এই নাট দুখনৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ সুকীয়া। শঙ্কৰদেৱে ভক্তৰ মনোবাঞ্ছা সিদ্ধিৰ আশাত 'পাৰিজাত হৰণ'ৰ সামৰণি মাৰিছে। কিন্তু উমাপতিয়ে সেই ক্ষেত্ৰত কৃষ্ণ আৰু সতিনী দুগৰাকীৰ মাজত কাজিয়া লগাই ৰং ৰহইচ চাইছে। গতিকে শঙ্কৰদেৱৰ মৌলিকতাৰ লগত উমাপতিৰ মৌলিকতাৰ প্ৰভেদ আছে। ইয়াৰ উপৰি উমাপতিৰ 'পাৰিজাত হৰণ' শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ'তকৈ প্ৰায় ডেৰশ বছৰৰ পিছত লেখা। এই কথা মৌথিলী সাহিত্যৰ বুৰঞ্জী লেখকসকলে উল্লেখ কৰিছে। গতিকে উমাপতিৰ 'পাৰিজাত হৰণ'ৰ প্ৰভাৱ শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ'ত পৰাতো একেবাৰেই অস্বাভাৱিক।'[১]

সি যি কি নহওক, শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটখনেই তেওঁৰ বাকীবোৰ নাটতকৈ শ্ৰেষ্ঠ বুলি বিবেচিত হৈ আহিছে। ইয়াৰ মূল কাৰণ হৈছে 'পাৰিজাত হৰণ' নাটখন নাট্যগুণৰ ফালৰ পৰা অধিক সম্পূৰ্ণ। 'পাৰিজাত হৰণ'ৰ শ্ৰেষ্ঠত্ব অধিক স্পষ্ট কৰি সত্যেন্দ্ৰ নাথ শৰ্মাই কৈছে--

> 'শঙ্কৰদেৱৰ ছখন নাটৰ ভিতৰত 'কেলিগোপাল' কাব্যধৰ্মিতাত শ্ৰেষ্ঠ আৰু নাটধৰ্মত 'পাৰিজাত হৰণ'ক শ্ৰেষ্ঠ বুলিব পাৰি। সংলাপ আৰু চৰিত্ৰ সৃষ্টি এই দুটাৰ প্ৰতি সাধাৰণতে অঙ্কীয়া নাট ৰচনাত বৰ বিশেষ দৃষ্টি ৰখা নহয়, কিন্তু 'পাৰিজাত হৰণ' ৰচনা কৰোঁতে এই দুটা নাট্য উপাদানৰ প্ৰতি মহাপুৰুষ বিশেষ সচেতন আছিল যেন লাগে। নাট হিচাপে 'পাৰিজাত হৰণ' মহাপুৰুষৰ নিঃসন্দেহে শ্ৰেষ্ঠ নাট।'[২]

আমাৰ আলোচনাৰ শিৰোণামা যদিও 'শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট 'পাৰিজাত হৰণ' ঃ এটি বিশ্লেষণ' তথাপি ইয়াত কেৱল নাট্যগুণসমূহকেই বিচাৰ কৰি চোৱা নহয়। বৰঞ্চ এই আলোচনাত নাটখনৰ বিবিধ আকৰ্ষণীয় দিশৰ ওপৰতো আলোককপাত কৰা হ'ব আৰু তাৰ আলমতে নাটখনৰ

সামগ্ৰিক গুৰুত্ব নিৰ্ণয় কৰি শ্ৰেষ্ঠত্ব বিচাৰ কৰা হ'ব। তলত 'পাৰিজাত হৰণ' নাটৰ বিবিধ দিশ বিচাৰ কৰি চোৱা হ'ল।

**১. 'পাৰিজাত হৰণ' নাটৰ মূল আৰু নাট্যকাৰৰ মৌলিকতাঃ**

'পাৰিজাত হৰণ' নাট ৰচনা কৰিবৰ সময়ত শঙ্কৰদেৱে তিনিটা উৎসৰ কাষ চাপিছিল। সেই কেইটা হ'ল--

(ক) ভাগৱত পুৰাণ

(খ) হৰিবংশ

(গ) বিষ্ণুপুৰাণ

'পাৰিজাত হৰণ'ৰ কাহিনীৰ যিটো জঁকা, সেইটো নিৰ্মাণ কৰিবৰ বাবে ভাগৱত পুৰাণক আধাৰ হিচাপে লোৱা হ'লেই যথেষ্ঠ আছিল। কিন্তু শঙ্কৰদেৱে 'পাৰিজাত হৰণ'ৰ কাহিনীভাগ বিস্তৃতকৈ থকা 'বিষ্ণুপুৰাণ' আৰু 'হৰিবংশ'ৰো কাষ চাপিলে। তিনিটা উৎসৰপৰা নিৰ্মাণ কৰাৰ বাবে 'পাৰিজাত হৰণ' নাটখনৰ নাট কীয় কাহিনীত বৈচিত্ৰ্য বিদ্যমান। আনকি এনেধৰণে ভবাৰো অৱকাশ আছে যে 'পাৰিজাত হৰণ' শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট্যকৰ্ম হিচাপে পৰিগণিত হোৱাৰ মূলতে ইয়াৰ বৈচিত্ৰ্যময় আধাৰ। তিলক চন্দ্ৰ মজুমদাৰে কৈছে--

> 'পাৰিজাত হৰণ'ৰ মূলৰ বাবে 'ভাগৱত পুৰাণ', 'হৰিবংশ' আৰু 'বিষ্ণুপুৰাণ'ৰ ওচৰ চাপিব লগা হয়। 'ভাগৱত' আৰু 'হৰিবংশ'ৰ সংমিশ্ৰণেৰে মহাপুৰুষে নাটকৰ বিষয়বস্তু চিত্তাকৰ্ষক কৰি তুলিবলৈ বিচাৰিছে।'[৩]

নাট ৰচনাৰ স্বকীয় শৈলীৰে শঙ্কৰদেৱে 'পাৰিজাত হৰণ' ৰচনা কৰোঁতে যথেষ্ট মৌলিকতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। সেইবোৰ এনেকৈ বিচাৰি উলিয়াব পাৰি। প্ৰথমে চাব পাৰি নাৰদ চৰিত্ৰটোলৈ। 'হৰিবংশ পুৰাণ'ৰ নাৰদৰ চৰিত্ৰত গতানুগতিকতাৰ পৰিৱৰ্তে বিশেষ একো পোৱা নাযায়। কিন্তু শঙ্কৰদেৱৰ কাপত নাৰদ হৈ উঠিছে সজীৱ, প্ৰাণৱন্ত এক ক্ৰীড়াশীল চৰিত্ৰ। বহু সময়ত নাৰদৰ কথা বাৰ্তা আৰু আচৰণৰ মাজত দৰ্শক পঢ়ুৱৈয়ে তদানীন্তন অসমীয়া সমাজখনৰ কলহপ্ৰিয় আৰু টুটকীয়া চৰিত্ৰৰ পুৰুষ একোজনক আৱিষ্কাৰ কৰাৰো অৱকাশ আছে।

'হৰিবংশ পুৰাণ'ত নৰকাসুৰ বধ কৰিবৰ বাবে শ্ৰীকৃষ্ণৰ লগত সত্যভামা যায় যদিও সেই যাত্ৰাৰ প্ৰাৰম্ভতে 'পাৰিজাত হৰণ'ৰ উদ্দেশ্য নিহিত হৈ থকা নাছিল। কিন্তু 'পাৰিজাত হৰণ' নাটত সত্যভামা আৰু শ্ৰীকৃষ্ণই নৰকাসুৰ বধৰ লগতে পাৰিজাত হৰণ কৰাৰ উদ্দেশ্যও একেলগে লৈহে দ্বাৰকা এৰিছে।

'হৰিবংশ পুৰাণ'ত বৰ্ণিত হৈছে যে এবছৰ দ্বাৰকাত ৰখাৰ পাছত শ্ৰীকৃষ্ণই পাৰিজাত পুষ্প পুনৰ স্বৰ্গলৈ নিয়াৰ ব্যৱস্থা কৰে। কিন্তু শঙ্কৰদেৱে এই কথা বাদ দিছে। অৱশ্যে এইকথাৰ উল্লেখে 'পাৰিজাত হৰণ'ৰ কোনো নাটকীয় আবেদনো পূৰ কৰিব নোৱাৰিলেহেঁতেন।

সত্যভামা, ৰুক্মিণী আৰু শচী এই তিনিওটা চৰিত্ৰকে কম বেছি পৰিমাণে শঙ্কৰদেৱে নিজা সাঁচত ঢালিছে। শচী-সত্যভামাৰ তৰ্কযুদ্ধ, ৰুক্মিণীৰ স্বভাৱসুলভ গাম্ভীৰ্য আৰু স্বাৰ্থপৰায়ণতা আদি গুণবোৰৰ সমাবেশো বহু পৰিমাণে শঙ্কৰদেৱৰ মৌলিক চিন্তাৰ ফচল।

'পাৰিজাত হৰণ' নাটৰ ইন্দুমতী চৰিত্ৰটো সম্পূৰ্ণৰূপে শঙ্কৰদেৱৰ সৃষ্টি। সেইবুলি এই চৰিত্ৰটো নাটখনৰপৰা আঁতৰাই পেলাব পৰা নাযায়। ইন্দুমতীৰ উপস্থিতিয়ে নাটখনৰ সৌন্দৰ্য বহুখিনি বৃদ্ধি কৰিছে।

ওপৰত শঙ্কৰদেৱৰ মৌলিকত্বৰ প্ৰসঙ্গত যিখিনি কথা কোৱা হ'ল তাত 'হৰিবংশ পুৰাণ'ৰ কথাই অধিক স্থান লাভ কৰিলে। তাৰ কাৰণ হৈছে 'পাৰিজাত হৰণ'ৰ কথাবস্তুৰ পাতনি আৰু অগ্ৰগতিৰ ক্ষেত্ৰত 'ভাগৱত পুৰাণ' অথবা 'বিষ্ণুপুৰাণ'তকৈ 'হৰিবংশ পুৰাণ'হে অধিক ওচৰচপা।

**'পাৰিজাত হৰণ' নাটৰ নামকৰণ ঃ**

আমাৰ আলোচ্য 'পাৰিজাত হৰণ' নাটখন নামকৰণ সম্পৰ্কে এটি প্ৰশ্নৰ উত্থাপন হয়। নাটখনৰ নাম 'পাৰিজাত হৰণ' নিদি 'নৰকাসুৰ বধ' বা 'ইন্দ্ৰৰ পৰাজয়' বা 'শ্ৰীকৃষ্ণ বিজয়' দিয়া হ'লে যুক্তিসঙ্গত হ'লহেঁতেননে? এই প্ৰসঙ্গত কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীয়ে নিজস্ব মতামত আগবঢ়াইছে। তেওঁৰ মতে নাটখনৰ নাম

'নৰকাসুৰ বধ' হোৱাতো প্ৰশস্ত আছিল। তেওঁ কৈছে-- সকলো প্ৰাণীৰে অপকাৰ চিন্তা কৰা এটা প্ৰৱল প্ৰতাপী অসুৰক বিনাশ কৰি জগতত শান্তি স্থাপন কৰাটো শ্ৰীকৃষ্ণৰ কাম্য আৰু সেয়ে নৰকাসুৰ বধ বিষয়টো অতি গুৰুত্বপূৰ্ণ। আনহাতে বসন্ত কুমাৰ শৰ্মাই কৈছে-- 'নৰকাসুৰক বধ কৰি আৰু ইন্দ্ৰক পৰাজয় কৰি শ্ৰীকৃষ্ণয়ো নিজৰ বিজয় সাব্যস্ত কৰিছে। গতিকে নাটখনৰ নাম 'শ্ৰীকৃষ্ণ বিজয়' হোৱাত অযুক্তিকৰ একো নাই।'[৪]

নাটখনৰ নামকৰণ সম্পৰ্কত বিভিন্নজনে ভিন্নমত আগবঢ়ালেও 'পাৰিজাত হৰণ' নামৰ সপক্ষেহে যুক্তি প্ৰৱল। নাটকীয় কাৰ্য আৰম্ভ হোৱাৰ পৰা, অৰ্থাৎ নাৰদৰ দ্বাৰকালৈ আগমনৰ পৰা শেষলৈকে পাৰিজাত প্ৰসঙ্গই নাটখনত প্ৰাধান্য বিস্তাৰ কৰিছে। নাটখনৰ প্ৰাৰম্ভিক ভটিমাত আছে--

'সোহি কৃষ্ণক নাট উপামা।
পাৰিজাত হৰণ আহেৰ নামা।।'[৫]

দ্বিতীয় নান্দীশ্লোকত বিষয়বস্তুৰ উল্লেখ কৰা হৈছে পাৰিজাতং জহাৰ (পাৰিজাত ফুল হৰণ কৰিছিল) বুলি। নাটখনৰ কাৰ্য সংঘটিত হয় তিনি ঠাইত-- দ্বাৰকাত, কামৰূপত আৰু স্বৰ্গত। দ্বাৰকাত নাৰদে শ্ৰীকৃষ্ণক পাৰিজাত ফুল দিয়ে; পাৰিজাত ফুলৰ কাৰণেই শ্ৰীকৃষ্ণৰ সৈতে সত্যভামা কামৰূপত উপস্থিত হয়হি, আকৌ শেহত স্বৰ্গত পাৰিজাত ফুলৰ কাৰণেই ইন্দ্ৰৰ লগত শ্ৰীকৃষ্ণৰ যুদ্ধ হয়। গতিকে দেখা যায় যে পাৰিজাত হৰণৰ ঘটনাটোৱে নাটখনক এটি পূৰ্ণ আখ্যানৰ ৰূপ দিয়ে। নাটখনৰ সামৰণিৰ শ্লোকতো নাটখনক 'পাৰিজাত হৰণ' বুলি উল্লেখ কৰা হৈছে। সেয়েহে বিষয়বস্তুৰ ভিত্তিত নাটখনৰ নামকৰণ 'পাৰিজাত হৰণ' বেছি উপযুক্ত হৈছে বুলি ক'ব পাৰি।

**'পাৰিজাত হৰণ' নাটৰ কাহিনী ঃ**

'পাৰিজাত হৰণ'ৰ মূল কাহিনীভাগ 'ভাগৱত পুৰাণ', 'হৰিবংশ' আৰু 'বিষ্ণুপুৰাণ'ত পোৱা যায়। মহাপুৰুষে নাট্যবস্তু আকৰ্ষণীয় কৰি তুলিবৰ নিমিত্তে ভাগৱত আৰু 'হৰিবংশ'ৰ কথাবস্তু লগ লগাইছে। কাহিনী নিৰ্মাণত নাট্যকাৰে 'হৰিবংশ'ৰ কথাভাগ গ্ৰহণ কৰি 'ভাগৱত'ৰ ক্ৰম বা ঘটনাৰ আগ-পাছ অনুসৰণ কৰিছে। 'হৰিবংশ'ত নৰকাসুৰক বধ আৰু পাৰিজাত হৰণ দুটি পৃথক ঘটনা। 'ভাগৱত'ত দুয়োটি ঘটনা সংলগ্ন কৰিছে কৃষ্ণৰ একে যাত্ৰাতে দুয়োটা কাৰ্য দেখুৱাই। শঙ্কৰদেৱে 'ভাগৱত'ৰ ঘটনাক্ৰম গ্ৰহণ কৰাত দুয়োটা ঘটনা নাটৰ অন্তৰ্ভুক্ত হৈছে। কথাবস্তু ৰচনাত 'হৰিবংশ'ক অনুসৰণ কৰিছে যদিও পৰিস্থিতি ৰসাল আৰু কৌতুকপূৰ্ণ কৰি তুলিবলৈ নাট্যকাৰে ঠাই বিশেষে অলপ ৰহণ সানিছে। 'পাৰিজাত হৰণ' নাটৰ কাহিনীভাগ এনেধৰণৰ-- নৰকাসুৰৰ অত্যাচাৰৰ পৰা স্বৰ্গৰাজ্য ৰক্ষাৰ বাবে সহায় বিচাৰি দেৱৰাজ ইন্দ্ৰ নাৰদৰ সৈতে দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ ওচৰলৈ আহে। ইন্দ্ৰই নিজৰ দুখ বৰ্ণনা কৰাৰ পূৰ্বে নাৰদে স্বৰ্গৰ পাৰিজাত ফুল এপাহ কৃষ্ণক দি তাৰ মহিমা বৰ্ণাবলৈ ধৰে। নাৰদৰ মুখত পাৰিজাতৰ মহিমা শুনি ব্যাকুল হৈ পৰা ৰুক্মিণীক শ্ৰীকৃষ্ণই নিজহাতে পাৰিজাত ফুল পাহ পিন্ধাই দিয়ে। আনহাতে সেই কথাকে নাৰদে সত্যভামাক জনালেগৈ। ৰুক্মিণীয়ে ফুল পোৱাৰ কথা সত্যভামাই জনাৰ পিছতেই নাট্য ঘটনাই জটিল ৰূপ লয়। এইখিনিতে নাটকীয় কাৰ্য, সংঘাতো আৰম্ভ হয়। সত্যভামাই তাৰ কাৰণে কৃষ্ণৰ ওপৰত অভিমান কৰিলে। সত্যভামাৰ অভিমান ভাঙিবলৈ স্বৰ্গৰ পৰা পাৰিজাত ফুল অনাৰ কাৰণে শ্ৰীকৃষ্ণ অঙ্গীকাৰবদ্ধ হয়। কামৰূপত নৰকাসুৰক বধ কৰি শ্ৰীকৃষ্ণ সত্যভামাৰ সৈতে স্বৰ্গলৈ গ'ল। সত্যভামাৰ বাবে পাৰিজাত ফুল আনিবলৈ গৈ ইন্দ্ৰৰ সৈতে শ্ৰীকৃষ্ণৰ যুদ্ধ হয়। শেষত ইন্দ্ৰ পত্নী শচীৰ পাৰিজাত পুষ্প কৃষ্ণই শিপাই সৈতে উভালি আনি নিজহাতে সত্যভামাৰ পদুলিত ৰুই দিয়ে। শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটৰ কাহিনী মূলতঃ এয়াই। 'হৰিবংশ' আৰু 'ভাগৱত পুৰাণ'ৰ সংমিশ্ৰিত এই কাহিনীৰ মাজতেই নিহিত হৈ আছে শঙ্কৰদেৱৰ মৌলিক প্ৰতিভাৰ সুষম পৰিচয়। 'পাৰিজাত হৰণ' নাটত শঙ্কৰদেৱৰ কাহিনী নিৰ্মাণ কৌশলৰ দক্ষতা আলোচনা কৰি হৰিনাথ শৰ্মা দলৈয়ে কৈছে এনেদৰে--

'মূলৰ অৰ্থাৎ হৰিংবশৰ স্বতন্ত্ৰ নৰক-বধৰ আখ্যানটো আনুসঙ্গিক ঘটনা কৰি ৰাখি আৰম্ভণিৰ পৰা

শেষলৈকে পাৰিজাত আৰু হৰণ কাৰ্য্যক লক্ষ্য কৰি 'পাৰিজাত হৰণ' নাটৰ কাৰণে উপযোগীকৈ শঙ্কৰদেৱে যিটো কাহিনী সাজিছে তাৰ মাজেদি নাটকৰ কাহিনীৰ সৃষ্টি কৌশলত নিপুণতা তেওঁৰ স্পষ্ট হৈ উঠিছে।'

শঙ্কৰদেৱৰ কাহিনী নিৰ্মাণৰ দক্ষতা 'পাৰিজাত হৰণ' নাটৰ শ্ৰেষ্ঠত্বৰ এক অন্যতম কাৰণ।

**'পাৰিজাত হৰণ'ৰ চৰিত্ৰ চিত্ৰণ ঃ**

'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰৰ বিশিষ্টতালৈ লক্ষ্য কৰিলে চৰিত্ৰ চিত্ৰণৰ বাবেই যে শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' আন নাট্যকৃতিৰ তুলনাত শ্ৰেষ্ঠ এই কথা উপলব্ধি কৰিব পাৰি। নাটখনৰ চৰিত্ৰৰ বিশিষ্টতাৰ সম্পৰ্কত সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে--

'নাটখনৰ প্ৰত্যেকটো চৰিত্ৰই স্বকীয় বৈশিষ্ট্যৰে উজ্বল। আজিকালিৰ নাট্যকাৰৰ দৰেই মহাপুৰুষে এই নাটৰ চৰিত্ৰসমূহক পাৰস্পৰিক বৈপৰীত্য (contrast) আৰু সাদৃশ্য বা সমধৰ্মিতা (Parallelism) ভেটিত অঙ্কন কৰিছে।'[৬]

নাটখনত দেখা যায় সত্যভামা আৰু ৰুক্মিণী চৰিত্ৰক পৰস্পৰৰ বৈপৰীত্যৰ ভেটিত, আনহাতে শচী আৰু সত্যভামাক সমধৰ্মিতাৰ ভেটিত অঙ্কন কৰিছে। ঈৰ্ষাপৰায়না সত্যভামা অভিমানী, অত্যন্ত মুখৰা আৰু স্বামীপৰায়ণা যদিও গৰ্বিতা। ইয়াৰ বিপৰীতে ৰুক্মিণী ধীৰ স্থিৰ আদৰ্শৱতী নাৰী। স্বামীপৰায়ণা ৰুক্মিণীৰ চৰিত্ৰত স্বভাৱসুলভ গাম্ভীৰ্যতা বিদ্যমান। পাৰিজাত পুষ্প সৰগৰ পৰা অনাৰ পিছত গৰ্বত ওফন্দি সত্যভামাই ৰুক্মিণীক তিৰস্কাৰ কৰাত ৰুক্মিণীয়ে যি উত্তৰ দিয়ে সেই কথাষাৰিতে ৰুক্মিণী চৰিত্ৰৰ আটাইবোৰ লক্ষণ পৰিদৃষ্ট হয়। ৰুক্মিণীৰ বিপৰীতে শচী আৰু সত্যভামা চৰিত্ৰত সমধৰ্মিতা পৰিলক্ষিত হয়। নাটখনত দেখা যায় সতিনীক অধিক মৰম কৰা বুলি সত্যভামা ঈৰ্ষান্বিত হৈছে। পাৰিজাত ফুলৰ বাবে কৃষ্ণৰ ওচৰত অভিমান কৰিছে। শেষত পাৰিজাত প্ৰাপ্তিত সত্যভামাই গৰ্ব অনুভৱ কৰিছে। একেদৰে দেখা যায় মানৱী সত্যভামাই পাৰিজাত পিন্ধিব বুলি শচী ঈৰ্ষান্বিত হৈছে। পাৰিজাত ফুল নিদিওঁ বুলি তেওঁ স্বামীৰ ওচৰত অভিমান কৰিছে। আকৌ দেৱেন্দ্ৰৰ পত্নী হৈয়ো শচী গৰ্বিত। এনেবোৰ দিশৰ পৰা শচী আৰু সত্যভামা চৰিত্ৰটো সমধৰ্মী বুলি ক'ব পৰা যায়।

'পাৰিজাত হৰণ' নাটখনিত নাট্যকাৰ নাৰদ চৰিত্ৰটো সাৰ্থক ৰূপত সজাই তুলিছে। নাৰদ চৰিত্ৰটোৰ সম্পৰ্কত বসন্ত কুমাৰ শৰ্মাই কৈছে--

'পাৰিজাত হৰণ' নাটখনৰ আকৰ্ষণীয়তাৰ এটি কাৰণ নাৰদ চৰিত্ৰটো। টুটকীয়া স্বভাৱ, কলহপ্ৰিয়তা আৰু পৰিহাস ৰসিকতা নাৰদ চৰিত্ৰৰ বৈশিষ্ট্য।'[৭]

বিষ্ণুভক্ত নাৰদ চৰিত্ৰটো গোটেই নাটখনৰ কাহিনীৰ যোগসূত্ৰকাৰী আৰু সংঘাতৰ মূল কাৰণ। এইদিশৰ পৰা নাৰদক নাটখনৰ মূল চৰিত্ৰ বুলি ক'ব পাৰি। নাট্য কাহিনীক আগবঢ়াই নিয়াত নাৰদ চৰিত্ৰটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নাৰদৰ টুটকীয়া চৰিত্ৰটো নাট্যকাৰে অতি সুন্দৰকৈ দেখুৱাইছে। নাৰদে প্ৰথমে শ্ৰীকৃষ্ণক সৰগৰ পাৰিজাত ফুলৰ মহিমা বৰ্ণনাই কৈছে--

'....। ওহি দেৱ দুৰ্লভ পাৰিজাত যে নাৰী পৰিধান কৰে, সে পুষ্পক মহিমায়ে পৰম সোভাগিনী হয় ঃ ....।'[৮]

পাৰিজাত ফুলৰ বৰ্ণনা শুনি ৰুক্মিণীয়ে ফুলপাহ প্ৰাৰ্থনা কৰাত কৃষ্ণই ৰুক্মিণীৰ খোপাত ফুলপাহ মৰমেৰে পিন্ধাই দিলে। সেই কথাকে টুটকীয়া নাৰদে সত্যভামাক কটাক্ষ কৰি ক'লে--

'তোহাক কটাক্ষ কৰিয়ে আপুন হাতে প্ৰিয়া ৰুকমিণীক মাথে পৰম সাদৰে সে দিব্য পাৰিজাত পিন্ধৰল।। ... সতিনীক অভ্যুদয় দেখি কি নিমিত্ত প্ৰাণ ধৰহঃ ...।।'[৯]

কৃষ্ণই ৰুক্মিণীক পাৰিজাত ফুল পিন্ধোৱাৰ কথা সত্যভামাই যেতিয়াই জানিলে তেতিয়াৰ পৰাই নাটকীয় সংঘাতৰ আৰম্ভ হৈছে। নাটখনৰ প্ৰত্যেকটো ঘটনাৰ লগত নাৰদ ওতঃপ্ৰোতভাৱে জড়িত। ইয়াৰ লগতে শ্ৰীকৃষ্ণই পৰম বিষ্ণুভক্ত নাৰদক সকলো কামতে সহায়কৰূপে ৰখাটোও মনকৰিবলগীয়া। প্ৰথমে কৃষ্ণক

'হে কৃষ্ণ তুহু পৰম পুৰুষ, নাৰায়ণ ভূমিক ভাৰ হৰণ নিমিত্তে অৱতৰৈছ ...।'[১০]

বুলি তুতি কৰি পিছত আকৌ সেই নাৰদেই কৃষ্ণক 'স্ত্ৰীক লাড়িকা', 'তোহাসম স্ত্ৰীজিত পুৰুষ কবহো নাহি দেখি' বুলি নিন্দা কৰিছে। এনেদৰে শঙ্কৰদেৱে নাৰদ চৰিত্ৰটোত মৌলিকতাৰ ৰহণ সানি প্ৰাণৱন্ত, ক্ৰিয়াশীল ৰূপত অঙ্কন কৰিছে। নাৰদ চৰিত্ৰটোৰ কাৰ্যকলাপে পাঠক দৰ্শকক বিমল আনন্দ প্ৰদান কৰে।

শ্ৰীকৃষ্ণ 'পাৰিজাত হৰণ' নাটৰ আন এটি উল্লেখযোগ্য চৰিত্ৰ। 'পাৰিজাত হৰণ'ত কৃষ্ণ এফালে পৰমব্ৰহ্ম নাৰায়ণ, আনহাতে প্ৰেমিক অথবা তিৰোতা সেৰুৱা এজন সাধাৰণ মানৱ। মানৱৰূপী কৃষ্ণৰ লীলা, খেলা, আচৰণ, স্বভাৱ আদি সকলোতে এটি ঐশ্বৰিক ৰূপ প্ৰকটিত হৈছে। কৃষ্ণ চৰিত্ৰ সম্পৰ্কে ড° কৰবী ডেকা হাজৰিকাই কৈছে--

'পাৰিজাত হৰণৰ উপভোগ্য কাহিনীৰ মাজতো সতিনীৰ কাজিয়াত বিতত হোৱা কৃষ্ণৰ মানৱীয় চৰিত্ৰৰ মাজতে ভজনীয় গুণৰ প্ৰকাশ কৰা হৈছে; 'জগতক পৰম গুৰু শ্ৰীকৃষ্ণ ঃ উনিকৰ চৰণ সেৱা কৰিতে ব্ৰহ্মাণ্ড ভিতৰে ঃ কোন দুৰ্লভ থীক ঃ'[১১]

নাট্যকাৰে কৃষ্ণ চৰিত্ৰটোৰ মাজত সাধাৰণ মানৱ চৰিত্ৰৰ নিচিনা সুখ-দুখ, সহানুভূতি আদিৰ প্ৰকাশ কৰিছে যদিও নাটখনত কৃষ্ণৰ ঐশ্বৰিক মহিমাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ চেষ্টাহে পৰিলক্ষিত হয়। কৃষ্ণ-ৰুক্মিণীৰ প্ৰেমৰ কাহিনী প্ৰকৃততে ভক্ত আৰু ভগৱানৰ গূঢ় সম্পৰ্কৰ পৰিচায়ক।

ওপৰত যি কেইটা চৰিত্ৰৰ আলোচনা কৰা হ'ল সেইকেইটা 'পাৰিজাত হৰণ' নাটখনৰ মুখ্য চৰিত্ৰ। এই চৰিত্ৰকেইটা শঙ্কৰদেৱৰ মৌলিক প্ৰতিভাৰ পৰশত সজীৱ হৈ উঠিছে। নাটখনত ইন্দ্ৰ চৰিত্ৰটো গৌণ চৰিত্ৰ। কৃষ্ণক স্বৰ্গৰাজ্যৰ ৰক্ষাৰ বাবে সহায় বিচাৰি অহাৰ সময়ত আৰু পাৰিজাত আনিবলৈ কৃষ্ণ স্বৰ্গৰাজ্যলৈ গৈ পাৰিজাত ফুলৰ কাৰণে দেৱেন্দ্ৰৰ লগত যুদ্ধ কৰাৰ মুহূৰ্ততহে চৰিত্ৰটো প্ৰকাশলৈ আহিছে। ঠিক সেইদৰে বসুমতী আৰু অদিতি চৰিত্ৰটোৰ নাটখনত উপস্থিতি সাময়িক বুলি ক'ব পৰা যায়। নৰকাসুৰৰ মৃত্যুৰ পাছত বসুমতীয়ে নাতিনীয়েক ভগদত্তক ৰজা পাতিবৰ বাবে কৃষ্ণক আহ্বান কৰিছে। আনহাতে দেৱমাতা অদিতিয়ে স্বৰ্গত কৃষ্ণক পৰমেশ্বৰ বুলি জানি স্তুতি কৰিছে। পৰম ভক্তাৰূপে ৰুক্মিণীৰ সৈতে অদিতি চৰিত্ৰটোৰ সাদৃশ্য পৰিলক্ষিত হয়। 'পাৰিজাত হৰণ' নাটৰ ইন্দুমতী চৰিত্ৰটো শঙ্কৰদেৱৰ নিজা সৃষ্টি। ৰুক্মিণীক কৃষ্ণই পাৰিজাত ফুল দিয়াৰ কথা জানি সত্যভামাই যেতিয়া জ্ঞান হেৰুৱাই মূৰ্চ্ছা গ'ল তেতিয়া ইন্দুমতীয়ে প্ৰাণ সখীক মূৰত পানী দি চিন্তা পৰিহাৰ কৰিবলৈ প্ৰবোধ দিছে। গতিকে দেখা যায় নাট্যকাৰৰ চৰিত্ৰাঙ্কনৰ দক্ষতাই নাটখনৰ আকৰ্ষণীয়তা বৃদ্ধি কৰিছে। প্ৰত্যেকটো চৰিত্ৰই নিজস্ব বৈশিষ্ট্যৰে সপ্ৰতিভ। 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰৰ সম্পৰ্কে মহেশ্বৰ নেওগদেৱে কৈছে-

'চৰিত্ৰৰ মুকলি বিকাশৰ ফালৰপৰা নাৰদ, শচী, সত্যভামা আদিৰে পাৰিজাত হৰণ সৰ্বপ্ৰধান।'[১২]

**'পাৰিজাত হৰণ' নাটৰ সংলাপ ঃ**

সংলাপৰ স্বল্পতা অঙ্কীয়া নাটৰ এক অন্যতম বিশেষত্ব। শঙ্কৰদেৱে সংলাপ ৰচনাৰ ক্ষেত্ৰত অন্যকেইখন নাটতকৈ 'পাৰিজাত হৰণ'ত বিশেষ দৃষ্টি ৰখা যেন অনুভৱ হয়। সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে--

'সংলাপৰ সজীৱতাই পাৰিজাত হৰণৰ নাটকীয় গুণ বহু পৰিমাণে বৃদ্ধি কৰিছে।'[১৩]

স্বকীয়তাপূৰ্ণ চৰিত্ৰসমূহক উজ্বল কৰি তোলাত 'পাৰিজাত হৰণ'ৰ সংলাপে বিশেষ ভূমিকা পালন কৰিছে। শঙ্কৰদেৱৰ প্ৰায়কেইখন নাটৰ দৰে সূত্ৰধাৰৰ নিৰ্দেশ আৰু নৃত্য-গীতে চৰিত্ৰসমূহৰ সংলাপক গৌণ কৰি পেলোৱা নাই, সংলাপেও সমানৰূপত প্ৰাধান্য লাভ কৰিছে। 'পাৰিজাত হৰণ' নাটৰ সংলাপ অধিক বাস্তৱধৰ্মী আৰু চৰিত্ৰব্যঞ্জক। নাটখনৰ শেহত সত্যভামাৰ অনুৰোধত কৃষ্ণই সৰগৰ পৰা পাৰিজাত বৃক্ষ উভালি অনাৰ বাবে সত্যভামাই ৰুক্মিণীৰ সন্মুখত গৰ্ব কৰাত ৰুক্মিণীৰ মুখত নাট্যকাৰে যি সংলাপ প্ৰয়োগ কৰিছে, সেই সংলাপে ৰুক্মিণীৰ চাৰিত্ৰিক লক্ষণ প্ৰতিভাত কৰি তুলিছে। ৰুক্মিণীয়ে কৈছে-

'অয়ে সত্যভামা, কি কহৈছ -- জগতক পৰম গুৰু

শ্ৰীকৃষ্ণ উণিকৰ চৰণ সেৱা কৰিতে ব্ৰহ্মাণ্ড ভিতৰে কোন দুৰ্লভ থিক ঃ ধৰ্ম অৰ্থ কাম মোক্ষ চাৰি পদাৰথ হাতে মিলয় তোহাৰি পাৰিজাত কোন কথা।'[১৪]

বাস্তৱধৰ্মী আৰু সজীৱ সংলাপৰ সুন্দৰ প্ৰয়োগেৰে 'পাৰিজাত হৰণ'ক শ্ৰেষ্ঠ নাট্যকৃতি হিচাপে খ্যাত কৰাত নাট্যকাৰ সফল হৈছে বুলি ক'ব পৰা যায়। নাটখনত বহু সময়ত শচী-সত্যভামাৰ মুখত দিয়া সংলাপে হাস্যৰস সৃষ্টিত বিশেষভাৱে সহায় কৰিছে।

এনেদৰে 'পাৰিজাত হৰণ' নাটৰ সংলাপৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে সংলাপৰ সুষম প্ৰয়োগে নাটখনক অধিক মনোহাৰিত্ব প্ৰদান কৰিছে।

**ক্ৰিয়াত্মক নাট্যপৰিৱেশ সৃষ্টি ঃ**

'পাৰিজাত হৰণ' নাটত ক্ৰিয়াত্মক নাট্য পৰিৱেশ সৃষ্টিত নাট্যকাৰ সফল হৈছে। নাটখন কাৰ্যপ্ৰধান হোৱা বাবে পাঠক দৰ্শকৰ মনত সহজে নাট্যোৎকণ্ঠাৰ সৃষ্টি হয়। নাটখনৰ কাহিনীভাগৰ বৈচিত্ৰ্য আৰু ক্ৰিয়াশীলতাই আৰম্ভণিৰ পৰা শেহলৈকে আমাৰ মনত উৎকণ্ঠা জন্মায়। শ্ৰীকৃষ্ণ নৰকাসুৰ বধ, মুৰ দৈত্যই শ্ৰীকৃষ্ণক খেদি অহাত তাৰ নিধন কাৰ্য, ভগদত্তৰ ৰাজ্যাভিষেক, ইন্দ্ৰৰ লগত শ্ৰীকৃষ্ণৰ যুদ্ধ আদি কাৰ্যই নাটখনৰ অভিনেয় দিশটোক চিত্তাকৰ্ষক কৰি তুলিছে। নাটখনত প্ৰতিফলিত সংঘাতো অতি তীব্ৰ। বাহ্যিক সংঘাতৰ উপৰি সত্যভামাৰ মানসিক সংঘাতৰ চিত্ৰণে নাটখনৰ ক্ৰিয়াত্মক নাট্য পৰিৱেশ সৃষ্টিত বিশেষ অৰিহণা যোগাইছে।

**'পাৰিজাত হৰণ' নাটৰ পঞ্চসন্ধি ঃ**

নাটকীয় কাহিনী বিন্যাসত সংস্কৃত নাট্যশাস্ত্ৰৰ বিধান অনুসৰি ব্যৱহৃত পঞ্চাৱস্থা আৰু পঞ্চসন্ধিৰ সুপ্ৰয়োগে শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটৰ কাহিনীৰ নাটকীয়তা বৃদ্ধি কৰিছে। নাৰদৰ দ্বাৰা কৃষ্ণক পাৰিজাত পুষ্প প্ৰদান, কৃষ্ণই ৰুক্মিণীক সেই ফুলপাহ পিন্ধাই দিয়াত সত্যভামাৰ অভিমানত কথাবস্তুৰ আৰম্ভ আৰু মুখসন্ধি; সত্যভামাৰ অনুৰোধত নৰকাসুৰ বধ কৰিয়েই একে যাত্ৰাতে পাৰিজাত তৰু আনিবলৈ কৃষ্ণ সত্যভামাৰ যাত্ৰা আৰু নৰকাসুৰ বধ কৰি স্বৰ্গগমনলৈকে প্ৰযত্নাৱস্থা আৰু প্ৰতিমুখ সন্ধি নিৰ্দেশ কৰে। স্বৰ্গত ইন্দ্ৰ-শচী-অদিতিৰ দ্বাৰা কৃষ্ণ সত্যভামাক আদৰ সৎকাৰ, সত্যভামাৰ অনুৰোধত কৃষ্ণৰ ইচ্ছানুসাৰে ইন্দ্ৰৰ ওচৰত পাৰিজাত প্ৰাৰ্থনাৰ বাবে নাৰদক প্ৰেৰণ আৰু ইন্দ্ৰৰ অসন্মতিত শ্ৰীকৃষ্ণই পাৰিজাত তৰু উভালি অনা কাৰ্যই প্ৰাপ্ত্যাশা আৰু গৰ্ভ সন্ধি সূচনা কৰিছে। শচী আৰু সত্যভামাৰ বাক্‌যুদ্ধ তথা কৃষ্ণ-ইন্দ্ৰৰ যুদ্ধই নিয়তাপ্তি আৰু অৱিমৰ্শ সন্ধিসূচনা কৰিছে। অৱশেষত ইন্দ্ৰক পৰাজিত কৰি পাৰিজাত তৰু লৈ কৃষ্ণ সত্যভামাৰ দ্বাৰকালৈ প্ৰত্যাৱৰ্তন আৰু পৰৱৰ্তী কাৰ্যাৱলীক ফলাগম আৰু নিৰ্বহন সন্ধিৰূপে দেখুৱাব পাৰি।

**'পাৰিজাত হৰণ' নাটৰ ৰস ঃ**

'পাৰিজাত হৰণ' নাটত বিভিন্ন ৰসৰ উদ্ৰেক কৰাত নাট্যকাৰ সফল হৈছে। শঙ্কৰদেৱে অঙ্কীয়া নাট ৰচনা কৰিছিল জনসাধাৰণৰ অন্তৰত আধ্যাত্মিক চেতনা জাগ্ৰত কৰিবলৈ, শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য কীৰ্ত্তনেৰে মানুহৰ মন ভক্তি ধৰ্মত নিমজ্জিত কৰিবলৈ। সেয়েহে কাব্যৰস সৃষ্টিত নাটসমূহত পৰিব্যাপক ৰস ভক্তিৰসহে। 'পাৰিজাত হৰণ'তো ভক্তি মুখ্য ৰস। নাটখনৰ মূল ৰস ভক্তিৰসক বাদ দি প্ৰাধান্য লাভ কৰা ৰস হ'ল বীৰৰস। তেনেদৰে হাস্য, করুণ আৰু বীভৎস ৰসৰ উপস্থিতিও নাটখনত লক্ষ্য কৰা যায়। নৰক বধ আৰু পাৰিজাত হৰণৰ কাৰণে হোৱা যুদ্ধ দুখনত বীৰৰসৰ পূৰ্ণ বিকাশ হৈছে। ইয়াৰ মাজতে ৰৌদ্ৰ ৰসৰ সমাৱেশো লক্ষ্য কৰা যায়। ৰুক্মিণীক পাৰিজাত দিয়া শুনি সত্যভামাৰ অভিমান, নৰক বধৰ পিছত পুত্ৰশোকত সন্তপ্তা বসুমতীৰ বিলাপ আদিৰ মাজেদি করুণ ৰস ব্যঞ্জিত হৈছে। ৰুক্মিণীৰ পাৰিজাত লাভ, শ্ৰীকৃষ্ণই সত্যভামাক দিয়া সান্ত্বনা বাণী, পাৰিজাত অনাৰ পাছত সত্যভামাই গৰ্ব কৰিলত ৰুক্মিণীয়ে যি উপলব্ধি কৰিছে সেইখিনি ৰুক্মিণীৰ উক্তিত আৰু বসন্ত ৰাগৰ গীত এটিৰ যোগেদি দাঙি ধৰা হৈছে। ইয়াৰ মাজেদি শান্তৰস প্ৰকাশ পাইছে। নাৰদৰ কথা আৰু কাৰ্যত হাস্যৰস, পাৰিজাত তৰুক কেন্দ্ৰ কৰি হোৱা শচী-সত্যভামা আৰু ইন্দ্ৰ কৃষ্ণৰ বিবাদত ৰৌদ্ৰ ৰস আৰু লগতে বীভৎস ৰসৰ উদ্ৰেক হৈছে। এইদৰে বিভিন্ন ৰসৰ সমাৱেশত শেষত সেই

সকলোবোৰ ভক্তিৰসত পৰিণত হৈছেগৈ।

**'পাৰিজাত হৰণ' নাটৰ ভাষা ঃ**

'পাৰিজাত হৰণ' নাটৰ ভাষা মূলতঃ ব্ৰজাৱলী। ব্ৰজাৱলী আৰু তৎসম শব্দৰে পৰিপূৰ্ণ 'পাৰিজাত হৰণ'ৰ সংলাপ যথেষ্ট গুৰুগম্ভীৰ। ব্ৰজাৱলী গদ্যৰ প্ৰধান বৈশিষ্ট্য অনুসৰি 'পাৰিজাত হৰণ'ৰ ভাষা লয়যুক্ত আৰু সুৰধৰ্মী। অনুপ্ৰাস, অন্ত্যানুপ্ৰাস আদি শব্দালঙ্কাৰৰ প্ৰয়োগে নাটৰ গদ্যক কাব্যধৰ্মী কৰি তুলিছে। গদ্যৰ মাজত অন্ত্যধ্বনিৰ মিল দেখা যায়। উদাহৰণ-

'সত্যভামা বোল।। অয়ে ৰসিয়াসৰ, তোহাৰ শচীক কহ গিয়া ঃ সত্যভামা পাৰিজাত নিয়া যাই, অৰ যত শকতি থিক, ৰাখোক আসয়া।।'[১৫]

সংস্কৃত শ্লোক, পদ, পয়াৰৰ মাজে মাজে 'পাৰিজাত হৰণ' নাটত গ্ৰাম্য জীৱনত ব্যৱহৃত কথাৰীতিৰ নমুনা পোৱা যায়। তৎসম, তদ্ভৱ শব্দৰ উপৰি ঘৰুৱা কথিত শব্দৰ প্ৰয়োগে 'পাৰিজাত হৰণ' নাটৰ গদ্যক অধিক ঘৰুৱা কৰি তুলিছে। কৃষ্ণ, ঈশ্বৰ, ক্ৰোধ, জ্ঞান আদ তৎসম শব্দ; ভকতি, ৰহোক, গেল আদি তদ্ভৱ শব্দৰ ব্যৱহাৰ অলেখ পোৱা যায়। নাটখনৰ গদ্যৰ অন্ত্য ব্যঞ্জনবোৰৰ উচ্চাৰণ স্বৰান্ত। 'পাৰিজাত হৰণ' নাটত শচী আৰু সত্যভামাৰ বাক্‌যুদ্ধত সৰল আৱেগময়ী কথ্য ভাষাৰ ব্যৱহাৰ পোৱা যায়, যিটো নাটকীয়াক গদ্যক বাস্তৱধৰ্মী, ঘৰুৱা আৰু সৰ্বসাধাৰণৰ আকৰ্ষণীয় কৰি তুলিছে।

**'পাৰিজাত হৰণ' নাটত গীত আৰু শ্লোকৰ প্ৰয়োগ ঃ**

অঙ্কীয়া নাট্য পৰম্পৰাৰ অন্তৰ্গত গীত আৰু শ্লোকৰ সুষম প্ৰয়োগেও 'পাৰিজাত হৰণ' নাটক বিশিষ্টতা প্ৰদান কৰিছে। নাটখনত গীত পদবোৰৰ কাব্যিক সৌন্দৰ্য অনুপম। ইয়াত পয়াৰ-ভটিমাসহ পঁচিশটা গীত আছে। গীতৰ মাধ্যমেৰে নাট্যকাহিনীক আগবঢ়াই নিয়া হৈছে। চৰিত্ৰবোৰৰ মানসিক অৱস্থা গীতৰ মাজেদি সুন্দৰ ৰূপত প্ৰকাশিত হৈছে। পাৰিজাত ফুল নাপাই সত্যভামাৰ শোকে সন্তাপে জৰ্জৰিত অৱস্থা নাটখনিত গীতৰ মাধ্যমেৰে মনোৰমকৈ প্ৰকাশ কৰা হৈছে--

'মানিনী মাই নয়ন পঙ্কজ ঝুৰে বাৰি।
ফোকাৰয়ে শ্বায়া হ্ৰাসা ভেলি দেহা
ঘন ঘন দেখো আন্ধিয়াৰী।'[১৬]

'পাৰিজাত হৰণ' নাটত দুটা নান্দীশ্লোক ব্যৱহাৰ কৰা হৈছে। এই শ্লোক দুটা নাট্যকাৰৰ স্বকীয় ৰচনা। দ্বিতীয়টো শ্লোকত নাটখনৰ বিষয়বস্তুৰআভাস পোৱা যায়। নান্দীশ্লোক আৰু মোখনিৰশ্লোকটো ধৰি নাটখনত মুঠ শ্লোকৰ সংখ্যা ৪৫ টা। এনেদৰে 'পাৰিজাত হৰণ' নাটত গীত আৰু শ্লোকৰ উপস্থিতিয়ে প্ৰাচীন নাট্য পৰম্পৰা অক্ষুন্ন ৰাখিছে। নাটখনৰ গীতবোৰ চিত্ৰধৰ্মী বৰ্ণনা আৰু নানা ধৰণৰ শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰেৰে সমৃদ্ধ। অনুপ্ৰাসৰ প্ৰয়োগ গীতবোৰৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য।

**'পাৰিজাত হৰণ' নাটত সমাজ চিত্ৰ ঃ**

লোকৰঞ্জনৰ দিশটোত গুৰুত্ব দিয়া বাবে শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটত অসমীয়া সমাজৰ সজীৱ চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। অঙ্কীয়া নাটৰ বিষয়বস্তুবোৰ যদিও সৰ্বভাৰতীয় পটভূমিৰ, সেইবোৰত প্ৰতিফলিত হোৱা সমাজ কিন্তু অসমীয়াহে। সেয়েহে ৰুক্মিণী আৰু কৃষ্ণৰ বিভিন্ন কাম কাজত অসমীয়া সমাজৰ সহজাত স্বামী-স্ত্ৰীৰ প্ৰতিচ্ছৱিকে আমি অনুভৱ কৰোঁ। তেনেদৰে শচী-সত্যভামাৰ কাজিয়াও আমাৰ সমাজৰ মুখৰা দন্দুৰী তিৰোতাৰ মাজৰ কাজিয়াৰে প্ৰতিভূ।

আমাৰ সমাজত কোনো বহুপত্নীক তিৰোতা-সেৰুৱা স্বামী থাকিলে তেওঁৰ যি অৱস্থা হয় তাক কৃষ্ণৰ চৰিত্ৰৰ জৰিয়তে ফুটাই তোলা হৈছে। তেনেদৰে আমাৰ সমাজৰ প্ৰতিপত্তিশালী লোকৰ তিৰোতাবিলাক কেনেধৰণে অহংকাৰী হয় তাৰে উদাহৰণ শচী চৰিত্ৰটো। আমাৰ সমাজৰ এচাম পুৰুষক ইন্দ্ৰ চৰিত্ৰই প্ৰতিনিধিত্ব কৰিছে যিসকলে নিজৰ ঘৈণীয়েকৰ কথাৰ ওপৰত একো মাত মাতিব নোৱাৰে। গাঁৱলীয়া সমাজত দুঘৰ মানুহে কিবা কাৰণত কাজিয়া লাগিলে গৃহিণী দুগৰাকীয়ে পৰস্পৰে পৰস্পৰক অবাইচ গালি শপনীৰে ককৰ্থনা কৰি প্ৰতিহত কৰাৰ দৃশ্য সুলভ। এনেধৰণৰ অনুৰূপ ছবি এখন 'পাৰিজাত হৰণ' নাটৰ শচী সত্যভামাৰ মাজৰ কাজিয়াখনত

আমি লক্ষ্য কৰোঁ।

ওপৰত ‘পাৰিজাত হৰণ’ নাটত যি সামাজিক প্ৰতিচ্ছবি আমি দেখা পালো সেইবোৰ নাট্যকাৰে অঙ্কন কৰাৰ একমাত্ৰ উদ্দেশ্য হৈছে লোক ৰঞ্জন। অৱশ্যে এনে কৰোঁতে পৌৰাণিক চৰিত্ৰসমূহৰ মৰ্যাদা লাঘৱ নোহোৱাকৈ থকা নাই। ‘পাৰিজাত হৰণ’ত অঙ্কিত নাৰদ চৰিত্ৰটো ভাগৱতৰ আধাৰত ৰূপ দিয়া হোৱা নাই। অসমীয়া সমাজৰ বৰাগী ককাইৰ সতেহে তীৰ্থনাথ শৰ্মাই ইয়াৰ মিল দেখিছে। গতিকে নাৰদ চৰিত্ৰটোত অসমীয়া বৈশিষ্ট্য ফুটি উঠিছে।

**উপসংহাৰ ঃ**

শঙ্কৰদেৱৰ ছখন নাটৰ ভিতৰত ‘পাৰিজাত হৰণ’ যে শ্ৰেষ্ঠ নাট্যধৰ্মী নাট সেইকথা নাটখনৰ বিবিধ আকৰ্ষণীয় দিশৰ বিচাৰৰ আধাৰত প্ৰতিপন্ন কৰিব পৰা যায়। আকৰ্ষণীয় কাহিনী, শঙ্কৰদেৱৰ মৌলিকতা, চৰিত্ৰাঙ্কনৰ দক্ষতা, সংলাপৰ সজীৱতা আদি বৈশিষ্ট্যই ‘পাৰিজাত হৰণ’ৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছে। এক কথাত ‘পাৰিজাত হৰণ’ৰ শঙ্কৰদেৱৰ ‘অঙ্ক মহা অনুপাম।’ এই আলোচনাত ‘পাৰিজাত হৰণ’ নাটৰ নাট্যগুণসমূহৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ লগতে নাটখনৰ এক সামগ্ৰিক বিচাৰ কৰা হ’ল। এনে কৰোঁতে নাটখনৰ মূলৰ কাষ চপাৰ লগতে আনুসাঙ্গিক বিভিন্ন প্ৰাসঙ্গিক পুথিৰ সহায় লোৱা হ’ল। এই আলোচনাৰ স্বৰূপ সমীক্ষাত্মক তথা গৱেষণামূলক। সেয়েহে ইতিপূৰ্বে বহুচৰ্চিত নাটখনৰ কোনো পোহৰলৈ নহা উৎসৰ সন্ধান দিয়াৰ প্ৰয়াসেই এই আলোচনাৰ প্ৰধান উদ্দেশ্য।■

**পদ টোকা ঃ**


১. বীৰেন বৰকটকী ঃ অসমীয়া সাহিত্যত এভুমুকি, পৃঃ ৩
২. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃ ঃ ৫১
৩. তিলক চন্দ্ৰ মজুমদাৰ ঃ প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জল ধাৰা, পৃঃ ৭৫
৪. বসন্ত কুমাৰ শৰ্মা ঃ বিবিধ প্ৰবন্ধ, পৃ ঃ ১৫৫
৫. কেশৱানন্দ দেৱগোস্বামী (সম্পাঃ) ঃ অঙ্কমালা, ‘পাৰিজাত হৰণ’, পৃঃ ৫০
৬. সত্যেন্দ্ৰনাথ শৰ্মা ঃ পূৰ্বোল্লিখিত, পৃ ঃ ৫২
৭. বসন্ত কুমাৰ শৰ্মা ঃ পূৰ্বোল্লিখিত, পৃ ঃ ১২১
৮. কেশৱানন্দ দেৱগোস্বামী ঃ পূৰ্বোল্লিখিত, পৃ ঃ ৫২
৯. কেশৱানন্দ দেৱগোস্বামী ঃ উল্লিখিত, পৃ ঃ ৫৭
১০. কেশৱানন্দ দেৱগোস্বামী ঃ উল্লিখিত, পৃ ঃ ৫৪
১১. কৰবী ডেকা হাজৰিকা ঃ অসমীয়া সাহিত্যৰ ৰূপ-ৰস, পৃ ঃ ১৭
১২. মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ঃ ৯৪
১৩. সত্যেন্দ্ৰনাথ শৰ্মা ঃ পূৰ্বোল্লিখিত, পৃ ঃ ৫৫
১৪. কেশৱানন্দ দেৱগোস্বামী ঃ পূৰ্বোল্লিখিত, পৃ ঃ ৮২
১৫. কেশৱানন্দ দেৱগোস্বামী ঃ উল্লিখিত, পৃ ঃ ৭৩
১৬. কেশৱানন্দ দেৱগোস্বামী ঃ উল্লিখিত, পৃ ঃ ৫৮



লেখক- গৱেষক ছাত্ৰ, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# ভক্তি আন্দোলন আৰু ভক্তিবাদী গ্ৰন্থৰূপে শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্ত্তন

**শ্ৰীপূৰবী দুৱৰা**

**বৈষ্ণৱ আন্দোলনৰ ইতিহাস**

ভাৰতীয় বৈষ্ণৱ আন্দোলনৰ ইতিহাস অতি প্ৰাচীন। দক্ষিণ ভাৰত বা তামিল প্ৰদেশতে প্ৰথম ভক্তিৰ বীজ ৰোপণ কৰা হৈছিল। ক্ৰমে এই ভক্তিৰ বীজ সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিল আৰু ভাৰতীয় জাতীয় জীৱনতে ই এক নতুন যুগৰ সূচনা কৰিলে। খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ তামিল প্ৰদেশৰ এই কালছোৱাক ভক্তিকাল বুলি আখ্যা দিয়া হয়। ভক্তিকালৰ এই সাহিত্যিকসকলে প্ৰথম অৱস্থাত সাহিত্য সৃষ্টিতে মনোনিৱেশ কৰি পিছলৈ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰতো আগভাগ লৈছিল। এই সময়তে প্ৰসিদ্ধ বৈষ্ণৱ কবি আলৱাৰ আৰু শৈৱভক্ত কবি নায়নমাৰসকলৰ আৱিৰ্ভাৱে জনসাধাৰণৰ ভাষা তামিলৰ যোগেদি বেদ উপনিষদৰে নিজৰ বিচাৰ ধাৰা প্ৰকট কৰে আৰু ভগৱানক প্ৰেম, স্নেহ আৰু কৰুণাৰ মূৰ্তিৰূপে তুলি ধৰে। আলৱাৰসকলে (বাৰজন বৈষ্ণৱ ভক্ত) তামিল প্ৰদেশত ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। ইয়াৰোপৰি দাক্ষিণাত্যত শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্যৰ আৱিৰ্ভাৱ সেই সময় এক উল্লেখনীয় ঘটনা। এওঁলোক ক্ৰমে ভক্তিধৰ্মৰ অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদৰ প্ৰৱক্তা। কৰ্ণাটকত এই আন্দোলনৰ নেতৃত্ব দিছিল শ্ৰীপাদৰায়, ব্যাসৰায় পুৰন্দৰ দাস, কনক দাস আদিয়ে। সন্ত জ্ঞানেশ্বৰ মহাৰাষ্ট্ৰৰ ভক্তি আন্দোলনৰ পুৰোধা। একনাথ, তুকাৰাম, ৰামদাস আদি বৈষ্ণৱ ভক্তসকলে ইয়াক সফল কৰি তুলিছিল। নৱম শতিকাত দক্ষিণ ভাৰতৰ পৰা উত্তৰ ভাৰতলৈ এই ভক্তিৰ অমল বতাহ প্ৰৱেশ কৰাত বৈষ্ণৱ ধৰ্মই প্ৰসাৰ লাভ কৰে। বিষ্ণুৰ অৱতাৰ ৰামৰ উপাসক শ্ৰীৰামানন্দই উত্তৰ ভাৰতত ভক্তিধৰ্মৰ গুৰি ধৰি এই ধৰ্মক গণতান্ত্ৰিক কৰি তোলে। এই ৰামভক্তি ক্ৰমে কবিৰ দাসৰ নিৰ্গুণ ভক্তিধাৰা আৰু তুলসীদাসৰ সগুণ ভক্তিধাৰা-- এই দুই প্ৰধান ভক্তিধাৰাত বিভক্ত হ'ল। নিৰ্গুণ ধাৰাৰ প্ৰৱৰ্তক কবিৰ দাসে হৰিৰ মহিমাৰ ওপৰত গুৰুত্ব দিছিল আৰু বাহ্যিক আড়ম্বৰ, মূৰ্তিপূজা, বলি বিধান আদিৰ বিপক্ষে অতি চোকা বাণ নিক্ষেপ কৰিছিল। সগুণ ধাৰাৰ প্ৰৱৰ্তক তুলসীদাসৰ মতে, ভক্তৰ হিতৰ কাৰণে ভগৱানে নৰৰূপ ধাৰণ কৰে। পৱিত্ৰ বিবেক আৰু হৰিৰ কৰুণা অবিহনে সংসাৰ সাগৰ পাৰ হোৱা অসম্ভৱ। ভক্তি আন্দোলনৰ সময়তে শিখ ধৰ্মৰ প্ৰৱৰ্তক নানকৰ আৱিৰ্ভাৱ আন এক উল্লেখনীয় দিশ। শিখ ধৰ্ম প্ৰৱৰ্তনেৰে তেওঁ সমাজক এক সুস্থিৰ ৰূপ দিয়াত সক্ষম হৈছিল। উত্তৰ ভাৰতত ভক্ত কবিৰ হাতত ভক্তিধৰ্মই বিস্তাৰ লাভ কৰি শেষত পূৱ ভাৰত পায়। ভাৰতবৰ্ষ প্লাৱিত কৰা ভক্তি আন্দোলনে উত্তৰ পূব ভাৰত স্পৰ্শ কৰি পঞ্চদশ শতিকাত শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত অসমত বিস্তাৰ লাভ কৰে। তেৰাই অসমৰ সমাজত সন্ধান দিলে হাজাৰজনৰ বিপৰীতে এক পৰম পুৰুষ দেৱতাৰ। 'একমেৱ দ্বিতীয়ম' এই আদৰ্শৰে পৰম পুৰুষ ভগৱান বিষ্ণুক কেৱল শ্ৰৱণ আৰু কীৰ্তনৰ দ্বাৰাই যে হৃদয়ত উপলব্ধি কৰিব পাৰি তাৰ মাৰ্গ দশাই অসমত 'একশৰণ হৰিনাম ধৰ্ম' প্ৰৱৰ্তন কৰিলে।

**ভক্তি আন্দোলনৰ বৈশিষ্ট্য ঃ**

ভাৰতবৰ্ষৰ নৱবৈষ্ণৱ আন্দোলনৰ অভিব্যক্তিলৈ লক্ষ্য কৰিলে কিছুমান সাধাৰণ বৈশিষ্ট্য লক্ষ্য কৰা যায়-- স্থান আৰু পাত্ৰভেদে কিছু সালসলনি হ'লেও, কম-বেছি পৰিমাণে এই বৈশিষ্ট্য বা লক্ষণসমূহ সকলো ঠাইতে একে। তলত বৈশিষ্ট্যবোৰ উল্লেখ কৰা হ'ল--

(ক) নৱবৈষ্ণৱ ধৰ্মৰ সকলো সম্প্ৰদায়েই একেশ্বৰবাদী। একমাত্ৰ উপাস্য দেৱতা কৃষ্ণ বা বিষ্ণু বা নাৰায়ণ। বিষ্ণু বা নাৰায়ণকে ব্ৰহ্মৰূপে, পৰমাত্মাৰূপে, ভগৱানৰূপে আৰু সৃষ্টি স্থিতি প্ৰলয়ৰ নিয়ন্তাস্বৰূপে

বৰ্ণনা কৰিছে। বেছিভাগ সম্প্ৰদায়েই ‘কৃষ্ণস্তু ভগৱান স্বয়ম্’ এই লক্ষ্যৰে কৃষ্ণ ভক্তি প্ৰচাৰ কৰিছে। ৰামানুজী বা নিম্বাৰ্কী আৰু চৈতন্য সম্প্ৰদায়ত লক্ষ্মী বা ৰাধাক বিশেষ স্থান দিছে যদিও তেওঁক কৃষ্ণ বা বিষ্ণুৰ মায়া অৰ্থাৎ ঐশ্বৰিক শক্তিৰ প্ৰতীকৰূপে সৃষ্টি কৰিছে।

(খ) সকলো ব্ৰত বা তপস্যা যাগ যজ্ঞতকৈ ভক্তিয়েই ভগৱানক সহজে লাভ কৰাৰ শ্ৰেষ্ঠ উপায়। নৱধা ভক্তিৰ ভিতৰত ভক্তিক আশ্ৰয় কৰি ভগৱানৰ সতে মায়া, প্ৰভু, স্বামী বা পুত্ৰৰ সম্পৰ্ক স্থাপনেৰে ভগৱানক উপলব্ধি কৰা সকলো সম্প্ৰদায়ৰ মত।

(গ) ভক্তিৰ পাত্ৰাপাত্ৰ নাই। এই মতৰ আস্থাৰেই বৈষ্ণৱ মহন্তসকলে ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলো শ্ৰেণীৰ লোকৰ মাজত ভক্তি ধৰ্ম বিলাইছিল।

(ঘ) ভগৱদ্ভক্তিৰ প্ৰতি জনসাধাৰণৰ মন আকৃষ্ট কৰাৰ লগে লগে অহিংসা, প্ৰেম, দয়া সাম্যভাৱ আদি মানৱীয় প্ৰমূল্য আৰু কোমল প্ৰবৃত্তিবোৰৰ কৰ্ষণ কৰিবলৈকো অনুপ্ৰেৰণা দি সুস্থ নৈতিক জীৱনৰ আদৰ্শ দাঙি ধৰিছিল।

(ঙ) প্ৰান্তীয় ভাষাক প্ৰচাৰৰ মাধ্যমৰূপে লোৱাত বিভিন্ন পুৰুষ আৰু ইতিহাস প্ৰান্তীয় ভাষালৈ অনুদিত হোৱাত প্ৰান্তীয় ভাষা শ্ৰীবৃদ্ধি হয় আৰু ভক্তিধৰ্মমূলক গীত পদ চৰ্চাৰে সুকুমাৰ কলাৰ উন্নতি সাধিত হয়।

(চ) বৈষ্ণৱ আন্দোলনে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলোতে জীৱনৰ মৰ্যাদা দান কৰে। ভক্তিধৰ্মৰ প্ৰচাৰকসকলে বৰ্ণ বৈষম্য আৰু জাত পাতৰ শিপা উভালিবলৈও প্ৰয়াস কৰিছিল।

(ছ) সৎসঙ্গ ভক্তি, ভক্তি আন্দোলনৰ আন এক বৈশিষ্ট্য।

(জ) ভক্তিৰ দুটা প্ৰধান ভাগ-- সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তি। সত্ব, ৰজঃ, তমঃ এই তিনি গুণৰ যোগ সহকাৰে, তিনিগুণীয়া প্ৰাকৃত বস্তুক আশ্ৰয় কৰি ত্ৰিগুণাধীন প্ৰাকৃতজনৰ ভক্তিয়েই সগুণ ভক্তি। নিৰ্গুণ অৰ্থাৎ সত্ব-ৰজঃ-তমঃ গুণৰ সহযোগ নোহোৱাকৈ, গুণাতীত ভগৱানৰ প্ৰতি, অপ্ৰাকৃত অৰ্থাৎ ত্ৰিগুণৰ অনধীন লোকৰ, শুদ্ধ সত্বময় দ্ৰৱীভাৱ প্ৰাপ্ত অন্তঃকৰণৰ অবিচ্ছিন্নভাৱে চলি থকা যি ভক্তি সেয়ে নিৰ্গুণ ভক্তি।

অসমৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰত উল্লিখিত বৈশিষ্ট্য বা লক্ষণসমূহৰ উপৰি গুৰু, দেৱ, নাম আৰু ভকত এই চাৰিটা তত্ত্ব অতিৰিক্তভাৱে সংযোজিত হৈছে। অসমত আৰাধ্য দেৱতা কেৱল কৃষ্ণ। অসমৰ বাহিৰে দুই এখন দেশত কৃষ্ণ আৰু ৰাধাক ঈশ্বৰ-ঈশ্বৰীৰূপে কল্পনা কৰা হয় আৰু ভক্তি আন্দোলনত মূৰ্তি পূজাও বৈষ্ণৱ ধৰ্মৰ অন্তৰ্গত, কিন্তু অসমত এনে নহয়।

**ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য ঃ**

ভক্তি আন্দোলনৰ ধৰ্ম প্ৰৱৰ্তক বা প্ৰচাৰকসকলে ভক্তি ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্যক মাধ্যম হিচাপে ব্যৱহাৰ কৰিচিল। সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰাৰ কাৰণেই শাক্ত বা শৈৱ ধৰ্মৰ তুলনাত ভক্তি বা বৈষ্ণৱ ধৰ্ম ইমান বিস্তৃত।

আধুনিক ভাৰতীয় সাহিত্যৰ ভিতৰত তামিল সাহিত্যই প্ৰাচীন আৰু তামিল ভাষাতেই প্ৰথম ভক্তি সাহিত্য ৰচিত হৈছিল। বেদ, উপনিষদ আৰু গীতাৰ ভাৱধাৰাকে তেওঁলোকে আধাৰ হিচাপে গ্ৰহণ কৰি সাহিত্যত মনোনিৱেশ কৰিছিল। ভক্ত কবি আলৱাৰসকলৰ ‘নালায়িৰদিব্যপ্ৰবন্ধম’ ভক্তি আন্দোলনৰ আদি গ্ৰন্থ। ভগৱানৰ গুণ, ভক্তিৰ মহিমা, শৰণাগত আদি উক্ত গ্ৰন্থত সন্নিবিষ্ট গীত পদবোৰৰ প্ৰধান বৰ্ণনাৰ বিষয়। ভাৰতীয় সাহিত্য সংস্কৃতিৰ ইতিহাসত শ্ৰীশঙ্কৰাচাৰ্যৰ অৱতাৰ এটি যুগ পৰিৱৰ্তনকাৰী ঘটনা। তেওঁ ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু গীতাৰ নতুন ভাষ্য ৰচনা কৰে। তিনিওখন গ্ৰন্থক ‘প্ৰস্থানত্ৰয়ী’ আখ্যা দিয়া হৈছে। আনহাতে, ৰামানুজাচাৰ্যই নিজৰ ভক্তি বিষয়ক সিদ্ধান্ত স্পষ্টীকৰণৰ বাবে সংস্কৃত ‘শ্ৰীভাষ্য’ ৰচনা কৰে। ৰামানন্দই সংস্কৃতৰ উপৰি হিন্দীত কবিতা আৰু ধৰ্মীয় উপদেশৰে গ্ৰন্থ প্ৰণয়ন কৰি উত্তৰ ভাৰতত আদি প্ৰচাৰকৰ স্থান অধিকাৰ কৰে। কোনো কোনোৱে নিৰক্ষৰ বুলি কোৱা কবীৰ দাসে বহু ভজন প্ৰণয়ন কৰিছিল। গুৰু নানকে অসাধাৰণ প্ৰতিভাৰে সৃষ্টিতত্ত্বৰ গূঢ়াৰ্থ উপলব্ধি কৰি সমাজত সাম্য মৈত্ৰী স্থাপনৰ উদ্দেশ্যেৰ ‘গুৰু গ্ৰন্থচাহেব’ও বহু গীত পদ ৰচনা কৰি থৈ গৈছে। ‘ভাৰতীয় জনতাৰ প্ৰতিনিধি কবি তুলসী দাসে ‘ৰাম চৰিত মানস’ আৰু ‘বিনয় পত্ৰিকা’ ৰচনাৰে সাৰ্বভৌম খ্যাতি আৰ্জিলে। ভক্ত কবিসকলে স্বামী ৰামানন্দৰ প্ৰভাৱত হিন্দী ভাষাত ৰাম উপাসনাৰ আলমত

বিপুল সাহিত্য সম্ভাৰ গঢ়ি তুলিলে; সেইদৰে বল্লভাচাৰ্যৰ অনুপ্ৰেৰণাত ব্ৰজভাষাত বিশিষ্ট ভক্তি সাহিত্যৰ সৃষ্টি হ'ল। তাৰ ভিতৰত ব্ৰহ্মসূত্ৰৰ 'অনুভাষ্য', ভাগৱতৰ 'সুবোধিনী' উল্লেখযোগ্য সৃষ্টি। ব্ৰজভাষাত সুৰদাসে বহু গীত পদ কৰিলে। তেওঁৰ শ্ৰীমদ্ভাগৱতৰ আধাৰত ৰচিত 'সুৰ সাগৰ', ভক্তি সাহিত্যৰ অমূল্য গ্ৰন্থ। কৃষ্ণভক্তসকলৰ ভিতৰত মীৰাবাঈৰ নাম উল্লেখযোগ্য। ভাৰতীয় ভক্তি সাহিত্যত মীৰাৰ ভজনবোৰেআজিও বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

পূব ভাৰতত চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনে মধ্যযুগীয়া বঙলা সাহিত্যৰ বিশেষকৈ গীতি (কবিতা) পদাৱলী আৰু জীৱনী সাহিত্যক চহকী কৰি থৈ গ'ল। পদাকাৰ চৈতন্যদেৱৰ 'শিক্ষাষ্টক' তেওঁৰ অন্যতম কীৰ্তি। চৈতন্যদেৱৰ শিষ্যসকলে 'ষট্ গোস্বামী' নামেৰে সংস্কৃত ভাষাত ভক্তিধৰ্মমূলক কেইবাখনো মহত্বপূৰ্ণ গ্ৰন্থ প্ৰণয়ন কৰি ভক্তি ধাৰাক শাস্ত্ৰীয় ৰূপ দান কৰে।

**অসমৰ ভক্তি সাহিত্য আৰু কীৰ্ত্তন**

পঞ্চদশ শতিকাত অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে শ্ৰীমন্ত শঙ্কৰদেৱে আৰু তেওঁৰ অনুগামীসকলে অশেষ সাধনৰ দ্বাৰা এক বিৰাট বৈষ্ণৱ সাহিত্য গঢ়ি তুলিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ উপৰিও মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, বৈকুণ্ঠ নাথ ভট্টাচাৰ্য আদি কবিসকলে এক বিশাল সাহিত্য সম্ভাৰ সৃষ্টিত অৰিহণা যোগালে।

এওঁলোকৰ সাহিত্য সৃষ্টিৰ আধাৰ গ্ৰন্থ হ'ল-- ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ আদি। সাহিত্যৰ ৰূপ অনুসৰি অসমৰ ভক্তি সাহিত্যক কাব্য, ভক্তিতত্ব প্ৰকাশক গ্ৰন্থ, অঙ্কীয়া নাট, গীত, নাম-প্ৰসঙ্গ আৰু চৰিত সাহিত্য আদিত ভাগ কৰিব পাৰি। বিশেষভাৱে শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আৰু মানৱীয় লীলাৰ ওপৰত ভিত্তি কৰি এই শ্ৰেণীৰ কাব্য ৰচিত হৈছিল। এই যুগৰ সাহিত্যৰ মধ্যমণি শ্ৰীমন্ত শঙ্কৰদেৱ। উপস্থাপন ৰীতিৰ ওপৰত ভিত্তি কৰি অসমৰ বৈষ্ণৱ কাব্যগ্ৰন্থ সমূহক মূলতঃ তিনিটা ভাগত বিভক্ত কৰিব পাৰি।

(ক) আখ্যানমূলক বা কাহিনীমূলক
(খ) তত্ত্বমূলক বা উপদেশমূলক আৰু
(গ) আৱেগগমূলক ভক্তি সাহিত্য

আখ্যানমূলক বা কাহিনীমূলক সাহিত্যৰ প্ৰধান বিশেষত্ব হ'ল-- ভক্তিধৰ্মৰ দাৰ্শনিক তত্ত্ববোৰ একো একোটা স্বতন্ত্ৰ কাহিনী বা খণ্ডত সৰ্বসাধাৰণে বুজি পোৱাকৈ উপাস্য দেৱতাৰ শ্ৰেষ্ঠত্ব আৰু মাহাত্ম্য প্ৰকাশ কৰা আখ্যানমূলক ভক্তি সাহিত্যত ভক্তিধৰ্ম নিৰ্দিষ্ট তত্ব প্ৰকাশ কৰা হয়। এই শ্ৰেণী কাব্যৰ ভিতৰত শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰ, মাধৱদেৱৰ ভক্তি ৰত্নাৱলী, বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ ভক্তি বিবেক অন্যতম। আৱেগমূলক ভক্তি সাহিত্য হৃদয়ৰ সমস্ত আৱেগ অনুভূতি ভক্তিধৰ্মৰ লগত জড়িত হৈ থাকে। মাধৱদেৱৰ নামঘোষাত এনে আত্মাভিব্যক্তি প্ৰকাশ পাইছে।

কীৰ্ত্তন শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা নৱবৈষ্ণৱ আন্দোলনৰ মুখপত্ৰ স্বৰূপ আৰু এখন ভক্তিবাদী গ্ৰন্থ। মহাপুৰুষজনাৰ সমগ্ৰ ৰচনাৰাজিয়েই ভক্তিবাদী আৰু ভক্তিবাদী মতাদৰ্শৰ সাৰ বস্তুৰেই হ'ল কীৰ্ত্তন পুথি। অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ অধিকাৰী সৃষ্টি স্থিতি প্ৰলয়ৰ গৰাকী, ব্ৰহ্মৰূপী সনাতন আৰু সৰ্ব অৱতাৰৰ কাৰণ যিজন নাৰায়ণ তেৱেঁই সৰ্বশ্ৰেষ্ঠ আৰু তেওঁতেই শৰণ লোৱাই মহাপুৰুষ ধৰ্মৰ মূলকথা। তেওঁৰ মতে, সৰ্বদেহ মন এক পৰম পুৰুষ কৃষ্ণত অৰ্পণ কৰি তেওঁৰ নাম ভক্তি সহকাৰে অনন্তৰত আৰাধনা কৰিলেই সকলোৱে মুক্তি পাব পাৰে। 'মুখে বোলা ৰাম নাম হৃদয়ে ধৰা ৰূপ। এতেকে মুকুতি পাইবা কৰিলো স্বৰূপ।' (স্যমন্তক হৰণ)

কীৰ্ত্তন শঙ্কৰদেৱৰ অভিনৱ মৌলিক সৃষ্টি; কিন্তু ইয়াৰ বিষয় বস্তু পুৰাণ আধাৰিত আৰু ভাৱ বস্তু ভাগৱত পুৰাণ আৰু উপনিষদৰ দৰ্শনৰ ওপৰত আধাৰিত। অসমীয়া জাতিৰ অমূল্য সম্পদ কীৰ্তন গ্ৰন্থ সঙ্গীত সাহিত্য কাব্য তত্ত্বজ্ঞানেৰে ভৰা। মুঠ ২৭টা খণ্ডত বিভাজিত কীৰ্ত্তনৰ দুটা ভাগ-- ঘোষা আৰু পদ। কীৰ্ত্তনৰ বিষয়বস্তু ওপৰত ভিত্তি কৰি বাপচন্দ্ৰ মহন্তই খণ্ডবোৰক তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে। কীৰ্ত্তনৰ খণ্ড, বিষয়বস্তু আৰু আধাৰগ্ৰন্থৰ তালিকাখন তলত দিয়া হ'ল--

| **খণ্ড** | **আধাৰ গ্ৰন্থ** |
|---|---|
| ১. লীলা বিষয়ক চৰ্তুবিংশতি | |
| অৱতাৰ বৰ্ণনা | ভাগৱত আৰু অন্যান্য পুথি |
| প্ৰহ্লাদ চৰিত | ভাগৱত |
| গজেন্দ্ৰ উপাখ্যান | ভাগৱত |
| হৰমোহন | ভাগৱত |

| | |
|---|---|
| শিশুশীলা | ভাগৱত |
| ৰাসক্রীড়া | ভাগৱত |
| কংসবধ | ভাগৱত |
| গোপী উদ্ধৱ সংবাদ | ভাগৱত |
| কুঁজীৰ বাঞ্ছা পূৰণ | ভাগৱত |
| অক্রুৰৰ বাঞ্ছা পূৰণ | ভাগৱত |
| জৰাসন্ধ যুদ্ধ | ভাগৱত |
| কালযৱন বধ | ভাগৱত |
| মুচুকন্দৰ স্তুতি | ভাগৱত |
| স্যামন্ত হৰণ | ভাগৱত |
| নাৰদৰ কৃষ্ণ দৰ্শন | ভাগৱত |
| বিপ্রপুত্র আনয়ন | ভাগৱত |
| দামোদৰ বিপ্র আখ্যান | ভাগৱত |
| দৈৱকীৰ পুত্র আনয়ন | ভাগৱত |
| লীলা মালা | ভাগৱত |
| শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ | ভাগৱত |

২. লীলাহীন প্রাৰ্থনা, তত্ত্ব আৰু ব্যৱস্থা প্রধান

| | |
|---|---|
| নাম অপৰাধ | পদ্মপুৰাণ |
| পাষণ্ড মৰ্দ্দন | ভাগৱত পুৰাণ বিষ্ণু ধৰ্মোত্তৰ, বৃহন্নাৰদীয় পুৰাণ, পদ্ম-পুৰাণ আৰু সুত সংহিতা। |
| ধ্যান বৰ্ণন | ভাগৱত প্ৰভাৱ সামান্য |
| অজামিল উপাখ্যান | ভাগৱত |
| বলিছলন | আধাৰ গ্ৰন্থ ভাগৱত নহয় |
| বেদস্তুতি | ভাগৱত(শ্ৰীধৰীয় টীকাসহ) |
| তাৎপৰ্য | ভাগৱত |

৩. অন্য কাহিনী আৰু তীৰ্থ ব্যৱস্থা প্ৰধান--

| | |
|---|---|
| ওৰেষা বৰ্ণন | ব্ৰহ্মপুৰাণ |

**ভক্তিবাদ আৰু ভক্তিবাদী গ্ৰন্থৰূপে কীৰ্ত্তন**

ভাৰতীয় ধৰ্মত ভক্তিবাদৰ উৎস ঋক্ সংহিতাতে পোৱা যায়। ঋক্ সংহিতাৰ (১/১৫৬/৩) মতে, বিষ্ণুক স্তুতি কৰিলে জীৱনত পুনঃ পুনঃ জন্মপ্ৰাপ্তি নঘটে। আনকি বিষ্ণুৰ গুণানুকীৰ্ত্তন কৰিলে পৰমপদ লাভ হয়। অৰ্থাৎ বিষ্ণুৰ গুণানুকীৰ্তনেই বিষ্ণুভক্তি। শাণ্ডিল্য সূক্ত আৰু উপনিষদতো ঈশ্বৰত পৰম অনুৰক্তিয়েই ভক্তি বুলি কৈছে-- 'সাভক্তিঃ পৰাণুৰক্তিঈশ্বৰে'। বৃহন্নাৰদীয় পুৰাণত কোৱা হৈছে, পৰম পুৰুষ ভগৱন্তৰ প্ৰতি দৃঢ় হ'লে জীৱন মোক্ষ প্ৰাপ্তি হয় তদুপৰি ভগৱন্তৰ মাহাত্ম্য কীৰ্তন, পাঠ বা শ্ৰৱণৰ দ্বাৰাও পৰমপদ পাব পাৰি। লিঙ্গপুৰাণৰ মতে, বিষ্ণু ভক্তৰ সঙ্গত থাকি শ্ৰীহৰিৰ গুণানুকীৰ্তন কৰা বা শ্ৰৱণতকৈ আৰু একো শ্ৰেষ্ঠ কৰ্ম নাই। বায়ু পুৰাণৰ মতে বিষ্ণুৰ গুণানুকীৰ্তন যদি সভক্তিৰে কৰা হয়, তেনেহ'লে সৰ্বসিদ্ধি হয়। স্কন্ধপুৰাণৰ মতেও বিষ্ণুভক্তৰ সঙ্গত থাকি হৰিগুণ গান অথবা শ্ৰৱণ কৰিলে সিদ্ধি লাভ হয়। ব্ৰহ্মবৈৱৰ্ত পুৰাণ, অগ্নি পুৰাণ, পদ্মপুৰাণ আদিতো ভক্তিৰ বিষয়ে অধিক গুৰুত্ব দি কোৱা হৈছে যে যিজনে কায়-বাক্য-মনে হৰি ভক্তিৰ কৰে, তেওঁ সৰ্বজয় কৰি পৰমপদ লাভ কৰে।

উল্লিখিত তথ্যবোৰৰ পৰা ঋক্ সংহিতাৰ পৰা আৰম্ভ কৰি উপনিষদ আৰু বিভিন্ন পুৰাণ পৰ্যন্ত ভক্তিবাদৰ কথা কোৱা হৈছে। এতেকে ভক্তিবাদ প্ৰাচীন আৰু ভক্তিবাদৰ এই প্ৰাচীন পৰম্পৰাক শঙ্কৰদেৱেও সবিস্তাৰে ব্যাখ্যা আগবঢ়াইছে-- শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্ত্তনৰ মুখ্য লক্ষ্য আৰু উদ্দেশ্য ভক্তিবাদ। কীৰ্ত্তনৰ 'প্ৰহ্লাদ চৰিত'ত নববিধ ভক্তিৰ কথা কোৱা হৈছে--

'শ্ৰৱণ কীৰ্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।।
নৱবিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম।।--৩৪০

হৰিভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কীৰ্ত্তনৰ 'শিশুলীলা' খণ্ডতো কৰা হৈছে--

'আছোক পৰম ব্ৰহ্ম স্বৰূপ তোম্বাৰ।
তাঙ্ক জানিবাক আছে শকতি কাহাৰ।।
জ্ঞান পথ এৰি প্ৰভু তোম্বাৰ কথাক।
কায়বাক্য মনে যেৰে যিটো সাধুবাক।।
* * *
মুকুতি ৰসকো স্ৰৱে তোমাৰ ভকতি।
তাঙ্ক এড়ি যিটো জ্ঞানপথে কৰৈ ৰতি।।
—৭৪৩-৭৪৫

ভক্তিবাদৰ ভেটিতে মহাপুৰুষজনাই কীৰ্ত্তন গ্ৰন্থৰ মাজেদি ভক্তিবাদ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। শঙ্কৰদেৱৰ ভক্তিবাদে সৰ্বভাৰতীয় প্ৰাচীন ভক্তিবাদৰ পৰা আঁতৰি আহি অধিক সহজ ৰূপ লাভ আৰু ব্ৰহ্মবাদ আৰু ভক্তিবাদ

দুয়োটাকে একাকাৰ কৰি অধিক বাস্তৱসন্মত ৰূপ দিছে।

বেদৰ পৰৱৰ্তী ৰচনা 'শ্বেতাশ্বতৰ উপনিষদ'ত পৰমেশ্বৰ আৰু গুৰুৰ প্ৰতি যাৰ পৰাভক্তি (অৰ্থাৎ অচলা ভক্তি) থাকে তেনে পুৰুষ মহাত্মা স্বৰূপ হৈ পৰে বুলি কোৱা হৈছে। ভক্তিৰ এনে স্বতন্ত্ৰ আৰু শক্তিশালী মতবাদৰূপে প্ৰতিষ্ঠা লাভ কৰিলে উপনিষদৰ বহু পিছৰ ৰচনা ভাগৱত পুৰাণেহে। দৰাচলতে ভাগৱত পুৰাণেই ভাৰতীয় ভক্তিবাদী মতাদৰ্শৰ আধাৰ গ্ৰন্থ, যদিও শঙ্কৰদেৱৰ হাতত ভাৰতীয় ভক্তিবাদৰ বহু দিশত নতুন ৰূপ গঢ় লৈ উঠা দেখা গ'ল। সেয়ে কীৰ্ত্তনৰ ভক্তিবাদৰ উৎস বা আধাৰ স্বৰূপ ঋক্‌সংহিতা, শ্বেতাশ্বতৰ উপনিষদ ভাগৱত পুৰাণক প্ৰমুখ্য কৰি আৰু অনেক পুৰাণ, উপপুৰাণো উল্লেখনীয়। শঙ্কৰদেৱেও কীৰ্ত্তনৰ ভক্তিবাদৰ সৈতে উপনিষদৰ ব্ৰহ্মবাদ, মায়াবাদ, জ্ঞানযোগ, শৰণতত্ব, ধ্যানতত্ব আৰু নাম মাহাত্ম্য-- এই ছয়টা দিশো কীৰ্ত্তন বিশ্লেষণ কৰোতে সামৰিবলগীয়া হয়।

কীৰ্ত্তন ভক্তিবাদ বেদান্তৰ ব্ৰহ্মবাদৰ আধাৰিত। বেদান্তই অখণ্ড ব্ৰহ্মক সমস্ত বিশ্ব চৰাচৰৰ মূলধাৰা বুলি কৈছে। কঠোপনিষদে 'জগতৰ মূলধাৰাৰ অব্যক্ত পুৰুষ আৰু এই অব্যক্ত পুৰুষেই জীৱনৰ গতিদাতা বুলি কৈছে। কঠোপনিষদৰ মতবাদৰ ব্ৰহ্মৰ ধাৰণা স্পষ্ট হোৱাৰ লগে লগে শৰণ ভক্তি আৰু মুক্তিৰ ধাৰণাটো স্পষ্ট হৈছে। এই কথা ঠিক যো-কৰোবাৰ প্ৰতি ভক্তিভাৱ উদয় হ'লে যাৰ প্ৰতি ভক্তি হ'ব লাগে, তেওঁ ভক্তজনতকৈ শ্ৰেষ্ঠ হ'ব লাগিব আৰু বহুগুণৰ বা উত্তম গুণৰ অধিকাৰী হ'ব লাগিব। এনে গুণসম্পন্ন পুৰুষেই ব্ৰহ্ম বা ঈশ্বৰ। সেয়ে শাণ্ডিল্যৰ মতে, ঈশ্বৰ এফালে গুণাতীত আনফালে সকলো গুণৰ আধাৰ। গতিকে সৰ্বগুণৰ আধাৰ বা উৎসৰ প্ৰতি যি গভীৰ অনুৰাগ সেয়ে ভক্তি। উপাসনাৰ যি মানসিক স্তৰ, সেয়ে ভক্তি। শঙ্কৰদেৱৰ আদৰ্শত ব্ৰহ্মাই ঈশ্বৰ আৰু এই ঈশ্বৰেই দৈৱকী নন্দন কৃষ্ণ। কৃষ্ণ ভক্তি বা ঈশ্বৰ ভক্তি বা ব্ৰহ্মৰ প্ৰতি আস্থাযুক্ত ভক্তি একে কথা।

**ভক্তিধৰ্মত অৱতাৰবাদৰ স্থান উল্লেখনীয়**

অৱতাৰ মানে অৱতৰণ কৰা বা নামি অহা; প্ৰকট হোৱা বা আৱিৰ্ভাৱ হোৱা। ভগৱান সকলোতে বিৰাজমান কিন্তু কেতিয়াবা সোঁশৰীৰে পৃথিৱীত তেওঁৰ আৱিৰ্ভাৱ ঘটে। অৱতাবাদত বিশ্বাসী সৰ্বসাধাৰণ ভাৰতীয় হিন্দু সকলে নিৰ্গুণ ব্ৰহ্মক উপলব্ধি কৰিব নোৱাৰে। সেয়ে নিৰাকাৰ ঈশ্বৰে সাকাৰ ৰূপ ধাৰণ কৰে। দুষ্টক দমন আৰু ভক্তৰ অনুগ্ৰহৰ দ্বাৰা বিশ্বত শান্তি স্থাপনৰ অৰ্থে ভগৱানে যি লীলা ধাৰণ কৰে সেইবিলাকেই অৱতাৰ। শ্ৰীমদ্ভগৱদ্ গীতাত অৰ্জুনক ভগৱান শ্ৰীকৃষ্ণইও কৈছে--

'যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম।।
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।

-- শ্ৰীমদ্ভগৱদ্ গীতা-৪/৭-৮

জগতৰ অধৰ্মৰ নাশ কৰিবলৈ আৰু সাধুসকলক যাতনাৰ পৰা মুক্তি দিবলৈ বা পৰিত্ৰাণৰ অৰ্থে আৰু ধৰ্ম প্ৰতিষ্ঠাৰ বাবে ভগৱানে প্ৰকৃত দেহ ধাৰণ কৰি ধৰাধামত অৱতীৰ্ণ হৈছে। গতিক ঈশ্বৰ অব্যক্ত হৈও ব্যক্ত, নিৰাকাৰ হৈও আকাৰ, নিৰ্বিশেষ হৈও সবিশেষ।

ভগৱানৰ অৱতাৰ গ্ৰহণৰ আন এটা উদ্দেশ্য হৈছে লীলা বিস্তাৰ। ধৰাত আহি অৱতাৰ ৰূপে ভগৱানৰূপী নৰই যিবোৰ কাৰ্য কৰে সেইবোৰ সাধাৰণ লোকৰ কাৰ্যৰ দৰে বন্ধনতৰ হেতু নহয়। সেইবোৰ লীলা, 'লীলৈৱ কেৱলম'। লীলা বিস্তাৰ কৰাৰ উদ্দেশ্য হ'ল সেইবোৰকে শুনি কীৰ্ত্তন কৰি যাতে ভক্তই ভক্তিৰ সোৱাদ পায়। শ্ৰৱণ কীৰ্ত্তনৰ সমলক যোগোৱাৰ বাবেও ঈশ্বৰে পৃথিৱীত লীলা কৰে কাৰণে শ্ৰৱণ কীৰ্ত্তনেই (প্ৰিয়জনৰ গুণৰাশি আৰু কাৰ্যাৱলী) ভক্তিৰ বীজ আৰু ভক্তিৰ ফল দুয়োটাই। অৱতাৰ ধাৰণ কৰে জগতৰ কল্যাণৰ কাৰণে।

অৱতাৰ দুবিধ। পূৰ্ণ অৱতাৰ আৰু আংশিক অৱতাৰ। আংশিক অৱতাৰক কলাৱতাৰ বা গুণাৱতাৰ বুলিও কোৱা হয়। যি অৱতাৰী পুৰুষত ঐশ্বৰ্য, জ্ঞান, ধৰ্ম, বৈৰাগ্য, শ্ৰী, যশ এইবিলাক গুণ-গৰিমাৰ পূৰ্ণ প্ৰকাশ থাকে সেয়ে পূৰ্ণাৱতাৰ। এইবিলাক থকা স্বত্বেও য'ত পূৰ্ণভাৱে প্ৰকাশ নহয় সেয়ে আংশিক অৱতাৰ। ভাগৱতৰ মতে ভগৱান শ্ৰীকৃষ্ণ পূৰ্ণাৱতাৰ বাকী সকলো অংশৱতাৰহে। শ্ৰীকৃষ্ণ অৱতাৰ হৈও 'ভগৱানস্বয়ম্'। এই দুই প্ৰকাৰৰ উপৰি আন এক প্ৰকাৰ অৱতাৰ আছে। যি কেতিয়াবা পৰমেশ্বৰে ভক্তৰ আকুল আহ্বানত, শ্ৰদ্ধাৰ বলত সন্তুষ্ট হৈ প্ৰতিমাত জাগ্ৰত ভাৱ ধাৰণ কৰে সেয়া অৰ্চনাৱতাৰ।

শ্ৰীমন্ত শঙ্কৰদেৱৰ 'কীৰ্ত্তন'ত প্ৰথম খণ্ডটিয়েই

চতুৰ্বিংশটি অৱতাৰ বৰ্ণন। 'প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন। সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ'-- বুলি আৰম্ভ হোৱা এই খণ্ডটিত ভগৱানৰ চৌবিশটা অৱতাৰৰ কথা বৰ্ণনা কৰিছে। সেয়ে এই খণ্ডটিৰ নাম চতুৰ্বিংশতি অৱতাৰ বৰ্ণন। ভগৱানৰ অৱতাৰ সমূহৰ সংখ্যা সম্বন্ধে সকলো শাস্ত্ৰৰ মত একে নহয়। মুঠ অৱতাৰ হ'ল-- পুৰাণসূৰ্য ভাগৱতৰ প্ৰথম স্কন্ধ মতে বাইশটা, দ্বিতীয় স্কন্ধমতে চৌবিশটা, গৰুড় পুৰাণৰ মতে বাইশটা, সাত্বত তন্ত্ৰৰ মতে তেৰটা, ৰসামৃতসিন্ধুৰ মতে বাৰটা, গীতগোবিন্দৰ মতে দহোটা, কীৰ্ত্তনৰ চতুৰ্বিংশতি অৱতাৰৰ প্ৰধান অৱতাৰ কেইটি হ'ল- মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বুদ্ধ আৰু কল্কি। বাকী চৈধ্যটা গৌণ অৱতাৰ। ভক্তিধৰ্মত অৱতাৰবাদৰ স্থান কিমান গুৰুত্বপূৰ্ণ আৰু অনন্য সেয়া কীৰ্ত্তনত বৰ্ণিত অৱতাৰ সম্পৰ্কীয় বৰ্ণনাৰ পৰাই জানিব পাৰি কাৰণ, শ্ৰৱণ কীৰ্ত্তনৰ দ্বাৰা ভক্তসকলে এই অমৃতসম কীৰ্ত্তন পাঠ কৰি আহ্লাদিত হোৱা দেখা যায়।

'কীৰ্ত্তন'ত সৰ্বব্যাপ্তমান ব্ৰহ্ম বা ঈশ্বৰ সমস্ত ভূতত ব্যাপ্তমান আৰু এই সৰ্বভূতত ব্যাপ্তমান ঈশ্বৰৰ উপাসনা কৰিবলৈ সমস্ত ভূতগণকো ব্ৰহ্মময় দেখিব লাগে বুলি কৈছে। তেতিয়াহে কৃষ্ণত ৰতি বা ভক্তি হ'ব--

'কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত।।
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ।।
-- প্ৰহ্লাদ চৰিত-৩৭৭

ঈশ্বৰ কেৱল জগতৰ মূলধাৰেই নহয়, গুণস্বৰূপ নিৰ্গুণ ব্ৰহ্মাই সমস্ত ভূতত বিয়াপি থাকে, সেয়া সূৱৰ্ণ আৰু কুণ্ডলৰ মাজত পাৰ্থক্য নথকাৰ দৰে, শঙ্কৰদেৱে তেনে অৰ্থতে 'হৰমোহন' খণ্ডত কৈছে--

'তুমি কাৰ্যকাৰণ সমস্তে চৰাচৰ।
সূৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।।
তুমি পশু-পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিনভিন।।৫২০

শঙ্কৰদেৱৰ ভক্তিবাদ বেদান্ত আধাৰিত যদিও তেওঁ বেদান্ত জ্ঞানক স্বীকাৰ কৰিছে অৰ্থাৎ ব্ৰহ্মজ্ঞান ভক্তৰ প্ৰয়োজনীয় বুলি কৈছে; কিন্তু জীৱনৰ গতি বা মুক্তিৰ বাবে জ্ঞানক উত্তম পথ বুলি কৈছে। পাষণ্ড মৰ্দ্দন, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত, গজেন্দ্ৰ উপাখ্যান, ৰাসক্ৰীড়া আদিত সেয়া দেখুওৱা হৈছে। পাষণ্ড মৰ্দন খণ্ডত কৈছে--

'মুকুতি ৰসকো স্ত্ৰৱৈ ভকতি।
তাক এৰি কৰে জ্ঞানত ৰতি।।-১২৬
..............................................
নালাগে দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভূত শাস্ত্ৰ জানিবে।।
মিছাতে মৰে আন কৰ্ম কৰি।
হোৱন্ত ভকতিতে তুষ্ট হৰি।।'-১২০

বেদান্তৰ জ্ঞানমাৰ্গতকৈ যে ভক্তিমাৰ্গহে শ্ৰেষ্ঠ এইষাৰ কথা 'শিশুলীলা'ত অতি গুৰুত্ব সহকাৰে কৈছে--

'জ্ঞান পথ এৰি প্ৰভু তোহ্মাৰ কথাক।
কায়-বাক্য-মনে সেয়ে যিটো সাধুবাক।।
যদ্যপি অজিত তুমি তিনিও জগতে।।
মুকুতি ৰসকো স্ত্ৰৱৈ তোমাৰ ভকতি।
তাক এৰি যিটো জ্ঞান পথে কৰে ৰতি।।
-- ৭৪৪-৭৪৬

শঙ্কৰদেৱৰ কীৰ্ত্তনত ভক্তিৰ শ্ৰেষ্ঠতা পোনপটীয়াকৈ দেখুওৱা হৈছে। কিন্তু জ্ঞানক অস্বীকাৰ কৰা নাই। বেদান্তৰ মতে, অব্যক্ত আৰু নিৰাকাৰ ব্ৰহ্ম আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক এই তিনিটা ৰূপত বিৰাজমান হৈ থাকে আৰু গভীৰ তত্ত্বজ্ঞানৰ দ্বাৰা পূৰ্ণব্ৰহ্মৰ এই ত্ৰিৰূপ জানিব পাৰিলেহে মোক্ষপ্ৰাপ্তি সম্ভৱ হয়। (শ্বেতাশ্বতৰ উপনিষদ)। শঙ্কৰদেৱৰ আদৰ্শত উত্তম শাস্ত্ৰৰ পাঠ বা শ্ৰৱণৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে আৰু এই শাস্ত্ৰ পাঠ বা শ্ৰৱণৰ দ্বাৰা যি জ্ঞান হয় সিয়ে উত্তম জ্ঞান। মনকৰিবলগীয়া যে শঙ্কৰদেৱে জ্ঞানতকৈ বোধ ওপৰতো গুৰুত্ব দিছে। কাৰণ জ্ঞানে জনায় আৰু বোধে উপলব্ধি কৰোৱায়। উপলব্ধিহে মূল কথা। 'প্ৰহ্লাদ চৰিত' তাৰ উৎকৃষ্ট উদাহৰণ। যেতিয়ালৈকে নিজৰ ক্ষুদ্ৰত্ব উপলব্ধি নহয়, তেতিয়ালৈকে একশৰণ বা একান্ত শৰণ হ'ব নোৱাৰে আৰু একশৰণ হ'লেহে ভক্তি উদয় হয়।

শ্বেতাশ্বতৰ উপনিষদতো কোৱা হৈছে যে, এই জগত চৰাচৰৰ মূলাধাৰ পূৰ্ণ ব্ৰহ্ম এইষাৰ কথাৰ বোধ উপজিলেহে যথাৰ্থ শৰণ হ'ব পাৰে। কীৰ্ত্তনৰ 'গজেন্দ্ৰ উপাখ্যান'ৰ

গজেন্দ্ৰ আৰু 'ৰাসক্ৰীড়া'ৰ গোপীসকলৰ মাজেদি প্ৰকাশ পাইছে। একান্ত শৰণৰ বিষয়ে 'প্ৰহ্লাদ চৰিত'ত কোৱা হৈছে—

'তোমাৰ পাৰত লৈলে যিজনে শৰণ।
তযু গুণনাম কৰৈ শ্ৰৱণ কীৰ্ত্তন।।
মোক্ষ প্ৰসাদক প্ৰভু তোহ্মাত নমাগে।
ছাৰ স্বৰ্গ সুখ কোন তাসন্বাৰ আগে।।'-২৬০

কীৰ্ত্তনত 'দামোদৰ বিপ্ৰ উপাখ্যান'ৰ দামোদৰৰ দ্বাৰা ভকতৰ উৎকৃষ্ট উদাহৰণ শঙ্কৰদেৱে দেখুৱাইছে। জগতৰ সাৰ বস্তু বুলি ঈশ্বৰত যেতিয়া একান্ত শৰণ লোৱা যায়, তেতিয়া এজন ভক্তৰ মুখত ঈশ্বৰৰ নাম সততে উচ্চাৰিত হয় আৰু কৰ্মত ঈশ্বৰ, শয়নত ঈশ্বৰ সপোনত ঈশ্বৰ হৈ ভক্তজনেই ঈশ্বৰময় হৈ যায়। দামোদৰ এই শ্ৰেণীৰ ভকত।

ঈশ্বৰৰ গুণ নামৰ ওপৰতো শঙ্কৰদেৱে সৰ্বাধিক গুৰুত্ব দিছে। একান্ত ঈশ্বৰৰ শৰণ আৰু ঈশ্বৰ নাম কীৰ্ত্তন সৰ্বত্ৰ বিয়পি আছে। নামৰ মাহাত্ম্য আৰু শ্ৰেষ্ঠত্ব বিভিন্ন পুৰাণবিলাকতো প্ৰতিপন্ন কৰা দেখা যায়। 'অজামিল উপাখ্যান'ৰ কাহিনী মাজেদি দেখুওৱাৰ উপৰি 'নাম অপৰাধ', 'পাষণ্ড মৰ্দন' আদি প্ৰতিটো খণ্ডতে ভক্তিৰ সাধনা মাৰ্গ স্বৰূপে ঈশ্বৰৰ গুণনামত গুৰুত্ব দিয়া হৈছে।

মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তন ভক্তিবাদী গ্ৰন্থ হিচাপে উৎকৃষ্ট হোৱাৰ কাৰণ, ইয়াত ভক্তিয়ে চৰম অৱস্থালৈ পৰ্যবসিত হৈ একান্ত ভক্তৰ আত্মক্ৰীড়া স্বৰূপো হৈ পৰিছে।

গীতাত কৃষ্ণই অৰ্জুনক কৈছে যে যিজনে নিজৰ সৰ্বস্ব ত্যাগ কৰি ভগৱানৰ ঐকান্তিক ভক্তি কৰে, তেৱেঁই হৰিময় হৈ পৰমসুখ লাভ কৰে। কীৰ্ত্তনৰ 'বিপ্ৰ দামোদৰ' আৰু 'ৰাসক্ৰীড়া' এই শ্ৰেণীৰ ভক্ত।

শঙ্কৰদেৱৰ আদৰ্শৰে ঈশ ভক্তিয়ে পৰম ৰহস্য ব্ৰহ্মৰ ৰহস্যৰো সন্ধান দিছে। Federic Spiegelberg এ কৈছে যে বিশ্বৰ সকলো ধৰ্মৰ ঘাই কথাষাৰ সত্তাৰ ৰহস্য। কীৰ্ত্তনত যিজন ঈশ্বৰৰ কথা কোৱা হৈছে, সেইজন ঈশ্বৰ কৃষ্ণও পৰম ৰহস্যময় এটা সত্বা মাথোন। এই বিশ্ব ব্ৰহ্মাণ্ডৰ সৰ্বময় কৰ্তাৰূপে যি ব্ৰহ্ম বা ঈশ্বৰক বিশ্বাস কৰা হয়,সেই একান্তিক বিশ্বাসেই ঐকান্তিক ভক্তিৰ মূলাধাৰ। কীৰ্তনত ঈশ্বৰৰ প্ৰতি পৰম অনুৰাগকে ভক্তি বোলা হৈছে আৰু এই ভক্তিয়েই কীৰ্তনৰ সাৰকথা।

কীৰ্ত্তনত পৰম সত্তাৰ প্ৰতি যি সপ্ৰেম ভক্তিৰ কথা কোৱা হৈছে সেই পৰম সত্তা সৰ্বত্ৰ বিৰাজমান ইয়ে উপনিষদৰ ভূমা। ঈশ্বৰ যে সৰ্বত্ৰ বিৰাজমান এই কথা যি উপলব্ধি কৰিব পাৰে তেওঁৱেঁই প্ৰকৃত ভকত। উপনিষদত কোৱা হৈছে, ব্ৰহ্মজ্ঞজনৰহে ব্ৰহ্মত্ব প্ৰাপ্তি ঘটে। কীৰ্ত্তনৰ প্ৰহ্লাদ, দামোদৰ এই শ্ৰেণীৰ ব্ৰহ্মদৰ্শী ভকত।

শঙ্কৰদেৱৰ কীৰ্ত্তনৰ মতে, ভক্ত ব্ৰহ্মদৰ্শী হ'বলৈ হ'লে জ্ঞান আৰু ভক্তি দুয়োটাকে ভক্তজনে আয়ত্তলৈ আনিব লাগিব। জ্ঞানৰ প্ৰয়োজন ব্ৰহ্ম বা ঈশ্বৰৰ শ্ৰেষ্ঠত্ব উপলব্ধিৰ বাবে। উপনষদত যি কথা কোৱা হৈছে কীৰ্ত্তনতো তাৰ প্ৰকাশ পাইছে। ব্ৰহ্ম সত্তাক গভীৰ ভাৱে অনুভৱ কৰিব পাৰিলেহে ভক্তৰ হৃদয় ভগৱৎময় হয়। 'কীৰ্ত্তন'ত ব্ৰহ্মজ্ঞান, ঈশ ভক্তি এই দুয়োটাতে সমান গুৰুত্ব দিয়া হৈছে। দুয়োটাৰ সহযোগত যি ঐকান্তিক ঈশপ্ৰেম গঢ় ল'ব যিয়ে ভক্তিলৈ পৰ্যবসিত হ'ব এয়ে কীৰ্ত্তনৰ ঘাই সাৰ কথা।■


**প্ৰসঙ্গ পুথি ঃ**

১. শ্ৰীশ্ৰীশঙ্কৰদেৱ (সূৰ্যকান্ত হাজৰিকা সম্পাদনা) ঃ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা, বাণী মন্দিৰ, ২০০৩
২. তীৰ্থনাথ শৰ্মা ঃ ভক্তিবাদ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯৫
৩. আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী ঃ অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, বাণী প্ৰকাশ। প্ৰথম প্ৰকাশ, ১৯৯৮
৪. ড° বিমল মজুমদাৰ ঃ ভক্তি সাহিত্য, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ ১৯৯৮
৫. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং প্ৰাইভেট লিমিটেড্, ৰিহাবাৰী, গুৱাহাটী, তৃতীয় প্ৰকাশ, ১৯৮৬



লেখিকা- প্ৰবক্তা, অসমীয়া বিভাগ,
মৰিচল মহাবিদ্যালয়, ধেমাজি

# সুভদ্ৰা হৰণ ঃ
# শঙ্কৰোত্তৰ নাট্য সাহিত্যৰ এটি বিশেষ সংযোজন

ড° মঞ্জু গোস্বামী

মহাপুৰুষ শঙ্কৰদেৱে ঘাইকৈ ভাগৱত পুৰাণৰ আধাৰতে নাট্য সাহিত্য সৃষ্টি কৰিছিল আৰু ভগৱান শ্ৰীকৃষ্ণৰ মহিমা প্ৰচাৰ কৰা ভক্তি ধৰ্মৰ নিজৰা বোৱাইছিল। শঙ্কৰোত্তৰ যুগৰ নাট্যকাৰসকলে শঙ্কৰদেৱৰ উপৰি মাধৱ কন্দলি, অনন্ত কন্দলি, ৰাম সৰস্বতী আদি কবিৰ কাব্যৰ পদ অনুসৰণ কৰি নাট ৰচনাত প্ৰবৃত্ত হৈছিল। সেইবাবে ভাগৱত পুৰাণকে ধৰি ৰামায়ণ, মহাভাৰত, বধকাব্য আৰু হৰণ কাব্যৰ আধাৰত সেইসময়ত অনেক নাট ৰচিত হৈছিল। শঙ্কৰদেৱৰ পিছৰ নাট্যকাৰসকলে নাট্য সাহিত্যৰ প্ৰসাৰ কৰিছিল আৰু তাৰ ভিতৰত দুই এজন নাট্যকাৰৰ সৃষ্টিয়ে সাহিত্যৰ বুৰঞ্জীত নাম থৈ গৈছিল। শ্ৰীৰাম আতাৰ সুভদ্ৰা হৰণ নাট তেনে নাটসমূহৰ ভিতৰত এখন।

সুভদ্ৰাহৰণ নাটৰ ৰচয়িতা আঁহতগুৰিৰ ৰাম আতাই শঙ্কৰোত্তৰ যুগৰ সাহিত্য সম্ভাৰৰ দিশত এখনি বিশিষ্ট আসন গ্ৰহণ কৰি গৈছে। ভৱানীপুৰীয়া গোপালদেৱৰ প্ৰধান শিষ্য আছিল শ্ৰীৰাম আতা। এওঁৰ পিতৃদেৱৰ নাম আছিল গোৱিন্দ মিশ্ৰ। গোপালদেৱে ভৱানীপুৰৰ পৰা কালঝাৰলৈ সত্ৰ স্থানান্তৰ কৰাৰ পাছত ৰাম আতাকেই কালঝাৰ সত্ৰত অধিষ্ঠিত কৰি থৈ যায়। এই জনা ৰাম আতাৰ বিষয়ে চৰিত পুথিয়ে অনেক সমল দাঙি ধৰে। মহাভাৰতৰ বিভিন্ন শ্লোক সংগ্ৰহ আৰু পুৰাণৰ মাজেৰে ৰাম আতাৰ কবি প্ৰতিভা প্ৰশংসিত হৈছে। শঙ্কৰী সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰি তেওঁ ভালেখিনি গীত, ঘোষা আদি ৰচে। তেওঁৰ 'ঘোষা পটল' উল্লেখযোগ্য পুথিসমূহৰ ভিতৰত এখন। শাস্ত্ৰৰ ভক্তি পৰম্পৰা বিষয়ক শ্লোকৰ উপৰিও তাৰ অসমীয়া অনুবাদো তেওঁ কৰি থৈ গৈছে। সমালোচক বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে ৰাম আতাৰ অনুবাদ ৰীতিৰ প্ৰশংসা কৰি গৈছে। শ্ৰীৰাম আতাৰ অন্যান্য দিশত পাৰদৰ্শিতাৰ বাহিৰেও একমাত্ৰ সুভদ্ৰাহৰণ নাটৰ মাজেৰেই তেওঁৰ সাহিত্য প্ৰতিভাৰ পৰিচয় পাব পাৰি। শঙ্কৰোত্তৰ যুগৰ নাটৰ বৈশিষ্ট্যৰ বিদ্যমানতা লক্ষ্য কৰিলেও এই নাটখনত শঙ্কৰদেৱৰ অন্যতম নাট ৰুক্মিণী হৰণৰ প্ৰভাৱ স্পষ্ট।

সুভদ্ৰাহৰণ নাটৰ কাহিনীভাগ ভাগৱত পুৰাণ আৰু মহাভাৰতৰ সংমিশ্ৰন। অনন্ত কন্দলিৰ দশম স্কন্ধ ভাগৱত আৰু ৰাম সৰস্বতীৰ মহাভাৰতৰ সুভদ্ৰা হৰণৰ অংশছোৱাকে শ্ৰীৰাম আতাই শ্লোক, গীত আৰু সংলাপৰ মধুমিশ্ৰিত কাব্যিক নিপুণতাৰে সুন্দৰভাৱে সজাই সুভদ্ৰা হৰণ নাট ৰচনা কৰিছে।

ভগৱান কৃষ্ণ আৰু বলোভদ্ৰৰ ভনীয়েক সুভদ্ৰাক মহাবীৰ অৰ্জুনে হৰণ কৰি নি বিবাহ কৰোৱা বৰ্ণনাটোৱেই সুভদ্ৰা হৰণ নাটৰ মূল বিষয়। নাটৰ আৰম্ভণিতে নাট্যকাৰে ভগৱান শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰি তেওঁৰ চৰণত প্ৰণাম জনাইছে।

নাট্যকাৰে নাটৰ কাহিনী ভাগ বৰ্ণনা কৰোঁতে নাটকীয় ঘটনাৰ আগলি বাৰ্তা হিচাপে আন এটা প্ৰসঙ্গ পোনতে টানি আনিছে। দ্ৰৌপদ নন্দিনীক পঞ্চ পাণ্ডৱে বিবাহ কৰোৱাৰ পাছত তত্ত্বদৰ্শী নাৰদে দ্ৰৌপদী পঞ্চপতিৰ একোজনৰ সৈতে এমাহ কৈ সহবাস কৰিব লাগিব বুলি নিয়ম বান্ধি দিছিল। সহবাদসৰ এই সময়ছোৱাত যদি পঞ্চ পতিৰ এজনে আন এজনক দ্ৰৌপদীৰ সতে সহবাস কৰি থকা অৱস্থাত দেখে তেন্তে তেওঁ এবছৰৰ বাবে বনবাস খাটিব লাগিব এয়াও নাৰদ মুনিৰে আদেশ আছিল-

'থাকিবন্ত সতী একেঠাইত একোমাস।
আনৰ পালত আনে নচাপিব পাশ।।
আনৰ পালত আনে যাইবে চাৰে যেবে।
সম্বৎস্বৰ বনবাস আচৰিব তেৱে।।'

-- দশম স্কন্ধ ভাগৱত

পঞ্চ পাণ্ডৱেও নাৰদ মুনিৰ এই কঠোৰ নিয়ম স্বীকাৰ কৰি ল'লে। কিন্তু তৃতীয় পাণ্ডৱ অৰ্জুনে কোনো এজনা বিপ্ৰৰ চুৰ কৰা গৰুক উদ্ধাৰ কৰাত উদ্যত হৈ ধনুশৰ অভ্যন্তৰৰ পৰা আনিবলৈ প্ৰৱেশ কৰে। সেই সময়ত জ্যেষ্ঠভ্ৰাতৃ যুধিষ্ঠিৰ দ্ৰৌপদীৰ সতে অভ্যন্তৰত আছিল। অৰ্জুনে তলমূৰ কৰি হাতত ধনু-শৰ লৈ চোৰক খেদি ব্ৰাহ্মণৰ গৰু ঘূৰাই আনিলে। নাৰদে বান্ধি দিয়া নিয়মানুসৰি তেওঁ যুধিষ্ঠিৰৰ ওচৰত ক্ষমা মাগিলে আৰু বনবাস ল'বলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল।

যুধিষ্ঠিৰে অৰ্জুৰ কাৰ্যত দোষ নধৰি জেষ্ঠ্য ভাতৃৰ সৈতে দ্ৰৌপদীক দেখাত একো দোষ নহয় বুলি অৰ্জুনক বুজনি দিলে--

'হামো তোহাৰি জেষ্ঠ্য ভ্ৰাতা পিতৃসম, হামাৰ সংগে দ্ৰৌপদীক দেখি তোহাৰি কোনো দোষ থিক, নুহি নুহি।'

-- সুভ্ৰদা হৰণ নাট

দশম স্কন্ধ ভাগৱতত পোৱা যায় এনেদৰে--

'বুলিল প্ৰবোধ বাপ এৰা অসন্তোষ।

জেষ্ঠ্য ভাইৰ সঙ্গে দেখিতে নাই দোষ।।

কিন্তু নিজ প্ৰতিজ্ঞাত অটল অৰ্জুনে সকলোৰে পৰা বিদায় লৈ সন্ন্যাস ব্ৰত পালন কৰিবলৈ বনলৈ গ'ল। উল্লেখযোগ্য যে বনবাসৰ সময়তে অৰ্জুনে উলুপী আৰু চিত্ৰাংগদাক বিবাহ কৰে।

ইপিনে মহামুনি নাৰদে দ্বাৰকালৈ গৈ সুভদ্ৰাৰ আগত অৰ্জুনৰ ৰূপ গুণৰ কথা বৰ্ণনা কৰি তেওঁৰ মন উতলা কৰি তোলে। অৰ্জুনৰ ৰূপ-গুণত মুগ্ধ হৈ তেওঁ অৰ্জুনক স্বামীভাৱে বৰণ কৰি থ'লে। পিতৃ বসুদেৱেও জ্ঞাতি-মিত্ৰ সকলোৰে আগত বিবাহোপযোগ্যা সুভদ্ৰাৰ মধ্যম পাণ্ডৱ অৰ্জুনেই একমাত্ৰ বৰ হ'ব বুলি সন্তোষ লাভ কৰিলে। সৰ্বজ্ঞাত কৃষ্ণই এই কথাত সন্মতি জনাই মৌন ভাৱে থাকিল। কিন্তু অন্তৰায় হিচাপে থিয় হ'ল ককায়েক বলোভদ্ৰ তেওঁ দুৰ্যোধনকহে সুভদ্ৰাৰ বাবে উপযুক্ত বৰ হ'ব বুলি নিজৰ মত দাঙি ধৰিলে। সখীয়েক পদ্মাৱতীৰ মুখে এনে সংবাদ শুনি সুভদ্ৰা আকুল হ'ল। অৰ্জুনক পতিবৰণ কৰিব নোৱাৰিলে তেওঁ প্ৰাণ ত্যাগ কৰিব বুলি প্ৰতিজ্ঞাবদ্ধ হ'ল। কিয়নো সুভদ্ৰাৰ মনত অৰ্জুন আৰু দুৰ্যোধন তুলনাত সিংহৰ আগত কুকুৰ সদৃশ।

'সোহি অৰ্জুনক আগে কোন হই। যৈছে সিংহৰ আগুশ্বান।' (সুভদ্ৰা হৰণ নাট)

আকৌ, নাৰদে অৰ্জুনৰ ওচৰলৈ গৈ সুভদ্ৰাৰ ৰূপ-গুণৰ কথা বৰ্ণালে আৰু বসুদেৱৰ কন্যা সুভদ্ৰা যে তেওঁৰ বাবে সু-পত্নী হোৱাৰ যোগ্য তাকো ইঙ্গিত দিলে। তেওঁ সুভদ্ৰাক গ্ৰহণ কৰিবলৈ সোনকালে দ্বাৰকালৈ যাবলৈও পৰামৰ্শ দিলে। নাৰদৰ কথামতে অৰ্জুনে সন্ন্যাসী বেশেৰে দ্বাৰকাত উপস্থিত হ'ল। দ্বাৰকাত তেওঁৰ পোনতে কৃষ্ণৰ সৈতে দেখাদেখি হ'ল। ভগৱান কৃষ্ণই সকলো কথা জানিও অৰ্জুনক নানা কৌতুকপূৰ্ণ প্ৰশ্নৰে আহ্বান জনালে। অৰ্জুনেও সৰ্বজ্ঞ কৃষ্ণৰ ওচৰত সকলো কথা বিৱৰি কৈ তেওঁৰ চৰণত শৰণ ল'লে। কৃষ্ণই তেতিয়া বলৰামৰ সন্মতি অবিহনে সুভদ্ৰাক লাভ কৰাটো অসম্ভৱ বুলি জানিবলৈ দি অৰ্জুনক দেৱযাত্ৰা মহোৎসৱৰ সময়ত সুভদ্ৰাক হৰণ কৰি নিবলৈ উপদেশ দিলে।

অৰ্জুনেও কৃষ্ণৰ কৃপাবাণী শুনি সুভদ্ৰাক পত্নী ৰূপে লাভৰ আশাত দ্বাৰকাত কিছুদিনৰ বাবে বাস কৰিলে। দ্বাৰকাত থকা সময়ত অৰ্জুনক এজন মহাযোগী মহাজ্ঞানী বুলি জানিবলৈ দি কৃষ্ণই তেওঁক অন্ন ভোজন কৰালে। তাকে দেখি যদুকুলৰ আন আন বহুতে তেওঁক আপ্যায়ন কৰিবলৈ উখল-মাখল লগালে। বলভদ্ৰয়ো পৰম বিশিষ্ট সন্ন্যাসী বুলি ভাবি অৰ্জুনক অন্নভোজনৰ বাবে নিজ গৃহলৈ নিমন্ত্ৰণ জনালে। ইপিনে ৰুক্মিণীৰ পৰা আগতীয়াকৈ অৰ্জুনৰ আগমনৰ বতৰা পাই সুভদ্ৰাই স্ফটিকৰ স্তম্ভত আউজি হাঁহিৰে সন্ন্যাসী বেশী বীৰ অৰ্জুনক সম্ভাষণ জনালে। অৰ্জুনেও সুভদ্ৰাৰ মদন পিচলা ৰূপ দেখি সন্তুষ্টি লাভ কৰিলে। নাট্যকাৰৰ এই বৰ্ণনা অতি হৃদয়গ্ৰাহী--

'ৰূপং দৃষ্টাপি সন্যাসী সুভদ্ৰায়াঃ ধনঞ্জয়ঃ।

তদ্ৰূপং বৰ্ণয়ামাস চেতসা স্মৰপীড়িত।।

-- সুভদ্ৰা হৰণ নাট, শ্লোক-১২

এনেদৰে দুয়ো প্ৰেম দৰদীয়ে নয়ন জুৰাই বলৰামৰ পৰা সাৱধানে থাকিল আৰু বলৰামৰ পৰা বিদায় লৈ কৃষ্ণৰ আশ্বাস মতে অৰ্জুনে দেৱযাত্ৰা মহোৎসৱলৈ অপেক্ষা কৰি ৰ'ল।

যথা সময়ত দ্বাৰকাত মহাপয়োভৰেৰে দেৱযাত্ৰা মহোৎসৱৰ আয়োজন হ'ল। দ্বাৰকাৰ নৰ-নাৰীসকলে উলহ-মালহেৰে দেৱাঙ্গ বসন পৰিধান কৰি উৎসৱত যোগদান কৰিলে। অৰ্জুনেও সন্ন্যাসীৰ বেশেৰে পথৰ

কাষত ‘চৰৰি পাৰি’ (চৰৰি-- হৰিণাৰ ছাল) বহি সুভদ্ৰালৈ অপেক্ষা কৰি ৰ’ল। এটা সময়ত দুৰ্জয় গড়ৰ পৰা আয়তী আৰু মহাবীৰ সবেৰে পৰিবেষ্টিতা সুভদ্ৰাই দেৱ-দৰশনৰ বাবে আগবাঢ়ি আহিল।

‘চলিলি সুভদ্ৰা দেৱ দশৰণে লাই।

কৰত আনন্দমন স্বামীক ধিয়াই।।

-- সুভদ্ৰা হৰণ, গীত-১৫

অৰ্জুনেও ছেগ বুজি সন্ন্যাসী বেশ ত্যাগ কৰি ধনঞ্জয় ৰূপেৰে ৰখীয়া সবক সিংহই হৰিণ খেদাৰ দৰে খেদি মহাবেগেৰে সুভদ্ৰাক হৰণ কৰি গুচি গ’ল। ‘... অৰ্জুন সুভদ্ৰাক দেখিয়ে দণ্ডকমণ্ডলু সন্ন্যাস বেশ ছোৰি মহাবেগে লৰৰি ৰথে চাৰি হাতে ধনুশৰ ধৰি টঙ্কাৰ বীৰণাদকয়েকহো হৈছে সিংহ মৃগযুথক খেদাৱল... ।’ (সুভদ্ৰা হৰণ নাট)

তেনে আচৰিত কাৰ্যত হতবাক হৈ সৈন্যসৱে ততাতৈয়াকৈ আহি বলৰামক সকলো কথা জনালে। বলৰামে এই কাৰ্যত ক্ৰোধান্বিত হৈ অৰ্জুনৰ সৈতে যুঁজ দিবলৈ আগবাঢ়ে--

‘ভগিনী পাণ্ডুপুত্ৰেন হৃতা শ্ৰুত্বা হলায়ুঃ।

ক্ৰোধসংৰক্তনয়নং প্ৰয়যৌ সমৰং প্ৰতি।।’

সুভদ্ৰা হৰণ নাট, শ্লোক-১৪

অৱশ্যে ভগৱান কৃষ্ণই গতি বিষম যেন দেখি বলৰামৰ চৰণত কাকুতি জনাই ‘পূৰ্বে জনমৰ যাহেৰ কন্যা সোহি পাৱে’ বুলি অৰ্জুনৰ গুণানুকীৰ্তন কৰিলে। তেতিয়াও বলৰামৰ খং নিবাৰণ নোহোৱাত কৃষ্ণই নিজৰ পৰম মাহাত্ম্যৰ কথা বৰ্ণনা কৰাত বলৰাম শান্ত হ’ল আৰু সুভদ্ৰাক বিধিমতে যৌতুক সহিতে অৰ্জুনলৈ বিবাহ দিবলৈ মন থিৰ কৰিলে।

ইপিনে সুভদ্ৰাক লৈ অৰ্জুন ইন্দ্ৰপ্ৰস্থ পোৱাত তাত মহা উৎসৱৰ আয়োজন হ’ল। যুধিষ্ঠিৰে ভ্ৰাতৃসৱৰে মহাউৎসৱ পাতিলে। কুন্তী, দ্ৰৌপদী সকলোৱে সুভদ্ৰাক আদৰি ল’লে। বসুদেৱেও দ্বাৰকাৰ পৰা ‘যৌতুক সম্ভাৰ লৈয়া’ সুভদ্ৰাক বিয়া দিবলৈ আহিল। ধৌম্য পুৰোহিতে যজ্ঞত অগ্নি স্থাপন কৰি বিবাহ কাৰ্য আৰম্ভ কৰিলে। পুৰোহিতে মুখ চন্দ্ৰিকাৰ সময়ত সুভদ্ৰাৰ ৰূপ দেখি চেতন হেৰাই পিছত স্বস্থ হৈ বিষ্ণু নাম স্মৰণ কৰি বিবাহ কাৰ্য সম্পন্ন কৰিলে। এনেদৰে সুভদ্ৰা-অৰ্জুনৰ বিবাহৰ মাজেৰে নাটৰ সামৰণি পৰে।

চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত নাট্যকাৰ ঘাইকৈ ভগৱান কৃষ্ণৰে মহিমা প্ৰকাশ কৰিছে। তেওঁৰ চেষ্টাতে অৰ্জুনৰ সুভদ্ৰা হৰণ সফল হৈছে। নাটৰ আৰম্ভণিতে কৃষ্ণৰ মহিমাসূচক শ্লোকেৰে কাহিনী বৰ্ণনা কৰি কৃষ্ণ স্তুতিৰেই নাটৰ সামৰণি মাৰিছে। নাটত পোনপটীয়া ভাৱে অংশ নল’লেও তেওঁ যে পৰমপুৰুষ, অন্তৰ্য্যামী তাৰ ইঙ্গিত পোৱা যায়। বলভদ্ৰৰ কোপৰ আগত তেওঁ- ‘পৰমেশ্বৰ পৰম দেৱতা যে হামু, যে হামাৰ সেৱক সহস্ৰ বয়ন সে তুহু। হামু তুহু ভূমিক ভাৰ হৰণ নিমিত্তে জগততাৰণ কাৰণে বেকত ভৈলো।’ বুলি কৈ নিজৰ মাহাত্ম্য প্ৰকাশ কৰিছে। বলভদ্ৰয়ো- ‘তোহো পৰমপুৰুষ পুৰুযোত্তম দেৱকু দেৱতা।’- বুলি কৈ তেওঁৰ মহিমা স্বীকাৰ কৰিছে।

নাটৰ নায়ক অৰ্জুন কৃষ্ণ ভক্ত পৰায়ণ, বিপদৰ বন্ধু। সন্ন্যাস ধৰ্ম গ্ৰহণ কৰিলেও তেওঁ বীৰ। প্ৰতি মুহূৰ্ততে তেওঁ কৃষ্ণৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিছে-- ‘তোহো আপোন সৰ্বজ্ঞ, সৰ্বঅন্তৰ্য্যামীসকলে জগতক বাহিৰে ভিতৰে থিক।’ নায়িকা সুভদ্ৰা সুন্দৰী, ধীৰ স্থিৰ। অৰ্জুনৰ ৰূপ গুণৰ তেওঁ পূজাৰিণী। সেয়ে অৰ্জুনকে তেওঁ উপযুক্ত হিচাপে স্থিৰ কৰিছে আৰু দুৰ্যোধনক অৰ্জুনৰ আগত সিংহ আৰু কুকুৰৰ লগত তুলনা কৰিছে-- ‘যৈছে সিংহক আগুশ্বান।’

বলোভদ্ৰ সৰল মনৰ ব্যক্তি। ককায়েক হিচাপে ভগ্নীৰ বৰ হিচাপে দুৰ্যোধনকে বিচাৰি পাইছে। অৰ্জুনে সুভদ্ৰাক হৰণ কৰাত ক্ৰোধান্বিত হৈ পৰিলেও কৃষ্ণৰ বুজনিত শান্ত হৈ পৰিছে। বসুদেৱে দায়িত্ব পালন কৰিছে বিবাহ উপযোগ্যা জীয়ৰীক সৎ পাত্ৰত দিবলৈ।

নাটখনৰ অতি গুৰুত্বপূৰ্ণ চৰিত্ৰ হ’ল টুটকীয়া নাৰদ। টুটকীয়া চৰিত্ৰ ৰূপে পৰিচিত নাৰদ সুভদ্ৰা হৰণ নাটত কিন্তু পৰম ধাৰ্মিক, বিশ্বাসী আৰু নায়ক-নায়িকাৰ মিলন দূত। অৰ্জুন-সুভদ্ৰাৰ মনত পূৰ্বৰাগৰ সৃষ্টি, সুভদ্ৰাক হৰণৰ বাবে অৰ্জুনৰ প্ৰস্তুতি এই সকলোখিনি নাৰদ চৰিত্ৰৰ বাবে সম্ভৱ হৈছে। ৰুক্মিণী হৰণ নাটত বেদনিধি বাপুয়ে ‘সে কন্যাক বিবাহ কৰিতে পাপী শিশুপাল আৱল..’ বুলি কোৱাৰ দৰে নাৰদেও ‘বলোভদ্ৰে সুভদ্ৰাক দুৰ্যোধনতে দিতে অঙ্গীকাৰ কৰৈছে যৱ তুহু দ্বাৰকাক ত্বৰে যাৱ।’ নাৰদ চৰিত্ৰই নাটখনত যোগসূত্ৰ স্থাপন কৰি লোক হিতকাৰী ৰূপে পৰিচিত হৈছে।

আন আন চৰিত্ৰৰ ভিতৰত পদ্মাৱতী সখীগত প্ৰাণা।

ধৌম্য পুৰোহিত ৰুক্মিণী হৰণ নাটৰ ব্ৰহ্মাৰ চৰিত্ৰৰ দৰে হাস্যকৰ। নাট্যকাৰে কম পৰিসৰতে চৰিত্ৰ সমূহৰ মাজেৰে স্বকীয়তা প্ৰকাশ কৰিছে।

আগতেই উল্লেখ কৰা হৈছে যে শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ নাটৰ প্ৰভাৱতে সুভদ্ৰা হৰণ নাটৰ কাহিনীয়ে গতি কৰিছে। হৰিদাস আৰু সুৰভি ভাটৰ মুখেৰে ৰূপ গুণৰ কথা শুনি কৃষ্ণ ৰুক্মিণীৰ পূৰ্বৰাগ উদয় হোৱাৰ দৰে এই নাটতো নাৰদৰ দ্বাৰা অৰ্জুন-সুভদ্ৰাৰ মনত পূৰ্বৰাগ উদয় হৈছে।

আকৌ, পিতৃৰ দায়িত্ব পালনত ভীষ্মকৰ যি ভূমিকা সুভদ্ৰা হৰণত বসুদেৱেও তেনে ভূমিকা পালন কৰিছে। ৰুক্মবীৰে শিশুপাললৈ ৰুক্মিণীক বিবাহ দিবলৈ যত্ন কৰাৰ দৰে বলোভদ্ৰয়ো সুভদ্ৰাৰ বাবে দুৰ্যোধনক উপযুক্ত বুলি বিবেচনা কৰিছে। সখীয়েক মদন মঞ্জৰী আৰু লীলাৱতীয়ে ৰুক্মিণীক সহায় কৰাৰ দৰে সুভদ্ৰাকো সহায় কৰিছে পদ্মাৱতীয়ে। আকৌ, হোমৰ গুৰিত ৰুক্মিণীৰ ৰূপত ব্ৰহ্মা মূৰ্চ্ছা যোৱাৰ দৰে সুভদ্ৰাৰ ৰূপত ধৌম্য পুৰোহিত মূৰ্চ্ছা গৈছে।

শঙ্কৰোত্তৰ যুগৰ নাটসমূহ ৰচিত হৈছিল ১৭শ-১৮শ শতিকাৰ ভিতৰত। শ্ৰীৰাম আতাৰ সময় সপ্তদশ শতিকাৰ আদি ভাগৰ হ'ব বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে তেওঁৰ অসমীয়া নাট্য সাহিত্যত উল্লেখ কৰিছে। সুভদ্ৰাহৰণ নাট সেই সময়ছোৱাতে ৰচিত বুলি অনুমান কৰিব পাৰি। নাট্যকাৰে অনন্ত কন্দলিৰ শেষ দশমৰ ২১৭ টা পদৰ ওপৰত ভিত্তি কৰি নাট্য কাহিনী ৰচিছে। বিশটা শ্লোকৰ মাজত নাটৰ কাহিনী ভাগ সোমাই আছে। এই নাটতো মুক্তি মঙ্গল ভটিমা নাই। নান্দী শ্লোকৰ ব্যৱহাৰ দেখা যায়। গীত আৰু সংলাপত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ হৈছে। উদাহৰণ--

(১) সোহি ঋষি আজ্ঞা পালিয়ে হামু সন্ন্যাস ধৰ্ম আচৰবো।

(২) তদনন্তৰে সেহি সময়ে সুভদ্ৰাক স্ফটিকস্তম্ভে গাৰে দিয়ে অৰ্জুনক হাস্য কটাক্ষন কৰাথিক।

গীতসমূহত ৰাগ-তাল বন্ধা আছে। সুহাই, সিন্ধুৰা, শ্ৰীআশোৱাৰী, শ্ৰীগান্ধাৰ আদি ৰাগ, একতালী পাৰিতাল, যৌতিমান, খৰমান আদি তাল গীতসমূহত আছে।

বীৰ, হাস্য, কৌতুক, শৃঙ্গাৰ আদি ৰসৰ সমাবেশে নাটখনক আকৰ্ষণীয় কৰি তুলিছে। অসমীয়া সমাজৰ চিত্ৰ অঙ্কনতো নাট্যকাৰে সাৰ্থকতা লাভ কৰিছে। ধৰ্মীয় ৰীতি-নীতি, যৌতুক প্ৰথা, অতিথি আপ্যায়ন, গন্ধ-চন্দন, পুষ্প, তামোল, বস্ত্ৰ-অলঙ্কাৰ আদিৰে স্বজন প্ৰীতি সাধন আদি প্ৰাচীন কালৰে পৰা চলি থকা সামাজিক প্ৰথা নাটকত সুন্দৰ ভাৱে ঠাই পাইছে। নাট্যকাৰৰ বৰ্ণনা শক্তিও প্ৰসংশনীয়। এনেদৰে, বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আগত ৰাখি নাট্যকাৰ শ্ৰীৰাম আতাই সুভদ্ৰাহৰণ নাটৰ মাজেৰে এটি অমূল্য সৃষ্টি অসমীয়া নাট্য সাহিত্যত সংযোজন কৰি গ'ল।■

**প্ৰসঙ্গ পুথি ঃ**


১. ভৃগুমোহন গোস্বামী (সম্পাঃ) ঃ শ্ৰীৰামআতা কৃত সুভদ্ৰা হৰণ নাট।
২. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য।
৩. মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্য ৰূপৰেখা
৪. দিলীপ বৰা ঃ সাহিত্য আৰু চিন্তা
৫. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পাঃ) ঃ অঙ্কীয়া নাট



লেখিকা-জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগৰ মুৰব্বী,
আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী

# জ্যোতিপ্ৰসাদৰ দৃষ্টিত শ্ৰীমন্ত শংকৰদেৱ

**ড° ফণীভূষণ দাস**

অসমৰ সকলো কালৰ মহত্তম পুৰুষ 'সৰ্বগুণাকৰ' শঙ্কৰদেৱ আছিল এক ৰেণেছাঁছ সুলভ ব্যক্তিত্ব, তেওঁ আছিল বহুমুখী প্ৰতিভাৰ অধিকাৰী। তেওঁৰ সমসাময়িক ইটালীৰ নৱ-জাগৰণৰ যুগৰ চিন্তাবিদসকলে কল্পনা কৰা বিশ্বমানৱৰ লক্ষণসমূহ প্ৰতিভাত হৈছিল শঙ্কৰদেৱৰ ব্যক্তিত্বত। এইৰোপৰ নৱ-জাগৰণে জন্ম দিছিল এনে কিছুমান বহুমুখী প্ৰতিভাধৰ ব্যক্তিৰ যিসকল একেধাৰে আছিল- কবি, শিল্পী, সঙ্গীতজ্ঞ, বিজ্ঞানী, দাৰ্শনিক, অভিযন্তা, সমৰশাস্ত্ৰবিদ আদি। সৰ্বতোপ্ৰকাৰ প্ৰতিভাৰ অধিকাৰী শঙ্কৰদেৱক বিষ্ণুপ্ৰসাদ ৰাভাই লিঅ'নাড' দা ভিঞ্চিৰ লগত তুলনা কৰাটো তাৎপৰ্যপূৰ্ণ।

আধুনিক অসমৰ সাংস্কৃতিক জগতৰ উজ্বলতম নক্ষত্ৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱো আছিল ৰেণেছাঁছ ধৰ্মী প্ৰতিভাৰ অধিকাৰী ব্যক্তি। তেওঁ আছিল কবি, গল্পকাৰ, গীতিকাৰ, সুৰকাৰ, চলচিত্ৰ নিৰ্মাতা, নৃত্যশাস্ত্ৰবিদ, স্থাপত্যবিদ, সাংবাদিক, ৰাজনৈতিক বিপ্লৱী, কলা সমালোচক আদি। এনে বৰ্ণাঢ্য প্ৰতিভাধৰ ব্যক্তি জ্যোতিপ্ৰসাদৰ শঙ্কৰদেৱৰ প্ৰতি আছিল অগাধ শ্ৰদ্ধা ভক্তি। জ্যোতিপ্ৰসাদে শঙ্কৰদেৱক সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তিৰূপে অভিহিত কৰি থৈ গৈছে। শঙ্কৰদেৱৰ প্ৰতিভা অসমীয়া জনসাধাৰণৰ মাজত উন্মোচন কৰি তেওঁক পূৰ্ণমানৱৰ আসনত জ্যোতিপ্ৰসাদে অধিষ্ঠিত কৰিছে।

সংস্কৃতি সাধক জ্যোতিপ্ৰসাদ আছিল অস্থি-মজ্জাই এজন শিল্পী। নিজস্ব সৃষ্টিশীল ক্ষমতাৰে তেওঁ জীৱন জগতৰ প্ৰতিটো দিশকে শিল্পীৰ দৃষ্টিৰে লক্ষ্য কৰিছে। তেওঁৰ মানৱ কৃষ্ণ, যীশু, বুদ্ধ, মহম্মদ, মাৰ্ক্স, লেলিন, অৰবিন্দ, গান্ধী, ৰবীন্দ্ৰনাথ, শঙ্কৰদেৱ আদি ধৰ্ম নায়ক, চিন্তাবিদ, মনীষীসকল মানুহৰ সংস্কৃতি স্ৰষ্টা। এইসকল 'মহাগুৰুৱে' তেওঁলোকৰ চিন্তা, মনীষা আৰু সাধনাৰে মানুহৰ বাহ্য সংস্কৃতি আৰু অন্তৰ্সংস্কৃতিৰ সুসমন্বয় ঘটাই মহান সংস্কৃতি গঢ়ি থৈ গৈছে। অসমীয়া সংস্কৃতিৰ প্ৰাণ-প্ৰতিষ্ঠাতা, আৰু ন ৰূপ দিওঁতা শঙ্কৰদেৱক জ্যোতিপ্ৰসাদে 'সংস্কৃতি গুৰু' হিচাপে বন্দনা কৰিছে।

শঙ্কৰদেৱে অসমত প্ৰৱৰ্তন কৰা সংস্কৃতিক জ্যোতিপ্ৰসাদে কৃষ্ণ সংস্কৃতি বুলি কৈছে। তেওঁৰ মতে কৃষ্ণ শব্দৰ বৈয়াকৰণিক অৰ্থ হৈছে সংস্কৃতি, 'কৃষ্ণ হৈছে সংস্কৃতিৰ পুৰণি ভাৰতীয় নাম।' জ্যোতিপ্ৰসাদে কৃষ্ণক সংস্কৃতিৰ প্ৰতীক হিচাপে লৈছে। ভাৰতীয় সাহিত্য সংস্কৃতিত কৃষ্ণক ঈশ্বৰৰ অৱতাৰ ৰূপে বৰ্ণনা কৰি অহা হৈছে। জ্যোতিপ্ৰসাদে কৃষ্ণক ধৰ্মীয় ঐতিহ্য পৰম্পৰাৰ পৰা উলিয়াই আনি সম্পূৰ্ণ শিল্পী সুলভ দৃষ্টিভঙ্গীৰে চোৱাৰ প্ৰয়াস কৰিছে। তেওঁ কৈছে, 'কৃষ্ণ ৰূপকো হ'ব পাৰে আৰু ঐতিহাসিকো হ'ব পাৰে নাইবা দুয়োটাই হ'ব পাৰে। কৃষ্ণ বুলি ঐতিহাসিক এনেকুৱা এজন ব্যক্তি হয়তো আছিল- - যাৰ জন্মত, জীৱনত, যাৰ মনীষা প্ৰতিভাত, যাৰ চিন্তাত, মানুহৰ এই পাৰ্থিৱ জীৱনৰ যি সত্যৰূপ, যিটো সত্যৰ ওপৰতেই নিৰ্ভৰ কৰি অন্ধকাৰ জয় কৰি মানুহৰ আলোকময় জীৱনৰ বিকাশ আৰু প্ৰকাশ হৈ আহিছে আৰু যুগে যুগে মাত্ৰ ৰূপান্তৰ হৈ সেই সত্যৰ ওপৰতেই প্ৰতিষ্ঠিত হৈ জীৱনে জীৱনে প্ৰকাশ আৰু বিকাশ পাই যাব, যাৰ জীৱনত সেই মানুহ জীৱনৰ সত্যটো সম্পূৰ্ণৰূপে প্ৰতিফলিত, সেইহে তেওঁক প্ৰতীক কৰি ল'লো।' (শিল্পীৰ পৃথিৱী)

গীতাত কৃষ্ণই কৈছে জগতত যেতিয়া দুষ্কৃতিৰ ভৰপক হ'য় তেতিয়া তেওঁ দুষ্কৃতিক বিনাশ কৰি সংস্কৃতি প্ৰতিষ্ঠাৰ বাবে যুগে যুগে জন্ম গ্ৰহণ কৰে। শঙ্কৰদেৱে অৱতাৰবাদ

স্বীকাৰ কৰিছে। তেওঁ সকলো অৱতাৰতকৈ কৃষ্ণ অৱতাৰক শ্ৰেষ্ঠতম আসনত স্থান দিছে। তেওঁ ভাগৱতৰ কৃষ্ণক মহানায়ক হিচাপে লৈ গীত-পদ, কাব্য, আদি বিভিন্ন ৰচনাৰ মাজেৰে ভক্তিৰ মাহাত্ম্য প্ৰচাৰ কৰিছে। শঙ্কৰদেৱে কৃষ্ণৰ শৈশৱ, কৈশোৰ আৰু যৌৱন অৱস্থাৰ লীলা-খেলা, প্ৰেম-বিৰহ, চৌৰ্য-চাতুৰী আদিৰ বৰ্ণনাৰে মানুহৰ হৃদয় আলোড়িত কৰি তুলিছে।

জ্যোতিপ্ৰসাদৰ মতে সংস্কৃতিৰ জন্ম দুষ্কৃতিৰ মাজতেই কৃষ্ণৰ জন্ম হয় বন্দীশালত। কংস হৈছে দুষ্কৃতিৰ প্ৰতীক, পুতনা দুষ্কৃতিৰ প্ৰতিনিধি। দুষ্কৃতি আৰু সংস্কৃতিৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। কংস আৰু পুতনাৰ মৃত্যু ঘটে। কৃষ্ণৰূপী সংস্কৃতিয়ে দুষ্কৃতিৰ বিৰুদ্ধে যুঁজ দি নিজৰ বিজয় সাব্যস্ত কৰে। পুৰণি সংস্কৃতিয়ে নতুন সংস্কৃতিৰ স্পৰ্শত প্ৰাণ পাই উঠে। কুঁজী ধামনীবাই কৃষ্ণক লগ পাই যোল বছৰীয়া হয়। জ্যোতিপ্ৰসাদে কৈছে- 'এই সংস্কৃতিৰ প্ৰতীকৰ জন্ম হয় দুষ্কৃতিৰ মাজতেই। একে মঙহত একে বঙহতেই দুষ্কৃতিৰ মাজতেই সংস্কৃতিয়ে জন্ম লয়। দুষ্কৃতিৰ তাঁলৈ ভয়, তাক বধিবলৈ বিচাৰি ফুৰে। সি আহিব বুলি ভয়ত আগৰ পৰাই সন্ত্ৰস্ত। তাক জন্ম দিয়া মাকক সাৱধানেৰে থয় বন্দীশালত। দুষ্কৃতিৰ টোপনি নাই। সংস্কৃতিয়ে বন্দীশাল পোহৰ কৰি জন্মগ্ৰহণ কৰে; কিন্তু চালুকীয়া অৱস্থাত যি অজ্ঞাতবাস  খাটিবগৈ লাগে গুৱালৰ ঘৰতহে। এই গুৱাল জনতাইহে আতৌ পিতৌ কৈ ৰাখি তাক তুলি তালি ডাঙৰ-দীঘল কৰে। দুষ্কৃতিয়ে তাক মাৰিবলৈ সকলো ষড়যন্ত্ৰ কৰি থাকে পুতনাক পঠিয়াই। কিন্তু সকলো দুষ্কৃতিৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি সংস্কৃতিৰূপী কৃষ্ণই শিশু কালতেই নিজৰ শক্তিৰ পৰিচয় দিয়ে গাঁৱৰ ল'ৰাৰ লগত গৰু চৰাই আৰু বজাই সুকুমাৰ কলাৰ বাঁহী-- যি বাঁহীয়ে মানুহক মুগ্ধ কৰে।' (শিল্পী পৃথিৱী)

জ্যোতিপ্ৰসাদে কৈছে- কৃষ্ণৰ বাঁহীটো হৈছে সুকুমাৰ কলাৰ প্ৰতীক, সুদৰ্শন চক্ৰ নৈতিক অস্ত্ৰ। কৃষ্ণই কুৰুক্ষেত্ৰ যুদ্ধত মোহগ্ৰস্ত অৰ্জুনক দুষ্কৃতিৰ বিৰুদ্ধে থিয় দিবলৈ প্ৰেৰণা যোগাইছে। দুষ্কৃতিৰ প্ৰতীক অন্ধ ধৃতৰাষ্ট্ৰৰ বিপক্ষে যুঁজিবলৈ কৈছে। কৃষ্ণই মোহন বাঁহীৰ সুৰেৰে মানুহৰ মন-প্ৰাণ জয় কৰে আৰু সুদৰ্শন চক্ৰৰ চালনাৰে দুষ্কৃতিৰ বিৰুদ্ধে যুঁজ দিয়ে। এই মুৰলীধৰ কৃষ্ণ শঙ্কৰদেৱৰ প্ৰায়ভাগ ৰচনাৰ মূল চৰিত্ৰ আৰু আকৰ্ষণৰ কেন্দ্ৰবিন্দু। সেয়ে শঙ্কৰদেৱে দিয়া 'কৃষ্ণ সংস্কৃতি'ত মুগ্ধ হৈ জ্যোতিপ্ৰসাদে তেওঁক পূৰ্ণ সংস্কৃতিৰ প্ৰতীক বুলি স্বীকাৰ কৰিছে।

শঙ্কৰদেৱ যে ঐক্য সংহতিৰ প্ৰতীক আৰু জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰথম প্ৰবক্তা তাক জ্যোতিপ্ৰসাদে অকপটে মানি লৈছে। বিভিন্ন জাতি, জনজাতি, বিভিন্ন ভাষা গোষ্ঠী, বৰ্ণাঢ্য সংস্কৃতিৰে পৰিপূৰ্ণ অসমৰ জনসাধাৰণক একগোট কৰি এক বৃহৎ অসমীয়া জাতি গঠনৰ বাবে শঙ্কৰদেৱে কৰা প্ৰচেষ্টাক জ্যোতিপ্ৰসাদে মুগ্ধ চিত্তে লক্ষ্য কৰিছে। 'শিল্পীৰ পৃথিৱী'ত তেওঁ কৈছে, 'আজি আমি অসমীয়া যি সমস্যাত পৰিছোঁ-- আমাৰ পৰ্বতীয়া ভাইসকল আৰু নবাগতসকলক লৈ সেই একে সমস্যাতে পৰিছিল তেওঁৰেই আমাৰ সংস্কৃতি গুৰু। তেওঁ অসমীয়া গীত পদত ব্ৰজাৱলী আৰু অসমীয়া ভাষাৰ মিশ্ৰণ দিওঁ এটা ভাষা সমন্বয়ৰ নীতি দেখুৱাই গৈছে। সুকুমাৰ কলাতো অসমীয়া থলুৱা সম্পদেৰে সৈতে আন আন প্ৰদেশৰ সুকুমাৰ সম্পদেৰে এটা সমন্বয় দেখুৱাই গৈছে। পৰ্বতীয়া ভাই সকলৰে সৈতে আমি সাংস্কৃতিক ঐক্য সূত্ৰেৰে কেনেকৈ বান্ধ খাই আমাৰ বহল অসমীয়া জীৱন ৰচনা কৰিব লাগিব তাকো কৈ গৈছে।'

শঙ্কৰদেৱ আছিল ভাৰতীয় ঐতিহ্য পৰম্পৰাৰ প্ৰতিভূ। প্ৰকৃত অৰ্থত তেওঁৰেই প্ৰথমে সৰ্বভাৰতীয় সাংস্কৃতিক ঐতিহ্য ব্ৰহ্মপুত্ৰ উপত্যকালৈ কঢ়িয়াই আনিছিল। ভাগৱত আৰু অন্যান্য পুৰাণ, ৰামায়ণ, মহাভাৰত আৰু আন আন শাস্ত্ৰৰ তত্ত্ব আৰু কাহিনীসমূহ সৰল অসমীয়ালৈ অনুবাদ কৰি তেওঁ সৰ্বভাৰতীয় সাহিত্যৰ লগত অসমবাসীক পৰিচয় কৰাই দিছিল। ভাৰতীয়ত্ব আছিল শঙ্কৰদেৱৰ জীৱন আদৰ্শ। অসমীয়া হৈও কেনেকৈ ভাৰতীয় হ'ব পাৰি তাৰ উদাহৰণ শঙ্কৰদেৱে দি থৈ গৈছে। শঙ্কৰদেৱৰ ব্যক্তিত্বৰ এই আদৰ্শক জ্যোতিপ্ৰসাদে মানি লৈছে। তেওঁ কৈছে- 'আমাৰ সংস্কৃতিৰ প্ৰগতি আমাৰ অসমীয়াৰ, ভাৰতীয় ঐতিহ্যৰ সমন্বয় বিচৰা নাছিল। এই সমন্বয়ৰ দৃষ্টিভঙ্গীৰে তেওঁ সঙ্গীত, স্থাপত্য, কলা-সংস্কৃতিৰ বিচাৰ কৰিছিল। তেওঁ অসমীয়া সাংস্কৃতিক ঐতিহ্যত নিজস্ব বৈশিষ্ট্য থকাৰ উপৰিও 'বিশ্বমুখী মনৰ প্ৰতিবিম্ব' হোৱাটো বিচাৰিছিল। অসমীয়া হৈ ভাৰতীয়, ভাৰতীয় হৈ বিশ্ব নাগৰিক হোৱাটো শিল্পী জ্যোতিপ্ৰসাদে বিচাৰিছিল।

শঙ্কৰদেৱ বিপ্লৱী মনীষাৰ প্ৰতীক, তেওঁৰ ব্যক্তিত্বৰ

এই বৈশিষ্ট্যই জ্যোতিপ্ৰসাদক আকৰ্ষণ কৰিছিল। শঙ্কৰদেৱ বিপ্লৱী হ'লেও তথাকথিত বিপ্লৱীৰ দৰে বিধ্বংসী বিপ্লৱী নাছিল। 'পৰৰ ধৰ্মক নিহিংসিবা কদাচিত, কৰিবা ভূতক দায়া সকৰুণ চিত্ত।' বুলি কোৱা বিপ্লৱী শঙ্কৰদেৱ আছিল নম্ৰ, বিনয়ী, নিজ আদৰ্শত অটল। দেখা যায় প্ৰকৃত শিল্পীসকল সদায়েই বিপ্লৱী, তেওঁলোক স্থিতাৱস্থাৰ পক্ষপাতী নহয়। সমাজ পৰিৱৰ্তনৰ বাবে তেওঁলোকে সোঁতৰ বিপৰীতে গতি কৰে। এই পৰিপেক্ষিতত জ্যোতিপ্ৰসাদে শঙ্কৰদেৱক বিপ্লৱী বুলি গণ্য কৰিছে আৰু কৃষ্ণ সংস্কৃতিৰ প্ৰতীক বুলি কৈছে। শিল্পী জ্যোতিপ্ৰসাদৰো আছিল এটা বৈপ্লৱিক মন, নিজৰ আদৰ্শ বাস্তৱও ৰূপায়িত কৰিবলৈ তেওঁ বিপ্লৱীৰ ভূমিকা লৈছিল। শঙ্কৰদেৱৰ বৈপ্লৱিক আদৰ্শত অটল বিশ্বাস থকা জ্যোতিপ্ৰসাদে কৈছে, 'মাথো মই ইয়াকেই কওঁ যে তেওঁৰ নিচিনা বৈপ্লৱিক দৃষ্টিৰ সংস্কৃতি স্ৰষ্টা সেই সময়ৰ ভাৰতৰ কথা নকওঁৱেই, পৃথিৱীৰ ভিতৰতে বিৰল হ'ব। তেওঁ প্ৰথমতে অগাধ পণ্ডিত, অকল ধৰ্ম-সংস্কাৰকেই নহয়, উপনিষদৰ ওপৰত প্ৰতিষ্ঠা কৰি তেওঁ প্ৰায় এক নতুন ধৰ্ম দি গৈছে। আজি পাঁচশ বছৰৰ আগতেই তেওঁ অস্পৃশ্যতাৰ বিৰুদ্ধে বৈপ্লৱিক প্ৰচাৰ আৰম্ভ কৰে আৰু বিপ্লৱীৰ কপালত যি নিৰ্যাতন ভোগ থাকে তাক ভোগ কৰি গৈছে' (নতুনৰ পূজা)

শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্ম সৰল আৰু অনাড়ম্বৰ তেওঁৰ ধৰ্ম যেনেদৰে সৰজ-সৰল দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত তেনেদৰে ব্যয় বহুল মঠ-মন্দিৰ নিৰ্মাণ কৰাৰ দৃষ্টান্ত দেখা পোৱা নাযায়। খেৰ, কাঠ, বাঁহৰ অসমীয়া দুচলীয়া ঘৰেই নামঘৰৰ আদি স্থাপত্যক ৰূপ আছিল। একশৰণ নামধৰ্মৰ উদ্দেশ্য আৰু আদৰ্শৰ খ্যাতিৰত বেছি স্থান আৰৱা দুচলীয়া নামঘৰৰ প্ৰয়োজন হৈছিল। গাঁৱৰ মানুহে নাম-কীৰ্তন, ভাওনা-সবাহ কৰিবলৈ, ধৰ্মীয় কথা; গাঁৱৰ বিভিন্ন সমস্যাৰ আলোচনা কৰিবলৈ নামঘৰত সমবেত হৈছিল। নামঘৰৰ সৰল স্থাপত্যত মুগ্ধ হৈ জ্যোতিপ্ৰসাদে কৈছে, 'আজিকালিৰ বিশ্ব স্থাপত্য যি অলঙ্কাৰ বৰ্জিত সৰলতা আৰু ৰৈখিক সৌন্দৰ্যৰ আদৰ্শৰ, অসমীয়া নামঘৰ তাৰ প্ৰাথমিক সংস্কৰণ বুলিব পাৰি। ভাৰতৰ আন আন প্ৰদেশৰ ধৰ্ম-প্ৰচাৰকসকলে যিবোৰ মঠ-মন্দিৰ কৰাইছিল সেইবোৰ আগৰ হিন্দু, বৌদ্ধ স্থাপত্যৰ আদৰ্শৰেই, শঙ্কৰদেৱৰ দৰে স্থাপত্যত বৈপ্লৱিক ৰূপান্তৰ কোনেও দিয়া নাই। এইদৰে চালে আমি শঙ্কৰদেৱৰ প্ৰতিভাৰ প্ৰত্যেক ক্ষেত্ৰৰ বিকাশতেই এটা বৈপ্লৱিক ভঙ্গী দেখিবলৈ পাওঁ। সেই কাৰণেই শঙ্কৰদেৱক প্ৰগতিশীল বুলিব পাৰো।' (নতুনৰ পূজা) ইউৰোপৰ পৰা উভতি আহি জ্যোতিপ্ৰসাদে বৰদোৱা নামঘৰ দৰ্শন কৰিবলৈ গৈ নামঘৰৰ খুটাত কটা মূৰ্তি, থাপনা আদি দেখি বিস্ময়াভিভূত হৈছিল। প্ৰকৃতাৰ্থত নামঘৰ কেৱল ধৰ্ম অনুষ্ঠানেই নহয়, ই অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনৰ অঙ্গ।

জ্যোতিপ্ৰসাদে শঙ্কৰদেৱৰ ব্যক্তিত্বত আধ্যাত্মিক, মানসিক আৰু বাস্তৱিক এই তিনিওটাৰ সামঞ্জস্য আৰু সমতা দেখি শঙ্কৰদেৱক পূৰ্ণ সংস্কৃতিৰ প্ৰতীক বুলি কৈছে। শঙ্কৰদেৱে মানসিক উৎকৰ্ষৰ লগতে দৈহিক উৎকৰ্ষ সাধনৰ ওপৰত গুৰুত্ব দিছিল। এই দিশত আলোকপাত কৰি জ্যোতিপ্ৰসাদে শিল্পীৰ পৃথিৱীত কৈছে, 'সেই কাৰণেই তেওঁ দৈহিক সৌন্দৰ্যযুক্ত হৈ মানুহৰ শাৰীৰিক সৌন্দৰ্য যে থাকিব লাগে তাক উপলব্ধি কৰি শৰীৰ চৰ্চা, ব্যায়াম আদি কৰি শৰীৰৰ দৈহিক ভাগলৈ সম্পূৰ্ণ মন দিছিল। তেওঁ শৰীৰৰ শক্তিকো নিশ্চয় উপেক্ষা কৰা নাছিল। ভৰ বাৰিষা লুইত পাৰ হোৱা, যাঁড় গৰুৰ শিঙত ধৰি পেলোৱা তেওঁৰ দৈহিক শক্তি আৰু শৰীৰপুষ্টি খেল-ধেমালিকো তেওঁৰ কৰ্তব্যৰ ভিতৰত ধৰিছিল।

সৰ্বশাস্ত্ৰ বিশাৰদ শঙ্কৰদেৱৰ সংস্কৃতত অসাধাৰণ ব্যুৎপত্তি থকা স্বত্বেও সৰ্বসাধাৰণৰ চকু মুকলি কৰিবলৈ তেওঁ অসমীয়া আৰু ব্ৰজাৱলী ভাষাত বিশাল সাহিত্য সৃষ্টি কৰি গৈছে। শঙ্কৰদেৱৰ এই বৈপ্লৱিক দৃষ্টিভঙ্গীৰ প্ৰশংসা কৰি জ্যোতিপ্ৰসাদে কৈছে, '........... শঙ্কৰৰ সেই শ্ৰীমন্ত, অসমীয়া ভাষাকেই আমি যদি বিকশিত কৰি শিল্পীৰ সপোনৰ হাঁহি তাত নিখুঁতভাৱে প্ৰতিফলিত কৰিব পাৰো তেন্তে অসমীয়া ভাষা বিশ্বাসভাৰ সন্মানৰ আসনত বহিব গৈ যে পাৰিব ই মোৰ ধ্ৰুৱ বিশ্বাস।' (শিল্পীৰ পৃথিৱী)

স্বৰূপাৰ্থত শঙ্কৰ প্ৰতিভা গভীৰভাৱে উপলব্ধি কৰা জ্যোতিপ্ৰসাদৰ ওপৰত শঙ্কৰদেৱৰ জীৱন আৰু দৰ্শনৰ প্ৰভাৱ অপৰিসীম। শঙ্কৰদেৱৰ মহাপ্ৰতিভাৰ দ্বাৰা উদ্বুদ্ধ হ'বলৈ তেওঁ অসমবাসীক সকীয়াই থৈ গৈছে। তেওঁ আশা কৰিছে, 'শ্ৰীমন্ত শঙ্কৰে দিয়া বিশ্ব সংস্কৃতিৰ ৰূপান্তৰৰ শিল্পী হৈ অসমীয়া শিল্পী বিশ্বশিল্পী হৈ জনতাৰ কোলাত

জ্বলি উঠক।' (শিল্পীৰ পৃথিৱী)।

শঙ্কৰদেৱৰ জীৱন জগতৰ প্ৰতি দৃষ্টিভঙ্গী আছিল ইতিবাচক, এই দৃষ্টিভঙ্গীয়ে তেওঁক জীৱনৰ প্ৰতিটো দিশতে আলোকপাত কৰিবলৈ প্ৰেৰণা যোগাইছিল। জ্যোতিপ্ৰসাদো আছিল আশাবাদী। মানুহৰ প্ৰতি তেওঁৰ আছিল আস্থা আৰু বিশ্বাস। অসমীয়া হৈ 'মহাভাৰতৰ বাটে পৃথিৱীৰ সবাহঁলৈ যাবলৈ' তেওঁ হেঁপাহ কৰিছিল, অসমীয়া ডেকা-গাভৰুৰ মাজৰ পৰাই তেওঁ মানৱতা সন্ধানী শিল্পী সত্তা বিচাৰি উলিয়াবলৈ যত্নপৰ হৈছিল। শঙ্কৰদেৱ আৰু জ্যোতিপ্ৰসাদে দি যোৱা সংস্কৃতি পোহৰে, তেওঁলোকৰ ঐক্য সমন্বয়ৰ বাণীয়ে, আধ্যাত্মিক উপলব্ধিয়ে আজিৰ সন্ত্ৰাসজৰ্জৰ, নিমৰ্ম, বিশ্বাসহীন পৰিৱেশত অসমীয়াক যে পথ দেখুৱাব পাৰিব ই ধ্ৰুৱপ।■


<u>গ্ৰন্থপঞ্জী</u> ঃ

১. জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, জানুৱাৰী ১৯৮১

২. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পাঃ) ঃ গৰীয়সী, দশম বছৰ, চতুৰ্থ সংখ্যা, জানুৱাৰী ২০০৩,

৩. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পাঃ) ঃ গৰীয়সী, দ্বাদশ সংখ্যা সংখ্যা, চেপ্তেম্বৰ, ১৯৯৮



লেখক- জ্যেষ্ঠ প্ৰবক্তা, দৰ্শন বিভাগৰ মুৰব্বী,
দুধনৈ মহাবিদ্যালয়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সদস্য

# বিপ্ৰ দামোদৰ এজন আদৰ্শৱান গৃহী ভকত

**শ্ৰীজীৱকান্ত নাথ**

শ্ৰীমদ্ভাগৱতৰ 'দামোদৰ বিপ্ৰাখ্যান' নিষ্কাম ভকতিৰ এটি চূড়ান্ত নিদৰ্শন। মহাপুৰুষ শঙ্কৰদেৱৰ 'দামোদৰ বিপ্ৰাখ্যান' টি কীৰ্ত্তনৰ দ্বাবিংশ খণ্ডৰ অন্তৰ্গত। শ্ৰীমদ্ভাগৱতত এই আখ্যানটিৰ ভাৱানুবাদ কৰিছে গুৰুজনৰ একান্ত ভক্ত কবি অনন্ত কন্দলিয়ে। কীৰ্ত্তনত গুৰুজনে মাত্ৰ চাৰিটি কীৰ্ত্তনেৰে একুৰি পোন্ধৰটা পদত দুলড়ী আৰু ছবি ছন্দ সজ্জাৰে চমুকৈ অথচ নিটোল ৰূপত কাহিনীৰ সামৰণি মাৰিছে। অনন্ত কন্দলীয়ে মধ্য দশমত বিস্তৃতভাৱে কাহিনীটি বৰ্ণনা কৰিছে। নকুৰি সাতোটি পদেৰে দুলড়ী, পদ আৰু ছবি ছন্দসজ্জাৰে অনন্ত কন্দলিয়ে অতি সৰল আৰু সাৱলীলভাৱে কাহিনীৰ মোখনি মাৰিছে। কন্দলীয়ে আখ্যানটিত কৃষ্ণৰ গুৰুভক্তিৰ নিদৰ্শন, কৃষ্ণৰ গুৰুগৃহৰ কাহিনী স্মৰণ, কৃষ্ণৰ দ্বাৰা চাউল-চিৰা ভক্ষণ আৰু দামোদৰৰ কৃষ্ণভক্তি- নামকৰণে চাৰিটি শিৰোণামেৰে ভাগ কৰি অৱশেষত গ্ৰন্থকাৰৰ পৰিচয়ৰে কাহিনীৰ পৰিসমাপ্তি ঘটাইছে। কীৰ্ত্তন আৰু ভাগৱত দুয়োখনি গ্ৰন্থৰে কাহিনীৰ ৰূপৰেখা এনে ধৰণৰ-- বাল্যকালত কৃষ্ণৰ লগত সান্দিপণি গুৰুৰ গৃহত দামোদৰৰ বিদ্যা লাভ, সাংসাৰিক জীৱনত দামোদৰৰ নাজল-নাথল অৱস্থা, দুখ মোচনৰ বাবে বিপ্ৰ পত্নীয়ে স্বামীক দ্বাৰকাত থকা বাল্যবন্ধু কৃষ্ণৰ ওচৰলৈ যাবৰ বাবে ধৰা খাটনি, পত্নীৰ অনুৰোধ ৰক্ষা কৰি পত্নীয়ে খুজি-মাগি অনা চাউল চিৰাৰ টুপলি লৈ দামোদৰৰ দ্বাৰকা গমন, দ্বাৰকাত কৃষ্ণৰ দ্বাৰা দামোদৰৰ অভাৱনীয় আতিথ্য লাভ, কৃষ্ণ আৰু দামোদৰৰ গুৰুগৃহৰ কাহিনী স্মৰণ, গৃহৰ পৰা কৃষ্ণ প্ৰভুৰ কাৰণে লৈ যোৱা চাউল-চিৰাৰ টুপলি খুলি কৃষ্ণক দিবৰ বাবে লাজ সংকোচ, অন্তৰ্য্যামী ভগৱন্তই নিজেই টোপোলা খুলি এমুঠি চাউল চিৰা ভক্ষণ, আৰু এমুঠি খাবলৈ লওঁতেই লক্ষ্মীৰ বাধা আৰোপ, দ্বাৰকাত কৃষ্ণগৃহত মহাসুখত ৰাত্ৰি যাপন কৰাৰ পিছদিনা দামোদৰৰ গৃহাভিমুখে প্ৰত্যাৱৰ্তন, গৃহৰ সমীপত নিজৰেই ঘৰবাৰীৰ উৱাদিহ উলিয়াব নোৱাৰি দামোদৰ কিংকৰ্তব্য বিমূঢ়, বিপ্ৰপত্নীয়ে দাস-দাসীৰ সৈতে বাদ্য ভণ্ড লৈ দামোদৰক আদৰণি, কৃষ্ণ প্ৰভুৰ কৃপাত লাভ কৰা ধন-জনৰ প্ৰতি দামোদৰৰ অনাসক্তি আৰু অৱশেষত কৃষ্ণভক্তিৰ মহাসাগৰত অৱগাহন কৰি দামোদৰৰ লীনমুক্তি

কাহিনীটি দেখাত সাধাৰণ আৰু ওপৰে ওপৰে চালে অলৌকিক যেন লাগিলেও তাৰ মাজতেই নিহিত হৈ আছে অনুসন্ধিৎসু ভক্তজনৰ বাবে মানৱী জীৱনৰ মণি মুকুতা। কাহিনীটিৰ মাজত নিহিত হৈ আছে একশৰণ ভকতিৰ মহিমা। ভকতিৰ বলত অসাধ্য সাধনো যে কৰিব পাৰি-- সেই কথা ভক্তজনেই হৃদয়ঙ্গম কৰিব পাৰে। এই ভক্তিনো কি? ভক্তি হ'ল ভগৱন্তৰ প্ৰতি প্ৰেম, অনুৰাগ, গভীৰ ভালপোৱা। ভক্তিৰ শাখা প্ৰশাখা অনেক যদিও ভক্তিক মূলতঃ দুটা ভাগত ভাগ কৰিব পাৰি-- সকাম ভক্তি আৰু নিষ্কাম ভক্তি। থোৰতে কবঁলৈ গ'লে স্বাৰ্থ বা উদ্দেশ্য প্ৰণোদিত ভাৱে কৰা ভকতিয়েই হ'ল সকাম ভকতি। য'ত ভকতৰ কোনো আকাঙ্খ্যা নাই, নিজৰ মনোবাঞ্ছা সিদ্ধিৰ বাবে যিজন ভকতে ভকতি নকৰে, কেৱল ভগৱন্ত মহাপ্ৰভুক ভালপোৱাই ভক্ত জীৱনৰ একমাত্ৰ লক্ষ্য-- সেই ভকতিয়েই হ'ল নিষ্কাম ভকতি। সকামী ভক্তৰ লেখ দি অন্ত কৰিব নোৱাৰি। কিন্তু নিষ্কামী ভক্তৰ সংখ্যা তেনেই নগণ্য বুলিয়েই ক'ব পাৰি। ৰামায়ণ, মহাভাৰত, শ্ৰীমদ্ভাগৱত আদি পুৰাণ-উপপুৰাণসমূহৰ পাত লুটিয়ালে বিভীষণ, হনুমান, জাম্বৱান, বিদুৰ, উদ্ধৱ, মৈত্ৰেয় আদি কেইজনমান নিষ্কামী ভক্তৰ নাম ল'ব পাৰি। এই মহাভক্ত কেইজনৰ একেশাৰীতে স্থান দিব পাৰি বিপ্ৰ দামোদৰকো। দামোদৰো আছিল নিষ্কামী ভক্তবৃন্দৰ মাজৰে এজন মহাভক্ত।

দামোদৰ বিপ্ৰৰ ভক্ত জীৱনৰ চাৰিত্ৰিক বৈশিষ্ট্য বিচাৰ কৰিলে দেখা যায় যে তেওঁৰ আছিল ভগৱন্ত কৃষ্ণ মহাপ্ৰভুৰ প্ৰতি এক অহৈতুকী প্ৰীতি। দামোদৰ বিপ্ৰাখ্যানৰ আৰম্ভণিতেই দামোদৰৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে পৰিচয় দিছে গুৰুজনে এনেদৰে-- 'আছিল দৰিদ্ৰ / বিপ্ৰ দামোদৰ / বৈষ্ণৱ আতি পবিত্ৰ।' দামোদৰৰ নিষ্কাম ভকতিৰ প্ৰমাণ পোৱা যায় বিপ্ৰপত্নীয়ে স্বামী দামোদৰক দ্বাৰকালৈ যাবৰ বাবে খাটনি ধৰাৰ ক্ষেত্ৰত। অন্নবস্ত্ৰহীন লাওলোৰা দামোদৰৰ মনত নিষ্কাম ভকতিৰ ধাৰা প্ৰবাহিত হৈ থকাৰ বাবেই সহপাঠী বাল্যবন্ধু কৃষ্ণ জগতৰ স্বামী বুলি জানিও মুহূৰ্তৰ বাবেও ক্ষুদ্ৰমানো কামনা-বাসনাৰ কথা মনলৈ অহা নাছিল। বিপ্ৰ পত্নীয়েহে তেওঁলোকৰ সাংসাৰিক জীৱনৰ নাজল-নাথল দুৰ্গতিৰ বোজা বব নোৱাৰি কৃষ্ণ মহাপ্ৰভুৰ ওচৰলৈ গৈ এই দুৰৱস্থাৰ ওৰ পেলাবলৈ স্বামীক খাটনি ধৰিছিলগৈ। তেতিয়াহে দামোদৰে-- 'ভাৰ্য্যাৰ বচনে / শুনিয়া ব্ৰাহ্মণে / দৃঢ় কৰিলন্ত মতি।'-১৫৫৮ (কীৰ্ত্তন)। অৱশ্যে ভাৰ্যাৰ প্ৰীতি সাধিবৰ বাবেহে যে দ্বাৰকালৈ ওলাইছে, ধন-সম্পত্তি পোৱাৰ আশাত যে তেওঁ দ্বাৰকালৈ ওলোৱা নাছিল সেই কথাত আখ্যনটিত স্পষ্টভাৱে প্ৰতিফলিত হৈছে--

'কৃষ্ণ দৰশনে মোৰ মহালাভ
যাইবো দ্বাৰকাক প্ৰতি।।'

-- কীৰ্ত্তন, ১৫৮২

নিষ্কাম ভক্তজনৰ চৰিত্ৰ এনেকুৱাই। তেওঁৰ একমাত্ৰ উদ্দেশ্যেই হ'ল ভকতি, ভগৱন্তৰ প্ৰতি কেৱল ভকতি। ভকতিৰ ৰাজ্যত পোৱা-নোপোৱাৰ, লাভ-লোকচানৰ প্ৰশ্ন আহিব নোৱাৰে। 'মহালাভ' কৃষ্ণ দৰশনেই আছিল তেওঁৰ একমাত্ৰ লক্ষ্য। দ্বাৰকা গমন কালত পথ শ্ৰমৰ ভাৱনা মনলৈ নহা দামোদৰে উৎকণ্ঠিতভাৱে কেৱল ভাবি গৈছিল-

'কৃষ্ণক দেখিবে কতবেলি পাওঁ
মনে গুণি দ্বিজবৰ।।'

-- কীৰ্ত্তন, ১৫৮৩

এই নিষ্কাম ভকতিৰ সৈতে নিবিড়ভাৱে জড়িত হৈ থাকে অৰ্পণ ভকতিৰ বীজ। দামোদৰৰ দৰে আদৰ্শৱান গৃহী ভকতৰ জীৱনৰ একমাত্ৰ লক্ষ্য হ'ল অৰ্পণ ভকতি। অৰ্পণ ভকতিতেই তেওঁলোকে পায় পৰম তৃপ্তি। ধন-জন, কায়-বাক্য-মন সমস্ত ভগৱন্তৰ চৰণত আত্মনিবেদন কৰে এইশ্ৰেণী ভক্তই। 'কেৰ্কেটুৱাৰ বাহ পাতেই ভেটি'ৰ দৰেই দামোদৰেও পত্নীৰ হতুৱাই গোটাই-পিতাই আনি 'চাউল চিৰা চাৰিমুঠি'কে প্ৰভুৰ চৰণত অৰ্পণ কৰি পৰমজনৰ চৰণ দৰ্শনাৰ্থে দ্বাৰকালৈ ঢাপলি মেলিছে। সকাম ভকতিৰ গোন্ধ পাব বুলি ভাবিয়েই লাজত দামোদৰে চাউল চিৰাৰ টুপলি মেলিব নোৱাৰিলে প্ৰভুৰ সমুখত, ইয়াৰ বিপৰীতে ঋষীকেশেহে ভক্তৰ প্ৰতি কৃপা বৰিষণ কৰিলে--

'মনুষ্য দুৰ্ল্লভ পৰম সম্পদ
দিবো আজি আহ্ম আমি।
কানিৰ টুপলি বিচাৰি আনিলা
আপুনি জগতস্বামী।।'

-কীৰ্ত্তন, ১৫৯৬

এমুঠি চাউল চিৰা খাই ভগৱন্তই ভক্ত দামোদৰক কৃপা কৰাৰ কাহিনীটিয়ে একেই তাৎপৰ্যপূৰ্ণ নিহিত আন এটি কাহিনীও মনৰ মাজত সঞ্চাৰিত নকৰাকৈ নাথাকে। 'ইটো চাউল চিৰা / জগতে সহিতে / তৃপিতি কৰে আহ্মাক।' (১৫৯৭-কীৰ্ত্তন) বুলি এমুঠি খাই কৃষ্ণ মহাপ্ৰভুয়ে দামোদৰক যি কৃপাধন্য কৰিলে- তেনেকৈয়ে খুদকণ এটি ভক্ষণ কৰিয়ে এদিন প্ৰভুৰ একান্ত ভক্তা বিপদগ্ৰস্তা দ্ৰৌপদীকো দুৰ্বাসাৰ শাপৰ পৰা ৰক্ষা কৰি কৃপা কৰিছিল। তাৰ একমাত্ৰ কাৰণ হ'ল--

'ভকত সকলে পূজৈ ফলে ফুলে
তুষ্ট হওঁ তাকে পাই।
অভকতে যদি নানা দ্ৰব্য দেয়
তাতো মোৰ তুষ্টি নাই।।

-- কীৰ্ত্তন, ১৫৯৪

একান্ত নিষ্কামী ভক্ত দামোদৰক সেয়েহে ভগৱন্তই এমুঠি চাউল চিৰাতেই সন্তুষ্ট হৈ 'মনুষ্যৰ দুৰ্ল্লভ পৰম সম্পদ' প্ৰদান কৰি মনুষ্য জীৱন ধন্য কৰিলে।

দামোদৰৰ দৰে নিষ্কাম ভক্তসকলৰ জীৱনত সুখ-দুখ, পোৱা-নোপোৱাৰ আনন্দ-বিষাদে কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰে। তেওঁলোক হ'ল স্থিতপ্ৰজ্ঞ। দিব্যপুৰী সদৃশ অট্টালিকাসহ ধনে-জনে দামোদৰৰ জীৱন ভগৱন্তই ওপচাই পেলালেও পৰম ভক্তজনৰ মনৰাজ্যত কিন্তু ক্ৰমান্বয়ে চিৰবৈৰাগ্য ভাৱৰহে উদয় হ'ল। কৃষ্ণ ভকতিকে জীৱনৰ একমাত্ৰ পথৰ পাথেয় কৰি মহাপুণ্য সঞ্চয় কৰি

বিষয় বাসনাৰ প্ৰতি বিৰকতি হৈ প্ৰেম ভকতিৰ দ্বাৰা মায়ামৰ্দ্দন কৰি বিপ্ৰ দামোদৰ 'চৈতন্যময় পূৰ্ণানন্দ হৰি'ৰ আসনত উপবিষ্ট হ'ল। দামোদৰৰ জীৱনৰ একমাত্ৰ লক্ষ্য হ'ল--

'তাহান চৰণে সৌহৃদ্য সখিত্ব
মিত্ৰভাৱ নুগুচোক।
জন্মে জন্মে মঞি তান দাস হৈবো
মোক মোহে নলঙেঘাক।।
এহি বুলি দ্বিজে ভুঞ্জিলা পৰম
ভোগ্যক পত্নী সহিত।
কিছু কিছু কৰি বিষয় এড়ন্ত
কৃষ্ণত অৰ্পিয়া চিত্ত।।'
কীৰ্ত্তন, ১৬১০

গৃহী ভক্ত হৈও দামোদৰে অনাহূতভাৱেই লাভ কৰিলে পৰম মুক্তি--

'দৃঢ় ভক্তি কৰি চিণ্ডি মোহজৰী
কৰ্ম্মবন্ধে ভৈলাহীন।
পায়া মহোদয় দেখি ব্ৰহ্মময়
কৃষ্ণতে গৈলন্ত লীন।।' -- কীৰ্ত্তন,১৬১১

এয়ে হ'ল 'মনুষ্য দুৰ্ল্লভ পৰম সম্পদ'। পৰমেশ্বৰে প্ৰচুৰ পাৰ্থিৱ সম্পদ দিও নিষ্কাম ভক্ত দামোদৰক মায়াত বান্ধি ৰাখিব নোৱাৰিলে।

'দামোদৰ বিপ্ৰাখ্যান'টিত দামোদৰ নামৰ তাৎপৰ্যও মন কৰিবলগীয়া। দামোদৰ ভগৱন্তৰ সহস্ৰ নামৰ ভিতৰতে এটি নাম। দামোদৰ নামৰ অৰ্থ হ'ল- দাম অৰ্থাৎ পঘা আৰু উদৰ মানে পেট। যশোদাই কৃষ্ণক পেটত পঘা লগাই সৰুতে বান্ধি থোৱাৰ বাবেই ভক্তবৃন্দই কৃষ্ণক দামোদৰ নামেৰে বিভূষিত কৰে। ভকতৰ হাতৰ মুঠিতেই ভগৱান বিৰাজমান। ভক্ত যশোদাইও ভগৱন্তক পঘা লগাই অৰ্থাৎ ভকতিৰ বলত অধীন কৰিছিল। ভক্ত আৰু ভগৱান অৰ্থাৎ নাম আৰু নামীৰ মাজত কোনো প্ৰভেদ নাই। ভক্ত দামোদৰেও ভগৱান দামোদৰক ভকতিৰ বলত অধীন কৰি নিজে 'চৈতন্যময় পূৰ্ণানন্দ হৰি'ৰ আসনত উপবিষ্ট হ'বলৈ সক্ষম হ'ল। এইখিনিতেই ভক্ত দামোদৰৰ নামৰ সাৰ্থকতা। এনেদৰে বিচাৰ কৰি চালে বিপ্ৰ দামোদৰৰ আদৰ্শ গৃহী ভকতৰ বিশিষ্টতা জলজল পটপটকৈ ওলাই পৰে।■

লেখক- জ্যেষ্ঠ প্ৰবক্তা,অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সাহিত্য শাখাৰ সম্পাদক

# মাধৱদেৱৰ নাম-মালিকা ঃ এক অধ্যয়ন

ড° নাৰায়ণ দাস

মহাপুৰুষ শঙ্কৰদেৱৰ *ভক্তি-ৰত্নাকৰ*, বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি-ৰত্নাৱলী* বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ ভক্তি-বিবেকৰ দৰে *নাম-মালিকা* (= হৰিনাম - মালিকা) খনিত এখনি সংস্কৃত প্ৰকৰণ গ্ৰন্থ। অৱশ্যে সেইখনিত নৱবিধা ভক্তিৰ পৰিৱৰ্তে হৰি বিষ্ণু ৰুদ্ৰ নামৰ মাহাত্ম্যহে প্ৰকাশ পাইছে। উৰিষ্যাৰ গজপতি ৰাজবংশৰ নৃপতি পুৰুষোত্তম গজপতিৰ নিৰ্দেশক্ৰমে সেইদেশৰ দ্বিজ পণ্ডিতসকলে প্ৰকৰণ গ্ৰন্থখনিৰ সংকলনৰ কৰ্ম সম্পাদন কৰিছিল। মাধৱদেৱৰ ভাষাত--

'পুৰুষোত্তম নামে নৰেশ্বৰ গজপতি।
তান আজ্ঞা পালি দ্বিজগণ মহামতি।।
পুৰাণ ভাৰত স্মৃতি আগমক চাই।
নানা গ্ৰন্থ সংগ্ৰহ কৰিলা একঠাই।।
কৃষ্ণ নাম মহিমা পাইলন্ত যত মান।
লিখি আনি সবাকো কৰিলা একঠান।।' ৬-৭

দৈত্যাৰি ঠাকুৰৰ মতে, কোচবেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ ৰাজ ভাণ্ডাৰত সংৰক্ষিত *নাম-মালিকা*খনি তেওঁৰ বিষয়া ভক্তপ্ৰাণ বিৰূপাক্ষ কাৰ্জিয়ে পাই সেইখনিৰ পদবন্ধ কৰিবলৈ এজন ব্ৰাহ্মণ, এজন কায়স্থ আৰু মাধৱদেৱক অনুৰোধ জনালত অগা-পিছাকৈ তিনিওজনে কামফেৰা সম্পাদন কৰিলে। ৰাজ বিষয়াজনে-

'চাহিলা তিনিওখান পূৰ্বাপৰ কৰি মন,
সিটো দুই খানক এড়িলা।
নিদূৰ্ষণ সুস্থ সুৰস দেখিয়া দেৱ,
মাধৱৰ খনক ৰাখিলা।।'-২৭।৪

*নাম-মলিকা*খনি মাধৱদেৱে বৰভাল পোৱা নাছিল যদিও ৰাজবিষয়া বিৰূপাক্ষ কাৰ্জিৰ নিৰ্দেশত তাৰ পদবন্ধ কৰাৰ কথা পুথিখনিৰ আদি আৰু অন্তিমত কবিয়ে উল্লেখ কৰিছে--

'নাহিকে শৃংখল গ্ৰন্থ অতি নিৰৰ্থুক।
আৰ পদ কৰি কোনে মিলাইবে কৌতুক।।
তথাপিতো বিৰূপাক্ষ কাজিৰ বচনে।
বিৰচিবো পদ যেন লৱে মোৰ মনে।।'১০

* * *

জয় জয় লক্ষ্মী নাৰায়ণ মহা, নৃপতিৰ অগ্ৰগনি।
যাহাৰ নিৰ্মল যশস্যা সকলে, ঢাকিল ইটো ধৰণী।।৫৮৫

* * *

তানে মহাপাত্ৰ নামে বিৰূপাক্ষ, সমস্ত গুণ সাগৰ।
যাহাৰ সভাত নুগুচে সাক্ষাত, বিচাৰ শত শাস্ত্ৰৰ।।৫৮৮

* * *

তান আজ্ঞা বাণী মনে অনুমানি, কৰিয়া গ্ৰন্থ বিচাৰ।
যেন লৈলে মনে পৰম যতনে, ৰচিলো আমি পয়াৰ।।৫৯৯

সংস্কৃত *নাম-মালিকা*ৰ শ্লোকসমূহ আঙ্গিৰস সংহিতা, অগ্নিপুৰাণ, অগস্তি সংহিতা, আশ্বলায়ন সংহিতা, কল্কি পুৰাণ, কালিকা পুৰাণ, কূৰ্ম পুৰাণ, গৰুড় পুৰাণ, চৰ্তুবুহ চিন্তামণি, নন্দী পুৰাণ, নাৰায়ণ তন্ত্ৰ, পঞ্চৰাত্ৰ আগম, বশিষ্ঠ আগম, বহ্নি পুৰাণ, বামন পুৰাণ, বায়ু পুৰাণ, বিষ্ণু পুৰাণ, বিষ্ণু যামল, বিৰিঞ্চি তন্ত্ৰ, বৃহৎ গৌতমী আগম, বৈশ্বানৰ সংহিতা, বৈসম্পায়ন সংহিতা ব্ৰহ্মপুৰাণ, বৈহ্মবৈৱৰ্ত পুৰাণ, ভগৱৎ গীতা, ভাগৱত পুৰাণ, ভাৰত বিভাগ, মহাভাৰত, মেৰু তন্ত্ৰ, লঘু ভাগৱত, লিঙ্গ পুৰাণ, শিৱ ৰহস্য, শিৱ পুৰাণ, সুশ্ৰুত সংহিতা, সৌৰ সংহিতা, স্কন্দ পুৰাণ প্ৰভৃতিৰ পৰা সংগৃহীত। অসমীয়া কবিয়ে তেওঁৰ ভাঙনিত গ্ৰন্থ বৰ্হিভূত গ্ৰন্থৰো ভাঙনি কৰি তাৰ বাবে পাঠকৰ আগত ক্ষমা ভিক্ষা মাগিছে--

'গ্ৰন্থ বহিৰ্ভূত যিটো বঢ়া দেখা, নেদিবা দোষ ইহাত।
ব্যাস মহা কবি তেন্তো প্ৰসংগত ৰঞ্জনা দেন্ত কথাত।।'৫৯৪

অসমীয়া *নাম-মালিকা*ৰ সন্নিবিষ্ট গ্ৰন্থ বহিৰ্ভূত ভাঙনিৰ ভিতৰত নামে বিভিন্ন কাৰ্য সম্পাদন কৰাৰ দৃষ্টান্ত থকা *পদ্মপুৰাণ*ৰ স্বৰ্গখণ্ডৰ পদ উল্লেখযোগ্য।

সত্য যুগত ধৰ্ম নিৰ্মল আছিল। লোকে এক কৃষ্ণকে উপাস্য দেৱতা ৰূপে উপাসনা কৰিছিল। 'কৃষ্ণ সেৱা বিনে ধৰ্ম নাছিলেক আন / কৃষ্ণসে কেৱলে দেৱ উপাস্য প্ৰধান//' সত্যৰ পিছত ত্ৰেতা যুগ। এই যুগত 'আগম-পুৰাণ', 'তৰ্ক বেদ-বেদান্ত ভাৰত ইতিহাস' প্ৰভৃতি ৰচনাৰ পিছত বিভিন্ন পন্থাৰ সৃষ্টি হ'লেও কৃষ্ণ নামৰ মহিমা তেতিয়াও ম্লান পৰা নাছিল। কিয়নো 'সমস্তে ধৰ্মৰ ফল মাধৱৰ নাম'। নামৰ মহিমাৰ অন্ত নাই। আগম-নিগম-পুৰাণ সৰ্বত্ৰ নামৰ বিজয় ঘোষিত হৈছে। সেই নামৰ মহিমাকে 'পৰম মহন্ত গজপতি পুৰুষোত্তমে /লিখাই আছে শ্লোকচয় যেন অনুক্ৰমে//' একে ক্ৰমকে অনুসৰণ কৰিছে বৈষ্ণৱ কবি মাধৱদেৱে।

*নাম-মালিকা* উন্মোচিত হৈছে *ব্ৰহ্মপুৰাণোক্ত* নামৰ মহিমাৰে। মিত্ৰ কিম্বা শত্ৰুভাৱে মাধৱৰ নাম লোৱা জনৰ মুক্তি অৱশ্যম্ভাৱী। কৃষ্ণবৈৰী ছেদী ৰাজে 'অহৰ্নিশে থাকো সিটো কৃষ্ণক সুমৰি।' ফলস্বৰূপে, সুমৰন্তে সুমৰন্তে তন্ময় ভৈল / কৃষ্ণৰ হাতত মৰি বৈকুণ্ঠক গৈল//' (৪৭) *পদ্মপুৰাণ*ত কোৱা হৈছে যে সুৱৰ্ণ হৰণৰ দৰে মহাপাপ কৰ্মত প্ৰবৃত্ত হোৱাজনেও যদি 'একবাৰ নাম মাত্ৰ সুমৰে মনত/ তাৰা সবো ধ্বংস কৰি পাতক সকলে /বিষ্ণুৰ পৰম পদ আনন্দতে চলে।।'৭২

*বিষ্ণু পুৰাণ*ত পৰাশৰৰ দ্বাৰা মৈত্ৰেয়ৰ আগত স্পষ্টভাৱে কোৱা হৈছে যে সত্য যুগত যোগীসকলে সাধনাত বহি যি ফল লাভ কৰিছিল, ত্ৰেতাযুগত লোকে নানাবিধ যাগযজ্ঞ সম্পাদনেৰে মুক্তিৰ যি স্বাদ পাইছিল, নানা তন্ত্ৰ-মন্ত্ৰেৰে দ্বাপৰ যুগত অৰ্চনা কৰি লোকে মুক্তিৰ যি পথৰ সন্ধান দেখিছিল, সেই মুক্তি দুৰ্ঘোৰ কলিযুগত মাধৱৰ নাম-কীৰ্ত্তন কৰি অনায়েসে লাভ কৰিব পাৰে-- 'এতেকেসে হৰি নাম ধৰ্মতে প্ৰধান/ জগতত নাহি পুণ্য নামৰ সমান।।'(৯৩) কৃষ্ণ নাম শ্ৰৱণ আৰু কীৰ্তনত পোৱা ফল হৰিনাম স্মৰণতো বিদ্যমান। *বিষ্ণু পুৰাণ*ত প্ৰহ্লাদৰ উক্তিত স্মৰণ মহিমা প্ৰকাশ পোৱাটো উল্লেখযোগ্য। *শিৱ পুৰাণ*তো শিৱ নামৰ মহিমা অলেখ। ভাগৱত পুৰাণত কোৱা হৈছে--

'সাধ্য-সাধন ৰূপে নামকেসে কয়।

আন যত ফল কৰ্ম সবে মায়াময়।।'-১২৬

*অগ্নিপুৰাণ*ৰ মহাভক্ত প্ৰহ্লাদৰ আগত ভগৱান শ্ৰীকৃষ্ণই কৈছে যে গোৱিন্দ নাম জপা জনে মৃত্যুৰ ত্ৰাসৰপৰা মুক্তি পায়। সেইবাবে পুষ্কৰে কৃষ্ণৰ ওচৰত আকুতি জনাইছেঃ 'বাক্যেবা যতেক পাপ কৰিছোঁ দুৰ্ঘোৰ। মাধৱ বোলন্তে সবে ক্ষয় হৌক মোৰ।।'(১৪২) *ভৱিষ্য পুৰাণ*ত নামৰ মহিমা প্ৰসঙ্গত পোৱা যায়-- ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু স্ত্ৰী, অন্ত্যজাতি প্ৰত্যেকৰে বিষ্ণুনাম শ্ৰৱণ-কীৰ্তন-অৰ্চন-স্মৰণ কৰাৰ অধিকাৰ আছে।

*লিঙ্গ পুৰাণ*ত আছে, যিলোকে অকাৰণে লোক হনন কৰে, হাতত তৰোৱাল লৈ যিজনে জন হত্যাত প্ৰবৃত্ত হয়, অন্যায়ভাৱে ভোজন কৰে, সেইজন লোকে যদি এটি বাৰো শিৱ নাম স্মৰণ কৰে, তেন্তে 'সমস্তে পাতক তাক কৰে পৰিহাৰ। (১৬১) *স্কন্দ পুৰাণ*ৰো এঠাইত বিষ্ণুৱে নাৰদক উপদেশ দিছে--

'জানিবাহা নাৰদ গোৱিন্দ কীৰ্ত্তনত।

শতধা প্ৰকাৰে পাপ সৱে হৰে হত।।

যতেক পাতক সিজে অভক্ষ্য ভোজনে।

উপজয় পাপ যত অগম্য গমনে।।১৭১

* * *

তীৰ্থ কৌটি সমস্ৰেক পুণ্য পাৱে যত।

ততোধিক পুণ্য পাৱে হৰি কীৰ্ত্তনত।।১৮২

অশ্বমেধকে প্ৰমুখ্যে বিভিন্ন ব্যয় বহুল যজ্ঞ সম্পাদন কৰি অৱভৃত তীৰ্থৰ জলত স্নান কৰি লোকে যিকণ পুণ্য অৰ্জন কৰে, তাতকৈ অধিক পুণ্য অৰ্জন কৰে ৰুদ্ৰ নাম স্মৰণৰ দ্বাৰা। *বামণ পুৰাণ*তো একে ধৰণৰ নামৰ মহিমা ঘোষণা কৰাটো তাৎপৰ্যপূৰ্ণ। *কুৰ্ম পুৰাণ*ত আছে এককৌটি কপিলা গাভী দ্বিজক দান কৰি অথবা অযুতেক কন্যা দান কৰি লোকে যি পুণ্য অৰ্জন কৰে সেই 'পুণ্য পাৱে নৰে সুখে হৰি কীৰ্ত্তনত।' *মৎস্য পুৰাণ*ৰ এঠাইত নামৰ মহত্ব বৰ্ণাই কৈছে--

'নানা বিধ ঈশ্বৰৰ ভকতি আছয়।

তাতে শ্ৰেষ্ঠতৰ হৰিনাম অতিশয়।।২২৫

আনহাতে গৰুড় পুৰাণত উল্লেখ আছে যে যদিও কলিযুগ 'কেৱলে দোষৰ নিধি', তথাপি এই যুগত 'হৰি নাম কীৰ্তনতে সংসাৰ বন্ধত মুক্ত' হৈ 'পাৰে কৃষ্ণক

সাক্ষাত।' আৰু 'ৰাম-কৃষ্ণ হৰি ইটো ত্ৰিতয় নামৰসম নাহি মন্ত্ৰ শোধক পাপৰ।' *নৰসিংহ পুৰাণত* গোবিন্দ পুণ্ডৰীকাক্ষ, নৰসিংহ আৰু ত্ৰিবিক্ৰম-- এই চাৰিটা নাম কীৰ্ত্তনে 'সংসাৰ দুঃখত হন্তে উদ্ধাৰ' কৰাৰ কথা উল্লিখিত হৈছে। অঙ্গিৰস পুৰাণতো আছে- 'বাসুদেৱ নাম মাত্ৰ সদা উচ্চাৰয়। এতেকতে সংসাৰত হন্তে মুক্ত হয়।' *মহাভাৰতৰ* দ্ৰৌপদীৰ বস্ত্ৰ হৰণ খণ্ডত একবস্ত্ৰা দ্ৰৌপদীয়ে কৃষ্ণ নাম স্মৰণ কৰাৰ ফলত কেনেকৈ জ্যেষ্ঠজনৰ আগত লজ্জা নিবাৰণ কৰিব পাৰিছিল, তাৰ দৃষ্টান্ত আছে। *ভগৱৎ গীতাত* ভগৱান শ্ৰীকৃষ্ণই স্পষ্টভাৱে কৈছে-

'কৃষ্ণত বিনাই সাৰ নাহি ভকতৰ।
ভকততো পৰে সাৰ নাহিকে কৃষ্ণৰ।।
সমস্তে শাস্ত্ৰৰ সাৰ জানা এহিমান।
কৃষ্ণৰ বচন লৈয়ো প্ৰত্যক্ষ প্ৰমাণ।।'২৭৬

নন্দি পুৰাণ আৰু *অগ্নি পুৰাণৰ* বহু ঠাইত নামৰ শ্ৰেষ্ঠতা প্ৰতিপাদিত হৈছে। *বায়ু পুৰাণত* স্পষ্টভাৱে কোৱা হৈছে ঃ 'শ্ৰৱণ কীৰ্ত্তন কৰিৱে আমাক /পাইবা অনায়াসে গৈয়া ঈশ্বৰ কৃষ্ণক।'

*প্ৰভাষ পুৰাণৰ* কুশধ্বজ নাৰদ সংবাদৰ মূল প্ৰতিপাদ্য বিষয় হ'ল-- নামৰ শ্ৰেষ্ঠত্ব প্ৰকাশ। *বৈশ্বানৰ সংহিতাত* শুকে পিম্পল ৰজাক কৈছে যে সৰ্বপ্ৰকাৰ যাগ-যজ্ঞ, গঙ্গা স্নান, তীৰ্থস্থান প্ৰভৃতি 'হৰি-কীৰ্ত্তনক কেহোঁ নুহিকে সমান।'(৪৬৯) কায় শাস্ত্ৰ *সুশ্ৰুত সংহিতাতো* আছে- 'বালক সকলো যদি কীৰ্ত্তন কৰয়/ জিনয় সংসাৰ ইটো জন্ম মৃত্যু ভয়।'(৩৮০) পাতঞ্জল সংহিতাৰ এঠাইত নৃহৰি নাম কীৰ্ত্তনৰ কথা আছে। *বৃহৎ বশিষ্ট সংহিতাত* ঋষি বশিষ্ঠই ৰাজকুমাৰৰ আগত নামৰ শ্ৰেষ্ঠতা দৃষ্টান্তৰে প্ৰতিপন্ন কৰিছে। *অগস্তি সংহিতা* আৰু *বিষ্ণু ধৰ্মোত্তৰতো* 'হৰিনাম কীৰ্তন'ৰ শ্ৰেষ্ঠতা কথনে বহু ঠাই আগুৰাটো মন কৰিবলগীয়া/ বিষ্ণু ৰহস্যত ব্ৰহ্মাই নাৰদৰ আগত দৃঢ়ভাৱে কৈছে যে ভক্তিভাৱে হৰিৰ নাম কীৰ্তন কৰা জনে 'অনায়াসে সিটো নৰে বিষ্ণুপুৰ পাৱে।'(৪৩৮) *শিৱ ৰহস্যত* শিৱ নাম কীৰ্ত্তনৰ শ্ৰেষ্ঠতা বাৰে বাৰে উল্লিখিত হৈছে। এবাৰ মাত্ৰ শিৱৰ নাম উচ্চাৰণ কৰিলেই 'শতজন্ম কৃত যত পাতেক আছয়/ সমস্তে পাপত তাৰা মুকুত হোৱয়।।'(৪৭০)

*মাণ্ডব্য শ্ৰুতিৰ* প্ৰায়চিত্ত প্ৰকৰণত দ্বিজ সুশৰ্মাৰ আগত মাণ্ডব্য ঋষিয়ে নামে নাশ কৰা মহাপতিকসমূহৰ লেখ দি অৱশেষত কৈছে- 'মঙ্গলৰো সুমঙ্গল ইটো হৰি নাম/ কীৰ্তনত সাধে ধৰ্ম অৰ্থ মোক্ষ কাম।।' *চতুৰ্ব্যূহ চিন্তামণি* শীষক গ্ৰন্থত ভগৱন্ত পুৰুষক সম্বোধি ৰুদ্ৰই কৈছে-

'তুমিসে হৰাস্থা সমস্তৰে পাপচয়।
এহিসে কাৰণে হৰি তোমাক বোলয়।।৪৯১

*গৌতমী তন্ত্ৰত* শিৱ নৃপতিৰ আগত দেৱৰ্ষি নাৰদে কৈছে- 'যেন মহা অগনিক তৃণে নোজোৰয়/ হৰি নাম বহ্নিৰ মহিমা সেহি নয়।' (৫১২) *আশ্বলায়ন তন্ত্ৰ, বৈৰিঞ্চি তন্ত্ৰ, নাৰায়ণ তন্ত্ৰ*প্ৰভৃতিত নাম কীৰ্ত্তনৰ শ্ৰেষ্ঠতা প্ৰতিপাদিত হৈছে। মূল *নাম-মালিকাৰ* সমুচ্চিত শ্লোকৰ পদবন্ধ শেষ হোৱাৰ পিছত ভক্ত কৰি মাধৱদেৱে 'গোৱিন্দ নামৰ অপৰাধৰ নিৰ্ণয়' সূচক কিছু শ্লোকৰ ভাঙনি সংযোজিত কৰাটো উল্লেখযোগ্য। এনে সংযোজিত পাঠৰ ভিতৰত পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ ভাঙনি চকুত লগা।

*নাম-মালিকাত* ভালেসংখ্যক সংস্কৃত পুথিৰ পৰা নামৰ মাহাত্ম্যসূচক শ্লোক চয়ন কৰা হৈছে যদিও সেইখনিত ভাগৱত পুৰাণৰ সৰহসংখ্যক শ্লোক চয়নিত কৰা হোৱা নাই। সেইবাবেই হয়তো ড°মহেশ্বৰ নেওগে মন্তব্য দিছে-- 'মাধৱদেৱে পুথিখনি ভাল নোপোৱাৰ ইও এটি কাৰণ হ'ব পাৰে। বৈষ্ণৱ সমাজত ইয়াৰ আদৰো সেইদৰে কম।'■

ভূমিকা ঃ শ্ৰীমাধৱদেৱ বাক্যামৃত

লেখক- প্ৰাক্তন অধ্যক্ষ, দক্ষিণ কামৰূপ কলেজ,
মিৰ্জা, গুৱাহাটী

# ভক্তি-প্ৰদীপ ঃ এক অধ্যয়ন

শ্ৰীঅঞ্জলি দাস

মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত 'ভক্তি-প্ৰদীপ' ভক্তিতত্ত্ব প্ৰকাশক এখনি অনন্যগ্ৰন্থ। আপেক্ষিকভাৱে ই কলেৱৰত সৰু, ৩০৮ টা পদতে সমাপ্ত। ভক্তি-প্ৰদীপ নামটোৰ জৰিয়তে পুথিখনৰ বিষয়বস্তুৰ আভাস পোৱা যায়। 'ভক্তি-প্ৰদীপ' শব্দৰ অৰ্থ হ'ল 'চাকি' বা 'দীপ'। অৰ্থাৎ 'প্ৰদীপ' আলোকৰ প্ৰতীক। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে যি গ্ৰন্থই ভক্তিতত্ত্বৰ আলোক বা জ্যোতি বিতৰণ কৰিব পাৰে সিয়েই ভক্তি-প্ৰদীপ। ভক্তি-প্ৰদীপৰ বিষয়বস্তু সংস্কৃত গৰুড় পুৰাণৰ পৰা অনা বুলি কোৱা হৈছে। যেনে--

'শুনা সভাসদ পাপ কৰিয়া উচ্ছাদ।
গৰুড় পুৰাণ কৃষ্ণ-অৰ্জুন সংবাদ।।
ভকতি প্ৰদীপ নাম মহন্তৰ গতি।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।।'

-- ভক্তি-প্ৰদীপ-৩

মহাপুৰুষ শঙ্কৰদেৱ 'ভক্তি-প্ৰদীপ' গ্ৰন্থৰ ৰচক কোনো কোনো পণ্ডিত আৰু সমালোচকে পুথিখনি শঙ্কৰদেৱৰ ৰচিত নহয় বুলি ক'ব খোজে। কিন্তু পুৰণি গুৰুচৰিতসমূহত 'ভক্তি-প্ৰদীপ' শঙ্কৰদেৱৰ ৰচনা বুলি উল্লেখ আছে। ৰামনন্দ দ্বিজৰ পুত্ৰ ৰামগোপাল দ্বিজৰ গুৰুচৰিত আৰু বৰপেটাত পোৱা কথা গুৰুচৰিতত 'ভক্তি-প্ৰদীপ'ৰ নামৰ উল্লেখ পোৱা যায়। যেনে- 'তৈতে গৰুড় পুৰাণ চাই ভক্তি-প্ৰদীপ কৰিলে....।'[১]

আনকি যিবোৰ সত্ৰত চৰিত-তোলা কৃত্যৰ প্ৰসঙ্গৰ শঙ্কৰদেৱৰ চৰিত কথিত হয় সেইবোৰ সত্ৰত ভক্তি-প্ৰদীপ শঙ্কৰদেৱৰ নিৰ্মিত বুলি পৰম্পৰাগতভাৱে মত পোষণ কৰি অহা হৈছে।

ভক্তি-প্ৰদীপৰ বিষয়বস্তু শঙ্কৰদেৱ 'গৰুড় পুৰাণৰ এনে এখন প্ৰতিলিপিৰ পৰা লৈছিল যিখন উদ্ধাৰ কৰিব নোৱাৰাকৈ চিৰদিনৰ বাবে হেৰাই গৈছে।

ভক্তি-প্ৰদীপ শঙ্কৰদেৱৰ আদি বয়সৰ ৰচনা। কথাগুৰুচৰিতৰ মত শঙ্কৰদেৱ বৰদোৱাত থাকোতেই এই পুথিখন ৰচনা কৰা হৈছিল। গতিকে আদি বয়সৰ ৰচনা বিষয়বস্তু উপস্থাপন ৰীতি, ভক্তিতত্ত্বৰ বিশ্লেষণ প্ৰণালী আৰু কথাবস্তুৰ তাত্ত্বিক বিশ্লেষণ আদিত ত্ৰুটি ৰৈ যোৱাত আচৰিত হ'বলগীয়া একো নাই। আনহাতে, ভক্তি-প্ৰদীপৰ কোনখিনি কথাবস্তুৰ নিজৰ সেই বিষয়ে জানিবলৈ বৰ্তমান কোনো উপায় নাই। ভাষা বা বিষয়বস্তুৰ পুনৰুক্তি কেৱল যে ভক্তি-প্ৰদীপতহে দেখা যায় তেনে নহয়, তেওঁৰ আন ৰচনাতো দেখা যায়। সেই কাৰণে ভক্তি-প্ৰদীপ শঙ্কৰদেৱৰ ৰচনা।

আকৌ ভক্তি-প্ৰদীপৰ কোনো কোনো খণ্ডৰ সৈতে বৰ্তমান প্ৰকাশিত গৰুড় পুৰাণৰ অন্তৰ্গত আচাৰ খণ্ডৰ শ্লোক কিছুমানৰ বিষয়বস্তুৰ মিল দেখা যায়।

গৰুড় পুৰাণৰ মতে নৈমিষাৰণ্যত ঋষিসকলক সমবেত হৈ সূতমুনিক প্ৰশ্ন সুধিছেঃ দেৱতাসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ দেৱতা কোন? তেতিয়া প্ৰত্যুত্তৰস্বৰূপে সূতমুনিয়ে কৈছে ঃ একমাত্ৰ নাৰায়ণেই সৰ্বশ্ৰেষ্ঠ দেৱতা।[২] ইয়াৰ পিছত ভক্তিতত্ত্ব আৰু ৰাম বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে। গৰুড় পুৰাণৰ ২৩১ অধ্যায়ৰ পৰা ২৪২ অধ্যায়লৈকে ১২টা অধ্যায়ত ভক্তিৰ বিষয়ে আলোচনা কৰা হৈছে। পুৰাণখনৰ দ্বিতীয় খণ্ডত, অৰ্থাৎ ব্ৰহ্মখণ্ডৰ অন্যতম আলোচ্য বিষয় হৈছে কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন আৰু ভক্তিৰ মাহাত্ম্য প্ৰতিস্থাপন। গৰুড় পুৰাণৰ বিষয়বস্তুৰ সৈতে ভক্তি-প্ৰদীপৰ কথাবস্তুৰ সাধাৰণ মিল থাকিলেও প্ৰশ্নকৰ্তা আৰু উত্তৰ ব্যাখ্যাকাৰীৰ মাজত মিল নাই। যিহেতু, গৰুড় পুৰাণৰ প্ৰশ্নকৰ্তা হ'ল ঋষিসকল আৰু উত্তৰ ব্যাখ্যাকাৰী হৈছে সূতমুনি। ইয়াৰ বিপৰীতে ভক্তি-প্ৰদীপৰ প্ৰশ্নকৰ্তা অৰ্জুন আৰু উত্তৰ প্ৰদাতা বা ব্যাখ্যাকাৰী

হৈছে কৃষ্ণ। ভক্তি-প্ৰদীপত গুৰুজনাই নিজেই উল্লেখ কৰিছে যে গ্ৰন্থখনৰ বিষয়বস্তু গৰুড় পুৰাণ আশ্ৰয়ী আৰু বিষয়বস্তু উপস্থাপন হৈছে কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাজেৰে।

মহাপুৰুষ শঙ্কৰদেৱে শ্ৰীমদ্ভগৱদ্‌গীতা শাস্ত্ৰৰ আদৰ্শত ভক্তি-প্ৰদীপৰ কথাবস্তু অৰ্জুন আৰু কৃষ্ণৰ কথোপকথনেৰে আৰম্ভ কৰিছে।

ময়দানৱে নিৰ্মাণ কৰা মহাদিব্য সভাত পাণ্ডৱসকলৰ ৰাজসূয় যজ্ঞত অনেক দেৱৰ্ষি আৰু ৰাজৰ্ষি সমবেত হ'ল। তেওঁলোকৰ মাজত সংসাৰ সাগৰৰ পৰা কিদৰে মোক্ষ লাভ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰা হৈছিল। (পদ-৯-১০)

সেই ঋষিসকলৰ মাজত কোনো কোনোৱে ক'লে যে যজ্ঞ, দান, ব্ৰত আদিৰ মাধ্যমেৰেহে মোক্ষ লাভ কৰিব পাৰি।

'যজ্ঞদান ব্ৰতে মোক্ষ কাহাৰো যুগুতি।[৩]
কেহো বোলে মহা যোগ জ্ঞানেসে মুকুতি।।
কেহো বোলে সাধে গতি এহি ৰাজসূয়।'

তেতিয়া অঙ্গিৰা আৰু দেৱৰ্ষি নাৰদে ক'লে যে- জ্ঞান-কৰ্মযোগ অতিকে কষ্টদায়ক। ৰাজসূয় যজ্ঞ কৰি ব্ৰহ্মলোকলৈ যাব পাৰি; কিন্তু পুণ্যক্ষয়ৰ লগে লগে পুনৰ সংসাৰ চক্ৰত ভ্ৰমিব লগা হয়। গতিকে মায়াময় দেৱধৰ্ম সকলো বিনাশী, তাত স্থায়ী সুখ পোৱা নাযায়।

'মায়াময় দেৱধৰ্ম সমস্তে বিনাশী।[৪]
আত সুখ আছে বুলি শুনি উঠে হাসি।।'১৩

ঋষি অঙ্গিৰা আৰু নাৰদৰ কথা শুনি অৰ্জুনৰ মনত সন্দেহ হ'ল আৰু কৃষ্ণক সেই সন্দেহ দূৰ কৰিবলৈ অনুৰোধ কৰিলে। তেতিয়া ভগৱান কৃষ্ণই ক'লে যে ৰাজসূয় যজ্ঞ, তুলাদান, যাগ-যোগ-যজ্ঞ-দান আদিৰে জীৱই অক্ষয়কালৰ বাবে মোক্ষ লাভ কৰিব নোৱাৰে। ৰাজসূয় যজ্ঞ কৰি তাৰ ফলত মানুহে ব্ৰহ্মাৰ ভুৱন লাভ কৰিব পাৰে। তুলাদানৰ ফলত তপলোক লাভ কৰে আৰু আন আন যাগ-যজ্ঞ কৰি মানুহে স্বৰ্গলাভ কৰে। কিন্তু ভক্তিহীন জ্ঞানযোগৰ বলত মানুহে স্বৰ্গকেই লাভ কৰিবলৈ অক্ষম। এইকথা গুৰুজনাই কেইটামান উদাহৰণ দ্বাৰা ব্যাখ্যা কৰিছে- - কাঠ-পতানৰ বাহানি যেনেকৈ নিৰৰ্থক, বৰষুণৰ পানীত মাছ পাবলৈ আশা কৰাটো যেনেকৈ অৰ্থহীন; তদ্ৰূপ ভক্তিহীন জ্ঞানযোগ নিষ্ফল। (পদ-১৮-১৯)

ভগৱান কৃষ্ণৰ কথা শুনি মোক্ষ লাভ কেনেকৈ কৰিব পাৰি অৰ্জুনে সুধিলে। প্ৰত্যুত্তৰত কৃষ্ণই ক'লে যে কৃষ্ণভক্তিৰ জৰিয়তেহে কৰ্মবাসনা ছেদ কৰিব পাৰি। হৰিৰ ভকতিত কোনো দুখ কষ্ট নাই, সেই ভক্তিহে মোক্ষৰ সাধক।

ভক্তি-প্ৰদীপৰ ২৪নং পদত অৰ্জুনে প্ৰশ্ন উত্থাপন কৰিছে যে ভক্তি কাক বোলে? ভক্তিৰ লক্ষণ কি? অৰ্জুনৰ একান্ত অনুৰোধ ৰক্ষা কৰি কৃষ্ণই ক'লে যে শ্ৰৱণ-কীৰ্তনৰ অবিহনে আন শ্ৰেষ্ঠ ধৰ্ম নাই।(পদ-২৭)

কৃষ্ণৰ গুণ-নাম শ্ৰৱণ কীৰ্তনেই উত্তমা ভক্তি। ভগৱান কৃষ্ণই হৈছে জগতৰ শ্ৰেষ্ঠ দেৱ তেওঁতকৈ আন শ্ৰেষ্ঠ দেৱতা নাই। আন দেৱতাক এৰি কৃষ্ণত শৰণ লোৱাটোৱেই একশৰণ। কেৱল কৃষ্ণক কৰা ভক্তিৰ নামেই অব্যভিচাৰিণী ভক্তি। এনে ভক্তিসম্পন্ন লোকেই কৰ্মবন্ধনৰ পৰা সহজে মুক্তিলাভ কৰিব পাৰে। (পদ-৩০)

মহাপুৰুষ শঙ্কৰদেৱে ভক্তি-প্ৰদীপত কৃষ্ণভক্তি প্ৰতিপন্ন কৰিবলৈ গৈ সুশীল ব্ৰাহ্মণ আৰু চণ্ডালিনীৰ কাহিনীভাগৰ অৱতাৰণা কৰিছে। কৃষ্ণভক্তা চণ্ডালিনীৰ কৃষ্ণ-গুণ-মাহাত্ম্য শ্ৰৱণ কীৰ্তন কৰাৰ বাহিৰে আন কোনো বিষয়ত ৰতি নাছিল। আনহাতে সুশীল ব্ৰাহ্মণে ইন্দ্ৰক পূজা কৰি পাপ আৰ্জিলে। কাৰণ, যিজন ইন্দ্ৰই নিজেই নিজক ৰক্ষা কৰিব নোৱাৰে, বৰং বিষ্ণুৱেহে বহুতো বিপদৰ পৰা ৰক্ষা কৰিছে। এনেজন ইন্দ্ৰ দেৱতাক পূজা কৰা বাবেই সুশীল ব্ৰাহ্মণৰ সান্নিধ্যবশতঃ চণ্ডালিনীৰো পাপ হ'ল। পাপ স্খলনৰ বাবে চণ্ডালিনীয়ে বিষ্ণুৰ পাদোদক জগৎ পৱিত্ৰকাৰিণী গঙ্গাৰ জলত স্নান কৰি বিষ্ণুক স্মৰণ কৰিবলৈ ধৰিলে। তথাপি চণ্ডালিনীয়ে শান্তি লাভ কৰিবলৈ অক্ষম হৈ অৱশেষত কৃষ্ণ নাম-মন্ত্ৰ জপ কৰিবলৈ আৰম্ভ কৰিলে আৰু যেতিয়া কৃষ্ণ-প্ৰেম-ভক্তি-ৰস প্ৰবাহত দেহ-মন নিমজ্জিত হ'ল তেওঁৰ নয়ন যুগলৰ পৰা আনন্দাশ্ৰু ব'বলৈ ধৰিলে, তেনে সময়তে চণ্ডালিনীৰ সন্মুখত উপস্থিত হ'লহি দেৱৰ্ষি নাৰদ।

চণ্ডালিনীৰ কৃষ্ণভক্তিৰ গভীৰতা দেখি দেৱৰ্ষি নাৰদে প্ৰশংসা কৰিবলৈ ধৰিলে যে চণ্ডালিনীৰ সমান পৰম ভক্ত দেৱৰ্ষিয়ে জগতত দেখা নাই। চণ্ডালিনী জন্মত অন্ত্যজ হ'বপাৰে; কিন্তু গুণত সৰ্বশ্ৰেষ্ঠা মহাজ্ঞানী। তীৰ্থই পাপীক পৱিত্ৰ কৰে, কিন্তু চণ্ডালিনীয়ে তীৰ্থকো পৱিত্ৰ কৰে।

উপনিষদৰ মন্ত্ৰই কৃষ্ণভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। আনকি বেদমন্ত্ৰটো উল্লেখ আছে যে- 'যিজন ভক্তই একমাত্ৰ পৰমপুৰুষ কৃষ্ণৰ ভক্তিৰসৰ প্ৰবাহত আত্মনিমজ্জন কৰে তেওঁহে প্ৰকৃত ভক্ত।'

ভক্তি-প্ৰদীপৰ পঞ্চম অধ্যায়ত অৰ্জুনৰ অনুৰোধক্ৰমে ভগৱান কৃষ্ণই ভাগৱত ধৰ্মৰ বিষয়ে কৈছে। শৌচাদিসম্পন্ন কৰি সদায় মনক সংযম কৰি সমবুদ্ধিৰে দান দক্ষিণা কৰিব লাগে। আনৰ ধৰ্মক কেতিয়াও হিংসা কৰিব নালাগে। সৰ্বজীৱত সমভাৱাপন্ন হৈ ঈশ্বৰক ধ্যান কৰা বিধেয়। যোগজ্ঞানত সিদ্ধ হ'ব নোৱাৰিলে কৃষ্ণত মন সমৰ্পণ কৰি ৰাজসূয় যজ্ঞ কৰা উচিত। ৰাজসূয় যজ্ঞ কৰিব নোৱাৰিলে অশ্বমেধ যজ্ঞ কৰা উচিত। অশ্বমেধ যজ্ঞ কৰিব নোৱাৰিলে অন্তৰ্যামী কৃষ্ণক উপাসনা কৰা উচিত। এনেদৰে কৰিলে ভক্তই অতি সোনকালে সংসাৰ চক্ৰৰ পৰা উদ্ধাৰ হ'ব পাৰি।

ভক্তি-প্ৰদীপত কোৱা হৈছে যে প্ৰকৃত ভক্ত হ'বলৈ হ'লে বিশুদ্ধ অন্তৰৰ অধিকাৰী হ'ব লাগিব। সৰ্বমানৱ আৰু সৰ্বদেৱতাৰ মাজত কৃষ্ণই একমাত্ৰ চিদানন্দময়। কৃষ্ণৰ আদেশ অনুসৰি অৰ্জুনে কৃষ্ণনাম এশবাৰ জপ কৰিলে। মাধৱে বুজিব পাৰিলে যে অৰ্জুনৰ মনৰ পৰা সৰ্বপ্ৰকাৰৰ পাপ বিদূৰিত হ'ল। সৰ্বজগত কৃষ্ণতেই বিদ্যমান আৰু তেওঁৰেই জগতক প্ৰকাশ কৰি আছে। গতিকে, প্ৰকৃত ভক্তই আন দেৱতাক ত্যাগ কৰি কৃষ্ণৰ চৰণতহে ভক্তিযুক্তভাৱে আশ্ৰয় লোৱা উচিত।

নাম-ধৰ্মই হৈছে প্ৰকৃত ধৰ্ম। কৃষ্ণৰ গুণ-নাম ভিন্ন আন শ্ৰেষ্ঠধৰ্ম জগতত নাই। সেইবাবে কৃষ্ণৰ গুণ-নাম, কীৰ্ত্তন শ্ৰৱণ স্মৰণ কৰাই মহাধন। নামৰ মহিমা বৰ্ণনা কৰি কৈছে-- কেৱল কৃষ্ণনামেহে মানৱক জগতৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কৃষ্ণ নামৰ মহিমা অচিন্ত্য আৰু অসীম। শ্ৰদ্ধাসহকাৰে কৃষ্ণনাম ল'লে মহাসিদ্ধি হয়।

ভক্তি-প্ৰদীপৰ ষষ্ঠ অধ্যায়ত অৰ্জুনৰ প্ৰাৰ্থনা অনুসৰি কৃষ্ণৰ দ্বাৰা নাম-মহিমা বৰ্ণনা কৰা হৈছে। ভগৱানে তেওঁৰ নামবোৰ অৰ্জুনৰ আগত কৈছে-- শ্ৰীকৃষ্ণ, শঙ্কৰ, সদাশিৱ, সনাতন, পীতাম্বৰ, হৰি, বিষ্ণু, জনাৰ্দ্দন, গোবৰ্দ্ধনধাৰী, মধুসূদন, পদ্মনাভ ইত্যাদি এনে অসংখ্য নামৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি। এটি এটি নামৰ মহিমাৰেই জীৱই জগতৰ পৰা উদ্ধাৰ লাভ কৰিব পাৰে।

ভক্তি-প্ৰদীপত কোৱা হৈছে যে ভগৱানৰ নামৰ মহিমা অপাৰ। ভগৱানৰ নাম শ্ৰৱণ-কীৰ্তন কৰিলে কোটি কোটি লক্ষ পাপো নাইকিয়া হয়। এই অসংখ্য নামৰ দুটি অক্ষৰেই যথেষ্ট।

'মোহোৰ দুগুটি নাম এক হৰি এক ৰাম[৫]
স্মৰে আক মহাপাপী হুই।
যাঠি লক্ষ কোটি জন্মে যত পাপ কৰি আছে
সৱাৰো মুণ্ডত লাগে জুই।।'

নামৰ মহিমা বৰ্ণনা প্ৰসঙ্গত গুৰুজনাই কৈছে যে নামে সকলো সিদ্ধি কৰিব পাৰে। নাম আৰু কৰ্মৰ পাৰ্থক্য দেখুৱাই কৈছে যে যিদৰে ৰজাই কৰা কাম কৰিবলৈ ভৃত্যৰ শকতি নাই, মদমত্ত সিংহৰ দৰে বিক্ৰম ক্ষুদ্ৰ মৃগই দেখুৱাব নোৱাৰে সেইদৰে নাম আৰু কৰ্মৰ মাজতো তেনে পাৰ্থক্য আছে। বজ্ৰই যিদৰে পৰ্বতক চুৰ্ণীকৃত কৰে, মৃগৰ ওপৰত সিংহৰ যিদৰে বিক্ৰম তেনেদৰে কৃষ্ণ নামো পাতকীৰ বাবে কালান্তক যম। ঈশ্বৰ কৃষ্ণই হৈছে জগতৰ স্বামী। চৰাচৰ জগতৰ নিয়ন্তা অন্তৰ্যামী।

'মইসে ঈশ্বৰ কৃষ্ণ জগতৰ স্বামী।
চৰাচৰ জীৱৰ নিয়ন্তা অন্তৰ্যামী।।'[৬]

মহাপুৰুষ শঙ্কৰদেৱে বাৰটা পদত অতিশয় সুন্দৰভাৱে ভগৱানৰ ৰূপৰ বৰ্ণনা কৰিছে। ভগৱানৰ দেহৰ প্ৰতিটো অঙ্গৰ বৰ্ণনাত মহাপুৰুষ জনাৰ সূক্ষ্ম পৰ্যবেক্ষণ শক্তি মন কৰিবলগীয়া। (পদ-২৫৩-২৬৪)। তেওঁৰেই ব্ৰহ্মাদিৰো দেৱ; তেওঁৰেই জগতৰ ঈশ্বৰ জনাৰ্দ্দন।

ভক্তি-প্ৰদীপৰ অষ্টম অধ্যায়ত অৰ্জুনে ভগৱান কৃষ্ণক তেওঁৰ স্থানৰ মহিমা বৰ্ণনা কৰিবলৈ কোৱাত পৰম ভক্ত অৰ্জুনৰ অনুৰোধ ৰক্ষা কৰি কৃষ্ণই বৈকুণ্ঠৰ বৰ্ণনা এনেদৰে দিছে-- বৈকুণ্ঠৰ মহিমা অনন্ত। তাত দুখ-ক্লেশ, অশান্তি নাই। তাত সদায় সুখ-শান্তি বিৰাজমান। তাত ইন্দ্ৰিয় সুখ পোৱা নাযায়, কিন্তু তাত আত্মাৰ আনন্দ আছে। বৈকুণ্ঠত কৃষ্ণনামৰ ধ্বনিৰে ছানি থাকে। ভক্তিৰ বলতহে তাত স্থান লাভ কৰিব পাৰি। আনকি বায়ু, সূৰ্য, শশী, কুবেৰ, বৰুণ, ব্ৰহ্মা, হৰ তেওঁলোকেও বৈকুণ্ঠত স্থান নাপায়। তাৰোপৰি মহাবেদান্তিক যোগীসকল, ভৃগু, বিশ্বামিত্ৰ, অত্ৰি পুলস্ত্য, অঙ্গিৰা আদি ঋষিসকলেও সেই স্থানত উপনীত হ'ব নোৱাৰে। (পদ-২৯৮-২৯৯)

আনহাতে যিসকল ভগৱানৰ দাস, ভগৱানৰ নাম স্মৰণ

কৰি থাকে তেওঁলোকেহে ভগৱানক লাভ কৰিবলৈ সক্ষম হয়। যাগ-যজ্ঞ, জ্ঞান, দান আদিৰে বৈকুণ্ঠ লাভ কৰিব নোৱাৰি।

ভগৱানৰ মুখেৰে এনে বাক্য শুনাৰ পিচত তৃতীয় পাণ্ডৱ অৰ্জুনৰ মন ভক্তি-ৰস প্ৰবাহত নিমজ্জিত হ'ল আৰু জগতৰ স্বামী কৃষ্ণৰ স্বৰূপ বুজিব পৰা নাই বুলি নিজকে ধিক্কাৰ দিছে। কৃষ্ণৰ চৰণত ধৰি স্থিৰ নেত্ৰেৰে কৃষ্ণই চাই থাকোতে অৰ্জুনৰ চকুলো বাগৰি যায়। ইমান দিনে সখি বুলি সম্বোধন কৰাজনেই অন্তৰ্যামী ভগৱান বুলি তেতিয়াহে জানিব পাৰিলে। (পদ-৩০২-৩০৩)। প্ৰেম ভকতিৰ দ্বাৰাই অৰ্জুনে কৃষ্ণক বশ কৰিলে। তাৰ পিছত ভগৱানে নিজৰ ঐশ্বৰিক ৰূপ দেখুৱাৰ পিছত পুনৰ নৰৰূপ ধাৰণ কৰে। লগতে 'সখি সখি' বুলি সম্বোধন কৰি অৰ্জুনক আকোঁৱালি ধৰে। এনেদৰে শুকে ভক্তি-প্ৰদীপত সৰ্বশাস্ত্ৰৰ সাৰতত্ব স্বৰূপ ভগৱানৰ ঐশ্বৰিক ৰূপ প্ৰকাশ কৰিলে।

**উপসংহাৰ ঃ**

বেদৰ শিৰোৰত্ন গৰুড় পুৰাণ, য'ত ব্যাসদেৱে কৃষ্ণনামৰ মহত্ব প্ৰকাশিত কৰিছে, সেই পুৰাণৰ আধাৰতে গুৰুজনাই নিজস্ব মৌলিকতাৰে কৃষ্ণ ভক্তিতত্ত্ব ভক্তি-প্ৰদীপত প্ৰকাশ কৰিছে।

কৃষ্ণভক্তিৰ মাধ্যমেৰে মহাপুৰুষজনাই সমাজত গণতান্ত্ৰিক মূল্যবোধ, সমাজবাদী চিন্তাধাৰাৰ সূচনা কৰিছিল। ভক্তি আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল লোকজীৱনৰ সমুন্নতি। মহাপুৰুষজনাৰ ধৰ্মৰ পটভূমি আছিল লোকায়ত সমাজ। গুৰুজনাৰেই অনুপম সৃষ্টি ভক্তিৰস যি অমিয়া ৰসেৰে অসমীয়া জন জীৱনৰ ধাৰা আজিও প্ৰবহনশীল। মুঠতে ক'ব পাৰি যে শঙ্কৰদেৱৰ নামঘৰটো বা থানখন আছিল সকলো সম্প্ৰদায়ৰ মিলনভূমি আৰু একশৰণ নামধৰ্ম হৈছে সামাজিক বিৱৰ্তনৰ অগ্ৰদূত। ধৰ্ম সংস্কাৰক আৰু সমাজ সংস্কাৰক শ্ৰীমন্ত শঙ্কৰদেৱ আছিল অসমৰ নৱজাগৰণৰ নেতা। তেওঁ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ।

অৱশেষত এইজনা যুগনায়কৰ মহান অৱদানৰ প্ৰতি আমাৰ সশ্ৰদ্ধ প্ৰণাম।■

**পাদটীকা ঃ**

১. উপেন্দ্ৰচন্দ্ৰ লেখাৰু ঃ কথাগুৰু চৰিত, পৃঃ ৩৫।
২. একো নাৰায়ণো দেৱো দেৱানাং ঈশ্বৰেশ্বৰঃ।' Quoted from M. Neog's op-cit, page-166.
৩. ভক্তি প্ৰদীপ- পদ-১১
৪. ভক্তি প্ৰদীপ- পদ-১৩
৫. ভক্তি প্ৰদীপ- পদ-২১২
৬. ভক্তি প্ৰদীপ- পদ-২৪৮

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বাক্যামৃত ঃ শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ।
২. ভক্তি প্ৰদীপ ঃ ড° নবীন চন্দ্ৰ শৰ্মা (সঙ্কলিত আৰু সম্পাদিত)
৩. সম্পূৰ্ণ অসমীয়া শ্ৰীমদ্ভাগৱত ঃ ড° নবীন চন্দ্ৰ শৰ্মা
৪. বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন ঃ ড° ইন্দিৰা শইকীয়া বৰা
৫. শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ একসপ্ততিতম অধিৱেশনৰ স্মৃতিগ্ৰন্থ- 'কৃষ্ণ-সূৰ্য'।

লেখিকা- শিক্ষয়িত্ৰী
অসম জাতীয় বিদ্যালয়, গুৱাহাটী

# বৃহত্তৰ অসমীয়া জাতি গঠনত শঙ্কৰী সাহিত্য-সংস্কৃতিৰ প্ৰাসঙ্গিকতা

ড° লক্ষহীৰা গগৈ চুতীয়া

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰেণী বৈষম্যহীন এখন নিকা সমাজ গঢ়াৰ লগতে এটা বৃহত্তৰ অসমীয়া জাতি গঢ়াৰো সপোন দেখিছিল। তাৰাৰ প্ৰচাৰিত একশৰণ হৰি-নামধৰ্মৰ মূল উদ্দেশ্যও আছিল এয়াই। সৰ্বগুণাকৰ যুগনায়ক গৰাকীয়ে য'তেই হাত দিছিল তাতেই যেন অক্ষয় ফলেৰে ভৰি পৰিছিল। তাৰা আছিল একেধাৰে শিল্পী, সাহিত্যিক, সঙ্গীতজ্ঞ তথা সমাজ-সংস্কাৰক। ধৰ্মীয় অন্ধবিশ্বাস আৰু কুসংস্কাৰেৰে আৱৰি ৰখা সমাজ এখনক নিকা ৰূপ দিয়াটো তেনেই সহজ কাম নহয়। এই সংস্কাৰ কৰ্ম কৰিবলৈ যাওঁতে তাৰাই অনেক যাতনা ভুঞ্জিব লগা হৈছিল, তাৰ সাক্ষী চৰিতপুথি আৰু মধ্যযুগীয়া অসম বুৰঞ্জীসমূহ। সমাজক সংস্কাৰমুখী কৰি তুলিব পৰাকৈ সাহিত্য ৰচনাৰ লগতে গীত, বাদ্য আৰু সঙ্গীতৰো উৎকৰ্ষ সাধন কৰিছিল। বাৰ-বছৰীয়া কিশোৰ 'শঙ্কৰে' টোলত নামভৰ্ত্তি কৰিয়েই অতুলনীয় প্ৰতিভাৰে শিক্ষক মহেন্দ্ৰ কন্দলীৰ মনত যি প্ৰভাৱ পেলাইছিল তাৰ ফলশ্ৰুতিতেই জন্ম হৈছিল শ্ৰীমন্ত 'শঙ্কৰদেৱ'ৰ। আজি বৃহত্তৰ অসমীয়া জাতিয়ে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা তাৰাৰ সৃষ্টি সাহিত্য সংস্কৃতিয়েই হ'ল শঙ্কৰী সাহিত্য আৰু সংস্কৃতি।

গুৰুজনাৰ সাহিত্যৰাজিৰ মূল উদ্দেশ্য আছিল একশৰণ হৰি-নাম ধৰ্মৰ ভক্তিতত্ত্বসমূহ জনসমাজত উপস্থাপন কৰা। আখ্যান-উপাখ্যান, গীত-নাট আদিৰ মাধ্যমেৰে জনমানসত প্ৰভাৱ পেলাৱ পৰাকৈ ভক্তিতত্ত্বসমূহ ব্যাখ্যা কৰা হৈছে। শ্ৰীমদ্ভাগৱতকে মুখ্য কৰি বৈষ্ণৱ পুৰাণসমূহৰ পৰা বচা বচা কাহিনী সংগ্ৰহ কৰি শ্ৰৱণ-কীৰ্ত্তন আৰু প্ৰাধান্য দি তাৰ দ্বাৰা জনসাধাৰণৰ মন একশৰণমুখী কৰাই হ'ল তাৰাৰ ৰচনাসমূহৰ অন্তৰ্নিহিত অভিপ্ৰায়। লোকৰঞ্জনৰ বাবে নৱৰসৰ প্ৰাচুৰ্য থাকিলে ভক্তিৰসৰ প্ৰাধান্য মহাপুৰুষজনাৰ ৰচনাত লক্ষ্যণীয় বিষয়।

ভাৰতীয় চাতুৰ্বৰ্ণ্য সমাজৰ আদি স্তৰত গুণ আৰু কৰ্মহে সামাজিক মৰ্যাদাৰ মাপকাঠি আছিল যদিও কালক্ৰমত জন্মস্বত্বইহে তাৰ স্থান অধিকাৰ কৰিলে। চাণ্ডালৰ সমাজৰ সবাতোকৈ নিম্নৰ্গত অন্তৰ্ভুক্ত কৰা হ'ল। হাজাৰ সজগুণ আৰু শিক্ষা-দীক্ষায়ো তেওঁলোকক ব্ৰাহ্মণৰ সম শাৰীত ৰখাৰ ধৰ্মীয় ব্যৱস্থা নোহোৱা হ'ল। এনে সামাজিক বৈষম্য অসমীয়া সমাজতো বিদ্যমান থকা হেতু তাৰ দূৰীকৰণৰ বাবে মহাপুৰুষজনাই অহোপুৰুষাৰ্থ কৰিছিল। একশৰণ হৰি-নাম ধৰ্মৰ মাধ্যমেৰে কৃষ্ণভক্তি দৃঢ় কৰি সমাজত সম মৰ্যাদাৰ সেতু নিৰ্মাণ কৰিলে। তাৰাৰ ভক্তি-প্ৰদীপ গ্ৰন্থখনি ইয়াৰ কাব্যখনিৰ আৰম্ভণীতে একশৰণ হৰি-নামৰ্ধৰ অভিপ্ৰায় স্পষ্ট হৈছে--

'জয় জয় কৃষ্ণ কৃপাময় হৰি।
অপাৰ সংসাৰ পাৰ পাৱে যাক স্মৰি।।
হোৱে শুদ্ধ উচ্চাৰি চাণ্ডাল যাৰ নাম।
হেনয় কৃষ্ণক কৰোঁ সহস্ৰ প্ৰণাম।।'

কৃষ্ণৰ নাম ল'লে চাণ্ডাল জনো উদ্ধাৰ হৈ অন্য দেৱী-দেৱী ভজনা কৰা ব্ৰাহ্মণজনতকৈ শ্ৰেষ্ঠ হৈ জিলিকি উঠে।

ভকতিৰ মাহাত্ম্য আৰু শুদ্ধ ভকতৰ চৰিত্ৰ-সমাজত দাঙি ধৰিবৰ বাবে গৰুড় পুৰাণৰ কৃষ্ণ-অৰ্জুন সংবাদ কাহিনী বৰ্ণনা কৰা হৈছে। কাহিনীত এগৰাকী চাণ্ডালিনী ভকত আৰু এজন অভকত ব্ৰাহ্মণৰ কথা কোৱা হৈছে। অভকত ব্ৰাহ্মণজনে ইন্দ্ৰকেই শ্ৰেষ্ঠ দেৱতা মানি গঙ্গাৰ পাৰত মূৰ্তি স্থাপন কৰিপূজা কৰা দেখি চাণ্ডালিনীয়ে কৰা প্ৰশ্নৰ

উত্তৰত ব্ৰাহ্মণে ক'লে যে ইন্দ্ৰই শ্ৰেষ্ঠ দেৱতা, সেয়ে তেওঁ তাৰেই পূজা কৰিছে। চাণ্ডালিনীয়ে অন্য দেৱৰ নাম শুনিয়েই গঙ্গাত স্নান কৰি 'কৃষ্ণ কৃষ্ণ' মহামন্ত্ৰ জপ কৰিবলৈ ল'লে।

'হে কৃষ্ণ কৃষ্ণ লৈলোঁ শৰণ তোমাত।
পাপীৰ আলাপে পাপ সিজিল আমাত।।
কৰা পৰিত্ৰাণ আৰে বাপ জগন্নাথ।
ভূমিত পৰিয়া প্ৰণামিলা নমাই মাথ।।'

এনে সময়তে মহৰ্ষি নাৰদ আহি চাণ্ডালিনীৰ ওচৰত আবিৰ্ভাৱ হ'লহি। চাণ্ডালিনীৰ কৃষ্ণ ভক্তি দেখা পাই ভক্তাৰ মাহাত্ম্য বখানি এইদৰে ক'বলৈ ধৰিলে--

'চাৰিও বেদৰ তত্ত্ব তই আছা জানি।
তই সি উত্তম জাতি তই মহা জ্ঞানী।।
তীৰ্থক পৰিত্ৰ কৰে ইটো কোন চিত্ৰ।
তোৰ দৰশনে হোৱে জগত পৰিত্ৰ।।'

আৰু 'মোহোৰ বন্দনী তই' বুলি নাৰদে চাণ্ডালিনীক সেৱা নিবেদন কৰিলে। কৃষ্ণৰ ভকতিয়ে চাণ্ডালিনীক 'উত্তম জাতি আৰু মহাজ্ঞানী' স্বীকৃতি প্ৰদান কৰিলে।

মহাপুৰুষজনাই উজনিৰ পৰা নামনিলৈ স্থানান্তৰিত হ'ব লগা হৈছিল ৰাজৰোষৰ পৰা পৰিত্ৰাণ পাবৰ বাবে। উজনিত আহোম শাসনৰ অধীনত থাকি ধৰ্মপ্ৰচাৰত অসুবিধা পাই কোচৰজা নৰনাৰায়ণৰ ৰাজ্যলৈ যায়গৈ। তাতে চিলাৰায়ৰ সহায়ত ৰাজ সন্মান সহ নৰনাৰায়ণৰ ৰাজসভাত বিৰাজ কৰিছিল। সেই সময়ত আহোম আৰু কোচ ৰজাই সাত ৰাজ্য মাৰি একৰাজ্য কৰাৰ যি প্ৰয়াস কৰিছিল অৰ্থাৎ বৰ অসম গঢ়াৰ যি পৰিকল্পনা কৰিছিল সেই একে পৰিকল্পনাকে গুৰুজনাই সাহিত্য আৰু সংস্কৃতিৰ মাধ্যমেৰে প্ৰকাশ কৰিছিল।

ভাগৱতৰ দ্বিতীয় স্কন্ধত পোন্ধৰ শতিকাৰ অসমৰ ৰাজনৈতিক তথা ভৌগোলিক পৰিৱেশৰ বিৱৰণ প্ৰকাশিত হৈছে। মহাপুৰুষে লিখিছে--

'কিৰাট কছাৰী খাচী গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ধোবা যে তুৰুক
কুৱাচ ম্লেচ্ছ চণ্ডাল।।৫৩
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৰিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।'৫৪

অস্পৃশ্যতাক সমাজৰ এটা ডাঙৰ কেৰোণ বুলি গণ্য কৰি মহাপুৰুষে এই কেৰোণৰূপী পোকৰ পৰা সমাজক ৰক্ষা কৰিবলৈ 'ঔষধ' হিচাপে 'হৰিৰ নাম-কীৰ্তন' আৰু 'অনুপান' হিচাপে 'সদাচাৰ' প্ৰয়োগ কৰে।সদাচাৰৰ দ্বাৰা বহিশুৰ্দ্ধি আৰ নাম-কীৰ্তনৰ দ্বাৰা অন্তৰ্শুদ্ধি। এই দুই মাত্ৰাৰে তাৰাই কিৰাট, কছাৰী, গাৰো, যৱন, ভোট, ম্লেচ্ছ আদি অন্ত্যজ আৰু অৱহেলিত লোকসকলক বৈষ্ণৱ সমাজৰ অন্তৰ্ভুক্ত কৰি শ্ৰেষ্ঠ ভকতৰ শাৰীত স্থান দিছিল। প্ৰমাণ হিচাপে গাৰোৰ গোবিন্দ আতৈ, মিৰি বা মিচিঙৰ বলাই আতৈ, কছাৰী ৰাম আতৈ, যৱনৰ জয়হৰি আদি। পদ্মপুৰাণতো উল্লেখ আছে যে হৰিভক্তি বিহীন হ'লে কুলশ্ৰেষ্ঠ হৈয়ো ম্লেচাদি হীন কুলজতকৈ নিকৃষ্ট আৰু অস্পৃশ্য।

'চাণ্ডালোৎপি মুনিশ্ৰেষ্ঠঃ হৰিভক্তিপৰায়ণঃ।
হৰিভক্তিৰিহীনশ্চ দ্বিজোৎপিশ্চ ম্লেচ্ছাধমঃ।।'

আনহাতে যিসকলে এবাৰ এক কৃষ্ণত শৰণ লৈ পুনৰ অনিত্য ধনাদি লুলুপ্সু হৈ আন দেৱতাক পূজা কৰিবলৈ লয় মহাপুৰুষে তেনেলোকক উপপতি গ্ৰহণ কৰা অসতী স্ত্ৰীৰ লগত তুলনা কৰিছে। উদাহৰণ স্বৰূপে ব্যাস কলাইৰ নাম উল্লেখ কৰিব পাৰি। এওঁ গুৰুজনাৰ প্ৰপন্ন শিষ্য হৈও শিৱপূজাত জড়িত থকাৰ বাবে আজীৱন গুৰুজনা তথা বৈষ্ণৱ সমাজৰ পৰা বহিস্কৃত হৈ থাকিব লগা হ'ল। মহাপুৰুষে অস্পৃশ্যসকলক নামধৰ্মত দীক্ষিত কৰি সংস্কাৰ কৰি বৈষ্ণৱত পৰিণত কৰিছিল। এইদৰে গুৰুজনাই অসমীয়াৰ গৌৰৱৰ দৌল নিৰ্মাণ কৰি থৈ গৈছে। কিন্তু অযোগ্য সন্তানে পৈত্ৰিক সম্পত্তি উচিত সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰিব নোৱাৰিলে সি সময়ত লোপ পাবই। পোন্ধৰ শতিকাতে শঙ্কৰদেৱে আৰম্ভ কৰা 'অস্পৃশ্যতা' বৰ্জন আন্দোলন অসমবাসীয়ে চলাই থাকি সমগ্ৰ ভাৰততে বিয়পাব লাগিছিল, কিন্তু সেইটো হৈ নুঠিল। অসমৰ সন্তানে ই শঙ্কৰদেৱক চিনি নোপোৱাৰ ভাও ধৰিলে। কুৰি শতিকাত মহামানৱ মহাত্মা গান্ধীয়ে 'হৰিজন আন্দোলন'ৰ বিস্তাৰৰ বাবে অসমত ভৰি দিয়েই উপলব্ধি কৰিছিল যে অশেষ সাধনাৰ বলতহে অসমীয়াই এইজনা মহাপুৰুষক নিজৰ বুলিবলৈ পাইছে। তেওঁ কৈছিল-- 'অসম

সঁচাকৈয়ে বৰ ভাগ্যবান। কাৰণ যি ধৰ্মক অৱলম্বন কৰি মই ৰামৰাজ্যৰ সপোন দেখিছোঁ। কল্পনা কৰিছোঁ তাতোকৈ সুন্দৰ আৰ্হি আজি বহুবছৰৰ আগেয়ে শ্ৰীশঙ্কৰদেৱে অসমক দি গৈছে। মই কেৱল তাক অনুশীলনহে কৰিছোঁ। মোৰ নতুনত্ব একো নাই'। এয়ে আছিল মহামানৱ মহাত্মা গান্ধীৰ অনুভৱ।

যি সময়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ হৈছিল সেই সময়ত অসমৰ ইমূৰৰ পৰ সিমূৰলৈ আহোম, কছাৰী, কোঁচ আদি বিভিন্ন ৰাজশক্তিৰ নিচান উৰিছিল। এওঁবিলাকৰ সুকীয়া কৃষ্টিয়েই আছিল নিজৰ সামাজিক জীৱনৰ বৈশিষ্ট্য। ৰাজশক্তিসমূহৰ পৰম্পৰাৰ মাজত সংঘৰ্ষ, বিদেশী আক্ৰমণৰ প্ৰভাৱত দেশৰ জাতীয় জীৱন অস্থিৰ। বিভিন্ন ৰাজনৈতিক শক্তিৰ জাতিগত কৃষ্টি, সভ্যতা, সাহিত্য আৰু ধৰ্ম মতৰ আদৰ্শেৰে সমাজ পৰিচালিত। ধৰ্মমতৰ শৃঙ্খলা নাই-- কোনো বৌদ্ধ ধৰ্মাৱলম্বী, কোনো শক্তিপূজক, কোনো আকৌ বৈষ্ণৱ মতবাদী। স্বেচ্ছাচাৰী ৰাজনৈতিক শাসনৰ কঠোৰতাত ব্যক্তি স্বাধীনতাৰ অভাৱ, সমাজ সংস্কাৰবিহীন। এনে এক পৰিস্থিতিতেই আবিৰ্ভাৱ হৈছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ। মহাপুৰুষে সংস্কাৰৰ মহামন্ত্ৰ লৈ দেশৰ ধৰ্ম আৰু সমাজৰ আৱৰ্জনা দূৰ কৰি দেশবাসীৰ প্ৰাণত অভূতপূৰ্ব জাতীয় চেতনা জগাই তুলি প্ৰগতিশীল জগতৰ ফালে আগবঢ়াই নিলে। আধ্যাত্মিক শক্তিযুক্ত মহাপুৰুষে ধৰ্মসংস্কাৰৰ যোগেদি শাস্ত্ৰসাগৰ মন্থন কৰি অমৃত উদ্ধাৰি অসমীয়া জনসমাজত নামৰ্ধমৰ ভেটি সুদৃঢ় কৰিলে। অজ্ঞান অন্ধকাৰত আচ্ছন্ন জনমানসত জ্ঞানৰূপী এগছি বন্তি জ্বলাই দিলে আৰু অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দেশবাসীৰ প্ৰাণত এক ধৰ্মীয় চেতনা জাগি উঠিল। অসমীয়া জাতি বিভিন্ন ধৰ্ম পৰম্পৰাৰ পৰা আঁতৰি আহি বহুতোলোক বৈষ্ণৱ ধৰ্মৰ মহামন্ত্ৰেৰে দীক্ষিত হৈ এক নৱজাগৰণৰ পাতনি মেলিলে। শঙ্কৰদেৱৰ ধৰ্মত ডাঙৰ-সৰু, উচ্চ-নীচৰ ভেদ নাই, সকলো এক পৰমেশ্বৰেই সন্তান- সকলোৰে মিলি একেলগে এক পৰমেশ্বৰৰ নাম ল'ব পাৰে। তাৰাই প্ৰতিক্ৰিয়াশীল শক্তিৰ শতসহস্ৰ বাধা বিঘিনি অতিক্ৰম কৰি এক মহান জাতি গঢ়াৰ সপোন দেখিছিল আৰু তাক বাস্তৱত ৰূপায়িত কৰিছিল।

সমাজ আৰু সংস্কৃতিৰ প্ৰকৃত আৰু প্ৰধান বাহক হৈছে সাহিত্য। সাহিত্যত সকলো ধৰণৰ জ্ঞানৰে সমাৱেশ ঘটে। প্ৰাচীন আলঙ্কাৰিক ভামহাচাৰ্যৰ মতে- 'সাহিত্যত যি আছে সি সকলোৰে আছে আৰু সাহিত্যত যি নাই সি ক'তো নাই।' সেয়ে মহাপুৰুষজনাই তাৰাৰ আন্দোলন চিৰস্থায়ী কৰিবৰ বাবে সাহিত্য কৰ্মত হাত দিছিল। অসাধাৰণ প্ৰতিভাৰে যিহতেই হাত দিছিল সিয়েই হৈ পৰিছিল মানিক। স্বপ্ৰচাৰিত একশৰণ 'হৰি নামধৰ্ম'ক সাকাৰ ৰূপ দিবৰ বাবে, নিত্য নৈমিত্তিক ধৰ্মীয় আচৰণৰ বাবে ৰচনা কৰিছিল কীৰ্ত্তন-ঘোষা পুথিখনি। সেইদৰে তাৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱক 'নামঘোষা' ৰচনা কৰিবৰ বাবে উদ্‌গনি দছিল। এই পুথি দুখনীয়ে ধৰ্মপ্ৰাণ অসমীয়াৰ প্ৰাণে প্ৰাণে অমৃত ধাৰা বোৱাই শান্তি দি আছে। বিশ্বৰ সকলো ধৰ্ম প্ৰচাৰকৰ জীৱন চৰিত চৰ্চা কৰিলে দেখা যাব যে কেৱল অসমীয়া জাতীয় জীৱনৰ জীৱন্ত প্ৰতিমূৰ্তিস্বৰূপে শ্ৰীমন্ত শঙ্কৰদেৱৰহে স্বৰচিত ধৰ্মীয় পুথি বিদ্যমান। বিশ্বৰ আন কোনো ধৰ্ম প্ৰচাৰকেই নিজৰ ধৰ্মীয় মত নিজৰ লেখনিৰ দ্বাৰা চিৰস্থায়ী কৰি থৈ যোৱা নাই।

এইজনা মহামানৱ অসমীয়া জাতিৰ ধৰ্মগুৰুৱেই নহয় তেখেত অসমীয়া সমাজৰ গুৰি ধৰোঁতা। অসমৰ বিভিন্ন জাতিৰ সংস্কৃতিৰ সমন্বয়ৰ শিল্পী শ্ৰীমন্ত শঙ্কৰদেৱ। ধৰ্মপ্ৰচাৰৰ চলেৰে অসমৰ বিক্ষিপ্ত সংস্কৃতিৰ সংমিশ্ৰন ঘটালে-- খোল, তাল, মৃদঙ্গ আদি বিবিন্ন বাদ্যযন্ত্ৰেৰে বৰগীত, ৰাগ, পদৰ সংযোজনাৰে অসমীয়া সামাজিক জীৱনত নতুন প্ৰাণ প্ৰতিষ্ঠা কৰিলে। এই সংস্কৃতিৰ মাজেৰে অসমীয়াৰ সামাজিক জীৱনৰ বিচিত্ৰতা ফুটি উঠিছে।

অসমীয়াৰ এই সামাজিক কৃষ্টিৰ প্ৰসাৰতা সংৰক্ষিত হৈছে মহাপুৰুষৰ ৰচনাৱলীত। তাৰাৰ অলৌকিক কবিত্ব শক্তি আৰু ৰচনা ৰীতিয়ে অসমীয়া সাহিত্যৰ নতুন প্ৰাণ প্ৰতিষ্ঠা কৰিলে। শ্ৰীমন্ত শঙ্কৰদেৱ অসমীয়া সাহিত্যৰ সুবিশাল সৌৰজগতৰ সূৰ্য স্বৰূপ। তাৰাৰ ৰচনা ৰীতিয়ে অসমীয়া কবি সাহিত্যিকসকলক নতুন দীক্ষা দিলে। বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ অসমীয়া জনসমাজত পূৰ্ণৰূপে বিৰাজমান। অসমীয়া পদ্য সাহিত্যত নানাবিধ ছন্দ, অলঙ্কাৰ, প্ৰয়োগ কৰি অসমীয়া ভাষাৰ পুষ্টি সাধন কৰিলে। তাৰাৰ কবিত্ব শক্তি তুলনা নাই। কেৱল বৰ্ণ পৰিচয়ৰ সময়তে উচ্চ আধ্যাত্মিক ভাৱৰ কবিতা 'কৰতল কমল / কমল দল নয়ন/'ৰ দৰে কবিতা লিখিছিল।

বৰ্তমান অসমীয়া সমাজ, সাহিত্য আৰু সংস্কৃতিয়ে যি

আত্ম প্ৰতিষ্ঠা লাভ কৰিছে তাৰ মূলতে শ্ৰীমন্ত শঙ্কৰদেৱৰ গভীৰ সাধনা। তেখেতৰ দেশপ্ৰেমৰ মহান আদৰ্শেৰে অনুপাণিত হৈ বৰ্তমানৰ ব্যক্তি স্বাধীনতাৰ সূৰ্যৰ কিৰণত দেশবাসীয়ে জাতীয় সাহিত্যৰ ক্ৰমবিকাশৰ বাটত আগবঢ়াই নিবলৈ সক্ষম হৈছে। শঙ্কৰী সাহিত্যৰ অন্তৰ্নিহিত দৰ্শন-- সকলো জীৱই ভগৱানৰ অংশ, পৰমেশ্বৰৰ ওচৰত সকলো সমান, সি উচ্চ বৰ্ণৰেই হওক বা পাহাৰীয়া জনগোষ্ঠীয়েই হওক। তাৰ মহান মন্ত্ৰ-- 'কিৰাত কছাৰী / খাচী গাৰো মিৰি / যৱন কঙ্ক গোৱাল....,' এই সকলোটি এখন সমাজৰ অন্তৰ্ভুক্ত হ'লেহে দেশৰ মঙ্গল, দহৰ মঙ্গল। এই আদৰ্শেৰে চলিলেহে শঙ্কৰী সাহিত্য সংস্কৃতিৰ আদৰ্শ জীয়াই থাকিব। কীৰ্ত্তন ঘোষাত আছে--

'নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হইবে।
নলাগে সম্ভূতশাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।
যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ দৈত্য ব্ৰজবাসী।
পক্ষী মৃগো বিষ্ণু ভৈল কৃষ্ণক উপাসি।।'■

লেখিকা- সভানেত্ৰী, মহীয়সী
প্ৰাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

# পৰিৱৰ্তিত পৰিস্থিতিত মহিলা সৱলীকৰণ ঃ এটি পৰ্যালোচনা

**শ্ৰীদীপিকা ৰায়মেধি**

মুক্তি আৰু স্বাধীনতা নাৰীৰ মানৱীয় অধিকাৰ। SAARC এ ২০০১চনটো মহিলা সৱলীকৰণৰ বৰ্ষ হিচাপে উদ্‌যাপন কৰে। 'মহিলা সৱলীকৰণ' শব্দটো সকলো মহিলাৰ আত্মবিশ্বাস, আত্মনিৰ্ভৰশীলতা, নাৰীৰ নিজ ইচ্ছা-আকাঙ্খা স্বনিৰ্বাচনৰ ক্ষমতা, নিজ অধিকাৰ সম্পৰ্কে সচেতনতা, লিঙ্গ বৈষম্যৰ বিপৰীতে লিঙ্গ-সমতা প্ৰতিষ্ঠাৰ প্ৰচেষ্টা ইত্যাদি অৰ্থৰ লগত জড়িত। নাৰীক সৱলীকৰণ কৰাৰ দুটা প্ৰধান উপায় হ'ল-- (১) নাৰীক শিক্ষিত কৰা (২) নাৰীক অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰা।

প্ৰয়োগিকভাৱে ভিন্নতা থাকিলেও সমগ্ৰ বিশ্বতে নাৰীৰ সমস্যাৱাজিৰ সাদৃশ্য থকাৰ দৰে নাৰীৰ ইতিহাসো প্ৰায় একেই-- বঞ্চনা, শোষণ আৰু উপেক্ষাৰ ইতিহাস। সেয়েহে ১৯৭৫চনৰ পৰা ৮মাৰ্চৰ দিনটো আৰ্ন্তঃজাতিক নাৰী দিৱস হিচাপে পালন কৰি আহিছে বিশ্বৰ নিপীড়িত নাৰী সমাজৰ সংগ্ৰামী ঐতিহ্যৰ দিন হিচাপে।

কিন্তু আটাইতকৈ আৱশ্যকীয় কথাটো হ'ল যে পুৰুষ প্ৰধান পৃথিৱীখনৰ বিভিন্ন নিষ্ঠুৰতা আৰু অপৰাধৱাজিৰ হাতৰ পৰা আত্মৰক্ষা কৰাৰ কৌশল নাৰীয়ে আয়ত্ব কৰিব লাগিব।

ভাৰতবৰ্ষৰ দৰে প্ৰাচীন ঐতিহ্যমণ্ডিত আৰু আধ্যাত্মিকতাবাদত বিশ্বাসী বিশিষ্ট সমাজতো য'ত নাৰীক মাতৃৰূপে, দেৱীৰূপে পূজা কৰা হৈছিল, সেই ভাৰতভূমিৰ মহাকাব্যৰ জীৱন্ত চৰিত্ৰবোৰ যেনে- সীতা, উৰ্মিলা, ৰাধা, দ্ৰৌপদী, দেৱযানী আদিৰ ব্যথাজৰ্জৰিত জীৱন তেওঁলোকৰ পতি বা প্ৰিয়পুৰুষৰ পৰাই প্ৰক্ষেপিত।

ইয়াতেই প্ৰচলিত আছিল সতীদাহ, বাল্যবিবাহ, ছোৱালীৰ উচ্চ শিক্ষা লাভ কৰিব নোৱাৰাৰ দৰে নৃশংস প্ৰথাৰ দ্বাৰা নাৰীক এক জড় বস্তুসম জ্ঞান কৰিছিল। এগৰাকী জীৱিত নাৰীক পতিৰ চিতাত জীৱন্তে দগ্ধ কৰিছিল, লাগিলে সেই পতি লম্পট, চৰিত্ৰহীন যিয়েই নহওক। বাল্যবিবাহৰ বলি হৈ ফুলকুমলীয়া কন্যাই কেতিয়াও সান্নিধ্য লাভ নলভা বৃদ্ধ পতিৰ বিয়োগত আজীৱন পালিবলগীয়া হৈছিল কঠিন বৈধব্য ব্ৰত।

লাহে লাহে সময় সলনি হৈছে। ৰান্ধনী ঘৰ আৰু পিছচোতালৰ পৰা ওলাই আহি ভাৰতীয় নাৰী ধাৱমান হৈছে মহাকাশৰ অনন্ত ৰহস্যৰ অন্বেষণত। শিক্ষা, ৰাজনীতি, ব্যৱসায়, প্ৰশাসন সকলোদিশতে এতিয়া নাৰীৰ বলিষ্ঠ উপস্থিতি বিদ্যমান। কিন্তু এয়া নাৰীৰ সামাজিক অৱস্থানৰ সামগ্ৰিক প্ৰতিফলন নহয়। মাদক দ্ৰব্য পান কৰি নাৰীৰ ওপৰত অত্যাচাৰ কৰা, যৌতুক দাবি, ধৰ্ষণ আদি সঘনাই ঘটা ঘটনা। চিটিবাছ, ৰাজপথ, বজাৰ, কৰ্মক্ষেত্ৰ-- কতোয়েই নাৰী সম্পূৰ্ণ সুৰক্ষিত নহয়। বৰ্ণালীৰ দৰে অসূৰ্যস্পৰ্শা শৰীৰো পুৰুষৰ পশুত্বৰ পৰা বাচি নগ'ল।

পিতৃগৃহত আৰু বিবাহৰ পিছতো নাৰী জীৱনে পূৰ্ণ স্বাধীনতা ভোগ কৰিব নোৱাৰে। প্ৰায়ভাগ ছোৱালীকে এগৰাকী 'ব্যক্তিত্বশীল নাৰী'ৰ পৰিৱৰ্তে এগৰাকী 'সু-গৃহিনী' হোৱাৰ প্ৰশিক্ষণহে দিয়া হয়।

মুছলমান সমাজত লিঙ্গ বৈষম্য একেবাৰে আকাশলঙঘা। (তালিবানৰ ৰাজত্বৰ মুছলীম নাৰীৰ লোকমহৰ্ষক কাহিনীৰ উদাহৰণ) সেয়েহে তছলিমা নাছৰিণৰ কলমৰ কাপেৰে নিগৰি ওলাইছে সমাজ আৰু পুৰুষৰ প্ৰতি বিদ্ৰোহৰ অগ্নিস্ফুলিঙ্গ।

দেশৰ স্বাধীনতা সংগ্ৰামত আমাৰ মহিলাসকলে পুৰুষৰ সৈতে সমানে জপিয়াই পৰিছিল- মুলাগাভৰু, কনকলতা, ভোগেশ্বৰী ফুকননী ইত্যাদি বীৰঙ্গনাক কোনো অসমীয়াই

পাহৰিব নোৱাৰে। এখন দেশৰ বা সমাজৰ সভ্যতা-সংস্কৃতিৰ বুজ ল'বলৈ হ'লে সেইদেশত নাৰীৰ স্থান কেনেকুৱা তাৰ পৰাই বুজি ল'ব পাৰি।

SAARC এ মহিলা সৱলীকৰণ দিৱস উদ্‌যাপন কৰি কিছু আশাৰ ৰেঙণী কঢ়িয়াই আনিছে, কাৰণ এই বছৰতে ভাৰত চৰকাৰে মহিলাৰ সৱলীকৰণৰ বাবে ৰাষ্ট্ৰীয় নীতি *(National Policy on empowersment of women)* ঘোষণা কৰে। ১৯৯৬ চনত বেইজিঙত বহা সন্মিলিত ৰাষ্ট্ৰসংঘৰ চতুৰ্থ মহিলা বিশ্বসভাত লোৱা সিদ্ধান্তৰ আধাৰত এই ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰা হয়। ২০০১ চনৰ লোকপিয়লত মহিলাৰ স্বাক্ষৰিতাৰ হাৰ ৫৪.১৬% লৈ বৃদ্ধি পালে। দীৰ্ঘায়ুতাৰ হাৰ পুৰুষৰ বাবে ৬৩ বছৰৰ বিপৰীতে মহিলাৰ ৬৩.৪ বছৰলৈ বাঢ়িলে। লিঙ্গ অনুপাতৰ হাৰ যোৱা লোক পিয়লত প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে এই হাৰ ৯২৭ৰ পৰা ৯৩৩ লৈ বৃদ্ধি পোৱাতো শুভ লক্ষণ। প্ৰায় এককোটি মহিলাই স্থানীয়ভাৱে চৰকাৰী অনুষ্ঠানত নিজৰ মত সাব্যস্ত কৰাৰ ক্ষমতা পালে। কেবা কোটি মহিলাই 'আত্ম-সহায়ক' গোটৰ জৰিয়তে ঋণ পোৱাৰ সুবিধা লাভ কৰিছে। এয়া নিশ্চয় আনন্দৰ বতৰা।

কিন্তু বাস্তৱত কথাবোৰে বেলেগ ৰূপ লয়। আমাৰ সামাজিক মূল্যবোধ এনেদৰে সলনি হৈ গৈছে যে ধনী, শিক্ষিত, দুখীয়া, অশিক্ষিত সকলোৰে কেৱল পুত্ৰ সন্তানৰ প্ৰতিহে আগ্ৰহী। ছোৱালীজনীক পৰিয়ালৰ বোজা বুলি গণ্য কৰে। সূক্ষ্মভাৱে কৰা কিছু অধ্যয়নে প্ৰমাণ দিয়ে যে অতীতৰ পৰা আজি পৰ্যন্ত কন্যা শিশুৰ ভ্ৰূণ হত্যা কৰাৰ বিভিন্ন উদাহৰণ। অতীতকালত নাৰীক প্ৰসৱ কৰোৱা ধাইজনীৰ দ্বাৰাই কন্যা সন্তানটিৰ পিতৃ-মাতৃও এই কামত জড়িত আছিল আৰু বৰ্তমানে আধুনিক সূক্ষ্ম কাৰিকৰী পদ্ধতিৰে মাতৃগৰ্ভতে কন্যাশিশুৰ ভ্ৰূণ হত্যা কৰি আহিছে। বৰ্তমান জনসংখ্যা স্থানীয়কৰণৰ লক্ষ্য, দুটা সন্তান নীতি, গৰ্ভাৱস্থাত লিঙ্গ নিৰ্ণয়ৰ কাৰিকৰী পদ্ধতি, গৰ্ভত সন্তানে স্থিতি লোৱাৰ লগে লগে ভ্ৰূণ নিৰ্ণয় কৰি নিজে বিচৰা মতে ভ্ৰূণ গৰ্ভধাৰণ কৰাৰ সূক্ষ্ম অত্যাধুনিক পদ্ধতিৰ প্ৰয়োগে সমাজৰ পৰা কন্যা সন্তানটিক আঁতৰাই পুত্ৰ সন্তান লাভ কৰাতহে অৰিহণা যোগাইছে।

UNICEF ৰ সমীক্ষামতে ভাৰতত প্ৰতি বছৰত প্ৰায় ৫০ লাখ কন্যা ভ্ৰূণ গুপুতে হত্যা কৰা হয়। কিন্তু এনেকাৰ্য দণ্ডনীয় আৰু ভীষণ অপৰাধমূলক। ১৯৯৪ চনৰ *Pre-Natal Diagnostic techniques refutation and prevention of misuse* আইনখন আজি মৃতপ্ৰায়। আকৌ ১৯৯৬ চনত প্ৰণয়ন কৰা আন এখন আইন অনুসৰি এইকাৰ্যৰ লগত জড়িত কোনো এজন ব্যক্তিয়ে শাস্তি পোৱা নাই। এয়া এক নিষ্ঠুৰ লিঙ্গ বৈষম্যৰ উদাহৰণ।

এতিয়া আমাৰ বাবে জৰুৰী বিষয় হৈছে যে পুত্ৰ-সন্তানৰ প্ৰতি যি আগ্ৰহ, সমাজৰ পৰা এই দৃষ্টিভঙ্গী সলনি কৰি ছোৱালী বা মহিলাৰ মূল্যবোধ বুজি পোৱা এখন সমাজৰ জন্ম দিয়াটো। যদি পুৰুষবেষ্টিত শিক্ষা জগতখনত আজি ছাত্ৰীসকলে বেছি নম্বৰ পাই পৰীক্ষাবোৰত উত্তীৰ্ণ হ'ব পাৰিছে, তেনেক্ষেত্ৰত মাক-দেউতাকে কিয় বাৰু বুঢ়া বয়সত তেওঁলোকৰ নিৰাপত্তাৰ বাবে কন্যা সন্তানটিৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰে।

আজি সমাজৰ দৃষ্টিভঙ্গী সলনি কৰাত ধৰ্মীয় পুৰোহিত আৰু মুৰব্বীসকলক অনুৰোধ কৰা হৈছে যাতে তেওঁলোকে ভ্ৰূণৰ পৰা চালুকীয়া অৱস্থা পোৱাত আৰু গোটেই জীৱনটোতেই শিশুকন্যা- মহিলাগৰাকীৰ ওপৰত যি অত্যাচাৰ উৎপীড়ন চলায়, সেয়া ৰোধ কৰাত সহায়ক হয়।

ইতিহাসে ঢুকি পোৱা দিনৰে পৰা নাৰীক অৱদমিত কৰাৰ অহৰহ প্ৰচেষ্টাক মষিমূৰ কৰি লিঙ্গ বৈষম্যবিহীন এক সুস্থ, সব-অৱস্থানৰ সমাজ সৃষ্টি কৰাত ১৯৯২ চনৰ জানুৱাৰী মাহত 'ৰাষ্ট্ৰীয় মহিলা আয়োগ' গঠন কৰাটো এক উল্লেখনীয় বিষয়। ১৯৯০ চনৰ ভাৰতীয় চৰকাৰৰ ২০ নম্বৰ ধাৰাৰ অধীনত এই আয়োগে গঠন কৰে। এই আয়োগে মহিলাৰ বাবে সাংবিধানিক আৰু আইনগত ৰক্ষণাবেক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰে।

এই আয়োগে মহলাসকলক ৰাজনীতিত অংশগ্ৰহণৰ অধিকাৰ প্ৰদান কৰে। পঞ্চায়তৰাজ নিৰ্বাচনত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ কৰে। লোক সভাৰ নিৰ্বাচনতো মহিলা প্ৰাৰ্থীৰ বাবে ৮.৯% আসন সংৰক্ষণ কৰে ১৯৯৯চনত। ১৯৫২ চনত এই আসনৰ আছিল মাত্ৰ ৪%।

মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে ২০০২ চনৰ ৮ মাৰ্চৰ

দিনা ‘*The protection from domestic violence Bill*’ (পাৰিবাৰিক সংঘাত প্ৰতিৰোধ আইন) প্ৰণয়ন কৰে।

এই বিলখনে পৰিয়ালত সংঘটিত হাই-কাজিয়া, নাৰীৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰসমূহৰ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰণয়ন কৰে।

কিন্তু সামাজিক পৰম্পৰাৰ ওপৰত ভিত্তি কৰিহে সুৰক্ষাৰ ব্যৱস্থা কৰে। এইক্ষেত্ৰত এটা বিষয় মন কৰিবলগীয়া যে সম্পত্তিৰ অধিকাৰ ছোৱালীবোৰ এতিয়াও সুৰক্ষিত নহয়। বিয়াৰ পিছত ছোৱালীজনী স্বামীৰ পৰিয়ালৰ অংশীদাৰ হয় আৰু ভাৰতীয় পৰম্পৰা মতে ছোৱালীজনী মাকৰ ঘৰৰ পৰা পৰ হৈ যায়। ইফালে স্বামীৰ ঘৰত যদি নানান শাৰীৰিক, মানসিক, পাৰিবাৰিক অত্যাচাৰৰ সন্মুখীন হৈ স্বামীৰ ঘৰ পৰিত্যাগ কৰাৰ কথা আহি পৰে তেন্তে চাকৰি নকৰা নাৰীয়ে কিছু অংশ সম্পত্তি বা নিৰাপত্তাৰ কিছু সহায় পায় কিন্তু চাকৰি কৰা মহিলাই নাপায়, ইফালে মাকৰ ঘৰৰ পৰাও সম্পত্তি পোৱাৰ নিশ্চয়তা নাথাকে, গতিকে এনেবোৰ বিষয় পুনৰ বিবেচনা আৰু বিচাৰ কৰিব লাগে।

মুঠৰ ওপৰত যেতিয়ালৈকে সামাজিক সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক দিশত মহিলা গৰাকীৰ প্ৰতি কোনো ধৰণৰ বৈষম্য নথকাকৈ এক পৰিৱেশৰ সৃষ্টি নহয়, তেতিয়ালৈ নাৰীয়ে মৰ্যাদাসহ মূল্যবোধ থকা জীৱন পোৱাতো অসম্ভৱ।

এতিয়া আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে, মহিলাসকলক সৱলীকৰণ কৰাৰ প্ৰাক্‌মুহূৰ্তত কিছুসংখ্যক মহিলাৰ আত্মবিশ্লেষণৰ প্ৰয়োজন হৈছে। নাৰীৰ স্ব-শোষণ আৰু আত্মপ্ৰতাৰণাখিনিৰো এবাৰ বহল পৰ্যালোচনা হোৱা উচিত। প্ৰাচীন পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ৰীতি-নীতি, আইন পৰম্পৰা পুৰুষৰ সুবিধাৰ বাবে বুলি কোৱাৰ লগতে এই কথাও স্বীকাৰ কৰিব লাগিব যে নাৰীৰ শোষণ লাঞ্ছনাৰ কাহিনীৰ লগত বহু সময়ত নাৰীয়েই পৰোক্ষ বা প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। যৌতুকৰ নামত শাহুয়েক এগৰাকীয়ে বোৱাৰীজনীক কৰা দুৰ্ব্যৱহাৰ, আধুনিকতাৰ নামত সৰ্বাঙ্গ প্ৰকট কৰি পোছাক পিন্ধা, অৰ্ধউন্মুক্ত শৰীৰেৰে যৌন আৱেদনময়ী ইমেজ লৈ ঘূৰি ফুৰা এচাম যুৱতী-নাৰীৰ বেশভূষা ‘ধৰ্ষণ’ আদি ঘটনাৰ বাবে বহু পৰিমাণে দায়ী। বিজ্ঞাপনসমূহত নাৰী শৰীৰৰ শৈলী লজ্জাজনক এই কথা মনত ৰখা উচিত যে নাৰী স্বাধীনতা আৰু শৰীৰ প্ৰদৰ্শন স্বাধীনতাৰ মাজত বিস্তৰ ব্যৱধান আছে। ইয়াৰ উপৰি কিছুসংখ্যক নাৰীয়ে বস্তুবাদী মানসিকতাৰ খোৰাক পূৰাবলৈ গৈ অথবা অত্যাধুনিক বিলাসী জীৱন-যাপন কৰিবলৈ গৈ নাৰী স্বাধীনতাৰ প্ৰতিকূলে ধাৱমান হৈছে। এইবোৰৰ সংশোধন হ'লে মহিলা সৱলীকৰণ প্ৰচেষ্টাই দুগুণে সফল হ'ব।

নাৰীৰ অধিকাৰ খৰ্ব হয় বৃহত্তৰ শাসন ব্যৱস্থা আৰু সমাজ ব্যৱস্থাৰ দ্বাৰা আৰু প্ৰায় একান্ত নিজস্ব পৰিবাৰভুক্ত ব্যক্তিৰ দ্বাৰা। এইবিশাল শক্তিৰ বিৰুদ্ধে থিয় হোৱা এক ধাৰাবাহিক সংগ্ৰাম, যি সংগ্ৰামৰ নিৰ্দিষ্ট আৰম্ভণী আৰু সমাপ্তি নাই। এই সংগ্ৰামৰ সৈতে সহযোগিতা কৰিব লাগিব প্ৰগতিশীল পুৰুষ সমাজে। উদাৰ যুক্তিবাদী চিন্তা-চেতনাৰে মানুহৰ চিন্তা জগতৰ আমূল পৰিৱৰ্তন সাধনৰ প্ৰয়োজন।■

লেখক- প্ৰৱক্তা, দৰ্শন বিভাগ,
গুৱাহাটী প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী-৯

# দ্বাৰকাত নাৰদৰ কৃষ্ণ দৰ্শন

**শ্ৰীবোধেশ্বৰ কাকতি**

নাৰদ মুনি পূৰ্ব্বৰে পৰা বৈষ্ণৱ জ্ঞানসম্পন্ন এগৰাকী পৰম ভক্ত। পৰমাত্মা ঈশ্বৰক সততে লগ পাই প্ৰভুৰ গুণ যশ কীৰ্ত্তনেৰে জগত পবিত্ৰ কৰি ফুৰিছিল আৰু ভগৱানৰ অৱতাৰ, লীলা কাৰ্য প্ৰচাৰত নানা প্ৰকাৰে সহায় কৰিছিল। নাৰদৰ কৃষ্ণ দৰ্শন পূৰ্বেও অনেক বাৰ হৈছে; কিন্তু এইবাৰ দ্বাৰকাত হোৱা কৃষ্ণ দৰ্শন নিশ্চয় নাৰদৰ নিগমতত্ত্ব নিহিত কৃষ্ণ দৰ্শন। সমস্ত জগতৰ প্ৰতিটো বস্তু বিশেষতে ঈশ্বৰ দৰ্শনৰ আৰ্হি নাৰদৰ জীৱনত পূৰ্বে কতো দৰ্শোৱা নাছিল। সমস্ততে ঈশ্বৰ দৰ্শন আৰু ঈশ্বৰতে সমস্ত দৰ্শন হোৱাটো অতিশয় বৈষ্ণৱী জ্ঞানৰ চিনাকি আৰু এনে দৰ্শনৰ কথা সংবাদেৰে ভক্তক সমস্ত জগত প্ৰপঞ্চতে ভগৱৎ দৰ্শন কৰাৰ উপায়ৰ ব্যৱস্থা দি কৃপালু শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তপদে এইয়া মহৎ কৃপা কৰিছে।

গুৰু-দেৱ-নাম-ভকত-- এই চাৰিবস্তুৰ ভিতৰত ভকত যে শ্ৰেষ্ঠ,সেই কথা কৃষ্ণই নাৰদক কৰা অৰ্চন-বন্দনৰ বৰ্ণনাৰে গুৰুজনাই প্ৰকাশ কৰিছে। ইয়াত প্ৰভু কৃষ্ণৰ অদ্ভুত লীলা নাৰদক প্ৰদৰ্শন কৰাইছে। আগতেও নাৰদে গোকুলত কৰা কৃষ্ণৰ লীলা-মালা দৰ্শন কৰিছে আৰু নাৰদৰ উপদেশ মতেই কৃষ্ণই কংস ৰজাকো বধ কৰি উগ্ৰসেনক ৰজা পাতিছে। অষ্ট ঐশ্বৰ্যৰ গৰাকী ভগৱান কৃষ্ণৰ ভৌতিক, দৈৱীক আৰু আধ্যাত্মিক বিচাৰ বুদ্ধি নাৰদৰ বাহিৰে পূৰ্বে পৃথিৱীত কোনেও নাজানিছিল। নাৰদৰ প্ৰসাদত ব্যাসে লাভ কৰা কৃষ্ণ লীলা শুকমুখে জগতত প্ৰচাৰ কৰাইছিল। গৰ্ভস্থ অৱস্থাতে প্ৰহ্লাদে নাৰদৰ পৰা কৃষ্ণৰ মাহাত্ম্য লাভ কৰিছিল।

‘নাৰদৰ কৃষ্ণ দৰ্শন’ৰ প্ৰথম অধ্যায়ত যোগবলে নিৰ্মাণ কৰা সমুদ্ৰৰ মাজৰ দ্বাৰকা নগৰীত কৰা কৃষ্ণৰ কৰ্মসমূহৰ কেইটমান বিৱৰণেৰে ভক্তসকলক আধ্যাত্মিক তত্ত্বৰ বুজনি দিছে।

‘কীৰ্ত্তন’ৰ দ্বিতীয় অধ্যায়ত কৃষ্ণই ষোড়শ হাজাৰ কন্যাক ভিন্নে ভিন্নে একে দিনাই বিবাহ কৰাৰ কথা শুনি নাৰদে এই নৱনিৰ্মিত দ্বাৰকা নগৰীলৈ গৈ প্ৰভুৰ মহিমামণ্ডিত দিব্যপুৰী দৰ্শন কৰিছে। গুৰুজনাই এই দিব্যপুৰীৰ বৰ্ণনা দি কৈছে যে সমুদ্ৰৰ মাজত সুৱৰ্ণময় গড় খাৱৈ বান্ধি নগৰখন নিৰ্মাণ কৰিছে। তাত বিল সৰোবৰত ধুনীয়া ধুনীয়া জলপক্ষীয়ে আৱাও কৰি মুখৰিত কৰিছে। সুগন্ধি চম্পা-পাৰিজাত আদি ফুল ফুলি বন উপবনবিলাক জাতিস্কাৰ হৈছে। সোণ, ৰূপ, স্ফটিকেৰে নিৰ্মিত ন লক্ষ ঘৰ সূৰ্যৰ দৰে জিলিকি আছে। ভিতৰখন বিশ্বকৰ্মাই অতি ধুনীয়াকৈ সজাইছে। তাৰে এটা মণি-মুক্তাৰে সজোৱা ঘৰত সোমাই নাৰদে দেখিলে যে তাৰ মজিয়াখন বৈদুৰ্যমণিৰে নিৰ্মাণ, হীৰাৰে সজোৱা দুৱাৰ, মুকুতাৰে নিৰ্মিত ধুনীয়া ধুনীয়া জালি কটা খিৰিকি। ম’ৰাচৰাই বিলাকে ঘৰৰ ওপৰত আনন্দ মনে চালি ধৰি নাচিছে। ঘৰৰ ভিতৰত ৰত্নময় সিংহাসন পৰা আছে। তাত বিতোপন হংস তুলি পাৰি ভগৱান কৃষ্ণ মহানন্দে শুই আছে। ৰুক্মিণী দেৱীয়ে প্ৰভুক বিচি আছে। অসংখ্য দাসীয়ে নানা বস্তু বাহানিৰে প্ৰভুক অৰ্চিবলৈ যোগান ধৰিছেহি।

নাৰদে প্ৰভুৰ চাৰিও পাশে ৰহস্যময় ৰত্ন প্ৰদীপ জ্বলি থকা দেখি প্ৰভুৰ ওচৰ চাপিল। কৃষ্ণই নাৰদক দেখি আসনৰ পৰা উঠি আহি চৰণত শিৰ থৈ সেৱা জনালে আৰু কৰযোৰে তুতি বচনেৰে আশ্বাস জনাই আসনত বহুৱালে। ৰুক্মিণীয়ে নিজে পানী পাত্ৰৰে পানী ঢালি দিলে আৰু কৃষ্ণই নাৰদৰ চৰণ ধুৱাই পাদোদক শিৰত লৈ মধুৰ বচনেৰে প্ৰিয় সম্ভাষণ জনালে যে কৃষ্ণই আজি নাৰদক সেৱা কৰিবলৈ পাই ধন্য মানিছে আৰু ভক্ত তুষ্টিৰ উপলক্ষে যথা আদেশ পালন কৰিবলৈ একান্ত বাঞ্ছা কৰিছে। (পদ-১৪৯৯)

নাৰদে কৃষ্ণৰ বাক্যত হাঁহি হাঁহি ক’লৈ যে যিজন প্ৰভুৰ চৰণ দৰ্শনৰ কাৰণে ব্ৰহ্মা আদি জ্ঞানীসৱে সদায় বাঞ্ছা কৰেআৰু সৰ্বজন সংসাৰী লোকৰো সেই চৰণেই প্ৰধান অৱলম্বন তেনে চৰণ নাৰদে সদায় চিন্তা কৰি প্ৰভুৰ গুণ-নাম গাই ফুৰে। গতিকে প্ৰভুৰ চৰণ সেৱাত মন যেন সদায়েই থাকে ইয়াকে বৰ খুজি নাৰদ সেই গৃহৰ পৰা ওলাই অন্য এটি গৃহত প্ৰৱেশ কৰিলে। প্ৰভু কৃষ্ণই নানা গৃহত নানা প্ৰকাৰে কৰ্মৰত হৈ গৃহস্থী ধৰ্ম পালন কৰি থকা নাৰদে দেখা পালে। কোনো ঘৰত হোম কৰি ব্ৰহ্ম ভোজন কৰাইছে, কোনো ঘৰত সন্ধ্যা উপাসনা, কোনো ঘৰত ঘোঁৰা দৌৰাইছে বা হাতীত উঠি ফুৰিছে, কোনো গৃহত উদ্ধৱ প্ৰমুখ্যে মন্ত্ৰীসৱৰ লগত মন্ত্ৰণা কৰিছে। কোনো ঠাইত হেজাৰ-বিজাৰ ৰমণীৰ লগত আনন্দে জলক্ৰীড়া কৰিছে। এইদৰে নাৰদে নানাভাৱে প্ৰভু কৃষ্ণই সংসাৰ ধৰ্মৰ কৰ্তব্য কৰি থকা লীলা দেখিবলৈ পালে। (পদ-১৫১৫-১৬)

শেষত গুৰুজনাই ভক্তজনৰ আত্মতত্ত্ব বোধ জন্মিবৰ কাৰণে উপদেশ প্ৰদান কৰিছে। সমস্ত জগতৰ অন্তৰত ভগৱান বিৰাজমান থকাটো ব্যক্ত কৰিছে। স্ত্ৰী পুৰুষ উভয়ে গৃহস্থালী ধৰ্ম সমানে পালন কৰি সংসাৰ চলাব যে লাগে তাকো ব্যক্ত

কৰি কৃষ্ণই কৈছে, (পদ-১৫১৯)

নাৰদে সমস্ত কথা জানি বুজি কৃষ্ণক হাঁহি হাঁহি কৈছে যে কৃষ্ণৰ কৃপাত ভগৱানৰ মায়া প্ৰপঞ্চ তেওঁ সকলো জানে আৰু ভগৱানৰ গুণ-যশ প্ৰকাশ কৰি পৱিত্ৰ নাম গাই ফুৰে। (পদ-১৫১৭-১৮)

কৃষ্ণই ভক্তসকলৰ শিক্ষাৰ উদ্দেশ্যই এনে বিভিন্ন কৰ্ম কৰা হয় বুলি নাৰদক কৈ সান্ত্বনা দিলে। নাৰদে প্ৰভুৰ অনন্ত মহিমা দৰ্শন কৰি তাৰ পৰা কৃষ্ণ লীলা-চৰিত্ৰ উচ্চাৰণ কৰি মেলানি মাগিলে।

শ্ৰীমন্ত শঙ্কৰদেৱে সৰ্বজনৰ মঙ্গলৰ অৰ্থেই এই কৃষ্ণ-দৰ্শন বিষয়বস্তু শ্ৰৱণ কৰিবলৈ সৰ্বজনলৈ উপদেশ আগবঢ়াইছে। (পদ-১৫২২)

ভগৱান কৃষ্ণই এই প্ৰসঙ্গত নাৰদক কৈছে যে ভগৱান বৈকুণ্ঠতো নৈ নাথাকে বা যোগীৰ হিয়াতো বন্ধ হৈ নাথাকে। থাকে মাত্ৰ একান্ত ভক্তই কৰা হৰিনাম কীৰ্তন কৰা স্থানতহে। (পদ-১৫২৪)

'নাৰদ-সংহিতা'ত এই প্ৰসঙ্গত উল্লেখ আছে--

'নাহং তিষ্ঠামি বৈকুণ্ঠে যোগিনাং হৃদয়ে ন চ।
মদ্ভক্তো যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ।।'১.৭

মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত অতি প্ৰাঞ্জল ভাষাৰে উক্ত শ্লোকৰ ভাঙনি কৰিছে, (নাম-ঘোষা-৪)

গতিকে পুত্ৰ দাৰা, গৃহ আদি বিষয়বস্তু সপোনৰ দৰে জানি তাত মজি নাথাকি সমস্তৰে এক কৃষ্ণক দৰ্শন কৰি ভকতি কৰিবলৈ কৈছে। বিষয়-বাসনাক মানৱ জীৱনত অতি তুচ্ছ জ্ঞান কৰি ভগৱানৰ নাম-যশ, শ্ৰৱণ-কীৰ্তন কৰি মানৱী জনম সফল কৰিব লাগে, এয়েই মহাপুৰুষীয়া ধৰ্মৰ মূল আধ্যাত্মিক তত্ত্ব।

ভজনীয়া ঈশ্বৰক আদৰ্শ গৃহীৰূপে অঙ্কন কৰাৰ উদ্দেশ্য দুটা। প্ৰথম হৈছে-- ঈশ্বৰক ওচৰ চপাই লোৱাৰ মানৱীয় প্ৰচেষ্টা। তেওঁক যিমানে ওচৰ চপাই ল'ব পাৰি সিমানেই প্ৰিয় কৰিব পাৰি। ঈশ্বৰত্ব বজাই ৰাখিও প্ৰিয়জন কৰাত প্ৰেমভক্তি প্ৰেৰণা সকলো তেওঁক দিব পাৰি আৰু তেওঁৰ পৰাও পাব বুলি বলিষ্ঠ আশা-হৃদয়ত সঞ্চাৰ হয়। মানুহ মাত্ৰেই গৃহী হোৱাটো স্বভাৱ আৰু নোহোৱাটো ব্যতিক্ৰম, গতিকে এজন গৃহীৰ পক্ষে তেওঁৰ ভজনীয় ঈশ্বৰকো গৃহীৰূপে কল্পনা কৰা ঈশ্বৰত্বৰ একো লাঘৱ নহয়, কিন্তু আনহাতে সাধকৰ পক্ষে সুবিধা হয়। আমি প্ৰিয়জনক (স্বামীক) যিদৰে দেৱতা কৰোঁ সেইদৰে দেৱতাকো প্ৰিয়জন কৰি ল'বলৈ বিচাৰোঁ।

ৰবীন্দ্ৰনাথৰ ভাষাত-- 'প্ৰিয়েৰে দেৱতা কৰি দেৱতাৰে প্ৰিয়'। দ্বিতীয় কাৰণ হ'ল- উপাস্যজনৰ যি স্বৰূপ উপাসকে বুজে বা বৰণ কৰে সেই অনুৰূপ উপাসকৰ নৈতিক জীৱনো সেই ভাৱে ভাৱিত হয়। নৈতিক যুক্তিৰ ফালৰ পৰাও উপাস্যৰ স্বৰূপ সম্পূৰ্ণ নীতিসমৰ্থিত আৰু অনুকৰণীয় হোৱা উচিত। সেই বাবেই মহাপুৰুষ গুৰুজনাই আদৰ্শ গৃহী কৃষ্ণকে অসমীয়া বৈষ্ণৱ ভক্তসকলৰ ভজনীয় ঈশ্বৰক স্বৰূপে উপস্থাপিত কৰিছে। শ্ৰীকৃষ্ণই নিজৰ আচৰণৰ দ্বাৰা মানুহক কৰ্ম আৰু ভক্তিৰ সমন্বয়ত সুস্থ আৰু সুন্দৰ জীৱন-যাপনৰ পদ্ধতি এটাৰ আৰ্হি দেখুৱাইছে। এইটোৱেই নাৰদৰ কৃষ্ণদৰ্শনৰ শিক্ষা।

নাৰদৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰাও কৃষ্ণৰ গৃহ জীৱন দৰ্শনৰ আৰু এটা তাৎপৰ্য আছে। নাৰদ উদাসীন ভকত। উদাসীন ভকতে গৃহস্থালিৰ ৰং ৰূপ চাবলৈ আহিছে। তাকে দেখি বিস্ময় মানিছে। কৃষ্ণৰ মহিমা দেখি বিস্ময় মনাৰ একো অৰ্থ নাই। কাৰণ, নাৰদে কৃষ্ণৰ অলৌকিক মহিমাৰ কথা কি নাজানে যে বিস্ময় মানিব লাগে। কৃষ্ণৰ মহিমা প্ৰকাশেই এই আখ্যানৰ মূল কথা হ'ব নোৱাৰে। নাৰদৰ বিস্ময় আনন্দত, অদ্ভুতত নহয়। আনন্দ বিস্ময়ৰ কৌতুহলেই তেওঁক সেইদিনা দ্বাৰকালৈ টানি আনিছিল। তেওঁ দেখিলে পাশা খেলা, ল'ৰা ওমলোৱা, ছোৱালী উলিয়াই দিয়া, ৰাজ্য শাসন কৰা আৰু হাস্য-পৰিহাস সকলোতে কৃষ্ণ আছে। কৃষ্ণৰ আনন্দময় সত্তাই সকলো কৰ্মকে কৰণীয় আৰু বৰণীয় কৰি তুলিছে। স্বামী-স্ত্ৰীৰ প্ৰেমালাপত ঈশ্বৰৰ প্ৰেমময় সত্তা, শিৱৰ ধেমালিতো তেওঁ আনন্দময় সত্তা যিজনে দেখা পায় তেওঁহে প্ৰকৃত ভক্ত। উদাসীন নাৰদৰ এই শিক্ষা পাবলৈ বাকী আছিল, তেওঁ নিজানন্দত মগ্ন। সংসাৰত বিয়পি পৰা আনন্দৰ মাজত কৃষ্ণক চাবলৈ তেওঁৰ হেঁপাহ হোৱাটো স্বাভাৱিক।

এই অৰ্থতে শ্ৰীমদ্ভগৱদ্গীতা আদিত সংসাৰৰ সকলো কৰ্মকে ভগৱৎ কৰ্ম বুলি ব্যাখ্যা দিছে। সকলো কৰ্মই শেষান্তত গৈ ভগৱৎ আৰাধনা হ'ব পাৰে। নাৰদৰ দৃষ্টিভঙ্গীৰে চালে-- নাৰদৰ কৃষ্ণ দৰ্শনৰ এই তত্ত্বটো ধৰা পৰে। অৰ্থাৎ মানৱ জীৱনৰ চাৰি আশ্ৰমৰ ভিতৰত গাৰ্হস্থ্য ধৰ্মই শ্ৰেষ্ঠ ধৰ্ম। মহাভাৰতৰ শান্তিপৰ্বত কোৱা হৈছে--

'গৃহস্থো ব্ৰহ্মচাৰী চ ৱানপ্ৰস্থো অথ ভিক্ষুকঃ।
চত্বাৰঃ আশ্ৰমঃ প্ৰোক্তাঃ সৰ্বে গাৰ্হস্থ্য মূলকাঃ।।'

-- মহাভাৰত শান্তিপৰ্ব

অৰ্থাৎ- ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস এই চাৰি আশ্ৰমৰ ভিতৰত গাৰ্হস্থ্যাশ্ৰমেই মূল বা প্ৰধান।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্তন-ঘোষাত নাৰদৰ কৃষ্ণ দৰ্শনৰ দ্বাৰাই এই আধ্যাত্মিক তত্ত্বটো দাঙি ধৰিছে।■

লেখক- শিশু-মঞ্জৰীৰ সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# বৈষ্ণৱ ধৰ্ম প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণত আই-মাতৃসকলৰ ভূমিকা

শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া

আত্মাৰ কোনো পুৰুষ বা প্ৰকৃতি নাই। আত্মা বা পৰমব্ৰহ্ম সৎ চিৎ আনন্দৰ কাৰণ অৰ্থাৎ আত্মা সচ্চিদানন্দ। জীৱ, জগত, সৃষ্টিৰ আদিতে জগতৰ আধাৰ ভগৱন্তহে পৰমাত্মাৰূপে অকলে আছিল। জগত সৃষ্টি কৰাৰ মানসেৰে ভগৱন্ত প্ৰভুই নিজেই নিজৰ শক্তিৰে মহামায়া (প্ৰকৃতি) স্ৰজন কৰিলে। এয়েই সৃষ্টিৰ মূলসূত্ৰ।

'অনেক সহস্ৰ যুগ এহিমতে গৈল।
দুনাই ঈশ্বৰৰ সৃষ্টিক ইচ্ছা ভৈল।।
একেশ্বৰে আছো আমি আদি নিৰঞ্জন।
সৃষ্টি নাহি আত্মাক যে নকৰে শোভন।।

-- অনাদিপতন-৪৯

এয়া ভগৱন্তই নিজ মুখে প্ৰকাশ কৰা কথা। মহামায়া সৃষ্টিৰ পাছত নাৰায়ণে তেওঁৰ নাভিকলমৰ পৰা ব্ৰহ্মাক সৃষ্টি কৰি জগত বৃদ্ধি আৰু প্ৰাণী সৃষ্টি কৰিবলৈ আদেশ দিলে। প্ৰভুৰ আদেশত সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই নিজৰ শৰীৰটোক দুভাগ কৰি সোঁভাগৰ পৰা পুৰুষ আৰু বাওঁ ভাগৰ পৰা প্ৰকৃতি অৰ্থাৎ পুৰুষৰূপী স্বায়ম্ভুৱ মনু নাৰীৰূপী শতৰূপাৰ জন্ম দিলে। শাস্ত্ৰ ভাগৱতৰ ইতিহাস পৰ্যালোচনা কৰিলে দেখা যায় যে স্বয়ং সৃষ্টিকৰ্তা ব্ৰহ্মাই সমশক্তিৰে শক্তিৱান কৰি সৃষ্টি কৰিলে নাৰী আৰু পুৰুষ এই দুই সত্তাৰ। চৰাচৰ জগতৰ সৃষ্টিৰ মূলত হ'ল নাৰী আৰু পুৰুষৰ পাৰস্পৰিক সহায় সহযোগিতা আৰু একত্ব প্ৰতিষ্ঠা। পুৰুষ আৰু নাৰী কোন শ্ৰেষ্ঠ,কোন উৎকৃষ্ট,কোন বলিষ্ঠ সেয়া আমাৰ অৰ্থাৎ মানৱৰ বিচাৰ্য বিষয় হ'ব নালাগে। পুৰুষ আৰু নাৰী প্ৰকৃতাৰ্থতে সম, দুয়ো দুয়োৰে ওপৰত নিৰ্ভৰশীল। পুৰুষ অবিহনে নাৰীৰ যিদৰে কল্পনা কৰিব নোৱাৰি ঠিক সেইদৰে নাৰীৰ অবিহনেও পুৰুষ বৰ্ত্তি থাকিব নোৱাৰে। সমাজ প্ৰৱৰ্ত্তি থাকিবলৈ আৰু সৃষ্টি পাতনি অব্যাহত থাকিবলৈ হ'ল জগতত পুৰুষ আৰু নাৰীৰ সম মৰ্যাদা থকাতো নিতান্তই প্ৰয়োজনীয় কথা।

বিশ্বৰ ভিতৰত ভাৰতবৰ্ষৰ স্থান অতি উচ্চ আৰু অত্যন্ত প্ৰশংসনীয়। ব্ৰহ্ম চিন্তনৰ উৎস ৰূপে ভাৰতবৰ্ষ বহু প্ৰশংসিত। ভাৰত মাতৃৰ বুকুত গঢ়লৈ উঠা হিন্দু ধৰ্মৰ নানা শাস্ত্ৰত নাৰীক বিভিন্ন ৰূপত বন্দনা কৰি অহা দেখা যায়। মনুস্মৃতিৰ গ্ৰন্থকাৰ মনুৰে তেওঁৰ 'মনুস্মৃতি'ত নাৰীক এনেদৰে কৈছে--

'যত্ৰনাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্তু ন পূজ্যন্তে সৰ্বাস্তত্ৰাফলাং ক্ৰিয়াঃ।।

মনুস্মৃতি-৩/৫৬

অৰ্থাৎ য'ত নাৰীয়ে পূজা পায়, বা য'ত নাৰীক সন্মান কৰা হয়, তাত দেৱতাসকলেও বিৰাজ কৰে আৰু য'ত নাৰী পূজিত বা সন্মানিত নহয়, তাত সকলো কামেই নিষ্ফল হয়।

'চণ্ডী'তো ঋষিয়ে ঘোষণা কৰিছে-- 'স্ত্ৰীয় সমস্তাঃ সকলা জগৎসু' অৰ্থাৎ নাৰীয়ে হ'ল জগতৰ যাৱতীয় সকলোখিনি। তৈত্তিৰীয় উপনিষদত নাৰীক যথেষ্ট গুৰুত্ব দিছে। 'মাতৃদেৱোভৱ, পিতৃদেৱো ভৱ, আচাৰ্যদেৱো ভৱ্।' অৰ্থাৎ পিতৃ-মাতৃ আৰু জ্ঞানদাতা গুৰুৰ ভিতৰত জন্মদাত্ৰী মাতৃক আগস্থান দিয়া হৈছে। পৃথিৱীৰ ভিতৰতে মাতৃসকল সৰ্বশ্ৰেষ্ঠ। সেয়ে নেপোলিয়নে কৈছিল-- '*Give me some good mothers, I will give you a good nation.*' মাতৃ হৈছে বিশ্বাসৰ সৰ্বোত্তম আধাৰ। যীশুখৃষ্টৰ ভাষাত ক'বলৈ গ'লে '*Who ever does the will of my Father in heaven is my Mother.*'

'সহস্ৰন্তু তু পিতৃন্ মাতা গৌৰৱেণাতিৰিচ্যতে' অৰ্থাৎ হেজাৰজন পিতাতকৈ এগৰাকী আই অধিক গৌৰৱৰ

পাত্ৰী- মনু সংহিতা (২/১৪৫) এনেবোৰ উক্তিৰ পৰাই নাৰীৰ মৰ্যাদা আৰু দায়িত্বৰ কথা আমি অনুমান কৰিব পাৰোঁ। মানৱ সমাজত যুগে যুগে মাতৃসকলে এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। সমাজ গঢ়াৰ মূল সম্পদ ‘মানৱ সম্পদ’ তৈয়াৰ কৰাত বা বিকাশৰ ক্ষেত্ৰত মাতৃসকলৰ স্থান অপৰিহাৰ্য। চীন দেশীয় পণ্ডিতে কৰা উক্তি প্ৰণিধানযোগ্য। *‘Thousand men can build a camp but an Women can build a house.’* মানৱীয় সৎগুণ বিস্তাৰৰ ক্ষেত্ৰত মাতৃৰূপী তিৰোতাৰ বিশেষ ভূমিকা মন কৰিবলগীয়া। কাৰণ তিৰোতাসকল নিজেই গুণৰ আকৰ স্বৰূপ। এইগুণৰ আকৰ স্বৰূপে তিৰোতাসকলক লৈ শিক্ষাবিদ *‘B. Kumarappa* ৰ এটি উক্তি স্মৰণযোগ্য-- *‘If you educate a man. You educate an individual but if you educate an women, you educate the whole family’.* এনেবোৰ মন্তব্য বিচাৰ বিশ্লেষণ কৰি চালে দেখা যায় যে, নাৰীসকল কেৱল দৈহিক আৰু মানসিক সত্তাৰে জন্মদাত্ৰী নহয়, বৰঞ্চ বৌদ্ধিক, আধ্যাত্মিক তথা মানৱীয় সত্তাৰো জন্মদাত্ৰী। মাতৃসকলৰ পৰাই বিশ্বত প্ৰথম ধৰ্মীয় চেতনা জাগ্ৰত হৈছিল। মানৱীয় প্ৰমূল্যৰ সৃষ্টি কাৰিণীও মাতৃসকলেই।

‘মাতৃ’ শব্দতো কোমল আৰু মৰমযুক্ত। প্ৰকৃতি বা স্ত্ৰীসকলক বুজাবলৈ বিভিন্ন শব্দ ব্যৱহাৰ কৰা দেখা যায়। যেনে- মহিলা, নাৰী, ছোৱালী, জীয়ৰী, বালিকা, ৰমণী, স্ত্ৰী, গৃহিণী, জননী, তিৰোতা, বোৱাৰী, পত্নী, ভগ্নী, বাইদেউ, আইতা, মাতৃ, আই-মাতৃ ইত্যাদি। প্ৰত্যেকতো শব্দই মনোমোহা আৰু অৰ্থবহ। ভাৰতীয় সংস্কৃতিত ‘মহিলা’ অৰ্থ হৈছে মহান, অতি সন্মানীয়। সংস্কৃত ‘মহ’ ধাতুৰ পৰা মহিলাৰ (মহ + ইলচ্) উৎপত্তি হৈছে। যাৰ অৰ্থ হৈছে সন্মানীয়, পূজাৰ যোগ্য। ‘মহিলা’ বুলি ক’লে স্ত্ৰী, তিৰোতা, ভদ্ৰ ৰমণীক বুজায়।

সংস্কৃত ‘নৃ’ ধাতুৰ পৰা ‘নৰ’ শব্দটো উদ্ভৱ হৈছে। ‘নৰ’ৰ স্ত্ৰীলিঙ্গ হৈছে নাৰী। নাৰীসকল হ’ল মহীয়সী, গৰীয়সী, মহৎ আৰু উচ্চগুণ সম্পন্ন। নাৰীসকল ত্যাগৰ প্ৰতীক। দয়া, ক্ষমা আৰু উদাৰ মনোবৃত্তিৰে সিক্ত নাৰীসকল সমাজৰ চিৰ বন্দিত আৰু পূজিত। ভাৰতীয় নাৰীৰ পৰম্পৰাৰে অসমীয়া নাৰীয়েও দয়া, ক্ষমা, মৰম, স্নেহ, ত্যাগ সেৱা ধৰ্মৰ সু-মহান আদৰ্শত ব্ৰতী হৈ দেশ তথা জাতিৰ মঙ্গলৰ বাবে উন্নতি আৰু প্ৰগতিৰ বাবে নীৰৱে অৰিহণা যোগাই আহিছে। নাৰী পুৰুষৰ অৰ্ধাঙ্গিনী, আদ্য শক্তি সংহাৰিণী, জননী, গৃহিনী, ভগ্নী, মাতৃ আৰু মূলধাৰ ৰূপে পূজিত হৈ আহিছে। নাৰীসৰৰ মন তেনেই সুকোমল। নাৰী ফুলতকৈয়ো কোমল আৰু প্ৰয়োজন সাপেক্ষে বজ্ৰতকৈয়ো কঠোৰ হ’ব পাৰে। আধ্যাত্মিক আৰু নৈতিক চিন্তা-চৰ্চাত নাৰী পুৰুষতকৈ শ্ৰেষ্ঠ হ’ব পাৰে।

সংস্কৃত ‘গৃহ’ শব্দৰ পৰাই ‘গৃহস্থ’ আৰু ‘গৃহিণী’ পদৰ উৎপত্তি। (গৃহ + ইন্ + গৃহিন + স্ত্ৰী, ঈ + গৃহিনী) কোনো এখন ঘৰৰ গৰাকিনী অৰ্থাৎ মালিকনী হোৱাৰ বাবেই গৃহস্থৰ ভাৰ্যা (গৃহস্থনী)ক অৰ্থাৎ নাৰীক গৃহিণী, ঘৈণী, ঘৰিণী আদি শব্দৰেও বুজোৱা হয়। প্ৰকৃতাৰ্থত গৃহিণী গৰাকীয়ে হৈছে ঘৰখনৰ চালিকা শক্তি বা লাইখুটা সদৃশ। গৃহস্থনীক কেন্দ্ৰ কৰিয়েই ঘৰখনৰ মৰম-স্নেহ, প্ৰেম-প্ৰীতি, আদৰ-সম্ভাষণ, অতিথি-আলহী আদি আপ্যায়ন, ওচৰ-চুবুৰীয়াৰ লগত সদ্ভাৱ, ভকত-বান্ধৱ আদি সৎজনক সেৱা-ভক্তি অনেক কাম চলি আহিছে আৰু চলি থাকিব। গৃহস্থনী গৰাকীৰ আচৰণ, ব্যৱহাৰ সজ হোৱামানেই গোটেই পৰিয়ালটিৰ আচৰণ সজ হোৱা। ঘৰখনৰ আচৰণে ওচৰ-চুবুৰীয়া আৰু সমাজৰ ওপৰতো উন্নতিৰ প্ৰভাৱ পেলাব পাৰে।

সংস্কৃত ব্যাকৰণ ৰচোতা পাণিনিয়ে ‘পত্নী’ শব্দৰ অৰ্থ এনেদৰে ভাঙি দেখুৱাইছে ‘পা’ ধাতুৰ পৰা উৎপত্তি হোৱা পতি শব্দত ‘ন’ প্ৰত্যয় সংযোগে ‘পত্নী’ শব্দ উদ্ভৱ হোৱা অৰ্থাৎ পতিক যজ্ঞ সম্পাদন কৰাত সহায় কৰা বুজায়। পত্নীসৰ পতিব্ৰতা হোৱাটো বাঞ্চনীয়। ‘পতিচিয়াং ব্ৰতা অনুসৰাণী পতিব্ৰতা’ অৰ্থাৎ পতিৰ ব্ৰতত উৎসাহ যোগাওঁতাই হ’ল ‘পতিব্ৰতা’। পতি-পত্নী এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। পত্নী অবিহনে কোনো শুভকাৰ্য সম্পন্ন হ’ব নোৱাৰে। সীতাৰ অবিহনে ৰামচন্দ্ৰই ৰাজসূয় যজ্ঞ সম্পন্ন কৰিব নোৱাৰে বুলি ঋষিৰ কথা মতে স্বৰ্ণ মূৰ্তি সীতা তৈয়াৰ কৰি যজ্ঞ সম্পন্ন কৰা কাৰ্যই পত্নীৰ মৰ্যাদা কিমান মহান তাকে সূচাইছে। শতপথ ব্ৰাহ্মণতো উল্লেখ আছে যে পত্নী হ’ল যজ্ঞৰ অৰ্দ্ধাংশ।

সংস্কৃত ‘স্ত্যৈ’ ধাতুৰ পৰা ‘স্ত্ৰী’ শব্দৰ উৎপত্তি। ইয়াৰ অৰ্থ হৈছে বিস্তাৰ কৰা বিয়পাই দিয়া। প্ৰেম, কৰুণা, দয়া,

মৰম, স্নেহ আদি গোটেই বিশ্বতে উদাৰ চিত্তে বিলাই দিয়াই স্ত্ৰীৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য। স্ত্ৰী হৈছে শান্তিৰ প্ৰতিমূৰ্তি। স্ত্ৰীশক্তি সমাজখনৰ তাৰিণী শক্তি বুলিব পাৰি।

নাৰীৰ শ্ৰেষ্ঠতম ৰূপ হ'ল মাতৃৰূপ। গাখীৰৰ পৰাই মাখন সৃষ্টি হ'লেও মাখনৰ এটি সুকীয়া বৈশিষ্ট্য থকাৰ দৰেই নাৰীৰ মধ্যে 'মাতৃ'ৰ এটি স্বকীয় মহত্ব আছে। নাৰী বা মহিলা হোৱাটো সহজ কিন্তু এগৰাকী 'আদৰ্শ মাতৃ' হোৱাটো যথেষ্ট কঠিন। মাতৃৰ মহত্ব ফুটি ওলাইছে ভগৱান কৃষ্ণই গুৰু সান্দীপনিৰ ঋষি পৰা লোৱা আশীৰ্বাদ স্বৰূপ বৰটিত। প্ৰভুকৃষ্ণই গুৰুৰ পৰা বৰ মাগি লৈছিল 'মাতৃ হস্তেন ভোজানম্'। আচাৰ্য বিনোৱা ভাৱেই পৰম পিতাৰ ওচৰত এটি মহৎ ভিক্ষা প্ৰাৰ্থনা কৰিছিল। ভিক্ষাটি হ'ল 'মাতৃ হস্তেন শিক্ষনম্'। ইয়াৰ দ্বাৰা প্ৰমাণ হ'ল যে মাতৃয়েই পুত্ৰৰ প্ৰথম গুৰু।

ভাৰতীয় সভ্যতা-সংস্কৃতিত নাৰী আৰু পুৰুষৰ সমান অৰিহণা কোনেও নুই কৰিব নোৱাৰে। বৈদিক সভ্যতা বিকাশত পুৰুষৰ সমানে সমানে সুকীৰ্তি, ইন্দ্ৰাণী, অপালা, খনা, গাৰ্গী, আত্ৰেয়ী, মৈত্ৰেয়ী আদি বহুতো নাৰী চৰিত্ৰই উল্লেখনীয় অৰিহণা আগবঢ়াইছে। বৈদিক যুগত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য জাতিৰ তিৰোতাই বেদ অধ্যয়ন কৰিব পাৰিছিল। মন্ত্ৰ ৰচনা কৰা ক্ষেত্ৰতো নাৰীৰ অধিকাৰ আছিল। তেওঁবিলাকে শিক্ষা গ্ৰহণ কৰাৰ উপৰি উপাধ্যায়, আচাৰ্য আদি পদত অধিষ্ঠিত হ'ব পাৰিছিল। লগুণ লোৱা আৰু গায়ত্ৰী মন্ত্ৰ জপ কৰিব পৰা অধিকাৰো সেই নাৰীয়ে পুৰুষৰ সৈতে সমানেই লাভ কৰিছিল। পতঞ্জলিৰ বিশ্ববিশ্ৰুত গ্ৰন্থ 'মহাভাষ্য'ত শিক্ষয়িত্ৰীৰূপে আপিশালী আৰু ঔদমেধী নামৰ দুগৰাকী শিক্ষিতা নাৰীৰ কথা উল্লেখ আছে। বৃহদাৰণ্যক উপনিষদৰ মতে ব্ৰহ্মবাদিনী নাৰী ঋষি গাৰ্গীক তাৰ্কিক যজ্ঞবাল্ক্যইও তৰ্কত পৰাস্ত কৰিব নোৱাৰিছিল। চিৰবন্দিতা, উচ্চ আসন লাভ কৰা নাৰীসকলৰ মৰ্যাদা মনুসংহিতাৰ দিনত কিছু নিম্নগামী হ'ল। স্ত্ৰী আৰু শূদ্ৰসকলক বেদ অধ্যয়নৰ পৰা বিৰত কৰালে। ধৰ্মসূত্ৰবোৰতো নাৰীক উচ্চ আসনৰ পৰা নমাই আনি নিম্নগামী কৰিছিল।

সৰ্ব ভাৰতীয় পটভূমিত সৰ্বকালৰ সৰ্বোত্তম শ্ৰেষ্ঠ গুৰু শ্ৰীমন্ত শঙ্কৰ গুৰুজনাই অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ কৰি অসমবাসীক একত্ৰিত কৰি এখন বৰ্ণ-বৈষম্যহীন সুস্থ সমাজ গঢ়াৰ দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছিল। সেয়া কেৱল প্ৰশংসনীয়ই নহয়, বৰ্তমান বিশৃঙ্খল সমাজৰ বাবে আন্তৰিকতাৰে অনুপকৰণীয় আৰু গ্ৰহণীয়ও। সাম্য-মৈত্ৰী, ঐক্য আৰু প্ৰগতিৰ সমন্বয়ক 'এক শৰণ হৰিনাম ধৰ্ম' প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত পুৰুষসকলৰ লগতে আই-মাতৃসকলৰো দায়িত্ব অপৰিসীম। কাৰণ আই-মাতৃসকলেহে নিজৰ ঘৰখন সৰ্বাঙ্গসুন্দৰ কৰি গঢ় দিব পাৰে। ঘৰখনত এটা সাৰ্বজনীন চিৰশাশ্বত শুদ্ধ ধৰ্মীয় প্ৰৱাহ আইমাতৃসকলে প্ৰৱাহিত কৰি ৰাখিব লাগে। সেয়ে আমাৰ মাতৃসকলে গুৰুজনাৰ নীতি, আদৰ্শ, কায়মনোবাক্যে গ্ৰহণ কৰি নিজৰ লগতে সমাজৰ মঙ্গল সাধন কৰিব লাগে।

একশৰণ হৰিনাম ধৰ্মৰ দুৱাৰ নাৰী পুৰুষৰ বাবে সমানে খুলি দি সমতা স্থাপন কৰা গুৰুজনাই জাতিভেদৰ সঙ্কীৰ্ণতাৰ পৰিধি ভাঙি নাৰী পুৰুষৰ সম-মৰ্যাদাৰ ধ্বনি উদাত্ত কণ্ঠে ঘোষণা কৰিছিল--

'কাক বুলি হৰি কথা হৰিৰ কীৰ্ত্তন কৰা
যিটো সৰে একোৰে নাজানে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি তাকো শিক্ষা দিবা মাতি
ধৰিবে সিসবে অহোপ্ৰাণে।।'

-- নিমি-নৱসিদ্ধ সংবাদ-৩৩৩

মহাপুৰুষজনাই বিশ্বজনীন মানৱতাবাদত আপ্লুত হৈ আৰু 'জীৱ অংশে প্ৰৱেশিলা গাৱে গাৱে' এই মূলতত্ত্বক সাৰোগত কৰি তাৰাৰ ধৰ্ম সাধন প্ৰক্ৰিয়াত সমস্তৰে অধিকাৰ থকাতো পতিপন্ন কৰি গৈছে। জাত-পাতৰ কথা নাই, পুৰুষ-স্ত্ৰীৰ কথা নাই, উচ্চ-নীচৰ তথা সমস্তকে হৰি ভজনা কৰাৰ সুবিধা দিয়া মহাপুৰুষজনাই সেয়েহে মুক্ত কণ্ঠে কৈছে- 'ওৰা নৰলোক হৰি ভজিয়োক' এনে উদাৰ আৰু মহান ধৰ্ম প্ৰচাৰক সঁচাকৈয়ে অদ্বিতীয়। তাৰাৰ প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মত নাৰী আৰু পুৰুষৰ সমঅধিকাৰ সাব্যস্ত কৰিবলৈ গৈ ভাগৱতৰ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' খণ্ডত শ্ৰীকৃষ্ণই উদ্ধৱক উপদেশ দিয়াৰ চলেৰে আমালৈ তথা গোটেই জগতবাসীলৈকে উপদেশ প্ৰেৰণ কৰি গৈছে।

'স্ত্ৰী শূদ্ৰে কৰে যদি আমাক ভকতি।
তাহাত কহিবা ইটো জ্ঞান মহামতি।।

ভাগৱত, একাদশ স্কন্ধ-২৬৩

পৰম মঙ্গল হৰিনাম অবৈষ্ণৱ, অভকত, দাম্ভিক,

দুৰ্জনজনকহে নক'বলৈ প্ৰভু ভগৱন্ত কৃষ্ণই উদ্ধৱক বাৰণ কৰি দিছিল। ৰহস্য ভকতিৰ তত্ত্ব উদ্ধৱক কোৱাৰ চলেৰে বিশ্ববাসীলৈ তাৰাই উপদেশ দিছিল এনেদৰে--

'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।'

- কীৰ্ত্তন, শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়াণ১৮২১

ভকত, বৈষ্ণৱ বুলিলে কেৱল পুৰুষকে আমি নুবুজো, ঈশ্বৰ কৃষ্ণক সেৱা কৰা সমস্তজনকে তথা বাপ-আই, যুৱক-যুৱতীকে বুজো। তেনেক্ষেত্ৰত ধৰ্ম ৰক্ষা কৰা পুৰুষতকৈ নাৰী কোনো গুণে নীচ হ'ব নোৱাৰে। ধৰ্ম ৰক্ষা কৰিবলৈ প্ৰথমে ব্যক্তিজন 'শ্ৰীকৃষ্ণৰ গৃহক যত্নে চলিয়োক' তথা কৃষ্ণ সন্মুখীন হৈ ভকত, বৈষ্ণৱ হ'বই লাগিব। শৰণ, ভজন, প্ৰক্ৰিয়াৰ দ্বাৰা মানৱে ঈশ্বৰ কৃষ্ণক ভজনা কৰিলেই (এককভাৱে) এক দেউ, এক সেউ, তেতিয়াই প্ৰভুই মানৱক কৃপা নিশ্চয় কৰিব। সেয়ে তাৰাই কৈছে--

'অভকত দুৰ্জ্জনক নকইবা উপদেশ।
বৈষ্ণৱ জনক দিবা সদা উপদেশ।।'

-- ভাগৱত, একাদশ স্কন্ধ

ধৰ্ম সূত্ৰ, মনুসংহিতাত নাৰীৰ মৰ্যাদা নিম্নমান হোৱাৰ পৰাই আমাৰ সমাজত এক শ্ৰেণী লোকে নাৰীক কেৱল চাৰিবেৰৰ মাজতে আৱদ্ধ ৰাখিবলৈ বিচাৰিছিল। কিন্তু সেই কলিয়াভাৱাপন্ন মনোভাৱ সমাজত সৰহ দিন নিটিকিল। গুৰুজনাৰ নৱবৈষ্ণৱ ধৰ্মই তেনে হীন ভাৱ থানবান কৰি আই-মাতৃক ধৰ্মৰ অধিকাৰিনী পাতি প্ৰত্যেকৰে জ্ঞানৰ চকু মোকলাই দিছিল। গুৰুজনাৰ ধৰ্ম যিহেতু উদ্দেশ্য ধৰ্মী আৰু মূল সংস্কৃত গ্ৰন্থৰ পৰা আহৰণ কৰা গতিকে তাৰাৰ কীৰ্ত্তন, দশম, ভাগৱত, ৰুক্মিণী হৰণ কাব্য আদিত নাৰীৰ হেয় ৰূপ এটা প্ৰকাশ নোপোৱা নহয়। যিহেতু সৰ্বভাৰতীয় বৈষ্ণৱ আদৰ্শত থকা নাৰী সম্পৰ্কীয় ধাৰণাহে তাৰাই প্ৰকাশ কৰিছে, গতিকে উক্ত ধাৰণা গুৰুজনাৰ নিজস্ব নহয় আৰু হ'বই নোৱাৰে। সমাজ সংস্কাৰক উদাৰ পন্থী গুৰুজনাই সমাজ গঠনত তথা সমস্ত কৰ্মত পুৰুষৰ সমানে, কিছু কিছু ক্ষেত্ৰত পুৰুষতকৈ নাৰীকহে অধিক গুৰুত্ব দিয়া দেখা যায়। সূৰ্য পুৰাণ 'মহাভাগৱত' আৰু 'ভক্তি-প্ৰদীপ' গ্ৰন্থৰ দুটা পদেই ইয়াৰ সত্যতা প্ৰমাণ কৰিব।

'স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।।'

-- ভাগৱত

'ভক্তি-প্ৰদীপ'ত চণ্ডালিনীক উত্তম ভকত বুলি ঘোষণা কৰিছে। ভকতৰ সমস্ত লক্ষণ চণ্ডালিনীৰ গাত পৰিস্ফুট হোৱা দেখি তাৰাই অকুণ্ঠ চিত্তে কৈছে--

'ধন্য ধন্য চণ্ডালিনী মতিত উত্তম।
নেদেখিলো পৰম ভকত তোৰ সম।।

-- ভক্তি-প্ৰদীপ

'ঘোৰ নাৰী মায়াসৰ মায়াত কুৎসিত।
মহাসিদ্ধ মুনিৰো কটাক্ষে হৰে চিত্ত।।
দৰশনে কৰে তপ জপ যোগ ভঙ্গ।
জানি জ্ঞানীগণে এৰে কামিনীৰ সঙ্গ।।

-- কীৰ্ত্তন

'যতেক সুন্দৰী নাৰী পৰম অনৰ্থকাৰী
আতপৰ নাহিকে নিস্তাৰ।'

-- আদ্য দশম

'পৰম অনৰ্থকাৰী নাৰী সমস্তয়।
নাৰী সঙ্গে বহু দুখ পুৰুষে লভয়।।'

--ভক্তি ৰত্নাকৰ

'স্বভাৱতে নাৰী নোহে স্বতন্ত্ৰৰী।'

-- ৰুক্মিণী হৰণ কাব্য

এনেবোৰ বাক্য বা পদৰ তাৎপৰ্য যথেষ্ট গুৰুত্বপূৰ্ণ। ইয়াত নাৰীক নীচ বা হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰাতকৈ সুন্দৰী ৰমণীসকল ধৰ্ম সাধন পথত কেতিয়াবা অন্তৰায় ৰূপে দেখা দিব পাৰে তাৰহে সতৰ্কবাণী সমাজলৈ দিছে। কাৰণ ৰম্ভা, মেনকা, উৰ্বশীৰ সৌন্দৰ্যই তপস্যাৰত মুনিৰ ধ্যান ভঙ্গ কৰিছিল। সেয়ে ধ্যানকাৰীসকলক বা সাধকসকলক অধিক আত্মসংযমী হ'বলৈ সকীয়নি দিয়া বুলিবহে পাৰি।

বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত গুৰুজনাই পুৰুষ আৰু নাৰী উভয়কে সমমৰ্যাদা প্ৰদান কৰিছিল। আই-মাতৃসৰক গুৰুত্ব দিছিল বাবেই তেওঁৰ ধাই মাতৃ চন্দৰী আইৰ কথা অনুসৰি চিহ্নযাত্ৰাৰ সপ্ত বৈকুণ্ঠ পট অঙ্কন কৰোতে কল্পতৰু বৃক্ষৰ ছৱি অঙ্কন কৰিছিল। কথা

গুৰুচৰিতত চন্দৰী আইয়ে শাস্ত্ৰতত্ত্ব ব্যাখ্যা কৰা কথাও উল্লেখ আছে। তিৰোতাসকলে মেধি, বিলনীয়াৰ কাম কৰাৰ কথা গুৰুচৰিতত উল্লেখ পোৱা যায়।

মহাপুৰুষজনাই ৰাধিকা মহাসতীৰ দ্বাৰা শান্তিজান বন্ধাই নাৰীৰ মহিমা আৰ মহত্ব প্ৰকাশ কৰিছিল। অন্যহাতে জাতি-বৰ্ণ নিৰ্বিশেষে উচ্চ-নীচৰ ভেদাভেদ আঁতৰাই একতাৰ জয়গান ঘোষিছিল। জাত-পাত মানুহৰ চৰিত্ৰ নিৰ্ণয় নকৰে, চৰিত্ৰইহে আচলতে জাত নিৰ্ণয় কৰে, তাকে গুৰুজনাই স্পষ্ট কৰি দেখুওৱালে। মাতৃ শক্তিয়ে অতীজৰে পৰাই দেশ, সমাজ, সাহিত্য-সংস্কৃতি আৰু স্বধৰ্ম ৰক্ষা কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ অসমৰ বৰভেটি গ্ৰহণ কৰি আহিছে। বৰ অসমৰ বৰভেটি নিৰ্মাণ কৰোঁতা শঙ্কৰদেৱে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই, মিৰিৰ পৰমানন্দ, ভোটৰ দামোদৰ, কৈৱৰ্তৰ পূৰ্ণানন্দ, কছাৰীৰ ৰমাই আদিৰ সকলোকে সাম্য মন্ত্ৰৰে দীক্ষিত কৰি এখন নিকা আৰু এক ঈশ্বৰৰ একান্ত মহন্তৰ সমাজৰ বুনিয়াদ ৰচনা কৰিছিল। পুৰুষ সাধু সন্তৰ লগতে 'একশৰণ হৰি নামধৰ্ম'ত বহুতো ধৰ্মপ্ৰাণা, ত্যাগী আদৰ্শ আই-মাতৃক একগোট কৰি নৱবৈষ্ণৱ ধৰ্মৰ দায়িত্ব অৰ্পণ কৰি সমাজৰ সৰ্ব দিশতে সুমঙ্গলৰ সুবাস বিয়পাই দিছিল। ধৰ্মপ্ৰাণা বিদূষী মাতৃসকলৰ ভিতৰত সতী ৰাধিকা শান্তি, আই চন্দৰী, খেৰসূতী, কনকলতা, ভুৱনেশ্বৰী, আই বৰাবাহি আই সুমতিৰ নাম চিৰ সমুজ্বল।

নাৰীসকলৰ গাত সংযুক্ত হৈ থকা গুণৰ বৰ্ণনা লেখ দি শেষ কৰিব নোৱাৰা বিধৰ। এক কথাত ক'বলৈ হ'লে নাৰী জাতি অসাধ্য সাধনৰ বাহক স্বৰূপ। নাৰীৰ দায়িত্ব, কৰ্তব্য আৰু মহত্ব বুজি ঋগ্বেদত এগৰাকী নাৰীয়ে নিজেই সগৌৰৱে ঘোষণা কৰিছে--'অহং ৰাষ্ট্ৰো সংগমনী বসুনাম।' অৰ্থাৎ মই ৰাষ্ট্ৰ দেৱতা, সৎগুণ (মঙ্গল) একগোট কৰোতা। তেনেহ'লে আমি ভাবি চাওচোন মাতৃসকলৰ কৰণীয় কিমান বহল পৰিসৰৰ। 'শাস্ত্ৰৰো উত্তম গীতা ভাগৱত', শাস্ত্ৰত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত নিজ মুখে নাৰীৰ গাত থকা গুণ বৰ্ণনা এনেদৰে কৰিছে-- কীৰ্তি, শ্ৰী, বাক্, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা এই সপ্ত গুণ নিহিত থকাৰ কথা। শাস্ত্ৰ-মহাশাস্ত্ৰৰ চিৰ উজ্জ্বল নাৰীসকলৰ তালিকা উল্লেখ কৰি ওৰ পেলাব নোৱাৰি। দ্ৰৌপদীৰ ত্যাগ আৰু ক্ষমাৰ দৃষ্টান্ত বিৰল। ভক্তিৰ ক্ষেত্ৰত চণ্ডালিনীৰ সুদৃঢ় বিশ্বাস সদা প্ৰশংসনীয়। দয়া, ক্ষমা আৰু ত্যাগৰ প্ৰতীক আই কনকলতা, ধৈৰ্য আৰু সহিষ্ণুতাৰ প্ৰতীক আই ভুৱনেশ্বৰী এই দুয়োগৰাকী বিদূষী মাতৃয়ে পুৰুষৰ সমানে সমানে সত্ৰাধিকাৰৰ পদ অলঙ্কৃত কৰি গুৰু ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত অভুতপূৰ্ব অৱদান আগবঢ়ালে। আই চন্দৰী, মহাৰাজ চিলাৰায়ৰ পত্নী প্ৰভৃতি আইসকলক শৰণ দি মুক্তিৰ পথ অগ্ৰসৰ কৰালে। চিলাৰায়ৰ এশ পত্নীয়ে, ধূপ দীপ, বয়-বস্তুৰে আথে-বেথে আহি শঙ্কৰদেৱক সেৱা জনোৱাৰ কথা গুৰুচৰিতত এনেদৰে পোৱা যায়--

'চিলাৰায় দেৱানৰ শতেক ৰমণী।
সেৱিলন্ত সকলোৱে বিত্ত-বস্তু আনি।।
একজোৰা কাপোৰ আৰু টকা ফুল মালা।
হাতে হাতে আনি সৱে গুৰুক সেৱিলা।।
তাৰ পাছে ৰাণীসৱে প্ৰাৰ্থনা কৰিলা।
'এক চিত্ত' জানি গুৰু শৰণক দলা।।'

-- গুৰুচৰিত

এই কথাই 'একশৰণ হৰিনাম ধৰ্ম'ত নাৰী পুৰুষৰ সমঅধিকাৰৰ কথাকে সূচনা কৰিছে। কোনো কোনো ক্ষেত্ৰত পুৰুষতকৈয়ো আইসকলকহে বেছি আদৰ্শনীয় ৰূপত অঙ্কন কৰিছে। একশৰণ নামধৰ্মত একনিষ্ঠা আই বাৰাবাসীয়ে স্বামী নাৰায়ণ দাস ঠাকুৰ আতাক কীৰ্ত্তন-ঘোষাৰ পদ মুখস্থ কৰাত অনেক যত্ন লৈছে। কেৱল প্ৰসাদৰ সোৱাদ ভাল পোৱা স্বামীক নামৰ সোৱাদ দিবলৈ আইগৰাকীয়ে কৰা প্ৰযত্ন সঁচাই হৃদয়স্পৰ্শী।

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰিয়তম শিষ্য দাস্য ভকতিৰ উদাৰ তথা ত্যাগী মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰৰ ৰঙীয়াল ঘৰটি বনজুইয়ে পোৱাৰ সময়ত মথুৰা দাস বুঢ়া আতাৰ পত্নী সুমতী আইয়ে নৰোত্তম আতৈৰ সহযোগত অশেষ কষ্ট কৰি অত্যাৱশকীয় বস্তু কেইপদমান কোনোমতে জুয়ে নোপোৱাকৈ ৰক্ষা কৰিছিল। মাধৱদেৱ তেতিয়া কোচবিহাৰত আছিল। সুমতী আইয়ে নিজা প্ৰযত্নত চালি এখন ব্যৱস্থা কৰি বন্তি এগছি প্ৰজ্বলন কৰি পাঠ-প্ৰসঙ্গ কৰি গুৰুধৰ্ম তথা সত্ৰৰ পূৰ্ব পৰম্পৰা ৰক্ষা কৰিছিল। বিপ্ৰ পত্নী, দ্ৰৌপদী, ৰুক্মিণী, বৃন্দাবনৰ গোপীনীসকলে নিজা ভক্তিৰ বলত পৰমেশ্বৰৰ দৰ্শন লাভ কৰিবলৈ সক্ষম হৈছিল। 'ৰুক্মিণী হৰণ' নাটকৰ ৰুক্মিণীক ধৈৰ্যশীলা, উপস্থিত বুদ্ধিসম্পন্না, গভীৰ কৃষ্ণ প্ৰেমিকা,

তথা কৃষ্ণ ভক্তি পৰায়ণা কৰি আমাৰ সমাজৰ নাৰীলৈ দৃষ্টান্ত দেখুৱাই গৈছে। যশোদা আৰু ৰোহিণীৰ মাজেৰে এগৰাকী মাতৃৰ সদা কৰ্মব্যস্ততাৰ চিত্ৰ অঙ্কন কৰিছে। কৰ্ম মাজেৰে কেনেকৈ গোবিন্দ গুণনাম স্মৰণ কৰি থাকিব লাগে সেইকথা যশোদাৰ মাজেৰে পৰিস্ফুট কৰি তুলিছে। 'কৰ্ম কৰা ধৰ্ম হ'ব' কৰ্ম হ'ব লাগিব কৃষ্ণত অৰ্পিত। সেয়েহে আইমাতৃসৰে পুৱাৰ পৰা শয্যালৈ যোৱালৈকে সমস্ত কৰ্ম কৃষ্ণ অৰ্পণা কৰি যাবলৈ গুৰুজনাই আহ্বান জনাইছে।

আমাৰ সমাজে সৃষ্টিবাহক আই-মাতৃ কেনেদৰে ব্যৱহাৰ কৰিব লাগে সেই সম্পৰ্কে স্পষ্ট মত প্ৰকাশ কৰিছে--

'মনে চৰণক চিন্তে নজানয় আন।
চক্ষু পৰস্ত্ৰীক দেখি কৰেমাতৃ জ্ঞান।।
পুত্ৰ আশে ঋতুকালে আপোন ভাৰ্যাত।
ভাৰ্যা বিনে অন্যত্ৰ নকৰে বিন্দু পাত।।'

-- ভাগৱত, একাদশ স্কন্ধ

অন্যহাতে সতী নাৰীৰ গুণ সম্পৰ্কত তাৰাই শান্তি ৰাধিকাৰ মুখেৰে প্ৰকাশ কৰাইছে--

'স্বামী জপ স্বামী তপ স্বামী কৰো ধ্যান।
স্বামীৰ কুশল বিনা নিচিন্তোহো আন।।
সত্য শৌচ ক্ষমা দয়া অতিথি সৎকাৰ।
কদাচিতো নকৰোহো কাকো তিৰস্কাৰ।।'

-- সন্তাৱলী

ভাগৱত পুৰাণ, ইতিহাস আদি শাস্ত্ৰৰসমূহলৈ দৃষ্টি নিক্ষেপ কৰিলে এটা কথা স্পষ্ট ৰূপত দেখা পোৱা যায়, বিশ্বৰ মঙ্গল চিন্তা কৰিলে বা সংসাৰ যাত্ৰাত সুকলমে দিন অতিবাহিত কৰিবলৈ হ'লে স্বামী স্ত্ৰী দুয়োৰ সহযোগিতা অত্যন্ত প্ৰয়োজন। চৰাচৰ জগতৰ সৃষ্টিৰ মূলত হ'ল নাৰী পুৰুষৰ পাৰস্পৰিক বুজাবুজিৰ সহযোগিতা আৰু সমত্ব বা একত্ব প্ৰতিষ্ঠা। সেয়ে সমাজে মনত ৰখা দৰকাৰ--

'প্ৰকৃতি পুৰুষে দুয়ো হৈবা একমতি।
তেবেসে সিজিব আসি হৰিত ভকতি।।'

মানুহৰ মৌলিক প্ৰয়োজনীয় বস্তু জুই আৰু পানীৰ দুটা ৰূপ থকাৰ দৰে নাৰী সকলৰো প্ৰকৃতাৰ্থত দুটা ৰূপে ক্ৰিয়া কৰি থাকে। পানীৰ দুটাৰূপ শান্ত, নিৰ্মল আৰু ভয়ঙ্কৰ। ঠিক জুইক বা আগ্নেয়াস্ত্ৰক সঠিক ব্যৱহাৰ কৰিব নজনাৰ ফলত নিমিষতে একোখন মহানগৰী ভস্মীভূত হোৱাৰ দৰে নাৰী সমস্তকো উপযুক্তভাৱে ব্যৱহাৰ কৰিব নোৱৰাৰ দোষত আজি একো একোখন ঘৰ, সমাজ, ৰাষ্ট্ৰৰ বুকুলৈ অশান্তিৰ কাল ধুমুহা নামি অহাতো স্বাভাৱিক।

দৈহিক গঠন প্ৰণালীত নাৰী আৰু পুৰুষৰ ভিন্নতা দেখা যায়। সৃষ্টি ৰহস্য অব্যাহত ৰাখিবলৈ সৃষ্টি কৰে লিঙ্গ ভেদ কৰি দুটা সত্তা তৈয়াৰ কৰিছে। কিন্তু জ্ঞান, বুদ্ধি, চিন্তা-চৰ্চা, গৱেষণা, ধৰ্ম ৰক্ষা কৰা, সমাজ সংস্কাৰ কৰা আদি সমস্ত দিশতে নাৰী আৰু পুৰু,ৰ সমান অধিকাৰ। প্ৰশ্ন হ'ল গুৰুজনাই যি সুমহান আদৰ্শ আগত ৰাখি বিশ্বজনীন হৰিনাম ধৰ্মত সবাৰে সম অধিকাৰ ৰোপণ কৰি সমতাৰ জয়গান গাইছিল আজি আমাৰ সমাজে তাক যথোপযুক্ত ব্যৱহাৰ কৰিব পৰা নাই যেন অনুমান হৈছে। বিজ্ঞানৰ ন ন আৱিস্কাৰে আমাক বহুত কিবাকিবি দিছে, আমি পুৰুষ-নাৰী সকলোৱে শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশত তথাকথিত শিক্ষিত হৈছোঁ, কিন্তু বস্তুবাদী চিন্তাই আমাৰ সমাজৰ সৰহখিনি মানৱকে পঙ্গু কৰি তুলিছে। ভোগবাদৰ কৰাল গ্ৰাসত পৰি আমি সততা, নিষ্ঠা, দয়া, ক্ষমা হেৰুৱাই পশ্চিমীয়া চিন্তাত নিমগ্ন হৈছোঁহক। গতিকে সমাজত ক'লা ধন ঘটি কম সময়ৰ ভিতৰতে পুঁজিপতি হ'বলৈ যেন প্ৰত্যেকে প্ৰতিযোগিতা চলাইছে। ফলত সমাজৰ কাঠাম ভঙ্গী ছিন্ন-বিছিন্ন হৈ উঠিছে। দিনক দিনে হত্যা, লুণ্ঠন, হিংসা বৃদ্ধি পাইছে আৰু নাৰীজনিত কেলেংকাৰী অত্যাধিক ৰূপত হ'বলৈ ধৰিছে।

ৰামায়ণৰ সীতাদেৱীক লৈ মহৰ্ষিজনাই কৰা এটি মন্তব্য প্ৰণিধানযোগ্য-- 'যেতিয়ালৈকে পৃথিৱীত পৰ্বতসমূহ থাকিব, তেতিয়ালৈকে জগতত মানুহে মহাসতী সীতাৰ মহীয়সী নাৰীত্বৰ গুণ-কীৰ্তন কৰি থাকিব।' এতিয়া কথা হ'ল মহাসতী সীতা, দ্ৰৌপদী, মূলাগাভৰু দেশৰ নাৰীৰ অৱস্থা আজি কিয় ইমান নিম্নগামী হ'বলৈ পাইছে, ইয়াৰ সমিধান আমি নিজেই উলিয়াব লাগিব।

বৰ্তমান সমাজত যি হিংসাৰ দাবানল জ্বলিছে, অন্যায়, অত্যাচাৰ, উৎপীড়ন, নিৰ্যাতন, ধৰ্ষণ ইত্যাদি কাৰ্যবোৰ বাঢ়িছে। সেই সকলোবোৰ কেৱল জ্ঞান ৰূপ ভক্তিৰ দ্বাৰাহে নাশ কৰিবলৈ সক্ষম হ'ব পৰা যাব। আত্মজ্ঞান মহাজ্ঞান এই মহাজ্ঞান উপাৰ্জন কৰিবলৈ আমি আটায়ে মহাপুৰুষ দুজনাই প্ৰচাৰ আৰু প্ৰসাৰ কৰি যোৱা 'একশৰণ হৰিনাম-ধৰ্ম'ত ঐকান্তিক চিত্তেৰে অনুপ্ৰাণিত হৈ তাৰাৰ আদৰ্শ

আৰু উদ্দেশ্যক বাস্তৱত ৰূপ দিব পাৰিলে সমাজ নিশ্চয় সুন্দৰ হ'বই হ'ব। নাৰীসকল যিহেতু পৱিত্ৰতা, সহনশীলতা আৰু সুন্দৰতাৰ প্ৰতীক, গতিকে মাতৃসকলৰ সকলো কাম সৌন্দৰ্যমণ্ডিত আৰু মাধুৰ্যময় হোৱা উচিত। আত্মসংযম, ত্যাগ আৰু ধৈৰ্য নাৰীৰ জীৱনৰ সাৰথি হোৱা উচিত। ৰাষ্ট্ৰ নিৰ্মাণ কৰিব পৰা গৰীয়সীসকলে সদাসৰ্বদা মহাপুৰুষজনাৰ আদৰ্শক নতশিৰে গ্ৰহণ কৰি ধৰাধামৰ বুকুলৈ শান্তি নমাই আনক। মনত ৰাখিবলগীয়া সাম্যবাদৰ মন্ত্ৰটি গুৰুজনাই কীৰ্ত্তনত এনেদৰে বৰ্ণনা কৰিছে--

'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।'১৮২১

-- কীৰ্ত্তন, শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়াণ

আকৌ--

'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।১৮২৩

কীৰ্ত্তন

এই তত্ত্বৰে তত্ত্বদৰ্শী হৈ আমি আটায়ে সমতাৰ ভেটিত এখনি শান্তিৰ মহামেলা ৰচো আহক। পৰিশেষত আই-মাতৃসকলৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত থকা অপৰিসীম দায়িত্ব কথা মাধৱ মহাপুৰুষৰ এজোকা ঘোষাৰে সামৰণি মাৰিলো--

'হৰিনাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৰলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।।'

নাম-ঘোষা-২৯ ■

লেখক- প্ৰবক্তা, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও

স্বাস্থ্য শিতান :

# স্বাস্থ্য ৰক্ষাত আধ্যাত্মিকতাৰ ভূমিকা

**ডাঃ বিদ্যাৰতী দাস**

স্বাস্থ্য সম্পৰ্কে কমবেছি পৰিমাণে আমি সকলোৰেই সচেতন। জীৱনৰ কোনোবা নহয়, কোনোবা এটা সময়ত স্বাস্থ্যজনিত কাৰণত আমি সকলোৰেই ভুগিছোঁ। 'স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত আধ্যাত্মিকতাৰ ভূমিকা' এই বিষয়ে আৰম্ভ কৰিবলৈ লৈছোঁ। বিষয়টো আমাৰ সচৰাচৰ ধাৰণাৰ পৰা কিছু অপ্ৰাসঙ্গিক যেন লাগে। কাৰণ, স্বাস্থ্য ৰক্ষাৰ কাৰণে আমি খোৱা-লোৱা, পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব দিওঁ। পৰিৱেশ সুস্থ কৰি ৰাখিব বিচাৰো, ঔষধপাতি খাওঁ, চিকিৎসক বা স্বাস্থ্যসেৱাৰ লগত জড়িত ব্যক্তি সকলোৰেই আমাক এইবোৰ পৰামৰ্শকে দিয়ে, কিন্তু আধ্যাত্মিকতাৰ কথা কোনেও নকয়।

কিন্তু বিষয়টো অপ্ৰাসঙ্গিক নহয়। আমাৰ বোধেৰে ই অতিবেচি প্ৰামাণিক। স্বাস্থ্য সম্পৰ্কে বিশ্ব স্বাস্থ্য সংস্থাই আগবঢ়োৱা সূত্ৰটোকে যদি চাওঁ-- 'স্বাস্থ্য হৈছে শাৰীৰিক, মানসিক, সামাজিক আৰু আধ্যাত্মিক সুস্থতাবোধ।' (Health is physical, mental, social and spiritual well being.) পৃথিৱীৰী বিভিন্ন দেশৰ বিশেষজ্ঞসকলে তেওঁলোকৰ দীৰ্ঘদিনৰ অভিজ্ঞতাৰ ভিত্তিত এই সূত্ৰটো উদ্ভাৱন কৰিছে। শাৰীৰিক ভাৱে সুস্থ নহ'লে সামাজিক বিশৃঙ্খলতাৰ সৃষ্টি হয় আৰু বিশৃঙ্খল সমাজত সুস্থ আধ্যাত্মিক চিন্তাও নাথাকে। যদি আমি ঘূৰাই চাওঁ, তেনেহ'লে সুস্থ আধ্যাত্মিক চিন্তা নথকা সমাজ এখনত মানসিক সুস্থতাও পৰিলক্ষিত নহয়। তেনে অসুস্থ মানসিকতাৰ ব্যক্তিৰ শাৰীৰিক স্বাস্থ্যও ভালে থাকিব নোৱাৰে। গতিকে, স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত এই চাৰিওটা দিশ সমানেই গুৰুত্বপূৰ্ণ, প্ৰত্যেকেই প্ৰত্যেকৰ পৰিপূৰক, সেয়ে স্বাস্থ্য সম্পৰ্কে বিশ্ব স্বাস্থ্য সস্থাৰ সূত্ৰটো অতি সম্যক।

আধ্যাত্মিকতা বুলিলে আমি কি বুজো? ধৰ্মীয় চিন্তা আৰু আচাৰ-নীতিকে আমি আধ্যাত্মিকতা বুলিব নোৱাৰো। সঁচা কথা যে ধৰ্মৰ লগত আধ্যাত্মিকতাৰ সম্বন্ধ আছে। কিন্তু আধ্যাত্মিকতাৰ কোনো নিৰ্দিষ্ট ধৰ্মৰ ঠেক পৰিসীমাৰ মাজতে আৱদ্ধ নহয়। একো একোটা ধৰ্মৰ আচাৰ-নীতি একোজন মহান ধৰ্মপ্ৰচাৰকে বা তেৰাৰ অনুগামী ভক্তসকলে নিৰ্দ্ধাৰণ কৰে। ইয়াত একোটা শৃঙ্খলা থাকে, বান্ধোন আছে আৰু অনুগামীসকলৰ বাধ্য-বাধকতাও আছে। প্ৰত্যেক ধৰ্মৰে নিৰ্দিষ্ট আদৰ্শ দৰ্শনৰ প্ৰভাৱত এই আচাৰ নীতিবোৰ গঢ়লৈ উঠিছে।

উদাহৰণ হিচাপে আমাৰ একশৰণ নাম-ধৰ্মৰ আদৰ্শ অনুযায়ী আমি গুৰুসেৱা, প্ৰসঙ্গ-প্ৰণালীৰ নিয়মবোৰ মানি চলিছোঁ। কিন্তু আধ্যাত্মিকতাৰ কোনো নিয়ম নাই, ই কোনো ধৰ্মগুৰুৱে ধাৰ্য কৰিব নোৱাৰে আৰু বাহ্যিক ভাৱে ইয়াক প্ৰকাশ কৰিব নোৱাৰে। আধ্যাত্মিকতা হৈছে অন্তৰৰ উপলব্ধিৰ বস্তু। শুদ্ধ চিন্তা আৰু সাধনাৰ মাজেৰে যিকোনো ব্যক্তিয়েই আধ্যাত্মিক জ্ঞান আহৰণ কৰিব পাৰে। এইক্ষেত্ৰত 'ধৰ্ম' হৈছে একোটা বাহন। আমি 'একশৰণ নামধৰ্ম'ৰ মাজেৰে লাভ কৰিব পাৰো। জৈন, বৌদ্ধ, ইছলাম আদি সকলো ধৰ্মৰ আলমত যি বিশ্বশান্তি, ভাতৃত্ব আৰু প্ৰেমৰ ভাৱ সৃষ্টি হয় ইয়ে আধ্যাত্মিকতাৰ উৎস আৰু ইয়ে আমাক সেই অনাদি অনন্ত সৃষ্টিকৰ্তাৰ ওচৰলৈ লৈ যায়। তেওঁকেই আমি কৃষ্ণ, আল্লা, যীশু, যি নামেৰেই নামাতো কিয় আধ্যাত্মিক সিদ্ধি লাভ কৰোঁতাজনৰ ওচৰত সকলো ধৰ্ম একে। ভাগৱত পাঠ কৰি বাইবেল বা কোৰাণ পঢ়ি বা জৈন, বৌদ্ধসকলৰ দৰে ধ্যান কৰি, যি মাধ্যমেৰে নহওক যিমান আধ্যাত্মিক জ্ঞান লাভ কৰিব পাৰিছে, তেওঁ জগতৰ সত্যতা উপলব্ধি কৰিব পাৰিছে, আত্মসংযম আয়ত্ব কৰিছে, জাগতিক দুখ যান্ত্ৰণাৰ পৰা মুক্ত হৈ ভগৱত্ প্ৰেমত আপ্লুত হৈছে।

আমি মূল বিষয়ৰ পৰা হয়তো আতৰি আহিছোঁ। স্বাস্থ্যৰ লগত আধ্যাত্মিকতাৰ সম্পৰ্ক কি? মানসিক উৎকৰ্ষ সাধনৰ পৰা আধ্যাত্মিকতাৰ সৃষ্টি হয়। শাৰীৰিক স্বাস্থ্যৰ ওপৰত মনৰ প্ৰভাৱ আছে। শৰীৰ আৰু মন টকাটোৰ ইপিঠি-সিপিঠিৰ নিচিনা। শাৰীৰিক কাম-কাজ লক্ষণবোৰ আমাৰ দৃষ্টিগোচৰ হয়। মনটো কিন্তু আমি কোনেও দেখা নাই। মগজুৰ ভিতৰতে মনটো থাকে বুলি কয়। বৌদ্ধসকলৰ মতে মন অৰ্থাৎ 'চিত্ত' বুকুৰ মাজত থাকে।

ই মনটোৰ নিৰ্দেশনাতেই আমাৰ শৰীৰৰ কাম-কাজবোৰ সমাধা কৰা হয়। তেনেহ'লে মন আৰু শৰীৰ দুটা বেলেগ বস্তু নে একেটাই? এই বিষয়লৈ বিভিন্ন সময়ত বিভিন্ন জনৰ মাজত মতানৈক্য হৈছে। সোতৰশ শতিকাৰ দাৰ্শনিক ডেচকাৰ্টে (Descartes) আৰু ল'কৰ (Locke)ৰ মতে মন আৰু শৰীৰ দুটা বেলেগ বস্তু। তেওঁলোকৰ দ্বৈতবাদৰ সূত্ৰমতে মনে শৰীৰৰ বিভিন্ন ক্ৰিয়াৰ নিৰ্দেশ দিয়ে। কিন্তু এইসূত্ৰ সম্পূৰ্ণ গ্ৰহণযোগ্য নহয়। এই কাৰণেই যে যদি আমি 'Conservation of cnergy.' ৰ সূত্ৰমতে অদৃশ্য অক্ষুণ্ণ মনে শাৰীৰিক কাম-কাজবোৰৰ যোগেদি শক্তিৰ পৰিবৰ্তন কেনেকৈ ঘটাব পাৰে? আনহাতে একত্ববাদত বিশ্বাসী দাৰ্শনিকসকলে ক'ব খোজে যে শৰীৰ আৰু মন একেটা বস্তুৰে দুটা বেলেগ প্ৰকাশ। আমাৰ হিন্দু দৰ্শন মতেও শৰীৰ আৰু মন একেটাই। অৰ্থাৎ একত্ববাদত বিশ্বাসী। অৱশ্যে এইক্ষেত্ৰত আমি মনটোক আত্মাৰ লগত ভুল কৰিলে নহ'ব। আত্মা (Soul) হৈছে আমাৰ ভিতৰৰ জীৱনী শক্তিৰ আধাৰ। ই অমৰ, অক্ষুণ্ণ, শৰীৰৰ মৃত্যুৰ লগে লগে মনৰো মৃত্যু হয়। কিন্তু আত্মাৰ অমৰ।

আমাৰ ভাৰতবৰ্ষ যেনেদৰে জ্ঞানদৰ্শনত পৃথিৱীৰ প্ৰাচীন সভ্যতাৰ অন্যতম। তেনেদৰে চিকিৎসা বিজ্ঞানতো অতি উচ্চমানৰ বিকাশ লাভ কৰিছিল। প্ৰাচীন আয়ুৰ্বেদ শাস্ত্ৰই স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত অকল অসুখ-বিসুখৰ পৰা হাতসাৰি থকাটোকে বুজোৱা নাছিল। ই শৰীৰ মন আৰু আত্মা শুদ্ধিৰ ওপৰত গুৰুত্ব দিছিল। সেই তাহানিতে আমাৰ আয়ুৰ্বেদ শাস্ত্ৰই কোৱা কথাখিনি আজি বিশ্বস্বাস্থ্য সন্থাইও স্বাস্থ্যৰ সূত্ৰৰ দ্বাৰা ব্যাখ্যা দিবলৈ গৈ একে কথাকে কৈছে। আমাৰ দেশৰ আয়ুৰ্বেদ শাস্ত্ৰৰ জনকস্বৰূপ চৰকমুনিয়ে সুস্বাস্থ্যৰ আধাৰ হিচাপে তিনিটা বস্তুৰ ওপৰত গুৰুত্ব দিছিল- সংযত আহাৰ, ভাল টোপনি আৰু মানসিক সংযম। আন এজন আয়ুৰ্বেদ চিকিৎসাৰ সিদ্ধপুৰুষ সুশ্ৰুতৰ মতে যিজন মানুহৰ দশা, অগ্নি আৰু জৈৱিক প্ৰক্ৰিয়াবোৰ সুসংযত ভাৱে চলি আছে আৰু যাৰ সত্তা, মন আৰু অনুভূতিত আনন্দ বিৰাজমান তেওঁৰেই সুস্বাস্থ্যৰ অধিকাৰী। গতিকে, স্বাস্থ্যৰ ক্ষেত্ৰত শৰীৰতকৈও আমাৰ মনটোৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হৈছে। মানসিক সংযমেই স্বাস্থ্য ৰক্ষাৰ মূলমন্ত্ৰ, আমাৰ হিন্দু দৰ্শনত মনৰ ক্ৰিয়াক তিনিটা যোগ বা সাধনাৰ স্তৰলৈ ৰূপান্তৰিত কৰিছে, সেয়াহৈছে জ্ঞানযোগ, কৰ্মযোগ আৰু ভক্তিযোগ। আমাৰ মনৰ অনুভূতিক নটা ৰসত বিভক্ত কৰিছে-- শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত। মনৰ ৰিপু অৰ্থাৎ শত্ৰু হ'ল কাম, ক্ৰোধ, লোভ, মোহ, মদ আদি। মনৰ তিনিটা যোগৰ ভিতৰত ভক্তিযোগৰ মাধ্যমেৰে যিজনে আধ্যাত্মিক জ্ঞান লাভ কৰিব পাৰিছে তেওঁৰেই সুস্বাস্থ্যৰ অধিকাৰী। তেওঁ ৰিপুবোৰ দমন কৰিবলৈ সক্ষম হৈছে আৰু এটা সুশৃঙ্খল জীৱন-যাপন কৰিব পাৰিছে।

প্ৰাক্‌বৈদিক যুগত অৰ্থাৎ খৃঃ পূঃ ১৫০০ শতিকাৰ আগতে আমাৰ ধৰ্মত প্ৰাকৃতিক শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। জীৱজগত, গছ-গছনি, সাপ আদিৰ পূজা-পাতল কৰা হৈছিল। অসুখ-বিমুখবোৰ অদৃশ্য শক্তিৰ প্ৰভাৱতে হোৱা বুলি সৰ্বসাধাৰণৰ ধাৰণা হৈছিল। হিন্দু সভ্যতাৰ সম-সাময়িক মেচোপটেমিয়াৰ সভ্যতাতো অতৃপ্ত আত্মা, ভূত-প্ৰেতৰ প্ৰভাৱতে অসুখ-বিমুখবোৰ হোৱা বুলি ভৱা হৈছিল। বৰ্তমানেও আদিবাসীসকলৰ মাজত এই ধাৰণা প্ৰচলিত। বৈদিক যুগ আৰম্ভ হোৱাৰ লগে লগে অসুখ-বিসুখবোৰৰ ব্যাখ্যা বিভিন্ন সময়ত বিভিন্ন ধৰণে দিয়া হৈছিল। আয়ুৰ্বেদত ভূত-প্ৰেত, অভিশাপ, যাদু-মন্ত্ৰৰ প্ৰভাৱত হয় বুলি ভৱা হৈছিল আৰু জৰা-ফুকাৰ ওপৰত গুৰুত্ব দিছিল। কিন্তু লাহে লাহে কিছু বিজ্ঞানসন্মত চিন্তাৰ উদ্ভৱ হ'ল। শেষৰ ফাললৈ এই অদৃশ্য শক্তিবোৰ উপৰিও খাদ্যৰ দোষৰ কাৰণে অসুখ হয় বুলি মানুহে ভাৱিবলৈ আৰম্ভ কৰিলে। জৰা-ফুকা পূজা-পাতল প্ৰচলিত হৈ আছিল যদিও ঔষধ প্ৰয়োগ আৰম্ভ হ'ল। আধুনিক চিকিৎসা বিভাগৰ এয়ে আৰম্ভণি।

মানুহে লাহে লাহে বাহ্যিক শক্তিবোৰৰ পৰা শৰীৰৰ ভিতৰত ৰোগৰ কাৰণ বিচাৰিবলৈ চেষ্টা কৰিলে। চৰক আৰু সুশ্ৰুতৰ দিনত শৰীৰৰ জৈৱ প্ৰক্ৰিয়াৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হ'ল। শৰীৰৰ ত্ৰিদশা যেনে- বাত, পিত্ত আৰু কফ বেমাৰৰ মূল কাৰণ বুলি ভাবিছিল। আয়ুৰ্বেদত বেমাৰত তিনিটা ভাগত ভাগ কৰিছিল-- অভ্ৰক, বাতজ আৰু শ্লেষ্মা। ই হ'ল শৰীৰৰ ভিতৰত থকা জুলীয়া পদাৰ্থৰ পৰিমাণৰ তাৰতম্য। আয়ুৰ্বেদত মনটোক এটা ইন্দ্ৰিয় বুলি ধৰা হয় আৰু ই শৰীৰৰ অন্যবোৰ ইন্দ্ৰিয়ক নিয়ন্ত্ৰণ কৰে।

খৃষ্টপূৰ্ব পঞ্চদশ শতিকাৰ প্ৰখ্যাত গ্ৰীক চিকিৎসক হিপ'ক্ৰেটিচে (যাক আধুনিক চিকিৎসা বিজ্ঞানৰ জনক বুলিক কোৱা হয়) কৈছিল যে শৰীৰৰ ভিতৰত থকা ৰঙা, নীলা, বগা, হালধীয়া আৰু ক'লাবৰণৰ জুলীয়া পদাৰ্থৰ পৰিমাণৰ তাৰতম্য ঘটিলেই বিভিন্ন ৰোগৰ সৃষ্টি হয়। আন এজন প্ৰখ্যাত ৰোমান চিকিৎসক গেলেনে কৈছিল

যে আমাৰ শৰীৰৰ ভিতৰত থকা জীৱনী শক্তিৰ আধাৰ স্বৰূপ জুলীয়া পদাৰ্থবিধ পেটৰ পৰা উজাই হৃদপিণ্ডত শোধিতহৈ মগজুৰ ভিতৰলৈ যায়। গতিকে আমাৰ সকলো অসুখ-বিসুখ মগজুৰ ক্ৰিয়া অৰ্থাৎ আমাৰ মনৰ বিভিন্ন অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে।

গতিকে দেখা যায়, পুৰণি হিন্দু বা মচেপটোমিয়ান্ সভ্যতাৰ দিনতে হওক মানুহৰ স্বাস্থ্য আৰু অসুখ-বিসুখৰ কাৰণ স্বৰূপে মনটোৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেয়ে মানসিক সংযম, উৎকৰ্ষ আৰু সাত্বিকতাৰ ওপৰতে আমাৰ স্বাস্থ্য নিৰ্ভৰ কৰিছে। সনাতন সচ্ছিদানন্দ যিৰূপ আমি কল্পনা কৰো সিয়েই হৈছে প্ৰকৃততে সুস্থ স্বাস্থ্যবান ব্যক্তিৰ ৰূপ। তেওঁ শাৰীৰিক, মানসিক, আধ্যাত্মিকভাৱে সুস্থ।

বৰ্তমান সময়ৰ অসুখ বিসুখৰ কাৰণবোৰ ফঁহিয়াই চালে দেখা যায়, সৰহভাগতে মনৰ প্ৰভাৱ আছে। ব্লাডপ্ৰেচাৰ, হাৰ্টএটেক আদি মানসিক চিন্তা আৰু উদ্বিগ্নতাৰ কাৰণে হয় বুলি আমি সকলোৱে জানো। তেনেদৰে এজমা, উশাহ-নিশাহৰ কষ্টও মানসিক ৰোগৰ কাৰণে হয়। পেপটিক্ আলচাৰ (গ্ৰেষ্টিক বুলিও কয়) Ulcerative diseases irritable bowel syndrom আদিও মানসিক কাৰণ জড়িত, থাইৰয়দে (Thyroyd) হৰমোনকোষ, মধুমেহ আদি বেমাৰৰ উৎপত্তিও মানসিক চিন্তাৰ কাৰণেই হয়, তেনেদৰে বহুতো চৰ্মৰোগৰ কাৰণো মানসিক।

আমাৰ বহুত আই-মাতৃয়ে কেতিয়াবা একে কিছুমান অসুখত ভোগে য'ত তেখেতসকলৰ মূৰৰ তালুখন গৰম লাগিথাকে, ডিঙিৰ পাছফালে বিষায়, বুকুখন হেঁচামাৰি ধৰি থকাৰ নিচিনা লাগে, পেটৰ বিষ অনুভৱ হয়। শাৰীৰিক পৰীক্ষাবোৰ কৰিলেও একো নোলায়, বেলেগ বেলেগ ডাক্তৰে বেলেগ বেলেগ ঔষধ দিয়ে, পিছে উপশম নহয়। প্ৰকৃততে এই অসুখবোৰৰ লক্ষণবোৰৰ মূলতে হ'ল মানসিক বিষাদগ্ৰস্ততাত (Mental depression)ত ভোগে। পাৰিবাৰিক কষ্ট, অনাটন বা অন্য অশান্তি ঘৰৰ মানুহজনীয়েই মূৰপাতি ল'ব লগা হয়। কথাবোৰ আনক ক'বও নোৱাৰে, ঘৰৰ মানুহজনো দিনটো বাহিৰে বাহিৰে ফুৰে। গতিকে মানুহজনীয়েই সকলোবোৰ সহি যাব লগা হয়। ভিতৰত সুমুৱাই ৰখা মনৰ বিষাদ বেদনাবোৰ ক'ব নোৱাৰাকৈয়ে শাৰীৰিক লক্ষণবোৰলৈ পৰিৱৰ্তিত হয়।

আই-মাতৃসকলৰ বহুতৰে মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত পেটৰ বিষ হয়। বহুতৰে মাহেকীয়া বন্ধ হোৱাৰ সময়তো কিছুমান শাৰীৰিক লক্ষণে দেখা দিয়ে। হঠাৎ গৰম লগা, ঘাম ওলোৱা, গাৰ ছালবোৰশুকাই যোৱা, অলপতে খং উঠা আদি নানা ধৰণৰলক্ষণে দেখা দিয়ে। এইবোৰৰ মূলতে কিছুমান মানসিক কাৰণ আৰু বহুক্ষেত্ৰত ব্যক্তিত্বৰো দোষ। অস্থিৰ মহিলাৰ এইৰোগবোৰ বেছিকৈ হয়। যিসকল আইমাতৃয়ে নিয়মিতভাৱে ভাগৱতশাস্ত্ৰ পঢ়ি বা নাম-গুণ গাই মনটো স্থিৰকৰি ৰাখিব পাৰে, তেওঁলোকৰ ক্ষেত্ৰত এনে শাৰীৰিক অসুখবোৰ কমকৈ হোৱা পৰিলক্ষিত হয়।

যুৱ সমাজৰ কাৰণে বৰ্তমান সময়টো অতি সঙ্কটপূৰ্ণ। যুৱ উচ্ছৃঙ্খলতা চাৰিওফালে বিয়পি পৰিছে। যুৱ সমাজৰ মাজত এক অস্থিৰতা আহিছে, যাৰ কাৰণে বহুতে বিদ্ৰোহ কৰিছে, বহুতে হাতত অস্ত্ৰ তুলি লৈছে। এনেক্ষেত্ৰত যুৱ সমাজৰ মানসিক স্বাস্থ্য সুস্থ বুলি ক'ব নোৱাৰি। ফলত সামাজিক অৱনতি হৈছে। শাৰীৰিকভাৱেও তেওঁলোক অসুস্থ হৈ পৰিছে। বহুতো ডেকা ল'ৰা নিচাযুক্ত দ্ৰব্যৰ কবলত পৰিছে। বিশেষকৈ মদৰ নিচাত আমাৰ প্ৰায়বোৰ ডেকা ল'ৰা এতিয়া মতলীয়া। অসমৰ এনে এখন চহৰ নাই য'ত মদৰ দোকান নাই। গাঁৱে ভূঞে সকলোতে মদৰ অবাধ প্ৰচলন আৰু সকলোৰে মদৰ দোকান। মদে মানুহৰ লিভাৰ বেয়া কৰে আৰু স্নায়ু দুৰ্বল কৰে বুলি সকলোৱে জানে। কিন্তু মদৰ আটাইতকৈ ভয়াবহ ফল হ'ল স্মৃতিশক্তিৰ লোপ। প্ৰতিগিলাচ মদে মগজুৰ কেইবাহাজাৰো জীৱকোষ মাৰি পেলায়। আমাৰ উঠি অহা প্ৰজন্মৰ সৰহভাগৰে যদি এনেদৰে মদৰ প্ৰভাৱত মেধাশক্তিৰ লোপ পায়, তেনেহ'লে আমাৰ ভৱিষ্যত কি? দেশে উঠি অহা নতুন প্ৰজন্মৰ পৰা কি আশা কৰিব পাৰে? এইক্ষেত্ৰত চৰকাৰৰো দোষ আছে। মদৰ দোকান খুলিবলৈ লাইচেন্স দি দেশৰ এক ভয়ানক অপকাৰ সাধন কৰিছে। চৰকাৰে হয়তো Tax আৰু Reveneue ৰ কথা ক'ব পাৰে। কিন্তু যদি Tax আৰু Reveneue ও পাইছেও তেনেহ'লে দেশৰ উঠি অহা নতুন পুৰুষৰ মেধা শক্তিৰ বিনিময়ত। আজিকালি ডাঙৰ চহৰত ছোৱালীবোৰেও মদ্যপান কৰে। এইটো বৰ পৰিতাপৰ কথা। মদৰ কাৰণে হোৱা সামাজিক, পাৰিবাৰিক অশান্তিবোৰৰ কথা সকলোৱে জানো। স্কুলৰ ছাত্ৰইও মদ খায় আৰু শিক্ষকেও মদ খায়। শিক্ষকে যদি খায় ছাত্ৰই আদৰ্শ ল'ব ক'ৰ পৰা? বিয়া-বাৰু, পাৰ্টি সামাজিক কিছুমান অনুষ্ঠানত অবাধে মদ চলে। কিছুমান অনুষ্ঠান মদ নহ'লে পাতিবই নোৱাৰে।

এই যুৱ উচ্ছৃঙ্খলতা আৰু মানসিক অৱক্ষয় যি আমাৰ সকলোৰে শাৰীৰিক, মানসিক আৰু সামাজিক স্বাস্থ্যৰ

অৱনতি ঘটাইছে, তাৰ মূলতে হৈছে আমাৰ ধৰ্মীয় অনুশাসনৰ অভাৱ আৰু আধ্যাত্মিক জ্ঞানৰ দৈন্যতা। ধৰ্মীয় অনুশাসন থাকিলে মানুহে সহজে এনে অসামাজিক কাম-কাজবোৰত লিপ্ত হ'ব নোৱাৰে। আমাৰ সমাজত ধৰ্মীয় ৰীতি-নীতি মানিছে কোনে? ধৰ্মৰ মাধ্যমেৰে আধ্যাত্মিক জ্ঞান লাভ কৰিবলৈ প্ৰয়াস কৰিছে কোনে? প্ৰৌঢ় লোক কেইজনে যি মৃত্যুৰ দুৱাৰডলিত থিয় হৈ আছে। শাৰীৰিক অসুখৰ জ্বালা যন্ত্ৰণা যাক পীড়িত কৰিছে সেই কেইজন। জ্ঞানমালিনীৰ কবিয়ে ক'বৰ দৰে-- 'দিনৰ পোহৰত শলিতা নেবেহালো, এতিয়া কাণিমুনি সন্ধিয়া হাবুডুবু খাইছোঁ।' মানুহ প্ৰকৃততে অতি স্বাৰ্থপৰ। এতিয়া উদ্ধাৰৰ পথ বিচাৰি প্ৰভুৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰিছোঁ অথচ সক্ষম অৱস্থাত ভগৱানৰ চিন্তা কৰিবলৈ আমাৰ সময়েই নাই।

ভগৱৎ চিন্তা আৰু আধ্যাত্মিক জ্ঞানৰ অতি প্ৰয়োজন হৈ পৰিছে আমাৰ যুৱ সমাজৰ কাৰণে। যদি সৰুৰে পৰা এটি সাত্বিক পৰিৱেশত আমাৰ ল'ৰা-ছোৱালীবোৰ ডাঙৰ কৰিব পৰা হয়, যদি তেওঁলোকক নিয়মিতভাৱে ধৰ্মীয় অনুশাসনৰ প্ৰতি আগ্ৰহী কৰিব পৰা হয় তেনেহ'লে সৰহভাগ সামাজিক উচ্ছৃঙ্খলতাই নাইকিয়া হ'ব। আধ্যাত্মিক জ্ঞানেৰে পুষ্ট ব্যক্তি এজনৰ মনত অকল ভগৱৎ প্ৰেমহে উদয় হয় এনে নহয়, ভগৱানৰ অংশস্বৰূপ সকলো মানুহৰ প্ৰতি ভাতৃত্ব ভাৱ মনত জাগিব। সকলো জীৱৰে প্ৰতি মমতা আহিব। তেনেহ'লে মানুহে ভাতৃঘাতী হ'বলৈ, হাতত অস্ত্ৰ তুলি ল'ব নোৱাৰে। ভগ্নীক ধৰ্ষণ কৰিবলৈ আগবাঢ়ি যাব নোৱাৰে। সেয়ে সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্য ৰক্ষা কৰি জগত সুন্দৰ কৰিবলৈ আধ্যাত্মিক জ্ঞানৰ অতি প্ৰয়োজন হৈ পৰিছে।

আজিকালি আমি আৰু এটা ডাঙৰ সমস্যাত পৰিছোঁ। আমাৰ প্ৰায়বোৰ পিতৃ-মাতৃয়ে অভিযোগ কৰা শুনা যায় তেওঁলোকৰ স্কুলত পঢ়া ল'ৰাটো ছোৱালীজনী অতিপাত জেদী আৰু খঙাল হৈছে। কাৰণটোনো কি? খং কিয় উঠে? খঙ উঠাতো প্ৰকৃতিগত স্বভাৱ (Instincted)।

প্ৰখ্যাত মনোবৈজ্ঞানিক ফ্ৰয়ডে পোনতে ক'ব খুজিছিল মানুহৰ মৌলিক প্ৰবৃত্তি এটাই। সি হৈছে eros বা সৃষ্টিকামী প্ৰবৃত্তি। তাৰ আধাৰতে মানুহৰ অন্য প্ৰবৃত্তিবোৰৰ উদ্ভৱ হয়। পিছে প্ৰথম মহাসমৰৰ সময়ত মানুহৰ হিংস্ৰ স্বভাৱ প্ৰত্যক্ষ কৰি তেওঁ ক'বলৈ বাধ্য হ'ল যে মানুহৰ প্ৰকৃততে দুটা মৌলিক প্ৰবৃত্তি থাকে। এটা হৈছে সৃষ্টিকামী প্ৰবৃত্তি (eros) আৰু আনটো হৈছে ধ্বংসকামী প্ৰবৃত্তি (thanatos)। গতিকে খং, ৰাগ বা হিংসা প্ৰবৃত্তি সকলো মানুহৰে অন্তৰত আছে। পিছে আমি এই হিংসা প্ৰবৃত্তিক প্ৰশ্ৰয় দিব পাৰোঁ জানো? সমাজখন বাচি থাকিবলৈ হ'লে হিংসা প্ৰবৃত্তিক দমাই ৰাখিবই লাগিব। কিহে এই হিংসা প্ৰবৃত্তি দমাই ৰাখিব পাৰে? এই অনুশাসন আহে একমাত্ৰ ভগৱৎ চিন্তা আধ্যাত্মিক ধ্যান ধাৰণাৰ পৰা। যিটোক শ্ৰীভগৱান কৃষ্ণই মানৱজাতিক উদ্দেশ্য কৰি অৰ্জুনক কৈছিল-- যে এই সংসাৰত দৈৱ আৰু আসুৰ এই দুই প্ৰকাৰ প্ৰবৃত্তি থকা প্ৰাণীৰ জন্ম হয়। (শ্ৰীমদ্‌ভগৱদ্‌গীতা-১৬/৬)

বৰ্তমান ইলেট্ৰনিক মিডিয়াৰ যুগ। এই যুগত আমাৰ ল'ৰা-ছোৱালীবোৰে কিছুমান জঘন্য আচৰণ প্ৰত্যক্ষ কৰিছে। টি.ভি., ইণ্টাৰনেট্, ম'বাইল ফোন আদিয়ে সমাজৰ সুফলতকৈ কুফলহে বেছিকৈ দিছে। অশ্লীল, উত্তেজনাপূৰ্ণ সংঘৰ্ষ আদি থকা দৃশ্য চাই ল'ৰা-ছোৱালীবোৰ অসংযত, উদণ্ড, সংঘৰ্ষ আদিত সোনকালে লিপ্ত হোৱা দেখা গৈছে। কিন্তু যিসকল পিতৃ-মাতৃয়ে শুদ্ধ নীতি দেখুৱাইছে তেওঁলোক সংযত আৰু বেয়া কাম কৰিবলৈ কুণ্ঠাবোধ কৰে। এনেধৰণৰ আচৰণৰ প্ৰত্যক্ষ প্ৰমাণ কৰি উলিয়াইছে আমেৰিকাৰ মনোবৈজ্ঞানিক এজনে। তেওঁ দহটা শিশুক সৎ আচৰণ সৎ কাম আদিৰ দৰ্শন কৰালে। পিছত আন দহজন শিশুক মাৰপিট, হত্যা আদি দৰ্শন কৰালে। পিচত তেওঁলোকৰ সন্মুখত কুকুৰ মেকুৰী আদি বিভিন্ন জীৱবোৰ আনি দিওঁতে অসৎ দৰ্শন কৰোতাসকলক সেই জীৱবোৰক বধ কৰিবলৈ দিয়া হ'লত তেওঁলোকে কুণ্ঠাবোধ নকৰাকৈ বধ কৰিলে। আনহাতে সজ আচৰণ কৰোতাসকলক দিওঁতে মাৰিব নোৱাৰিলে।

এনে প্ৰমাণে ইয়াকে সিদ্ধান্ত দিলে যে সন্তানক সৎপথলৈ আনিবলৈ হ'লে সজ আদৰ্শ, আধ্যাত্মিক চিন্তা-চৰ্চাৰ দ্বাৰাহে সৎ পথলৈ উত্তৰপুৰুষক সুস্থভাৱে জীয়াই ৰাখিব লাগিলে আনিব পাৰি। ইলেক্ট্ৰনিক মিডিয়াবোৰ বন্ধ কৰিব লাগিব। কন কন ল'ৰা-ছোৱালীৰ মন কলুষিত কৰা চিনেমা, চিৰিয়েল আদি বিৰোধিতা কৰিব লাগিব। আজি পশ্চিমীয়া দেশৰ লোকে এইবোৰ কু-প্ৰভাৱৰ কথা অনুভৱ কৰিব পাৰিছে। সেয়ে তেওঁলোকে ল'ৰা-ছোৱালীক দীঘলীয়াকৈ টি.ভি. চোৱা বন্ধ কৰিছে। অথচ আমি কৰিছোঁ কি?

আমি আদিতেই উনুকিয়াই আহিছোঁ যে আধ্যাত্মিক ধ্যান-ধাৰণা উপলব্ধিৰ বস্তু। ধৰ্মীয় সিক্ষাৰ মাজেৰে ভগৱৎ প্ৰেমৰ ভাৱ স্বতঃস্ফৰ্তভাৱে অন্তৰত জাগি উঠিলেই মানুহৰ

মনত আধ্যাত্মিকতাৰ উদ্ৰেক হয়। এই ভগৱৎ প্ৰেমৰ ভাৱ ল'ৰা-ছোৱালীৰ মনত অতি কম বয়সৰ পৰাই জগাই তুলিব পৰা হয়। মাতৃৰ গৰ্ভত থকাৰ সময়ৰ পৰাই সন্তানৰ শিক্ষা লাভৰ ক্ষমতা উদ্ভৱ হয়। ভাগৱত, কীৰ্তন-ঘোষা আদি শাস্ত্ৰত থকা অভিমন্যু, প্ৰহ্লাদৰ কাহিনীয়ে তাকেই সূচায়। (এই কথাটোও এজন আমেৰিকান মনোবৈজ্ঞানিকে প্ৰমাণ কৰি উলিয়াইছে। তেওঁ কেইগৰাকীমান গৰ্ভৱতী মহিলাক সুমধুৰ গান শুনিবলৈ দিছিল। যি কেইগৰাকীয়ে গান শুনিছিল গান শুনিবলৈ দিছিল। যি কেইগৰাকীয়ে গান শুনিছিল, পিছত তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে গান ধুনীয়াকৈ অতি সহজতে গাব পাৰিছিল। যি কেইগৰাকীয়ে গৰ্ভাৱস্থাত গান শুনা নাছিল, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে সহজতে গান গাব পৰা নাছিল।) গতিকে, দেখা যায়, গৰ্ভাৱস্থাত থকাৰ পৰাই ল'ৰা-ছোৱালীক শিক্ষা দিব পৰা হয়। সেয়ে গৰ্ভৱতী মহিলাৰ সন্মুখত নিয়মিত গীতা, ভাগৱত পাঠ কৰিব লাগে, তাৰ ব্যাখ্যা কৰিব লাগে। পৰিৱেশ সুস্থ আৰু শান্তিময় কৰি ৰাখিব লাগে, তেতিয়া তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী হ'ব। আগন্তুক সন্তানৰ মনত আধ্যাত্মিকতাৰ ভ্ৰূণ তেনেকৈয়ে ৰোপণ কৰা হয়। আগলৈ সেই সন্তানৰ মনত চেতন ভাৱে বা অবচেতন ভাৱে এক আধ্যাত্মিক অনুশাসন থাকিব। তেওঁক হিংস্ৰ প্ৰবৃত্তিৰ পৰা আঁতৰাই ৰাখিব। তেওঁ মানসিক আৰু শাৰীৰিক স্বাস্থ্য সবল হৈ থাকিব আৰু তেনে সন্তানে সামাজিক স্বাস্থ্যও সুস্থ কৰি ৰাখিব।

পশ্চিমীয়া দেশৰ লোকসকল এতিয়া আধ্যাত্মিক জ্ঞানৰ সন্ধানত ধাৰমান হৈছে। তেওঁলোকৰ খোৱা-পিন্ধাৰ অভাৱ নাই, অথচ মানসিক শান্তিও নাই। আমেৰিকাৰ প্ৰত্যেক পাঁচজন মানুহৰ মাজত এজনে মানসিক বিষাদগ্ৰস্তৰ (mental depression) ৰ ঔষধ খায়। তেওঁলোকৰ জীৱনৰ প্ৰাচুৰ্যই মনৰ শান্তি দিব নোৱাৰে। সেয়ে বহুতে ঐশ্বৰ্যবিলাস ত্যাগ কৰি আধ্যাত্মিক গুৰুৰ কাষ চাপিছে অকণমান শান্তি বিচাৰি। আমাৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে পাঁচশ বছৰৰ আগেয়েই আমাক ভগৱৎ প্ৰেমৰ দুৱাৰ মুকলি কৰি দি থৈ গৈছে। গুৰুজনাই অতি সাত্ত্বিক নিয়মানুবৰ্তিতাৰ মাজেৰে আধ্যাত্মিক জ্ঞানৰ দ্বাৰা পুষ্ট হৈ এক সবল সুঠাম দেহৰ অধিকাৰী হ'ব পাৰিছিল। সু-স্বাস্থ্যৰ অধিকাৰী হৈ যেনেদৰে সামাজিক আৰু আধ্যাত্মিক স্বাস্থ্যৰ উৎকৰ্ষ সাধন কৰিব পাৰি সেয়া গুৰুজনাই নিজৰ জীৱনৰ মাজেৰেই দেখুৱাই গৈছে।

আমি যন্ত্ৰণা আৰু কষ্ট কিয় পাওঁ। কিয়নো যান্ত্ৰণাময় পৰিৱেশক (শাৰীৰিকেই হওক মানসিকেই হওক) আমি গ্ৰহণ কৰি ল'ব নোৱাৰো। যদি আমি গ্ৰহণ কৰি ল'ব পাৰো যে ইয়ে জীৱনৰ সত্য, ইয়ে আমাৰ সঙ্গী, আমি এই যান্ত্ৰণাৰ লগতে জীয়াই থাকিব লাগিব। তেনেহ'লে এই পৰিৱেশে আমাক বেছি আমনি কৰিব নোৱাৰে। বুদ্ধৰ শিক্ষাত তাকেই শিকাইছিল। জীৱন মানেই দুখ-যান্ত্ৰণা, আমি তাক গ্ৰহণ কৰি লোৱাই কাম্য। বৌদ্ধসকলে জ্ঞানৰ মাজেৰে আধ্যাত্মিক জ্ঞান আহৰণ কৰে। যন্ত্ৰণাময় পৰিৱেশ আৰু নিজৰ মাজত কোনো বাধা নাৰাখি এক হৈ যাবলৈ তেওঁলোকে ধ্যানৰ মাজেৰে সাধনা কৰে। কবিয়ে কৈছে- 'সুখৰ দুখৰ মনেই কাৰণ, মনক ৰাখিবা থিত।' বৰ্তমান বহুতবোৰ মানসিক আৰু শাৰীৰিক ৰোগৰ চিকিৎসাৰ কাৰণে ধ্যান শিকোৱা হয়। ধ্যানৰ মাজেৰে এক গভীৰ মানসিক প্ৰশান্তি আহে, এনে স্থিৰ আৰু প্ৰশান্ত মনৰ অৱস্থাত দেহৰ ভিতৰত বহুতো জৈৱ ৰাসায়নিক প্ৰক্ৰিয়া সুস্থিৰ হৈ পৰে। উদাহৰণ স্বৰূপে ধ্যান কৰি মানুহে উচ্চ ৰক্তচাপ কমাব পাৰে। শ্বাস প্ৰশ্বাস আৰু পেটৰ অসুখ ভাল কৰিব পাৰে। আমাৰ শৰীৰৰ ভিতৰত হোৱা কিছুমান হৰমোনৰ নিঃসৰণ নিয়মিত হয়, যি বহুতবোৰ অসুখৰ পৰা আমাক বচাই ৰাখিব পাৰে। ধ্যানৰ দৰে চুফীবাদীসকলৰ Mysticism ৰ মাজেৰেও আধ্যাত্মিকতাৰ উদ্ৰেক হয়। মনৰ Mystic অৱস্থাত এনে এক মানসিক আনন্দ আৰু প্ৰশান্তি আহে যে শৰীৰৰ জৈৱ ৰাসায়নিক প্ৰক্ৰিয়াবোৰ স্থিৰ আৰু নিয়মিত হৈ পৰে।

যি ধৰ্মীয় আচাৰ-ৰীতিকে আমি নেমানো কিয় আধ্যাত্মিকতাৰ উদ্ভৱ হ'বলৈ অতি গভীৰ উপলব্ধিৰ দৰকাৰ। এই উপলব্ধি আহিব নিষ্ঠা, একাগ্ৰতা আৰু ভগৱানৰ ওচৰত আত্মসমৰ্পণৰ মাজেৰে। তেতিয়াহে আমাৰ মনত আধ্যাত্মিকতাৰ উদ্ভৱ হ'ব। তেতিয়াই আমি সকলো দিশৰে পৰা সুস্থ এজন ব্যক্তি হ'ব পাৰিম।■

লেখিকা- মুখ্য স্বাস্থ্য আৰু চিকিৎসা সেৱা বিষয়া,
যুটীয়া সঞ্চালক, জনস্বাস্থ্য বিভাগ, ধুবুৰী